# COTTONIAN

**Session : 1996-97**

# কটনিয়ান

বৰ্ষ ঃ ১৯৯৬-৯৭

EDITOR
SAILEN BORKAKATI

সম্পাদক
শৈলেন বৰকাকতি

৭১ তম বাৰ্ষিক প্ৰকাশ ঃ কটন কলেজ, গুৱাহাটী - ১
71ST ANNUAL PUBLICATION : COTTON COLLEGE, GUWAHATI - 1

## শ্ৰ দ্ধা ঞ্জ লি

পৃথিৱীৰ শ্ৰেষ্ঠ ধৰ্ম 'মানৱ সেৱা'ত নিজৰ শৰীৰ মন নিয়োজিত কৰি
পবিত্ৰতম সম্বোধন 'মা'ৰে
বিভূষিতা হোৱা **মাদাৰ টেৰেছা**লৈ,
ভাৰতীয় সাহিত্যৰ সৰ্ব্বোচ্চ সন্মান 'জ্ঞানপীঠ' বিজয়ী
অসমৰ সুযোগ্য সন্তান ড° **বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য** দেৱলৈ
অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক, মহান কবি আৰু সমালোচক
**ড° মহেন্দ্ৰ বৰা** দেৱলৈ
আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ **আমিন খান**, প্ৰাক্তন অধ্যাপক **শিৱ ঘোষ**, অধ্যাপিকা **উষাৰাণী ভূঞা**, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ **দিব্যজ্যোতি ভূঞা** আৰু নামবিহীন অলেখ মৃতকলৈ।



## উ ৎ স র্গা

পাখিলগা যোঁৱাৰ দৰে
দূৰন্ত আৰু নীলা চৰাইৰ
সন্ধানত ব্ৰতী নতুন প্ৰজন্মৰ হাতত।

# কটনিয়ান


## সম্পাদনা সমিতি

সভাপতি

ড° ভৃগু মহন্ত

তত্ত্বাৱধায়ক

ড° বমেশ পাঠক

উপদেষ্টা

অধ্যাপক ড° ভবেন কলিতা

প্ৰবক্তা বাসন্ত মহন্ত

সম্পাদক

শৈলেন বৰকাকতি

সম্পাদনা সহযোগী

ধীমান সিংহ

কৌশিক ডেকা

অঞ্জন ভট্টাচাৰ্য

প্ৰণৱ জ্যোতি নেওগ

গীতাশ্ৰী দেউৰী

গৌৰী দেৱী

সঙ্গীতা গগৈ

ৰশ্মি বালা গাখাৰ

বেটুপাত

অনন্যা হিলৈদৰী

অলংকৰণ

বিষ্ণু তামুলী

মনোজ শৰ্মা

অংগ সজ্জা

সম্পাদক

কটন

শৈলজানন্দ শইকীয়া

মুদ্ৰণ

ডিজ-আৰ্ট

চেনিকুঠী, গুৱাহাটী-৭৮১০০৩

প্ৰকাশক

কটন কলেজ ছাত্ৰ সন্থা



কটন কলেজ ছাত্ৰ সন্থাৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত


## সূচীপত্ৰ


সম্পাদকীয়-৭

প্ৰবন্ধ

গুৱাহাটীত কটন কলেজৰ জন্ম বেদনাৰ কথা- ৯

কুমুদেশ্বৰ হাজৰিকা

আড্ডা, কটনিয়ানৰ আড্ডা- ১১

নীলিময় চৌধুৰী

অস্তিত্ববাদী দৰ্শন- ১৭

ড জগদীশ পাটগিৰি

বুৰঞ্জীয়ে পৰশা নগৰ ৰংপুৰ- ২১

অঙ্কুৰণ দত্ত

জাতীয় জীৱনৰ তিনিটা অনুভৱ- ২৩

অৰবিন্দ চক্ৰৱৰ্তী

গোৱালপৰীয়া লোক সাহিত্যত ফকৰা-যোজনা- ২৫

গৌতম চন্দ্ৰ ৰয়

এজন মানুহৰ ৰহস্য -২৯

অৰিন্দম বৰকটকী

ক্ৰিকেট, ভাৰতীয় দল, বিভাৰ্ছ ছুইং ইত্যাদি -৩২

বেদব্ৰত শৰ্মা

টাই জনগোষ্ঠীৰ জীৱন ধাৰাৰ প্ৰণালী আৰু সংস্কৃতি- ৩৫

গীতাশ্ৰী দেউৰী

অভিজ্ঞান শকুন্তলম- ৪২

মিৰি কলিতা

মহাভাৰতীয় দুই চৰিত্ৰ ভীষ্ম আৰু কৰ্ণৰ অন্তঃদ্বন্দ

ঃ আধুনিক সমাজত প্ৰাসংগিকতা- ৪৫

জিতু ·৬

ভাৰতীয় জীৱন পদ্ধতিত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ- ৪৭

সংগীতা গগৈ

জয়মতীৰ পৰা সপোনলৈ-- এক পৰ্যালোচনা- ৫১

বিপুল মেধি

ওমৰৰ 'ৰুবায়াট' আৰু যতীন্দ্ৰ নাথ দুৱৰাৰ 'ওমৰতীৰ্থ'- ৫৪

দীপজ্যোতি ডেকা

বিচ্ছিন্নতাবাদ, জিঘাংসা, আধিপত্যৰ স্বপ্ন আৰু আমেৰিকা- ৫৬

চন্দন ভূঞা

গ্ৰন্থৰ অস্তিত্বৰ সংকট- ৫৮

প্ৰণৱজ্যোতি নেওগ

বিংশ শতিকাৰ বিজ্ঞানৰ জয়যাত্ৰা- ৬১

ভিজিত কুমাৰ শইকীয়া

সম্পাদকলৈ চিঠি- ৬২

মু

ঐতিহ্যৰ অনু

মতামত

কটন কলেজৰ শতবাৰ্ষিকী- ৭৭

## কটনিয়ান


ভিন্ন ছন্দ
মহাকাশত নিসংগ উল্কা- ৮৩
উমেশ দেৱশৰ্মা
চহৰ আৰু নৈ বিষয়ক- ৮৪
সুৰেশ ৰঞ্জন গদুকা
ৰম্য ৰচনা
লোকেল- ৮৫
বিনভিন ৰবা
কবিতা- ৮৭
প্ৰাচীৰৰ ৰেঙণি- ৯৫
কথা কবিতা- ১০১
গল্প- ১০৪
ৰামধেনু- ১১৮
মঞ্চনাট- ১২১
Public opinion poll- 137
Jewels of the College (Photograph)-139
Winners of College Week (Photograph)- 140
*ENGLISH SECTION*
Literature and integration : A Conceptual Overview- 143
*Prof. Pradip Acharya*
Euler- 145
Rupam Barman
H D R 97 Concepts and Measnrement of Poverty : Analysis from the Indian North-Eastern Region Perspectives- 147
Prof. Dilip Kumar Baruah
Special write-up on 50th year of Indian Independence
A Fistful of Images- 149
Dheeman Sinha
Cotton College as Described by its First Principal- 152
S. W. Sudmerson
T. S. Eliot - A brief study of his life and lierary work- 154
Gauri Devee
Sri Aurobindo - his life, vision and work- 156
Apratim Barua
The N. E Insurgency - A few words- 158
Anjan Bhattacharyee
Whither India 50 years from today- 159
Manikut Sarma
100 years of Cotton College : Some Suggestions- 163
Dilip Kr. Baruah
Book Review- 165
Pranjit Borah
Fiction- 171
Letter to the Editor- 173
Secretarial Reports- 178


## সম্পাদনা সমিতি


সভাপতি
ড° ভূষণ মহন্ত


উপদেষ্টা
ড° ভবেন কলিতা


উপদেষ্টা
ৰাহুল মহন্ত


সম্পাদক
শৈলেন বৰকাকতি


সম্পাদনা সহযোগী
ধীমান সিনহা


সম্পাদনা সহযোগী
অঞ্জন ভট্টাচাৰ্য্য


সম্পাদনা সহযোগী
গৌৰী দেৱী


সম্পাদনা সহযোগী
গীতাশ্ৰী মেধি


সম্পাদনা সহযোগী
ৰশ্মিৰেখা পাঠক


সম্পাদনা সহযোগী
সংগীতা গগৈ

## কৃতজ্ঞতা

হোমেন বৰগোহাঞি, নীলিমা চৌধুৰী, কুমুদেশ্বৰ হাজৰিকা, অজিৎ বৰুৱা, নৱকান্ত বৰুৱা, ভোগেশ্বৰ দত্ত, হেমেন গগৈ, নিৰুপমা বৰগোহাঞি, পুষ্প গগৈ, কেশৱ মহন্ত, লক্ষাধৰ চৌধুৰী, বিপুলজ্যোতি শইকীয়া, সমীৰ তাঁতী, অৰ্চনা পূজাৰী, সৌৰভ শইকীয়া, দিলীপ কুমাৰ বৰুৱা, কুল শইকীয়া, প্ৰফুল্ল বৰুৱা, ইছমাইল হুচেইন

মনোজ শৰ্মা, বিষ্ণু তামুলী, প্ৰাঞ্জল হাজৰিকা, নবীন আলী, চিৰঞ্জীৱ তামুলী, নয়ন প্ৰসাদ, চন্দন শৰ্মা, সুৰেশ শৰ্মা

হৰি নাথ, বৃন্দু কলিতা, বৰ্মণ দা, ভবেন দা

সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ অধীক্ষক, কৰ্মচাৰী আৰু আবাসীবৃন্দ

দৰ্শন বিভাগৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু শিক্ষাৰ্থী সকল

কটন কলেজ ছাত্ৰ সন্থা, (১৯৯৬-৯৭) বৰ্ষৰ সমূহ বিষয়ববীয়া

আৰু কতজন.........



কটন কলেজৰ কৰ্মচাৰীবৃন্দৰ একাংশ



বিগত বছৰটোৰ টুকুৰা স্মৃতি

# সম্পাদকীয়

**প্ৰাক্ শতবাৰ্ষিকীৰ চিন্তা**



আৰু মাত্ৰ তিনিটা বছৰ। তাৰ পাছতে কটন কলেজৰ শতবাৰ্ষিকী। "চিৰ ওঠৰৰ স'তে প্ৰেম" কৰা কটন কলেজৰ শতবাৰ্ষিকী। বুকুত হাজাৰ স্বপ্ন আঁকি চামে চামে কলেজখনলৈ ছাত্ৰ-ছাত্ৰী আহিছে আৰু গৈছেগৈ। জীৱন গঢ়িবলৈ অহা এই ছাত্ৰ-ছাত্ৰীসকলে কটনৰ পৰা কিবা লৈ গৈছে আৰু হয়তো দিও গৈছে বহু কিবাকিবি। আগৰ কটনিয়ান সকলৰ তুলনাত এতিয়াৰ কটনিয়ান সকলে সমাজে তেওঁলোকৰ পৰা দাবী কৰাবোৰ দিবলৈ সক্ষম হৈছে নে নাই, সেয়া আজি সকলোৰে বিচাৰ্য্যৰ বিষয়। বাতৰি কাকত মেলিলেই দেখিবলৈ পাওঁ কটনিয়ানসকলৰ উশৃংখলতা, মানসিক অসুস্থতাৰ বাবে প্ৰায়ে আগৰ চাম কটনিয়ানে মুকলিকৈ সমালোচনা কৰিছে নতুন চামক। পৃথিৱীত কোনো ঘটনাই কোনো কাৰণ নোহোৱাকৈ সংঘটিত নহয়! গতিকে, এতিয়াৰ কটনিয়ানসকল যদি সঁচাকৈয়ে উশৃংখল হৈছে তাৰ অন্তৰালত নিশ্চয় কোনো কাৰণ নিহিত আছে। শতবৰ্ষৰ দুৱাৰদলিত থিয় হোৱা কলেজখনৰ সম্পৰ্কে বাতৰি কাকতত প্ৰকাশ পোৱা দুঃসংবাদবোৰে কটনৰ শুভাকাংক্ষী প্ৰতিজন সচেতন নাগৰিকৰে বুকু নিশ্চয় এবাৰলৈ হলেও কঁপাই তোলে। ক্ৰমে ক্ৰমে বৃদ্ধি পোৱা কটনিয়ান সকলৰ উশৃংখলতাৰ আঁৰত ক্ৰিয়া কৰা কাৰণবোৰ আমি যদি বিশ্লেষণ কৰোঁ তেনেহলে তলত দিয়া ছবিখন পৰিস্ফুট হ'ব।

## শৈক্ষিক পৰিবেশ

কিছুদিনৰ পৰা কটন কলেজৰ ফলাফল সমূহৰ দুৰ্ভাগ্য জনক ভাৱে অৱনতি ঘটিছে। কলেজখনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বছৰি যদিওবা দ্ৰুত গতিত বৃদ্ধি পাইছে তাৰ তোলনাত তেওঁলোকক দিব লগা সা-সুবিধাবোৰৰ কিন্তু বৃদ্ধি হোৱা নাই। ১৯০১ চনত ৩৭ জন ছাত্ৰৰ ঠাইত কটন কলেজৰ এতিয়াৰ ছাত্ৰৰ সংখ্যা প্ৰায় পাঁচ হাজাৰ। এই পাঁচ হাজাৰ কটনিয়ানৰ বাবে নাই পৰ্য্যাপ্ত পৰিমাণৰ শ্ৰেণী কোঠা, অধ্যয়নৰ সুবিধা থকা পুথি ভঁৰাল, অধ্যাপক-অধ্যাপিকা, বিজ্ঞানৰ পৰীক্ষাগাৰৰ দ্ৰব্য-পাতি ইত্যাদি ইত্যাদি। ইংৰাজী, অসমীয়া (সাধাৰণ) পাঠ গ্ৰহণ কৰিবলৈ গৈ বহা ঠাইৰ অভাৱত অৰ্ধাংশ ছাত্ৰ-ছাত্ৰী হয় থিয় হৈ থাকে অথবা হাজিৰা দকাৰ পাছতে শ্ৰেণী কক্ষ ত্যাগ কৰিব লগা হয়। ছাত্ৰ জিৰণি কোঠাৰ অভাৱত কাষৰ কোঠাত শ্ৰেণী চলি থকা স্বত্বেও বাৰান্দাত বহি অনাৱশ্যক কোলাহলৰ সৃষ্টি কৰে। ছাত্ৰাবাস, ছাত্ৰীনিবাস সমূহলৈ লক্ষ্য কৰিলে দেখা যায় কোনো এটাৰে অৱস্থা সন্তোষজনক নহয়। বৃটিছৰ দিনতে বনোৱা প্ৰায়বোৰ আবাস এতিয়া জহিখহি গৈছে। কোনো কোনো কোঠাত বৰষুণ দিলে পানী পৰে, কোনোটো আবাসত খোৱা পানী কনৰো অভাব, বিজুলীৰ লুকাভাকু (বিশেষকৈ ছাত্ৰী নিবাসত) আছেই। আটাইতকৈ ডাঙৰ কথাটো হৈছে গৰিষ্ঠ সংখ্যক কটনিয়ানৰ বাবে আবাস গৃহ নাই। কটন কলেজৰ ছাত্ৰীৰ সংখ্যা ছাত্ৰৰ তুলনাত প্ৰায় পাঁচ শতাংশ বেছি। কিন্তু সাতটা ছাত্ৰাবাসৰ বিপৰীতে ছাত্ৰীনিবাস মাত্ৰ দুটাহে। ছাত্ৰী সকলে উপযুক্ত নিৰাপত্তাৰ ব্যৱস্থা নথকা ব্যক্তিগত মালিকানাৰ আবাসত অনিশ্চয়তাৰ মাজত বাস কৰিব লগা হৈছে। এখন শৈক্ষিক সূচী (Academic Calender) নথকাটো কটন কলেজৰ বাবে অতিশয় লজ্জাজনক কথা। কেতিয়া নিৰ্বাচন হ'ব, কেতিয়া পৰীক্ষা সমূহ অনুষ্ঠিত কৰা হ'ব, কেতিয়া কলেজ সপ্তাহ অনুষ্ঠিত হ'ব – এই সকলোবোৰ আগৰপৰা জ্ঞাত হৈ নথকাৰ ফলত বিশেষভাৱে ক্ষতিগ্ৰস্ত হয় আবাসত বাস কৰা কটনিয়ান সকল। নিৰ্বাচনৰ প্ৰায় এমাহৰ আগৰেপৰাই আবাস সমূহত নিৰ্বাচনৰ বিষ বাষ্প বিয়পি পৰে। স্বাভাবিকতে সেই কেইটা দিনত পঢ়া-শুনাত ক্ষতিগ্ৰস্ত হয়। কলেজ সপ্তাহৰ দহ-বাৰ দিন আগৰ পৰা আবাস সমূহত খেল-ধেমালি, কুচ্-কাৱাজ আদিৰ অনুশীলনত পুনৰ বাৰ ৰুদ্ধ হয় আবাসীৰ পঢ়া-শুনা। কলেজ সপ্তাহৰ প্ৰতিযোগিতা সমূহত বিশেষভাৱে অংশগ্ৰহণ কৰে কেৱল আবাসৰ আবাসী সকলেহে। "কলেজ সপ্তাহ" এতিয়া যেন "আবাস সপ্তাহত" পৰিণত হৈছে। সীমাহীন 'নাই'ৰ মাজত বাস কৰা কটনিয়ান সকলে যেতিয়া তেওঁলোকৰ প্ৰাপ্য বিচাৰি সোচ্চাৰ হৈ উঠে তেতিয়াই বাতৰি কাকতত প্ৰকাশ হয় কটনত 'শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে'। শতবৰ্ষ পালনৰ নামত লাখ লাখ টকা খৰছ কৰি সভা আলোচনাচক্ৰ আদিৰ আয়োজন কৰাতকৈ কটনিয়ান সকলৰ অভাৱবোৰৰ পৰিমাণ চৰকাৰ, কৰ্তৃপক্ষই আতৰাবলৈ চেষ্টা কৰিলে নিশ্চয় দ্ৰুতগতিত হ্ৰাস পাই আহিব কটনিয়ানৰ উশৃংখলতা আৰু স্বাভাবিকতে সুস্থ হৈ উঠিব শৈক্ষিক পৰিবেশ।



## সময়ৰ মূল্য আৰু টিউচন্ সংস্কৃতি

অসমীয়া মানুহৰ আটাইতকৈ ডাঙৰ দোষটো হৈছে সময় জ্ঞানৰ অভাৱ। অসমত কেতিয়াও কোনো কাম সময়ত আৰম্ভ নহয়। দহ বজাত আৰম্ভ হ'ব লগা সভাখন আৰম্ভ হয় বাৰ বজাত। বহু গুৰুত্বপূৰ্ণ কাম বাদ দি আপুনি লগ পাবলৈ অপেক্ষা কৰি থকা মানুহজন আহি পায় নিৰ্দিষ্ট সময়তকৈ হয়তো আধাঘণ্টাৰ পাছত। এই সময়ানুবৰ্ত্তিতাৰ অভাৱ জাতিটোৰ উচ্চ শিখৰলৈ আৰোহণত বাধাৰ প্ৰাচীৰ হৈ থিয় দি আছে। এই সময়ক যদি শিক্ষক ছাত্ৰয়ো গুৰুত্ব নিদিয়ে তেনেহ'লে পৰীক্ষাৰ ফলাফল কেনে হ'ব অকণমান দ'কৈ চিন্তা কৰিলেই উপলব্ধি কৰিব। কটন কলেজৰ শ্ৰেণী সমূহ



...ipal's Bungalow (Cotton College) where successive heads of the college resided ...tracted in the development and growth of Cotton College since 1901.

নিৰ্দিষ্ট সময়ৰ দহ-পোন্ধৰ মিনিট পাছতো শ্ৰেণী কোঠালৈ বহু সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী নাহে। আকৌ ছাত্ৰ-ছাত্ৰী সকল নিৰ্দিষ্ট সময়ৰ বিশ-পঁচিশ মিনিটৰ পাছলৈকে শ্ৰেণীকোঠালৈ আহি থাকে। অৰ্থাৎ পঞ্চল্লিশ মিনিটৰ শ্ৰেণীটোৰ আধা সময় এনেয়ে নষ্ট হয়। টিউচনৰ টোকা সংগ্ৰহ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকল শ্ৰেণীত উপস্থিত থকাৰ একমাত্ৰ কাৰণ হ'ল বাধ্যতামূলক ষাঠি শতাংশ উপস্থিতি পূৰণৰ আনুষ্ঠানিকতা। গতিকে, টিউচনৰ প্ৰয়োজন আছেনে নাই প্ৰতিজন শিক্ষক, কটনিয়ানে ভবাৰ সময় হ'ল।

## স্থায়ী ডীন

কটন কলেজৰ উন্নতিৰ পথত অন্যতম প্ৰধান হেঙাৰ হৈছে এজন স্থায়ী 'ডীন' অভাৱ। দেখা যায় কটন কলেজৰ 'ডীন' গৰাকীক বয়সৰ ভিত্তিত নিৰ্বাচন কৰা হয়। তেওঁ যেতিয়া 'ডীন' হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে তেতিয়া তেওঁৰ কাৰ্য্যকাল শেষ হবলৈ আগত হয়তো খুউব বেছি দুটা বা তিনিটা বছৰ বাকী থাকে। এই কেইটা বছৰ তেওঁ প্ৰশাসনিক কাম-কাজ সমূহ বুজি উঠোতেই ব্যয় হয়। কটনিয়ান সকলে এগৰাকী প্ৰশাসনিক দিশত দক্ষ স্থায়ী 'ডীন'ৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছে।

## উপযুক্ত ছাত্ৰ একতা সভা

কটন কলেজৰ ছাত্ৰ একতা সভাবোৰ সঁচাকৈ উপযুক্তনে? কলেজখনৰ উন্নতিলৈ তেওঁলোকে সঁচাকৈয়ে চকু দিয়েনে? এইবোৰ প্ৰশ্ন সততে জনসাধাৰণৰ মাজত আলোচিত হয়। কটনিয়ানসকলে নিৰ্বাচিত কৰি পঠিওৱা ছাত্ৰ একতা সভাবোৰে যেতিয়া কটনিয়ানসকলৰ বৃহত্তৰ স্বাৰ্থৰ কথা নাভাবি কেৱল নিজক লৈ ব্যস্ত হৈ পৰে তেতিয়া কটনিয়ান সকল স্বাভাৱিকতে হতাশ হব লগা হয়। আমাৰ প্ৰাপ্য বিচাৰি চৰকাৰৰ দালালী কৰা ছাত্ৰ একতা সভাৰ কোনো প্ৰয়োজন নাই। সততা আৰু নিষ্ঠাৰে চৰকাৰৰ পৰা দাবী কৰি প্ৰাপ্যবোৰ আদায় কৰাটোহে ছাত্ৰ একতা সভাৰ লক্ষ্য হোৱা উচিত। ইয়াৰ উপৰি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে এখন বাৰ্ষিক পৰিকল্পনা তৈয়াৰ কৰি সেই মতে ঢাপে ঢাপে আগ বাঢ়িলে ছাত্ৰ একতা সভা ব্যৰ্থ হোৱাৰ প্ৰশ্নই নুঠে।

## ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক

আজি কিছু দিনৰ পৰা কটনত সঘনে আলোচিত হোৱা এটা বিষয় হৈছে ক্ৰমশঃ অৱনমিত হোৱা ছাত্ৰ শিক্ষকৰ সম্পৰ্ক। ছাত্ৰ শিক্ষকৰ মধুৰ সম্পৰ্ক কিয়নো বিঘ্নিত হৈছে তাৰ কাৰণ বিশ্লেষণ কৰাৰ দায়িত্ব ছাত্ৰ শিক্ষক উভয়ৰে। দুয়োপক্ষই এই সম্পৰ্ক সুস্থিৰ কৰিবলৈ আগবাঢ়ি অহা উচিত বুলি বিবেচনা কৰোঁ।

## ক্ৰীড়া, সাহিত্য আৰু সংস্কৃতিৰ পৰিৱেশ

ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক দিশৰ উপযুক্ত বিকাশৰ বাবে কটনত উপযুক্ত পৰিবেশ নাই। বৌদ্ধিক আৰু শাৰীৰিক দুয়ো দিশৰ সমবিকাশ অবিহনে এজন সুস্থ নাগৰিক গঢ়ি উঠা সম্ভৱ নহয়। সাহিত্য চৰ্চাৰ বাবে কটন কলেজত যদিওবা বহু অনুষ্ঠান আছে এইবোৰে প্ৰকৃততে কটনিয়ান সকলক সাহিত্য চৰ্চাৰ পৰিবেশ গঢ়ি দিব পাৰিছেনে? কেৱল মাত্ৰ দুখন মান প্ৰাচীৰ পত্ৰিকা প্ৰকাশ, দুই এখন সভা অনুষ্ঠিত কৰাতে এই অনুষ্ঠান সমূহৰ কাম সীমাবদ্ধ। কৰ্মশালাৰ আয়োজন, সপ্তাহ পবেকৰ মূৰে মূৰে স্বৰচিত গল্প, কবিতা পাঠৰ অনুষ্ঠান আয়োজন কৰিব পৰা যায়। কটনিয়ান সকলৰ একমাত্ৰ মুখপত্ৰ কটনিয়ানখন বছেৰেকত দুটাকৈ সংখ্যা প্ৰকাশ কৰিব পাৰিলে কটনিয়ান সকল অনুপ্ৰাণিত তথা উপকৃত হব। ক্ৰিয়া চৰ্চাৰ বাবে উপযুক্ত প্ৰশিক্ষকসহ কটন কলেজ ক্ৰীড়া সন্থা গঢ়ি উঠিব লাগে।

কটন কলেজৰ অভাৱ অভিযোগবোৰ যেতিয়ালৈকে আঁতৰি নাযায় তেতিয়ালৈকে কটনিয়ানসকলৰ উশৃংখলতা আঁতৰিব বুলি আশা কৰিব নোৱাৰি। ওপৰৰ আলোচনাৰ পৰা সেই কথাই পৰিস্ফুষ্ট হৈছে। কটন কলেজত অসমৰ আটাইতকৈ মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ সমাবেশ ঘটিছে। সেইবাবে সমাজে তেওঁলোকক যিথিনি সন্মান দিছে সেই সন্মান অক্ষুন্ন ৰখাটো প্ৰতিজন কটনিয়ানৰ পবিত্ৰ কৰ্তব্য। তাৰ বাবে প্ৰতিজন কটনিয়ানেই হব লাগিব সচেতন। অসমীয়াত এষাৰ কথা আছে - 'যাৰ মূৰৰ বিষ তেওঁহে বেজ বিচাৰে'। গতিকে কটনিয়ান সকলে তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে আনৰ ওপৰত আশা কৰাতকৈ নিজে আগবাঢ়ি আহিব লাগিব। এই কথা কটনিয়ানসকলেই প্ৰতিপন্ন কৰি দেখুৱাইছে। যোৱা দুটা বছৰ আগলৈকে বাতৰি কাকতত হৈ-চৈ লগোৱা ভয়াবহ ৰেগিং কটনিয়ানসকলৰ একান্ত প্ৰচেষ্টাত কটন কলেজৰ পৰা নিৰ্মূল হৈছে। চৰকাৰ, কৰ্তৃপক্ষ, কটনিয়ান সকলোৱে সহযোগিতাৰে কটনৰ অভাৱ অভিযোগবোৰ আঁতৰ কৰাত অগ্ৰসৰ হোৱাৰ সময় হ'ল। এয়ে হব শতবৰ্ষৰ দুৱাৰ দলিত থিয় হোৱা কলেজখনলৈ উৎকৃষ্ট সন্মান।

**শৈলেন বৰকাকতি**

**ইতিহাস**

# গুৱাহাটীত কটন কলেজৰ জন্ম বেদনাৰ কথা

❒ কুমুদেশ্বৰ হাজৰিকা

অসমৰ জাতীয় জাগৰণত অতুলনীয় বৰঙণি যোগোৱা কটন কলেজ আজি এশবছৰীয়া জন্ম-জয়ন্তীৰ দুৱাৰদলিত ভৰি দিলেহি। মাত্ৰ তিনিটা বছৰৰ পিছতেই এই কলেজৰ এশ বছৰ পূৰ্ণ হ'ব। পূব ভাৰতৰ এই ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানটো অসমবাসী ৰাইজে সেই সময়ৰ ইংৰাজ চৰকাৰৰ পৰা পোৱা সহজলভ্য উপহাৰ নহয়– ইয়াৰ বাবে অসমবাসী, বহুবছৰ আবেদন-নিবেদন যুক্তি-তৰ্ক আদিত লিপ্ত হ'বলগীয়া হৈছিল। "অসমীয়া ছাত্ৰক কলিকতাত পঢ়িবলৈ বৃত্তি দিব নালাগে, অসমতহে কলেজ লাগে", ৰাইজৰ এই নায্য দাবী চৰকাৰে এযুগৰো ওপৰ কাল গাপ দি ৰাখিছিল।

১৮৬৬ খৃঃত গৌহাটী স্কুলত (বৰ্তমান কটন কলেজিয়েট স্কুল) কলেজৰ প্ৰথম দুটা শ্ৰেণী খোলাত অসমৰ ৰাইজে কলেজীয়া শিক্ষাৰ পোহৰৰ এচমকা ৰেঙণি দেখিবলৈ পাইছিল। কিন্তু সেয়া আছিল ক্ষন্তেকীয়া। কাৰণ ১৮৭৬ খৃঃত ছাত্ৰ সংখ্যা আৰু এফ, এ (বৰ্তমান উচ্চতৰ মাধ্যমিক) পৰীক্ষাত উত্তীৰ্ণৰ হাৰ আশানুৰূপ নোহোৱাৰ অজুহাতত কলেজৰ শ্ৰেণী দুটা তুলি দিয়ে। আচলতে বেপাৰ কৰিবলৈ আহি ৰাজ্য লাভ কৰা ইংৰাজে লাভ-লোকচানৰ অঙ্কৰ হিচাপ কৰিয়েই এই শ্ৰেণী দুটা উঠাই দিছিল; কাৰণ তেওঁলোকৰ হিচাপত এই দুটা শ্ৰেণীত যিমান খৰচ-পৰে, তাতকৈ কেইজনমান ছাত্ৰক মাহেকীয়া বৃত্তি দি কলিকতাত পঢ়ালে খৰচ কম পৰিব। সেই সময়ত জনমত বুলিবলৈ একোৱেই নাছিল। কোনেও ইয়াৰ বিৰোধিতা কৰা দেখা নগ'ল। অৱশ্যে ১৮৮২ খৃঃৰ পৰা অসমত পুনৰ কলেজ পতাৰ এক ক্ষীণ জনমত গঢ়ি উঠা পৰিলক্ষিত হৈছিল। সেই সময়ৰ অসমৰ এজন উদাৰ মনৰ চীফ-কমিচনাৰ ছাৰ চাৰ্লছ ইলিয়টে কলিকতা বিশ্ববিদ্যালয়ৰ এন্ট্ৰেঞ্চ (বৰ্তমান হাইস্কুল শিক্ষান্ত) পৰীক্ষাত অসমৰ ছাত্ৰই সুফল দেখুৱাব পাৰিলে গুৱাহাটীত পুনৰ কলেজৰ শ্ৰেণী খোলাৰ কথা দোহাৰে। তদুপৰি এন্ট্ৰেঞ্চ পাচ কৰি কলিকতা বা বঙ্গ দেশৰ যি কোনো কলেজত বি, এ লৈকে পঢ়িবলৈ বৃত্তি পাব। এই বৃত্তি মাহে কুৰি টকালৈ বৃদ্ধি কৰা হৈছিল। আৰু এই বৃত্তি এন্ট্ৰেঞ্চ পাচ কৰা অসমৰ সকলো ছাত্ৰৰ ক্ষেত্ৰতে প্ৰযোজ্য আছিল। ইলিয়টৰ এই ব্যৱস্থাত কলেজ পতাৰ হকে মাত মতাসকলে সন্তোষ প্ৰকাশ কৰিছিল। কিন্তু ১৮৮৭ খৃষ্টাব্দত অস্থায়ী চীফ কমিচনাৰ উইলিয়াম ৱাৰ্ডে এই আশাত চেঁচা পানী ঢালিলে। তেওঁ বৃত্তিৰ সংখ্যা ১৪ টাত সীমিত কৰে, আৰু এই বৃত্তি যোগ্যতাৰ ভিত্তিতহে দিবলৈ থিৰাং কৰে। ফলত অসমৰ বহুছাত্ৰই কলেজীয়া শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। অসমত কলেজ পতাৰ দাবী পুনৰ উথাপিত হ'ল।



ৰাজহুৱা মতামতৰ কথাই নাই; চৰকাৰী মহলতো অসমত কলেজ পতাৰ বিষয়ে মত-বিৰোধ হোৱা দেখিবলৈ পোৱা গৈছিল। সৰহ সংখ্যকে অৱশ্যে গুৱাহাটীত কলেজ পতাৰ পক্ষপাতী আছিল; কিন্তু সেইসময়ৰ শিক্ষা-সঞ্চালক উইলিয়াম ক্ৰুথে গুৱাহাটী অস্বাস্থ্যকৰ ঠাই আৰু ই প্ৰদেশখনৰ সোঁ মাজত নহয় বুলি ইয়াৰ বিপক্ষে মাত দিছিল। দুই এজনে আকৌ অসমৰ ছাত্ৰসকলক কলিকতাৰ কলেজত পঢ়িবলৈ দি মন উদাৰ কৰাৰ পৰামৰ্শ দিছিল। এই পৰিস্থিতিত চৰকাৰেও এনে এটা নায্য দাবী দি ৰখাৰ সুযোগ পাইছিল।

১৮৯৪/৯৫ খৃঃ গুৱাহাটীৰ কালিৰাম বৰুৱাই (যাৰ নামত গুৱাহাটীৰ ভৰলুমুখত কালিৰাম বৰুৱা ছোৱালী হাইস্কুল স্থাপিত হৈছে) "আসাম" নামৰ এখন ইংৰাজী-অসমীয়া বাতৰি কাকত প্ৰকাশ কৰিছিল। সেই সময়ৰ দেশহিতৈষী ৰাজনৈতিক নেতা মাণিক চন্দ্ৰ বৰুৱা এই কাকতৰ এবছৰ সম্পাদক আছিল। তেঁৱেই অসমত কলেজ পতাৰ হকে মাত মতাৰ গুৰিৰ মানুহ। এই বাতৰি কাকতখনত অসমত কলেজ লাগে নে নালাগে বুলি চলা বাদানুবাদৰ কথা ডঃ প্ৰফুল্ল দত্ত গোস্বামীদেৱে "মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ" নামৰ পুথিখনত প্ৰকাশ কৰিছে। ১৮৯৫ খৃঃৰ জুলাই মাহৰ ২২ তাৰিখে এই কাকততে অসমত কলেজ নালাগে বুলি লিখা চিঠি এখন প্ৰকাশ পাইছিল। পত্ৰকাৰৰ প্ৰধান যুক্তি আছিল গুৱাহাটীত এজন ল'ৰাক পঢুৱাত যিমান খৰচ হয় কলিকতাতো সিমানেই হয়। গতিকে একে খৰচতে অভিভাৱকে এজন ল'ৰাক কলিকতাত নপঢুৱাই গুৱাহাটীত কিয় পঢ়াব? তদুপৰি এজন ছাত্ৰই কলিকতাত এবছৰত যিমানখিনি শিকিব গুৱাহাটীত সেইখিনি কথা শিকোঁতে চাৰিবছৰ লাগিব ... ইত্যাদি।

বাতৰি কাকতৰ বাদানুবাদৰ কথাই নাই, সেই সময়ৰ অসমৰ কেইজনমান সিংহ পুৰুষ যেনে শিৱসাগৰৰ গঙ্গাগোবিন্দ ফুকন,

হাইকোর্টৰ প্ৰথম অসমীয়া জজ যোৰহাটৰ আব্দুল মজিদ চাহাব আৰু যোৰহাটৰে ৰায়বাহাদুৰ জগন্নাথ বৰুৱা অসমত কলেজ পতাৰ বিপক্ষে আছিল। কিন্তু শিৱসাগৰৰে ৰায়বাহাদুৰ ফণীধৰ চলিহা আদি কেইজনমানে অসমত কলেজ পাতিব লাগে বুলি চীফ কমিচনাৰৰ ওচৰত আবেদন কৰিছিল। কলেজ পতাৰ পক্ষপাতী সকলক ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত ৰাধানাথ চাংকাকতিদেৱৰ "টাইমচ্ অব আসাম" কাকতেও নৈতিক সমৰ্থন আগবঢ়াইছিল। অসমত কলেজ পতা-নপতা সকলৰ বিৰোধ ইমানেই প্ৰকট হৈছিল যে শিৱসাগৰৰ সভাত কলেজ পাতিব লাগে বুলি লোৱা প্ৰস্তাৱত গঙ্গাগোবিন্দ ফুকনে খণ্ডত একো নাই হৈ সভা কক্ষ ত্যাগ কৰিছিল। (পৃষ্ঠা ৩০, মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ)। প্ৰথম অৱস্থাত ছাৰ হেনৰী কটনেও অসমত কলেজ পতাত ইতস্ততঃ কৰিছিল। তেওঁ হেনো কলেজ পতাৰ দাবীত প্ৰাদেশিকতাৰ গোন্ধ পাইছিল। ছাৰ হেনৰী কটনৰ এই ভ্ৰান্ত ধাৰণাক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তীব্ৰভাবাৰে প্ৰতিবাদ কৰিছিল। ১৮৯৯/১৯০০ খৃঃত কলিকতাত থকা প্ৰবাসী অসমীয়া সকলেও জ্ঞানদাভিৰাম বৰুৱা (প্ৰিন্সিপাল জে. বৰুৱা)ৰ সভাপতিত্বত বহা অ, ভা, উ, সাৰ জৰিয়তে অসমত কলেজ পাতিব লাগে বুলি চৰকাৰক টানি দাবী জনাইছিল। জে. বৰুৱাই সদানন্দ বৰুৱা ছদ্ম নামেৰে অসমত কলেজ কেনেকৈ পাতিব পাৰি বুলি এখন দীঘলীয়া চিঠি "আসাম"লৈ পঠিয়াইছিল।

১৮৯৯ খৃঃৰ মাৰ্চ মাহত মাণিক চন্দ্ৰ বৰুৱাই কলেজ পতাৰ বিপক্ষে থকা যুক্তিবিলাক খণ্ডন কৰি কলেজ পতাৰ হকে চৰকাৰৰ ওচৰত এখন দৰ্খাস্ত পেচ কৰে, তাত উল্লেখ কৰিছিল– অসমেই এনে এখন প্ৰদেশ য'ত কলেজ নাই। দৰাচলতে ইয়াত কোনো উল্লেখযোগ্য শিক্ষানুষ্ঠান নাই। এজন ইউৰোপীয়ানক প্ৰিন্সিপাল পাতি কলেজ এখন গুৱাহাটীত পাতিলে তাত কলিকতাৰ ব্যক্তিগত অনুষ্ঠানতকৈ (দেশীয় ভদ্ৰলোকৰ দ্বাৰা পৰিচালিত) অসমৰ ছাত্ৰই বেছি পছন্দ কৰিব। গুৱাহাটীয়েই ইয়াৰ বাবে উপযুক্ত ঠাই হ'ব বুলি তেওঁ লিখিছিল যে ই উজনি-নামনি সকলো ঠাইৰে পৰা প্ৰায় সম দূৰত্বত অৱস্থিত। গুৱাহাটীত কলেজ পাতিলে অহা-যোৱা বা থকামেলাৰ একো অসুবিধা নহয়। তদুপৰি কলিকতাতকৈ ইয়াত খৰচো কম পৰিব। দুই চাৰিয়ে কলাজ্বৰৰ বাবে গুৱাহাটী অস্বাস্থ্যকৰ বুলি কোৱাৰ প্ৰত্যুত্তৰত তেওঁ লেখিছিল যে এই বেমাৰ সম্প্ৰতি উজনি অসমলৈও বিয়পিছে; গতিকে এই অজুহাততে গুৱাহাটীত কলেজ নপতাৰ কোনো যুক্তি থাকিব নোৱাৰে। তেওঁ অৱশ্যে ইয়াকো উল্লেখ কৰিছিল যে চৰকাৰে যদি এতিয়াও কলেজ পতাৰ সময় নাই হোৱা বুলি ভাবে তেনেহ'লে কলিকতাতে অসমীয়া ছাত্ৰৰবাবে এটা হোষ্টেল নিশ্চয় সাজিব লাগে; লগতে বৃত্তিৰ নিৰিখ আৰু সংখ্যাও বঢ়াব লাগে। প্ৰতিকূল আৰ্থিক অৱস্থালৈ চাই কটনে প্ৰথমে কলিকতাতে এটা হোষ্টেল সজাৰ কথাকে চিন্তা কৰিছিল, কিন্তু অসমৰ ৰাইজৰ মনৰ বুজ নোপোৱালৈকে এই কামত আগবঢ়া নাছিল। সেয়ে এক জাননী যোগে তেওঁ ৰাইজৰ মতামত জানিব বিচাৰিলে। ৰাইজৰ ফালৰ পৰা কলিকতাত হোষ্টেল পতাৰ পৰিবৰ্তে অসমত এখন প্ৰথম শ্ৰেণীৰ কলেজ পতাৰ অভূতপূৰ্ব সঁহাৰি পাই কটনে ১৮৯৯ খৃঃৰ ২৯ চেপ্তেম্বৰত অসম গেজেটত গুৱাহাটীত কলেজ পতাৰ সিদ্ধান্ত ঘোষণা কৰে।

"দাতাই দিলেও বিধাতাই নিদিয়া"ৰ দৰে শেষ মুহূৰ্তলৈকে কলেজ পতাত বাধা দিবলৈ চেষ্টা কৰা সকলে গুৱাহাটীত উপযুক্ত ঠাই নাই বুলি স্থান নিৰ্ব্বাচন কৰিবলৈ অহা ইঞ্জিনিয়াৰ মিঃ চুইটক সৈমান কৰাৰ চেষ্টাৰ উমান পাই মাণিক চন্দ্ৰ বৰুৱাই ততাতৈয়াকৈ গুৱাহাটীৰে সেই সময়ৰ আন এজন বিশিষ্ট নাগৰিক ৰায়বাহাদুৰ ভুবন ৰাম দাসৰ সৈতে শ্বিলঙলৈ গৈ মিঃ চুইটক লগ ধৰি কলেজৰ কাৰণে মাটি উলিয়াই দিবলৈ গাত ল'লে। তেওঁলোকে কটন কলেজৰ পুৰণি ভবন কেইটা (বৰ্তমান ৰসায়ন বিভাগ) যি ঠাইত আছে সেই ঠাই উপযুক্ত হ'ব বুলি দেখুৱাই দিয়ে। তাতেই ১৯০১ খৃঃত কটন কলেজৰ প্ৰথম ভেটি স্থাপন কৰা হয়। সেই বছৰৰে ২০ এপ্ৰিলৰ "টাইমচ অব আসাম"ৰ এটি বাতৰিত প্ৰকাশ পাইছিল যে গুৱাহাটীৰ ৰাইজে অসমৰ জনপ্ৰিয় শাসনকৰ্তা মাননীয় চীফ কমিচনাৰ ছাৰ হেনৰী কটনৰ নামটো গুৱাহাটীত অলপতে প্ৰতিষ্ঠিত হ'বলগীয়া কলেজখনৰ সৈতে সংযোগ কৰি "কটন কলেজ" ৰাখিবলৈ প্ৰস্তাৱ কৰে। চীফ কমিচনাৰ চাহাবেও এই প্ৰস্তাৱ সাদৰেৰে গ্ৰহণ কৰে। এইখিনিতে উনুকিয়াই থ'ব পাৰি যে এই প্ৰস্তাৱৰ আঁৰৰ মানুহজনো আছিল মাণিক চন্দ্ৰ বৰুৱা। এইদৰেই বহু বাদানুবাদ বাধা-বিঘিনিৰ অন্তত ১৯০১ খৃষ্টাব্দৰ ২৭ মে'ৰ দিনা গুৱাহাটীত ঐতিহাসিক কটন কলেজৰ জন্ম হয়। সেই বছৰৰে ১৭ জুনৰ পৰা কলেজত ছাত্ৰ ভৰ্ত্তি আৰম্ভ হৈছিল। প্ৰথম দিনাই প্ৰথম বাৰ্ষিকত ৩৭ জন আৰু দ্বিতীয় বাৰ্ষিকত দুজন ছাত্ৰই নাম লিখিছিল। সেই বছৰতে ছাত্ৰৰ সংখ্যা সৰ্ব্বমুঠ ৯১ জন হৈছিল। কলেজৰ শ্ৰেণীসমূহ প্ৰথমে আৰম্ভ হৈছিল বৰ্তমানৰ ৰসায়ন বিভাগৰ ঘৰটোত। অসম আৰ্হিৰ সেই এমহলীয়া ভৱনত তেতিয়া আহল-বহল তিনিটা কোঠা আছিল তাৰে এফালে অধ্যক্ষ, অধ্যাপক আৰু কলেজৰ কাৰ্য্যালয় আছিল। দীঘল হলঘৰ দুটাৰ এটাত যুটীয়াভাবে ৰসায়ন আৰু পদাৰ্থ বিজ্ঞানৰ বিজ্ঞানাগাৰ আছিল। আনটো পুথিভঁৰাল। ছাত্ৰসকলৰ বাবে দুটা হোষ্টেল আছিল; এটা হিন্দু আৰু আনটো মুছলীম ছাত্ৰৰ, হিন্দু সকলৰটো বৰ্তমানৰ কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস থকা ঠাইত কেইটামান মাটিৰ ভেটি খেৰৰ চালৰ ঘৰত। মুছলীম ছাত্ৰৰ হোষ্টেল প্ৰথমে এটা ভাড়াঘৰত আছিল।

কটন কলেজৰ উদ্বোধনীৰ দিনটো অৰ্থাৎ ১৯০১ খৃঃৰ ২৭ মে' অসমৰ ইতিহাসৰ এটা চিৰস্মৰণীয় দিন। এই উদ্বোধনী উৎসৱত পৌৰোহিত্য কৰিছিল স্বয়ং ছাৰ হেনৰী কটনে। সেই সময়ৰ অসমৰ সকলোখিনি বৰেণ্য ব্যক্তি উপস্থিত থকা সভাস্থল সুন্দৰকৈ সজোৱা হৈছিল। উপস্থিত ৰাইজক চাহ-জলপানেৰে আপ্যায়িত কৰা হৈছিল। সভাত বিশেষভাবে ৰচিত আৰম্ভণী গীতটি পৰিবেশন কৰিছিল বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে আৰু হাৰমণিয়াম বজাইছিল কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে। গৌৰীপুৰৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাই তেওঁৰ পাখোৱাজ দলটোৰ সৈতে আহি ইয়াত যোগ দিছিল। কটন কলেজত নতুনকৈ নিযুক্তি পোৱা অধ্যক্ষৰ 'নেপালী চাপ্ৰাচী" (অৱসৰ প্ৰাপ্ত সৈনিক) জনেও তাত বাঁহী বজাইছিল। সেই বাঁহীত আছিল ইংৰাজী গানৰ সুৰ যিটোৱে ছাৰ হেনৰী কটনক মুগ্ধ কৰিছিল। এটা তাৎপৰ্য্যপূৰ্ণ কথা যে বেৰিলীৰ পৰা এটা দীঘলীয়া ৰেল ভ্ৰমণ আৰু গোৱালগুৰ পৰা তিনিদিন জাহাজ যাত্ৰাৰ অন্তত গুৱাহাটী পোৱা কটন কলেজৰ প্ৰথম অধ্যক্ষ ফ্ৰেড্ৰিক উইলিয়াম চুদমাৰচনে, উদ্বোধনী উৎসৱত যোগদান কৰা নাছিল; যাৰ বাবে পঞ্চাশ বছৰৰ পিছৰ এটি স্মৃতিচাৰণত তেওঁ অনুশোচনা কৰিছিল। তেওঁ যেতিয়া ডাক বঙলাৰ (বৰ্তমান কটনৰ অধ্যক্ষৰ বাসভৱন) বাহিৰৰ বাৰান্দালৈ ওলাই আহি সভা ঘৰৰ পিনে চাইছিল তেতিয়া ছাৰ হেনৰী কটনে উদ্বোধনী ভাষণ দি আছিল।

*কুমুদেশ্বৰ হাজৰিকা কটন কলেজৰ প্ৰাক্তন ছাত্ৰ (১৯৫৩-৫৭)। তেখেতে সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাবে অৱসৰ গ্ৰহণ কৰে।*

**প্ৰাসঙ্গিক**

# আড্ডা, কটনিয়ানৰ আড্ডা

❒ নীলিময় চৌধুৰী

আড্ডা– এই মন গৰম কৰা আকৰ্ষণীয় শব্দটোৰ উৎপত্তি যে ক'ত কোৱা কঠিন। আড্ডাৰ অৰ্থই বা কি অৰ্থাৎ আড্ডা বুলিলে আমি কি বুজো?

আমাৰ দেশৰে বৰেণ্য সাহিত্যিক বুদ্ধদেৱ বসুৰ মতে আড্ডা আড্ডাই, ইয়াৰ আন এটি নাম 'লাইফ'। আমাৰ ভাষাত জীৱন বুলি কলেও যেন প্ৰকৃত অৰ্থ সঠিককৈ ওলাই নপৰে। আকৌ আমাৰ ভাষাতেই 'মেল' অথবা সভা বুলি কলেও যেন নহয়। সেইদৰে ইংৰাজী ভাষাত পাৰ্টি বা ক্লাব বুলি ক'লে যেন আড্ডাৰ অপমানহে হয়। সেয়ে দেখা যায় আড্ডাৰ এটি নিজা বৈশিষ্ট্য আছে।

ইয়েছ্–আড্ডা লাইফেই। ই যেন মনৰ এখন অবিকল্প খিড়িকী। অৱসৰ বিনোদনৰ এক অভিনৱ উপায়। আড্ডাত বহা আৰু আড্ডালৈ অহা লোকক আমি সাধাৰণতে আড্ডাবাজ বুলি কওঁ। এই আড্ডাবাজ সকলে আড্ডাত বহি,আড্ডা মাৰি মনৰ সেই খিড়িকী খনৰে বাহিৰলৈ দৃষ্টিপাত কৰে। কোনোৱে মাটিলৈ চায়, বোকা দেখে। কোনোৱে আকাশলৈ চায়, তৰা দেখে, প্ৰকৃতিলৈ চায়- ফুল চৰাই দেখে, কবিতাৰ সৃষ্টি কৰে। এই চামৰ মনত এক জোনাকৰ আগমন হয়- মনলৈ আনে পোহৰ। পিছৰ জীৱনত এই সকল হৈ পৰে শিল্পী, সাহিত্যিক, কবি, বুদ্ধিজীৱী আৰু 'থিংকাৰ'। সমাজ আৰু জাতিলৈ আনে এক নতুন ভাৱনা, সৃষ্টি কৰে আইদিয়াৰ। আৰু মাটিলৈ চোৱা ইচাম হৈ পৰে সাধাৰণ নাগৰিক। এওঁলোকে সংসাৰ কৰে আৰু ভোট দিয়ে।

কোনো কোনোৱে ক'ব খোজে যে আড্ডাৰ আচল ৰূপ ভাৰতবৰ্ষতে পোৱা যায়। ই সম্পূৰ্ণ হৈছে কলিকতা মহানগৰীত। অন্যান্য দেশৰ লোকে হেনো লগ লাগিলেই মেল পাতে, বক্তৃতা দিয়ে, তৰ্কৰ অৱতাৰণা কৰে, ৰগৰ কৰে, নাচ-গান কৰি আনন্দ কৰে, ভোজ ভাত খায়, সুৰা পান কৰে, তাচ খেলি দুপৰ নিশালৈ সময় কটায়। ইয়াকে হয়টো ক্লাব বোলে- পশ্চিমৰ দেশৰ পৰা অহা 'ক্লাব'। ইয়াত কিন্তু আড্ডা নহয়। সেই আড্ডা য'ৰ পৰা আমি আহৰণ কৰো মনৰ এক খাদ্য।

আকৌ ইজিপ্তৰ মিশৰী সকলে ভাবে যে তেওঁলোকেহে মাথো আড্ডা দিব জানে। কাইৰো চহৰৰ 'কাফে দি নাইল'ৰ আড্ডাৰ কথা সৰ্ববিদিত। ফৰাচী দেশ শিল্পীৰ দেশ, সঙ্গীত আৰু সাহিত্যৰ দেশ। তথাপিও তাত হেনো আড্ডা নহয় যদিও আড্ডাৰ বিভিন্ন সমল সেই দেশতে আছে। ভাৰতবৰ্ষৰ কলিকতাৰ দৰে আড্ডা সেই দেশৰ ৰাজধানী পেৰিছত হেনো নাই। তাত আছে যাদুঘৰ, ৰেষ্টোৰা, নাইটক্লাব, ছবি আদি। দলবান্ধি দিয়া আড্ডা কিন্তু নাই।

আমাৰ দেশ ভাৰতবৰ্ষৰ আড্ডাৰ প্ৰধান কেন্দ্ৰবিন্দু হৈছে কলিকতা মহানগৰ- যাক আড্ডাৰ মক্কা বুলি ক'ব পাৰি। এই আড্ডাৰ উপযোগী ঠাইবোৰ হ'ল কফিৰ ষ্টল, চাহৰ দোকান, কলেজ ষ্ট্ৰীট, কিতাপৰ দোকান, ক্লাবহাউচ, ময়দান, পূজামণ্ডপ, ইদেন গাৰ্ডেন, আউটৰামঘাট আৰু অট্টালিকাৰ চাত(Roof) সমূহ। বঙালী সকলে নিজেই কয় যে আড্ডা নমৰা বা আড্ডাত নবহা বঙালী লোকৰ সংখ্যা তাকৰ- আঙুলিৰ মূৰত গণিব পাৰি। ক'বলৈ গলে সমগ্ৰ বঙালী জাতিটোৰ ওপৰতেই আড্ডাৰ প্ৰভাৱ সাহিত্যৰ পিছতে।

কোনোৱে কয় যে আমি কিতাপ পঢ়ি বা স্কুল কলেজৰ শিক্ষাৰ পৰা যিবোৰ কথা শিকিব নোৱাৰো, আড্ডাৰ পৰা সেইবোৰ কথা শিকিব পাৰো বিনিময়ৰ যোগেদি।

বিভিন্ন ঋতুৱে যিদৰে ধৰাত ফুল ফুলায়, কবিতাৰ সৃষ্টি কৰে - সেইদৰে আড্ডাও বতৰ অনুসৰি জমে। শীতৰ আগবেলাৰ উজ্জ্বল ৰ'দ, শৰতৰ জোনাক, শাওন ভাদৰ বৰষুণৰ দুপৰীয়া আৰু চ'ত মাহৰ সন্ধিয়া- এনে আড্ডাৰ বাবে বৰ আৰামদায়ক। আড্ডাৰ আলোচনাত সেইমতে

*এই আড্ডাবাজ সকলে আড্ডাত বহি,আড্ডা মাৰি মনৰ সেই খিড়িকী খনৰে বাহিৰলৈ দৃষ্টিপাত কৰে। কোনোৱে মাটিলৈ চায়, বোকা দেখে। কোনোৱে আকাশলৈ চায়, তৰা দেখে, প্ৰকৃতিলৈ চায়- ফুল চৰাই দেখে, কবিতাৰ সৃষ্টি কৰে। এই চামৰ মনত এক জোনাকৰ আগমন হয়- মনলৈ আনে পোহৰ। পিছৰ জীৱনত এই সকল হৈ পৰে শিল্পী, সাহিত্যিক, কবি, বুদ্ধিজীৱী আৰু 'থিংকাৰ'। সমাজ আৰু জাতিলৈ আনে এক নতুন ভাৱনা, সৃষ্টি কৰে আইদিয়াৰ। আৰু মাটিলৈ চোৱা ইচাম হৈ পৰে সাধাৰণ নাগৰিক।*

ৰোমাঞ্চ আহে বতৰ উপযোগী কথাও আহে। কিয়নো বতৰেও আড্ডালৈ বিভিন্ন আমেজৰ সোৱাদ আনে।

থোৰতে ক'বলৈ হ'লে আড্ডাত আমেজ থাকিবই লাগিব, আড্ডা জমিব লাগিব। গৰমত ঘামি-জামি আড্ডা নজমে। সেইদৰে শীতকালত নিশা নৈৰ পাৰতো আড্ডা মাৰিবলৈ ইচ্ছা নাযায়। আড্ডাত আৰামৰ অতি আৱশ্যক- মনত, দেহত ঢিলা ঢিলা এটি ভাৱ 'জাষ্ট্ ৰিলাক্স্'। আড্ডা যেন সঙ্গীত মেহফিলৰ দৰে। ই যেন এক মজলিশ জল্সা। উপভোগ আৰু উপলব্ধি। আড্ডাত অভিভাৱক নাই, পত্নী নাথাকে, শাহুতো নায়েই, সন্তানৰো খলকনি নাই। ই সময়ৰ অফুৰন্ত ভোগ। আড্ডাত আপুনি নিজেই সৰ্বেসৰ্বা। 'Freedam of Speech' বা 'Human right' আপোনাৰ বাবে আড্ডাত নিশ্চিত।

আড্ডাত যদি ভোজনৰ বিলাস থাকে তেতিয়া আৰু ভাল। আনকি এক চিংগল চাহ আৰু গৰম গৰম চিংৰাই আড্ডা ভালদৰে জমায়। আড্ডাৰ মৃত্যু হয় যেতিয়াই আড্ডাবাজৰ মনলৈ ভাৱ আহে 'মোৰ ঘৰলৈ উভতিবৰ সময় হ'ল'। আড্ডা আৰু আকৰ্ষণীয় হয় যদি পুৰুষৰ সৈতে নাৰীও সেই আড্ডাত থাকে । কথা- বাৰ্ত্তা মাৰ্জিত হয়, অযথা চিএ্ৰৰ বাখৰ কম হয় অঙ্গী- ভঙ্গীতো শ্ৰী থাকে । মুঠতে নাৰীৰ পৰশ (Lady's Touch) থাকিলে আড্ডালৈ ছন্দ আহে । এনে আড্ডাৰ পৰা ঘৰলৈওভতা কথা ভবাই মুস্কিল। এনে কথা যেন অতি বাজে কথা।

চৈয়দ মুছতবা আলীৰ মতে ই দামী আৰু উন্নত চিগাৰেটৰ সুগন্ধি (খুশবু)ৰ দৰে। আমেৰিকাৰ ভাৰ্জিনিয়া, গ্ৰীচদেশৰ মেছিডন্ আৰু ৰুছিয়াৰ কৃষ্ণসাগৰৰ তীৰৰ উৎকৃষ্ট ধপাতৰ দ্বাৰা তৈয়াৰ কৰা বিভি ন্ন চিগাৰেটৰ সোৱাদো বিভিন্ন। ইজিপ্ত দেশত মিচৰী সকলে আকৌ ইয়াক নানা ধৰণে মিহলি (blend) কৰি এক উৎকৃষ্ট ধৰণৰ চিগাৰেট প্ৰস্তুত কৰে- ইয়াৰ নাম হৈছে 'ইজিপ্সিয়ান চিগাৰ'। ইয়াৰ সোৱাদ বা গোন্ধেই বেলেগ। আমাৰ "টি- টেষ্টা"ৰ সকলেও ইয়াৰ লোভ সামৰা কঠিন। সেইদৰে আড্ডাৰ আড্ডাবাজ, ঠাই, পৰিবেশ, বিষয় আৰু সমাজ নানা ধৰণৰ হ'ব পাৰে। কিন্তু ইয়াৰ সোৱাদ বা 'খুশবু' ঠিক ঈজিপ্সীয়ান চিগাৰৰ দৰেই লোভনীয়, উপাদেয় আৰু আৰামদায়ক। কিয়নো ধূমপানো একাপ চাহৰ দৰেই আড্ডাৰ এটি আকৰ্ষণীয় খোৰাক, অংগ।

### গুৱাহাটীত কটনিয়ানৰ আড্ডা ঃ-

তেতিয়াৰ অবিভক্ত অসমৰ মুখ্য চহৰ গুৱাহাটীত আড্ডা বহিছিল স্বাধীনতাৰ আগৰে পৰাই - কলিকতাৰ দৰে। তেতিয়া বুলি এই লেখনিত সোঁৱৰা হৈছে ২য় মহাসমৰৰ আগৰ পৰা (প্ৰায় কুৰি বছৰ) আৰু স্বাধীনতাৰ পৰৱৰ্ত্তী প্ৰায় ১৫ বছৰ চীনৰ আক্ৰমণলৈকে। পিছলৈ ১৯৬২ চনত চীনৰ আক্ৰমণৰ পৰা আমাৰ দেশলৈ নানা পৰিৱৰ্তন আহিল, আমাৰ অসমলৈকো আৰু গুৱাহাটীলৈও। সেয়ে আড্ডালৈ পৰিৱৰ্তন আনিলে। তাৰ আগতে গুৱাহাটীৰ আড্ডাত আছিল কলিকতাৰ পৰা অহা সাহিত্যৰ চৰ্চাৰ স্বাদ আৰু বিভিন্ন কথা সমাজৰ। কবিগুৰুৰ দিনৰ আড্ডাৰ যোগে পৰিচয়, হিউমাৰ, উইট, আছিল তেতিয়াৰ আড্ডাৰ বৈশিষ্ট্য। চীনৰ ভাৰত আক্ৰমণৰ পিছত আমাৰ চিন্তাধাৰাৰ পৰিৱৰ্তন হ'ল। আমি হওঁ দিল্লীমুখী। নিস্বাৰ্থ আড্ডাৰ পৰা স্বাৰ্থৰ আড্ডালৈ। সেয়ে ১৯৬২ চনলৈ এই লিখনি সীমিত কৰা হৈছে।

সেই দিনত গুৱাহাটীৰ বিভিন্ন স্তৰৰ লোকৰ এনে আড্ডাৰ কিছু কাহিনী আৰু ব্যক্তিত্বৰে চহৰখনৰ অতীত পূৰ্ণ হৈ আছে। কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ, ৰাজনৈতিক নেতা, সাংবাদিক, সাহিত্যিক, কবি ক্ৰীড়াবিদ, শিল্পী, বুদ্ধিজীবি সকলে এই আড্ডাত ভাগ লৈছিল। কলিকতাত হেনো এনে আড্ডাৰ পৰাই বুদ্ধদেব বসু, প্ৰেমেন্দ্ৰ মিত্ৰ, সাগৰময় ঘোষ, বুদ্ধদেব গুহ, নাৰায়ণ গঙ্গোপাধ্যায় প্ৰমুখ্যে বহু লিখকৰ জীৱন আৰম্ভ হৈছে। কলিকতা মহানগৰীত মা-কালীৰ কালৰ পৰা জবচাৰ্লকৰ দিনলৈ আৰু চাৰ্লকৰ দিনৰপৰা আজিলৈকে এই আড্ডা বিভিন্ন স্তৰত চলি আহিছে। ইয়াৰ যেন অন্ত নাই। সেই বাবেই হয়তো ভবাৰ থল আছে যে কলিকতাৰ বঙালী লোক সকলৰ খাদ্য প্ৰধানতঃ তিনিবিধ- মাছ, সাহিত্য আৰু আড্ডা।

এই আড্ডাৰ মক্কাৰ ওচৰত মদিনাৰ দৰেই কলিকতাৰ পৰা কিছু পূৱে গুৱাহাটী চহৰতো সেই সময়ত এনে আড্ডাৰ প্ৰভাৱ আছিল। স্বাধীনতাৰ আগলৈকে অবিভক্ত অসমৰ (এতিয়াৰ অসম, মেঘালয়, অৰুণাচল, নগালেণ্ড, মণিপুৰ, মিজোৰাম ) শিক্ষা ব্যৱস্থা কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আছিল। গতিকে আজিৰ দৰে অসমৰ ছাত্ৰ-ছাত্ৰী সকল দিল্লী, পুণা, বম্বেলৈ নগৈ কলিকতালৈ গৈছিল, সেয়েহে সেইবোৰ ঠাইৰ আড্ডাৰ আলমতে গঢ়ি উঠিছিল তেতিয়াৰ কটনিয়ান সকলৰ আড্ডা চাহ আৰু কফিৰ ধাবাত। এই আড্ডাৰ কথা সুঁৱৰিবলৈ গলেই আজি মনলৈ ছবিৰ দৰে ভাঁহি আহে সেই আড্ডাৰ ঠাইবোৰৰ (spot) সোঁৱৰণ ঃ-

### কটনিয়ানৰ বিভিন্ন আড্ডাঃ-

(ক) পানবজাৰৰ আড্ডা, কফি হাউচ, চাহৰ আড্ডা, কটনৰ চৌপাশে আড্ডা।

(খ) যৌৱনৰ আড্ডা কটনিয়ানৰ আড্ডা।

(গ) কটনৰ খেলা-ধুলা খেলৰ আড্ডা, কেন্দ্ৰবিন্দু কটন কলেজ।

**(ক) পানবজাৰৰ আড্ডা, কফি হাউচ, চাহৰ দোকানত আড্ডাঃ-**

### কাফে ডি লাক্স ঃ-

১৮ শ শতিকাৰ লণ্ডন মহানগৰী আৰু সমসাময়িক কলিকতাৰ কফি হাউচৰ আড্ডাৰ অনুকৰণতে গঢ়ি উঠিছিল পানবজাৰৰ 'কাফে দি লাক্স'ত। গুৱাহাটীৰ চৌৰঙ্গী আছিল পানবজাৰ তেতিয়াৰ আড্ডাৰ প্ৰধান ঘাটি। এই পানবজাৰতে শ্বিলং ৰোডৰ নাককাটা পুখুৰীৰ সন্মুখত গুৱাহাটী ডায়েৰীৰ সমীপত আছিল এই ৰেষ্টুৰেণ্ট। সৰু সৰু দুই এটি কেবিন সহ এই 'কাফে দি লাক্স' কলিকতাৰ কলেজ ষ্ট্ৰীটৰ দৰে গুৱাহাটীৰ প্ৰথম খন ৰেষ্টুৰেণ্ট ১৯৪৮ চনৰে পৰা। আজি এই ঠাইত আছে অ'ভাৰচীজ বেংক- কাফে খন আৰু নাই। আড্ডাৰ ঠাইত আহি পৰিছে অৰ্থচিন্তাৰ বিষয়। এৰা আমিয়ে এতিয়া দিল্লীমুখী! এই ৰেষ্টুৰেণ্ট খনৰ মেনেজাৰ আছিল আমাৰে বন্ধু শ্ৰীবৰদা শৰ্ম্মা। এও বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ জালুকবাৰীত থকা পুৰণি আৰু প্ৰথমখন কেণ্টিনৰ মালিক। জীৱনত প্ৰথম চপ্- কাট্‌লেট চচ্ আৰু পিয়াজ সহ খাবলৈ তাতেই শিকিছিলো। লগতে আকৌ কাটা চামুচ, নেপকিন্। চাহ আৰু জলপানৰ অৰ্ডাৰ দি কিছুপৰ অপেক্ষা কৰি বহি থকাৰ শিক্ষা প্ৰথমে তাতেই পাইছিলো। আৰু জলপান যোগান ধৰাৰ লগে লগেই প্ৰথমদিন কেইটাত অসভ্যৰ দৰে কোনোপিনে নোচোৱাকৈ লৰালৰিকৈ খোৱা আৰম্ভ কৰিছিলোঁ। ডেকাকালৰ ভোক্ যে! Hunger is the best sauce in the world. এতিয়া অভিজ্ঞ হোৱাৰ লগে লগে খাদ্যৰ অৰ্ডাৰ দি অপেক্ষা কৰাৰ অভ্যাস হৈ গৈছে। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত নিজৰ ঘৰখনতেই নিজৰ মূল্য কিছু কমি আহে, গতিকে গৃহিণীয়ে এতিয়া চাহকাপ পলমকৈ দিলেও ধৈৰ্য্য ধৰিব শিকিছোঁ। ফলত সংসাৰত কিছু শান্তি নিশ্চয় আহিছে। এই ধৈৰ্য্যৰ অভ্যাসৰ আৰম্ভণি সেই কাফে ডি লাক্সতেই হয়তো! আড্ডাৰ পৰা আহৰণ কৰা আন এটি অভিজ্ঞতা- কাফে ডি লাক্সৰ 'মেনু' [menu]– আছিল।

চপ ঃ আঠ অনা — কাটলেট্ ঃ দহ অনা

মাংসৰ চপ্ ঃ বাৰ অনা — মাংসৰ কাটলেট ঃ এটকা

ডবল আমলেট্ ঃ দহ অনা — পৰঠা-মাংস ঃ ডেৰটকা

কফি কাপ ঃ চাৰি অনা

টোষ্ট (২ শ্লাইচ) ঃ ছয় অনা    চাহৰ কাপ ঃ দু অনা
মাখন সহ

মন কৰিবলগীয়া যে এই কাফেত মিঠাই পোৱা নগৈছিল, খাদ্যবোৰ আছিল লুণীয়া। সেইবাবেই নেকি গুৱাহাটীৰ কমিউনিষ্ট সকলৰ তেতিয়াৰ আড্ডাৰ স্থল আছিল এই কাফে ডি লাক্সেই। কমিউনিজিম, কাৰ্লমাৰ্ক্স, কফি এই আটাই কেইটা শব্দ বোধ হয় একেটা বাস্কেটৰ পৰাই অহা – "মেড্ ইন্ ছোভিয়েট ৰুছিয়া"। মিঠাৰ পৰিমাণ অতি কম, কিন্তু চোক্ বেছি আৰু সেইবাবেই লুণীয়া। কফিৰ কাপৰ ধোঁৱাত আলোচনা হৈছিল মাৰ্ক্সবাদৰ। IPTA অৰ্থাৎ ইণ্ডিয়ান পিপলচ্ থিয়েট্ৰিকেল্ এচোচিয়েচনৰ সৈতে তেতিয়া জড়িত গুৱাহাটীৰ সকলো শিল্পী - বুদ্ধিজীৱিৰ ইয়াতেই আড্ডা। কাফেলৈ আহিছিল হেমাঙ্গ বিশ্বাস, দিলিপ শৰ্মা, ভূপেন হাজৰিকা, বেণীমাধব মহন্ত, কুলদা ভট্টাচাৰ্য, অৱনী গোঁহাই বৰুৱা, হীৰেন ভট্ট আৰু অন্যান্য সকল। সেই সময়তে ভাৰতৰ এগৰাকী প্ৰথম শ্ৰেণীৰ অভিনেতা বলৰাজ চাহ্নী গুৱাহাটীলৈ আহি চাৰ্চ ফিল্ডত নাট আৰু গণ আন্দোলনৰ বীজ পুতিছিল এই সকলৰ জৰিয়তেই। এওঁলোকেই গুৱাহাটীলৈ আনিছিল শম্ভু মিত্ৰ আৰু তৃপ্তি মিত্ৰক। কলিকতাৰ পৰা প্ৰকাশিত বাতৰি কাকত ষ্টেট্চ্মেন্, ছোভিয়েট দেশ, প্ৰবাসী, দেশ, ফিল্মফেয়াৰ আদি আলোচনী মেনেজাৰৰ টেবুলত ৰখা হৈছিল। একাপ চাহ বা কফি লৈ টান মাৰি তেনে এখন আলোচনী পঢ়ি সময় কটাব পাৰি। সেইবাবেই এই কাফেৰ আড্ডাত সাহিত্যৰ আলোচনাৰ এক পৰিবেশ গঢ় লৈ উঠিছিল। এই সাহিত্যৰ আড্ডালৈ আহিছিল কটন কলেজৰ সেই সময়ৰ ছাত্ৰ হোমেন বৰগোঁহাঞি, বীৰেশ্বৰ বৰুৱা, সদা শইকীয়া, হীৰেন ভট্ট, কুলদা ভট্ট, ৰাম গগৈ, ভাতৃ লক্ষ্মণ গগৈ, সৌৰভ চলিহা, ভবেন শইকীয়া, নিৰোদ চৌধুৰী প্ৰমুখ্যে সেই সময়ৰ সাহিত্যানুৰাগী ছাত্ৰ সকল - যি সকল আজি সেই মঞ্চতে সুপ্ৰতিষ্ঠিত আৰু খ্যাতনামা। আমি আকৌ আহিছিলো চপ্-কাটলেট আৰু কফিৰ লোভত। আমি মানে মই, দীপু চৌধাৰী, গোবিন্দলাল বৰুৱা, বিজয় ভূঞা, নৰেনলাল দাস, ভবানী গোস্বামী, তাৰক শৰ্মা আৰু আমাৰ কিছু সতীৰ্থ। সকলো কটন কলেজৰ ছাত্ৰ। বীৰেশ্বৰ বৰুৱা, হীৰেন ভট্ট, কুলদা ভট্ট, সদা শইকীয়া, নিৰোদ চৌধুৰী হঁতৰ সৈতে আড্ডা মাৰোতে মাৰোতে সাহিত্যৰ প্ৰতিও আকৃষ্ট বোধহয় তেতিয়াই হৈছিলো। ইও আড্ডাৰ এক গুণ - চাহ -জলপানৰ লোভৰ পৰা গৈ মনত অন্য এক খাদ্যৰ প্ৰতি আকৰ্ষণ জন্মে!



কত যে কথা শিকিছিলোঁ এই আড্ডাৰ পৰা! ওপৰত উল্লেখ কৰা ব্যক্তি সকল আজি মাথোঁ আমাৰ অসমতেই নহয়, দেশখনৰে স্বীকৃত সুলিখক আৰু বুদ্ধিজীৱী। কফি ষ্টলৰ আৰু চাহৰ কাপৰ আড্ডাৰ মাজৰ পৰাই এওঁলোক জানো অহা নাই? এই সকলৰ পৰাই সেই সময়তে মূল্যৱান দুটামান কথা শিকিছিলোঁ। ইয়াৰে আজি মনত পৰা এটি কথা এনে ধৰণৰ -

Never argue with a fool-
People might not notice the difference!

কাফে ডি লাক্সৰ আড্ডাৰ পৰাই ছাত্ৰ জীৱনতে কমিউনিজিম্ আৰু ছোভিয়েট দেশৰ কথা কিছু শিকিছিলোঁ। ক'ত আৰু মাক্সৰ "ডাচ কেপিটেল " পঢ়িম! তেনেদৰেই শিকিলোঁ আলোচনা আৰু আড্ডাৰ মাধ্যমেৰে সাহিত্য আৰু কথাছবিৰ কথা। কলিকতাৰ বাতৰি কাকত ষ্টেটচ্মেন আৰু হিন্দুস্থান ষ্টেণ্ডাৰ্ডৰ সম্পাদকীয় পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ। ক'ৰবাত ৰগৰ কৰা শুনিছিলো যে কাৰ্ল মাৰ্ক্সৰ পত্নীয়ে হেনো আক্ষেপ কৰিছিল এইবুলি "আমাৰ কাৰ্লে সেই দাচ্ কেপিটেল কিতাপখন লিখোতে জীৱনৰ আধা সময় নকটাই যদি কিছু সময় ধন আৰ্জনত মন দিলেহেঁতেন, তেতিয়া আমাৰ পৰিয়ালটোৱে কিছু আৰামত জীৱন - যাপন কৰিব পাৰিলোহেঁতেন।" আকৌ সেইযাৰ কথা মনলৈ আহিছে - খিৰিকীৰে চাই কোনোৱে তৰা দেখে আকাশত আৰু কোনোৱে মাটিলৈ চাই দেখে ......।

**গুৱাহাটী ডায়েৰী ঃ-**

পানবজাৰৰ এই চাহৰ দোকান খনৰ প্ৰতিষ্ঠাতা আৰু মালিক আছিল হীৰেন্দ্ৰ নাথ দেৱ। তেখেতৰে সুযোগ্য পুত্ৰ উজ্বল (টুকুন) এতিয়া মালিক। এই ডায়েৰীৰে অন্যতম কৰ্মচাৰী ঘোষে পিছলৈ আৰম্ভ কৰে অন্য এখন চাহৰ দোকান - "কল্যাণী" নামেৰে। গুৱাহাটী ডায়েৰীত সেই সময়ত দিল্লী আৰু কলিকতাৰ বাতৰিকাকত আৰু আলোচনী পোৱা গৈছিল। ইয়াৰে এজেঞ্চী আছিল গুৱাহাটী ডায়েৰী। এতিয়া অৱশ্যে পানবজাৰৰে বি. এন. দে কোম্পানীয়েও এনে এজেঞ্চী লৈছে। সেয়ে তেতিয়া গুৱাহাটীৰ সংবাদ সেৱী আৰু খবৰৰ সৈতে জড়িত সকলৰ মিলন কেন্দ্ৰ আছিল এই গুৱাহাটী ডায়েৰী। চাহ, চিঙৰা, বিভিন্ন মিঠাইৰ সোৱাদৰ মাজেৰেই গঢ়ি উঠিছিল এই আড্ডা। সেইদিনৰ মুখ্য অসমীয়া বাতৰি কাকত "নতুন অসমীয়া"ৰ সম্পাদক অসম সংবাদ-সেৱাৰ বাটকটীয়া হৰেন্দ্ৰ নাথ বৰুৱা প্ৰতিদিনে আগবেলা আহিছিল ডায়েৰীলৈ। কিছুসময় তাতেই কটায়, বাতৰি কাকতবোৰ পঢ়ে চাহ খায়। সংগ দিছিল ত্ৰিশৰ দশকৰ কটনিয়ান- তাৰিণী দাস, গোলাপ চন্দ্ৰ চৌধুৰী, কামাখ্যা ঠাকুৰ, লক্ষ্মীনাথ দাস, পূৰ্ণ ভৰালী আদি বিশিষ্ট ব্যক্তি সকলে। স্বৰ্গীয় হীৰেন দেৱে গৰ্ব কৰি কৈছিল যে সম্পাদক বৰুৱা ডাঙৰীয়াই গুৱাহাটী ডায়েৰীৰ চাহ কাপৰ তৃপ্তি বিনে পিছদিনাৰ সম্পাদকীয় যুগুত নকৰে। মনৰ সেই খিড়িকি খন বিচাৰি হয়তো সমাগম হৈছিল সেইসকলৰ তেতিয়াৰ গুৱাহাটী ডায়েৰীত।

আৰু আহিছিল তেতিয়াৰ কটনিয়ান সকল। আমিও আহিছিলোঁ। আহিছিলো অসমৰ বাহিৰৰ বাতৰিকাকতত চকু ফুৰাবলৈ, চাহ চিংৰা খাবলৈ। তেতিয়াৰ দিনৰ পৰাই আজিলৈকে গুৱাহাটী ডায়েৰীৰ লৱঙ্গ (খিৰপুৰী) বিখ্যাত আৰু সুস্বাদু। লৱঙ্গটোৰ মাজত আকৌ এটা লং থাকে- মিঠা হৈ। কটনিয়ান সকলে ইয়াক 'হেন্ডল' বুলি আখ্যা দিছিল। সেই সোৱাদ আজিও মনত আছে। আজিও দিনৰ ১১ বজাৰ ভিতৰতে গোটেইখিনি লৱঙ্গ বিক্ৰী হৈ যায়। নাই মাথোঁ হীৰেন দেৱ- মালিক আৰু সম্পাদক হৰেন্দ্ৰ নাথ বৰুৱা। আৰু নাই সেই আড্ডা - খবৰৰ আড্ডা, অসমৰ বাহিৰৰ জগতৰ খবৰ।

### জিলিকাৰাম দাসৰ চাহৰ দোকান ঃ-

এতিয়াৰ পানবজাৰৰ অ'ভাৰব্ৰীজখনৰ উত্তৰে জিলিকাৰাম দাসৰ চাহৰ দোকান। শ্বিলং ৰাস্তাত এতিয়াও সেই ষ্টল আছে - জীৱন বীমা কাৰ্যালয়ৰ সমুখত। দাম কম, নানা বিধ খাদ্য যাতে সকলোৱে খাব পাৰে এনে ব্যৱস্থা। সেই বাবে সেই সময়ৰ কটন কলেজৰ হোষ্টেলৰ ছাত্ৰ সকলৰ মাজত জিলিকাৰামৰ চাহ ষ্টল অতি প্ৰিয় হৈ উঠিছিল। দাসে নিজে বহিছিল আৰু ছাত্ৰ সকলক বাকীও দিছিল। মাহেকৰ মূৰত আদায় দিয়ে। বাকীৰ হিচাব "খাতা" এটাত বেলেগে লিখি ৰাখিছিল। ল'ৰাহঁতে নাম থৈছিল "জিলিকাৰামৰ বাকীৰ খাতা"। সেয়ে ভীৰ, দুপৰীয়া আৰু কলেজ ছুটীৰ পিছত। তাৰ পৰাই গঢ়ি উঠিছিল চাহৰ আড্ডা, কলেজীয়া ছাত্ৰৰ আড্ডা - অসমৰ বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰৰ আড্ডা। এই ভীৰত বুজন ভাগেই আছিল কটনিয়ান - কটন কলেজ হোষ্টেলৰ ছাত্ৰ।

বিশেষ মেনু ছাত্ৰৰ বাবে - একপ্লেট মিক্সাৰ, ভুজিয়া আৰু বুন্দিয়াৰ, গৰম্ গৰম্। আৰু আছিল ৰসাল জিলাপী আৰু ডাঙৰ ডাঙৰ চিঙৰা। জিলিকাৰামৰ জন্মদিনত ফুলকবিৰ চিঙৰাও দিছিল। কমখৰচত উপাদেয় পেট ভৰা জলপান। বন্ধু অৱনী গোহাঁই বৰুৱাই অনুপ্ৰাস লগাই কৈছিল- "জিলিকাৰ জিলাপী জাকত জিলিকা"। জিলাপী বুন্দিয়াৰ ৰসেৰে এনে ৰসাল বাক্য - তাকো আকৌ তেতিয়াৰ N.C.C.ৰ সুদক্ষ সুদৰ্শন ক্যাডেত অৱনীৰ মুখত! আড্ডা নামাৰিলে এনে বাক্য আৰু ক'ৰ পৰা ওলাবনো। এই জিলিকাৰামৰ চাহৰ আড্ডাৰ ঘাই বিষয় আছিল কিছু পঢ়া শুনা, মেচ্ ডিউজৰ নাটনি, চিনেমা আৰু খেলা, বান্ধৱী আৰু হোষ্টেল চুপাৰিন্টেণ্ডেন্টৰ সাতপুৰুষৰ শ্ৰাদ্ধ। ডাইলত পানীৰ উজান, তৰকাৰী নহয় "লাবৰা" আছিল হোষ্টেলৰ খাদ্য। নহলেনো ভুজিয়া-বুন্দিয়াৰ প্লেট খাবলৈ হোষ্টেলৰ ছাত্ৰ সকল সদায় আহেনে! আৰু বহি বহি আড্ডা মাৰেনে? এই আড্ডাৰ যোগেদি প্ৰসাৰ হৈছিল কটনিয়ানৰ বন্ধুত্বৰ আৰু পৰিচয়ৰ। আজিও আছে সেই জিলিকাৰামৰ চাহৰ দোকান, কিন্তু আড্ডা আৰু নাই। বাচি থাকক জিলিকাৰামৰ ভুজিয়া-বুন্দিয়াৰ মিক্সাৰ, জিলাপী আৰু সেই অনাদায়ৰ "খাতা"টো!

ডনবস্ক স্কুল কম্পাউণ্ডৰ পূবে আছিল ডেকা টী ষ্টল,য'ত কটন কলেজ আৰু ডনবস্ক হোষ্টেলৰ ছাত্ৰ সকলে আড্ডা মাৰিছিল। এই ষ্টলৰ চিঙ্গল চাহ আৰু বৃহৎ আকাৰৰ চিঙৰাৰ কথা আজিও মনত আছে। আগবেলাই ইয়াত ভীৰ হৈছিল, কাৰণ এই দোকানখন হোষ্টেলৰ নিচেই কাষতে, আজিৰ কামৰূপৰ এচ, পি, অফিচৰ প্ৰায় গাতে লগা। এই আড্ডালৈ আহিছিল কটন কলেজৰ ছাত্ৰসকলৰ বাদেও, ওচৰৰ ৰেলকলনীৰ ডেকা সকল(কটনৰে ছাত্ৰ)। আড্ডাৰ যোগে হিউমাৰ্ আৰু ৰগৰৰ বিনিময় হৈছিল।

কাড্‌ফা ঃ- জিলিকাৰামৰ চাহৰ দোকানৰ সন্মুখতে শ্বিলং ৰোড্‌ত আছিল অলপ কলেজ ষ্ট্ৰীটৰ ধৰণেৰে চাহ ষ্টল - "কাড্‌ফা", কিছু আধুনিক। এই ঠাইৰ আড্ডা গঢ়ি উঠিছিল বিশেষকৈ পানবজাৰ নিবাসী ডেকাসকল, কেইগৰাকী মান কটনিয়ান আৰু স্থানীয় যুবকৰ মাজত, কুলদা ভট্টাচাৰ্য্য, বেণী মাধৱ মহন্ত, কুক্‌লু ঘটকৰ পৰা অজয় দত্তলৈকে। আমিও মই, দীপ চৌধুৰী, ভৱানী গোস্বামী আৰু হীৰেন ভট্টও গৈছিলো সেই ভিন্নস্বাদৰ আড্ডাৰ সন্ধানত। পিছলৈ নিৰোদ চৌধুৰী, নৱশ্যাম দাস, নৃপেন আৰু বঙ্কেন হাজৰিকাও আহিছিল এই কাড্‌ফালৈ - খেলা, কথাছবি, নাটক, ৰম্যৰচনা আৰু আবৃত্তিৰ স্বাদ ল'বলৈ। বয়সৰ লগে লগে এই আড্ডাৰ পৰা প্ৰমোচন পাই কুলদাহঁত গ'ল ডিলাইট ৰেষ্টুৰেন্ট আৰু কাফে ডিলাক্সৰ আড্ডালৈ। আজি আৰু সেই কাড্‌ফা নাই, মালিক ঘটকদাও নাই, আড্ডাও নাই, কাড্‌ফাৰ সন্দেশো নাই। আৰু ফুল কবিৰ চিঙৰাও নাই। অৱশ্যে ওচৰৰ অফিচ বোৰৰ কৰ্মচাৰী সকলে চাহ বিচাৰি অহা কাড্‌ফা নামৰ ষ্টল এখন সেই ঠাইতে আজিও আছে যদিও কিবা যেন নাই।

ডিলাইট [Delight] ঃ-

Oh! my salad days!
When I was green
in my judgment!

সেইদিনত গুৱাহাটী চহৰত আড্ডাৰ এক নতুন দিশ মুকলি কৰিছিল পানবজাৰৰ "ডিলাইট" ৰেষ্টুৰেন্ট খনে। পানবজাৰৰ সোমাজত হেমচন্দ্ৰ বৰুৱা পথত (বৰ্ত্তমান কল্পতৰু মাৰ্কেট) আছিল চহৰখনৰ প্ৰথম আধুনিক ৰেষ্টুৰেণ্ট খন। মালিক অৰুণ বাবু। অৰুণ বাবুৰ মাকে নিজে ৰান্ধনী ঘৰৰো তদাৰক কৰিছিল। তাত কফি ষ্টলৰ দৰে কেবিন নাছিল। খোলা বৃহৎ হলঘৰত টেবুল পাতি, টেবুলে প্ৰতি ৪ - ৬ জনকৈ খোৱাৰ আহল-বহল মুকলি ব্যৱস্থা। ডাইনিং হলৰ ষ্টাইল সেই প্ৰথম দেখিলো এখন ৰেষ্টুৰেন্টত। ভদ্ৰভাৱে বহি কাটাচামুচেৰে খোৱা নিয়ম। খোৱাৰ আগতে মেনুকাৰ্ড চাই অৰ্ডাৰ, তাৰপিছত আড্ডা, কিছু পিছত খাদ্যৰ যোগান, শেষত খোৱাৰ মূল্য বিল প্লেটত আৰু সৰ্বশেষত টিপচ্ অৰ্থাৎ 'বেয়াৰা'ক বকচিচ্। মুঠতে ছাত্ৰ জীৱনত প্ৰথম এক নতুন অভিজ্ঞতা - অৰুণ বাবুৰ ইম্‌পোৰ্ট। সকলো ধৰণৰ খাদ্য, দিনৰ আৰু ৰাতিৰ আহাৰৰো যোগান ধৰিছিল ডিলাইটত। তথাপিও আজিও মনত আছে ডিলাইটৰ চিকেন্-কাটলেট্। পুৱা ৯ বজাৰ পৰা ৰাতি ১০ বজা পৰ্য্যন্ত বিভিন্ন লোকৰ সমাগম আৰু আড্ডা হৈছিল ডিলাইটত। কলেজৰ পৰা ক্লাচ নকৰি পলাই গৈ দিনৰ ভাগৰ প্ৰায় সময় কটোৱা আৰু আমাৰ আড্ডাৰ কথা কেনেকৈ পাহৰিম!

মনত পৰে-এই আড্ডালৈ আহিছিল তেতিয়াৰ ৰেষ্টুৰেন্টৰ ওচৰৰে কটন কলেজৰ, দীঘলী পুখুৰীৰ পাৰত থকা গুৱাহাটী বিশ্ববিদ্যালয় আৰু আৰ্ল ল কলেজৰ জ্যেষ্ঠ ছাত্ৰ তথা কবি আৰু সাহিত্যিক হৰি বৰকাকতি, অজিত বৰুৱা, ব্ৰজেন বৰুৱা, সদা মৰল, মেদিনী চৌধুৰী, বীৰেশ্বৰ বৰুৱা, হোমেন বৰগোঁহাঞি, ভবেন শইকীয়া, ভবেন ফুকন, কুলদা ভট্ট, সদা শইকীয়া আৰু পিছলৈ নিৰোদ চৌধুৰী, প্ৰদীপ বৰুৱা, পুলক লাহিড়ী, খগেন দত্তবৰুৱাহঁত। আৰু আহিছিল চন্দ্ৰ প্ৰসাদ শইকীয়া, প্ৰফুল্ল শইকীয়া বন্ধু-বান্ধৱৰ সৈতে। চাহ-কফিৰ কাপত সাহিত্য-কবিতাৰ আড্ডা গঢ়ি উঠিছিল ডিলাইটত। আড্ডাৰ যোগেদি পৰিচয় আৰু বন্ধুত্ব। সচেতন

লোকৰ এক মিলন কেন্দ্ৰ গঢ়ি উঠিছিল। ১৯৩১ চনত বঙ্গদেশৰ কলিকতাত কবিগুৰুৰ দিনতো এনেধৰনৰ সাহিত্যৰ আড্ডাৰ পৰাই "পৰিচয়" পাত্ৰিকা খনৰ জন্ম হৈছিল। সেইদৰেই হয়তো আমাৰ সাহিত্যিক সকলেও পানবজাৰৰ পৰাই "ৰামধেনু" আলোচনী খনৰ সূত্ৰপাত কৰিছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ সম্পাদনাত। ক'ৰবাত পঢ়িছিলো -

"To turn events into ideas
is the function of literature."

কাফে ডি লাক্স, ডিলাইটৰ চাহৰ আড্ডাৰ মাজেৰেই আমাৰ এই সকল সাহিত্যিক, কবি আৰু বুদ্ধিজীৱি সকল জানো অহা নাই? চন্দ্ৰদা (চন্দ্ৰ প্ৰসাদ শইকীয়াই তেতিয়া অসম ট্ৰিবিউনত অস্থায়ী চাকৰি কৰে) অজিত বৰুৱা, ভবেন শইকীয়াই তেতিয়া কলিকতাত পঢ়িছিল। তেওঁলোকে লৈ আহিছিল আড্ডাৰ মক্কা কলিকতা মহানগৰীৰ পৰা আড্ডাৰ ষ্টাইল, সাহিত্যৰ খোৰাক্। এইদৰেই আমাৰ গুৱাহাটীখন আড্ডাৰ "মদিনা" হৈ পৰে - সেয়ে আৰম্ভণি।

ডিলাইটলৈ আৰু আহিছিল কটন কলেজ আৰু বিশ্ববিদ্যালয় শ্ৰেণীৰ গিৰীন বৰুৱা, তপন বৰুৱা, সত্য ত্ৰিপাঠী, ফণী শৰ্মা, দুলাল দত্ত, গোপাল বৰুৱা, গোবিন্দলাল বৰুৱা আদি বহুতো। জালুকবাৰীত নতুনকৈ আৰম্ভ হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ পৰা ডিলাইটলৈ আহিছিল আবেলি পৰৰ আড্ডালৈ। এওঁলোক আছিল তপনলাল বৰুৱা, হৰিৎলোচন দত্ত, হৰেকৃষ্ণ দুৱৰা, পিছলৈ ইঞ্জিনীয়াৰীং কলেজৰ বিবেক তালুকদাৰ, ৰুনু তালুকদাৰ প্ৰমুখ্যে বিভিন্ন ঠাইৰ ছাত্ৰ সকল। আৰু আহিছিলো আড্ডাবাজৰ এক বিৰাট দল। এই দলত মইও আছিলো। এনে আড্ডা আৰু দিয়া মনত নপৰে। গোটেই দিনটো ডিলাইটতে কটাইছিলো, গধুলিও নিশা ৮-৯ বজালৈকে। আমাৰ দলত আছিল আড্ডা বলিয়া তাৰক শৰ্মা (আজি তাৰক আমাৰ মাজত নাই), প্ৰতুল তালুকদাৰ, অৰুণ (মনি) দাস, গজেন ডেকা, অকন দুৱৰা, নৰশ্যাম দাস, ভবানী গোস্বামী, খনিন্ বৰুৱা, তপন বৰুৱা (ক্ৰিকেটাৰ), গিৰীন বৰুৱা, বাদল মিশ্ৰ, ৰনেন ডেকা, গনেশ শৰ্মা, হেমেন চৌধুৰী, অনিল গোস্বামী, মনি হাজৰিকা, নলিনী বৰ্মন, বাদল দাস, মানবেন্দ্ৰ শৰ্মা, নৃপেন আৰু বলেন হাজৰিকা, মাধব তালুকদাৰ! এই আড্ডালৈ মাজে মাজে এক ভিন্ন সোৱাদ আহি পৰে যেতিয়া আমাৰ এই বৃহৎ আড্ডালৈ আহে কুলদা ভট্ট, হীৰেন ভট্ট, নিৰোদ চৌধুৰী। আৰু যেতিয়া আহে পঙ্কজ বৰুৱা, লিম্ (সুবোধ) বৰ্মন, পাঠান হাজৰিকা, বিবেক তালুকদাৰ, "গুনাভিদা ( গুনাভিৰাম চৌধুৰী) হঁত। পৰিচয় আৰু বন্ধুত্ব - এক সমাৰোহ। আজি আৰু এই ডিলাইটো নাই, এনে সুন্দৰ আমেজভৰা আড্ডাও নাই। আড্ডা যেন অস্তগামী। এৰা - ডিলাইটখন উঠি যোৱাৰ পিছত নতুন বন্ধুও আৰু তেনেকৈ হোৱা নাই। কফিৰ কাপৰ সময়ৰ ছবি। ডিলাইটৰ সন্মুখত এতিয়া FEEDS ফাষ্ট ফুডৰ ষ্টল - থিয় হৈ লৰালৰিকৈ খোৱাৰ ব্যৱস্থা। সময় যে নাই কাৰো আড্ডা মাৰিবলৈ। সচাঁই ই সময়ৰেই ছবি।

নানা কৌতুক আমাৰ আড্ডালৈ সৰবৰাহ কৰিছিল পাঠান হাজৰিকা, তাৰক শৰ্মা, গজেন ডেকা আৰু প্ৰতুল তালুকদাৰে। এই আড্ডা মাৰি ৰগৰ কৰি ঘৰলৈ যেতিয়া ওভটো -ভাব হয় যেন স্বাস্থ্য আগতকৈ ভাল হৈছে, মনতো স্ফূৰ্তি। নৈ পাৰৰ মুকলি বতাহেও দিব নোৱাৰে আড্ডাৰ এই অক্সিজেন। সেই আড্ডাৰ কথা-

"যে ভোলে ভুলুক্
আমি ভুলিবো না
আমি কভূ ভুলিবো না।"

**যৌৱনৰ আড্ডা ঃ-** স্বাধীনতাৰ বহু আগৰ পৰাই গুৱাহাটীৰ কটন কলেজ আছিল অবিভক্ত অসমৰ একমাত্ৰ প্ৰধান চৰকাৰী কলেজ আৰু ৰাজ্যখনৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ। কলেজ খন নগৰ খনৰ একেবাৰে মধ্যস্থলত পানবজাৰত অৱস্থিত - যেন কলিকতাৰ চৌৰঙ্গীহে। ১৯৪৮-৪৯ চনত কলেজৰ শিক্ষা আমাৰ আৰম্ভ। সেইবাবে কটন কলেজৰ আশে পাশে বিভিন্ন আড্ডা গঢ় দি উঠিছিল আমাৰ সেই ডেকাকালত - যৌৱনৰ আৰম্ভণিতে। এই আড্ডালৈ আমাৰ স্থানীয় ছাত্ৰ সকলৰ বাহিৰেও আহিছিল অসমৰ বিভিন্ন ঠাইৰ পৰা অহা আড্ডা বলিয়া কলেজীয়া ছাত্ৰ সকল।

আমাৰ সেই যৌৱনৰ দিনৰ আড্ডা আছিল দীঘলী পুখুৰীপাৰৰ সন্দিকৈ ছোৱালী কলেজৰ আৰু এছ. কে. ভূঞা পথৰ কটনৰ ছোৱালী হোষ্টেলৰ (অধ্যাপিকা কমলা বয় তেতিয়া এই হোষ্টেলৰ চুপাৰ) উষ্ণতাৰ পৰিবেশত, কটন কলেজৰ বাৰান্দা, চুডমাৰ্চন হলৰ পুল (সমুখতে ছোৱালীৰ কমন ৰূম), দীঘলী পুখুৰীৰ বেঞ্চিত, কাৰ্জন হলৰ পুলত, কটনৰ কেন্টিন আদিত। এতিয়া অৱশ্যে কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ তেনে সমাগম কিছু দেখা যায় - জিলা পুথিভৰালৰ চিঁড়িত, পৰ্যটন বোট হাউচৰ কেন্টিনত, হাইকোৰ্টৰ চুকত, বিশ্ববিদ্যালয়ৰ বাছষ্টেণ্ডত আৰু তৈবুল্লা পথৰ গছৰ তলত। তেতিয়াও আছিল আড্ডা (ছাত্ৰী অবিহনে) - এতিয়াও আড্ডা, যৌৱনৰে আড্ডা - মাথোঁ ভিন্ন স্বাদৰ। আকৌ সময়ৰেই ছবি, চাহৰ কাপত নহয় - মনৰ।

তেতিয়াও আছিল আড্ডা (ছাত্ৰী অবিহনে) - এতিয়াও আড্ডা, যৌৱনৰে আড্ডা - মাথোঁ ভিন্ন স্বাদৰ। আকৌ সময়ৰেই ছবি, চাহৰ কাপত নহয় - মনৰ।

এই আড্ডাবোৰত পঢ়াশুনা এমাইল দূৰণত ৰখা হৈছিল। আড্ডাৰ আলোচনা আছিল - চিনেমা, সঙ্গীত, খেলাধূলা, বাহিৰা কিতাপ-আলোচনী আৰু ঘাইকৈ যৌৱনৰ "ফুড্" - ছোৱালী। তেতিয়া কলেজলৈ পঢ়িব অহা ছাত্ৰ সংখ্যাৰ তুলনাত ছাত্ৰীৰ সংখ্যা বৰ কম আছিল। গড় হিচাবত ছাত্ৰী ১ ঃ ছাত্ৰ ৫০ জন। আজি অৱশ্যে ৰোমাঞ্চভৰা দীঘলী পুখুৰীৰ চাৰিওকাষে ছোৱালীৰ সংখ্যাই লৰাৰ সংখ্যাক তল পেলায়। গতিকেই সেই দিনত বিশেষকৈ ১ম বাৰ্ষিকৰ নবাগতা সকলৰ নাম-ঠিকনা কি, পঢ়ে ক'ত, ঘৰ ক'ত, কোন কিমান ধুনীয়া, ঘৰত ককায়েক বা খুৰাক মুষ্টিযোদ্ধা নে কুস্তিবীৰ, দেউতাকৰ বন্দুকৰ লাইচেঞ্চ আছে নেকি, বন্ধৰ দিনা কোন স্থানীয় অভিভাৱকৰ ঘৰলৈ যায়, শুক্ৰবাৰৰ দিনা পানবজাৰ, ফাচী বজাৰলৈ যায় নেকি, (হোষ্টেলৰ ছোৱালীক তেতিয়া প্ৰতি শুক্ৰবাৰে আবেলি বজাৰলৈ যাবলৈ দিয়া হৈছিল - গধূলিৰ আগতে ফিৰি আহিবই লাগিব) - এইবোৰ আছিল "কুইজ"ৰ (Quiz) দৰে। আজিৰ সিদ্ধাৰ্থ বসু, ৰবীন কলিতা, অমৰজ্যোতি চৌধুৰীৰ কুইজতকৈও কঠিন। তেতিয়া কুইজ মাষ্টাৰৰ দৰে আছিল - এইবোৰ প্ৰশ্নৰ উত্তৰ নখৰ আগত থকা অধ্যাপক এগৰাকী। আগলৈ এই বিষয়ে উল্লেখ কৰা হব।

আমাৰ এই যৌৱনৰ আড্ডাবাজ কটনিয়ান সকলৰ ভিতৰত আমাৰ

দলত আছিল - অৰুণ দাস (মণি), গজেন ডেকা, হেমেন চৌধুৰী, বাদল মিত্ৰ, তাৰক শৰ্মা, গনেশ শৰ্মা, অনিল গোস্বামী, ৰনেন ডেকা, নলিনী বৰ্মন, নৰেনলাল দাস, দ্বিজেন ফুকন, ৰমেন দাস (কেবু), ভবানী গোস্বামী, মনি হাজৰিকা, অকন দুৱৰা, খনীন বৰুৱা, মুকুল চলিহা আৰু বহুতো। পিছলৈ আমাৰ দললৈ প্ৰমোচন পাই আহিছিল - নৰশ্যাম দাস, নৃপেন আৰু বলেন হাজৰিকাহঁত। কলেজীয়া ছোৱালীহঁতৰ সকলো ব্যক্তিগত খবৰ আহৰণ কৰিব পৰা হ'ল, যেতিয়া কটন কলেজৰ ৰসায়ন বিদ্যা বিভাগত শিৱসাগৰৰ পৰা এগৰাকী অধ্যাপকে যোগ দিয়ে। তেখেতৰ স্মৃতি আছিল এক জীৱন্ত Computer ৰ দৰে - খবৰৰ এক ভৰাল। তেখেতৰ ভাতৃ যোগেশে মাজে মাজে আমাৰ মাজলৈ আহি সেই Quiz বোৰৰ উত্তৰৰ যোগান ধৰে। সেই আড্ডাত বহোঁতে আমি পঢ়াশুনা আৰু নিজৰ Career ৰ কথা বোধহয় এদিনো ভবা নাছিলো। বৰ্ত্তমান লৈয়েই - আমাৰ যৌৱন, আমাৰ আনন্দ লৈয়েই ব্যস্ত আছিলো আড্ডাক মুখৰ কৰি।

মাজে মাজে আকৌ আমাৰ লগৰে দুই এগৰাকী কবি বন্ধু আড্ডালৈ আহে। এওঁলোকৰ 'হবি' আছিল - ইংৰাজী আৰু বিদেশী কথাছবি চোৱা। এওঁলোকৰ লগত পৰি মই আৰু মনি ২য় বাৰ্ষিকৰ পৰাই তেনে কথাছবিৰ প্ৰতি আসক্ত হৈছিলো। তেতিয়া বিদেশী কথাছবি ৰূপায়ন আৰু কেলভিন চিনেমা হলত ৰাতিপুৱাৰ ভাগত (Morning Show) চাবলৈ পোৱা গৈছিল। এই সকলৰ ভিতৰত আছিল কটনিয়ান অৱনী গোঁহাইবৰুৱা, নিত্য ভূঞা, ধীৰেন শৰ্মা, সৰোজ ঘোষ আদি। ইয়াৰে এগৰাকী কবি বন্ধুৱে মহাসমৰৰ সময়ৰ ইংৰাজী কথাছবি চাই দীঘলী পুখুৰীৰ পাৰত বহি আবেলি আওৰাইছিল এইদৰে-

"কিনো কৰিছিলো ইমান দিনে
আমি দুজনে -
ইজনে সিজনক ভালপোৱাৰ আগে"
সেদিন ছিল চৈত্ৰমাস,
তোমাৰ চোখে দেখেছিলাম্
আমাৰ সৰ্বনাশ

সেই দিনত যৌৱনৰ আড্ডাত যৌৱনৰ উত্তাপ ভৰা কবিতাৰ উৎস হয়তো তেনেদৰেই নিগৰি ওলাইছিল। গুৱাহাটীৰ আড্ডাত এই যৌৱনৰ আড্ডা হয়টো অসজা অসজা লাগিব সভ্য সমাজৰ বাবে। কিন্তু যৌৱনৰ অৰ্থক, যৌৱনৰ সত্যক আৰুতো অস্বীকাৰ কৰিব নোৱাৰি। মই অন্ততঃ স্নব (Snob) হব নোখোজো। এই বয়সতো নাৰীৰ প্ৰতি, সেই বয়সত ছোৱালীৰ প্ৰতি থকা দুৰ্বলতা অস্বীকাৰ কৰা ভণ্ড মই মহয়- এই দুৰ্বলতা, ৰোমাঞ্চ মোৰ মনত লুকাই আছে আজিও - ফল্গুৰ দৰে।

এনে ধৰণৰ আড্ডা পিছলৈ ষাঠি দশকত পানবজাৰত দেখিছিলো, ইয়াত আছিল ষাঠিৰ দশকৰ কটনিয়ান অখিল ডেকা, অম্বিকা বৰুৱা, প্ৰদীপ বৰুৱা,পুলক লাহিড়ী, প্ৰেমধৰ শৰ্মা, খগেন দত্তবৰুৱা, ইন্দ্ৰ গগৈ আদি। সেয়ে বোধহয় এনে ধৰণৰ শেষ ৰোমাণ্টিক আৰু ৰগৰৰ আড্ডা।

সেই বাবেই আজিও সেইদিনৰ যৌৱনৰ আড্ডাৰ কথা সুঁৱৰি নিজৰ জীৱন সেউজ কৰি ৰাখিবলৈ চেষ্টা কৰিছো- বয়স যে বাঢ়ি আহিছে।

"In youth we want to change the world.
In old age we want to change the youth."

এনে আড্ডাৰ পৰাই শিকিছিলো—

"If you spread happiness
some of it sticks to you."

### (গ) খেলৰ আড্ডা, কেন্দ্ৰবিন্দু কটন কলেজ

স্বাধীনতাৰ পিছতে চল্লিশৰ দশকৰ শেষভাগত আমি যেতিয়া কটন কলেজলৈ আহো, সময়ৰ বালিত খোজৰ দৰেই কলেজৰ চৌপাশে গোন্ধ পাইছিলো আমাৰ পূৰ্বকালৰ খ্যাতনামা কটনিয়ান সকলৰ। কলেজৰ লাইব্ৰেৰী, চুদমাৰ্চন হলৰ কমনৰুমত, ক্লাছ ৰুমত, প্ৰশাসনীয়ভৱনৰ বাৰান্দাত, প্ৰিঞ্চিপাল আৰু অধ্যাপকৰ কোঠাত, প্ৰেক্‌টিকেল লেবৰেটৰীত আৰু জজফিল্ড, চাৰ্চফিল্ড, নিউফিল্ডত সেই সকলৰ যোগদান, অৱদান আৰু সাফল্যই আজিলৈকে কলেজ খনক মহীয়ান্ কৰি ৰাখিছে।

ইয়াৰে কিছু কিছু ঠাইত আমি আমাৰ দিনত আড্ডা মাৰিছিলো - আৱশ্যক হলে ক্লাছ খতি কৰি হলেও। সেইবোৰ ঠাই আছিল চুডমাৰ্চন হলৰ বাৰান্দা আৰু চিড়ি, ৰাধা শৰ্মাৰ কলেজত থকা কেন্টিন, বোটানী বিভাগৰ কাষৰে দীঘলী পুখুৰীৰ পাৰত আৰু খেল পথাৰত - সেই জজফিল্ড আৰু চাৰ্চফিল্ডত। নিউফিল্ডত কলেজৰ বাৰ্ষিকী সমাৰোহত হে গৈছিলো, যদি সেইখন ফিল্ড কটন কলেজৰ নামত সেই সময়ত আছিল। বোধহয় প্ৰায় এমাইল দূৰত থকা বাবে (পল্টন বজাৰৰ দক্ষিণে) আৰু ৰেলৰ লাইন পাৰ হব লগা বাবে ( তেতিয়া অভাৰব্ৰীজ নাছিল) প্ৰতিদিনে পিছত তালৈ খেলিবলৈ যোৱাত অসুবিধা আছিল।

সেই সময়ত গুৱাহাটী চহৰৰ ডেকাচামৰ খেলৰ কেন্দ্ৰবিন্দু আছিল জজফিল্ড। কটনিয়ান সকলে চৌহদতে টেনিচ, টেবুল টেনিচ, বেডমিন্টন (কেমিষ্ট্ৰী বিল্ডিঙৰ কাষত) খেলিছিল যদিও চাৰ্চফিল্ডৰ দক্ষিণ ভাগত কলেজৰ সমুখতে এথলেটিকচ্, হকীৰ অনুশীলন কৰিছিল। সেইদৰে ক্ৰিকেট আৰু ফুটবল খেলিছিল গাৰ কাষতে থকা জজফিল্ডত। নিউফিল্ডত বছৰেকীয়া খেলধেমালিহে হৈছিল।

আমি শুনামতে আৰু ছাত্ৰকালত দেখামতে কটনৰ ছাত্ৰ সকলক খেলাধূলাত উৎসাহ যোগাইছিল সক্ৰিয় ভাবে তেতিয়াৰ অধ্যাপক মণ্ডলীয়ে। সেই সকলৰ ভিতৰত উল্লেখযোগ্য আছিল * হৰ্ষবাবু, *ড০ হিৰণ্যকুমাৰ ভূঞা, * অতুল দত্ত, *ঈশ্বৰ দত্ত ভূঞা, ৰায়হান শ্বাহ, দেবীচৰণ মহন্তকে ধৰি কেইগৰাকীমান খেল অনুৰাগী শিক্ষাবিদ। অতুল দত্ত চাৰে অমাক লগতে থাকি ক্ৰিকেট, হিৰণ্য ভূঞা দেবে টেনিছ আৰু মহন্ত চাৰে এথলেটিকছৰ প্ৰশিক্ষণ দিছিল। হয়তো সেইবাবেই এই কটন কলেজৰ পৰা খ্যাতনামা খেলুৱৈ *শৰৎ দাস, *কনক বৰদলৈ (ফুটবল) * পিলিক চৌধুৰী (ক্ৰিকেট, ফুটবল), পুলিন দাস (খেলুৱৈ সংগঠক) সৰ্ব্বশ্ৰী ৰত্নহাস গোস্বামী, হৰকুমাৰ শইকীয়া, গিৰীন বৰুৱা, ভবানী শইকীয়া (ক্ৰিকেট), *পদ্ম চৌধুৰী - কুনকুন (ফুটবল), দ্বাৰিক শৰ্মা আৰু ৰমনীৰজন বৰুৱা (টেবুল টেনিচ), মন মোহন দাস (এথলেট) প্ৰমুখ্যে শ শ আগশ্ৰেণীৰ খেলুৱৈ ওলাইছিল। সেইয়া আছিল কটন কলেজৰ সোণালীযুগ - মাথোঁ পঢ়া-শুনাতে নহয় - খেলাধুলা আৰু সাংস্কৃতিক দিশতো। সেই দিন জানো ফিৰি আহিব? কৰবাত পঢ়িছিলো-

"When the Roman Empire was falling apart,
The people were kept busy with Circuses.
— Now we have Televisions."

*নীলিময় চৌধুৰী এজন প্ৰাক্তন কটনিয়ান আৰু সদ্য-অৱসৰপ্ৰাপ্ত উচ্চ-পদস্থ ক্ৰীড়া-বিষয়া।*

দৰ্শন

# অস্তিত্ববাদী দৰ্শন

ড° জগদীশ পাটগিৰী

অস্তিত্ববাদ (Existentialism) সমকালীন সাহিত্য আৰু দৰ্শনৰ এটা অভিনৱ আধুনিক মতবাদ। দ্বিতীয় মহাসমৰৰ ভয়াবহতা আৰু নাৰকীয় যন্ত্ৰণাই মানবাত্মাৰ অন্তৰ জগতত যি চিন্তাৰ খলকনি তুলিছিল তাৰেই বৰ্হিঃপ্ৰকাশ হয় অস্তিত্ববাদী আন্দোলনৰ জৰিয়াতে। অস্তিত্ববাদ পশ্চিমীয়া দেশৰ বিশেষ সামাজিক অৱস্থাৰ ফলশ্ৰুতি, অন্য অৰ্থত যন্ত্ৰ বিপ্লৱ বা শিল্প-বিপ্লৱে জন্ম দিয়া ন-পুঁজিবাদী সমাজৰ সৃষ্টি। ডেনিচ দেশীয় দাৰ্শনিক চৰ্ন কিৰ্কেগাৰ্ড (Soren Kierkegaard) কে আধুনিক অস্তিত্ববাদী দৰ্শনৰ পিতৃ ৰূপে বন্দনা কৰা হয় যদিও গ্ৰীক দাৰ্শনিক চক্ৰেটিছৰ 'Know thyself' মধ্যযুগীয়া দাৰ্শনিক টমাচ একুইনাচৰ চিন্তা ধাৰাত অস্তিত্ববাদৰ বীজ নিহিত আছিল। সেইদৰে ভাৰতীয় দৰ্শনৰ মাইল স্তম্ভ স্বৰূপ উপনিষদত থকা ধাৰণা-জগত পৰিবৰ্তনৰ প্ৰবাহ, বৌদ্ধ, চাৰ্বাক দৰ্শনত থকা প্ৰায়োগিক দিশ (pragmatic aspect) আদিয়েও অস্তিত্বৰ চেতনাৰ কথাকে সোঁৱৰাই দিয়ে। প্ৰাচ্য আৰু পাশ্চাত্য উভয় দৰ্শনতে অতীত আৰু বৰ্তমান কালতো অস্তিত্বৰ সমস্যাটোৱে বিশেষ স্থান পাই আহিছে। এতেকে কোনো দাৰ্শনিকে 'ontological' সমস্যা বাদ দি দাৰ্শনিক মতবাদ আগবঢ়াব নোৱাৰে আৰু সেইফালৰ পৰা সকলো দাৰ্শনিকে অস্তিত্ববাদী। তেতিয়াহ'লে বৰ্তমানৰ অস্তিত্ববাদীসকল কোন কোন ক্ষেত্ৰত পৃথক? আৰু সকলো দাৰ্শনিকক কিয় অস্তিত্ববাদী বুলি কোৱা নহয়? ইয়াৰ উত্তৰত এইটোকে ক'ব পাৰি যে আধুনিক অস্তিত্ববাদী আন্দোলনে Being ৰ সলনি Becoming, সাৰ্বিকতা (Universulity)ৰ বিশেষ (particular) আৰু সাৰৰ (essence) পৰিবৰ্তে অস্তিত্ব (existence)ত অধিক গুৰুত্ব প্ৰদান কৰিছে। কিৰ্কেগাৰ্ডে কৈছে, 'the chief concern of an existentialist Christian is not the knowledge of rules and principles of Christianity but how am I to become a Christian?' অস্তিত্ববাদী সকলে জ্ঞান (knowledge) আৰু ব্যাখ্যাদানৰ (explanation) পৰিবৰ্তে 'ক্ৰিয়া বা কৰ্ম' (action), 'নিৰ্বাচন (choice) ৰ ওপৰত অধিক গুৰুত্ব দিছে।

ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে অস্তিত্ববাদী আন্দোলনক পুৰণি পদ্ধতিৰে এটা নতুন নাম বুলি অভিহিত কৰিছে (Existentialism is a new name for an ancient method)। এইচ. জে. ব্লেকহামে তেখেতৰ প্ৰখ্যাত গ্ৰন্থ 'Six Existentialist Thinkers'ৰ পাতনিত লিখিছে, 'It appears to be reaffirming in a modern idom the Protastant or the stoic form of individualism, which stands over against the empirical individualism of the Renaissance or of modern liberalism or of Epicurus as well as over against the universal system of Rome, or of Moscow or of Plato ..... it is a contemporary renewal of one of the necessary phases of human experience in a conflict of ideals which history has not yet resolved.'

পৰম্পৰাগত অৰ্থত অস্তিত্ববাদ দৰ্শনৰ প্ৰণালীবদ্ধ সম্প্ৰদায়ো নহয় আৰু পদ্ধতিও (school and method) নহয়। আচল অৰ্থত অস্তিত্ববাদ গতানুগতিক পশ্চিমীয়া দৰ্শনৰ পদ্ধতি আৰু দৃষ্টিভংগীৰ বিপক্ষে এক প্ৰবল বিদ্ৰোহ। তথাকথিত আৰু পৰম্পৰাগত দৰ্শনৰ তত্বমূলক জ্ঞান মীমাংসা অথবা Speculative Metaphysics ৰ পৰিবৰ্তে অস্তিত্ববাদে মানৱ অস্তিত্বৰ (Personal human being or existence) দিশত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে যাৰ বাবে অস্তিত্ববাদী দৰ্শন মানৱীয় দৰ্শন হিচাপে চিহ্নিত হৈছে। জাৰ্মান দাৰ্শনিক হেগেলৰ চূড়ান্ত আধ্যাত্মিক আদৰ্শবাদ (Absolute Idealism) অনুসৰি পৰম সত্বা হ'ল 'Supreme Idea'– য'ত সকলো বিৰোধৰ অৱসান হয়। Whatever is rational is real and whatever is real is rational. হেগেলৰ এনেকুৱা extreme যুক্তিবাদে মানুহৰ ধৰ্ম-বিশ্বাস আৰু ব্যক্তিৰ আপোন মূল্যবোধত কুঠাৰাঘাত কৰে। মূল্যবোধৰ গৰাখহনীয়া ঈশ্বৰ বিশ্বাস যেতিয়া শিথিল হৈ পৰিল, তেতিয়া কিভাবে জীৱন-যাপন কৰা উচিত সেই বিষয়ে জানিবলৈ পৰবৰ্তী চিন্তাশীল লোকসকলে চেষ্টা কৰিছিল। জাৰ্মান দাৰ্শনিকসকলে কৰ্তব্য নিৰ্দ্ধাৰণত যুক্তিকেই অৱলম্বন বুলি বৰ্ণনা কৰিছিল। কিন্তু বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে দৰ্শনৰ ওপৰত মানুহৰ শ্ৰদ্ধাৰ ভাব কমি আহে। ফলত মানুহে বিজ্ঞানৰ ওপৰতে অধিক নিৰ্ভৰশীল হৈ পৰে। কিন্তু বিজ্ঞান মূলতঃ তথ্যৰ

*এইচ. জে. ব্লেকহামে তেখেতৰ প্ৰখ্যাত গ্ৰন্থ 'Six existentialist Thinkers'ৰ পাতনিত লিখিছে, 'It appears to be reaffirming in a modern idom the Protastant or the stoic form of individualism, which stands over against the empirical individualism of the Renaissance or of modern liberalism or of Epicurus as well as over against the universal system of Rome, or of Moscow or of Plato ..... it is a contemporary renewal of one of the necessary phases of human experience in a conflict of ideas which history has not yet resolved.'*

ওপৰত নির্ভৰশীল, মূল্যৰ (value) লগত বিজ্ঞানৰ বেছি সম্পর্ক নাই। ফলত জীৱন নীতি সম্বন্ধে ধর্ম, দর্শন আৰু বিজ্ঞান কোনো বিভাগে মানুহক সন্তুষ্টি প্রদান কৰিব পৰা নাছিল। জগতৰ পৰিচালক কোনো জ্ঞানময় মঙ্গলস্বৰূপ ঈশ্বৰৰ অস্তিত্বই যদি নাথাকে, সকলো বস্তুৰ মূল্যই যদি সমান, জীৱনত ভাল বুলি যদি একোৱেই নাথাকে তেতিয়া হ'লে জগতত মানুহৰ অস্তিত্বৰ মূলতঃ যে কোনো উদ্দেশ্য থাকিব, জীৱনৰ অর্থ থাকিব– ই কেনেকৈ সম্ভৱপৰ হয়? এনেকুৱা প্রশ্নৰ আঁত বিচাৰোতেই নিৰীশ্বৰবাদী (atheist) অস্তিত্ববাদৰ উদ্ভৱ হৈছে।

সাধাৰণতে Existence ৰ অর্থ হ'ল বিৰামহীন অতিক্রমণ বা অৱস্থাৰ অতিক্রমণ (Perpetual transcendence)। অস্তিত্ববাদী চিন্তানায়কসকলে মানুহৰ ওপৰত বাহ্য প্ৰভাৱ অস্বীকাৰ কৰে। তেওঁলোকৰ মতে Existence শব্দৰ অর্থ কেৱল সত্বা নহয়। কোনো বিশিষ্ট স্থানত বিশিষ্ট অৱস্থাৰ স্থিতিয়েই Existence. এই ক্ষেত্ৰত তেওঁলোকে 'Da-Sein' শব্দটিৰ ব্যৱহাৰ কৰিছে। জগতৰ লগত অন্যান্য সংবেদনশীল পদাৰ্থৰ বিশেষ সম্বন্ধ হ'ল অৱস্থান (Existence) অথবা সম্ভাৱনা বাস্তৱৰ জৰিয়তে প্ৰকাশ হোৱাই অৱস্থান বা অস্তিত্ব। অস্তিত্ব কোনো এটি অৱস্থা নহয়, ই এক প্ৰকাৰ ক্ৰিয়া। জ্ঞান গোচৰ বস্তুসমূহ যেতিয়ালৈকে আমাৰ জ্ঞান গোচৰভূত হোৱা নাছিল, তেতিয়ালৈকে বস্তুসমূহ সম্ভাৱনা আছিল মাত্ৰ। আমাৰ জ্ঞানৰ ভিতৰত অহাত সেইবোৰ অস্তিত্বপ্ৰাপ্ত হৈছে। অৱশ্যে ইয়াৰ দ্বাৰা বস্তুৰ জ্ঞান নিৰপেক্ষ সত্তা নাই বুলি প্ৰতিপন্ন নহয়। Existence হ'ল doctrine of becoming। দেশ আৰু কালত সাৰৰ (essence) প্ৰকাশেই হ'ল অস্তিত্ব। সাৰ্বিকৰ পৰিবৰ্তে বিশেষৰ আলোচনাই ইয়াত সমগ্ৰ স্থান দখল কৰিছে। ই বাস্তৱৰ দৰ্শন, স্থূলৰ দৰ্শন (philosophy of the concrete)- যি বাস্তৱ ৰূপে প্ৰকাশিত হৈছে, প্ৰত্যক্ষযোগ্য হৈছে, সম্ভাৱনাৰ ৰাজ্যৰ পৰা নামি আহি দেশ আৰু কালত (space and time) ৰূপায়িত হৈছে। অস্তিত্ববাদীসকলে বাহ্যবস্তু, মানসিক ভাব, সকলোৰে স্বকীয়ৰূপৰ সাক্ষাৎ লাভৰ চেষ্টা কৰে। এই বিশিষ্টতা ভাষাৰে প্ৰকাশ কৰাটো কঠিন হেতুকে কিছুমান অস্তিত্ববাদীয়ে উপন্যাসৰ আশ্ৰয় লৈছে। সেইবাবে অস্তিত্ববাদী সাহিত্যত type সৃষ্টিৰ প্ৰয়াস পৰিলক্ষিত নহয়, প্ৰত্যেক চৰিত্ৰৰ নিজস্ব বিশিষ্টতা ফুটি উঠে। বিশেষৰ প্ৰতি, ব্যক্তিত্বৰ প্ৰতি, এই আকৰ্ষণ অস্তিত্ববাদৰ বিশেষত্ব। কিৰ্কেগাৰ্ডৰ মতে 'মনন হ'ল অস্তিত্বৰ অনুমানৰ স্ব-বিৰোধী প্ৰচেষ্টা।' অস্তিত্ব আৰু অস্তিত্ববান বস্তুৰ যি একত্ব-সেয়াই অস্তিত্ববাদৰ আলোচনাৰ বিষয়। অস্তিত্ব অস্তিত্ববান বস্তুৰ গুণ নহয়, বস্তুক তাৰ অস্তিত্বৰ পৰা পৃথক কৰিব নোৱাৰি। কিন্তু বস্তুৰ অস্তিত্ব আমাৰ সহিত জ্ঞানৰ সহিত সম্বন্ধযুক্ত। কোনো বস্তুৰ অস্তিত্ব আছে বুলি কোৱাৰ অৰ্থ হ'ল আমি তাৰ জ্ঞাতাৰূপে বৰ্তমান আছোঁ। আমাৰ অস্তিত্ব নহ'লে জগতৰ অস্তিত্ব থাকিব নোৱাৰে। অস্তিত্ববাদী সকলে সেইবুলি বাহ্যজগতৰ অস্তিত্ব অস্বীকাৰ কৰা নাই। অস্তিত্ববাদীসকলে কৈছে একমাত্ৰ মানুহেই অস্তিত্বশীল। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে পাহাৰ-পৰ্বত, নদ-নদী, গছ-গছনি, চকী-মেজ, ঘৰ-বাৰী ইত্যাদিৰ কোনো অস্তিত্ব নাই। অস্তিত্ববাদ অনুসৰি এই সকলোবোৰৰেই বাস্তৱ সত্তা আছে, কিন্তু বাহ্য বস্তুবোৰ অস্তিত্বশীল নহয়। অস্তিত্ববাদীৰ দৃষ্টিত 'অস্তিত্ব' শব্দটোৱে সক্ৰিয় আৰু স্বাধীনভাৱে সংকল্প, নিৰ্বাচন আৰু কৰ্ম কৰি দায়িত্বশীল ব্যক্তি হৈ অৰ্থপূৰ্ণ জীৱন যাপন কৰাকে নিৰ্দেশ কৰে। সেইবাবে অস্তিত্ববাদ নিসন্দেহে এক ব্যৱহাৰিক দৰ্শন। তেওঁলোকৰ মতে যিখন জগতৰ জ্ঞান আমাৰ হয়- - সেইখন আমাৰ লগত সহিত সম্বন্ধযুক্ত জগত। অস্তিত্ববাদী সকলৰ মতে জগতৰ অস্তিত্বৰ কোনো কাৰণ নিৰ্দ্দেশ কৰাও অসম্ভৱ। জগত আছে, কিন্তু কিয় আছে? জানিব নোৱাৰি। কিয় সৃষ্টি হৈছে? উত্তৰ নাই। সেইবাবেই অস্তিত্ববাদীসকলে জগত যুক্তিহীন বুলি অনুভৱ কৰি ইয়াক Irrational, Absurd হিচাপে অভিহিত কৰিছে। 'Engagement', 'Anguish', 'Dread', 'Subjectivity', 'liberty', 'freedom and responsibility, 'Abndonment', 'aespair', আদি শব্দবোৰ অস্তিত্ববাদীসকলে বিশিষ্ট অৰ্থত ব্যৱহাৰ কৰিছে। উদাহৰণ স্বৰূপে তেওঁলোকৰ মতে 'Engagement' হ'ল কৃচ্ছসাধ্য বিষয়ত আত্ম-নিয়োগ। কৰ্ম আৰু কৰ্মহীনতা উভয়েই আমাৰ স্বাধীন ইচ্ছাৰ ফল। উভয়েই Engagement.

আগতেই উল্লেখ কৰা হৈছে যে অস্তিত্ববাদী সকল কোনো দাৰ্শনিক সম্প্ৰদায় বা গোষ্ঠীৰ অন্তৰ্ভুক্ত নহয়। বিভিন্ন বিষয়ৰ ওপৰত তেওঁলোকে নিজ নিজ বক্তব্য আগবঢ়াইছে। ফলত কোনো সৰ্বজন গ্ৰাহ্য সূত্ৰ অস্তিত্ববাদৰ ক্ষেত্ৰত পোৱাটো সম্ভৱ নহয়। অস্তিত্ববাদৰ গুৰুত্বপূৰ্ণ বুলি বিবেচিত দাৰ্শনিকসকলৰ ভিতৰত কিৰ্কেগাৰ্ড (১৮১৩-১৮৫৫), নীৎসে (১৮৪৪-১৯০০), কাৰ্লজেছপাৰচ (১৮৮৩-১৯৬৯), গেবৰিয়েল মাৰ্ছেল (১৮৮৯-ত), মাৰ্টিন হেইডেগাৰ (১৮৮৯-১৯৭৬), জ্যাঁপল ছাৰ্ট্ৰে (১৯০৫-১৯৮০), মৰিস মাৰ্লো পঁতি (১৯০৭-১৯৬১), এলবাৰ্ট কেমু (১৯১৩-৬০) আদি বিশেষভাৱে উল্লেখযোগ্য। উল্লিখিত দাৰ্শনিক সকলৰ মতবাদৰ বিচাৰ বিশ্লেষণৰ পৰা জনা যায় যে তেওঁলোকৰ কোনো সুসংবদ্ধ দাৰ্শনিক নীতি বা পদ্ধতি নাই। প্ৰত্যেকজন দাৰ্শনিকে ভিন ভিন মতবাদ আগবঢ়োৱাৰ ফলত অস্তিত্ববাদৰ ভিন ভিন লক্ষণ পৰিলক্ষিত হয়। কিছুসংখ্যক অস্তিত্ববাদীয়ে ঈশ্বৰৰ অস্তিত্ব মানি লয় আৰু আন কিছুমানে ঈশ্বৰৰ অস্তিত্ব মানি নলয়। গতিকে অস্তিত্ববাদী দৰ্শনৰ দুটা ভাগ দেখা যায়– ঈশ্বৰবাদী অস্তিত্ববাদ (theistic existentialism) আৰু নিৰীশ্বৰবাদী অস্তিত্ববাদ (atheistic existentialism)। কিৰ্কেগাৰ্ড, মাৰ্ছেল, জেছপাৰ্ছ আদি ঈশ্বৰবাদী অস্তিত্ববাদৰ মুখ্য পৃষ্ঠপোষক, আনহাতে নীৎসে, হাইডেগাৰ, জ্যাঁপল ছাৰ্ট, কেমু আদিৰ দৰ্শনত ঈশ্বৰৰ স্থান নাই। জ্যাঁ পল ছাৰ্টে তেওঁৰ দৰ্শনক অসাধাৰণ অৰ্থত অস্তিত্ববাদী বুলি কৈছে, কিন্তু মাৰ্ছেল আৰু জেছপাৰ্ছে ছাৰ্টক অস্তিত্ববাদী হিচাবে বিবেচনাই কৰা নাই। অস্তিত্ববাদীসকলৰ এই ভিন্ন মতাদৰ্শই অস্তিত্ববাদকে ৰহস্যময় কৰি তুলিছে। তথাপিও অস্তিত্ববাদী সকলৰ মাজত নিম্নলিখিত সাধাৰণ বিশেষত্বসমূহ চকুত পৰে। প্ৰথমতে, অস্তিত্ববাদ দাৰ্শনিক মতবাদৰ সমষ্টি নহয়, দাৰ্শনিকীকৰণৰহে অন্যতম পন্থা আৰু এই দাৰ্শনিকীকৰণৰ কেন্দ্ৰবিন্দুত আছে তেজ-মঙহৰ মানুহ। অস্তিত্ববাদ কোনো বস্তু সামগ্ৰীৰ দৰ্শন নহয়, ই একান্তভাৱেই মানবীয় পৰিস্থিতিৰ দৰ্শন। দ্বিতীয়তে এই দৰ্শনত যুক্তিৰ পৰিবৰ্তে অনুভূতি আৰু কৰ্মই প্ৰাধান্য লাভ কৰিছে। অস্তিত্ববাদীসকলে অভিনেতাৰ দৃষ্টিকোণেৰে জীৱন আৰু জগতক অবলোকন কৰিছে আৰু সেইদৰে ব্যাখ্যাদান কৰি মূল্যাংকন কৰিছে। অস্তিত্ববাদ ভাববাদ আৰু প্ৰকৃতিবাদৰ বিৰুদ্ধে এক নতুন জেহাদ। ভাববাদ (Idealism) অনুসৰি মানুহ হ'ল পৰমসত্তাৰ অংশ বিশেষ। সেইদৰে প্ৰকৃতিবাদে (Naturalism) মনুহক জড়জগতৰ যান্ত্ৰিক নিয়মৰ অধীনত বন্দী কৰিছে। মানুহৰ ব্যক্তিস্বাধীনতা,

দায়বদ্ধতা ভাববাদ আৰু প্ৰকৃতিবাদৰ মাজত নিশ্চিহ্ন হৈ গৈছে। অস্তিত্ববাদী সকলে হেগেলৰ সৰ্বব্যাপী জ্ঞানবাদ আৰু বিশ্বগ্ৰাসী পৰমাত্মাবাদৰ হাতৰ পৰা দৰ্শনক মুক্ত কৰিবলৈ জীৱনৰ 'Meaningfullness'ৰ নতুন ব্যাখ্যাদানেৰে আগবাঢ়ি আহে। অস্তিত্ববাদীসকলৰ মতে মানব-অস্তিত্বৰ আচল ৰহস্য বুদ্ধি বা চিন্তাৰ মাজত পোৱাৰ বিপৰীতে জীয়াই থকাৰ বাস্তৱতাৰ মাজতহে পোৱা যায়। ঈশ্বৰ বিশ্বাসী বা নিৰীশ্বৰবাদী, মাৰ্ক্সীয় বা অমাৰ্ক্সীয়, কেথলিক বা প্ৰটেষ্টাণ্ট আদি সকলোৱে একমত যে মানব অস্তিত্বৰ ব্যাখ্যা কোনো formula বা সূত্ৰৰে দিব পৰাটো সম্ভৱ নহয়। অস্তিত্ববাদ অনুসৰি 'জীয়াই থকা' (to live) আৰু 'অস্তিত্বশীল হোৱা' (to exist) একে নহয়। অৰ্থহীনভাৱে জীৱন যাপন কৰাকে জীয়াই থকা বুজালেও 'অস্তিত্বশীল' হোৱা বুলি ক'ব নোৱাৰি।

তৃতীয়তে, অস্তিত্ববাদীসকলে মানৱ অস্তিত্বত সৰ্বাধিক গুৰুত্ব আৰোপ (Primacy of human existence) কৰি কৈছে যে অস্তিত্ব সাৰধৰ্ম বা মৌলিকত্বৰ পূৰ্ববৰ্তী (existence precedes essenece)। এইটোৱে অস্তিত্ববাদী দৰ্শনৰ মূল তত্ত্ব। দৰ্শনৰ ইতিহাসৰ আৰম্ভণিৰে পৰাই 'অস্তিত্ব' আৰু 'সাৰধৰ্ম' এই শব্দ দুটা সন্দৰ্ভত বিভিন্ন আলোচনা হৈছে। 'সাৰধৰ্ম' হ'ল বস্তু এটাৰ অন্তৰ্নিহিত সামান্য প্ৰকৃতি (inherent universal nature)। এই সামান্য প্ৰকৃতিটো বিশেষ শ্ৰেণীৰ সকলোবোৰ ব্যক্তি বা বস্তুৰ মাজত নিহিত থাকে। উদাহৰণ স্বৰূপে 'মনুষ্যত্ব' (Humanity) হ'ল সকলো মানুহৰ মাজত ব্যাপ্ত হৈ থকা এটা সামান্য প্ৰকৃতি। সেইদৰে 'ঘোঁৰাত্ব' (Horseness) সকলো ঘোঁৰাত থকা অন্তৰ্নিহিত প্ৰকৃতি বা সাৰ। প্ৰত্যেক সামান্য প্ৰকৃতি অবিনাশী (Indestructible) আৰু সনাতন (eternal) আনহাতে বিশেষ উদাহৰণ সমূহ ক্ষণভংগুৰ। মানুহ জন্মিছে আৰু সময়ত বিনাশো হৈছে, কিন্তু 'মনুষ্যত্ব' প্ৰকৃতি চিৰন্তন হৈ আছে। প্লেটোৰ পৰা আৰম্ভ কৰি সকলো ভাববাদী দাৰ্শনিকেই 'সাৰধৰ্ম'ক গুৰুত্ব প্ৰদান কৰি মুখ্য স্থান দিছে আৰু 'অস্তিত্ব'ক একেবাৰে অৱহেলা কৰিছে। সেইবাবে ভাববাদী দৰ্শনত অস্তিত্ব গৌণ কিয়নো 'অস্তিত্ব' শব্দটোৱে ক্ষয়িষ্ণুতা আৰু পৰিবৰ্তনশীলতাক সূচিত কৰে। কিন্তু দৰ্শনৰ ইতিহাসৰ অধ্যয়নে এইটো প্ৰতিপন্ন কৰিছে যে চিন্তাজগতত 'সাৰ ধৰ্মৰ একচ্ছত্ৰী আধিপত্য একেধৰণে থকা নাই। আধুনিক অস্তিত্ববাদী দাৰ্শনিকসকলে পৰম্পৰাগত দাৰ্শনিক সকলৰ ওপৰোক্ত মতবাদৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি 'essence precedes existence'মতবাদটো সম্পূৰ্ণৰূপে বৰ্জন কৰিছে আৰু 'Existence precedes essence' (অস্তিত্ব সাৰধৰ্মৰ পূৰ্ববৰ্তী) তত্ত্বটো আগবঢ়াইছে। চাৰ্টৰ মতে মানুহৰ অস্তিত্ব নিজৰ কাৰণে। মানুহ প্ৰথমতে বৈশিষ্ট্যহীন হৈ থাকে। মানুহৰ ব্যক্তিত্ব মূলতে এটা সম্ভাৱনা (Possibility), ক্ৰমে ক্ৰমে তেওঁ বিভিন্ন ৰূপত নিজকে সৃষ্টি কৰি গৈ থাকে। পিছত তেওঁ হয় এইটো বা সেইটো (this or that)। বিভিন্ন ৰূপত বিভিন্ন পৰিবেশ অতিক্ৰমি মানুহে নিজকে গঢ়ি তোলে হয়তোবা এজন কৃতিছাত্ৰ, প্ৰখ্যাত সঙ্গীতজ্ঞ, ঔপন্যাসিক, কবি, দাৰ্শনিক অথবা এজন সুনাগৰিক হিচাবে। এনেদৰে মানুহে সম্পূৰ্ণ স্বাধীন ভাবে (কাৰো নিয়ন্ত্ৰণ নথকাকৈ) নিজৰ জীৱন গঢ়ি তোলে— দস্যু ৰত্নাকৰে নিজ কৰ্ম আৰু স্বাধীনতাৰে বাল্মীকি হিচাবে নিজক গঢ়ি তোলাৰ দৰে।

*মানুহৰ ব্যক্তিত্ব মূলতে এটা সম্ভাৱনা (Possibility) ক্ৰমে ক্ৰমে তেওঁ বিভিন্ন ৰূপত নিজকে সৃষ্টি কৰি গৈ থাকে। পিছত তেওঁ হয় এইটো বা সেইটো (this or that)। বিভিন্ন ৰূপত বিভিন্ন পৰিবেশ অতিক্ৰমি মানুহে নিজকে গঢ়ি তোলে হয়তোবা এজন কৃতিছাত্ৰ, প্ৰখ্যাত সঙ্গীতজ্ঞ, ঔপন্যাসিক, কবি, দাৰ্শনিক অথবা এজন সুনাগৰিক হিচাবে। এনেদৰে মানুহে সম্পূৰ্ণ স্বাধীন ভাবে (কাৰো নিয়ন্ত্ৰণ নথকাকৈ) নিজৰ জীৱন গঢ়ি তোলে দস্যু ৰত্নাকৰে নিজ কৰ্ম আৰু স্বাধীনতাৰে বাল্মীকি হিচাবে নিজক গঢ়ি তোলাৰ দৰে।*

চতুৰ্থতে, শিল্প-সভ্যতা, যান্ত্ৰিক কলা-কৌশল আৰু প্ৰযুক্তিবিদ্যাৰ আধুনিক প্ৰৱণতাৰ বিৰুদ্ধে অস্তিত্ববাদ প্ৰতিবাদ মুখৰ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰগতিৰ লগে লগে উদ্যোগীকৰণ আৰু নগৰকেন্দ্ৰীক জীৱন যাপনৰ প্ৰভাব বেছি হয়। অত্যাধুনিক যন্ত্ৰপাতি, কলাকৌশল আদিৰ আবিষ্কাৰ আৰু প্ৰয়োগৰ ফলত সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত, উৎপাদন যান্ত্ৰিকভাবে সম্পন্ন কৰা হ'ল। এনেদৰে বৈজ্ঞানিক আবিষ্কাৰ আৰু প্ৰয়োগে মানুহৰ মূল্য (value) কমাই দিয়ে। যান্ত্ৰিক শিল্পসভ্যতাৰ অত্যাধিক প্ৰভাৱত মানুহৰ হৃদৰোগ, ৰক্তচাপ, নিঃসংগতা, বিচ্ছিন্নতা, মানসিক বিকাৰ আৰু বিকৃত ৰুচি আদি বিভিন্ন ৰোগব্যাধিৰ প্ৰকোপ বাঢ়িবলৈ ধৰে। ক্লান্ত, অৱসন্ন মানুহে দৈনন্দিন জীৱন যাত্ৰাৰ যুদ্ধত হাৰ মানি হতাশ হৈ পৰিছে। মানুহৰ এই অসহায়, নিৰুপায় অৱস্থা অস্তিত্ববাদীসকলৰ কাৰণে অসহ্যকৰ। যান্ত্ৰিক শিল্পসভ্যতাৰ দাস হৈ মানুহে নিজৰ গুৰুত্বপূৰ্ণ সম্পদ অন্তৰাত্মা হেৰোৱাৰ পথত। বিজ্ঞানে বস্তুৰ স্বভাৱ সম্পৰ্কে জ্ঞান দিয়ে ক্ষান্ত, অস্তিত্বৰ জ্ঞানদান বিজ্ঞানৰ পৰা আঁতৰত। বিজ্ঞান বস্তুনিষ্ঠ (Objective) আৰু নৈৰ্ব্যক্তিক (Impersonal) অস্তিত্ববাদীসকলে বুদ্ধিবাদ বা যুক্তিবাদ তৰ্কশাস্ত্ৰ আৰু বিজ্ঞানৰ তীব্ৰ বিৰোধিতা কৰি আবেগবাদৰ (Emotivism) পোষকতা কৰিছে। ছাৰ্টৰ মতে মানব অস্তিত্ব (Dasein) অযুক্তিকৰ (irrational), অসংগত (illogical), উদ্ভট (Absurd) আনকি অশ্লীল (obscene)। হেইডেগাৰৰ মতে অস্তিত্বই বিৰক্তি (monotony) আৰু বিতৃষ্ণাৰ (disgust) সৃষ্টি কৰে। অস্তিত্বই যুক্তি আৰু বিজ্ঞানক অতিক্ৰমি উৎকণ্ঠা বা উদ্বেগৰ (Anxiety) সৃষ্টি কৰে। অস্তিত্ববাদী সকলে মানবৰ দুৰ্দশাৰ বুৰঞ্জী (diagnosis of man's predicament) নাটকীয় ভাবে প্ৰকাশ কৰি মানুহক অতি উচ্চ স্বৰত স্থান দিছে।

পঞ্চমতে, মানবৰ স্বাধীনতাই হ'ল অস্তিত্ববাদৰ স্নায়ুকেন্দ্ৰ। ব্যক্তিগত জীৱন আৰু লক্ষ্য নিৰূপণ কৰাত মানব চেতনা সম্পূৰ্ণৰূপে

স্বাধীন। মানুহৰ ভবিষ্যত কৰ্মপন্থা নিৰ্দ্ধাৰণ নিজৰ ওপৰত নিৰ্ভৰ কৰে। মানুহে গধুৰ দায়িত্বৰ বোজা কঢ়িয়াওতে অসহনীয় বেদনাৰ মুখামুখি হয়। তেওঁৰ চাৰিওফালে এটা বিৰাট শূন্যতাই (Nothingness) আগুৰি আছে। সম্পূৰ্ণ নিয়ন্ত্ৰণমুক্ত হৈ তেওঁ নিজৰ কৰ্ম নিজে স্বাধীন বিচাৰৰ দ্বাৰা নিৰূপণ কৰিবলৈ যাওঁতে যি গধুৰ দায়িত্বৰ বোজা বব লগীয়া হয়-- তেতিয়া তেওঁ আতংকিত হৈ এক গভীৰ বেদনাত বিষাদগ্ৰস্থ হৈ পৰে। তেতিয়া মানুহে বিভিন্ন অজুহাত দেখুৱাই নিজৰ দায়িত্ব আনৰ ওপৰত জাপি দি নিজে মুক্ত হ'ব খোজে। ছাৰ্টে স্বাধীনতাক মানুহৰ কাৰ্যৰ প্ৰথম চৰ্ত বুলি বিবেচনা কৰিছে। অস্তিত্ববাদী চিন্তাধাৰাৰ মতে এজন স্বাধীন কৰ্তা হিচাপে মানুহে নিজৰ ভবিষ্যত নিজে ৰচনা কৰে। ছাৰ্টে তেওঁৰ Existentialism and Humanism' গ্ৰন্থত লিখিছে,– 'There is no other universe except the human universe the universe, of human subjectivity ....' We remind man that there is no legislator but himself that he himself ... must decide for himself ... In a Godless universe the invention of values rests squarely upon man .... Man is both the recogniser of value and the bearer of value ...."

অস্তিত্ববাদী দৰ্শন কোনো এজন বা দুজন দাৰ্শনিকৰ একক প্ৰচেষ্টাত গঢ়ি উঠা এটা মতাদৰ্শ নহয়। বিভিন্ন দাৰ্শনিক, পণ্ডিত, ধৰ্মযাজক, শিল্পী, চিত্ৰকৰ, ঔপন্যাসিক আদিয়ে তেওঁলোকৰ দৃষ্টিভংগী বিভিন্ন লেখনী অথবা সৃষ্টিমূলক কৰ্মৰ মাজেৰে প্ৰকাশ কৰিছে। বিংশ শতিকাৰ চল্লিশ আৰু পঞ্চাশৰ দশকত ইউৰোপত গঢ়ি উঠা এই অভিনৱ অস্তিত্ববাদী আন্দোলন পৰম্পৰাগত দৰ্শনৰ বিৰুদ্ধে জ্বলন্ত প্ৰতিবাদ। ভবিষ্যত মানুহৰ দৰ্শন ৰচনাত অস্তিত্ববাদী দৰ্শনৰ মূল্য অপৰসিম হৈ ৰ'ব।


**সহায় লোৱা গ্ৰন্থ ঃ**

(১) Existentialism : Mary Warnock

(২) Ethics since 1900 : Mary Warnock

(৩) Existentialism And Humanism : Jean Paul Sartre

(৪) Being and Nothingness : J.P. Sartre

(৫) Philosophy in the Twentieth Century : A.J. Ayer

(৬) The Existentialist outlook : Margaret Chatterjee

(৭) Six Existentialist Thinkers : H.J. Blackham

(৮) Philosophy : S.P. Chakravarty

(৯) The Story of Philosophy : Will Durant.


*ড° জগদীশ পাটগিৰী কটন মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা আৰু তেওঁ এজন বিশিষ্ট নাট্যকাৰো।*

১৯১৩ চনৰ কোনোবা এটা গ্ৰীষ্ম দিনৰ দুপৰীয়া। মই নৱমমান শ্ৰেণীৰ ছাত্ৰ। মোৰ এজন সম্বন্ধীয় ককাইদেউৰ বিয়ালৈ বুলি বঙ্গদেশৰ টিপাৰাহ নামৰ এখন ভিতৰুৱা গাঁৱলৈ গৈছিলোঁ। তাতে এখন বঙালী সাপ্তাহিকত দেখিলোঁ– কলিকতা বিশ্ববিদ্যালয়ৰ আই. এ. পৰীক্ষাৰ খবৰ ওলাইছে। চকু ফুৰাই মইতো অবাক। কটন কলেজৰ বাণীকান্ত কাকতিয়ে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ স্থান অধিকাৰ কৰিছে। হতভম্ব কৰা সেই খবৰটোৱেই মোৰ যুৱক মনত 'কটন কলেজ' নামটো খোদিত কৰি থৈ গৈছিল।

– দ্বিজেন্দ্ৰ চন্দ্ৰ দত্ত

ভ্ৰমণ

# 'বুৰঞ্জীয়ে পৰশা নগৰ' ৰংপুৰ

—অংকুৰণ দত্ত

ৰংপুৰ ৰঙেৰে ভৰা ইতিহাস। তাত ৰঙৰ সঁফুৰা আছে। যদিও বৰ্তমান ৰংপুৰক ঢোকা দি জীয়াই ৰখা হৈছে, তথাপিও ইতিহাসৰ বুকুত ই সোণালী আখৰেৰে খোদিত থাকিব। ৰংপুৰক জীয়াই ৰাখিছে জয়সাগৰৰ বুকুৰ মাজত "জয়া নাই, জয়া নাই" বোলা কণ্ঠস্বৰে, নতুবা আহোম ৰাজত্বৰ অমৰ সৃষ্টিৰ ধ্বংসাবশেষবোৰে।

মহাসতী জয়মতী কুঁৱৰীৰ প্ৰাণত্যাগে স্বামী গদাপাণি কোঁৱৰক ৰজা পাতিলে। তেওঁৰ মৃত্যুৰ পাছত লাই কোঁৱৰে ৰুদ্ৰসিংহ নাম লৈ ৰাজপাটত বহে। ১৬২০ শকৰ ফাগুনত মাতৃদেৱীৰ স্মৃতিত পুখুৰী খন্দাই দ'ল বন্ধায় আৰু ৰংপুৰত ৰাজধানী পাতে। মেটেকা ৰংপুৰৰ পুৰণি নাম। স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰং-ৰহইচ কৰি নগৰ লোৱাৰ বাবেই হয়তো "ৰংপুৰ" নাম থোৱা হয়।

ৰংপুৰ নগৰৰ মাটিকালি আছিল ৪২৩ পুৰা ৩ বিঘা ২ কঠা ৮ লেচা। দীঘলে সিংহ দুৱাৰৰ পৰা মাছখোৱা গড়লৈ আৰু পথালিয়ে দিখৌৰ পৰা নাম দাঙলৈ। নগৰৰ চাৰিওফালে শিল-ইটাৰে পকী ওঠৰ হাতকৈ ওখ গড় আছিল। বৰ দুৱাৰ, পানীদুৱাৰ আৰু ন-দুৱাৰৰ জৰিয়তেহে নগৰৰ ভিতৰলৈ সোমাব পাৰিছিল। ৰংপুৰৰ প্ৰণিধানযোগ্য কীৰ্তিচিহ্ন সমূহৰ চমু বিৱৰণ তলত উল্লেখ কৰা হ'ল।

**ৰংঘৰ ঃ** ৰংপুৰৰ আটাইতকৈ উল্লেখযোগ্য কীৰ্তিচিহ্নটোৱেই হৈছে ৰংঘৰ। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দ্বিতীয় পুত্ৰ প্ৰমত্ত সিংহই ১৭৪৬ চনত বৰ্তমানৰ ৰংঘৰটো নিৰ্মাণ কৰে। ইয়াত উঠি স্বৰ্গদেউ, বৰগোহাঁই, বৰপাত্ৰ গোঁহাই আদিকে ধৰি অন্যান্য ৰজাঘৰীয়া সকলে বহি ৰং চাইছিল। তাত সেই সময়ত হাতীৰ যুঁজ, ম'হৰ যুঁজ আদি হৈছিল। এই ঘৰটো দুমহলীয়া। ইয়াৰ বেৰত সুন্দৰ সুন্দৰ ফুল আৰু অৰ্থ ব্যঞ্জক দৃশ্য খোদিত আছিল। কিন্তু বৰ্তমান এই কাৰুকাৰ্য্য সমূহৰ অলপ ভাগিলেই, গোটেই ফুলবোৰ একেবাৰে সমান কৰি দিয়া হৈছে। সেইহে বৰ্তমান এই আপুৰুগীয়া সম্পদ ৰংঘৰটোৱে লঠঙা শিমলু জোপাৰ দৰে কেৱল মাত্ৰ অস্তিত্বহে বহন কৰি আহিছে।



**জয় সাগৰ আৰু জয়দ'ল ঃ** জয়সাগৰ পুখুৰীটো স্বৰ্গদেউ ৰুদ্ৰসিংহই জেৰেঙা পথাৰত খন্দোৱাই ১৬১৯ শকৰ ১৭ ফাগুনত উচৰ্গা



কৰে। ৰংপুৰৰ এই বৃহত্তম পুখুৰীটোৰ মাটি কালি ১১৭ পুৰা ১ বিঘা ৯লেচা। ইয়াক খান্দিবলৈ মাত্ৰ পঞ্চল্লিচ দিনহে লাগিছিল। জয়সাগৰৰ পাৰত মুঠতে পাচোঁটা মন্দিৰ আছে। শ্ৰীকেশৱৰাই, বিষ্ণুদ'লটোৱেই জয়সাগৰৰ আটাইতকৈ ডাঙৰ দ'ল। এই দ'লটো এতিয়া জয়দ'ল নামেৰে জনাজাত। এই দ'লটোৰ গাত ৰং-ধেমালি কৰা, দেৱ-দেৱী আদিৰ দৃশ্য অঙ্কিত আছে। জয়সাগৰৰ উত্তৰ পাৰে বৈদ্যনাথ শিৱমন্দিৰ।

**তলাতল ঘৰ ঃ** ৰংপুৰত এটা আচৰিত ঘৰ আছে, যাক তলাতল ঘৰ নামেৰে জনা যায়। এই পকীঘৰটো সাত মহলীয়া। ওপৰে তিনিমহল, মাটিৰ তলত তিনিমহল আৰু মাটিৰ সমানে সমানে থকা এই আচৰিত ঘৰটো স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই ১৭৬৫ চনত সজাইছিল। ইয়াৰ তলেদি যাব পৰাকৈ সুৰঙ্গ আছিল। এফালেদি গৈ কাৰেংঘৰত (গড়গাঁৱৰ), অন্য এফালেদি গৈ দিখৌ নৈত ওলাব পাৰিছিল। এতিয়া এই ঘৰৰ চিন স্বৰূপে সামান্য ভগ্নাংশহে আছে। এই ঘৰৰ দক্ষিণ-পশ্চিম ফালে ১৭০৪ চনত ৰুদ্ৰসিংহই সজোৱা খাৰঘৰটো আছে। ৰণত যাৱতীয় অস্ত্ৰ-শস্ত্ৰ, খাৰ-বাৰুদ, বন্দুক, বৰটোপ-হিলৈ আদি এই ঘৰত অতি সাৱধানে ৰখা হৈছিল।



**ৰংপুৰৰ অন্যান্য দ'ল-দেৱালয় ঃ** স্বৰ্গদেউ লক্ষ্মীসিংহৰ মাকে ঈশানেশ্বৰ দেৱালয় সজোৱায় ১৬৯৫ শকত। এই মন্দিৰটো বৰ্তমান ভাগিল। ১৭০৪ চনত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত ৰং নাথ শিৱ দ'ল সজোৱা হৈছিল। এই দ'লৰ পূব দিশে থকা সৰু দ'লটোৰ নাম **গৌৰীবল্লভ দ'ল**। পথাৰৰ মাজত থকা এই দ'লটোক **ন-গোঁসাইৰ দ'লো** বোলা হয়।

১৬২৬ শকত ৰুদ্ৰসিংহই ৰংপুৰত **ফাকুৱা দ'ল** বন্ধায়। লোকপ্ৰবাদ মতে তেওঁ মাক মহাসতী জয়াৰ সোণৰ প্ৰতিমা কৰাই মৈদাম দিয়ে আৰু তাৰ ওপৰত এই দ'লটো বন্ধায়। কাৰুকাৰ্য্যৰে চমৎকাৰ আন এটা দ'ল জয়সাগৰ পুখুৰীৰ পশ্চিমপাৰে আছে। পৰ্ব্বতীয়া গোঁসাইৰ নাতি এটিয়ে এই দ'লটি সজোৱাৰ বাবে ইয়াক নাতি **গোঁসাইৰ দ'ল** বোলে।

ফুলেশ্বৰী কুঁৱৰীৰ ভায়েক হৰিনাথ, বৰপাত্ৰ হৈ কালুগাঁৱত পুখুৰীখন্দাই এটি দ'ল বন্ধায়। ইয়াক **বৰপাত্ৰ দ'ল** বোলে আৰু পুখুৰীটো **বৰপাত্ৰ পুখুৰী** নাইবা **লখিমী সাগৰ** বুলি জনাজাত। লক্ষ্মীসিংহৰ মাক ৰাজমাওদেৰীয়ে ১৬৯৫ শকত পুখুৰী খন্দাই দ'ল সজায়। এই দ'লৰ নাম **বগীদ'ল**।

**শিলৰ সাঁকো ঃ** ৰংপুৰত কেইবাখনো শিলাসাঁকো আছিল। তাৰ ভিতৰত স্বৰ্গদেৱ ৰুদ্ৰসিংহই ১৭০৩ চনত সজোৱা নামডাঙৰ শিলাসাঁকো বিখ্যাত। ইয়াৰ ওপৰেদিয়েই এতিয়াও ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ আছে।

শেষত ড° লীলা গগৈৰ ভাষাৰে "দুশ বছৰীয়া ৰাজধানী ৰংপুৰে আজিও এযুগৰ ভাস্কৰ্য্য, স্থাপত্য আৰু ললিত কলাৰ চিত্ৰপট দাঙি ধৰিব পাৰে।"

(বিশেষ ভাৱে সহায় লোৱা গ্ৰন্থ ড° লীলা গগৈৰ 'বুৰঞ্জীয়ে পৰশা নগৰ')

---

*অংকুৰণ দত্ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)ৰ ছাত্ৰ আৰু তেওঁ অধুনালুপ্ত প্ৰথম শিশু কাব্যালোচনী 'ময়ূৰ'ৰ সম্পাদক।*




কটন কলেজৰ নিম্নগামী ফলাফলৈ চাই আপুনি এই অনুষ্ঠানৰ ভৱিষ্যৎ কি বুলি ভাবে?
আমি ভৱিষ্যতৰ কথা নাভাবো। কাৰণ অদূৰ ভৱিষ্যতত আমাৰ সকলোৰে মৃত্যু নিশ্চিত।

দৃষ্টিকোণ

# জাতীয় জীৱনৰ তিনিটা অনুভৱ

❑ অৰবিন্দ চক্ৰৱৰ্ত্তী

থিঅ'ৰি এণ্ড ফাংচন অৱ দ্য ডুয়েন্দি” ত ফেদেৰিকো গাৰ্থিয়া লৰকাই কোৱাৰ দৰে অসমবাসীয়েও এতিয়া ক'ব পৰা হ'ল -

অসম মৃত্যুৰ কাৰণে এখন মুক্ত দেশ
অসমেই একমাত্ৰ দেশ য'ত মৃত্যু এটা স্বাভাৱিক দৃশ্য
য'ত প্ৰত্যেকটো বসন্তৰ আগত মৃত্যুৱে বজায় তুৰ্য।
কিন্তু কিয় !

**প্ৰথম অনুভৱৰ উক্তিঃ** “Quest for freedom and search for truth constitute the basic urge of human progress”

**(ক) আৱেগৰ প্লাৱন ঃ** সৰিয়হ ফুলৰ সুবাসেৰে সুবাসিত এটি আবেলি। অস্তগামী সূৰুযৰ সোণোৱালী কিৰণ ভেদি নৈ ঘাটলৈ পানী নিবলৈ আহে এজাক গাভৰু, গাভৰুজাকৰ হাঁহিৰ খলকনি কাঢ়িয়াই অনা পছোৱা বতাহজাকে সেই শিশুটিক দি যায় ঘৰমুৱা গৰখীয়াৰ বাঁহীৰ সুৰৰ প্ৰতীতি; এক মুক্ত ৰঙীন পৰিৱেশত মন প্ৰাণ পুলকিত হৈ উঠা শিশুটিয়ে সন্ধিয়া ৰূপোৱালী জোনাকৰ পোহৰত চোতালত আইতাকৰ কোলাত বহি হিতোপদেশৰ সাধু শুনিব আৰু লাহে লাহে নিস্তব্ধ ৰাতিৰ আশ্ৰয়ত টোপনি যাব ... । ই কোনো প্ৰফেশ্যনেল গল্পকাৰৰ কল্পনাৰ জগত নহয়। আভিজাত্যধৰ্মী তথাকথিত সভ্যতাৰ পৰা বহু আঁতৰৰ গাঁৱলীয়া সমাজৰ এক সৰল চিত্ৰাংশহে যি এতিয়া নিৰাশাৰ ফ্ৰেমত বন্দী। নিজৰ জন্মস্বত্ব অধিকাৰ বিচৰাটো কেতিয়াও অপৰাধ হ'ব নোৱাৰে, কিন্তু সেইবুলি মানুহৰ তেজৰ নৈ বোৱাই বিলাসী কল্পনাৰ নাওত উঠি যদি তাৰ দাবী তোলা হয় ! নিঃসন্দেহে সি হ'ব ইতিহাসৰ বিড়ম্বনা মাথোন। আৰু সম্প্ৰতি ঠিক তেনেকুৱাই হৈছে; স্বপ্নৰ পখিলা খেদি ফুৰা সেই শিশুটি আজি শ্বৰনম্ বা অভিষেকৰ দৰেই অনিশ্চিত জীৱনৰ মেৰপাকত, নৈ পাৰত লয়-লাসে অহা গাভৰুজাকক এতিয়া ভনীমাইৰ জীৱনৰ কলংকই আতংকিত কৰি তোলে, বুঢ়ী-আইৰ *সাধুশুনা চোতালত* আজিকালি সীমান্তত নিয়োজিত শান্তিৰক্ষাকাৰী বাহিনীৰ বুটজোতাৰ গেৰেপনি। আৰু এনেকৈয়ে এটা অধিকাৰ বিচাৰিবলৈ গৈ আন এটা অধিকাৰ কাঢ়ি নিয়া হ'ল বা নিবলৈ দিয়া হ'ল। কিন্তু আজি প্ৰত্যেকজন সচেতন লোকেই কামনা কৰে ন্যায্য অধিকাৰ প্ৰতিষ্ঠাৰ সঠিক পথৰ সন্ধান কৰোতে যাতে সামগ্ৰিক বিকাশৰ প্ৰয়োজনীয় চৰ্তবিলাকৰ অপপ্ৰয়োগ নহয়। অন্যথা আৱেগৰ উৰ্ধত আনাৰ বিপুল সম্ভাৱনাক তুলি ধৰাৰ ফল অন্ধকাৰাচ্ছন্ন ভৱিষ্যতে অকৃপণভাবেই দিব।

**দ্বিতীয় অনুভৱৰ উক্তি ঃ**

“..... Do not guard the heritage in the way archivist guards old documents.”

**(খ) জাতীয় অস্তিত্বৰ প্ৰশ্নত অসম সাহিত্য সভা ঃ** সাহিত্য যদি জাতিৰ দাপোণ স্বৰূপ, তেন্তে অসম সাহিত্য সভাই অসমীয়া জাতিৰ আশা-আকাংক্ষাৰ প্ৰতিফলন ঘটাব পাৰিছেনে? বিভিন্ন জাতি-জনগোষ্ঠীৰে ভৰপূৰ অসমী আইৰ বাবে এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন ; কাৰণ জাতীয় জীৱনৰ অস্তিত্ব বৰ্তাই ৰখাৰ স্বাৰ্থতে জন্ম দিয়া হৈছিল অসম সাহিত্য সভাৰ। সাম্প্ৰতিক সময়ৰ নিৰাশাজনক অৱস্থাৰ বিপৰীতে প্ৰতিটো সচেতন মনৰে দিগবলয়ত এখন নতুন সমাজ, সেয়ে অসংখ্যজনে আকুল হেঁপাহেৰে লক্ষ্য ৰাখিছে সুদীৰ্ঘ সময়ৰ দীঘল পথত জন্ম পোৱা বিভিন্ন সংস্থা বা সংগঠনৰ প্ৰকৃত কাৰ্যকলাপ আৰু সংঘটিত গুৰুত্বপূৰ্ণ ঘটনাবোৰৰ অন্তৰালত থকা সঠিক চিত্ৰণ। এনে এক অৱলোকনেৰেই, জাতীয় সংহতি তথা অসমীয়াৰ আত্মসন্মানবোধৰ স্বাৰ্থত জন্ম পোৱা অসম সাহিত্য সভাই সামগ্ৰিকভাৱে জাতীয় জীৱনৰ ক্ষেত্ৰত কেনে ভূমিকা পালন কৰিছে তাক বিচাৰ কৰিব পৰা যায়। সভাপতিজন নিৰ্বাচিত হোৱাৰ পিছৰ পৰা সাহিত্য সভাৰ বছৰেকীয়া সভাখন শেষ হোৱালৈকে - সময়ৰ এই ব্যৱধান খিনিত [illegible] এটা নতুন ভাৱৰ জোৱাৰ তোলা হয় যে অসমীয়া ভাষা-সংস্কৃতিৰ কাণ্ডাৰীস্বৰূপে ই দেশ মাতৃকাৰ বুকুত ৰোপন কৰিব নতুন স্বপ্নৰ বীজ। (আশ্চৰ্যজনক কথা এয়ে যে ৰাজনৈতিক নেতাৰ নিৰ্বাচনী ইস্তাহাৰৰ দৰে প্ৰতিবছৰে একেখিনি কথাকে ঘঁহি-পিহি চাফা কৰি শ্লোগান গোৱা হয়) । সঁচা কথা, ইয়াৰ জন্মৰ অন্তৰালত থকা আবেগময়তাৰেই অসমীয়া জাতীয় জীৱনক সুসমৃদ্ধ কৰাৰ আছিল এক সোণালী সুযোগ যিটো সদৌ অসমবাসীৰ বাবে আছিল এক আশাৰ বতৰা। বাস্তৱ দৃষ্টিত, কিন্তু, অসমবাসী আৰু অসম সাহিত্য সভাৰ সম্পৰ্ক বছৰেকীয়া অধিবেশনৰ পাঁচ বা ছয়দিনৰ বিভিন্ন আলোচনা চক্ৰ, কবি সন্মিলন অথবা ক্ৰমবৰ্দ্ধমান মেলা-মুখী প্ৰৱণতাৰে গঢ় লৈ উঠা বিভিন্ন কাৰ্য-ক্ৰমণিকা,

> *শেহতীয়াভাৱে, অসমীয়া গ্ৰন্থ বিক্ৰীৰ ক্ষেত্ৰত পাঠকৰ নিৰুৎসাহজনক সঁহাৰি, অসমীয়া জাতীয় সাহিত্য ভঁৰালৰ মূল্যবান গ্ৰন্থৰ প্ৰকাশৰ ক্ষেত্ৰত ঔদাসীন্য ( স্মৰ্তব্য যে ৰাভা দিৱস ধুম-ধামেৰে পালন কৰিবলৈ অকণো ত্ৰুটি নকৰা অসম সাহিত্য সভাই বিষ্ণু প্ৰসাদ ৰাভাৰ অমূল্য লেখনীবোৰ প্ৰকাশ কৰিবলৈ ইমান বছৰে অলপো সময় উলিয়াব নোৱাৰাটোও এক ৰহস্যৰ বিষয়), ৰঘুমলাৰ দৰেবিয়পি পৰা ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰৰ ক্ষেত্ৰত, বিভিন্ন জাতি-জনগোষ্ঠীৰ অসমীয়া মূল সুঁতিৰ পৰা বিচ্ছিন্ন হোৱাৰ বিধ্বংসী মনোভাৱ, ঐতিহ্য- পৰম্পৰাৰ ক্ষেত্ৰত পাশ্চাত্য ফেশ্বনেৰে কৰা বহুৱালী- এইবিলাক বিষয়ত অসম সাহিত্য সভাৰ “নীৰৱ ভূমিকা” প্ৰত্যেকজন সচেতন অসমীয়াৰ বাবেই চিন্তনীয় বিষয়।*

আৰু ঘাইকৈ ইয়াৰ এক বিফল পৰিণতি জাতীয় সাহিত্যক বিশ্ব সাহিত্যৰ শাৰীত থিয় কৰাব নোৱাৰাটো। শেহতীয়াভাৱে, অসমীয়া গ্রন্থ বিক্রীৰ ক্ষেত্রত পাঠকৰ নিৰুৎসাহজনক সঁহাৰি, অসমীয়া জাতীয় সাহিত্য ভৰাঁলৰ মূল্যবান গ্রন্থৰ প্রকাশৰ ক্ষেত্রত ঔদাসীন্য ( স্মৰ্তব্য যে ৰাভা দিৱস ধুম-ধামেৰে পালন কৰিবলৈ অকণো ক্রুটি নকৰা অসম সাহিত্য সভাই বিষ্ণু প্রসাদ ৰাভাৰ অমূল্য লেখনীবোৰ প্রকাশ কৰিবলৈ ইমান বছৰে অলপো সময় উলিয়াব নোৱাৰাটোও এক ৰহস্যৰ বিষয়), ৰঘুমলাৰ দৰেবিয়পি পৰা ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰৰ ক্ষেত্রত, বিভিন্ন জাতি-জনগোষ্ঠীৰ অসমীয়া মূল সুঁতিৰ পৰা বিচ্ছিন্ন হোৱাৰ বিধ্বংসী মনোভাৱ, ঐতিহ্য-পৰম্পৰাৰ ক্ষেত্রত পাশ্চাত্য ফেশ্বনেৰে কৰা বহ্বালী- এইবিলাক বিষয়ত অসম সাহিত্য সভাৰ "নীৰৱ ভূমিকা" প্রত্যেকজন সচেতন অসমীয়াৰ বাবেই চিন্তনীয় বিষয়।

আনহাতে, এইটোও অপ্রিয় সত্য, জাতীয় ঐক্য-সংহতিৰ বিজয় ধ্বজা উৰুৱাই সভা চলাই থকা সময়তে অসমীয়া মহাজাতিৰ অবিচ্ছেদ্য অংশ বড়ো-কছাৰী আদি জনগোষ্ঠীবোৰেও সুকীয়া-সুকীয়াকৈ নিজ নিজ ভাষা-সাহিত্য সংস্কৃতিৰ অস্তিত্বৰ বাবে উঠিপৰি লাগে। তেনেহ'লে অসম সাহিত্য সভা স্বয়ং সম্পূৰ্ণনে? বিভিন্ন জাতি-জনগোষ্ঠীয় ভাষা-কৃষ্টিৰ সংমিশ্রণত সৃষ্টি হোৱা অসমীয়া জাতিৰ অনৈক্যতাই ইয়াক সুবিধাবাদী ৰাজনৈতিক নেতাৰ হাতৰ পুতলাহে কৰি তুলিব। আৰু সেয়ে হ'লে ক'ৰবাত হেৰাই যাব চিফুং বাঁহীৰ সুৰ ; গামোছা বা আৰ্নাইৰ অস্তিত্ব নিঃশেষ হৈ যাব বিষ্ণুৰাভাৰ সপোন ; শংকৰদেৱ- জ্যোতিপ্রসাদৰ আজীৱন সংগ্রামৰ অশেষ কষ্ট। জাতিটোৰ এনে দুৰ্যোগপূৰ্ণ মুহূৰ্তত অসম সাহিত্য সভাই ঐতিহাসিক দায়িত্বটো পালন কৰিবলৈ আগবাঢ়ি আহিব লাগিছিল। - এই দায়িত্বৰ বশৱৰ্ত্তী হৈ অসমৰ চাহ-জনগোষ্ঠী অধ্যুষিত অঞ্চল, চৰ অঞ্চল, পাহাৰ-ভৈয়ামৰ প্রতিটো জনজাতি-জনগোষ্ঠীৰ পৰা গুণ বুৰ্টলি আনি এনেকুৱা এডাল একতাৰ 'ডোল' তৈয়াৰ কৰিব লাগিছিল, যি ডালেৰে প্রত্যেকটো জাতি-জনগোষ্ঠীক একেলগ কৰি নৈতিক-সাংস্কৃতিক তথা সামাজিক ভাৱে এক পতাকাৰ তলত ঠিয় কৰাব পাৰিলেহেঁতেন। কিন্তু উগ্র জাত্যভিমানৰ পূৰ্ণ পদবীৰ লালসাত জানো এনে কাৰ্য্য সম্ভৱ?

**তৃতীয় অনুভৱৰ উক্তি :** "মহান ব্যক্তি হ'ল এনে এগৰাকী বিশিষ্ট পুৰুষ যি ঐতিহাসিক প্রক্রিয়াৰ একেধাৰে সন্তান আৰু প্রতিনিধি, জগতৰ আকৃতি আৰু মানুহৰ চিন্তাৰ পৰিৱৰ্তন ঘটোৱা সামাজিক শক্তি সমূহৰ একেধাৰে নিৰ্দশ আৰু স্রষ্টা।"

**(গ) অসমত আন এজন শংকৰদেৱৰ প্রয়োজন :** আজি অসমৰ চৌদিশে এক চৰম বিশৃংখলতা বিৰাজমান । সামাজিক গাঁথনিৰ ক্ষেত্রতে হওঁক বা সাংস্কৃতিক বা ৰাজনৈতিক ক্ষেত্রতে হওঁক যিফালে মুৰ দাঙি চোৱা যায়, ক্ষমতালিপ্সাই মানুহৰ সুস্থ চিন্তাধাৰাক নিঃশেষ কৰি অনাটো দৃষ্টিগোচৰ হয়। এনে এক প্রেক্ষাপটত, পঞ্চদশ শতিকাৰ শেষৰফালে উৰ্ঁলি যাব ধৰা অসমীয়া সমাজখনৰ ক্ষেত্রত শংকৰদেৱৰ ভূমিকাৰ অধ্যয়নে আমাক আন এক পথৰ সন্ধান দিয়াত সহায়ক হ'ব পাৰে। সৰ্ববৃহৎ অৰাজনৈতিক জাতীয় সংগঠন হিচাবে দাবী কৰা অসম সাহিত্য সভাই অসমৰ সমস্যা সমূহ বিশেষকৈ বিচ্ছিন্নতাবাদৰ চৌত উটি-ভাঁহি যাব ধৰা সমাজখনৰ ক্ষেত্রত যিখিনি কৰিব লাগিছিল, শংকৰদেৱে অকলে সেই সময়ৰ সৰু বৰ ৰাজনৈতিক শক্তিৰ সংঘাতত নিৰ্দিষ্ট ৰূপ লৈ নুঠা অসমৰ জাতীয় জীৱনক সৰ্বভাৰতীয় মহাজাতীয় চৈতন্যৰ লগত ঐক্য ভাব স্থাপন কৰিছিল আৰু সামাজিক জীৱনক এটি স্পষ্ট আৰু নিটোল ৰূপ দি তুলিছিল। বিষয়টো অলপ বহলাই কবলৈ হলে - তেখেতৰ জন্মৰ আগতে অসমত বৈষ্ণৱ ধৰ্মৰ ক্ষীণ সোঁত এটি প্রৱাহিত হলেও মানুহৰ মন সুস্থ সনাতন ধৰ্মৰ পৰা আঁতৰত আছিল। তেখেতে ভাৰতৰ বিভিন্ন তীৰ্থস্থান দৰ্শন কৰি আৰু বিভিন্ন বৈষ্ণৱ মতবাদ অধ্যয়ণ কৰি দেশৰ উপযোগীকৈ অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্রৱৰ্তন কৰে। অসমীয়া জাতিগঠনৰ প্রথম আৰু প্রধান হোতা শংকৰদেৱে নামধৰ্মৰ [illegible] ভাগ ভাগ হৈ থকা কেৱল সামন্তীয় সমাজবিলাকেই নহয় সমতল [illegible] থকা জনজাতীয় সমাজবিলাককো বৃহত্তৰ অসমীয়া সমাজৰ [illegible] একাকাৰ কৰি পেলাবলৈ সক্ষম হৈছিল। অসমৰ চুকে-কোণে সিচৰতি হৈ থকা ক্ষুদ্র ক্ষুদ্র জনজাতীয় গোষ্ঠীবোৰক সামৰি লৈ এক বৃহৎ অসমীয়া সমাজ গঠনৰ সমন্বয় নিহিত হৈ আছিল। এনে প্রক্রিয়াত - মহাপুৰুষীয়া ধৰ্মৰ দাৰ্শনিক তত্ত্বৰ উপৰিও আদিম জনজাতীয় লোক সমাজক আকৃষ্ট কৰিব পৰা আদিম যাদুবিদ্যাৰ উপাদান, হৰি নাম কীৰ্ত্তন কৰিলে সকলো বিপদৰ পৰা উদ্ধাৰ পোৱা, সকলো পাপ ক্ষয় হোৱা, ঐহিক ঐশ্বৰ্য লাভ আদি। সৰলমতীয়া অনগ্রসৰ জনজাতীয় লোকসকলৰ পক্ষে মুক্তিলাভৰ ইয়াতকৈ সহজ উপায় আন একো নাছিল সমাজৰ সকলো শ্রেণীৰ, সকলো জাতিৰ মানুহকে ভক্তি ধৰ্মৰ অন্তৰ্ভুক্ত কৰি শংকৰদেৱ সমৰ্থ হৈছিল এক বৃহৎ অসমীয়া সমাজ গঠন কৰিবলৈ আৰু [illegible] দ্বন্দ্ব খৰিয়ালত ব্যস্ত হৈ পৰা অসমীয়া জাতিটোৰ মাজত এটা [illegible]তাৰ বাতাবৰণ আনি দিবলৈ। কৰ আৰু দুৰ্নীতিৰে নিচলা [illegible] শোষণ কৰা তথা ৰাজনৈতিক সু-ব্যৱস্থাৰ অভাৱত প্রজাই যেতিয়া শান্তিৰ কোনো আশা দেখা নাছিল; তেনে সময়তে শংকৰদেৱে তেওঁলোকক ধৰ্মীয় শান্তিৰ প্রলেপ দিবলৈ আগবাঢ়ি আহিছিল। তীক্ষ্ণ সামাজিক চেতনাসম্পন্ন শংকৰদেৱে তেওঁৰ সমকালীন সমাজখনত শান্তি [illegible], কল্পনা কৰিছিল এনে এখন সমাজ য'ত প্রতিজন সভ্যই দুখ আৰু যন্ত্রণাৰ পৰা মুক্ত হৈ কালাতিপাত কৰিব পাৰে সুখ আৰু আনন্দত। নামধৰ্মলে সামাজিক কুসংস্কাৰৰ আৰু অনাচাৰৰ বিৰুদ্ধে যুঁজ দি [illegible]ত্বৰ সাম্যভ্রাতৃত্বৰ ওপৰত গুৰুত্ব দিয়া মহাপুৰুষ গৰাকীয়ে উপলব্ধি কৰিছিল যে গণচেতনা পুনৰজীৱিত কৰিবলৈ হলে আধ্যাত্মিক ভাৱৰ নৱ মূল্যায়ন প্রয়োজন। জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ প্রতি সামাজিক স্বীকৃতি আৰু মৰ্যাদা দান বৈষ্ণৱধৰ্মৰ প্রধান বৈশিষ্ট্য। তেওঁৰ এই উদাৰ ধৰ্মৰ বাবে ব্রাহ্মণৰ মহেন্দ্র কন্দলী, কবি ৰত্ন, বিদ্যা ৰত্ন আদি [illegible]; কৈৱৰ্ত্তৰ পূৰ্ণানন্দ; বণিয়াৰ হৰিদাস; হীৰা সম্প্রদায়ৰ শ্রী[illegible]; [illegible] মাধৱ, কছাৰীৰ ৰমাই, গাৰোৰ গোৱিন্দ,. যৱনৰ শ্রী হৰি, মিৰি[illegible] আদি ভকতসৱে একেখন আসনতে বহি হৰিৰ গুণানুকীৰ্ত্তন [illegible]। নাহি ভকতিত জাতি-অজাতি বিচাৰ' তেওঁৰ ধৰ্মৰ বৈশিষ্ট্য। [illegible] আৰু অস্পৃশ্যতাৰ প্রাচীৰ ভাঙিবলৈ তেখেতে বৰদোৱা [illegible] খুটাতো মুছলমান ভকত চান্দসাইৰ হতুৱাই পোতা, টেম্বুৱানি [illegible] পাঁচি মাটি কৈৱৰ্ত্ত সম্প্রদায়ৰ সতী ৰাধিকাৰ হতুৱাই দিয়াইছি[illegible] কাৰ্যই সকলো লোকক এক জাতীয়ত্বৰ মেৰত বান্ধ খুওৱা[illegible] কৰিছিল। তাৰোপৰি সাহিত্য ৰচনাৰ মাধ্যমেদি সৰ্বভাৰতীয় [illegible] ধৰ্মীয় সাংস্কৃতিক ঐতিহ্যৰ লগত তেখেতে অসমীয়াৰ পৰিচয় [illegible] কৰিলে আৰু সকলো জাতি জনগোষ্ঠীৰ মাজত এক ভাবাদৰ্শ[illegible] সেঁতু নিৰ্মাণ কৰিলে।

ছেদেলি - ভেদেলি হৈ থকা বিভিন্ন জনগোষ্ঠী সমূহ[illegible] ভেদা-ভেদ বোৰ হ্রাস কৰি অসমৰ জাতি গঠন প্রক্রিয়ালৈ অমূল্য [illegible] যোগাই শংকৰদেৱে এক ঐতিহাসিক দায়িত্ব সম্পূৰ্ণ কৰিছিল। [illegible] পঞ্চদশ শতিকাৰ সেই সমাজখনলৈ পুনৰ উভতি যাবলৈ অসমে [illegible] বাট পেলাইছে - গতিকে এনে এটি মুহূৰ্তত শংকৰদেৱৰ জাতীয় [illegible]ক পথিকৃত হিচাবে লবলৈ অসমৰ সমাজ সচেতন চাম আগবাঢ়ি [illegible] হ'ব উত্তৰ পুৰুষৰ বাবে উজ্জ্বল ভৱিষ্যতৰ বতৰা।

---

*অৰবিন্দ চক্রৱৰ্ত্তী স্নাতক তৃতীয় বৰ্ষ (অৰ্থনীতি)ৰ ছাত্র।*

লোক-সাহিত্য

# গোৱালপৰীয়া লোক-সাহিত্যত ফঁকৰা যোজনা

❒ গৌতম চন্দ্ৰ ৰায়

অসমৰ পশ্চিম অঞ্চলেই অতীতৰ ৰত্নগৰ্ভা ৰত্নপীঠ। ইয়াৰ একাংশ অতিৰিক্ত গোৱালপাৰা জিলা। বৰ্ত্তমান গোৱালপাৰা, বঙাইগাওঁ, ধুবুৰী আৰু কোকৰাঝাৰ জিলা। ইয়াৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণৰ মাজত একোটাকৈ নিজৰ ভাষা প্ৰচলিত। এই জিলাৰ তথাকথিত ভাষা, ভাষাতত্ববিদ পণ্ডিত গিয়াচৰণ চাহাব, ড° বাণীকান্ত কাকতিদেৱ আৰু ড° উপেন্দ্ৰ নাথ গোস্বামীদেৱৰ মতে 'ৰাজবংশী ভাষা'। ইয়াৰ মানুহে এই ভাষাতে কথা-বতৰা পাতে। কোনো কোনোৱে ইয়াক " দেশীভাষা " নতুবা 'কমতা পুৰী ভাষা' বুলি অভিহিত কৰে আৰু ইয়াত বসবাস কৰা মানুহক 'দেশী মানুষ' বুলি কয়। এই দেশী ভাষা বা 'ৰাজবংশী ভাষা' আৰু 'কমতাপুৰী ভাষা' ইয়াৰ থলুৱা বা গঞা মানুহৰ মুখৰ ভাষা। কিছুমান নিৰক্ষৰ, সহজ সৰল গঞা ৰাইজৰ প্ৰাণৰ ভাষা। মুখৰ মাত হৰি নিয়া ভাষা, এয়া অন্তৰৰ ভাষা। অসমৰ অন্য জিলাৰ কথিত ভাষাৰ লগত এই ভাষাৰ মিল খুব কম দৃষ্টি গোচৰ হয়। এই গোৱালপাৰাৰ 'দেশীভাষা' বা 'ৰাজবংশী ভাষা' অকল গোৱালপাৰা, ধুবুৰী জিলাৰেই নহয়, উত্তৰ পূৰ ভাৰতবৰ্ষৰ এক বৃহৎ জনগোষ্ঠীৰ ভাষা। অসমৰ গোৱালপাৰা, পশ্চিমবঙ্গৰ উত্তৰ বঙ্গ, বাংলাদেশৰ ৰংপুৰক মোটামোটিভাবে এই ভাষাৰ সীমা ধৰা যায়। ইয়াৰ উপৰিও অসমৰ দৰং, কামৰূপ, বিহাৰ, মেঘালয়ৰ কিছু অংশ আৰু উৰিষ্যাৰ সম্বলপুৰতো এই ভাষাৰ বৈশিষ্ট্য থকা কথা কোৱা মানুহ আছে।

> লোকজীৱনেই যি সাহিত্যৰ উৎস সাধাৰণ অৰ্থত সিয়েই লোকসাহিত্য। প্ৰাকৃতিক ভয়-ভীতি, হৰ্ষ-বিষাদ, আশা-নিৰাশা, প্ৰেম-প্ৰীতিয়েই হ'ল এইবিধ সাহিত্যৰ পটভূমি। নিৰক্ষৰ, ভাৱ-কল্পনা প্ৰৱণ চহাৰ ৰচকৰ ৰচিত এইবিধ জনপ্ৰিয় লোকসাহিত্যৰ বিশেষ বৈশিষ্ট্যবোৰৰ কথা পণ্ডিতসকলে এনেধৰণৰ বুলি অভিহিত কৰিছে।

লোকজীৱনেই যি সাহিত্যৰ উৎস সাধাৰণ অৰ্থত সিয়েই লোকসাহিত্য। প্ৰাকৃতিক ভয়-ভীতি, হৰ্ষ-বিষাদ, আশা-নিৰাশা, প্ৰেম-প্ৰীতিয়েই হ'ল এইবিধ সাহিত্যৰ পটভূমি। নিৰক্ষৰ, ভাৱ-কল্পনা প্ৰৱণ চহা ৰচকৰ ৰচিত এইবিধ জনপ্ৰিয় লোকসাহিত্যৰ বিশেষ বৈশিষ্ট্যবোৰৰ কথা পণ্ডিতসকলে এনেধৰণৰ বুলি অভিহিত কৰিছে।

১। লোকসাহিত্য অলিখিত, মুখে মুখে ৰচিত আৰু প্ৰচলিত। সেয়ে বিভিন্ন যুগ আৰু পৰিবেশৰ মাজেৰে সৰকি আহোঁতে এই সাহিত্যই মোট সলাব পাৰে।

২। লোকসাহিত্যই ইয়াৰ ৰচকৰ নামৰ কোনো বিজ্ঞাপন নিদিয়ে। পৰৱৰ্ত্তী কালৰ ৰচকৰ নাম থকা ভণিতাযুক্ত পদ-পুথিৰ বিপৰীতে এইবোৰ ভণিতাহীন আৰু ৰচকৰ নাম বিহীন। অতীতত ৰচকৰ নাম থাকিলেও মানুহৰ মুখে মুখে প্ৰচলিত হৈ যুগৰ দেওনা ছেৰাই আহোঁতে ক্ষয় হোৱা পইচাৰ নিচিনাকৈ ই ৰচক সকলৰ নাম পাহৰি গৈছে।

৩। ব্যক্তিৰ উপৰিও সমষ্টিগত আত্মাৰ প্ৰকাশ লোক সাহিত্যৰ এটি প্ৰধান লক্ষণ। এইবোৰে ব্যক্তিৰ উপৰি সমষ্টিগত জীৱনৰ বহুকথাই কঢ়িয়াই আনে আৰু ভৱিষ্যত পুৰুষক সেইবোৰৰ সংবাদ দিয়ে।

৪। ৰচনাৰীতিৰ শৈথিল্য লোক সাহিত্যৰ আন এটি বৈশিষ্ট্য। শিথিল ছন্দৰ প্ৰয়োগেৰে ভাবানুভূতিৰ সাবলীল প্ৰকাশত ছন্দবদ্ধ লোক সাহিত্যবোৰৰ বিশেষত্ব নিহিত হৈ আছে। বিষয় বস্তুৰ পাৰ্থক্য আৰু ৰচনা কালৰ ব্যৱধান থাকিলেও লোক সাহিত্যবোৰৰ প্ৰকাশ ভংগীমাত এটি অন্তৰ্নিহিত সাদৃশ্য পৰিলক্ষিত হয়। জটিলতাহীন খোকোজা নলগা সৰল ভাষা, ঘৰুৱা চিত্ৰ, ভাবৰ মুকলি প্ৰকাশ আৰু সৰল বিশ্বাস লোক সাহিত্যৰ বিশেষ গুণ।

৫। অলৌকিক বা অবাস্তৱ পৰিবেশ বা কাৰ্য্যকলাপো লোক সাহিত্যৰ বুকুত থাকিব পাৰে আৰু সেই অবাস্তৱ অলৌকিকতাত জন জীৱন আজিও গভীৰভাবে বিশ্বাসী। লোকসাহিত্যৰ বুকুত প্ৰকৃতি চিৰদিনেই বিৰাজমান। মানুহৰ প্ৰকৃতিৰ লগত থকা নিবিড় সম্বন্ধৰ ইংগিতো লোক সাহিত্যত আছে।

৬। লোকসাহিত্য লোক জীৱনৰ ইতিহাস। প্ৰতিটো নৰ-গোষ্ঠীৰ পূৰ্ব-পুৰুষৰ বহুত কথাৰ ইংগিত এইবোৰে আধুনিক যুগৰ মানুহক দি আছে। আজিৰ জগতত যিকোনো নৰগোষ্ঠীৰ ভাষা সংস্কৃতি সাহিত্যৰ অধ্যয়নৰ বাবে এই অলিখিত লোক সাহিত্যই বহুতো তথ্যৰ যোগান ধৰিছে।

লোক সাহিত্যই লোকজীৱনৰ সৰ্বদিশ সামৰি থাকে। আজিৰ অত্যাধুনিক যুগৰ সুসভ্য মানুহৰ পূৰ্ব-পুৰুষৰ সকলো দিশৰ সংবাদ লৰলৈ

এইবিধ সাহিত্যৰ উদ্ধাৰ, অনুসন্ধান আৰু অধ্যয়নৰ প্ৰয়োজন আজিৰ পণ্ডিত সমাজে বাৰুকৈ উপলব্ধি কৰিছে আৰু পৃথিৱীৰ প্ৰায় সকলো প্ৰান্ততে এইকাম খৰতকীয়া গতিত আগবাঢ়ি গৈছে।

কিন্তু পুৰণি গোৱালপাৰা জিলাত বিস্তাৰিত ক্ষেত্ৰ আৰু লোক সংস্কৃতিৰ সুবৃহৎ ভাণ্ডাৰ থকাতো এই বিষয়ৰ প্ৰণালীবদ্ধ গৱেষণামূলক কাম কমেই হৈছে। অসম সাহিত্য সভাৰ ৩৯তম ধুবুৰী অধিবেশনৰ স্মৃতি গ্ৰন্থত মনৰ দুখত অম্বিকাচৰণ চৌধুৰীয়ে লিখিছে, "প্ৰকৃততে এই জিলাৰ বুৰঞ্জী, কথিত ভাষা, সংস্কৃতি আদিৰ যিবোৰ তথ্যপাতি পৰি আছে সেইবোৰ সম্পৰ্কে অনুসন্ধান হোৱা দূৰৰ কথা, চেষ্টাও হোৱা নাই। এইবোৰ সম্পৰ্কে গৱেষণা হলে এদিন প্ৰমাণ হ'ব যে গোৱালপাৰাই আছিল প্ৰকৃত অসমীয়া সংস্কৃতি আৰু সভ্যতাৰ লীলাভূমি।" কেৱল গোৱালপাৰাৰ কথা ক'লে নহব, প্ৰকৃত বিচাৰত গোটেই উত্তৰ বঙ্গক লৈ ললেহে কথাটো প্ৰকৃত সত্য হ'ব। এই ক্ষেত্ৰত অসমৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমণিকাত পশ্চিম অসমৰ ভাষা, সংস্কৃতি, ইতিহাস বিষয়ৰ কথা অচিৰেই সন্নিবিষ্ট কৰা প্ৰয়োজন এনে কৰিলে উক্ত বিষয়বোৰৰ প্ৰণালী বদ্ধ আলোচনা নিশ্চয় হব।

লোক সাহিত্যক সাধাৰণতে তিনিটা ভাগত বিভক্ত কৰা হয়। যেনে ঃ লোকগীত, সাধুকথা আৰু প্ৰবাদ প্ৰবচন বা ফৰ্কঁৰা যোজনা। গোৱালপাৰাৰ কথিত ভাষাত এইবোৰক ক্ৰমে লোকগীত, কেচ্ছা। কেচ্ছাবন্দী আৰু ফাকিলি ছিল্কা বা শ্লোক। শোলোক-ছিল্কা আৰু প্ৰবাদ বোলে। এই তিনিওটা ভাগৰ ভিতৰত কেৱল ফকঁৰা-যোজনা বা প্ৰবাদ বাক্যৰ বিষয়ে দুষাৰ তলত আলোচনা কৰা হ'ল।

গোৱালপাৰাৰ লোক সাহিত্য বৈচিত্ৰ্যপূৰ্ণ গীত, সাধুকথা, ফঁকৰা যোজনা আদিৰে এই সাহিত্য সমৃদ্ধ, কিন্তু দুখৰ বিষয় যে কালৰ গৰাহত তাৰ ভালেখিনি হেৰাই গ'ল। তথাপি আজিও নিজ মাতৃভাষাত সাহিত্য চৰ্চাৰ পৰা দূৰত থাকিও জাতীয় অস্তিত্ব ৰক্ষাৰ হেতুকে আপ্ৰাণ চেষ্টা কৰিব লাগিব। আমাৰ লোকগীত কিংবদন্তী বা ফৰ্কঁৰা -যোজনা, শ্লোক বা সাঁথৰ সমূহ এতিয়াও অনাদৃত অৱস্থাত আছে। সেই সমূহ সংগৃহীত হলে আমাৰ যে সাহিত্য সম্পদ ভালেখিনি বাঢ়িব তাত অকণো সন্দেহ নাই।

ৰাজবংশী ভাষাৰ ফৰ্কঁৰা-যোজনা অতি সহজ সৰল অথচ গভীৰ ভাব প্ৰকাশক। এইবোৰ সমাজত চিৰ প্ৰচলিত যাৰ মূল্য ব্যৱহাৰিক, সামাজিক জীৱনৰ কাৰণে কোনো গুণেই কম নহয়। ইয়াৰ কেতবোৰ বৈশিষ্ট্য আছে।

১। এইবোৰ সমাজৰ বুঢ়া-বুঢ়ী মানুহে সাধাৰণতে ব্যৱহাৰ কৰে।

২। এই ফৰ্কঁৰা-যোজনাবোৰ পুৰণি কালৰে পৰা মুখে মুখে চলি অহা লোকসাহিত্য।

৩। এইবোৰ সৰু সৰু বাক্যৰে গঠিত অথচ বহল অৰ্থ প্ৰকাশক।

৪। এইবোৰ প্ৰায় সাৰ্বিক সত্য বচন।

৫। এইবোৰ নীতিবাচক আৰু গঠনমূলকো।

ফকঁৰা শব্দৰ অৰ্থ উদাহৰণ। ইয়াক ঘৰুৱা কথাত ব্যৱহাৰ কৰা হয় উদাহৰণ হিচাবে, ফঁকৰাবোৰ তুলনামূলক অৰ্থতো ব্যৱহাৰ কৰা হয়।

অসমৰ পশ্চিম সীমান্তৰ লোক সাহিত্যৰ ফঁকৰা যোজনাবোৰৰ ইংৰাজী Proverb বাক্যবোৰৰ লগত যথেষ্ট মিল আছে। ইংৰাজী Proverb বাক্যবোৰ যেনেকৈ ব্যৱহাৰ কৰি গোটেই কথা বিলাকৰ অৰ্থ প্ৰকাশ কৰা হয়, ঠিক তেনেকৈ গোৱালপৰীয়া ফঁকৰাবোৰ ব্যৱহাৰ কৰি এফাঁকি কথাতেই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰা হয়। ইংৰাজীত প্ৰচলিত এটি প্ৰবাদ বাক্য আছে– "Upright society is the heaven of villagers." ঠিক তেনেকৈ গোৱালপাৰাৰ ৰাজবংশীহঁতে গাওঁ সংগঠনৰ ক্ষেত্ৰত এই প্ৰবাদ ব্যৱহাৰ কৰে–

"বাঘা, ছাগা, তেল আৰ জল
ফৰাক সদায় হাৰায় বল।"

বাঘ আৰু ছাগলী যেনেকৈ একে ঠাইতে বসবাসৰ অযোগ্য, ঠিক তেনেদৰে তেল আৰু পানী একে পাত্ৰতে ৰখা সম্ভৱ নহয়। গতিকে ইয়াৰ তাৎপৰ্য্য লক্ষ্য কৰিলে দেখা যায় যে চৰিত্ৰহীন, হিংসাকুৰীয়া আত্মপ্ৰসাদী মানুহ সমাজৰ পক্ষে ক্ষতিকৰ। এনেবোৰ মানুহক সমাজ সংগঠনৰ কাৰ্য্যৰ পৰা বিৰত ৰাখিব লাগে।

এনেবোৰ ফঁকৰা-যোজনা গোৱালপাৰা আৰু ধুবুৰী জিলাৰ নিজা বৈশিষ্ট্য। ৰাজবংশী সমাজত প্ৰচলিত এই কথাবোৰৰ বা ফঁকৰাবোৰৰ উৎপত্তি ক'ৰ পৰা কেনেকৈ হ'ল তাক থিৰাং কৰি কোৱা টান। কিন্তু এইটো নিঃসন্দেহে কব পাৰি যে মনত নপৰা দিনৰে পৰা পৰম্পৰাগত ভাবে মুখে মুখে চলি অহা লোক সাহিত্য যাক ইংৰাজীত Folk Literature বুলি কোৱা হয়। ইয়েই ৰাজবংশী ভাষাৰ লোক সাহিত্য বা জন সাহিত্যৰূপে পৰিচিত। কিন্তু স্থান বিশেষে বেলেগ বেলেগ কথিত ভাষা পোৱা যায় যদিও মূল বিষয়ত কোনো প্ৰভেদ নাই তাক নিঃসন্দেহে কব পাৰি। আমি আমাৰ এয়া জাতীয় সম্পদৰ শ্ৰীবৃদ্ধি কৰা একান্ত প্ৰয়োজন।

তলত কেতবোৰ ৰাজবংশী সমাজত চিৰ প্ৰচলিত ফঁকৰা যোজনাৰ দৃষ্টান্ত উল্লেখ কৰা হ'ল।

ৰাজবংশী সমাজত বিশেষকৈ সন্তান পালনৰ ক্ষেত্ৰত এযাৰ ফঁকৰা বেছিকৈ প্ৰয়োগ কৰা হয়। "সঙ্গ গুণে ৰঙ্গ ধৰে"

ইংৰাজীত এযাৰ কথা আছে–

Society is a part of a nation children are future of a nation. But they create over the society.

সমাজ জাতিৰ অংশ বিশেষ। ল'ৰা-ছোৱালী জাতিৰ ভৱিষ্যত। সমাজ আৰু ল'ৰা-ছোৱালী বিশেষ পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰে। যি জাতিৰ সমাজ ব্যৱস্থা আৰু পৰিবেশ যিমান সুন্দৰ আৰু নিকা, সেই জাতিৰ সমাজ ব্যৱস্থা আৰু ল'ৰা-ছোৱালীও সিমান সুন্দৰ হয়। সেই জাতিৰ ভবিষ্যতো তেনেই উজ্জ্বল। গতিকে ভালকৈ চালিজাৰি চালে দেখা যায় ৰাজবংশীৰ সমাজ ব্যৱস্থা একালত যে উন্নত আছিল ই ধ্ৰুৱ সত্য কথা।

বৰ্ত্তমান ৰাজবংশী সমাজত কিছুমান বিশৃঙ্খলাৰ সৃষ্টি হোৱা দেখা গৈছে। কুলৰ বিচাৰ নকৰি নিজ কুলক হীন বুলি ভাবি অন্য এক কুলৈ ঢাপলি মেলিছে। তাকে ফৰ্কঁৰাত কৈছে–

"কুল ছাৰি অকুল মজে
সেই পাপী নৰকে পচে।"

যুগাৱতাৰ শ্ৰীকৃষ্ণৰ শ্ৰীমুখৰ পৰা নিঃসৃত বাণী শ্ৰীমদ্ভগৱৎগীতাতো আছে ঃ "স্বধৰ্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম ভয়াবহ " শত্ৰুমিত্ৰ মানুহৰ জীৱনত নিৰন্তৰ বিদ্যমান। কোনোবাই শত্ৰুতা কৰিলে তাৰ ওপৰত শত্ৰুতাৰ প্ৰতিশোধ বহুতেই ল'বলৈ নেৰে। শত্ৰুৰ গতিবিধি আলেঙে আলেঙে লক্ষ্য কৰি ধীৰে ধীৰে প্ৰতিশোধৰ ভাব অন্তৰত জাগৃত হ'লে ফকঁৰা দিয়ে–

"ধীৰাওঁৰে যমুনাৰ পানী
ডাইৰকা মাৰোং খানি খানি।"

অইন লোকৰ মনৰ বেদনা অইন মানুহে অনুভব কৰিব নোৱাৰে আৰু ইয়াক বাহিৰৰ পৰাও অনুভৱ কৰা টান। স্বামীহীনা তিৰোতাৰ অন্তৰৰ বেদনা উমি উমি জ্বলা জুইৰ দৰে জ্বলি অন্তৰ দগ্ধ কৰে। তাক আনে অনুভৱ কৰিব নোৱাৰে তেতিয়া বেদনা ভৰা হিয়াৰ পৰা নিগৰি ওলায় এই ফকঁৰা ঃ

"বন পোৰা যায় সগায় দেখে
মনেৰ আগুন কাউরে নাদ্যেখে।"

দুখীয়া মানুহে খোৱা-বোৱাত, পিন্ধন-উৰণত আৰু থকা-মেলাত বৰ কষ্ট পায়। কিন্তু অৱস্থাবান হ'লে ইহঁতৰ অহংকাৰ হয়। কাকো ভ্ৰূক্ষেপ নকৰে। তেনে মানুহক তিৰস্কাৰ কৰি কয়–

"গৰীব মানুষ ফৰিং খায়
হাতীত উঠিয়া হাগিবাৰ যায়।"

সমাজত কোনো মানুহকে হেয় জ্ঞান কৰিব নোৱাৰি, কিয়নো সমাজত বিপদে-আপদে সকলোৱে সকলোৰ সহায় সহানুভূতিৰ আৱশ্যক। সেই বাবেই কথাতে কয়—

"ন্যাছৰিক নাকৰিস হেলা
ন্যাছৰিক নাগিবে নিদানেৰ বেলা।"

আকৌ দেখা গৈছে এজনীয়া ল'ৰা বা ছোৱালীৰ মাকে অতিকৈ আদৰ যত্নপায় যদিহে ল'ৰাজনক প্ৰকৃত জ্ঞানী গুণী কৰি গঢ়ি তুলিব পাৰে আৰু যদি জ্ঞানী গুণী নহৈ শতপুত্ৰৰ মাক হৈ থাকে তেনেহলে সকলো ৰসাতলে যোৱাৰ নিচিনা হয়। সেয়েহে ফকঁৰাত কৈছে —

"এক ব্যাটাৰ মাওঁ ঠাকুৰাণী
একশ ব্যাটাৰ মাওঁ কুকুৰাণী।"

কিছুমান ক্ষেত্ৰত যোগ্যজনৰ আগত যোগ্য কথা ক'লে যথোচিত উত্তৰ পোৱা যায়। উচিত মূল্য আৰোপ কৰে, কিন্তু অযোগ্য জনৰ আগত ক'লে মূল্য নিদিয়ে, ফকঁৰাত কয়—

"কানাৰ আগত নাগায় বাতি
কানায় কয় দিন না ৰাতি।"

প্ৰেমপ্ৰীতিৰ ক্ষেত্ৰতো কিছুমান ফকঁৰাৰ প্ৰভাৱ এনেদৰে পৰিলক্ষিত হয়। কোমল বয়সত কলগছ ৰোপন কৰিলে সেয়া হালি পৰাৰ ভয় থাকে। ঠিক তেনেকৈ কোমল বয়সত প্ৰেম বা পীৰিতি কৰিলেও সেয়া দুদিনতে অন্ত পৰিব খোজে। সেয়ে প্ৰেম-প্ৰীতিৰ বিষয়েও শ্লোক ৰচনা কৰিছে এনেদৰে–

"অল্প বয়সত গাৰিনুং কলা
কলা ন্যাম ন্যাম কৰে।
অল্প বয়সত পীৰিতি কৰিনুং
পীৰিতি ছাৰ ছাৰ কৰে।"

পুৰুষকে ভোমোৰাৰ লগত তুলনা কৰাৰ ক্ষেত্ৰত দেখা গৈছে যে ভোমোৰাই ফুলৰ মৌপান কৰি ফুৰাৰ দৰে পুৰুষেও নাৰীৰ সঙ্গ ভাল পায়। সেয়া ফকঁৰাৰে স্পষ্টকৈ বুজাইছে এনেদৰে–

"পুৰুষ জাতি ভোমোৰা জাতি
বুজিতে নাপাৰি মতি।"

মানুহৰ ধন-সম্পদ পৰিপূৰ্ণ হৈ থাকিলে পৰিয়ালৰ সৌন্দৰ্য্য আৰু গাম্ভীৰ্য্য বৃদ্ধি পায়, কিন্তু পৰিয়ালত শাখা-সেন্দুৰ-পৰিহিতা নিজৰ স্ত্ৰী থাকিলে ঘৰৰ সৌন্দৰ্য্য আৰু গাম্ভীৰ্য্য আৰু দুগুণে বাঢ়ে। ইয়াৰ বাহিৰে যে আন সকলো মিছা সেয়া তলৰ ফকঁৰাত প্ৰকাশ পাইছে—

"এতো টাকাৰ গীৰি,
ঘৰত নাই শাখা-সেন্দুৰ পিন্ধা তিৰি।"

সমাজ পাতি বসবাস কৰাৰ ক্ষেত্ৰতো দেখা যায় নিজৰ সম্প্ৰদায়ৰ মানুহ হেজাৰ বেয়া হলেও কাকো পেলাই দিব নোৱাৰি। নিজ সাম্প্ৰদায়ৰ ওচৰত ঠাইৰ অভাৱ হলেহে অগত্যা নৈৰ পাৰত ঘৰ বন্ধা দৰকাৰ। নৈ যেনেদৰে স্ৰোতস্বিনী সমাজো তেনেদৰে প্ৰভাৱশালী। যেনেকৈ পাপী-তাপী, দীন-দুখীয়া সকলোৰে বাবে উদাৰ, সমাজো তেনেকৈ সকলোৰে প্ৰতি উদাৰ ভাব সম্পন্ন আৰু প্ৰতিপালনতো তৎপৰ। সেয়ে গোৱালপাৰাত এই ফকঁৰা মাতে—

"এক থাউক জাতিৰ কুল
আৰ এক থাউক গাঙেৰ কুল।"

স্বামীয়ে বহুতো দুঃখ কষ্ট কৰি ধন সম্পত্তি আৰ্জে, নিজৰ ভাগ্য নিজে গঢ়ে। কিন্তু তিৰোতাই তেওঁৰ নিজৰ ভাগ্যক্ৰমে হোৱা বুলি দাবী কৰে।

" ভাতাৰে নানান শস
মাইয়াই কয় মোৰেই যশ।"

বিয়াৰ যোগ্য কোনো গাভৰুৰ যৌৱন জোঁৱাৰত বাধা দিবলৈ কাৰো সাধ্য নাই। গাভৰুহঁত দৰাৰ চিন্তাত আত্মহাৰা। সেয়া তলৰ ফকঁৰাটোৰ সহায়ত ভালকৈ বুজিব পাৰি—

"শাক তোলোং মুই মুঠি মুঠি
কোচা মাথোন ভৰুক,
ইউক না ক্যানে দুতীয়া ভাতাৰ
আদৰ মাথোন কৰুক।"

ফকঁৰাবোৰৰ যে শাস্ত্ৰৰ লগত সম্পৰ্ক নাই এনে নহয়। তলৰ উল্লেখিত ফকঁৰাটো মনষা পুৰাণৰ পৰা লোৱা হৈছে—

"খৰম পাঞ্চা উছল দাঁতি আৰো মটুক চুল
বাছক বাণিয়াৰ বেটি মজালি জাতি কুল।"

ঠিক এনেধৰণৰ আৰু কেইটামান ছিলকা বা যোজনা যথোপযুক্ত ভাবাৰ্থসহ তলত চমুকৈ দিয়া হ'ল ঃ

১। তুই বাপই সৎত থাক
আন্দাৰ ৰাতি মিলিবে ভাত।

—সততাই সৰ্ব্বোৎকৃষ্ট পন্থা।

২। যে বাঙা ফোটে তাৰ দোপাততে চিন।

সৰু কালতে বুজা যায় ল'ৰা-ছোৱালী কেনে চৰিত্ৰৰ হ'ব।

৩। যাৰ আছে মনত, ৰয় নানান দেশেৰ কণৎ।

– ইচ্ছা থাকিলে উপায় হয়।

৪। সঙ্গপঙ হৈলে গৌৰাঙ্গেৰ জয়।

— একতাই পৰম বল।

৫। অফলায় ফলে বিস্তৰ

– অবলায় বলে বিস্তৰ।

– অকৰ্মণ্য বা অকামিলা মানুহে বেছি কথা কয়।

৬। গিৰ্জন দেওয়াৰ বৰ্ষণ নাই।

– আকাশৰ গৰ্জন অৰ্থাৎ কোনো কামৰ আড়ম্বৰ বেছি হ'লে তাৰ ফল বা পৰিণাম আশাকৰা মতে নহয়।

৭। ফাৰা হোক্ ছিঁৰা হোক্ গায়েৰ বস্তৰ

কানা হোক্ খোড়া হোক্ মাথাৰ ছত্তৰ।

– পুৰুষ প্ৰধান সমাজত নাৰীৰ প্ৰতি হুচিয়াৰী বাক্য। গাৰ ছিঙা বস্ত্ৰ বা কাপোৰ যেনেকৈ পেলাই দিয়া নহয়, ঠিক তেনেকৈ নাৰীৰ স্বামী কণা, খোৰা যিয়ে নহওক এৰা উচিত নহয়। ছাতিয়ে যেনেদৰে ৰ'দৰ ৰক্ষা কৰে, স্বামীও তেনেদৰে বিবাহিতা নাৰীৰ ছত্ৰস্বৰূপ।

৮। নদী দেখি কৰি চান

পুৰুষ দেখি কৰি দান।

– গা ধোৱাৰ আগতে নৈৰ পানীৰ গভীৰতা দেখা যেনে প্ৰয়োজন, ঠিক তেনেদৰে জীয়েকৰ বিয়াৰ ক্ষেত্ৰতো আগতে দৰাৰ স্বাস্থ্য আৰু চৰিত্ৰৰ বিষয়ে জনা অতি প্ৰয়োজন।

৯। নগেৰ ছুৰি পেট কাটে।

– অধিক পীৰিতি বা বন্ধুত্বই ক্ষতি কৰে।

১০। যাকো কৰে সেবাজন।

– তাকো কৰে নাৰায়ণ।

– আনৰ অন্যায়কাৰী মানুহ নানা প্ৰকাৰে ক্ষতিগ্ৰস্ত হয়।

১১। ভাগ্যে নাৰী ভাগ্যে দাড়ি

ভাগ্যে গুৱা পাণেৰ বাৰী।

– ভাগ্যৰ ফলত সুপাত্ৰী আৰু দাড়ি লাভ কৰাৰ দৰে ভাগ্যৰ বলত তামোল-পাণৰ ঘৰ বাৰীও হয়।

১২। কাবাৰ বাঘ মাস,

কাবাৰ সৰ্বনাশ।

– মানুহৰ জীৱনত সুখ-দুখ থকা স্বাভাৱিক। কিন্তু কালৰ গতিত এনেকুৱাও হয় কাৰোবাৰ সুদিন আৰু কাৰোবাৰ দুৰ্দিন হয়।

১৩। সাঁথৰ ঃ থাকেৰ উপৰ থাক

তাৰে উপৰ বৃন্দাবন

তাৰে উপৰ বাঘ।

উত্তৰ ঃ হোকা, চিলিম, ধপাত আৰু জুই

উক্ত ফঁকৰা-যোজনা বা নীতি কথাবোৰ যিয়েই নহওক লাগে এইবোৰ আমাৰ সমাজত চিৰ প্ৰচলিত ৰূপে চলি আহিছে। আমাৰ সমাজৰ বুঢ়া-বুঢ়ী সকলে এনেবোৰ ফঁকৰা-যোজনা প্ৰায় প্ৰতিখাৰ কথাতে প্ৰয়োগ কৰে। এই প্ৰবাদ বাক্যবোৰ অসমৰ পশ্চিম সীমান্তৰ লোক সাহিত্যত হেজাৰে -বিজাৰে ঠাহ খাই আছে। এইবোৰ সংগ্ৰহ কৰি গৱেষণা কৰাৰ যথেষ্ট থল আছে আৰু এইবোৰৰ লিপিবদ্ধ কৰি সংৰক্ষণ কৰি ৰাখিব পাৰিলে কেৱল পশ্চিম অসমৰে নহয় গোটেই অসমৰে গৌৰৱৰ সম্পদ হ'ব।

**সহায়ক পুথি সমূহ ঃ**


১। গোৱালপৰীয়া লোক সংস্কৃতি আৰু লোকগীত। – ড° ধীৰেন দাস।

২। 'যাত্ৰা' কোঁচ ৰাজবংশী ক্ষত্ৰিয় কৃষ্টি সম্মিলনীৰ মুখপত্ৰ, ১৯৯৩, গৌৰীপুৰ, ধুবুৰী, অসম। মুখ্য সম্পাদক -- শ্ৰীউপেন্দ্ৰ নাথ চৰকাৰ।


---

*গৌতম চন্দ্ৰ ৰায় স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (ইংৰাজী)ৰ ছাত্ৰ।*

১৯৯১ চনৰ ১৭ জুন। কটন কলেজৰ সেই ঐতিহাসিক প্ৰথম দিনটোত ৩৭ জন ছাত্ৰই প্ৰথম বাৰ্ষিক আৰু দুজন ছাত্ৰই দ্বিতীয় বাৰ্ষিকত নাম ভৰ্ত্তি কৰিছিল। পিছলৈ কটনিয়ানৰ এই প্ৰথম দলটোৰ ছাত্ৰৰ সংখ্যা প্ৰথম বাৰ্ষিকত ৪৫ জন দ্বিতীয় বাৰ্ষিকত ৪৬ জনকে ধৰি মুঠ ৯১ জনলৈ বৃদ্ধি পাইছিল।

জীৱন

# এজন মানুহৰ ৰহস্য

❒ অৰিন্দম বৰকটকী

অ পাৰেছন টেবুলত এজন মহান দাৰ্শনিকৰ মৃতদেহ। দেশৰ প্ৰসিদ্ধ শৈল চিকিৎসকসকলে তেওঁৰ মস্তিষ্কটো পৰীক্ষা কৰিছে। যেন এখন অজান অথচ পৰম ঐশ্চৰ্য্যশালী দেশত কোনোবা বিদেশীৰ অবাঞ্চিত প্ৰবেশহে ঘটিছে। মস্তিষ্কৰ উৰ্বৰ আৰু শক্তিশালী গঠনত আটাইকেইজন চিকিৎসক বিমুগ্ধ। হঠাতে এজন চিকিৎসকে লক্ষ্য কৰিলে দাৰ্শনিকজনৰ মস্তিষ্কৰ তিনিটা অংশ সম্পূৰ্ণৰূপে বিকৃত হৈ পৰিছে। এই বিকৃত অংশবোৰ যেন সেই দাৰ্শনিকৰ জীৱনক গভীৰভাবে প্ৰভাবিত কৰি ৰখা তিনিটা অৱদমিত স্মৃতিচিত্ৰহে...

এই কাহিনীৰে এৰ্ভে গিব নামৰ ফ্ৰান্সৰ বহু আলোচিত লেখকজনৰ ১৯৮৮ চনত 'লে সোক্ৰে দ্যাঁনম' (এজন মানুহৰ ৰহস্য) নামৰ এটা গল্প প্ৰকাশ পাইছিল। ৰহস্যময় মানুহজন আছিল সাম্প্ৰতিক ফৰাচী প্ৰজ্ঞাৰ এক নিদৰ্শন মিছেল ফুকো। গিব্ আছিল মিছেল ফুকোৰ এজন প্ৰিয় সমকামী বন্ধু, সেই সময়ৰ ফ্ৰান্সৰ প্ৰসিদ্ধ চিত্ৰনাট্যকাৰ আৰু ঔপন্যাসিক। গিবৰ এই গল্পটোত ফুকোৰ দাৰ্শনিক চিন্তা ৰহস্যময়তাৰ আঁৰত থকা প্ৰভাবী কাৰক তিনিটাক তিনিটা অবদমিত স্মৃতি চিত্ৰৰ ৰূপত দেখুওৱা হৈছে।

...মস্তিষ্কৰ তিনিটা অংশ বিকৃত হৈ যোৱাৰ আঁত বিচাৰি দেখা গ'ল দাৰ্শনিক জনৰ শৈশৱক জোকাৰি যোৱা তিনিটা ঘটনা।

এজন কিশোৰক চিকিৎসক দেউতাকে অপাৰেছন দেখুৱাবলৈ নিছে। চিকিৎসক দেউতাকৰ আশা এনে দৃশ্যই পুতেকক সাহসী কৰি তোলাৰ উপৰিও চিকিৎসা বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰি তুলিব। পিছে এই ঘটনাটোৱে কিশোৰজনৰ ওপৰত এনে প্ৰভাব পেলালে যে তেওঁ চিকিৎসা বিজ্ঞানৰ প্ৰতি আগ্ৰহী হোৱাটো বাদেই, দেউতাকৰ প্ৰতিহে বিদ্বেষী হৈ উঠিল আৰু নিজৰ শৰীৰক চোকা অস্ত্ৰেৰে আঘাত কৰাৰ দৰে কেতবোৰ অসুস্থ প্ৰৱণতাহে দেখা পোৱা গ'ল।

দ্বিতীয় ঘটনাটো এই কিশোৰজনে এখন গাঁৱলীয়া পাঠশালাত পঢ়ি থকাৰ সময়ৰ। প্ৰতিবছৰেই শ্ৰেণীত প্ৰথম হয় এই কিশোৰজন। ইতিমধ্যে হিটলাৰৰ নাজীবাদৰ অভ্যুত্থানৰ লগে লগে চহৰবোৰৰ পৰা ইহুদীসকল পলাই গাওঁবোৰত আশ্ৰয় হৈছেহি। তেওঁলোকৰ ল'ৰা ছোৱালীবোৰে এই গাৱলীয়া পাঠশালাখনতে নামভৰ্ত্তি কৰিছেহি। সোনকালেই দেখা গ'ল শ্ৰেণীত সদায় প্ৰথম হোৱা এই কিশোৰজনক পিছপেলাই আগস্থান লাভ কৰিছে চোকা বুধিৰ ইহুদী ল'ৰা-ছোৱালীবোৰে। ঈৰ্ষায় আৰু হতাশাত কিশোৰজনে উপায় নাপাই নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীবোৰক শাওপাত দিবলৈ ধৰিলে। কিছুদিনৰ পিছতে হিটলাৰ বাহিনীৰ চকু এই ইহুদীবোৰতো পৰিল। নৃশংস নাৎসিবাদৰ পৰা এজনো ইহুদী হাত সাৰিব নোৱাৰিলে। এই কিশোৰজন পিছৰ বছৰ আকৌ প্ৰথম হৈ উত্তীৰ্ণ হ'ল। কিন্তু সেই ইহুদীসকলৰ মৃত্যুৰ বাবে নিজকে দায়ী বুলি ভাবিবলৈ ধৰিলে। কিজানি তেওঁ শাওঁপাত নিদিয়া হ'লে ইহুদী সহপাঠীসকলৰ এনে দশা নহলহেঁতেন।

তৃতীয় ঘটনাটো মেলানি বস্তিয়ান নামৰ এগৰাকী মহিলাৰ সৈতে জড়িত। বিবাহৰ পূৰ্বেই এই মহিলাগৰাকী সন্তান সম্ভৱা হোৱাৰ বাবে মহিলাগৰাকীক এটা নিৰ্জন অন্ধকাৰ কোঠাত আবদ্ধ কৰি ৰখা হৈছিল। সুদীৰ্ঘ পঁচিশ বছৰ পিছত পুলিচে সম্পূৰ্ণ উন্মাদ অৱস্থাত এই মহিলা গৰাকীক উদ্ধাৰ কৰে। এই ঘটনাটোত কিশোৰজনে দেখা পালে সমাজৰ চকুত নিকা হৈ থকাৰ নামত মানুহ মানুহৰ বিৰুদ্ধে কিমান নৃশংস হ'ব পাৰে।

... শৈশৱৰ এই তিনিটা ঘটনাই মিছেল ফুকোৰ দাৰ্শনিক জীৱনক গভীৰ ভাবে প্ৰভাবিত কৰিছিল। জীৱনৰ সৎ আৰু সদৰ্থক দিশবোৰৰ বিপৰীতে তেওঁৰ দৰ্শন চিন্তাৰ আধাৰ আছিল ক্ষমতাৰ অপব্যৱহাৰৰে মানুহে মানুহৰ ওপৰত চলোৱা ঘৃণা-উপেক্ষা আৰু নিৰ্যাতন। ফুকোৰ দাৰ্শনিক চিন্তাৰ উত্তৰণত এৰ্ভে গিবৰ গল্পটোত বৰ্ণিত শৈশৱৰ তিনিটা ঘটনা বিশ্বাসযোগ্য এই বাবেই যিহেতু মৃত্যুমুখী ফুকোৰ শয্যাৰ কাষত নিয়মিত ভাবে গিব উপস্থিত আছিল। আনহাতে মৃত্যুৰ আগমুহূৰ্তত ফুকোৰ মস্তিষ্কটো 'টকচোপ্লাজমোচিচ' নামৰ ৰোগটিয়ে দেখা দিছিল যি ৰোগত আক্ৰান্ত ৰোগীৰ মস্তিষ্কৰ কোনো কোনো অংশ সম্পূৰ্ণৰূপে বিকৃত হৈ পৰে। আত্মহত্যাক মৃত্যুৰ এটা সৰলতম অংশ বুলি বিচাৰ কৰা, আজীৱন একাকীত্ব অথচ সমকামী সম্পৰ্কত আসক্ত এই গৰাকী ফৰাচী দাৰ্শনিকৰ মৃত্যু হৈছিল ১৯৮৪ চনৰ ২৫ জুনত এইডছ্ ৰোগৰ বীজাণুৰ দ্বাৰা আক্ৰান্ত হৈ।

২

ফুকোৰ বিষয়ে আলোচনা কৰিবলৈ গৈ হেডেন হোৱাইট্ নামৰ প্ৰসিদ্ধ সমালোচকজনে মন্তব্য কৰিছিল যে আন দাৰ্শনিক সকলে যিদৰে পাঠকক অতীত চিন্তাৰ মাজেৰে দৰ্শনৰ পৰিচয় আগবঢ়ায় ফুকোৱে তাৰ বিপৰীতে বিচাৰে তেওঁৰ ৰচনাৰ পাঠকৰ বাবে অতীত হওক সম্পূৰ্ণ অপৰিচিত। এনে এক চিন্তাৰ বাবেই ফুকোৱে দৰ্শনৰ Traditional ধাৰাটো অতিক্ৰম কৰিব পাৰিছিল। ১৯৬৬ চনত প্ৰকাশ পোৱা তেওঁৰ 'লে এলে শোজ' (শব্দ আৰু বস্তু) নামৰ কিতাপখনক বহুতো অস্তিত্ববাদৰ পিছত চিন্তাৰ জগতত সৰ্বশ্ৰেষ্ঠ ধাৰণাগত বিপ্লৱ বুলি আখ্যা দিছে। ১৯৭০ চনত এই গ্ৰন্থখনৰ ইংৰাজী সংস্কৰণ 'The order of things' প্ৰকাশ পোৱাৰ পিছত ফুকোৰ প্ৰতিভাৰ বিশ্বব্যাপী প্ৰসাৰ ঘটিল। পদাৰ্থ বিজ্ঞান আৰু গণিত শাস্ত্ৰৰ দৰে বিশুদ্ধ বিজ্ঞানৰ ভাগসমূহৰ ধাৰাবাহিকতাৰ পৰা আঁতৰি আহি এই গ্ৰন্থ খনিৰ আলোচনাৰ মূল বিষয়বস্তু আছিল মানুহ আৰু ইয়াক কেন্দ্ৰ কৰি আগবঢ়া জৈৱিক আৰ্থসামাজিক আৰু সাংস্কৃতিক উপাদান সমূহ। ফুকোৱে সমগ্ৰ বিষয়বস্তুখিনিক একেলগে "Archaeology of Thought" নাম দিছিল আৰু তেওঁৰ নিজৰ ভাষাত ই আছিল চলিত প্ৰথা বিৰোধী জ্ঞান সন্ধানৰ এক বিশুদ্ধ প্ৰক্ৰিয়া। ফুকোৱে বিশ্বাস কৰিছিল মানুহৰ চিন্তা (System of thought) গঢ়ি উঠাৰ আঁৰত পাৰ হৈ যোৱা কিছুমান পৰম্পৰা বা ঘটনাই প্ৰত্যক্ষ বা পৰোক্ষ ভাবে কাম কৰি আহিছে আৰু এইবোৰেই সামাজিক চিন্তাব্যৱস্থাৰ চালিকাশক্তি। জ্ঞানৰ এই চালিকাশক্তিবোৰেই হৈছে মানৱমনৰ একো একোটা fundamental

codes অথবা "Genevative grammars of cognitive language" । এই গ্ৰন্থখনৰ প্ৰকাশ এইবাবেই উল্লেখযোগ্য ঘটনা যি সময়ত মাৰ্ক্সবাদ বা অস্তিত্ববাদেই চিন্তাৰ শেষ আশ্ৰয় বুলি স্বীকৃত হৈছিল সেই সময়ত এই গ্ৰন্থখনে অস্তিত্ববাদী চিন্তাৰ অবসানৰ কথা ঘোষণা কৰিছিল। অবশ্যে গ্ৰন্থখনে ইয়াৰ আলোচনাক্ৰমত ইতিপূৰ্বে প্ৰমাণিত হৈ যোৱা বহুতো বৈজ্ঞানিক বিশ্লেষণৰ প্ৰতি কৰা অবজ্ঞাই গ্ৰন্থখনৰ সম্পূৰ্ণতা সম্পৰ্কত সন্দেহৰ সৃষ্টি নকৰাও নহয়। 'The order of Things' প্ৰকাশ পোৱাৰ আগতে ফুকোৰ উল্লেখযোগ্য সৃষ্টি আছিল তেওঁৰ গৱেষণাপত্ৰখন। 'ফোলি এ দেৰেজঁ' (উন্মাদনা আৰু মতিবিভ্ৰম) নামৰ এই গবেষণা কৰ্মৰ জৰিয়তে তেওঁ প্ৰমাণ কৰিব বিচাৰিছিল যে উন্মাদনা মানৱ সভ্যতাৰ সৃষ্টি। উন্মাদ অবস্থাটোৰ আলোচনা তেওঁ ঐতিহাসিক বিশ্লেষণৰ মাজেৰে আগবঢ়াইছিল। কিন্তু তাকে কৰিবলৈ গৈ তেওঁ বহুতো ঐতিহাসিক সত্যতাক উলাই কৰিছিল। ফুকোৱে উল্লেখ কৰিছিল যে উন্মাদ ব্যক্তিসকলক ৰোগী হিচাপে বন্দী কৰি চিকিৎসা কৰাৰ আঁৰত আছিল ক্লাচিকেল যুগৰ যুক্তিবাদী লোকসকলৰ ব্যক্তিস্বাৰ্থ। অৰ্থাৎ মানুহৰ উন্মাদ অবস্থাটোক বেমাৰৰ ৰূপ দিয়া হৈছিল ক্লাচিকেল যুগতহে। কিন্তু ১৯৮২ চনত প্ৰকাশিত 'Psychopolitics' নামৰ গ্ৰন্থখনত চেজউইকে প্ৰমাণ কৰি দেখুৱাইছে যে পঞ্চদশ শতিকাতেই উন্মাদ ব্যক্তিসকলক চিকিৎসাৰ বাবে বন্দী কৰাৰ নজীৰ আছে। ফুকোৰ এজন প্ৰিয় শিষ্য জাক্ দেৰিদাৰ মতেও উন্মাদনা আৰু যুক্তিহীনতাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ ফুকোৱে প্ৰয়োগ কৰা যুক্তিৰ ভাষাই ফুকোক বিপৰীত অৰ্থৰ সন্ধান দিয়াৰহে সম্ভাৱনা।

> ফুকোৱে বিশ্বাস কৰিছিল মানুহৰ চিন্তা (System of thought) গঢ়ি উঠাৰ আঁৰত পাৰ হৈ যোৱা কিছুমান পৰম্পৰা বা ঘটনাই প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে কাম কৰি আহিছে আৰু এইবোৰেই সামাজিক চিন্তাব্যৱস্থাৰ চালিকাশক্তি জ্ঞানৰ এই চালিকাশক্তিবোৰেই হৈছে মানৱমনৰ একো একোটা fundamental codes অথবা "Genevative grammars of cognitive language" ।

ইয়াৰ পিছত ১৯৭৫ চনত প্ৰকাশ পায় আন এখন বহু আলোচিত গ্ৰন্থ "কাৰাগাৰৰ জন্ম"। গ্ৰন্থখনত আধুনিক কাৰাগাৰৰ জন্ম আৰু বন্দীৰ ওপৰত চলা শোষণ-অত্যাচাৰৰ কথা সবিস্তাৰে আলোচনা কৰিবলৈ গৈ বহুতো ৰোমাঞ্চকৰ তথ্যৰ উদঘাটন ঘটিছে। গ্ৰন্থখনি প্ৰকাশৰ আঁৰত ফুকোৰ মূল উদ্দেশ্য আছিল কাৰাগাৰবোৰক সমাজৰ গুৰুত্বপূৰ্ণ অংশ বুলি চিহ্নিত কৰি এচামে ক্ষমতাৰ অপপ্ৰয়োগৰ জৰিয়তে আনচামক কৰা শোষণৰ চিত্ৰ ৰূপায়িত কৰাটো। ফুকোৰ মতে এই শোষণৰ পৰিসৰ কেৱল মাথো কাৰাগাৰতেই আবদ্ধ নহয়। ফুকোৱে এই প্ৰসংগত কাৰাগাৰৰ আধুনিক ৰূপটোৰ কথা কবলৈ গৈ জেৰোমি বেনথাম্ নামৰ দাৰ্শনিক জনৰ ১৭৯১ চনত প্ৰকাশিত পেন অপটিকন নামৰ গ্ৰন্থখনৰ প্ৰসঙ্গ উত্থাপন কৰিছিল। বেনথামে এই গ্ৰন্থখনত দেখুৱাইছে কিদৰে সমাজ সংস্কাৰৰ লগে লগে জেইলবোৰৰ গাঁথনিৰ পৰিবৰ্তন ঘটাই কুঠৰীবোৰ বাসোপযোগী আৰু অধিক স্বাস্থ্যসন্মত ৰূপত সজোৱা হৈছিল। আগৰ অন্ধকাৰ কুঠৰীবোৰৰ বিপৰীতে নতুন স্থাপত্য নীতিত জেলৰ গঠন আছিল ঘূৰণীয়া আৰু ঠিক তাৰ মাজ ভাগত আছিল এটা আলোক স্তম্ভৰ সৈতে পহৰাদাৰী চকী, য'ৰ পৰা পোঁহৰৰ ব্যৱস্থা কৰি কাৰাবন্দী সকলৰ ওপৰত চোকা নজৰ ৰখা হৈছিল। এই আলোকস্তম্ভটোৰ নামেই আছিল "পেন্ অপটিকন"। ফুকোৰ নিজৰ ভাষাত কাৰাবন্দীসকলৰ ওপৰত প্ৰয়োগ হোৱা এই নতুন নিয়ম আছিল তেওঁলোকক কেৱল দৈহিক ভাবেই *নহয় মানসিক* ক্ষেত্ৰতো বাধাগ্ৰস্ত কৰি ৰখাৰ প্ৰয়াসহে। ফুকোৱে উল্লেখ কৰিছিল যে পুঁজিবাদী ৰাষ্ট্ৰত শাসনযন্ত্ৰই জনসাধাৰণৰ জন্মৰ পৰা মৃত্যুলৈ চোকা নজৰ ৰাখিবলৈ কেতবোৰ প্ৰতিষ্ঠানৰ সৃষ্টি কৰিছে। বিদ্যালয়ৰ পৰা আৰম্ভ কৰি ধৰ্মীয় প্ৰতিষ্ঠানলৈ সকলোতে ৰাষ্ট্ৰৰ দ্বাৰা আৰোপিত কেতবোৰ নিয়ম মানি চলিব লগা হয়। ইয়াৰ ফলত ব্যক্তিৰ চিন্তা এটা মাথো পৰিসৰতে আবদ্ধ থাকেগৈ। যিদৰে 'পেন্ অপ্‌টিকন'ৰ জৰিয়তে চোকা দৃষ্টি ৰখা কয়দীসকলে প্ৰতিমুহূৰ্ততে আদৰ্শ কয়দীৰ নীতি নিয়ম মানি চলিবলৈ বাধ্য সেইদৰে শাসন যন্ত্ৰৰ দ্বাৰা আৰোপিত বিভিন্ন সামাজিক নীতি নিয়মবোৰে প্ৰকৃতপক্ষে বিশ্বখনক এখন অঘোষিত কাৰাগাৰৰ ৰূপহে দিছে। যিবোৰ ব্যক্তিয়ে এই নীতি নিয়ম মানি চলিব নিবিচাৰে তেওঁকেই সমাজে মানসিক বিকাৰগ্ৰস্ত আখ্যা দিয়ে। ফুকোৰ এই গ্ৰন্থখনৰ ৰচনাৰ আঁৰত নীট্‌চেৰ "দ্যা গে চাইন্স" নামৰ গ্ৰন্থখনৰ প্ৰভাব লক্ষ্য কৰিব পাৰি।

ফুকোৱে 'যৌনতাৰ ইতিহাস' নামেৰে এখন সুবৃহৎ গ্ৰন্থ পাচোটা খণ্ডত ৰচনা কৰাৰ পৰিকল্পনা কৰিছিল। ইয়াৰ প্ৰস্তাৱনা হিচাপে ১৯৭৬ চনত প্ৰকাশ পাইছিল 'লা ভোল্যতে দ্য সাভোৱাৰ' (জ্ঞানৰ অভিলাষ) নামৰ বহুবিতৰ্কিত গ্ৰন্থখন। ফুকোৰ মতে যৌনতা নামৰ মানুহে নাম দিয়া ধাৰণাটো প্ৰকৃততে ঊণবিংশ শতিকাৰহে সৃষ্টি। ইয়াৰ পিছত "সুখৰ ব্যৱহাৰ" আৰু "নিজৰ সম্পৰ্কে চিন্তা" নামৰ খণ্ড দুটা প্ৰকাশ পায় মৃত্যুৰ আগে আগে। ফুকোৱে মৃত্যুৰ পিছত তেওঁৰ কোনো ধৰণৰ ৰচনা প্ৰকাশত বাধা আৰোপ কৰি গৈছিল। জীৱনৰ শেষ বয়সৰ বহুতো ৰচনা সেইবাবেই তেওঁ নিজহাতে পুৰি পেলাইছিল। যৌনতাৰ ইতিহাসৰ চতুৰ্থখণ্ডতো (লেজাভো দ্য লা কৰ - তেজ আৰু মঙহৰ স্বীকাৰোক্তি) তেওঁ সম্পূৰ্ণ কৰিছিল যদিও তেওঁৰ ইচ্ছা অনুযায়ী এই গ্ৰন্থখন প্ৰকাশ পোৱা নাই।

৩

জেমছ মিলাৰৰ "The Passion of Michel Foucault" [1994] নামৰ গ্ৰন্থখনত আমি আৰম্ভনিতেই উল্লেখ কৰি অহা তিনিটা খণ্ডিত স্মৃতিচিত্ৰৰ তৃতীয়টোৰ সবিশেষ বৰ্ণনা আছে। যিটো নিৰ্জন অন্ধকাৰ কোঠাত এগৰাকী অসহায় মহিলাক উন্মাদিনী বুলি পঁচিছ বছৰ বন্দী কৰি থোৱা হৈছিল পিছত সেই কোঠাটোৰ দেৱালত দেখা গৈছিল নখেৰে আছুৰি আছুৰি লিখা এই শাৰী কথা ঃ "সুন্দৰৰ জন্ম দিবলৈ হ'লে প্ৰেম নহয়, স্বাধীনতা নহয়..... অবিনাশী একাকীত্বৰ মাজত তুমি জীয়াই থাকিব লাগিব। মৰিব লাগিব।" ফুকোৱে নিজেও অকলশৰে জীয়াই থকাৰ এই প্ৰবণতাৰ পৰা হাত সাৰিব পৰা নাছিল। নিজৰ সম্পৰ্কে পোষণ কৰি অহা অতিমাত্ৰাৰ উচ্চ ধাৰণা আৰু গভীৰ আত্মবিশ্বাসৰ বাবেই তেওঁ অকলশৰীয়া জীৱন এটাত অধিক সুখী আছিল বুলি সন্দেহ কৰিব পাৰি। ১৯৪৬ চনত তেওঁৰ যেতিয়া উচ্চ শিক্ষাৰ বাবে নৰ্মাল চুপেৰিয়ৰত ভৰ্তি হব লগা হ'ল তেওঁৰ এনেধৰণৰ জীৱন যাপনত যতি পৰিল। এইখন বিদ্যালয়ত ফুকোৰ পৰিচয় আছিল অতি চোকামুখৰ - কাৰো সৈতে মিলিব নোৱাৰা ছাত্ৰ হিচাপেহে। গোটেই জীৱন আত্মহত্যাক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ সপক্ষে মাত মাতি অহা

ফুকোৱে এই সময়ছোৱাতেই আত্মহত্যাৰ চেষ্টাও কৰিছিল। অবশ্যে এই ঘটনাই পৰোক্ষভাৱে সুদুৰ প্ৰসাৰী প্ৰভাৱো পেলাইছিল। ফুকোৰ যেতিয়া এই ঘটনাৰ পিছত মনোৰোগ বিশেষজ্ঞৰ ওচৰলৈ লৈ যোৱা হৈছিল সেইসময়ত ফুকোৱে প্ৰথমবাৰৰ বাবে এজন সুস্থ আৰু এজন অসুস্থ মানসিক অৱস্থাৰ মানুহৰ মাজত থাকিব পৰা পাৰ্থক্যৰ উমান পাইছিল আৰু ত্ৰাণ মনস্তাত্বিক অৱস্থা সমূহৰ প্ৰতি আকৰ্ষণেই তেওঁৰ 'উন্মাদনা আৰু মতিবিভ্ৰম' নামৰ গ্ৰন্থ ৰচনাৰ কাৰণ। বহুতে কব খোজে যে ফুকোৰ আত্মহত্যাৰ প্ৰৱণতাৰ আঁৰত আছিল নিজৰ সমকামী চৰিত্ৰৰ বাবে থকা অপৰাধবোধ। ১৯৭৬ চনত চৰকাৰী ভাৱে দুজন প্ৰাপ্তবয়স্কৰ মাজত পৰস্পৰৰ সন্মতিত সম্ভৱ হোৱা যি কোনো যৌনতা অপৰাধ নহয় বুলি ঘোষণা কৰাৰ আগলৈকে ৰাজহুৱা ক্ষেত্ৰত এনেবোৰ সম্পৰ্কক অপৰাধ বুলিয়েই গণ্য কৰা হৈছিল। অবশ্যে তাৰ বিপৰীতে ফুকোৱে দেনীয়েল দিফ'ৰ সৈতে ১৯৬৮ চনৰ পৰা সমকামী দাম্পত্য অটুত থকাৰ কথা লুকঢাক নকৰাকৈয়ে বিভিন্ন সাক্ষাৎকাৰত উল্লেখ কৰিছিল।

জীৱনৰ বিভিন্ন সময়ত বিভিন্ন মেৰুত অৱস্থান কৰাৰ বাবে ফুকোৰ জীৱনপঞ্জী আমাৰ বাবে আন দাৰ্শনিকতকৈ অধিক ৰহস্যময়। আত্মপক্ষ সমৰ্থনৰ আৰু আত্মপ্ৰতিষ্ঠাৰ প্ৰবল তাড়নাই হয়তো ইয়াৰ কাৰণ। তথাপিতো দাৰ্শনিক হিচাপে ফুকোৰ জনপ্ৰিয়তা কেৱল দৰ্শনৰ পৰিসীমাতে আবদ্ধ নহয়। যিসময়ত অস্তিত্ববাদ আৰু মাৰ্ক্সবাদেই সকলো দৰ্শন চিন্তাৰ শেষ আশ্ৰয় বুলি চিহ্নিত হৈছিল সেই সময়ত মিছেল ফুকোৱে নতুনকৈ চিন্তা কৰিব পৰাৰ এটা পথ দেখুৱাইছিল। ফুকোৰ দাৰ্শনিক তত্ত্বই সন্দেহ আৰু সংশয়ৰ চাৰিবেৰ বহুক্ষেত্ৰত পাৰ হ'ব নোৱাৰিব পাৰে, তথাপি প্ৰতিটো চিন্তাই হৈছে একো একোটা নতুন পদ্ধতিৰ আৰম্ভণি। 'দৰ্শনৰ আধুনিক মানুহ' হিচাপে ফুকোৰ সেইখিনিতেই সাৰ্থকতা।

*লেখকৰ টোকাঃ ৰচনাখন প্ৰস্তুত কৰোতে জেমছ মিলাৰৰ The Passion of Michel Foucault (1994) আৰু গেৰী গেটিং সম্পাদিত The Cambridge Companion to Michel Foucault (1994) নামৰ গ্ৰন্থ দুখনৰ পৰা বাৰংবাৰ সহায় লোৱা হৈছে।*

---

*অৰিন্দম বৰকটকী স্নাতক তৃতীয় বৰ্ষ (ইংৰাজী)ৰ ছাত্ৰ।*

'কটনিয়ান' প্ৰসঙ্গত ঃ

'আশা কৰিছো যে এই আলোচনীখনেই হ'ব আমাৰ মহাবিদ্যালয়ৰ কাৰ্য্যকলাপৰ সমস্ত বিৱৰণ লিপিবদ্ধ কৰা, অনুষ্ঠিত হোৱা বৈঠকসমূহৰ চমু বিৱৰণী প্ৰকাশ কৰা, খেলা-ধূলা, সামাজিক আৰু অন্যান্য বিষয়সমূহৰ খতিয়ানসমূহ থুপাই থোৱা আৰু আমাৰ পুৰণা ছাত্ৰসকলে বিশ্বৰ বিভিন্ন ঠাইত কৰা উল্লেখযোগ্য সাফল্যসমূহ লিপিবদ্ধ কৰি ৰখাৰ একমাত্ৰ মাধ্যম আৰু ভাণ্ডাৰ। এইখনেই অনুষ্ঠানখনৰ প্ৰতি থকা মমত্ব সজীৱ কৰি ৰাখিবলৈ একমাত্ৰ যোগসূত্ৰ হোৱা উচিত। ছাত্ৰ সকলো ইয়াৰ প্ৰতি এক বাধ্যতামূলক মনোযোগেৰে বান্ধ খাই বৰ্ত্তক আৰু তাৰ দ্বাৰা নতুন পুৰণিৰ এটা সংমিশ্ৰণেৰে মাতৃভূমিৰ খ্যাতিৰ বাবে একতাবদ্ধ হৈ উঠক – যিখন তেওঁলোকৰ বাবে এক উত্তম পৈতৃক সম্পত্তি।'

—অধ্যক্ষ চুডমাৰ্চন







পেইন্টিং ঃ পিকাছো

ক্ৰীড়া-জগত

# ক্ৰিকেট, ভাৰতীয় দল, ৰিভাৰ্ছ ছুইং ইত্যাদি

❑ বেদব্ৰত শৰ্মা

ক্ৰিকেট খেলৰ ৰজা নে ৰজাৰ খেল তাক আমি নাজানো, কিন্তু ক্ৰিকেট যে এক মহান অনিশ্চয়তাৰ খেল তাত বোধহয় সকলোৱে একমত হব। এই অনিশ্চয়তাই হৈছে ক্ৰিকেটৰ প্ৰাণ আৰু এই অনিশ্চয়তাই আনি দিয়া উত্তেজনাৰ (বিশেষকৈ এদিনীয়া ক্ৰিকেটত) বাবেই আমি হয়তো ঘণ্টাৰ পৰা ঘণ্টা ধৰি টি.ভি চেটটোৰ সমুখত তলৰ অলৰ অচৰ হৈ বহি থাকিব পাৰো। এই অনিশ্চয়তাই যে ক্ৰিকেটক এক মহান খেলনৈ ৰূপান্তৰিত কৰিছে তাক আমি ডাঠি কব পাৰো। সেয়ে ক্ৰিকেটৰ ধাৰাভাষ্যকাৰৰ মুখত প্ৰায় এটা কথা শুনা যায় "Cricket, the great game of uncertainity". তদুপৰি আজিকালিৰ এদিনীয়া আন্তঃৰাষ্ট্ৰিয় ক্ৰিকেটৰ কিছুমান আকৰ্ষণীয় বেটছমেনৰ আৱিৰ্ভাৱে ক্ৰিকেটক আৰু জনপ্ৰিয় কৰি তুলিছে। তেওঁলোকে কিছুমান এনেধৰণৰ অবিশ্বাস্য ষ্ট্ৰোক খেলে যিবোৰ হয়তো ক্ৰিকেটৰ কিতাপতো পোৱা নাযায়। পৰোক্ষভাবে এদিনীয়া ক্ৰিকেটক বেটচমেনে আকৰ্ষণীয় কৰা বুলি এইবাবেই কৈছো যে, দৰ্শকে ষ্টেডিয়ামলৈ আহি বা টি.ভি.ৰ আগত বহি উইকেটৰ উপৰি উইকেট পৰা দৃশ্য চাবলৈ নাযায়। তেওঁলোকে চাব যায় তীব্ৰ গতিত বল বেটৰ পৰা উফৰি বাউণ্ডেৰী পাৰ হোৱাৰ দৃশ্য। তদুপৰি এদিনীয়া ক্ৰিকেটৰ পিটচবোৰ সাধাৰণতে বেটিং সহায়ক হয় আৰু প্ৰথম ১৫ অভাৰৰ বাধ্য বাধকতাই (৩০ মিটাৰ চাৰকলৰ বাহিৰত মাথো দুজন খেলুৱৈ থাকিব পাৰে) বলাৰৰ কেৰামতালি বহুখিনি হ্ৰাস কৰি পেলায়। সেয়েহে প্ৰায় সকলোৱে মতে টেষ্ট ক্ৰিকেটেই হৈছে এজন ক্ৰিকেটাৰৰ (বেটছমেন অথবা বলাৰৰ)বাবে চূড়ান্ত পৰীক্ষা। এজন বেটছমেনে বাউন্সাৰ খেলাৰ টেকনিক কেনেকুৱা বা ফাষ্ট বলাৰ এজনৰ বাউন্স পিটছত বুলেটৰ দৰে অহা বলবোৰ বেটছমেনজনে পুল, হুক কাট অথবা ড্ৰাইভ কৰিবলৈ কিমান সক্ষম তাকে লক্ষ্য কৰি বেটছমেন এজনৰ যোগ্যতা নিৰ্ণয় কৰিব পৰা যায়।

ভাৰতৰ কিংবদন্তী বেটছমেন কৰ্ণেল চি. কে. নাইডুক এবাৰ কোনোবাই সুধিছিল বাউন্সাৰ কেনেকৈ খেলিব লাগে। তেওঁৰ উত্তৰ আছিল "বল বাউণ্ডেৰীৰ বাহিৰলৈ হুক কৰি পঠাই দিবা," গতিকে টেষ্ট ক্ৰিকেটত কিছু পৰিমাণে এজন বেটছমেন Agressive হোৱাবো দৰকাৰ। তদুপৰি টেষ্ট ক্ৰিকেটত এজন বেটছমেন ক্ৰিজত দীৰ্ঘ সময়ৰ বাবে থকাটো নিতান্তই প্ৰয়োজন। তাৰ বাবে দৰকাৰ মনঃসংযোগ, আৰু টেম্পাৰমেন্টৰ। তাৰোপৰি দৰকাৰ স্পিন খেলাৰ বাবে নিখুঁত ফুটৱৰ্কৰ আৰু ফাষ্ট বলিঙ খেলাৰ বাবে তীব্ৰ ৰিফ্লেক্সৰ আৰু বেয়া বল এটা ফিল্ডাৰৰ মাজেদি বাউণ্ডেৰী সীমা পাৰ কৰাৰ যোগ্যতা। তেনেদৰে টেষ্টত এজন বলাৰৰ কাম হ'ল উইকেট দখল কৰাৰ। তাৰ বাবে তেওঁ বেটছমেনজনৰ দুৰ্বলতাসমূহ নিৰীক্ষণ কৰিব লাগিব আৰু দুৰ্বলতাসমূহ সম্পূৰ্ণ উদঙাই দিয়াৰ বাবে এক নিৰ্দিষ্ট লাইন লেংথ নিয়ন্ত্ৰণ কৰিব লাগে। গতিকে এজন বলাৰৰো মনঃসংযোগৰ দৰকাৰ। তদুপৰি উইকেট দখল কৰাৰ বাবে এজন ফাষ্ট বলাৰে ক্ৰিকেট বলটো বতাহ আৰু মাটিত দুয়োটাতে কাট কৰিব পাৰিব লাগিব। (Movment of the pitch and in the air) তাৰ বাবে ক্ৰিকেট বলটোৰ ছীমটো তেওঁ মাটিত প্ৰায়ে খুন্দিয়াব লাগিব, কাৰণ ছীমত পৰি হোৱা মুভমেন্টে বেটছমেন এজনক প্ৰায়ে বিপদত পেলায়। তদুপৰি নিৰ্জীৱ উইকেটতো তেওঁলোকে ক্ৰিকেট বলটো বেটছমেনৰ বুকু অথবা মুখলৈ বাউন্স কৰিব পাৰিব লাগিব।

গতিকে দেখা যায় যে টেষ্ট ক্ৰিকেট হৈছে এদিনীয়া ক্ৰিকেটতকৈ কঠিন খেল। Geoffrey Boycott এ কোৱাৰ দৰে আমি কব পাৰো Test cricket is ultimate level and it is a different fall game as compared to the one day cricket".

এতিয়া আহো স্পিন বলিঙলৈ। স্পিনাৰ এজনে টেষ্টত বহু অভাৰ একেলেথাৰিয়ে বল কৰিব লাগে। স্পিনাৰ এজনৰ প্ৰধান অস্ত্ৰ হ'ল ফ্লাইট। এজন ভাল স্পিনাৰ (অফ স্পিন অথবা লেগ স্পিন) যি কোনো বেটছমেনক ফ্লাইট অৰ্থাৎ বতাহত Beat কৰিব পৰা ক্ষমতা থাকিব লাগিব। তদুপৰি তেওঁ বলটো বতাহত Drift কৰিব পাৰিব লাগিব। তদুপৰি এজন ভাল স্পিনাৰে বলটো যিকোনো উইকেটত ঘূৰাব পাৰিব লাগিব। যিটো কাম বৰ্তমানৰ বিশ্ব ক্ৰিকেটত শ্ৰীলংকাৰ অফস্পিনাৰ মুথইয়া মুৰলীধৰণ আৰু অষ্ট্ৰেলিয়াৰ লেগস্পিনাৰ শ্বেণ ৱাৰ্ণেই প্ৰায় অবিশ্বাস্যভাবে কৰিব পাৰে। তাৰোপৰি লেগস্পিনাৰ এজনে গুগলী (মাটিত পৰাৰ পিছত যিটো বল বেটছমেনলৈ সোমাই আহে অৰ্থাৎ অফস্পিন হয়) কৰাৰ দক্ষতা লাগিব।

ভাৰতৰ লেগ স্পিনাৰ অনিল কুম্বলেই সাধাৰণতে Sporting উইকেট, মাটিত ব'ল পাৰ্যমানে ঘূৰাব নোৱাৰে যিটো শ্বেন ৱাৰ্ণে অথবা পাকিস্থানৰ আহমেদে পাৰে। কুম্বলে তেওঁৰ ক্ৰিকেট জীৱনৰ প্ৰথম ভাগত ভাৰতৰ বাবে টেষ্টত বহুতো বিজয় কঢ়িয়াই আনিছিল। কিন্তু আজিকালি তেওঁ ধীৰ গতিৰ টাৰ্নিং উইকেটতো উইকেট দখল কৰিবলৈ অক্ষম হোৱা দেখা যায়। কাৰণ তেওঁৰ বলিঙৰ যিটো ষ্টাইল তাৰ লগত বিশ্ব ক্ৰিকেটৰ প্ৰায় সকলো বেটছমেন পৰিচিত হৈ পৰিছে। তেওঁৰ প্ৰধান অস্ত্ৰ হৈছে ভাল লাইন লেংথ অৰ্থাৎ Accuracy আৰু ফ্লিপাৰ । কিন্তু ব'লৰ টান নহলে অকল ভাল লাইন লেংথেৰে উইকেট পাব নোৱাৰি। কুম্বলেই ব'ল ঘূৰাব নোৱাৰাৰ এটা প্ৰধান কাৰণ হৈছে তেওঁৰ বলিং একছন। ডেলিভাৰীৰ সময়ত তেওঁৰ সোঁহাতখন অৰ্থাৎ যিখন হাতেৰে তেওঁ ৰ'ল কৰে প্ৰায় লম্বভাৱে (Perpendicular) নামি আহে আৰু ফলত লেগ ব্ৰেক তেওঁৰ

প্ৰায় নহয়েই। এক কথাত তেওঁ এক প্ৰকাৰৰ মিডিয়াম পেচাৰৰ নিচিনা।

কিন্তু শ্ৰীনাথৰ বাহিৰে ভাৰতীয় তদুপৰি ভাৰতীয় দলত শ্ৰীনাথ আৰু প্ৰসাদৰ বাহিৰে ভাল পেচবলাৰৰ বাহুকৈয়ে অভাৱ। শ্ৰীনাথৰ বিশাল ইনচুইংবোৰে আৰু প্ৰসাদৰ লেগ কাটাৰে বিশ্ব প্ৰসিদ্ধ সকলো বেটছমেনকে বিপদত পেলাইছে। কিন্তু এজনে তিনিনম্বৰ পেচাৰৰ অভাবৰ বাবে ভাৰতে বিদেশৰ বাউন্সীট্ৰেকত প্ৰায়ে অসফল হোৱা দেখা গৈছে। ৯০ কোটি মানুহৰ দেশ ভাৰতবৰ্ষত এজন প্ৰকৃত ফাষ্টবলাৰ অভাৱ সঁচাই আশ্বৰ্য্যজনক। কিন্তু চুবুৰীয়া দেশ পাকিস্তান এই ক্ষেত্ৰত ব্যতিক্ৰম। এই বিষয়ত পাকিস্তানী ব'লাৰ আকিব জাভেদে কৈছিলে "You go to Punjab, pick the strong men and let them fowl fast and straight and don't teach them. Simply ask them to fowl real fast."

এতিয়া আহো ভাৰতীয় বেটিঙলৈ। শচীন, ৰাহুল দ্ৰাবিড়, সৌৰভ গাংগুলী আৰু আজাহাৰক লৈ ভাৰতীয় বেটিং লাইন আপ সঁচাই শক্তিশালী। ভাৰতীয় বেটিং বিপৰ্য্যয় হোৱা প্ৰায়ে দেখা যায়। উক্ত বেটছকিজনৰ শেহতীয়া কিছুমান প্ৰদৰ্শনে বিশ্ব ক্ৰিকেটত সন্মান আদায় কৰিবলৈ সক্ষম হৈছে। দক্ষিণ আফ্ৰিকা ভ্ৰমণত কেপটাউন টেষ্টত প্ৰথম ইনিংছত ভাৰতৰ স্কোৰ ৫৮, ৫ উইকেটৰ বিনময়ত। তেনে এক শোচনীয় অৱস্থাত শচীন আৰু আজহাৰে যি দুটা অদমনীয় শতৰাণ কৰিলে সি সঁচাকৈয়ে প্ৰশংসনীয় আছিল। ডনাল্ড, ক্লুজনাৰ, পলক মেকমিলানৰ দৰে বলাৰৰ বলবোৰে ইটোৰ পিছত সিটোকৈ বাউণ্ডেৰীসীমা পাৰ কৰাইছিল এই দুই বেটছমেনে। ডনাল্ডৰ চৰ্ট পিট্‌চ বলবোৰ শচীন আৰু আজহাৰে নিৰ্দয়ভাৱে পুল কৰিছিল আৰু ভৰিলৈ লক্ষ্য কৰি দিয়া বলবোৰ মিডউইকেট আৰু স্কোৱাৰ লেগৰ মাজেৰে নিৰ্ভুল টাইমিঙেৰে ফ্লিক কৰি বাউণ্ডেৰীৰ সীমা অতিক্ৰম কৰাইছিল। সেই ইনিংছ দুটা লক্ষ্য কৰি কিংবদন্তী বেটছমেন বেৰী ৰিচাৰ্ডে কৈছিল "It's a blessing to witness those two great innings. খেল চলি থকাৰ সময়তে ধাৰাভাষ্যকাৰ Robin- Jackman এ কৈছিল "My goodness be, I have never seen test cricket like this." কিন্তু তথাপি ভাৰতে উক্ত টেষ্টত পৰাজয় বৰণ কৰিবলগীয়া হয় দ্বিতীয় ইনিংছত বেটিং বিপৰ্য্যয়ৰ বাবে। ভাৰতীয় বেটছমেনৰ Consistancy ৰ অভাবেই হৈছে ভাৰতৰ বেটিং বিপৰ্য্যয়ৰ এটা প্ৰধান কাৰণ।

দক্ষিণ আফ্ৰিকা ভ্ৰমণত কিন্তু শ্ৰীনাথ আৰু প্ৰসাদৰ বলিঙৰ ভূয়সী প্ৰশংসা কৰিছিল দক্ষিণ আফ্ৰিকাৰ ক্ৰিকেটাৰ সকলে। বিশেষকৈ তেওঁলোকে পুৰণা বলত সৃষ্টি কৰা ৰিভাৰ্ছ ছুইঙে যে তেওঁলোকক বিপদত পেলাইছিল তাক অপেনাৰ এন্দ্ৰিউ হাতছনে স্বীকাৰ কৰি গৈছে। এতিয়া এই ৰভাৰ্ছ ছুইঙনো কি যাৰ বাবে পাকিস্থানী ফাষ্ট বলাৰদ্বয় ৱাচিম আক্ৰম আৰু ৱাকাৰ ইউনিছ বল টেম্পাৰিঙৰ দৰে অভিযোগত লিপ্ত হৈছিল। ৰিভাৰ্ছ চুইং হৈছে, বলটো প্ৰথমে বতাহত আউট চুইং হয় আৰু ঠিক বেটচমেনৰ ওচৰ পোৱাৰ আগতে ইনচুইং হয়। ৱাকাৰ ইউনিছ্‌ৰ ৰিভাৰ্চ চুইঙ ইয়ৰ্কাৰবোৰ ইয়াৰ সুন্দৰ নিদৰ্শন।

ৰিভাৰ্চ চুইঙ সাধাৰণতে পুৰণা বলতহে হয়। পেচবলাৰে সাধাৰণতে বলৰ এটা ফাল তেওঁৰ পেণ্টত প্ৰায়ে মচি থকা দেখা যায়। ইয়াৰ ফলত মচি থকা ফালটো নিমজ হৈ থাকে আৰু এটা ফাল খহটা হৈ থাকে। সাধাৰণতে খহটা ফালটো ছীমৰ যিফালে লোৱা হয় (সোঁফাল অথবা বাওঁফাল) সেইমতে চুইং হয়। খহটা ফালটো বাওঁফালে থাকিলে আউট চুইং আৰু সোঁফালে থাকিলে ইনচুইং হব। চুইং হোৱাৰ কাৰণ বতাহে খহটা ফালত খলকনি তোলে আৰু ফলত চুইং হয়।

এতিয়া বলটো যেতিয়া পুৰণা হয় (৩০ অভাৰ) তেতিয়া খহটা ফালটো চাইন কৰা হয় অৰ্থাৎ খহটা ফালটো মচি থকা যায়। এতিয়া আগৰ চাইন মতে অৰ্থাৎ আগতে যিটো ফাল খহটা আৰু নিমজ আছিল আউট চুইঙৰ গ্ৰিপ লোৱা হয় অৰ্থাৎ বলৰ ছীমটো ফাষ্ট শ্লিপৰ দিশত পোনাই লোৱা হয়। এতিয়া বলটোৰ ডেলিভাৰী যদি কাণৰ অলপ দুৰৰ পৰা তীব্ৰ বেগত কৰা যায় তেতিয়া বলটো প্ৰথমে আউট চুইঙ ঠিকে হব অৰ্থাৎ খহটা ফালটো চাইন ছীমৰ বাওঁফালে থাকিব, কিন্তু সেই ফালটো চাইন কৰাৰ বাবে, সেই ফালটোৱে বলটোক সোঁফালে ঠেলিব আৰু ফলত বলটো ইনছুইং হব। ইয়াকে বোলে ৰিভাৰ্ছ ছুইং। ইয়াৰ বাবে সাধাৰণতে বলৰ গতি ঘণ্টাত ১২৫ কিঃমিঃ ৰ ওপৰ হব লাগে। ৱাকাৰ ইউনিছ্‌ৰে ডেলিভাৰী কাণৰ অলপ দুৰৰ পৰা কৰে বাবে তেওঁৰ ৰিভাৰ্ছ চুইং সহজে হয়।

এতিয়া আহো এদিনীয়া ক্ৰিকেটলৈ। বৰ্তমানৰ ভাৰতীয় দলটো এদিনীয়া ক্ৰিকেটত প্ৰায়ে পৰাজিত হোৱা দেখা গৈছে। ভাৰতৰ এক শক্তিশালী বেটিং লাইনৰ (যিটো এদিনীয়া ক্ৰিকেটত খুবেই দৰকাৰ আছে। কিন্তু আগতে উল্লেখ কৰি অহাৰ দৰে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বলাৰৰ অভাবে ভাৰতৰ পৰাজয়ত মূল অৰিহণা যোগাইছে। তদুপৰি আজিকালিৰ এদিনীয়া ক্ৰিকেট খেল এখনৰ ফলাফলত ফিল্ডিঙে কিমান প্ৰভাৱ পেলাব পাৰে তাক প্ৰমাণ কৰিছে শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ দলে। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডকো এই ক্ষেত্ৰত উলাই কৰিব নোৱাৰি। তেওঁলোকে যেন বিপৰীত দলটোক বিনাকষ্টে এক ৰাণ দিবলৈও ৰাজী নহয়। তদুপৰি তেওঁলোকে বল ধৰাৰ সময়ত সদায় বলটোৰ ফালে তীব্ৰগতিত আগবাঢ়ি যায়, এক কথাত বলটোক attack কৰে, ফলত তেওঁলোকে দুই ৰাণবোৰক এক ৰাণলৈ ৰূপান্তৰিত কৰে। তদুপৰি ওচৰৰ পৰাই হওক অথবা দুৰৰ পৰাই হওক তেওঁলোকৰ থ্ৰ প্ৰায়ে ষ্টাম্পত আঘাত কৰে অথবা ঠিক স্টাম্পৰ ওপৰত তেওঁলোকৰ থ্ৰবোৰ যায়।

এইক্ষেত্ৰত ভাৰত সঁচাকৈয়ে পিচপৰা। আজহাৰ, জাদেজাৰ বাহিৰে দলৰ প্ৰায় প্ৰতিজন খেলুৱৈ ফিল্ডিঙৰ সময়ত বলক attack নকৰে। ফলত বেটছমেনে একৰাণবোৰ দুইৰাণলৈ ৰূপান্তৰিত কৰে। অৱশ্যে আন দলবোৰৰ Running between wicket সঁচাই তীব্ৰ। তেওঁলোকে প্ৰথম ৰাণটো সদায় তীব্ৰগতিত দৌৰি লয় যাতে ফিল্ডাৰৰ হাতৰ পৰা এক চেকেণ্ডৰ বাবেই বলটো ওলালে দ্বিতীয় ৰাণটো লব পাৰে। এই ক্ষেত্ৰত ভাৰতীয় দল যথেষ্ট পিচপৰা।

ভাৰতৰ এদিনীয়া ক্ৰিকেটত পৰাস্ত হোৱাৰ মূল কাৰণসমূহৰ ভিতৰত দুৰ্বল বলিঙ অন্যতম। বিশেষকৈ শ্লগ অভাৰ সমূহত আৰু প্ৰথম ১৫ অভাৰত ভাৰতীয় বলাৰে বেটছমেনক নিয়ন্ত্ৰণত ৰাখিবলৈ দুখলগাকৈ অক্ষম। তদুপৰি ভাৰতীয় পেচবলাৰ সকলে শ্লগ অভাৰত ইয়ৰ্কাৰ অথবা ব্লক হ'ল (Block Hole) ডেলিভাৰী কৰা দেখা নেযায়। বিবোৰ ডেলিভাৰীত এদিনীয়া হওক বা টেষ্টে হওক বেটছমেনে ৰাণ কৰিব নোৱাৰে। তদুপৰি শেহতীয়াভাৱে পেচবলাৰে হঠাতে কৰা ধীৰ গতিৰ বলে (Slower ball) বেটছমেনক ৰাণ কৰাৰ পৰা বিৰত ৰাখে। এই Slower ball অৱশ্যে ভাৰতৰ ভেংকেটেশ প্ৰসাদে সুন্দৰভাৱে কৰে। কিন্তু আনবোৰ বলাৰ আৰু কেতিয়াবা প্ৰসাদক (বিশেষকৈ প্ৰথম পোন্ধৰ অভাৰত) আনদলৰ বেটছমেনে নিৰ্দয় প্ৰহাৰ কৰি ৰাণৰ পাহাৰ তোলে। উদাহৰণ হিচাবে ছয়ীদ আনোৱাৰৰ অভিলেখ সংখ্যক ১৯৫ ৰাণ আৰু সনথ জয়সূৰ্যৰ ১৫১ ৰাণৰ ইনিংছ দুটা আগবঢ়াব পাৰো। বলাৰৰ অভাৱৰ বাবে বিপক্ষৰ বেটছমেনে ভাৰতৰ বিৰুদ্ধে যথেষ্ট ৰাণ সংগ্ৰহ কৰে ফলত ভাৰতীয় বেটছমেনে যথেষ্ট চাপৰ মাজত খেলিব লগীয়া হয়।

ভাৰতৰ এই দুৰ্বলতাসমূহ শীঘ্ৰেই আঁতৰোৱাৰ দৰকাৰ। নহলে হয়তো ভাৰতে জয়লাভৰ সোৱাদ দুনাই নাপাব। ১৯৯৯ চনত বিশ্ব কাপ ক্ৰিকেট আহি আছে। ভাৰতৰ লক্ষ্য এতিয়া বিশ্বকাপ হোৱা উচিত বুলি ভাবো। তদুপৰি ভাৰতৰ এজন প্ৰকৃত অলৰাউণ্ডাৰৰ খুবেই প্ৰয়োজন। আশাকৰো এজন কপিলদেৱ বিচাৰি পাব। তদুপৰি বৰ্তমানৰ টীমটো যেন অধিক সালসলনি নহয় তাৰ প্ৰতি নিৰ্বাচকে যেন চকু দিয়ে। অধিক সালসলনিয়ে দলত টিম স্পিৰিট নোহোৱা কৰে।

শেষত কওঁ, ভাৰতীয় ক্ৰিকেটৰ সমৰ্থক হিচাবে আমি আমাৰ দলৰ পৰাজয় বহুবাৰ প্ৰত্যক্ষ কৰিলো। এতিয়া যেন আমি আমাৰ দলে জয়লাভ কৰাটো দেখিবলৈ পাওঁ সেই আশা আগত ৰাখিয়েই প্ৰবন্ধটিৰ সামৰণি মাৰিছো।

---

*বেদব্ৰত স্নাতক ২য় বৰ্ষ (পৰিসংখ্যা বিজ্ঞান)ৰ ছাত্ৰ।*

## কটন ঃ এটা জীৱনজোৰা অনুভূতিৰ নাম

*.............................. শ্ৰীঅৱনী দাসে বাইদেউৰ চকীখনৰ কাষতে আঁঠুকাঢ়ি কথা পাতিবলৈ আৰম্ভ কৰিলে। তজৱজাই থকা ৰবীন দাস, কিন্তু সকলোতকৈ একাঠি চৰা। চৰৰে ওচৰলৈ গৈ গৈ কাৰ কেইটা দাঁত আছে, কোন কিমান বুঢ়া হৈছে নিৰীক্ষণ কৰি মন্তব্য দিছে। নিজে লৈ অহা গ্ৰুপ ফটো দুখনৰ কাৰ চেহেৰা কেনে আছে পৰীক্ষা কৰি মতামত দি হাঁহিছে। হহুৱাইছে। এটা সময় আহিল যেন, স্কুলৰ ঘণ্টাহে বাজিল। সকলো থিয় হ'ল; একেদোপে উঠিব নোৱাৰা কেইজনো ভৰি কোচাই হত যোৰ কৰিলে– ছাৰ আহিল, ছাৰ এজনৰ কান্ধত ভৰ দি সোমাই আহিল ড০ মথুৰা নাথ গোস্বামী। মুখত আনন্দোচ্ছল হাঁহি। .......*

*এইবাৰ আহিল ফটো তোলাৰ সময়। .... নিৰ্জীৱ ফটো থাকিব কাঠৰ ফ্ৰেমত বন্দী হৈ সোঁৱৰণী ৰূপে। কিন্তু সেই মুহূৰ্তটো! আঠে কুৰি বছৰৰ পিছত ইমানবোৰ সহপাঠী একেলগে মিলেই ওচৰতে পোৱমুহূৰ্তটো সজীৱ হৈ থাকিব চাৰিকুৰি বছৰীয়া কটনিয়ান জাকৰ জীৱনৰ অন্তিম ক্ষণলৈ।*

*..... এক অভিনৱ আবেলি। অভিনৱ চাহমেল। ১৯৩৯ চনতে এৰা-এৰি হোৱা কটনিয়ান। শতাব্দীৰ কাষ চপা মহাবিদ্যালয়খনৰ পৰিচয়ে যেন সকলো।"*

**কমল (ৰাণা) শৰ্মা**

১৬ জানুৱাৰী, '৯৬ চনত '৩৯ চনৰ batch'ৰ

কটনিয়ানসকলৰ চাহমেলৰ আবেগিক বৰ্ণনাৰে "অসম বাণী"ত

লোক-সংস্কৃতি

# টাই জনগোষ্ঠী ঃ জীৱনধাৰাৰ প্ৰণালী আৰু সংস্কৃতি

❒ গীতাশ্ৰী দেউৰী

বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰে পৰা লুইতৰ পাৰলৈ বিভিন্ন জাতি, ধৰ্ম, ভাষাগোষ্ঠীৰ লোক আহিছিল। চিৰসেউজী অসমৰ মনোমোহা সৌন্দৰ্য্যই যেন তেওঁলোকক হাত বাউলি মাতিছিল। বহুতো জনগোষ্ঠীয়ে নিজ নিজ ভাষা, ধৰ্ম, কৃষ্টি সংস্কৃতি পাহৰি অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিকে আদৰি লৈ এখন সুস্থ, সবল, ঐক্যবদ্ধ অসম গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলাইছিল।

সংস্কৃতি, ই এক নিজস্ব প্ৰক্ৰিয়া। কোনেও জোৰ কৰি এই সংমিশ্ৰণ ঘটোৱা নাই। মানুহৰ স্বতঃস্ফূৰ্ত আকাঙ্খাই মানুহক সন্মিলিত কৰিছে। কোন জনগোষ্ঠীৰ কি কি অৱিহণাৰে অসমীয়াৰ বিশাল সংস্কৃতিৰ ভঁৰাল চহ খাই ৰল এই বিষয়ে চিন্তা কৰিলেও চিন্তাৰ আঁত হেৰাই যায়।

সময় আৰু সংহতিয়েই হ'ল অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য। আৰ্য্য, অনাৰ্য্য, মংগোলীয় আদি বিভিন্ন জনগোষ্ঠীৰ কৃষ্টিৰ ফলক অসমীয়া সংস্কৃতি। অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদানো অনন্য। টাই সকল অসমীয়া লোকৰ এটি বৃহৎ ঠাল বুলিব পাৰি।

তাইসকল দক্ষিণ পূব এচিয়া আৰু চীনদেশৰ দক্ষিণ অঞ্চলৰ এক বৃহত্তৰ এলেকা জুৰি বিস্তৃত হৈ আছে। থাইলেণ্ড, লাওচ, চীনদেশ আৰু ম্যানমাৰত বহু সংখ্যক টাই দেখা যায়। টাইসকলক বিশ্বৰ বিভিন্ন ঠাইত বিভিন্ন নামেৰে জনা যায়। ম্যানমাৰত তাইসকলক 'শ্যান' বুলি জনা যায়। কিন্তু ম্যানমাৰ, চীন তথা থাইলেণ্ডৰ কেইবাটাও তাই গোটক মূলতে এক বৃহৎ সংখ্যক তাই লোকক সামৰি "টাই য়াই" বুলি পৰিচয় দিয়া দেখা যায়। থাইলেণ্ডৰ সৰহ সংখ্যকক "টাই লয়" বুলি জনা যায়।

টাইসকল মঙ্গোলীয় হিচাপেও পৰিচিত। তেওঁলোক একে ঠাল আৰু সংস্কৃতিৰ লোক হ'লেও সময়ৰ গতিত বিভিন্ন নামেৰে জনাজাত হয়। তেওঁলোক শ্যান, লুই, যুৱান, আই, লাও, নেওৱা, ক'লা টাই, বগা টাই, ৰঙা টাই, তো আৰু ছুংচিয়া আদি বিভিন্ন নামেৰে পৰিচিত। অসম তথা উত্তৰ পূব ভাৰতৰ বিভিন্ন স্থান আৰু অঞ্চলত বসবাস কৰা টাই বৌদ্ধ জনগোষ্ঠীৰ লোকসকল, যেনে টাই খাময়াং(শ্যাম), টাই খামতি, টাই ফাকে, টাই আইতন আৰু টাই তুৰুংসকল দক্ষিণ পূব এচিয়াৰ বিৰাট শ্যান বা টাই জাতিৰ লোক।

টাই সংস্কৃতি এক বিশাল আৰু চহকী সংস্কৃতি। ১২২৮ খৃঃত টাই ৰজা চুকাফাৰ নেতৃত্বত অহা টাইলোক সকলৰ অসম তথা উত্তৰ-পূব ভাৰতলৈ আগমনৰ লগে লগে টাই কলা সংস্কৃতি, ভাষা সাহিত্য, বুৰঞ্জী আৰু ধৰ্মৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা হ'ল।

টাই আহোমসকলৰ বাহিৰে বাকী টাই জনগোষ্ঠীৰ লোকসকল যেনে ঃ খাময়্যাং,খামতি, ফাকে, আইতন আৰু তুৰুং আদি দক্ষিণ-পূব এচিয়া আৰু বিশ্বৰ আন টাই জাতিৰ লোকসকলৰ দৰে বৌদ্ধ ধৰ্মাৱলম্বী। টাই বৌদ্ধ জনগোষ্ঠীৰ লোকসকল কলা-সংস্কৃতিৰ ক্ষেত্ৰত অতিশয় চহকী। বৌদ্ধ বিহাৰবোৰ বিতোপনকৈ সজ্জিত।

টাইসকলৰ ঘৰবোৰ সাধাৰণতে চাংঘৰ। পৰিপাটিকৈ প্ৰতিস্থা কৰা গাঁওবিলাকৰ প্ৰতিঘৰতে একোখন ধুনীয়া ফুলনি থাকে। বাৰীবোৰত চকুত লগাকৈ তামোল, পাণ, নাৰিকল, কল, বিবিধ ফলমূলৰ গছ আৰু শাক-পাচলিৰে ভৰপূৰ, হৈ থাকে। তেওঁলোকৰ প্ৰধান জীৱিকাৰ পথ কৃষি। অহিংসাই হ'ল তেওঁলোকৰ পৰম ধৰ্ম।

টাই জনগোষ্ঠীৰ কেইটামান ঠাল বা শাখাৰ থুলমূল বিবৰণ এই আলোচনাৰ যোগেদি আগবঢ়োৱা হ'ল। সেইবোৰ হ'ল– টাই খামতি, টাই আইতন, টাই ফাকে, টাই তুৰুং আৰু টাই আহোম।

## টাই খামতি ঃ

খামতি জাতি শ্যাম গোষ্ঠীৰ টাই বংশৰ লোক। ইং ১৭৫২-৬০ খৃঃত বৰ্মা ৰজা আলমফ্ৰাই উত্তৰ বৰ্মাৰ খামতি ৰাজ্য ম্যুঙ-ক্ৰঙ, খামতি লং বা পঙ আক্ৰমণ কৰাত আহোম ৰজা ৰাজেশ্বৰ সিংহৰ দিনত (ইং ১৭৫১-৬৯ খৃঃ) ত খামতিৰ এটা দল পাটকাই পাৰ হৈ অসম সোমায়। ইং ১৭৫২ খৃঃত ৰাজেশ্বৰ সিংহই খামতিসকলক টেঙাপানী নৈৰ পাৰত বাস কৰাৰ অনুমতি দিয়ে। ইং ১৭৮০ চনত ৰজা গৌৰীনাথ সিংহই খামতিসকলক টেঙাপানীৰ পৰা শদিয়ালৈ পঠায়।

প্ৰকৃততে খামতি সকলে বৈশালী, য'ত ভগৱান বুদ্ধৰ ধৰ্মৰ ধ্বজা উৰিছিল, তালৈ বুলিহে আহিছিল। সেই সময়ত যান-বাহন আৰু বাট-পথৰ শুদ্ধজ্ঞান নথকা হেতু ভুলতে আহি অসম সোমায়হি। আহি এই দেশকে বৈশালী বুলি ভাবিবলৈ ধৰিলে আৰু অসমত টাই আহোম সকলক পাই অন্য ঠাইলৈ নগ'ল।

খামতি শব্দটোৱে এক সুন্দৰ অৰ্থ প্ৰকাশ কৰে। টাই খামতিসকলৰ মতে 'খাম' মানে 'সোণ' আৰু 'তি' মানে স্থান। অৰ্থাৎ খামতিসকল সোণ উৎপন্ন কৰা দেশৰ মানুহ। কিছুমান খামতিয়ে তেওঁলোক 'ম্যিঙ-লুং-চুন-খাম' দেশৰ বুলি কয়। ম্যিঙ মানে দেশ, লুং মানে বৃহৎ, চুন মানে বাগিছা আৰু খাম মানে সোণ। অৰ্থাৎ তেওঁলোক সোণালী বাৰীৰ ডাঙৰ দেশৰ লোক।

এই জাতিটোৱে শদিয়া অঞ্চলত নিজ ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। উপায়ান্তৰ হৈ আহোম ৰজায়ো এই ৰাজ্যক স্বীকৃতি দিয়ে। বৰ্ত্তমান অনেক লোক অৰুণাচলৰ লোহিত জিলালৈ উঠি গৈছে। নাৰায়ণপুৰৰ বৰ খামতি গাওঁখনেই সময়ৰ খামতি গাওঁ। বৰ্ত্তমান লোহিত জিলাক সামৰি খামতি লোকৰ সংখ্যা দহ হাজাৰ মান হ'ব।

টাই খামতিসকল প্ৰায়ে হীনযানী বৌদ্ধ ধৰ্মৰ লোক। তেওঁবিলাকৰ ধৰ্ম গুৰুসকল সমাজৰ সন্মানীয় ব্যক্তি। খামতিসকলে ব্ৰহ্মদেশৰ পঞ্জিকামতে চলে আৰু সেই দেশৰ বৌদ্ধ ধৰ্মগুৰুৰ পবিত্ৰ ছাংকেন নামৰ পত্ৰৰ নিয়মাৱলী মতে তিথি (ছাতাং), উৎসৱ আদি পালন কৰে। সমগ্ৰ দক্ষিণ-পূৱ এচিয়া মহাদেশ, অসম আৰু অৰুণাচলত বসবাস কৰা সকলো বৌদ্ধ ধৰ্মাৱলম্বী সকলে যাতে একে সময়তে ছাংকেন উৎসৱ পালন কৰিব পাৰে তাৰেই সুন্দৰ ব্যৱস্থা কৰা হৈছে। বৌদ্ধ ধৰ্মালম্বী সকলৰ মাজত সংহতি তথা সমন্বয় ৰক্ষা কৰাৰ ক্ষেত্ৰত পবিত্ৰ ছাংকেনৰ অৰিহণা অতুলনীয় আৰু প্ৰশংসনীয়।

অনাগত দিনৰ বাবে বিভিন্ন ৰোগ ব্যাধিৰ আবিৰ্ভাৱ আৰু তাৰ প্ৰতিকাৰৰ উপায়, কোন কোন দিন বাৰত বাৰ্ষিক জন্ম গ্ৰহণ কৰা ল'ৰা-ছোৱালী তথা বয়সীয়াল লোকে কি কি ফুলেৰে বুদ্ধদেৱৰ মূৰ্তিক পূজিলে, কি কি বেমাৰ-আজাৰৰ পৰা হাত সাৰিব পাৰি তাৰ উপায়, আগন্তুক বছৰৰ বৃষ্টিপাত হোৱাৰ পৰিমাণ আৰু কি কি শস্যৰ খেতি কৰিলে লাভবান হ'ব পাৰি আৰু সবিশেষ বৰ্ণনা, উপায়, নিৰ্দেশ আৰু সমাজ আৰু পৰিবৰ্তনৰ বহুমূলীয়া উপদেশ এই পত্ৰখনত দিয়া থাকে। এই পত্ৰখনেই যেন ভৱিষ্যতৰ বাৰ্ষিক দলিল স্বৰূপ।

টাই খামতিসকলৰ জাতীয় উৎসৱ ছাংকেন সাধাৰণতে তিনিদিন পালন কৰা হয়। ছাংকেন উৎসৱ পালন কৰা কেইদিন তেওঁলোকে উৎসৱৰ বাবে কোনো বস্তু সংগ্ৰহ নকৰে। কাৰণ তেনে কৰিলে অমংগল হয় বুলি তেওঁলোকে বিশ্বাস কৰে। সেয়ে উৎসৱ পালনৰ এদিনৰ পূৰ্বে আখৈ (খাউতেক), পিঠা (খাউমুন), শাক পাচলি, খৰি আদি যাৱতীয় সকলো বয়বস্তু সংগ্ৰহ কৰে। টাই খামতিসকলৰ জাতীয় উৎসৱ ছাংকেনৰ বাবে বৌদ্ধ বিহাৰৰ চোতালত এটি ক্ষুদ্ৰ জুপুৰী বনাই ঘৰটোৰ এফালে দীঘলীয়াকৈ চাং এখন স্থাপন কৰে। ঘৰটোৰ বাহিৰৰ ফালে কাঠৰ দীঘলীয়া নাওঁ এখন ৰাখে। এনে ধৰণৰ নাওঁক খামতিসকলে 'হাংলিং' বোলে। হাংলিং খন এনেভাৱে স্থাপন কৰে যে এটা মূৰ ঘৰৰফালে আৰু আনটো মূৰ বাহিৰৰ ফালে থাকে। জুপুৰীটো বিবিধ ফুলেৰে সু-সজ্জিত কৰি আটক ধুনীয়াকৈ সজাই ৰাখে। জুপুৰীটো পবিত্ৰ ঠাই বুলি মান কৰি পূৰ্বৰ পবিত্ৰ ছাংকেন পত্ৰত লিখা সময়, ক্ষণ অনুযায়ী বৌদ্ধ বিহাৰৰ পৰা পবিত্ৰ বৌদ্ধ মূৰ্তিবোৰ অসংখ্য মানুহে শোভাযাত্ৰাৰে কঢ়িয়াই আনে। শোভাযাত্ৰাৰ লগে লগে খামতিৰ জাতীয় বাদ্যযন্ত্ৰ ঢোল, তাল আদি বিভিন্ন বোলত বজাই চৌদিশ আনন্দ মুখৰ তথা উৎসৱ মুখৰ কৰি তোলে। ইয়াৰ পাছতেই আচল ছাংকেন উৎসৱ আৰম্ভ হয়।

টাই খামতিসকল প্ৰায়ে হীনযানী বৌদ্ধ ধৰ্মৰ লোক। তেওঁবিলাকৰ ধৰ্ম গুৰুসকল সমাজৰ সন্মানীয় ব্যক্তি। খামতিসকলে ব্ৰহ্মদেশৰ পঞ্জিকামতে চলে আৰু সেই দেশৰ বৌদ্ধ ধৰ্মগুৰুৰ পবিত্ৰ ছাংকেন নামৰ পত্ৰৰ নিয়মাৱলী মতে তিথি (ছাতাং), উৎসৱ আদিপালন কৰে। সমগ্ৰ দক্ষিণ-পূৱ এচিয়া মহাদেশ, অসম আৰু অৰুণাচলত বসবাস কৰা সকলো বৌদ্ধ ধৰ্মাৱলম্বী সকলে যাতে একে সময়তে ছাংকেন উৎসৱ পালন কৰিব পাৰে তাৰেই সুন্দৰ ব্যৱস্থা কৰা হৈছে। বৌদ্ধ ধৰ্মালম্বী সকলৰ মাজত সংহতি তথা সমন্বয় ৰক্ষা কৰাৰ ক্ষেত্ৰত পবিত্ৰ ছাংকেনৰ অৰিহণা অতুলনীয় আৰু প্ৰশংসনীয়।

এনেদৰে ৰীতি নীতিৰে মূৰ্তিবোৰ বিহাৰৰ পৰা নমোৱাৰ লগে লগে খামতিসকলে শান্তিৰ বাণী লৈ আগন্তুক নতুন বছৰৰ মঙ্গল কামনাৰে ভগৱান বুদ্ধৰ নাম স্মৰণ কৰি হাংলিংখনত পবিত্ৰভাৱে পানী ঢালে। এই পানীখিনি চিটিকি এই পবিত্ৰ মূৰ্তিবোৰত পৰেগৈ আৰু সেই পানীৰেই মূৰ্তিবোৰক গা দুৱায়। মূৰ্তিবোৰক এনে ধৰণৰ পানীৰে গা ধুৱালে জীৱন সাৰ্থক হয় বুলি খামতিসকলে বিশ্বাস কৰে। সেই কেইদিন দিনৰ বেলা মূৰ্তিক গা ধুওৱা আৰু ৰাতি বন্তি জ্বলাই ভগৱান বুদ্ধক পূজা কৰে। মূৰ্তিবোৰক স্নান কৰোৱা সময়ত সকলোৱে ইজনে সিজনৰ গালৈ পানী ছটিয়াই আনন্দত আত্মহাৰা হয়। সকলোৱে বছৰটোৰ বাবে মনৰ অস্থায়ীভাৱ নাশ কৰি উচ্চ নীচ ভেদাভেদ পৰিহাৰ কৰি প্ৰকৃত মানৱ প্ৰেমৰ ডোলেৰে বান্ধ খাই সকলোৱে এজনা ঈশ্বৰৰ সন্তানৰূপে পৰিগণিত হয়। ইয়াৰ পাছত সকলোৱে ঘৰে ঘৰে গৈ আখৈ, পিঠা আদি খাই একাপ্ৰাণ, একজাতিত পৰিণত হয়। উৎসৱৰ দিনা মঙ্গলাশীৰ্বাদ পোৱাটো টাই খামতি সকলে পৰম সৌভাগ্য বুলি ভাবে, এনেকৈ তিনিদিন ধৰি ছাংকেন পালন কৰাৰ অন্তত উৎসৱৰ সামৰণি পৰে।

ছাংকেন উৎসৱৰ দুদিনৰ পাছত 'পয়ছাংকেন' নামৰ এটি অনুষ্ঠান পাতে। ইয়াত এটি ভোজৰ আয়োজন কৰে। এই 'পয়ছাংকেন'ৰ বাবে সংগৃহীত খাদ্য আৰু অন্যান্য বস্তুবোৰ ৰাজহুৱা ঘৰত(জোমৌ) গোটাই থয়। সকলো মানুহ বিশেষকৈ ডেকা-গাভৰুসকল সেই ৰাতি জোমৌত থাকে আৰু পাছদিনা পুৱা ভোজৰ আয়োজন কৰে। তেওঁলোকৰ বিশ্বাস যে সেই ৰাতি জোমৌত কটালে জীৱনটো সুখৰ হয়। পিছদিনা পুৱা সকলো মিলি ভোজ ভাত খাই আনন্দ কৰে।

খামতিসকলৰ জাতীয় উৎসৱ বিহু। অসমীয়াৰ দৰে তেওঁলোকেও পয়-কাফিং (কাতি বিহু), মাই-কো-চুম-ফাই (মাঘ বিহু) আৰু পয় চঙ-কেন (বহাগ বিহু) পালন কৰে। এই বিহুত তেওঁলোকে বিশেষকৈ বুদ্ধমূৰ্তিক স্নান কৰোৱাই। কাতি বিহু কাতিৰ প্ৰথম পূৰ্ণিমাত হয়। সেইদৰে

মাঘবিহু মাঘ পূৰ্ণিমাত পালন কৰা হয়। এই বিহুত মেজি জ্বলোৱা হয়। বহাগ বিহু খামতিসকলৰ প্ৰিয় উৎসৱ। সেই সময়ত বৌদ্ধ বিহাৰৰ চোতালত আটক ধুনীয়াকৈ এটা মন্দিৰ সজা হয়। ইয়াক ক্যংফ্ৰা বোলে। ইয়াৰ কাষতে লৌংকৌং নামৰ পানী ছটিওৱা কিছুমান বাঁহৰ চুঙা বৃত্তা-াৰে সজোৱা থাকে। লৌংকৌঙ লগত ক্যংফ্ৰাক এখন নোওবাৰে এনে াৰে সংযোগ কৰা হয় যে লৌংকৌঙত পানী পৰিলে সিঁচঁৰিত হৈ ক্যংপ্ৰাত সজাই থোৱা বুদ্ধ মূৰ্তিত পৰে আৰু তেতিয়াই ছাংকেন গোৱা হয়। বিহুৰ আটাইকেইদিনত অসমীয়াৰ দৰে চিৰা-পিঠা আদি খায়। খামতি ভাষাত বিহুগীতো আছে । ইয়াক মোখাঙ বোলে। বিয়া নামবোৰক খাম-লুঙ-চাও বোলে। এইবোৰ গীত মুখে মুখে ৰচিত।

খামতিসকল এটা অতি সুসভ্য, জ্ঞানী আৰু কৰ্মী জাতি। তেওঁলোকে কাঠ-বাঁহ আৰু হাতীদাঁতৰ কাম কৰে। খামতি মহিলাসকলে পুৰুষৰ সমানে স্বাধীনতা লাভ কৰে। মহিলাসকলে ঘৰতে সূতাৰে বিধে বিধে কাপোৰ বয় আৰু ফুল বাছে। খামতি সমাজত তিৰোতা সকলৰে পুৰুষৰ সমানেই সকলোতে অবাধে বিচৰণ কৰিব পৰা অধিকাৰ আছে।

খামতিসকল অত্যন্ত ধৰ্মপৰায়ণ আৰু মহাদানী। তেওঁলোকে ন-ধানৰ চাউলমুঠি, ন-গাইৰ গাখীৰটুপি, শালৰ ন-বস্ত্ৰখনি, বাৰীৰ ন-পাচলি মুঠি দান নকৰাকৈ কেতিয়াও গ্ৰহণ নকৰে। পৰোপকাৰিতা খামতিসকলৰ ধৰ্ম বুলিব পাৰি।

## টাই আইতন ঃ

অসমৰ টাইসকলৰ ভিতৰত্ত আইতন সকলো টাই ফৈদৰ লোক। আইতনসকলো আহোমৰ সগোত্ৰীয় টাই লোক। অসমৰ কাৰবি আংলং, গোলাঘাট, চিলনিজান, বৰপথাৰ, সৰুপথাৰ, বালিপথাৰ আহোমনি, কালিয়নি আদি ঠাইত টাই আইতল সকলে বসবাস কৰে। অৰুণাচলৰ লোহিত জিলাতো টাই আইতন সকলৰ বসতি স্থান। টাই খামতিসকলৰ দৰে আইতনসকলকো অৰুণাচলত সম্পূৰ্ণ পাহাৰীয়া জনজাতি হিচাপে স্বীকৃতি দিয়া হৈছে। অৰুণাচল প্ৰদেশৰ লোহিত জিলাতো আইতনসকলে বাস কৰে।

আইতন শব্দটোৰ 'তন'ৰ অৰ্থ হৈছে উচ্চ বা ওখ। আইতন সকলে নিজকে উচ্চ শ্ৰেণীৰ মানুহ বুলি ভাবে। আইতনসকলে নিজকে 'পুং পুন টেং টন নো, চিম চি চিম কোন খোপ পাই বাই' বুলি কয়। অৰ্থাৎ সকলো সন্মানীয়সকলৰ ভিতৰত উচ্চলোক। তেওঁলোকৰ প্ৰকৃত গৃহভূমি আছিল ম্যানমানৰ উপত্যকাৰ মোংগ তাইতন। খামতিসকল অসমলৈ অহাৰ পূৰ্বে আইতন সকল আহিছিল। তেওঁলোকে আহোম স্বৰ্গদেউৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰিবলৈ অনুমতি পায়।

বৰ্তমান আইতন মানুহ কমেও পাঁচ হাজাৰৰো অধিক হ'ব। তেওঁলোক সকলোৰে মাতৃভাষা টাই। তেওঁলোকে টাই ভাষাত আজিও গীতমাত ৰচে, গায়। গল্প, কবিতা, কাহিনী, নাটক আদি ৰচনা কৰে। বৌদ্ধ বিহাৰত বহু থাই বা ধৰ্ম দেশৰ বুদ্ধ মূৰ্তিও আছে। তেওঁলোকৰ পেগুদাবোৰ শ্যান দেশীয় ৰীতিৰ। পোচাক পৰিচ্ছদ ও শ্যান টাইসকলৰ দৰেই।

আইতনসকলৰ বিশ্বাসমতে আহোম বুৰঞ্জীত থকা লেংদন খুনলু-খুন লাইয়েই তেওঁলোকৰ পিতৃপুৰুষ খুন লুং খুন লাইৰ পৰা ছুংকাফালৈ তেওঁলোক একেলগে আহিছিল। বহুতৰ মতে আইতনসকলো ছ্যৎকাফৰে লগত একে গোটতে অসমলৈ আহিছিল। পাছত আইতন নামেৰে পৰিচিত হ'ল। টাই আইতন সকলৰ ছটা ফৈদ আছে যেনে ছ ফালু, হাও ম্যুং লুং, থাও ম্যুং এন, চিৰিং, চাও হাই আৰু চাও পি। চিৰিং, থাও ম্যুং এই দুই ফৈদ আহোম, খামতি, খামায়াং টাই লোকৰ মাজত দেখাৰ উপৰিও ধৰ্মা, লাওচ আদিত দেখা যায়।

টাই আইতনসকল মূলতঃ কৃষিজীৱী। অন্যান্য টাইসকলৰ দৰেই আইতনসকলেও চাংঘৰ বনাই, তুপ দিয়ে, মুধচে দুৱাৰ ৰাখি ঘৰ সাজে। খেতিৰ সা-সজুলিবোৰ আৰু খেতি কৰা পদ্ধতিও সকলো টাইৰে একে, আইতনসকলে গৰু, মহ, ছাগলী, হাঁহ, কুকুৰা, গাহৰি আদি পোঁহে। কিন্তু বৰ্তমানে বৌদ্ধ ধৰ্মৰ ব্ৰাহ্মণ্য প্ৰভাৱত বহু আইতন লোকে ছাগলী, হাঁহ, কুকুৰা, গাহৰি আদি পুহিবলৈ এৰি দিছে। আইতনসকলে আহোমৰ দৰেই আমৰলি টোপ, কছু বৰলৰ টোপ, কেকুৰা, চেঙেলী মাছ, শ'ল, শিঙি,



চেঙা, শামুকস বেং আদি খায়। তেওঁলোকে লাওপানী অন্যান্য টাইসকলৰ দৰেই বনাব জানে আৰু লাও পিঠাও বনাব জানে। তেওঁলোকে বাঁহ, বেতৰ সা-সঁজুলিও ব্যৱহাৰ কৰিব জানে।

খামতিসকলৰ দৰে আইতনসকলো খুউব কৰ্মী জাতি। তেওঁলোৰ পুৰুষ, মহিলাই সমানে কাম কৰে। মহিলাসকলেও পুৰুষৰ সমানেই স্বাধীনতা লাভ কৰে। ঘৰৰ ৰন্ধা-বঢ়া, ঢেকী দি ধান বনা, ৰোৱা তোলাৰ পৰা আদি কৰি বজাৰত শাক-পাচলি, চাউল আদি বেচালৈকে সকলো মহিলাসকলেই কৰে।

টাই আইতনসকল দক্ষিণ-পূব এচিয়া আৰু বিশ্বৰ আন আন দেশৰ টাই জাতিৰ লোকৰ দৰে বৌদ্ধ ধৰ্মী। বৌদ্ধ বিহাৰ তেওঁলোকৰ গাঁৱে গাঁৱে আছে। তেওঁলোকে 'ফী' (দেৱতা) বিশ্বাস কৰে। টাই খামতিসকলৰ দৰে টাই আইতনসকলেও ৰং-তামাচাৰে ছাংকেন উৎসৱ পৰম্পৰাগত ভাবে যুগ যুগ ধৰি উলহ-মালহেৰে পালন কৰি আহিছে। সাধাৰণতে এপ্ৰিল মাহৰ পূৰ্ণিমা তিথিত ছাংকেন উৎসৱৰ পাতনি মেলা হয়। বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ মাজত সংহতি তথা সমন্বয় ৰক্ষা কৰাৰ ক্ষেত্ৰত পবিত্ৰ ছাংকেনৰ অৰিহণা অতুলনীয় আৰু প্ৰশংসনীয়।

আইতনসকলৰ মাজতো অন্যান্য টাইসকলৰ দৰে তাই গীত-মাত, নাচ আদি পৰম্পৰাগত ভাবে চলি আহিছে। আইতনসকলৰ বাদ্য যন্ত্ৰবোৰ

হ'ল ঢিং (বীণা), পি তাই (বাঁহী), পি (পেপা), কং কৰং (গগনা), দে দুং দুং (টোকাৰী), ক্লং (ঢোল), ক্লং লুং (বৰ ঢোল) ইত্যাদি ।

খামতিসকলৰ দৰে আইতনসকলৰো নাচ আছে। 'কা মিং বি লি' পখিলা নচাৰ দৰে নচা নাচ। 'কা চিক ফ্রা' কৰা সময়ত ছোৱালীয়ে নাছে।

বিয়া সাধাৰণতে টাই আইতনসকলৰ মাজতে হয়। অন্য জাতিৰ লগত বিয়া হোৱাত কোনো বাধা নাই। আইতনসকলে তুৰুং, খামতি, ফাকে, আহোম আদি সম্প্ৰদায়ৰ মানুহৰ লগতো বৈবাহিক সম্বন্ধ স্থাপন কৰে। বিয়াক আইতনসকলে আওলু. পয় লুক চাও ব্ৰা আও লাৈং লুক চাও বোলে। দৰাই কইনাক জোৰণ দিয়া প্ৰথাক লুক খাই হাও ব্রুং বোলে।

## টাই ফাকে ঃ

টাই ফাকেসকল প্ৰকৃততে টাই গোষ্ঠীয় লোক। তেওঁলোক আহোমৰ একে সগোত্ৰীয়। বহুতে ফাকেসকলক 'মান' বুলি ভুল কৰে আৰু মানৰ লগতে অসম আক্ৰমণ কৰিবলৈ অহা বুলি ভাবে। কিন্তু প্ৰকৃততে মানৰ আক্ৰমণৰ বহু আগতেই অসমলৈ ফাকেসকলৰ আগমন ঘটিছিল। ফাকেসকলে ফাঁকি দি মানৰ আক্ৰমণৰ সময়তে অসমত বৈ যোৱা বুলি বহুতে তেওঁলোকক ফাকীয়াল বুলি কব খোজে যদিও ই শুদ্ধ নহয়।

অতীজৰে পৰা অসমত ফাকেসকল বসবাস কৰি আহিছে বুলি কব পাৰি। আনুমানিক ১৭৭৫ চনতে শান্তিপ্ৰিয় এই পাকেসকলে উন্নত জীৱনৰ সন্ধানত পাতকাই পৰ্বত পাৰ হৈ অসমলৈ আহিছিল। অসমলৈ অহাৰ পূৰ্বে তেওঁলোক 'নাম তুৰু' অৰ্থাৎ ত'তুৰুং নদীৰ পাৰত বাস কৰিছিল।

মানসকলে অসম আক্ৰমণ কৰি বৰ্মদেশলৈ ঘূৰি যাওঁতে ফাকেসকলকো লগতে লৈ গৈছিল। কিন্তু অহাৰ মাহত বাৰিষা বতৰত খাদ্যৰ অভাৱ অনাতনে দেখা দিয়াত মানসকলে ফাকেসকলৰ নাম চিকত এৰি গ'ল। পাছত তেওঁলোক নামি আহি বুঢ়ী দিহিঙৰ পাৰে পাৰে আহি জয়পুৰ পালেহি। বৰ্তমান ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ সমীপস্থ দিহিঙ নদীৰ দুয়োপাৰে টি পাম ফাকে আৰু নাম ফাকে নামৰ দুখন গাওঁও স্থাপন হ'ল। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা অঞ্চলত অৱস্থিত বৰফাকিয়াল আৰু মানমউমুখ, লিডুৰ ওচৰত অৱস্থিত লংলোই আৰু লঙগাওঁ, জাগুনৰ নিকটস্থ ফানেঙ আৰু মোলান গাওঁত টাই ফাকেসকলৰ বসতিস্থান। একমাত্ৰ টাই ফাকে লোক বাস কৰা এই গাওঁবোৰে সময় আৰু সভ্যতাৰ প্ৰৱল হেঁচা আৰু চাপৰ পিছতো অতি গৌৰৱপূৰ্ণ ভাবেই স্বকীয় জাতীয় কৃষ্টি, সংস্কৃতি জীয়াই ৰাখিছে।

পাকেসকলৰ সমাজত বিধবা বিবাহ সমৰ্থন কৰে। বিধবা সকলে সমাজত হিন্দুৰ দৰে থাকিব নালাগে। তেওঁলোকে স্বাধীনভাবে সমাজৰ সকলো কামতে অংশ গ্ৰহণ কৰিব পাৰে। ডেকা-গাভৰুৰ মাজত মুক্তবাবে মিলামিছা কৰাৰ স্বাধীনতা আছে। ডেকা-গাভৰুৱে নিজ পছন্দ মতে বিয়া কৰাব পাৰে। এই সমাজত পলুৱাই বিয়া কৰোৱো ব্যৱস্থা আছে। নীতি বিৰুদ্ধ হ'লে এনে বিয়াত সম্মতি নজনায়। নীতি বিৰুদ্ধ নহ'লে ৰাইজে বিবাহ মানি লয়।

অতীজৰে পৰাই টাইপাকেসকলে ওখ ওখ চাংঘৰ সাজি বাস কৰে। বাঁহ আৰু কাঠেৰে নিৰ্মাণ কৰা ঘৰবোৰ টকৌ পাতেৰে ছোৱা হয়। আধুনিকতাৰ প্ৰভাৱত দুই-এটা ঘৰত আধুনিকতাৰ প্ৰৱেশ ঘটিছে যদিও তেওঁলোকে চাংঘৰৰ ঐতিহ্যপূৰ্ণ পৰম্পৰা বিসৰ্জন দিব পৰা নাই। ফাকেসকলে অন্যান্য টাইসকলৰ দৰে নদীৰ কাষত বাস কৰি আহিছে। নদীৰ প্ৰৱল বান পানীৰ পৰা ৰেহাই পাবৰ বাবেই এই চাংঘৰ নিৰ্মাণ কৰা হৈছিল। ফাকেসকলে চাঙৰ তলখন সাৰি-পুচি চাফা কৰি ৰাখে। চাঙৰ তলত বাঁহ বেতৰ কাম আৰু তাঁত বব পৰাকৈ ব্যৱস্থা ৰখা হয়। চাঙঘৰবোৰ জুৰীয়া কৰি বনোৱা হয়। মুধচৰ ফালে ঘূৰণীয়া বা ধেনুভিৰীয়া। চীনৰ য়ুন্নানৰ টাইসকলৰ লগত ফাকেসকলৰ ঘৰবোৰৰ সাইলাখ মিল আছে।

টাই ফাকেসকল বাঁহ কাঠেৰে সঁজুলি আৰু বচন বৰ্তন নিৰ্মাণ কৰাত পাৰ্গত। তেওঁলোকে বাঁহ কাঠেৰে কৰা ওখ 'কিন খাও' (ভাত ঢকা বাচন), পাং পান (শৰাই) আদি বৰ সুন্দৰকৈ তৈয়াৰ কৰি লয়। তেওঁলোক বাঁহেৰে ছাটি বনোৱা পদ্ধতি, ৰং বনোৱা পদ্ধতি আদিত পাৰ্গত। মাটিৰ বাচনো তেওঁলোকে নিজে বনাই লব পাৰে।

ফাকেসকলৰ খাদ্য অতিকে স্বাস্থ্যসন্মত। তেওঁলোকে চেৰা ভাত ৰান্ধি পাতত টোপোলা কৰি খায় । টাই ভাষাত ইয়াখ 'হ খাও'বোলে। টাইসকলে হালধি, মছলা, তে আদি অতি কম পৰিমাণে ব্যৱহাৰ কৰে। বনৰীয়া সেইজীয়া শাক-পাচলিৰ ওপৰত ফাকেসকলে বেছি গুৰুত্ব দিয়ে। তেওঁলোকে সাধাৰণতে তৰি-তৰকাৰী পানীত সিজাই খায়। তাক'খাওলাম' বুলি কয়। ফাকেসকলৰ অন্যতম প্ৰিয় জাতীয় পিঠা হ'ল 'খাও পুক'। ই বৰা চাউল, তিল আৰু নিমখ একে লগে মিহলাই খুন্দি তৈয়াৰ কৰা হয়। তেওঁলোকে ঘৰুৱাভাবে প্ৰস্তুত কৰা কিছুমান খাদ্য হ'ল ওকতি (পা-নাও) শুকান খৰিছা (ন হেউ), টেঙা খৰিছা (ন টোমা, টেঙা মাছ ( পা-টোম) ইত্যাদি।

পাকেসকলৰো অন্যান্য টাইসকলৰ দৰে সাজপাৰৰ ক্ষেত্ৰত এক সুকীয়া বৈশিষ্ট্য আছে। ফাকে মহিলাসকলে নিজে ককালত চমৰাৰ ফিটা সংযুক্ত কৰি তাঁত বয় আৰু সুন্দৰ কাপোৰ তৈয়াৰ কৰি লয়। ফাকে সকলৰ প্ৰতিঘৰতে অতি কমেও দুখনকৈ শাল দেখা যায়। বিবাহিতা বা বৃদ্ধ মহিলাই মূৰত বগা ফাকু বা পাগুৰি মাৰে। চীনৰ য়্যুন্নানৰ টাইসকলেও এনে পাগুৰি মাৰে। পুৰুষসকলে ফানুং বা লুঙি পিন্ধে। মহিলাসকলে চিন্ (মেখেলা) পিন্ধে। সাধাৰণতে অবিবাহিত মহিলাই শুধ বগা পাৰীত ফুলবচা চাদৰ আৰু বিবাহিত মহিলাই ৰঙীন চাদৰ ব্যৱহাৰ কৰে। এইবিলাকৰ ক্ৰমে 'ফা ফ'ক' ' আৰু 'নাৱ ৱাও' বোলা হয়। কাপোৰ বোৱাত ফাকে মহিলাসকল অন্যান্য টাইসকলৰ দৰেই পাকৈত। তেওঁলোকে নিজ হাতেৰে নানা ৰং-বিৰঙৰ কাপোৰ তৈয়াৰ কৰি লয়। ফাকে মহিলাসকলে নিজে তাঁতশালৰ পৰা থুং বা মোনা তৈয়াৰ কৰি লয়।

অন্যান্য টাইসকলৰ দৰে টাই ফাকেসকলৰো কৃষিয়েই হৈছে জীৱিকাৰ প্ৰধান উৎস। খেতিৰ সঁজুলিবোৰো সকলো টাইৰে একে। বৰ্তমান আধুনিকতাৰ প্ৰভাৱ পৰিলেও নাঙলেই হৈছে ফাকেসকলৰ কৃষি কাৰ্য্যৰ প্ৰধান সঁজুলি । জবকা (চেং থেং) , বিৰিয়া (কোন), ওখোন (ক্লাং চই), ডাঙৰ ডলা (বি খাও), চালনি (খুং) আদিবোৰ বাকী টাইৰ লগত একেই।

টাই ফাকেসকল বৌদ্ধ ধৰ্মৰ লোক। বৌদ্ধ বিহাৰটোৱেই হৈছে টাই ফাকেসকলৰ মূল সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। বৌদ্ধ বিহাৰত শ্ৰমন আৰু ভিক্ষুসকল থাকে। তেওঁলোকে টাই ভাষাৰ উপৰিও পালি ভাষাও শিকায়। ভিক্ষুসকলে দুপৰীয়া বাৰ বজাৰ আগতে আহাৰ গ্ৰহণ কৰে। ৰাতি আহাৰ নাখায়। পানী আৰু ফলমূলহে খায়।

বৌদ্ধ ধৰ্ম গ্ৰহণ কৰাৰ পাছত বহুতে জীৱ হত্যা মহাপাপ বুলি মুগা, পলু আদি নোপোহা হ'ল। হাঁহ, কুকুৰা আদিও নোপোহা হ'ল। কিন্তু খাইলেঙৰ, চীনৰ টাইসকলৰ মাজত হাঁত আৰু কুকুৰা প্ৰধান খাদ্য। হাঁহৰ অবিহনে তাই ঘৰত শোভা নাপায়।

ফাকেসকলৰ মাজতো নানা উৎসৱ পালন কৰা হয়। তেওঁলোকৰ প্ৰায়বোৰ উৎসৱেই ধৰ্মীয় পৰম্পৰাৰেই পালন কৰা হয়। 'পয় ছাংকেন' উৎসৱ ফাকেসকলৰ জাতীয় উৎসৱ।

একমাত্ৰ টাই ফাকে লোকসকলে সময় আৰু সভ্যতাৰ প্ৰৱল হেঁচা আৰু চাপৰ পিছতো অতি গৌৰৱপূৰ্ণ বাবেই স্বকীয় জাতীয় কৃষ্টি, সংস্কৃতি জীয়াই ৰাখিছে।

## টাই তুৰুং ঃ

অতীজৰে পৰা ভাৰতৰ উত্তৰ-পূৱত বাস কৰি থকা অন্যান্য টাইসকলৰ দৰে টাই তুৰুং সকলো টাই জনগোষ্ঠীৰে লোক। এই জনগোষ্ঠীসমূহ যদিও একে ভূ-প্ৰাকৃতিক পৰিবেশৰে অধিকাৰী, তথাপি তেওঁলোকে পৰম্পৰাগত ভাৱে স্বকীয় সংস্কৃতিৰ ধাৰাবাহিকতা ৰক্ষা কৰিও মিলা-প্ৰীতিৰে বসবাস কৰিবলৈ সক্ষম হৈছে।

তুৰুংসকলৰ বৰ্তমান জনসংখ্যা খুবেই কম। অসমৰ যোৰহাট, গোলাঘাট আৰু কাৰ্বি আংলং জিলাত তেওঁলোকৰ বৰ্তমানৰ বাসস্থান। তুৰুংসকলে গাওঁ পাতি একে ঠাইতে গোট খাই থাকিবলৈ ভাল পায়। যিকোনো ৰাজহুৱা কাম-কাজৰ সিদ্ধান্ত বা মীমাংসা গাওঁৰ সকলো ৰাইজ গোট খাই আলোচনা-বিলোচনাৰ মাজেদি কৰা হয়।

টাই সংস্কৃতিৰ এটি তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য হৈছে নাৰীসকলক সমাজত পুৰুষসকলৰ সমমৰ্যাদা দিয়া হয়। বহু বিবাহ সমৰ্থন নকৰে। অন্যান্য টাইসকলৰ দৰে তুৰুং মহিলাই পুৰুষৰ সমানে কামত অংশ গ্ৰহণ কৰে। তুৰুং মহিলাসকলে খেতি পথাৰত কাম কৰা, খেতিফচলৰ পৰা আৰম্ভ কৰি ৰন্ধা-বঢ়া, বোৱা-কটা আদি কামতো বৰ পাৰ্গত। তেওঁলোকে নিজ হাতেৰে ফুলাম গামোছা, ফুলাম মেখেলা, মোনা আদি তৈয়াৰ কৰি লয়। অন্যান্য টাইসকলৰ দৰে তাই তুৰুংসকলৰো প্ৰতিগৰাকী মহিলাই তাঁত বব জানে। প্ৰতিঘৰতে দুই বা ততোধিক তাঁতশাল দেখা যায়। তেওঁলোকে নিজ হাতেৰে তৈয়াৰ কৰা কাপোৰ পিন্ধি বেছি ভাল পায়।

টাই তুৰুং সংস্কৃতিৰ অন্যতম বৈশিষ্ট হৈছে কৃষি। কাৰণ তেওঁলোক মূলত কৃষিজীৱী। তুৰুংসকলৰ ঘাই জীৱিকা হৈছে ধান খেতি। ধান খেতি কৰাৰ ওপৰিও তেওঁলোকে অন্যান্য শাক-পাচলিৰ খেতিও কৰিব জানে।

অন্যান্য টাইসকলৰ দৰে তুৰুংসকলেও চাংঘৰ সাজি বাস কৰে। তেওঁলোকে চাংঘৰ পূৱ আৰু দক্ষিণ মুৱাকৈ সাজি লৈছিল । পূৱ মুৱাকৈ সজা ঘৰ উত্তৰ আৰু দক্ষিণত সজা আৰু দক্ষিণমুৱাকৈ সজা ঘৰ পূব আৰু পশ্চিম মুৱাকৈ সজা হয়। এনেকৈ সজা ঘৰৰ চোতালখন যথাক্ৰমে পূব আৰু দক্ষিণফালে থাকে যʼত অনবৰতে ৰʼদ পৰি থাকে।

টাই তুৰুং ভাষাটো অন্যান্য টাই ভাষাকেইটা অৰ্থাৎ আহোম, খামতি, পাকে, খামজাং, আইতন আদিৰ দৰে উত্তৰ স্যান শাখাৰ ভাষা। এই ভাষা কেইটাৰ মাজত পাৰ্থক্য খুউব কম, সাদৃশ্যহে বেছি। বৰ্তমান তুৰুংসকলে কোৱা ভাষাটো খামতি ভাষাৰ প্ৰায় একে ৰূপ। বহুতে কব খোজে যে তুৰুংসকলে চিংফৌৰ হাতত বন্দী হৈ থকা অৱস্থাত নিজৰ ভাষা পাহৰিলে অথবা চিংফৌৰে মিহলি হৈ বিকাৰগ্ৰস্থ হৈ পৰিল। মুক্তিৰ পাছত তুৰুংসকলে পুণৰ খামতিসকলৰ পৰা টাই ভাষা শিকি লয় আৰু নিজৰ মনত থকা অলপ কথা তাৰ লগত যোগ দি লয়। অন্যান্য টাইসকলৰ দৰে তুৰুং ভাষাও খামতি লিপিৰে লিখা হয়।

তুৰুংসকল থেৰাবাদী বৌদ্ধ ধৰ্মী । প্ৰতিখন গাওঁতেই একোটাকৈ বুদ্ধ মন্দিৰ থাকে। ইয়াক 'চং' বুলি কোৱা হয়। বুদ্ধ বিহাৰৰ উপৰিও গাওঁবিলাকত সৰু ডাঙৰ একোটাইত দৌল থাকে। দৌলটোক কংমো বোলে। চং আৰু কং মোত বুদ্ধ মূৰ্ত্তী (চেং নাই) আৰু ধৰ্মীয় পুথি (ফোনলিক) থাকে। পুৱা-গধূলি সদায় চং আৰু কং মোত মম বাতি, ধূপ আদি জ্বলায়। ফুল উৎসৰ্গা কৰি বন্দনা গীত গায়। বুদ্ধ মন্দিৰত স্থায়ী ভিক্ষু থাকে । ভিক্ষুৰ অনুপস্থিতিত চং তাকাই (তত্বাৱধায়কে) চং আৰু কং মোৰ তত্বাৱধান লয়। তুৰুংসকলে ধৰ্মীয় কামত ব্যৱহাৰ কৰা সকলো শব্দই টাই-ভাষাৰ শব্দ। তেওঁলোকে পুথিবিলাককো দানৰ ভিতৰত উৎকৃষ্ট দান বুলি গণ্য কৰে। এই পুথিবিলাকো তাই ভাষাৰ হাতে লিখা পুথি। মৃতকৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে আত্মীয় স্বজনে এনে পুথি উৎসৰ্গা কৰাটো বাধ্যতামূলক কাম বুলি ধৰে। এই টাই ভাষাৰ পুথি বিলাক গৃহস্থৰ মঙ্গলৰ অৰ্থে পাঠ কৰোৱা হয়। তুৰুংসকলে মানুহ মৰিলে জুই জ্বলাই দেহাটো সৎকাৰ কৰে।

অন্যান্য টাইসকলৰ দৰে টাই তুৰুংসকলেও নানা উৎসৱ পালন কৰে। তেওঁলোকে কাতি পূৰ্ণিমাত কছিন পয়, প-টে-ছ আৰু পয়লু থৌ হেইং, মাঘ পূৰ্ণিমাত 'মাই লুম ফাই পয়', ফাগুনৰ পূৰ্ণিমাত 'পয় মাং কাপা', 'পয় পেত মৌন চি হেইৱলু' আৰু বহাগ মাহত 'পয় মাংকাপা', 'পয় পেত মৌন চি হেইৱল' আৰু বহাগ মাহত 'পয় ছাংকেন' উৎসৱ পালন কৰে। সকলো টাইৰ দৰে 'পয় ছাংকেন' হৈছে তুৰুংসকলৰ প্ৰধান জাতীয় উৎসৱ।

তুৰুংসকলে সন্তান-সন্ততিৰ নামকৰণৰ ক্ষেত্ৰত টাই নীতি-নিয়ম মানি চলে। এই নীতি অনুসৰি প্ৰথম পুত্ৰক লা-আই, দ্বিতীয় পুত্ৰক ভিঙী বা লাভী, তৃতীয় পুত্ৰক লেচাম, চতুৰ্থ পুত্ৰক লেচাই, পঞ্চম পুত্ৰক লুঙু নাম ৰাখে। সেইদৰে প্ৰথমা, দ্বিতীয়া, তৃতীয়া আৰু চতুৰ্থা কণ্যাক ক্ৰমে লিজী, লিঙ্গ, লা-আম আৰু লা-আয় নাম ৰাখিব লাগে। নামটো সম্পূৰ্ণ নাৰাখি পাছত বৰ্ণবোৰ যোগ দিও নাম দিব পাৰি। যেনে - ডাঙৰ পুত্ৰৰ নাম লা-আই নাৰাখি আই-খাম দিব পাৰি বা ডাঙৰ জীৰ নাম লিজী নাৰাখি জীয়াই ৰাখিব পাৰি।

তুৰুংসকলৰ কেইবাটাও খেল আছে, যেনে-দুকুং, লাজুং, দাৰাই, মানু, লি-আই, মাংখি, তাই-ফা ইত্যাদি।

## টাই আহোম ঃ

অতীজৰে পৰা নানা জাতি, ধৰ্ম, ভাষা-ভাষীৰ বিভিন্ন সম্প্ৰদায়ৰ লোক অসমলৈ আহি অসমৰ মাটিতে নিগাজিকৈ থাকিবলৈ ল'লে। সেই

জাতিসকলৰ ভিতৰত টাইসকলো আছিল। টাইসকলৰ আদি বাসস্থান আছিল চীনদেশত। চাও চুকাফা আৰু তেওঁৰ বংশধৰ সকলে ১২২৮ খ্ৰীষ্টাব্দৰ অসমলৈ আহি আহোম ৰাজ্যৰ প্ৰতিষ্ঠা কৰে। আহোমসকলে ১২২৮ খ্ৰীঃৰ পৰা ১৮২৬ খ্ৰীঃ ৰ ২৪ ফেব্ৰুৱাৰীৰ 'ইয়াণ্ডাবু সন্ধি' লৈকে প্ৰায় ছশবছৰ কাল অসমত সুখ্যাতিৰে ৰাজত্ব কৰিছিল। টাইসকল অহাৰ পাছতহে এই ৰাজ্যৰ নাম অসম হ'ল আৰু শাসন কৰা লোকসকল আহোম নামে জনাজাত হ'ল। অসমত বাসকৰা জাতিটোৱেই অসমীয়া নামেৰে পৰিচিত।

আহোমসকল বৰটাই শাখাৰ লোক। তেওঁলোক মূলতঃ শ্যামী-চীন ভাষাগোষ্ঠীয় টাই মানুহ আছিল। আহোমসকলৰ সাংস্কৃতিক প্ৰমূল্যসমূহ হ'ল উদাৰতা, গুণগ্ৰাহিতা, ধৰ্মনিৰপেক্ষতা, প্ৰগতিশীলতা আৰু সংস্কৃতিক সহিষ্ণুতা। এই চাৰিত্ৰিক বৈশিষ্ট্যসমূহৰ বাবেই নিজ ভাষা-সাহিত্য, ধৰ্ম আদি খামোচ মাৰি ধৰি নাথাকি উদাৰ দৃষ্টিভংগীৰে অসমৰ থলুৱা জনগোষ্ঠীৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি এক বৃহৎ অসমীয়া জাতি গঠন কৰিবলৈ সক্ষম হৈছিল।

টাই আহোমসকল আছিল মূলতঃ কৃষিজীৱি। তেওঁলোক শ্ৰমবিমুখ নাছিল, আত্মনিৰ্ভৰশীলহে আছিল। শতকৰা ৯০ ভাগেই কৃষিৰ ওপৰত নিৰ্ভৰশীল বুলি কব পাৰি। অসমৰ বকতা, কৰঙা, পাটসাকো, লাকুৱা, চিলাপথাৰ, দিচাংপানী, নাহৰকটীয়া, নামফাকে আদি টাইসকলৰ কৃষিকাৰ্য্যৰ লগত আহোমসকলৰ কৃষি কাৰ্য্য কোনো গুণেই অমিল নহয়। বাৰীৰ জেউৰা, জপনা, নঙলা, গোহালি, পদূলি, চোতাল, বাৰীৰ কল, তামোল-পাণ, তাল আদি পূৰ্বৰ সকলৰ লগত আহোমসকলৰ একে। খেতিৰ লগতে আহোমসকলে হাঁহ, কুকুৰা, গাহৰি, গৰু, ম'হ আদি পোঁহে। পুৰুষ-মহিলা উভয়ে খেতি পথাৰত কাম কৰে। কৃষিৰ লগতে সেই সময়ত বাঁহৰ ওতঃপ্ৰোতঃ সম্পৰ্ক আছিল। চাপমাৰি বাৰীপতা আৰু বাঁহেৰে জেওঁৰা দি খেতি কৰা প্ৰথাও টাইসকলৰে অৱদান। বাহেৰে ঘৰ সঁজা, বাঁহৰ কাঠী-কামীৰে ঘৰুৱা সা-সঁজুলি, তাঁতশালৰ সঁজুলি, মাছধৰা সঁজুলি আদি বহুতো টাই ৰীতি আহোম সকলেহে অসমত উলিয়াইছিল।

আহোমসকলৰ আন এক পৰম্পৰা আছিল মুগা পোঁহা। গতিকে মুগা পুহিবলৈ চোম, মেজাঙ্কৰী, এৰা, নুনি আদি গছবো খেতি কৰিছিল। তেওঁলোকে অসমলৈ আহোতেই নানা জাঁতৰ শস্যৰ বীজ লগত লৈ আহিছিল।

অন্যান্য টাইসকলৰ দৰে আহোমসকলেও সকলো বস্তুৱেই খায়। কুকুৰা, হাঁহ গাহৰি, ছাগলী, মাছ-কাছ, কেঁকোৰা, কুচিয়াৰ, বৰ ভেকুঁলী, জিলি, মুগা লেটা আদি সকলো খায়। কোনো কোনোৱে গৰু, মঁহ, কুকুৰ আদিৰ মাংসও খাইছিল। মাটিমাহ, কচু, ঢেকীয়া, মেটেকা, নেফাফু, ভেদাইলতা, মচন্দৰি, শোকোতা আদি বনৰীয়া লতাপাতৰ আঞ্জা কৰি খায়। শুকলি, শুকান মাছ, পানীটেঙা, পছলা আদি আহোমসকলৰ প্ৰিয় খাদ্য। চুঙা চাউল, ভাপত দিয়া পিঠা, চেৰা দিয়া ভাত, সান্দহ আদি আহোমসকলৰ সন্মানীয় খাদ্য। আহোমসকলৰ 'লাওপানী' (মদ) অতি প্ৰিয় পানীয়। সকাম-নিকাম, উৎসৱ পাৰ্বনত লাওপানী অপৰিহাৰ্য্য।

আহোম সমাজত আন টাইসকলৰ দৰে মহিলাসকলে পুৰুষৰ সম মৰ্য্যদা পায়। নাৰীয়ে ৰাজকাৰ্য্যতো অংশ গ্ৰহণ কৰিব পাৰিছিল। অসবৰ্ণ বিবাহ আৰু বহু বিবাহ প্ৰচলণ আছিল। আহোম, চুতীয়া,কোঁচ, কছাৰী, মৰাণ, মটক, বৰাহী আদি জাতিৰ মাজত মুকলিকৈ বিয়া বাৰু সম্পৰ্ক স্থাপন কৰিব পাৰে। আহোম সমাজত বিধবা বিবাহ সমৰ্থন কৰে। আহোমৰ সকলো খেলৰ মাজত বিয়া হ'ব নোৱাৰে। যেনে— বৰগোঁহায়ে বৰগোঁহায়ে, মহনে মহনে, বাইলুঙে-বাইলুঙে, একেখেলৰ চেতিয়াই চেতিয়াই বিয়া হোৱাত সামাজিক বাধা আছিল। এই ৰীতি আজিও মানি চলে। আহোমসকলৰ আন এটা বৈশিষ্ট্যপূৰ্ণ পৰম্পৰা হ'ল পুৰুষানুক্ৰমে বংশৰ ডাঙৰ সৰু মানি চলাতো। সৰু পৰিয়ালৰ সতি-সন্ততি বয়সত ডাঙৰ হ'লেও ডাঙৰ পৰিয়ালৰ সতি-সন্ততিকৈ সম্বন্ধত সৰু হয়।

টাই আহোমসকলৰ আদি ধৰ্ম আছিল পৰম্পৰাগত আৰু তাত ধৰ্ম। আহোমসকলৰ নিজস্ব ধৰ্মীয় পৰম্পৰা থকা সত্বেও তেওঁলোকৰ কোনো ধৰণৰ ধৰ্মীয় গোড়ামী নাছিল। হিন্দু, বৌদ্ধ, ইছলাম আদি ধৰ্মৰ প্ৰতি তেওঁলোক সহানুভূতিশীল আছিল। টাই আহোমসকলে পৰম্পৰাগত ভাৱে পালন কৰি অহা "মে ডাম মে ফি" "ৰিক ঙখন ম্যুং খুবন" আদি ধৰ্মীয় অনুষ্ঠান আৰু বিবাহ কাৰ্য্য সম্পাদন কৰা "চকলং" পদ্ধতিৰ যোগেদি ও সাৰ্বজনীনতা ৰূপ পৰিলক্ষিত হোৱা দেখা যায়। " মে দাম মে ফি" পালনৰ যোগেদি উপৰিপুৰুষৰ প্ৰতি স্মৃতি তৰ্পন কৰি তেওঁলোকৰ আদৰ্শৰদ্বাৰা দেশ সেৱা কৰিবলৈ মনোবল তথা প্ৰেৰণা আহৰণ কৰা হয়। "ৰিক খুবন ম্যুং খুবন" পালনৰ দ্বাৰা দেশ তথা দেশবাসীৰ দীৰ্ঘয়ু ও সু-স্বাস্থ্য কামনা কৰা হয়।

অতীতৰ টাইসকলে ওৰণি লোৱা নাছিল আৰু বিবাহিতা মহিলাই শিৰত সেন্দুৰৰ ফোঁট লোৱা নাছিল। এতিয়াও আহোমৰ বাহিৰে কোনো টাইলোকে শিৰত ফোঁট আৰু ওৰণি নলয়। আহোম ৰীতিৰ মেখেলা চীন তথা দক্ষিণ পূব-এচিয়াৰ সমগ্ৰ টাইসকলৰ মাজত আজিও প্ৰচলিত। অতীততে আহোমসকলে চুলি দীঘলকৈ ৰাখি ওপৰলৈ খোপা বান্ধি তাত জোঙা বস্তু সুমুৱাই ৰাখিছিল। আৰু চাৰিও মেৰে খোপা বান্ধিছিল। টাই আহোম মহিলাই মুগাৰ মেখেলা চাদৰ ব্যৱহাৰ কৰি ভাল পায় পুৰুষ সকলকো মুগাৰ চুৰিয়া, মুগাৰ চাপকন নাইবা পাগুৰি বৈ দিয়ে। ৰঙা আঁচুৰ ফুলাম গামোছা। ঘৰতে বৈ লয়। বিবাহিত মহিলাই ৰিহা ব্যৱহাৰ কৰে। জাৱৰ পৰা হাত সাৰিবলৈ এড়ি চাদৰ বৈ লয়। এৰা গছ আৰু কেচেৰ গছৰ পাত খুৱাই পলু উৎপাদন কৰি, এড়ি উৎপাদন কৰি কাপোৰ তৈয়াৰ কৰি লয়।

আহোমসকলে কেইবাবিধৰো ঘৰ সাজিছিল। ঘৰবোৰৰ ভিতৰত চৰাঘৰ বা বাটঘৰ, মাৰঘৰ, বৰঘৰ, ভঁৰাল ঘৰেই প্ৰধান। ইয়াৰ উপৰিও গোঁহালীঘৰ, খেৰঘৰ, হাঁহ-কুকুৰাৰ ঘৰো বেলেগ কৰি সাজিছিল। এই বিলাকৰ উপৰিও খেৰঘৰ, ঢেঁকীঘৰ আদিও সুকীয়াকৈ ৰখাৰ ব্যৱস্থা আছিল। মিচিং, দেউৰী মানুহৰ দৰে উৰালতো ধান, পিঠা আদি খুন্দিছিল যদিও ঢেঁকীৰো ব্যৱহাৰ হৈছিল। ঘৰৰ পিছফালে সুকীয়াকৈ ঢেকীঘঁৰ সাজিছিল। তাৰ কাষতে তাঁত শলৰ চালি আছিল। তাঁত শালৰ ঘৰ নাছিল। এতিয়াও গাঁৱত এনেধৰণৰ ঘৰ বনোৱা নীতি প্ৰচলিত আছে।

টাই আহোমসকলৰ মৃতকৰ দাহ কৰা নিয়ম নাছিল। তেওঁলোকে মানুহৰ মৃত্যু হ'লে শটো পুতিহে থৈছিল। ইয়াকে মৈদাম দিয়া বুলি কোৱা হয়। ৰজা আৰু পৰিয়ালবৰ্গৰ বাবে চৰাইদেউত মৈদাম নিৰ্মাণ কৰা

হৈছিল। মৈদামবিলাকত কেইবাটাও মহল আছিল। সাধাৰণতে মৈদামৰ ওপৰ ভাগত মন্দিৰ নিৰ্মাণ কৰি তাৰ চাৰিও কাষে ইটাৰ দেৱাল বন্ধোৱা হৈছিল।

আহোম শাসনত দেশৰ নিয়ম-কানুন, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলোৰে প্ৰতি প্ৰয়োগ হৈছিল। সুদীৰ্ঘ ছয়শ বছৰ ৰাজত্বত আহোমসকলে দেশত ঐক্য আৰু সংহতি স্থাপন কৰিবলৈ সমৰ্থ হৈছিল। সেয়ে অসমীয়া জাতি হিচাপে পৰিচয় দিব পৰাকৈ যি ঐক্য আৰু সংহতি সেয়ে অসমীয়া জাতি হিচাপে পৰিচয় দিব পৰাকৈ যি ঐক্য আৰু সংহতি ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহে লাভ কৰিলে তাক আহোম সকলৰে সৰ্বোৎকৃষ্ট অৱদান বুলি কব পাৰি।

টাই ভাষা-কৃষ্টি-সংস্কৃতিৰ পুনৰুদ্ধাৰৰ প্ৰচেষ্টা কৰিলেহে তাই ভাষা -কৃষ্টি-সংস্কৃতিৰ বিকাশ হ'ব। সংস্কৃতিয়ে সমন্বয় আনে। টাই জাতীয় সংস্কৃতিয়ে অসমৰ বাবে ৰহনীয়া সংস্কৃতিৰ পথাৰখন চিৰউজ্জ্বল, সেউজময় কৰি অসমীয়াৰ বৃহৎ জাতীয় সংস্কৃতিৰ ভঁড়ালৈ সোঁণগুটি চপাওক— এয়ে আমাৰ কাম্য।

*গীতাশ্ৰী দেউৰী স্নাতক দ্বিতীয় বৰ্ষ (অৰ্থনীতি)ৰ ছাত্ৰী।*






শাস্ত্রীয়

# 'অভিজ্ঞান-শকুন্তলম্'

❒ মিৰি কলিতা

কালিদাস এজন বিশ্ববিখ্যাত চূড়ামণি কবি আৰু নাট্যকাৰ। সংস্কৃত ভাষাত উৎকৃষ্ট মহাকাব্য, অনুপম গীতিকাব্য আৰু সৰ্বশ্ৰেষ্ঠ নাটক ৰচনা কৰি কালিদাস ভাৰতৰ অদ্বিতীয় কবি হিচাবে লব্ধপ্ৰতিষ্ঠ। কালিদাসকৃত গ্ৰন্থ সমূহৰ ভিতৰত 'অভিজ্ঞান-শকুন্তলম্' নাটকখনেই সৰ্বোৎকৃষ্ট গ্ৰন্থ। এজন সমালোচকৰ মতে— "কালিদাসস্য সৰ্বস্বমভিজ্ঞান শকুন্তলম্"।

শকুন্তলা আৰু দুষ্যন্তৰ সুবিখ্যাত প্ৰেম কাহিনী ভাগৰ আলমত মহাকবি কালিদাসে সাত অঙ্ক যুক্ত 'অভিজ্ঞান-শকুন্তলম্' নাটখন ৰচনা কৰে। মহাভাৰতৰ নিৰস কাহিনী ভাগক কালিদাস নিজস্ব প্ৰতিভা আৰু কলা-কৌশলেৰে নাট্যৰূপ দি কাহিনী ভাগ সৰস কৰি তোলে। ইয়াৰ প্ৰথম চাৰিটা অঙ্ক মালিনী নদীৰ পাৰত অৱস্থিত কণ্বমুনিৰ আশ্ৰমত, পিছৰ দুটা অঙ্ক হস্তিনাপুৰত আৰু শেষৰ অঙ্কটো হেমকূট পৰ্বতত থকা মাৰীচৰ আশ্ৰমত দেখুওৱা হৈছে। ৰজা দুষ্যন্তই মৃগয়া কৰিবলৈ যোৱা দৃশ্যৰে কাহিনীভাগ আৰম্ভ কৰা হৈছে। নাটখনৰ বৈচিত্ৰ্যপূৰ্ণ কাহিনীভাগ এনেধৰণৰ ঃ—

পুৰুবংশীয় ৰজা দুষ্যন্তই এবাৰ হৰিণা এটাক অনুসৰণ কৰি গৈ থাকোতে কণ্বৰ আশ্ৰম দেখি ঋষি কণ্বৰ ওপৰত ভক্তি নিবেদন কৰি কৃতাৰ্থ হোৱাৰ মানসেৰে আশ্ৰমত প্ৰৱেশ কৰিলে। কিন্তু সেই সময়ত কণ্বমুনি তীৰ্থযাত্ৰালৈ গৈছিল আৰু অতিথি সৎকাৰৰ ভাৰ দিছিল তেওঁৰ পালিতা কন্যা শকুন্তলাৰ হাতত। সেয়েহে শকুন্তলাই নিজেই আগন্তুক অভ্যাগতৰ শুশ্ৰূষাত মনোনিবেশ কৰিলে। প্ৰথম দৰ্শনতেই ৰজা শকুন্তলাৰ ৰূপত মুগ্ধ হ'ল আৰু ঋষি কন্যাই তেওঁৰ অন্তৰ জয় কৰিবলৈ সক্ষম হ'ল। পিছত কণ্বৰ অনুমতিলৈও অপেক্ষা নকৰি দুষ্যন্তই শকুন্তলাক গান্ধৰ্ব্য প্ৰথা অনুসৰি বিয়া কৰালে। কিন্তু সেই সময়তে ৰাজ মাওৰ পৰা ৰাজধানীলৈ উভতি যাবলৈ আদেশ পাই আৰু কৰ্তব্যৰ প্ৰতি সচেতন হৈ দুষ্যন্তই শকুন্তলা আৰু ঋষিসকলৰ পৰা বিদায় লৈ ৰাজপুৰীলৈ উভতি গ'ল। কিন্তু যোৱাৰ আগমুহূৰ্তত তেওঁলোকৰ মিলনৰ প্ৰতীক স্বৰূপে দুষ্যন্তই তেওঁৰ নামাঙ্কিত এটি আঙুঠি শকুন্তলাক দি গ'ল আৰু আঙুঠিত খোদিত 'দুষ্যন্ত' শব্দটোৰ অক্ষৰৰ সংখ্যাতীত হোৱাৰ দিনাখনেই ৰাজধানীৰ পৰা শকুন্তলাক নিবলৈ মানুহ পঠিয়াব বুলি প্ৰতিশ্ৰুতি দিলে। ৰজাক বিদায় দি শকুন্তলাৰ অন্তৰ অতি বেদনাতুৰ আৰু উদগত প্ৰাণা হৈ পৰিল। ৰজাৰ কথা ভাবি ভাবিয়েই শকুন্তলাই বাহিৰৰ জগতখনৰ সকলো কথা পাহৰি গ'ল। আনকি পিতাকে দি যোৱা অতিথি সৎকাৰৰ কৰ্তব্যও তেওঁৰ অন্তৰৰ পৰা নাইকিয়া হ'ল। শকুন্তলাৰ দেহ-মন-প্ৰাণ কেৱল দুষ্যন্তময় হৈ পৰিল। এনে সন্ধিক্ষণতে খঙাল স্বভাৱৰ ঋষি দুৰ্বাসাই আশ্ৰমৰ দুৱাৰদলিত উপস্থিত হৈ শকুন্তলাক উদ্দেশ্য কৰিয়েই বাৰে বাৰে মাতি থকা স্বত্বেও অতিথিজনাৰ উপস্থিতিৰ কথা শকুন্তলাই গমকে নাপালে। ঋষিয়ে অপমান বোধ কৰি একো নাইকিয়া হৈ শকুন্তলাক অভিশাপ দিলে— " হে অতিথি অৱমাননাকাৰিণী! তুমি যাৰ বাবে একান্তমনে চিন্তা কৰি থাকি তপোবনত মই উপস্থিত হোৱা স্বত্বেও গণ্য নকৰিলা । সেই উন্মাদ ব্যক্তিয়ে পূৰ্বতে কোৱা কথাৰ দৰে মনত পেলাই দিলেও তোমাক স্মৰণ নকৰিব। " কিন্তু অভিশাপৰূপী এই বজ্ৰপাত শব্দও শকুন্তলাৰ কাণত নালাগিল, বৰং তেওঁৰ ভাগ্যতহে লাগিল। সৌভাগ্যক্ৰমে অনসূয়া আৰু প্ৰিয়ম্বদা নামৰ শকুন্তলাৰ সখীয়েক দুগৰাকীয়ে ঋষিৰ এই অভিশাপ শুনিলে আৰু প্ৰিয়ম্বদাই গৈ ঋষিক কাকুতি-মিনতি কৰাত দুৰ্বাসাই শাপ মোচনৰ উপায় দি ক'লে যে কোনো স্মৃতিযুক্ত অলংকাৰৰ দ্বাৰা শাপ খণ্ডন হ'ব। ইতিমধ্যে শকুন্তলাৰ হাতত ৰজাই দিয়া আঙুঠিটো আছিলেই, সেয়েহে সখীয়েক দুগৰাকীয়ে শকুন্তলাই মনত আঘাত পাব বুলি ভাবি অভিশাপৰ কথা নকলেই। তাৰ পিছত মুনিয়ে তীৰ্থৰ পৰা উভতি আহি দিব্যবাণীৰ দ্বাৰা দুষ্যন্ত শকুন্তলাৰ বিবাহৰ কথা জানিব পাৰি সন্তুষ্ট হৈ তেওঁ অতি সহজে স্বীকাৰ কৰিলে। ইফালে ৰজা ৰাজধানীলৈ উভতি যোৱা কেইবাদিনো হোৱাত আৰু ৰাজধানীৰ পৰাও শকুন্তলাক নিবলৈ কোনো নহাত আশ্ৰমৰ মাতৃতুল্যা গৌতমী আৰু শাঙ্গৰৱ আৰু শাৰদ্বত নামৰ ঋষিকুমাৰ দুজনৰে সৈতে শকুন্তলাক পতিগৃহলৈ পঠিয়াই দিলে। যাওতে বাটতে শকুন্তলাৰ হাতৰ পৰা দুষ্যন্তৰ নামাঙ্কিত আঙঠিটো পানীত পৰি গ'ল আৰু তাৰ ফলতেই আহিল শকুন্তলাৰ জীৱনলৈ এক বিপৰ্য্যয়ৰ ধুমুহা। অভিশাপবশতঃ স্মৃতিভ্ৰষ্ট হৈ দুষ্যন্তই শকুন্তলাক চিনি নাপালে আৰু তেওঁৰ পূৰ্বৰ সকলো কথা পাহৰি গ'ল। ইফালে প্ৰমাণস্বৰূপে দেখুৱাবলৈও শকুন্তলাৰ হাতত আঙুঠিটো নাই। ৰজাই শকুন্তলাক পত্নীৰূপে স্বীকাৰ নকৰিলে। শকুন্তলা ৰজাৰ দ্বাৰা প্ৰত্যাখ্যাতা আৰু লাঞ্চিতা হ'ল। লগত অহা তপস্বীসকলেও শকুন্তলাক খং কৰি এৰি গুচি গ'ল। ইফালে শকুন্তলা অন্তঃসত্বা। দুষ্যন্তৰ বীজ তেওঁৰ গৰ্ভত প্ৰতিষ্ঠিত। তেনে এক চৰম বিপৰ্য্যয়ৰ সমুখত তেওঁ "হে বসুমতী দেহিমে বিৱৰম" বুলি কোৱাৰ বাহিৰে আৰু অন্য উপায় নাছিল। সেই মুহূৰ্ততে শকুন্তলাৰ মাতৃ মেনকাই শকুন্তলাক আকাশ মাৰ্গলৈ লৈ যায় আৰু মাৰীচ কাশ্যপৰ আশ্ৰমত তেওঁক আশ্ৰয় দিয়ালে।

ইয়াৰ পিছত এদিন এজন মাছমৰীয়াই আঙুঠিটো মাছৰ পেটত পাই বেচিবলৈ অনাৰ অপৰাধত ৰজাৰ পাৰিষদবৰ্গই মাছমৰীয়াটোক ধৰি আনি ৰজাৰ ওচৰত উপস্থিত কৰালে। আঙুঠিটো দেখা পোৱা মাত্ৰকে পূৰ্বৰ সকলো কথা ৰজাৰ চেতনাৰ পৰ্দাত উদ্ভাসিত হ'ল। শকুন্তলাক এনেদৰে

প্ৰত্যাখ্যান কৰাত তেওঁৰ তীব্ৰ অনুশোচনা হবলৈ ধৰিলে। এই অনুশোচনাই উমি উমি জ্বলি থকা তুঁহ জুইৰ দৰে তেওঁক দগ্ধ কৰিলে। এনে বিৰহ বিধুৰ অৱস্থাতে দুৰ্জয় দানৱৰ উপদ্ৰৱৰ পৰা দেৱপুৰী ৰক্ষা কৰিবলৈ ইন্দ্ৰ পৰা নিমন্ত্ৰণ পাই দুষ্যন্ত ইন্দ্ৰৰ সাৰথিৰে সৈতে দেৱপুৰীলৈ যাত্ৰা কৰিলে। দেৱপুৰী ৰক্ষা কৰি ৰাজধানীলৈ বুলি প্ৰত্যাৱৰ্তন কৰোতে বাটতে হেমকূটত থকা দেৱমুনি মাৰীচৰ শান্ত-নিৰ্জন আশ্ৰমখন দেখি মুনিক দেখা কৰাৰ মানসেৰে ৰজা দুষ্যন্তই আশ্ৰমত প্ৰৱেশ কৰিলে। আশ্ৰমত প্ৰৱেশ কৰিয়েই দুষ্যন্তই এটা ৰাজচক্ৰৱৰ্ত্তী লক্ষণযুক্ত বালকৰ বীৰত্ব দেখি তাৰ প্ৰতি মোহিত হৈ পৰিল আৰু স্নেহবশতঃ তাৰ লগত কথা বতৰা পাতি থাকোতে জানিব পাৰিলে যে সি শকুন্তলাৰে পুত্ৰ। ইফালে ল'ৰাটোৰ গাৰ পৰা পৰি যোৱা ৰক্ষা কৱচটো নিৰ্বিঘ্নে দুষ্যন্তই মাটিৰ পৰা তুলি দিয়াত ল'ৰাটোৰ পিতৃ দুষ্যন্ত বুলি প্ৰতিপন্ন হ'ল। কাৰণ এই ৰক্ষা কবচটো পিতৃ-মাতৃৰ বাহিৰে আনে স্পৰ্শ কৰিলে সাপ হৈ স্পৰ্শ কৰোতা জনক দংশন কৰে। এনেতে বিৰহিনীৰ বেশেৰে শকুন্তলা ৰজাৰ ওচৰত প্ৰবেশ কৰিলে। দুষ্যন্তই পূৰ্বতে কৰা ব্যৱহাৰৰ বাবে এতিয়া যে অনুতপ্ত এই কথা শকুন্তলাক জানিবলৈ দিয়ে আৰু তেওঁ শকুন্তলাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। সুদীৰ্ঘ ছবছৰ পাছত দুষ্যন্তৰ দ্বাৰা পৰিত্যক্তা শকুন্তলাই দুষ্যন্তক সহজে ক্ষমা কৰে আৰু তেওঁৰ মনত যদিও ৰজাৰ প্ৰতি অভিমানৰ ভাৱ আছিল তাক মাৰিচ কাশ্যপৰ মুখৰ পৰা শুনা অভিশাপৰ কাহিনীয়ে ধুই নিকা কৰে। তাৰ পিছত সেই দক্ষপতি মাৰীচ আৰু অদিতিৰ আশীৰ্বাদ শিৰত লৈ নিজ পুত্ৰৰে সৈতে শকুন্তলাৰ লগত দুষ্যন্ত ৰাজধানীলৈ উভতি যায়। এইখিনিতে নাটকখনৰ শুভ সমাপ্তি ঘটে।

মহাভাৰতত নথকা কালিদাসৰ স্বকীয় সৃষ্টি দুৰ্বাসাৰ অভিশাপেই হৈছে "অভিজ্ঞান শুকুন্তলম্" নাটকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু অভিনৱ সংযোজন। নাট্যৰূপত দুৰ্বাসাৰ অভিশাপৰ যোগেদি নায়ক-নায়িকাৰ চৰিত্ৰ নিৰ্মল কৰিলে। তেওঁ নায়ক-নায়িকাক অভিশাপগ্ৰস্ত কৰি দীৰ্ঘদিন বিৰহ তপস্যাত ৰাখি পাৰ্থিৱ প্ৰেমৰ ঠাইত স্বৰ্গীয় প্ৰেমৰ সৃষ্টি কৰিলে। সোণ যেনেকৈ জুইত পুৰিলে বেছি উজ্বল হয়, তেনেকৈ দুষ্যন্ত আৰু শকুন্তলাৰ প্ৰেম এই অভিশাপৰ ফলত বেছি গাঢ় হৈ পৰিলৰ। এই অভিশাপৰ সংযোজনে নাটকীয় উৎকণ্ঠাৰ বীজো সিঁচি দি নাটকখন মনোৰম কৰি তুলিছে। মুঠতে অভিশাপ আৰু তাৰ মোচনৰ বাবে দিয়া আঙুঠিৰ বৃত্তান্তটো বাদ দিলে নাটকখনৰ নাটকীয়ত্ব গুণেই নাথাকিব। নাটকখনত শকুন্তলা আৰু আঙুঠিটোৱে সমান ভূমিকা গ্ৰহণ কৰিছে।

"অভিজ্ঞান -শকুন্তলম্" মানৱ সমাজৰ প্ৰতি উপদেশেৰে ভৰপূৰ নাটক। সেয়েহে ই সাম্প্ৰতিক কালৰ সময়োপযোগী। সমাজ ব্যৱস্থা, বিবাহ পদ্ধতি, সমাজত নাৰীৰ স্থান, শিক্ষা-নৈতিক অৱস্থা, প্ৰশাসনিক ব্যৱস্থা, আৰক্ষী ব্যৱস্থা আৰু চৌৰ্য্য দণ্ড-বিধান, ৰাজ-ব্যৱস্থা, ন্যায়াধিকাৰ, ব্যৱসায়-বাণিজ্য, কৃষি-শিল্প, ধৰ্ম-বিশ্বাস, লোক-বিশ্বাস, আতিথ্য সৎকাৰ আৰু সুগৃহিণীৰ কৰ্ত্তব্য– এই সকলো বিলাক নাটকখনত পৰিলক্ষিত হয়। সু-গৃহিণীৰ কৰ্তব্যৰ সম্বন্ধে কণ্বাই শকুন্তলাক কৈছে—" ইয়াৰ পৰা গৈ তুমি পতিৰ ঘৰত উপস্থিত হৈ তোমাতকৈ ডাঙৰ সকলক সেৱা-শুশ্ৰূষা কৰিবা, সতিনীসকলক প্ৰিয় সখীৰ দৰে আচৰণ কৰিবা, পতিয়ে অন্যায় আচৰণ কৰিলেও তাত ৰুষ্ট হৈ বিৰূপ নহবা, তোমাৰ নিজৰ সৌভাগ্যৰ বাবে গৰ্বিতা নহবা, আৰু লগৰীসকলক সদায় সৎ ব্যৱহাৰ কৰিবা। যুৱতীসকলে এনেদৰে বিপৰীতে আচৰণ কৰা সকলেই পৰিয়ালৰ কলঙ্ক আনে।" ইয়াৰোপৰি ইয়াৰ অন্য এক লক্ষণীয় কথা হ'ল যে দুষ্যন্ত শকুন্তলাই আগপিছ নভবাকৈ সাময়িক উত্তেজনাৰ বশবৰ্ত্তী হৈ বিবাহ পাশত আৱদ্ধ হোৱাত, অতিথিৰ অৱমাননাত আৰু কৰ্তব্যৰ পৰা ভৰি পিছলাৰ নিমিত্তে যেন অভিশাপৰ দ্বাৰা তেওঁলোকৰ কৃতকাৰ্যৰ প্ৰায়শ্চিত্ত হ'ল।

কালিদাসে নাটকখনৰ শেষত পুত্ৰৰ যোগেদি নায়ক-নায়িকাৰ মিলন ঘটালে। কবিয়ে ইয়াত দেখুৱালে যে স্ত্ৰী ভোগ-বিলাসৰ সামগ্ৰী নহয়। স্ত্ৰী-পুৰুষৰ মিলনৰ উদ্দেশ্যটো হৈছে-- 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা'-- অৰ্থাৎ পুত্ৰৰ কাৰণেই ভাৰ্য্যা গ্ৰহণ কৰা হয়। এয়েই বৈবাহিক জীৱনৰ আদৰ্শ। অমৰ কৰি কালিদাসে শকুন্তলাৰ চৰিত্ৰৰ মাজেৰে তাকেই প্ৰতিপন্ন কৰিলে। দুষ্যন্তইও শেষত স্বীকাৰ কৰিলে— " ভগৱান অত্ৰ খলু যে বংশ প্ৰতিষ্ঠা।" প্ৰথমতে ঘৰখনতহে মঙ্গল প্ৰতিষ্ঠা হব লাগে। ঘৰত মঙ্গল ভাৱৰ উদয় হলেহে সমাজ তথা দেশৰ কল্যাণ হয়। স্ত্ৰী-পুৰুষৰ প্ৰেমৰ সৌন্দৰ্য্য এই কল্যাণময়ী মঙ্গল স্থাপনৰ কাৰণেই। তাৰ কাৰণে প্ৰয়োজন গৃহস্থসকলৰ ঐকান্তিক সংযম আৰু শাসন, তপস্যা আৰু সাধনাৰ। ইয়াকেই শকুন্তলা নাটকত দেখুওৱা হৈছে।

নায়িকা শকুন্তলা প্ৰাচীন ভাৰতীয় আদৰ্শ নাৰীৰ প্ৰতীক। তেওঁ ৰূপত যেনেকৈ অতুলনীয় তেনেকৈ তেওঁৰ অন্তৰতো আছিল অনাঘ্ৰাত ফুলৰ দৰে কোমল আৰু পবিত্ৰ। তেওঁৰ নম্ৰ স্বভাৱ, প্ৰেম, সতীত্ব, সখীত্ব আৰু মাতৃত্বই সকলোকে আকৰ্ষিত কৰে। শকুন্তলা সখীগত প্ৰাণা, অথচ তেওঁৰ অসীম ধৈৰ্য্য। শকুন্তলা ভাৰতীয় সমাজৰ প্ৰত্যেকৰে খেন চিৰ পৰিচিত আপোন এগৰাকী দেৱী-মানসী। এওঁ ভাৰতীয় নাৰী কুলৰ গৌৰৱ। এক স্বৰ্ণ স্বাক্ষৰ।

"অভিজ্ঞান-শকুন্তলম্" ৰ প্ৰকৃতিৰ সৌন্দৰ্য্য বৰ্ণনাত কবি বিধাতা সদৃশ, ৰাজ-প্ৰসাদ বৰ্ণনাত যেন বিশ্বকৰ্মা, আশ্ৰম, নদ-নদী ঋতু বৰ্ণনাত যেন কামদেৱহে। প্ৰকৃতিৰ পৰাই সকলো সুন্দৰ বস্তু বুটলি তাত কল্পনাৰ ৰহন সানি কবিয়ে নাটকখন অধিক মনোমোহা কৰি তুলিছে। সেয়েহে আলংকাৰিকসকলে বিধাতাই সৃষ্টি কৰা জগতখনতকৈ কালিদাসে তেওঁৰ নাট্যৰূপত সৃষ্টি কৰা জগতখন অধিক মনোজ্ঞ বুলি অভিহিত কৰিছে। 'অভিজ্ঞান-শকুন্তলম্' নাটকখনৰ ৫ অঙ্কৰ বাহিৰে বাকী ছটা অঙ্কৰে পটভূমি প্ৰকৃতি সেউজ সুন্দৰ ৰূপত উজ্জল হৈ উঠিছে। গছ -লতা, নদ-নদীকে আদি কৰি জীৱ-জন্তুৰ পৰাও কালিদাসে প্ৰকৃতিৰ এটি সুন্দৰ চিত্ৰ দাঙি ধৰিছে। কবিগুৰু ৰবীন্দ্ৰনাথে "অভিজ্ঞান-শকুন্তলম্"ত প্ৰকৃতিৰ স্থান এইদৰে কৈছে— "অভিজ্ঞান শকুন্তলা নাটকে অনসূয়া, প্ৰিয়ংবদা যেমন, কণ্ব যেমন, দুষ্যন্ত যেমন, তপোবন প্ৰকৃতিও তেমনি একজন বিশেষ পাত্ৰ।" চতুৰ্থ অঙ্কত শকুন্তলাৰ বিদায়ৰ সময়ত প্ৰকৃতিও শকুন্তলাৰ বিচ্ছেদৰ দুখত কাতৰ হৈ পৰিছে।

"উদগলিতদৰ্ভকৱলা মৃগ্যঃ পৰিত্যক্তনৰ্তনা ময়ুৰাঃ।
অপসৃত পাণ্ডুপত্ৰা মুঞ্চন্ত্যশ্ৰুনীৱ লতাঃ।।"

অৰ্থাৎ শকুন্তলাৰ বিদায়ত দুঃখিত হৈ হৰিণীজাকে ঘাঁহ-পানী ত্যাগ কৰিছে, ময়ুৰ বিলাকে নৃত্য ত্যাগ কৰি যেন অশ্ৰু টুকিছে। সেইদৰে

শকুন্তলা পতিগৃহলৈ যোৱাৰ আগমুহূৰ্তত "বনদেৱতাসকলে শকুন্তলাক পিন্ধাবলৈ পাটৰ কাপোৰ, চৰণ বুলাবলৈ আল্‌টা আৰু নানা আভৰণেৰে বিভূষিত কৰি তুলিছে।"

কালিদাসৰ নাট-কাব্যসমূহত উপমাৰ প্ৰয়োগ অসীম। "অভিজ্ঞান-শকুন্তলম্" নাটকত ৭০ টা উপমা আছে। ইয়াত দুষ্যন্তই শকুন্তলাৰ ৰূপ বৰ্ণনা কৰি কৈছে।

"অধৰঃ কিসলয়ৰাগঃ কোমল বিটপানুকাৰিনৌ বাহুঃ
কুসুমমিব লোভনীয়ম্ যৌৱনমঙ্গেষু সন্নদ্ধম্।।"

অৰ্থাৎ "শকুন্তলাৰ ওঁঠ দুটা কুঁহি পাতৰ দৰে ৰঙা, বাহু দুটাই যেন কোমল গছৰ ঠাল দুটাৰ অনুকৰণ কৰিছে আৰু ফুলৰ দৰে লোভনীয় যৌৱন তেওঁৰ সমগ্ৰ দেহত সানি থোৱা আছে।" ইয়াত শকুন্তলাৰ ওঁঠ দুটিক কুঁহিপাতৰ লগত তুলনা কৰাৰ লগে লগে কুঁহিপাতৰ কোমলতাখিনিত শকুন্তলাৰ ওঁঠত বিৰাজ কৰিছে। ইয়াৰ উপৰিও চতুৰ্থ অঙ্কত শকুন্তলাৰ বিদায়ৰ সময়ত সাঁচি থোৱা ধনৰ লগত কন্যাক তুলনা কৰি এক হৃদয় বিদাৰক বৰ্ণনা ঋষি কণ্বই এইদৰে দিছে—

"অৰ্থো হি কন্যা পৰকীয় এব তামদ্য সংপ্ৰেষ্য প্ৰৰিগ্ৰহীতুঃ।
জাতো শমায়ং বিদশঃ প্ৰকামং প্ৰত্যাপিচ্ছতন্যাস ইবান্তৰাত্মা।।"

অৰ্থাৎ, কন্যা আনৰ ধন, সেইবাবে এওঁক (শকুন্তলাক) পতিৰ ওচৰলৈ পঠিয়াই মোৰ মনটো আজি এনেকুৱা আশ্বস্ত লাগিছে, যেনেকৈ কোনো ধৰুৱাই ধাৰ কৰি অনা ধন প্ৰত্যাৰ্পন কৰে। এনেকুৱা বৰ্ণনাৰ পৰাই "উপমা কালিদাসস্য" কথাষাৰৰ সাৰ্থকতা উপলব্ধি কৰিব পাৰি। কেৱল উপমাই নহয়, সকলোবোৰ অলঙ্কাৰেই কালিদাসে এই নাটকখনত প্ৰয়োগ কৰিছে। কিন্তু উপমা প্ৰয়োগে কাব্যিক সৌন্দৰ্য্য বঢ়োৱাৰ লগতে উপমা প্ৰয়োগত কালিদাসে যে সিদ্ধহস্ত সেইটো প্ৰমাণিত হৈছে।

'শকুন্তলম্' নাটক অঙ্গী বা মুখ্য ৰস শৃংগাৰ। বাকীবোৰ ৰস শৃংগাৰ ৰসৰ পৰিপোষক হিচাপেহে দেখুওৱা হৈছে। শেষত ক'ব পাৰি যে "অভিজ্ঞান শকুন্তলম্" কবি মানসৰ এক অপূৰ্ব সৃষ্টি। ইয়াৰ সৃষ্টি ধুসৰ অতীত। কিন্তু আজিও নৱ প্ৰভাতৰ দৰে যে ই হেঙুলী পোহৰেৰে নতুনৰ প্ৰেৰণা দি আহিছে। সংস্কৃত সাহিত্য তথা ভাৰতীয় সাহিত্যকো অতিক্ৰম কৰি বিশ্ব সাহিত্য জগতত "অভিজ্ঞান-শকুন্তলম্" এটি মধুৰ উল্লেখনীয় নাম। সমগ্ৰ বিশ্বজুৰি "অভিজ্ঞান-শকুন্তলমে" উত্তেজনাৰ সৃষ্টি কৰিছে। "অভিজ্ঞান-শকুন্তলম্"ৰ দৰে সকলো সম্ভাৱেৰে এনে এখন নাটক সমগ্ৰ বিশ্বতে পাবলৈ টান। ইয়াত যি বিচৰা যায় তাকেই পোৱা যায়। সেয়েহে জাৰ্মান পণ্ডিত আৰু কবি গ্যেটে এই নাটখনৰ বিষয়ে মন্তব্য দিছে -— " যদি তুমি বসন্ত ঋতুৰ ফুল আৰু গ্ৰীষ্ম ঋতুৰ ফল একেলগে পাবলৈ বিচৰা আৰু আমাক মোহিত কৰা, প্ৰসন্ন কৰিবলৈ সমৰ্থ আৰু সেইদৰে পুষ্ঠ কৰিবলৈ সক্ষম ৰসায়ন তথা পৃথিৱী আৰু স্বৰ্গক একেলগে পাবলৈ বাঞ্ছা কৰা তেনেহলে 'শকুন্তলম্' অধ্যয়ন কৰা, তাত সকলো পাবা।"

মুঠতে, এই নাটখন সমালোচকৰ তীক্ষ্ণ বাক্য বাণৰ উৰ্দ্ধত আছে আৰু ভৱিষ্যতেও উজ্জ্বল হৈ থাকিব।

*(সহায় লৈ)*

*মিৰি কলিতা স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (অসমীয়া)ৰ ছাত্ৰী।*



*ড্ৰইং ঃ পিকাছো*



*ড্ৰইং ঃ পিকাছো*

**বিশ্লেষণ**

# মহাভাৰতীয় দুই চৰিত্ৰ, ভীষ্ম আৰু কৰ্ণৰ অন্তৰ্দ্বন্দ্ব ঃ আধুনিক সমাজত প্ৰাসঙ্গিকতা

❒ জিতু দত্ত

শান্তনুসুত ভীষ্ম আৰু সূৰ্য্যদেৱতাৰ ঔৰষত কুমাৰী কুন্তীৰ গৰ্ভজাত অথচ ভাগ্যৰ বিড়ম্বনাৰ হেতু সুতপুত্ৰ আখ্যা পোৱা দাতাকৰ্ণৰ জীৱনৰ আলোকপাত বৰ্ত্তমান পতিতমুখী সমাজৰ মুখ্যতঃ যুৱ সমাজৰ বাবে অতীৱ প্ৰয়োজন। এই দুই মহান চৰিত্ৰৰ অধ্যয়ন, তেৰাসৱৰ জীৱনৰ নিৰৱচ্ছিন্ন অন্তৰ্দ্বন্দ্ব একান্তই পাঠ্য বিষয়। এজনাৰ ক্ষেত্ৰত আমি বিনাদ্বিধাই ক'ব পাৰোঁ যে তেওঁৰ ভিতৰৰ দ্বন্দ্ব স্বসৃষ্ট বা এনে অৱস্থাৰ কাৰক তেওঁ নিজেই। অন্যজন অৱশ্যে এনে দোষাৰোপৰ পৰা সম্পূৰ্ণ মুক্ত সম্পূৰ্ণ নিৰপৰাধী, একমাত্ৰ ভাগ্যৰ (Destiny) চিকাৰ (Victim)। পিতামহ ভীষ্ম উল্লেখিত বিশ্লেষণৰ প্ৰথম ব্যক্তি যাৰ আৱেগমিশ্ৰিত সিদ্ধান্ত (যদিও পিতৃকল্যান সাধন তেওঁৰ কৰ্ত্তব্য) আজীৱন ভাগ্যবিড়ম্বনা বা বিৰহৰ কাৰক হৈ পৰিছিল। কিশোৰ দেৱব্ৰতে পিতৃ শান্তনুৰ দাসৰজাৰ কন্যা মৎস্যগন্ধাৰ (সত্যৱতী) প্ৰতি থকা দুৰ্বলতাক আৱিষ্কাৰ কৰিলে ; পুত্ৰমোহ তথা সুন্দৰী সত্যৱতীৰ দোমোজাত পৰি থকা পিতৃক উদ্ধাৰৰ অৰ্থে স্বাধিকাৰ, নিজ প্ৰাপ্যক বিসৰ্জন দিলে। দাসৰাজক পিতৃৰ আশাপূৰণাৰ্থে ৰাজদুহিতাক খুজিলে; তেওঁৰ চৰ্ত্ত পূৰণাৰ্থে ইহকালত কদাপি কোনেও কৰিব নোৱাৰা প্ৰতিজ্ঞা কৰিলে ঃ কেতিয়াও ৰজা নহ'ব, চিৰকুমাৰ হৈ ৰ'ব, হস্তিনাপুৰ ৰাজসিংহাসনৰ ৰক্ষক হৈ ৰ'ব। এনে কঠিন অন্যাৰ্থত প্ৰায় অসম্ভৱ প্ৰতিজ্ঞা কৰোঁতা দেৱব্ৰতৰ শিৰত পুষ্পবৃষ্টি হ'ল; 'ভীষ্ম' 'ভীষ্ম', নামেৰে তেওঁক উদ্দেশ্যি আকাশবাণী হ'ল। সেই 'দেৱব্ৰত', নামধাৰী ৰাজকুমাৰ জীৱনৰ পৰবৰ্ত্তী কালছোৱা 'ভীষ্ম' নামেৰে পৰিচিত হ'ল।

এতিয়া কথা হ'ল — এই প্ৰতিজ্ঞাই যিদৰে পিতামহ ভীষ্মক পিতৃৰ সন্তুষ্টিৰ অৰ্থে কৰা ত্যাগৰ বাবে জীৱিত কালতে দেৱতুল্য অক্ষয় কীৰ্ত্তি যাচিলে, সেই একে মুহূৰ্ত্তৰ পৰাই এইজনা মহান পুৰুষলৈ অৱধাৰিত হ'ল এক এৰাব নোৱাৰা সংঘাতৰ নদী। বিচিত্ৰবীৰ্য্যক সিংহাসনত অধিষ্ঠিত কৰাৰ পৰা কুৰুক্ষেত্ৰ যুদ্ধৰ সূচনা পৰ্য্যন্ত এইটো বাৰম্বাৰ প্ৰমাণিত হৈছিল যে তেওঁৰ কৃত প্ৰতিজ্ঞা আছিল আৱেগমিশ্ৰিত, ত্ৰুটিপূৰ্ণ আৰু চাপৰ অধীনত আহি লোৱা সিদ্ধান্ত। প্ৰতিজ্ঞাৰ বিনিময়ত পিতৃৰ পৰা 'ইচ্ছামৃত্যু' বৰদান লাভ কৰা স্বত্বেও সংকটৰ অৱস্থাত প্ৰতিজ্ঞাবদ্ধ হোৱাৰ হেতু মৃত্যুকো আহ্বান জনাব পৰা নাছিল এইজনা মহাৰথীয়ে। এৰাব নোৱাৰা অন্তৰ্দ্বন্দ্বই তেঁওক ব্যতিব্যস্ত কৰি তুলিছিল, আৰু এই সমস্ত অন্তৰ্দ্বন্দ্বই আছিল তেওঁৰ কৃত প্ৰতিজ্ঞাৰ পৰিণতি। অন্যাৰ্থত, পিতামহে ভোগা মনোকষ্টৰ কাৰক হিচাবে তেওঁকেই আমি দুষিব লাগিব। অৱশ্যে এইটো নিঃসন্দেহে স্বীকাৰ্য্য যে তেওঁ কৰা ত্যাগৰ স্থান জনমানসত কীৰ্তিৰ সৰ্বোচ্চ শিখৰত আৰু ই এক যুগান্তকাৰী আদৰ্শ।

অন্যজন মহাৰথী দাতাকৰ্ণৰ জীৱন-বৃত্তান্ত অথবা জীৱন-জোৰা মানসিক সংঘাতৰ বিশ্লেষণ পিতামহৰ তুলনাত বহু ভিন্ন ধৰণৰ। আৱেগৰ বশীভূত হৈ লোৱা কোনো আকস্মিক সিদ্ধান্তৰ চিকাৰ তেওঁ হোৱা নাই। অথচ পূৰ্বধাৰ্য্য পূৰ্ব-পৰিকল্পিত কিবা এটা কলংক, অন্তৰ্দ্বন্দ্বই তেওঁৰ জীৱনত শিপাই গ'ল তেওঁৰ জন্মৰে পৰা। আজীৱন এইজনা মহাৰথীয়ে সতৰ্কতাৰে মোকাবিলা কৰিব লগা হ'ল বিধিৰ দ্বাৰা বিধিত বিধানৰ । সম্পূৰ্ণ নিৰ্দোষী, নিষ্পাপ এটি শিশুৱে জন্মৰে পৰা আঁকোৱালি লব লগা হ'ল বিধাতাৰ কটাক্ষ ক্ৰুৰ দৃষ্টিক।

পাণ্ডুজায়া মহাসতী কুন্তীৰ কৌমাৰ্য্যৱস্থাত দুৰ্বাসাৰ পৰা প্ৰাপ্ত বৰৰ গুণাগুণ নিৰূপণৰ চেষ্টা কৰোতে সূৰ্য্যদেৱৰ ঔৰষত জন্মলাভ কৰা কৰ্ণক উটুৱাই দিলে খৰস্ৰোতা গংগাৰ বুকুত। মাতৃয়ে লোক গ্লানিৰ ভয়ত বিসৰ্জন দিয়া পুত্ৰই আজীৱন 'সুতপুত্ৰ'ৰ আখ্যা পালে; পৰনিন্দাৰ পাত্ৰ হ'ল। মাথো এয়ে নহয়; ঈপ্সিত গুৰুৰ ওচৰত ঈপ্সিত শিক্ষাৰ পৰা বঞ্চিত হ'ল বা ইয়াক আহৰণ কৰিবলৈ মিথ্যাৰ আশ্ৰয় ল'ব লগা হ'ল ; কুলৰ ব্যৱধানৰ হেতু যথাসময়ত যথোপযুক্ত সংগ্ৰামৰ পৰা বঞ্চিত হ'ল; নিজপ্ৰাপ্য সংকটত পেলাই কুন্তীক দানভিক্ষা দিলে পঞ্চ পাণ্ডৱৰ প্ৰাণ; চিৰন্তন শত্ৰুক বধৰ বাবে থোৱা অস্ত্ৰ অন্য শত্ৰুক উদ্দেশ্যি নিক্ষেপ কৰিলে; অভেদ্য কৱচ জানি-শুনি ইন্দ্ৰক দান কৰিলে। গুৰু, ব্ৰাহ্মণৰ শাপেৰে জৰ্জৰিত হৈও আত্মৰক্ষাৰ বাবে থকা পৰ্য্যাপ্ত সম্বল তেওঁ সঞ্চয় নকৰিলে। বৰঞ্চ জীৱনক তুচ্ছ জ্ঞান কৰি নিজৰ সৰ্বস্ব দান কৰিলে।

কৰ্ণৰ জীৱন-বৃত্তান্ত আৰু ইয়াৰ লগত সংযুক্ত নিৰৱচ্ছিন্ন অন্তৰ্দ্বন্দ্ব নিঃসন্দেহে মৰ্মান্তিক, পুতৌলগা। এইটো চৰিত্ৰৰ মহত্ব অথবা কীৰ্তি এইখিনিতেই যে এওঁ বিধিৰ প্ৰতিটো ক্ৰুৰ দৃষ্টিৰেই যথোপযুক্ত মোকাবিলা কৰি গ'ল মৃত্যু পৰ্য্যন্ত। লোক গ্লানি, পৰনিন্দাৰ পাত্ৰ হোৱা এইজনা বীৰে মৃত্যু পৰ্য্যন্ত প্ৰমাণ কৰি দেখুৱালে যে তেওঁ মানসিকভাৱে অজেয়; বিধাতাৰ সমস্ত পূৰ্বপৰিকল্পিত বিধিক তেওঁ শাৰীৰিক ভাৱে নহলেও মানসিক ভাৱে মষিমূৰ কৰিবলৈ সক্ষম হ'ল। শেষপৰ্য্যন্ত তেওঁ দেখুৱাই গ'ল দৃঢ় মনোবল, হৃদয়ৰ বিশালতা, পাৰ্থিৱ লাভালাভৰ প্ৰতি আওকণীয়া মনোভাৱ।

মহাভাৰতীয় এই দুই চৰিত্ৰৰ জীৱন-সংঘাত এৰিষ্টটলীয়

ট্ৰেজেদিৰ সংজ্ঞা আৰু ধাৰণাৰ আলমতো ব্যাখ্যা কৰিব পৰা যায়। অৱশ্যে এনে পৰ্য্যবেক্ষণ বা পৰীক্ষণৰ উপস্থাপন আমাৰ বিচাৰ্য্য বিষয় নহয়। এই দুই মহাবীৰে ভোগা সংঘাত ভিতৰুৱা বা আন্তৰিক (Internal), বাহ্যিক (External) নহয়। যদিও বাহ্যিক সংঘাতৰ উপস্থিতি নুই কৰিব নোৱাৰি তথাপি আন্তৰিক সংঘাতেহে তেওঁলোকৰ জীৱন সম্পূৰ্ণৰূপে প্ৰভাৱিত কৰিছিল। চৰিত্ৰদুটিৰ মানসিক সংঘাত ট্ৰেজেদিৰ শ্ৰেণীভূক্তিকৰণৰ আধাৰত যদিও হেম্‌লেট, ফষ্টাচৰ (Faustus) শাৰীতে ধৰিব পাৰি, তথাপিও এই দুই চৰিত্ৰৰ মানদণ্ড বহু ওপৰত বা একে আষাৰত ক'বলৈ গ'লে অতুলনীয়।

'ভীষ্ম' আৰু কৰ্ণ' – এই দুই মহাভাৰতীয় চৰিত্ৰৰ জীৱন-বৃত্তান্ত, অন্তৰ্দ্বন্দ্বৰ বিশ্লেষণে বৰ্ত্তমান পতিতমুখী সমাজৰ পুনঃউত্তৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি আমাৰ মনে ধৰে। দিশহাৰা যুৱসমাজ যাক ক্ষণিক হতাশ (Frustration/Despair), বিফলতাই আত্মহত্যাৰ দৰে নিৰ্ম্মম সিদ্ধান্ত লোৱাৰ প্ৰতি ঠেলি পঠাইছে; জীৱন পথত সন্মুখীন হোৱা কিছুমান লঘু সমস্যাক গুৰুতৰ বুলি গণ্য কৰি মানসিক ভাৰসাম্য হেৰুৱাই উন্মাদৰ দৰে আচৰণ কৰিছে — তেওঁলোকৰ ক্ষেত্ৰত এই চৰিত্ৰ দুটিৰ মূল্যাংকনে সঞ্জীৱনী (Elixir) বা ঔষধিৰ (Remedy) কাম কৰিব নিশ্চয়। ড্ৰাগছ, কোকেইনৰ দৰে নিচাযুক্ত দ্ৰব্যৰ সেৱন; অস্ত্ৰ শস্ত্ৰেৰে সুসজ্জিত হৈ হিংসাবৃত্তিৰ আশ্ৰয়, আত্মজাহ বা আত্মহত্যা আদি সুস্থ মস্তিষ্কৰ সুস্থ সিদ্ধান্ত হ'ব নোৱাৰে। এইবোৰ হ'ল অনিয়ন্ত্ৰিত আবেগৰ স্বতঃস্ফূৰ্ত উদ্‌গীৰণ (Spontaneous overflow)বা অলপধতুৱা স্বভাৱৰ পৰিচায়ক। 'পিতামহ' আৰু 'দাতা কৰ্ণ' ৰ চৰিত্ৰৰ বিশ্লেষণে ভগ্ন হৃদয়ৰ অধিকাৰী সকলক সঞ্জীৱনী প্ৰদান কৰি জীয়াই থকাৰ নতুন আস্বাদন দিব তথা বিধিৰ বিধানৰ যথোপযুক্ত মোকাবিলা কৰাত সাহস যোগাব। প্ৰকৃতাৰ্থত, এই দুই চৰিত্ৰৰ অন্তঃ বিশ্লেষণৰ প্ৰাসঙ্গিকতা বৰ্ত্তমান সময়ত বাৰুকৈয়ে অনুভূত হৈছে। চৰিত্ৰ দুটিৰ সংঘাতে এটা কথাই শিকায় যে জীৱনৰ সংঘাতক জয় কৰি পলায়নৰ পথ বাচি লোৱাটো সুস্থতা বা পৌৰুষত্ব নহয়; তাৰ লগত মোকাবিলা কৰি এটা সুস্থিৰ, সাম্য(Balanced) জীৱন যাপন কৰাটোহে সঁচা অৰ্থত সুস্থ মস্তিষ্কৰ পৰিচায়ক। ভীষ্ম আৰু কৰ্ণৰ জীৱন বৃত্তান্তই বাৰম্বাৰ এটা কথাই প্ৰতীয়মান কৰে যে জীয়াই থকাৰ মাদকতা আছে জীৱনত সন্মুখীন হোৱা সংঘাতক হজম কৰাত ; কোনো অন্তৰ্দ্বন্দ্বত মগজুৰ ভাৰসাম্য নেহেৰুৱাই দৃঢ়মনা হৈ তাৰ মোকাবিলা কৰাত।

ভীষ্মৰ স্বসৃষ্ট অন্তৰ্দ্বন্দ্ব ; ভাগ্যদেৱীৰ ক্ৰূৰতাৰ চিকাৰ হোৱা মহাৰথী কৰ্ণৰ মানসিক সংঘাত যদিও ভিন্ন ধৰণৰ তথাপিও দুয়োৰে সংঘাতৰ লগত যথোপযুক্ত প্ৰতিযোগিতা আগবঢ়াই তাক নিঃশেষ কৰি পেলোৱাটো দ্বিধাহীনভাৱে অনুকৰণীয়। প্ৰতিজ্ঞাবদ্ধজনে শেষ পৰ্য্যন্ত নিজৰ স্থিতি বাহাল ৰাখিলে; অন্যজনে শেষ পৰ্য্যন্ত লোকগ্লানি, লোক প্ৰবাদ বিধিৰ বিড়ম্বনাৰ লগত নিৰৱচ্ছিন্ন যুদ্ধ আগবঢ়াই গ'ল। এই দুই মহাবীৰৰ জীৱন-কাহিনীৰ প্ৰাসঙ্গিকতা মাথো বৰ্ত্তমান সমাজতেই নহয়, সমস্ত মানৱজাতিৰ চিৰদিনৰ চিৰন্তন আদৰ্শ হৈ ৰ'ব।

*জিতু দত্ত স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (ইংৰাজী)ৰ ছাত্ৰ।*



*পেইন্টিং ঃ আৰ্ছিল গৰ্কী*

সাম্প্ৰতিক

# ভাৰতীয় জীৱন-পদ্ধতিত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ

❑ সংগীতা গগৈ

পণ্ডিত ফ্ৰান্সিছ বেকনৰ মতে "সংস্কৃতি হ'ল মানবীয় শক্তিৰ বিকশিত অৱস্থা।" হেম বৰুৱাই .তেখেতৰ বিখ্যাত গ্ৰন্থ 'আচুঁফুল'ত লিখিছে "সংস্কৃতি হৈছে একপ্ৰকাৰৰ জীৱন পদ্ধতি - বুৰঞ্জী আৰু সমাজতত্ত্বৰ তত্ব কথাই এই কথাকে প্ৰমাণ কৰে।" আচলতে সংস্কৃতি হৈছে সামাজিক প্ৰকাশ।" সামাজিক সচেতনতা হৈছে সংস্কৃতিৰ প্ৰাণ। কাৰণ সংস্কৃতিৰ জন্মস্থলী হৈছে সমাজ। যদিও সংস্কৃতিৰ মূল উদ্দেশ্য জীৱনৰ পৰিপূৰ্ণতাৰ আন্তৰিক স্পৃহা আৰু নিজৰ লগতে সমাজৰ বিকাশ সাধনৰ নৈতিক তাড়না তথাপি বিভিন্ন সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা সংস্কৃতি সেই অঞ্চলৰ ভৌগোলিক পৰিবেশ, জলবায়ু, মানবধাৰাৰ নৃতাত্বিক বৈশিষ্ট্য, ধৰ্মীয় বিশ্বাস, ৰাজনৈতিক, আৰ্থ-সামাজিক অৱস্থা, শিক্ষা, মননৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণ স্বৰূপে পাশ্চাত্য সংস্কৃতি আৰু ভাৰতীয় সংস্কৃতিৰ মাজত কিছুমান মৌলিক পাৰ্থক্য আছে। পাশ্চাত্যমনে মানুহ আৰু তাৰ বস্তুগত পৰিবেশৰ মাজত সংগ্ৰামৰ ওপৰত অত্যাধিক নৈতিক গুৰুত্ব আৰোপ কৰে আৰু প্ৰকৃতিক জয় কৰাটো সাংস্কৃতিক প্ৰগতিৰ সঁচাৰ কাঠি বুলি গণ্য কৰে। আনহাতে ভাৰতীয় মনৰ বিকাশেই হৈছে উষ্ণ জলবায়ু, সমৃদ্ধভূমি, প্ৰচুৰ উৎপাদনেৰে পৰিপুষ্ট এক পৰিবেশৰ মাজত। প্ৰকৃতিৰ লগত ইয়াৰ স্বাভাৱিক সম্পৰ্ক সেয়ে সংগ্ৰামৰ নহয়, সমন্বয়ৰ। ইয়াৰ বিশেষ ধৰণৰ বৌদ্ধিক ধাৰাৰ কাৰণে ভাৰতীয় মনে পৰম বাস্তৱৰ অনুভৱক উচ্চতম মূল্য দিয়ে আৰু ব্যৱহাৰিক প্ৰমূল্য সমূহক নিম্নতৰ স্থানত ৰাখে। অৱশ্যে সময়, ভৌগোলিক ক্ষেত্ৰ, ৰাজনৈতিক, আৰ্থ-সামাজিক উপাদানসমূহৰ ওপৰত সাংস্কৃতিক বিকাশ নিৰ্ভৰ কৰিলেও যিকোনো সংস্কৃতিৰ এক বিশ্বজনীন আবেদন আছে। এই আবেদনৰ বাবেই বিশেষ প্ৰান্তৰ কোনো সংস্কৃতিয়ে বিশ্বৰ একেবাৰে বিপৰীত মেৰুৰ সম্পূৰ্ণ ভিন্ন মানসিকতাৰ মানুহকো আকৃষ্ট কৰে, প্ৰভাৱান্বিত কৰে।

ভাৰতীয় জীৱন পদ্ধতিৰ ওপৰত পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। সম্প্ৰতি আধুনিক শিক্ষা, চিন্তা, জীৱনধাৰণৰ প্ৰণালী, কাৰিকৰী দক্ষতা আদি ইমান দূৰ পাশ্চাত্যভিত্তিক আৰু পাশ্চাত্য অনুপ্ৰাণিত যে আধুনিক ধৰ্মিতা আৰু পাশ্চাত্য ধৰ্মিতাক সমাৰ্থক বুলি ধৰি লোৱাৰ প্ৰৱণতা আমাৰ সমাজত দেখা পোৱা যায়। ভাৰতীয়সকলে ঘাইকৈ ইংৰাজসকলৰ দ্বাৰাই প্ৰথমে পাশ্চাত্য সংস্কৃতিৰ সোৱাদ লোৱাৰ সুবিধা পাইছিল। যদিও ভাৰতত ইংৰাজসকলৰ ৰাজনৈতিক প্ৰভুত্ব ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত প্ৰতিষ্ঠিত হৈছিল। নতুন শাসকসকলে লগত অনা পাশ্চাত্য সংস্কৃতিয়ে ভাৰতীয় মনত তেতিয়াই কোনো গভীৰ ৰেখাপাত কৰিব নোৱাৰিছিল। ভাৰতীয় জনসাধাৰণৰ মনত আশ্চৰ্য্য সৃষ্টি কৰিব পৰা পাশ্চাত্য সভ্যতাৰ একমাত্ৰ দিশতো আছিল ৰেলৱে, টেলিগ্ৰাফ আদিৰ যোগেদি প্ৰকাশ পোৱা কাৰিকৰী প্ৰগতি। কলিকতা প্ৰমুখ্যে কেইখনমান প্ৰধান নগৰৰ এমুঠি ভাৰতীয়ৰ বাহিৰে সমূহ জনসাধাৰণৰ ওপৰত পাশ্চাত্য সংস্কৃতিয়ে প্ৰভাৱ পেলাব নোৱাৰাৰ মূল কাৰণ সমূহ এনেধৰণৰ-

১) ভাৰতীয়সকলে তেতিয়া নিজৰ সংস্কৃতিতে সন্তুষ্ট আছিল আৰু ইয়াৰ পৰিবৰ্তনৰ কোনো প্ৰয়োজনবোধ কৰা নাছিল।

২) লৰ্ড মেকলেই আৰম্ভ কৰা শিক্ষাৰ পাশ্চাত্যকৰণৰ চৰকাৰী নীতি সত্বেও সাধাৰণতে ইংৰাজ ভদ্ৰলোকৰ অধিকাংশই সেই সময়ত ভাৰতীয় সকলৰ ওপৰত তেওঁলোকৰ সংস্কৃতি জাপি দিব খোজা নাছিল ; বৰঞ্চ কিছু পৰিমাণে তেওঁলোকহে ভাৰতীয় সংস্কৃতি ৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পিছত দৃশ্যপট হঠাৎ সলনি হ'ল। নিজৰ ৰাজনৈতিক নিৰ্বীৰ্যতাৰ উপলব্ধিয়ে ভাৰতদীয়সকলক এনে এটা আঘাত দিলে যে তেওঁলোকৰ নিজৰ সংস্কৃতিৰ ওপৰত বিশ্বাস হেৰাই গ'ল। নিজৰ জাতীয় সংস্কৃতিৰ শ্ৰেষ্ঠতা আৰু সাম্ৰাজ্যবাদী সেৱাৰ ওপৰত বিশ্বাসী নতুন পুৰুষৰ ইংৰাজ বিষয়াসকল যেতিয়া ভাৰতলৈ আহিল, তেতিয়া তেওঁলোকে অনুভৱ কৰিলে যে মধ্যযুগীয়া ভাৰতীয় সংস্কৃতি হৈ আহিছে আৰু সি আধুনিক যুগৰ অৰ্থনৈতিক, ৰাজনৈতিক বৌদ্ধিক চাহিদা পুৰণ কৰিব নোৱাৰে আৰু যি আধুনিক আৰু পাশ্চাত্য সংস্কৃতিয়ে তেওঁলোকৰ বৰ্তমানৰ প্ৰগতি আৰু ক্ষমতা দিছে, তাৰ কিছু উপাদান ভাৰতে গ্ৰহণ কৰিব লাগিব।

প্ৰথম অৱস্থাত ভাৰতলৈ আগমন ঘটা আধুনিক পাশ্চাত্য সংস্কৃতি আচলতে প্ৰকৃত বিধৰ পাশ্চাত্য সংস্কৃতি নাছিল, বৰং ই আছিল এবিধ ৰূপান্তৰিত নমুনা যাৰ অংশবোৰ ইংলেণ্ডৰ পৰা আনি ভাৰতত সংযুক্ত কৰা হৈছিল। কিছুমান তৰুণ ইংৰাজ লোকক তেওঁলোকৰ নিজৰ কেন্দ্ৰৰ পৰা হেজাৰ হেজাৰ মাইল দূৰলৈ পঠোৱা হৈছিল কোটি কোটি মাত নোহোৱা, অভিযোগ নোহোৱা মানুহক তেওঁলোকৰ নিজৰ স্বাৰ্থত শাসন কৰিবলৈ, ইংৰাজ চৰকাৰৰ অনুগত প্ৰজা আৰু ইংৰাজ বস্তু সামগ্ৰীৰ নিৰ্ভৰযোগ্য গ্ৰাহক কৰি তুলিবলৈ আৰু ঘটনাক্ৰমে তেওঁলোকৰ আজৰি সময়ত এক নতুন শিক্ষা ব্যৱস্থা গঢ়ি তুলিবলৈ আৰু এক নতুন সাংস্কৃতিক জগত তৈয়াৰ কৰিবলৈ।

কিন্তু প্ৰতিকূল জলবায়ু আৰু অপ্ৰীতিকৰ সাংস্কৃতিক পৰিৱেশৰ কাৰণে এক প্ৰকৃত পাশ্চাত্য সংস্কৃতি গঢ়ি তুলিবলৈ ইংলেণ্ড আৰু আন আন পাশ্চাত্যদেশসমূহৰ পৰা মহান পণ্ডিত বা শিল্পীক প্ৰলুব্ধ কৰি ভাৰতলৈ আনিব পৰা নগৈছিল। ফলস্বৰূপে এই কাম কৰিবলগা হৈছিল ঘাইকৈ এচাম আদেশদাৰী বিষয়া বা ব্যৱসায়ীয়ে। ইয়াৰ ফলত যি সংস্কৃতিৰ সৃষ্টি হয় তাক ইংৰাজ বা পাশ্চাত্য সংস্কৃতি বুলিব নোৱাৰি, বৰং ভাৰতীয় বিধৰ উপনিবেশিক সংস্কৃতি বুলি ক'ব পাৰি, যিটো পশ্চিমীয়া শক্তিবোৰৰ এচিয়া আৰু আফ্ৰিকাৰ উপনিবেশসমূহ আৰু বহতীয়া ৰাজ্যত গঢ়ি উঠিছিল। তদুপৰি এই সংস্কৃতি ভাৰতস্থ ইংৰাজ প্ৰতিনিধিসকলৰ জাতীয় অহংকাৰ আৰু অসামাজিক আচৰণৰ কাৰণে ভাৰতীয়সকলৰ মাজত উপযুক্তভাৱে বিয়পাব পৰা নগৈছিল। এখন বহতীয়া দেশত বিদেশী শাসকসকলে শিক্ষক আৰু সংস্কাৰকৰ ভূমিকা পালন কৰাত অন্তৰ্নিহিত অসুবিধাবোৰ ভাৰতত অধিকতৰ তীব্ৰ হৈছিল এই কাৰণেই যে শিক্ষকসকলে তেওঁলোকৰ ছাত্ৰসকলৰ লগত সামাজিক সম্পৰ্ক ৰক্ষা কৰাটো তেওঁলোকৰ সম্মান বহিৰ্ভূত বুলি গণ্য কৰিছিল। গতিকে ভাৰতীয়সকলে যেতিয়া সন্মানজনক দূৰত্বৰ পৰা ভাৰতস্থ ইংৰাজসকলৰ বহিৰ্জীৱনৰ ধৰণ কৰণ বা তেওঁলোকৰ অসামাজিক প্ৰকৃতি আদি বাহ্যিকতাবোৰ আৰু আপাত দৃষ্টিত তেওঁলোকৰ ধৰ্মীয় অবিশ্বাস আৰু পাৰ্থিৱতাহে দেখা পাইছিল। আত্মসন্মান, আত্মসংযম, নৈতিক সাহস, 'খেলুৱৈ সুলভ' আৰু 'ভদ্ৰলোক সুলভ' মনোবৃত্তি আদি ইংৰাজ চৰিত্ৰৰ মৌলিকতাসমূহ আৰু বিজ্ঞানসম্মত অনুসন্ধিৎসা, প্ৰকৃতিৰ শক্তিক মানবীয় সুখৰ বাবে ব্যৱহাৰ কৰাৰ ইচ্ছা আদি পাশ্চাত্যৰ আন জাতিসমূহৰ লগতে ইংৰাজসকলে অৰ্জন কৰা আধুনিকতাৰ বৈশিষ্ট্যসমূহ বেছিভাগ ভাৰতীয়ৰ চকুত নপৰিল আৰু তেওঁলোক সেইবোৰৰ দ্বাৰা প্ৰভাৱান্বিত নহ'ল। অৱশ্যে এই কথা পাশ্চাত্য শিক্ষাৰ সুবিধা পোৱা সকলো শিক্ষিত ভাৰতীয়ৰ ক্ষেত্ৰত নাখাটে, কিয়নো ইয়াৰ ভিতৰত বহুতো মহান ব্যক্তিও পৰে যিসকলে দেশৰ সাংস্কৃতিক পুনৰজাগৰণৰ ক্ষেত্ৰত মহান বৰঙণি আগবঢ়াই লৈ গৈছে।

সাধাৰণতে আধুনিক পশ্চিমীয়া শিক্ষানুষ্ঠানত শিক্ষিতসকল পুৰণিকলীয়া প্ৰাচ্য শিক্ষানুষ্ঠানত শিক্ষিতসকলৰ সৈতে একে আছিল। দুয়োবিধেই অজীৰ্ণ তথ্যৰে পৰিপূৰ্ণ আছিল। এটাই মাত্ৰ মানসিকতাৰ অনুশীলন কৰা হৈছিল, সেইটো হ'ল নিষ্ক্ৰিয় স্মৃতিশক্তি, যুক্তি চৰ্চা, অনুসন্ধিৎসা, সমালোচনা আৰু বাস্তু জীৱনৰ অৰ্জিত আৰু ব্যৱহাৰিক প্ৰয়োগ আদি বাদ পৰিছিল। স্পষ্টতঃ ইংৰাজী ভাষাই আগবঢ়োৱা নান্দনিক আৰু বৌদ্ধিক সমাজৰপৰা আনন্দ বা উপকাৰীতা অনুভৱ কৰিব নোৱাৰা ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিৰ এই চাহাবসকলে জতীয় সংস্কৃতিৰ প্ৰত নিজস্ব কোনো অৱদান আগবঢ়াব নোৱাৰিছিল। ইংৰাজী ভাষাত মূল্যবান লেখা আগবঢ়াইছিল কেৱল সেইসকল ভাৰতীয়ই যাৰ মন প্ৰথম প্ৰচ্য শিক্ষাৰ দ্বাৰা পৰিশীলিত হৈছিল আৰু যিসকলে পাছৰ ইংৰাজী শিক্ষা আয়ত্ব কৰিছিল। তেওঁলোকে ইংৰাজী আৰু নিজৰ ভাষাতো ভাৰতীয় দৰ্শন, ধৰ্ম, আইন, বুৰঞ্জী আৰু পুৰাতত্বৰ বিষয়ে এই ৰচনা কৰিছিল। নিজৰ সাহিত্য আৰু কলাকো তেওঁলোকে নতুন পৰিৱেশৰ লগত খাপ খুৱাই ল'বলৈ আৰু নৱৰূপত গঢ় দিবলৈ চেষ্টা কৰিছিল।

ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিয়ে ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ভাৰতীয় সকলক আধুনিক ধ্যান-ধাৰণা সম্পৰ্কে সচেতন কৰি অথচ সেইবোৰ অনুকৰণ কৰাৰ কোনো সুযোগ নিদি যিদৰে বিসংগতিৰ সৃষ্টি কৰিছিল, সেইদৰেই সাংস্কৃতিক ক্ষেত্ৰতো ইয়াৰ ভূমিকা আছিল নেতিবাচক। জড়গ্ৰস্ত ঐতিহ্যৰ যুৱনি দলিয়াই পেলোৱাত ভাৰতীয়সকল কিছু সফল হৈছিল, কিন্তু কৰ্তৃপক্ষৰ প্ৰতি আনুগত্য তেওঁলোকৰ স্বভাৱত এনেভাৱে অন্তৰ্নিহিত হৈ পৰিছিল যে ঔপনিবেশিক ইংৰাজসকলৰ জীৱন পদ্ধতি অনুকৰণ কৰাটোকে আদৰ্শস্বৰূপে লৈ তেওঁলোক এক নিকৃষ্ট মানসিক দাসত্বৰ বলি হৈছিল। সঁচা কথা, ভাৰতৰ কাৰখানাত স্থাপন হৈছিল, বেংক খোলা হৈছিল, ৰেল কোম্পানীবোৰে উপৰুৱা নিৰীক্ষকক অৰ্থনৈতিক প্ৰগতিৰ আভাশ দিছিল। কিন্তু ভাৰতৰ বিশালতা আৰু জনসংযোগৰ দিশৰ পৰা এইবোৰ নীতিসীমিত পৰ্য্যায়ত হৈছিল আৰু এইবোৰৰ গৰাকী স্বত্ব আৰু পৰিচালনাও প্ৰায় সম্পূৰ্ণৰূপে আছিল ইংৰাজসকলৰ ওপৰত। ফলস্বৰূপে ইয়াৰ প্ৰায় সকলো সুবিধা ইংৰাজসকলে উপভোগ কৰিছিল আৰু অসুবিধাবোৰ ভোগ কৰিছিল ভাৰতীয়সকলে। সামাজিকভাৱে মধ্যযুগীয় কৃষি অৰ্থনীতিৰ চৰিত্ৰ প্ৰায় অপৰিৱৰ্তিত হৈ ৰ'ল। বস্তুতঃ দেশজ হস্ত উদ্যোগবোৰ শক্তি উদ্যোগৰ লৌহ চেপাত্ মৃত হৈ গৰিল। আধুনিক কাৰখানাত কাম কৰিব পৰা কমসংখ্যক শ্ৰমিকৰ বাহিৰে বাকীসকলো শ্ৰমিক কৃষি ক্ষেত্ৰলৈ ঘূৰি আহিল আৰু কৃষি ভূমিৰ ওপৰত হেঁচাক্ৰমে অধিক প্ৰবল হ'ল। ঔপনিবেশিক সংস্কৃতিৰ ফলত কৃষিক্ষেত্ৰত দেখা দিয়া মন্দাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱে দেশৰ সাধাৰণ অৰ্থনৈতিক স্তৰ নিম্নগামী কৰাৰ লগতে ৰাজনৈতিক অশান্তি বঢ়াই তুলিলে। স্বাধীনোত্তৰ কালতো এই

ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিয়ে ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ভাৰতীয় সকলক আধুনিক ধ্যান-ধাৰণা সম্পৰ্কে সচেতন কৰি অথচ সেইবোৰ অনুকৰণ কৰাৰ কোনো সুযোগ নিদি যিদৰে বিসংগতিৰ সৃষ্টি কৰিছিল, সেইদৰেই সাংস্কৃতিক ক্ষেত্ৰতো ইয়াৰ ভূমিকা আছিল নেতিবাচক। জড়গ্ৰস্ত ঐতিহ্যৰ যুৱনি দলিয়াই পেলোৱাত ভাৰতীয়সকল কিছু সফল হৈছিল, কিন্তু কৰ্তৃপক্ষৰ প্ৰতি আনুগত্য তেওঁলোকৰ স্বভাৱত এনেভাৱে অন্তৰ্নিহিত হৈ পৰিছিল যে ঔপনিবেশিক ইংৰাজসকলৰ জীৱন পদ্ধতি অনুকৰণ কৰাটোকে আদৰ্শস্বৰূপে লৈ তেওঁলোকে এক নিকৃষ্ট মানসিক দাসত্বৰ বলি হৈছিল।

প্ৰক্ৰিয়া অব্যাহত আছে বুলি ক'ব পাৰি।

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ জনজাতীয় সমস্যা সাম্ৰাজ্যবাদী পাশ্চাত্য সংস্কৃতিৰে এক বিষময় পৰিণতি বুলিব পাৰি। ইংৰাজসকলৰ আগমনৰ আগলৈকে বিভিন্ন পৰিবৰ্তনক সামৰি লৈও পাহাৰীয়া অঞ্চলৰ বিভিন্ন জনগোষ্ঠীয়ে অবিৰত ধাৰাত নিজৰ থলুৱা সংস্কৃতিক বহন কৰিছিল। বৃটিছ প্ৰশাসনে প্ৰত্যক্ষ ভাৱে নহ'লেও পৰোক্ষভাৱে এনে এলেকাত মিছনেৰী সকলক অবাধে ধৰ্মপ্ৰচাৰ কৰিবলৈ দিলে। লাহে লাহে তেওঁলোকৰ প্ৰচেষ্টাত খৃষ্ট ধৰ্মৰ লগতে কিছু পৰিমাণে শিক্ষা আৰু সভ্যতাৰ পোহৰ পাহাৰৰ মাজত সোমাল যদিও জনজাতি সমূহৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ বহু দুৰ্মূল্য উপাদান লোপ পালে। প্ৰাচীন পৰম্পৰাৰ শিল্পবোৰ কাটখাই যোৱাত আমদানিকৃত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত জনজাতিসমূহৰ যি আচহুৱা আৰু মূল নোহোৱা বাহ্যিক হ'ল সি তেওঁলোকৰ নিজৰ ঐতিহ্য, অস্তিত্ব ৰক্ষা আৰু সংস্কৃতি সম্পৰ্কে সংশয়াচ্ছন্ন কৰি পেলোৱাতহে সহায়ক হ'ল। তেওঁলোকৰ কলা সংস্কৃতি যিহেতু লোক নৃত্যৰ পৰ্যায়ত, ভাষা মৌখিক ভাষাৰ ৰূপত আৰু অৰ্থনীতি এহাতে প্ৰাচীন পশ্চাৎপদ জনজাতীয় স্তৰত আৰু আনহাতে ঔপনিবেশিক শাসন ব্যৱস্থাৰ গোলামী কৰাৰ ওপৰত নিৰ্ভৰশীল হৈ ৰ'ল, সেয়ে নিজৰ জাতীয় সত্বা ৰক্ষা আৰু বিকাশ সম্পৰ্কে তেওঁলোকৰ আত্মবিশ্বাস নাইকীয়া হৈ পৰিল। উপনেবিশিক পশ্চিমীয়া জাৰজ সংস্কৃতিয়ে চেক্‌সপীয়েৰ, মিল্টন, নিউটনক চিনাকি কৰি দিব পাৰে, কিন্তু জাতীয় সত্বা আৰু অস্তিত্বৰ ওপৰত আত্মবিশ্বাস আনি দিব নোৱাৰে। ভাৰত স্বাধীন হোৱাৰ সময়ত বৃটিছ প্ৰশাসনৰ ফচিল হৈ পৰা বাধা-নিষেধৰ নিয়ম সমূহ নাইকীয়া হৈ যাব বুলি আৰু ইয়াৰ ফলত ভৈয়ামৰ ভাৰতীয় সকলে তেওঁলোকক গিলি খাব বুলি পাহাৰৰ জনজাতীয় নেতাসকল সন্ত্ৰস্ত হৈ পৰিল। বিচ্ছিন্নতাৰ আঁৰ বেৰবোৰ বৰ্তাই ৰাখিব পাৰিলেহে তেওঁলোকে নিৰাপদ বোধ কৰা হ'ল। আত্মবিশ্বাসহীনতাই আনি দিয়া এই শংকা বিচ্ছিন্নতাবাদী চিন্তাধাৰাৰ অন্যতম কাৰণ আৰু এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে পাশ্চাত্য ঔপনিবেশিক সংস্কৃতিৰে বিষময় ফল।

যদিও ইংৰাজৰ আমোলত শাসক গোষ্ঠীয়ে শক্তিৰ সহায়ত হিন্দুস্থানী সংস্কৃতিক ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিলৈ ৰূপান্তৰিত কৰিছিল, তথাপি ইয়াৰ পৰিসৰ সীমিত নাছিল। কিন্তু সাম্প্ৰতিক কালত আমাৰ সমাজত ইংৰাজী-নিৰ্ভৰতা আৰু পাশ্চাত্য ভঙ্গি প্ৰীতি ক্ৰমাৎ বৃদ্ধি পাইছে। ইংৰাজী মাধ্যমৰ নব্য বিদ্যালয়ত তাৰে বহুতো পাবত গজা ভঙ্গি-সৰ্বস্ব সন্তানৰ নামভৰ্ত্তিৰ বাবে মধ্যবিত্ত ভাৰতীয় অভিভাৱকে কৰা ঠেলা-হেঁচাই পৰিস্থিতিটোৰ সুন্দৰ আভাস দিয়ে। এই বিশেষ ধৰণে শিক্ষিত যুৱক-যুৱতীয়েই জীৱিকা আৰু প্ৰতিষ্ঠাৰ সিংহভাগৰ অধিকাৰী হয় বা হ'বৰ সম্ভাৱনা থাকে বুলিয়েইতো এই গড্ডলিকা প্ৰবাহ।

এই সামাজিক বাস্তবতাৰ পৰিপ্ৰেক্ষিতত বিশেষভাৱে বিপন্ন হৈছে বা হোৱাৰ উপক্ৰম হৈছে আমাৰ পৰম্পৰাগত লোক জীৱন আৰু লোকসংস্কৃতি। পূৰ্ব অভিজ্ঞতাৰ পৰা দেখা যায় যে প্ৰচলিত ধৰণে আধুনিক শিক্ষাপ্ৰাপ্ত ডেকা-গাভৰুৰ মনত পৰম্পৰাগত জীৱন-ধাৰাৰ প্ৰতি বিমুখ এক ধৰণৰ মানসিকতাই শ্ৰেণী বিশেষে ঔদাসীন্য, অশ্ৰদ্ধা, আনকি স্পষ্ট বিদ্বেষৰ ৰূপ লয়। পিন্ধা উৰা, খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে ভাৰতীয় বৰ্জন যেন এটা ধৰ্ম হৈ পৰে। পৰম্পৰাগত সকলো বস্তুকেই অপাংক্তেয় বুলি ধৰি লোৱাৰ ফলত এইসকল যুৱক যুৱতী নিজে নিজেই জাতীয় সমাজ জীৱনৰ পৰা 'বিচ্ছিন্ন' হৈ পৰে। বৃটিছ আমোলত যদি এই বিচ্ছিন্নতা সীমাবদ্ধ আছিল, আজি সি বহুধা বিস্তাৰিত আৰু ক্ৰমাৎ ঘনীভূত হৈ আহিছে।

ভাৰতৰ নিবনুৱা সমস্যাক অধিক সংকটজনক কৰি তোলাত ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ কোনো গুণেই কম নহয়। প্ৰাক্ স্বাধীনতাৰ কালৰে পৰা "কলম পিহা মাচিয়াত বহা' চাকৰিয়েই এতিয়ালৈকে আধুনিক শিক্ষাৰ লক্ষ্য হৈ আছে। এনে অৱস্থাৰ পৰম্পৰাগতভাৱে কোনো বৃত্তিৰ লগত সংযুক্ত কোনো পৰিয়ালৰ সন্তানে হাইস্কুলৰ কেইশ্ৰেণীমান পঢ়াৰ পাছত ধৰি লয় যে পৰম্পৰাগত বৃত্তি বা শিল্পৰ লগত সম্পৰ্ক ৰখাটো তেওঁলোকৰ বাবে মৰ্যদা হানিকাৰক। ফলত তেনে সম্পৰ্ক ত্যাগ কৰি তেওঁ চৰকাৰী বা অনাচৰকাৰী প্ৰতিষ্ঠানৰ কাৰণে প্ৰাৰ্থীৰ দীঘল শাৰীত থিয় দিয়ে – লাগিলে সেই চাকৰি নিম্নতম পৰ্য্যায়ৰেই হওঁক। ইয়াৰ পৰিণতিস্বৰূপে এহাতে পৰম্পৰাগত বৃত্তিসমূহৰ আৰ্থ-সামাজিক অৱমূল্যায়ন হৈছে আৰু আমাৰ লোক শিল্পৰ অকাল মৃত্যুৰ কাষ চাপি আহিছে। আনহাতে 'শিক্ষিত নিবনুৱা' সমস্যাটোৰ ভয়াবহতা বৃদ্ধি পাইছে। অন্ধবিশ্বাস আৰু কুশংস্কাৰৰ ঠাইত যুক্তিবাদী বিচাৰ ধাৰা, শ্ৰমবিমুখিতা আৰু কৰ্তব্য হেলাৰ মনোভাৱৰ ঠাইত কৰ্মৰ প্ৰতি নিষ্ঠা, ঔদাসীন্যৰ ঠাইত সামাজিক ন্যায় অন্যায়ৰ বিষয়ে সচেতনতা অন্ধ অনুকৰণৰ ঠাইত ব্যক্তিগত আৰু জাতীয় আত্ম মৰ্য্যদাৰ ভাব জাগ্ৰত কৰিব পৰা তথা আমাৰ লোক জীৱনৰ সৈতে অধিক সামঞ্জস্যপূৰ্ণ শিক্ষা প্ৰবৰ্তনৰ ক্ষেত্ৰত চৰকাৰে প্ৰদৰ্শন কৰা অসামৰ্থতাই ইয়াকে প্ৰমাণ কৰে যে আজিকোপতি ভাৰত ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাই।

'অসম বাণী'ৰ কোনো এটা বিশেষ সংখ্যাত সমীন্দ্ৰ হুজুৰি দেৱে লিখিছে— "এইটো নিশ্চিত-পাশ্চাত্যই প্ৰাচ্যক ইন্‌জেক্ট কৰিব বিচাৰিছে। অৰ্থনৈতিকভাৱে ৱৰ্ল্ডবেংক আই এম এফৰ জৰিয়তে এই প্ৰচেষ্টা অব্যাহত আছে। এতিয়া আকৌ গোলকীকৰণৰ জৰিয়তে গ্যাট চুক্তিৰ মাজেদি কৰিছে আৰু এক সূক্ষ্ম অৰ্থনৈতিক সাংস্কৃতিক প্ৰব্ৰজন।" চীনা সাহিত্যিক য়েন ফুৱে বিজ্ঞানৰ অগ্ৰগতিয়ে সমাজলৈ আনি দিয়া চাৰিটা কুফলৰ কথা কৈছিল এনেদৰে— "বিজ্ঞানৰ প্ৰগতিৰ ফলত পশ্চিমে শিকিলে— কেনেকৈ স্বাৰ্থপৰ হ'ব লাগে, কেনেকৈ আনক হত্যা কৰিব লাগে,

ঐক্য কিদৰে নাশ কৰিব লাগে।"

পশ্চিমীয়া সমাজৰ এই কুঅভিসন্ধি সমূহে ক্ৰমে ভাৰতীয় সমাজ ব্যৱস্থাকো গ্ৰাস কৰিব লাগিছে। পশ্চিমৰ উপভোক্তা সংস্কৃতিয়ে ভাৰতবাসীৰ মানবীয় মূল্যবোধ ক্ৰমে নিঃশেষ কৰি আনিছে। এই প্ৰক্ৰিয়া খৰতকীয়া কৰি তুলিছে "মিডিয়া ছিষ্টেমে"। আমি পাশ্চাত্যৰ স্বনিৰ্ভৰশীলতা, সদাব্যস্ত মনোভাৱ আদি সৎ গুণাৱলীক বিসৰ্জন দি

পৰাধীন ভাৰতীয়ৰ দৰে গ্ৰহণ কৰিছো পোছাক-পৰিচ্ছদ পৰিধান প্ৰণালী, নগ্নতা আৰু হিংসাৰে পৰিপূৰ্ণ বিদেশীভাষাৰ ছবি দৰ্শন, অত্যাধুনিক আৰামদায়ক জীৱন নিৰ্বাহৰ প্ৰণালী আদিৰ দৰে নিম্নৰুচিৰ কিছুমান আদৰ্শ, যিবিলাকে এখন দেশ বা সমাজৰ উন্নয়নত কোনো প্ৰকাৰৰ বৰঙণি যোগাব নোৱাৰে।

ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিয়ে ভাৰতীয় জীৱন পদ্ধতিত যে কেৱল কুপ্ৰভাৱহে পেলাইছে এনে নহয়; ইয়াৰ দ্বাৰা ভাৰতীয়সকল কিছুপৰিমাণে লাভবানো হৈছিল। ভাৰতত বিভিন্ন জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্যৰ বিষয়ে তথ্য সংগ্ৰহ আৰু অধ্যয়ন প্ৰথমে আৰম্ভ হৈছিল পশ্চিমীয়া ধৰ্মপ্ৰচাৰক আৰু প্ৰশাসকৰ হাতত। তেওঁলোকৰ এই কৰ্মত জাতীয়ভাৱ নাছিল যদিও এইবোৰৰ বিদ্যায়তনিক মূল্য ওলাই কৰিব পৰা বিধৰ নাছিল। আধুনিক ভাৰতীয় ইতিহাসৰ বিকাসৰ ক্ষেত্ৰতো কিছুসংখ্যক ইউৰোপীয় পণ্ডিতৰ অৱদান কম নহয়। অৰ্স, মেলকম, শ্ৰীমেন, ম'নৰো, কাণিংহাম আদিয়ে ভাৰতীয় ইতিহাস এটা বৃহৎ ভাণ্ডাৰ উত্তৰ পুৰুষৰ বাবে দি গৈছে। যাৰ লিখনীৰ দৃঢ় ভিত্তিতহে ভাৰতীয় ইতিহাসৰ গৱেষণা আগবঢ়াই নিব পাৰি। উইলিয়াম জনচ্ৰ দৰে প্ৰাচ্যতত্ত্ববিদসকলে সংস্কৃত সাহিত্যৰ অধ্যয়নৰ যোগেদি হিন্দু আইন আৰু কিছু ধৰ্মৰ বিষয়ে জ্ঞান আহৰণ কৰি হিন্দু সভ্যতাৰ সম্পৰ্কে অতি উচ্চ ধাৰণা পোষণ কৰিছিল। তেওঁলোকেও অৱশ্যে একমত হৈছিল যে হিন্দুসকলে তেওঁলোকৰ অনুষ্ঠানসমূহৰ পৰিবৰ্তন সাধন কৰিব লাগিব, তাকে কৰি ল'ব লাগিব লাহে-ধীৰে-- বিদেশী চিন্তাৰে নহয়, ভাৰতীয় ভাবাদৰ্শেৰেহে। তেওঁলোকৰ এই অভিমত কাণিংহাম, ম'নৰো, মেলকম আদি যে সমৰ্থন কৰি এটা সহানুভূতিশীল মনোবৃত্তিৰে ভাৰতৰ ৰাজনৈতিক অৱস্থা আৰু সমাজৰ বৰ্ণনা দাঙি ধৰিছিল। আলফ্ৰেড লায়াল আৰু উইলিয়াম হাণ্টাৰৰ দৰে পণ্ডিত সকলে বৃটিশ শাসনক প্ৰাচ্য আৰু পাশ্চাত্য শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফল বুলি গণ্য কৰিছিল। ইয়াণ্ডাবু সন্ধিৰ দ্বাৰা অসমত ইংৰাজ শাসন প্ৰতিষ্ঠিত হোৱাৰ পাছত অসমলৈ পশ্চিমীয়া সংস্কৃতিৰ প্ৰবল সোঁত বৈছিল। ইংৰাজী ভাষাৰ প্ৰভাৱ অসমৰ ভাষা সাহিত্যৰ ক্ষেত্ৰত নৱজাগৰণৰ সৃষ্টি কৰিছিল। অসমীয়া ভাষাৰ প্ৰথম অভিধান প্ৰকাশ পাইছিল ডঃ মাইলচ ব্ৰন্সন নামৰ এজন মিছনেৰী চাহাবৰ সম্পাদনাত। ১৮৬৭ চনত প্ৰকাশ পোৱা এই অভিধানখনৰ নাম আছিল "অচমিয়া ইংৰাজী অভিধান"। এই অভিধানখন প্ৰকাশ পোৱাৰ ৩৩ বছৰ পাছতহে হেমচন্দ্ৰ বৰুৱাৰ "হেমকোষ" প্ৰকাশিত হয়। ইয়াৰ পাছত ক্ৰমশঃ অসমীয়া ভাষাই গা কৰি উঠে।

সংগীতত সুৰ আৰু সমলয়ৰ সংযুক্তি আৰু চিত্ৰকলাত পূৰ্ণ অবয়ব আৰু অনুপাতৰ ওপৰত দিয়া গুৰুত্বই পাশ্চাত্য প্ৰভাৱৰ সুস্পষ্ট প্ৰমাণ দিয়ে। তদুপৰি পাশ্চাত্য প্ৰভাৱৰ ফলত খাদ্য, চৰ্কীমেজ, আচবাব আদি দৈনন্দিন ব্যৱহাৰৰ বস্তুৰো বহুত পৰিবৰ্তন ঘটে, জীৱনৰ সৌন্দৰ্য্য বা আকৰ্ষণীয়তা বৃদ্ধি নকৰিলেও এই প্ৰভাৱে দক্ষতা বৃদ্ধি কৰাত সহায় কৰে। তদুপৰি এইবোৰ মোটামুটিভাবে স্বাস্থ্যপ্ৰদ। ঔপনিবেশিক পাশ্চাত্য সংস্কৃতিয়ে ভাৰতৰ যি ক্ষতি কৰিছিল, তাৰ কিছু ক্ষতিপূৰণ কৰিলে স্বাধীন গণতান্ত্ৰিক জাতিৰ সংস্পৰ্শই। প্ৰথম অৱস্থাত গণতন্ত্ৰৰ দাৰ্শনিক ভেটিত অধ্যয়ন আৰু ই সৃষ্টি কৰা উদাৰ পন্থী দৃষ্টি-ভংগী কেৱল বুদ্ধিজীৱি চক্ৰৰ মাজত সীমাবদ্ধ আছিল, লৰ্ড ৰিপনে স্থানীয় স্বায়ত্ত শাসন প্ৰচলন কৰিবৰে পৰা ভাৰতীয় জনতাই সকলো স্তৰতে ক্ৰমে ক্ৰমে লাভ কৰা প্ৰতিনিধিত্বমূলক প্ৰশাসন পদ্ধতিৰ—ব্যৱহাৰিক প্ৰশিক্ষণে এক ৰাজনৈতিক দৃষ্টিভংগীৰ ঐক্য দান কৰিলে, যি প্ৰাচ্যত বিৰল আৰু পাশ্চাত্য দেশসমূহৰ সহজলভ্য নহয়।

পাশ্চাত্য সংস্কৃতিৰ অনান্য প্ৰভাৱেও ভাৰতীয় শিক্ষিত শ্ৰেণীৰ জীৱন আৰু চিন্তাৰ মাজত এক সাৰ্বজনীনতা সৃষ্টি কৰে আৰু ই এক মূল্যবান ঐক্যবদ্ধকাৰী শক্তিৰূপে ক্ৰিয়া কৰে। তদুপৰি যোৱা শতিকাৰ শেষৰফালে ক্ৰমবৰ্ধিত স্বাধীনতা আন্দোলনৰ প্ৰভাৱত আধুনিক শিক্ষিত শ্ৰেণীটোৱে পুৰণি ঔপনিবেশিক সভ্যতাৰ দাসসুলভ মনোবৃত্তি এৰি প্ৰকৃত পাশ্চাত্য সংস্কৃতিৰ শ্ৰেষ্ঠ উপাদানসমূহ আহৰণ কৰিবলৈ লৈছিল। পাশ্চাত্য আদৰ্শেৰে অনুপ্ৰাণিত হৈ যুৱ সমাজে বিধবা বিবাহ প্ৰচলন, বাল্যবিবাহ বন্ধ কৰোৱাত আৰু ধৰ্মীয় গোড়ামী নিঃশেষ কৰাৰ ক্ষেত্ৰত আগভাগ লৈ দেশসেৱাত নিজকে উৎসৰ্গিত কৰিছিল আৰু জন্ম দিছিল এক সুস্থ গঠনমূলক সাংস্কৃতিক ৰুচিবোধৰ। সাম্প্ৰতিক কালতো সচেতন ভাৰতীয়ই পশ্চিমৰ বৈজ্ঞানিক দৃষ্টি-ভংগী, উদাৰ জীৱনবীক্ষা, অৰ্থনৈতিক উপাদানসমূহৰ উপযুক্ত ব্যৱহাৰ আদি গুণবোৰ আয়ত্ব কৰাৰ প্ৰয়াস কৰিছে। আমাৰ জাতীয় জীৱনৰ উপযোগীকৈ খাপ খুৱাই লব পাৰিলে স্বাস্থ্যপ্ৰদ পাশ্চাত্য সংস্কৃতিৰ প্ৰতি এই মনোভাৱ ভাৰতীয় সংস্কৃতিৰ বিকাশত বিৰাট সহায় কৰিব পাৰে। আধুনিক পাশ্চাত্য সংস্কৃতিৰ এই মৌলিক নীতিসমূহ আয়ত্ব কৰিব পাৰিলে আমাৰ আকাঙ্খিত সমাজবাদী., গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ তথা পৰিকল্পিত ঔদ্যোগিক অৰ্থনীতি সুনিশ্চিতভাৱে গঢ়ি তোলাটোও সহজসাধ্য হ'ব।

*(বিভিন্ন গ্ৰন্থৰ সহায় লৈ)*

---

*সংগীতা গগৈ স্নাতক প্ৰথম বৰ্ষ (ইংৰাজী)ৰ ছাত্ৰী।*

ছবি-জগত

# জয়মতীৰ পৰা সপোনলৈ ঃ এক পৰ্য্যালোচনা

❒ বিপুল মেধি

ফ্রেডৰীকো কেলিনিয়ে এবাৰ কথা কৈছিল “The film is the one art form with which the artist can explore the inner landscape of the human being.” চলচিত্ৰ প্ৰদৰ্শনৰ কেন্দ্ৰ আছিল। বৃটিছৰ বিদেশী পণ্য সামগ্ৰীৰ লেখীয়াকৈ চলচিত্ৰকো ভাৰতৰ বজাৰত বিক্ৰী কৰা হৈছিল। সেই সময়তে কিছুমান ভাৰতবাসী চলচিত্ৰ কলালৈ আকৃষ্ট হয় আৰু তাৰ ফলশ্ৰুতিত সৃষ্টি হয় ‘ৰজা হৰিচন্দ্ৰ’। তেতিয়াই কলিকতাৰ ছাত্ৰ জ্যোতি প্ৰসাদ আগৰৱালাই অসমীয়া বোলছবি তৈয়াৰ কৰাৰ সপোন দেখে। সেই অৱস্থাতে তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ মূল কাহিনীৰ আলম লৈ জয়মতীৰ চিত্ৰ নাট্য ৰচনা কৰে। তাৰ পিছত চিত্ৰবন ষ্টুডিঅ’ (১৯৩৪) স্থাপন কৰি তেওঁ জয়মতী ছবিৰ কাম আৰম্ভ কৰে। ছবিখনৰ প্ৰস্তুতিৰ সম্পৰ্কে ‘অসমত ফিল্ম শিল্প’ নামে এটা প্ৰবন্ধত লিখিছিল “মই জয়মতী ছবিখন আৰু তাৰ অভিনেতাক একেবাৰে বাস্তৱিক দৃষ্টিৰে পৰিচালনা কৰিছো, যিটো সকলো ইংৰাজ, মাৰ্কিন আৰু ৰুচিয়াৰ প্ৰথম শ্ৰেণীৰ ফিল্মৰ লক্ষণ।” বিশিষ্ট চলচিত্ৰ পৰিচালক পদুম বৰুৱাৰ মতে ‘সামগ্ৰিক দৃষ্টি গ্ৰাহ্য আবেদন’, ‘মনোৰম দৃশ্যাৱলী ৰচনা’, ‘চিনেমাধৰ্মী অভিনয়’ ‘স্বাভাৱিক পৰিবেশ’ আদিয়েই জয়মতী ছবিখনৰ বৈশিষ্ট্য। সমসাময়িক অসমীয়া সমাজখনৰ অতি সীমিত চলচিত্ৰ জ্ঞানৰ বাবে জয়মতী সফল নহ’ল। কিন্তু জ্যোতিপ্ৰসাদে তৈয়াৰ কৰা তেওঁৰ দ্বিতীয় তথা শেষ কথাছবি ‘ইন্দ্ৰমালতী’য়ে (১৯৩৯) কিছু লাভৰ মুখ দেখিলে। ‘ইন্দ্ৰমালতী’ত জ্যোতিপ্ৰসাদৰ খৰচ হৈছিল বাৰ হেজাৰ টকা। স্বাধীনতাৰ আগতে ১৯৩৫ চনৰ পৰা ১৯৪৬ চনলৈ এই বাৰ বছৰত অসমীয়া ছবি নিৰ্মাণ হৈছিল মাত্ৰ ৫খনহে। সেই ৫ খন ছবি আছিল জয়মতী, ইন্দ্ৰমালতী, মনোমতী, ৰূপহী আৰু বদন বৰফুকন। ১৯৪৭ চনত, স্বাধীনতা লাভ কৰা বছৰটোত কোনো অসমীয়া ছবিয়ে মুক্তি লাভ কৰা নাছিল। প্ৰকৃতাৰ্থত স্বাধীনতাৰ পিচতহে ১৯৪৮ চনৰ পৰা অসমীয়া চলচিত্ৰ নিৰ্মাণৰ কাম আৰম্ভ হয় যিদিও মাজতে ১৯৪৯ চনৰ পৰা ১৯৫৪ চনলৈ প্ৰায় ছবছৰ কাল অসমীয়া ছবিৰ মুক্তিলাভ হোৱা নাছিল। পঞ্চাশৰ দশকৰ মাজভাগৰ পৰাহে নিয়মিতভাৱে অসমীয়া ছবি নিৰ্মাণ হৈ আহিছে। স্বাধীনতা লাভ কৰাৰ এই সুদীৰ্ঘ ৫০ বছৰত অসমীয়া ছবি নিৰ্বাচন হৈছে মাথো ২০০ খনমানহে। তাৰে ভিতৰত আটাইবোৰ ছবিয়ে চিত্ৰগৃহত মুক্তি পোৱা নাই।

১৯৪২ চনৰ গণ জাগৰণৰ সময়ৰ মুক্তি আন্দোলন, সেই সময়ৰ উৎকৃষ্ট সাহিত্য সৃষ্টি, ‘জয়ন্তী’ যুগৰ ৰচনা, অমূল্য বৰুৱাৰ কবিতা আদিয়েও অসমীয়া চলচিত্ৰৰ প্ৰভাৱ পেলাইছিল । কমল নাৰায়ণ চৌধাৰীৰ ‘বদন বৰফুকন’ (১৯৪৬) সেই ধাৰাৰে চলচিত্ৰ। কলিকতাত ‘দি ৰিভাৰ’ ৰ শ্বুটিঙৰ বাবে অহা ফৰাচী চলচিত্ৰ পৰিচালক জ্যাঁ ৰেনোৱাৰ সান্নিধ্যলৈ অহা কমল নাৰায়ণ চৌধাৰীয়ে চলচিত্ৰৰ কাৰিকৰী দিশত পটু নহলেও চলচিত্ৰখন নিৰ্মাণ কৰি উলিয়াইছিল। সেই সময়ত বৃটিছক সহায় কৰা এক শ্ৰেণীৰ বিশ্বাসঘাতক লোকৰ ভৱিষ্যত কেনে বিপজ্জনক হ’ব পাৰে তাকে চলচিত্ৰখনে সোৱৰাই দিয়ে। ১৯৪৮ চনত ‘চিৰাজ’ লক্ষীধৰ শৰ্মাৰ কাহিনীক লৈ বিষ্ণু ৰাভা আৰু ফণী শৰ্মাই যুটীয়াভাৱে পৰিচালনা কৰিছিল। সংগীত পৰিচালনাত বিষ্ণুৰাভাক সহায় কৰিছিল ড° ভূপেন হাজৰিকাই য’ত তেওঁ উল্লেখযোগ্য চৰিত্ৰ এটাত অভিনয় কৰিছিল। ১৯৪৭ চনৰ ভাৰত বিভাজন, সাম্প্ৰদায়িক সংঘৰ্ষ, হিন্দু মুছলমানৰ অপ্ৰীতিকৰ ঘটনাবোৰৰ মাজত চিৰাজৰ যুক্তিয়ে বহুতো ইংগিত বহন কৰে। ১৯৪৮ চনৰ আন এখনি গুৰুত্বপূৰ্ণ ছবি হ’ল পাৰঘাট- য’ত জ্ঞানদা কাকতীয়ে প্ৰথম অভিনয় কৰে আৰু পৰিচালক আছিল ‘খনিকৰ’ (প্ৰবীন ফুকন, কমল নাৰায়ণ চৌধুৰী, কল্যাণ গুপ্তা)। অসম তথা ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত নিৰ্মিত প্ৰথম ছবিখন আছিল নগাঁৱৰ শ্ৰীকৃষ্ণ ফিল্মছৰ হৈ কাশীপ্ৰসাদ বিহানী প্ৰযোজিত আৰু সূত্ৰধাৰ নামে পৰৱৰ্তী কালৰ বাংলা আৰু হিন্দী ছবিৰ জনপ্ৰিয় পৰিচালক অমিত সেনৰ দ্বাৰা পৰিচালিত ‘বিপ্লৱী’। সমসাময়িক আনদুখন ছবি আছিল ৰুণুমী (পঃ সুৰেশ গোস্বামী, ১৯৪৮) আৰু সতী বেউলা (পঃ সুনীল গাঙ্গুলী ১৯৪৮)।

বিশিষ্ট ৰাজনীতিবিদ তথা অভিনেতা লক্ষ্যধৰ চৌধুৰীয়ে নিৰ্মাণ কৰিছিল নিমিলা অংক (১৯৫৫) আৰু তাৰ চিত্ৰগ্ৰহণ কৰিছিল নলীন দুৱৰাই। নিম্ন মধ্যবিত্ত পৰিয়ালত দেখা দিয়া বিভিন্ন সামাজিক, অৰ্থনৈতিক সমস্যাসমূহক ছবিখনত চিত্ৰিত কৰা হৈছে। ফণী শৰ্মাৰ পৰিচালনাত ১৯৫৫ চনত ‘পিয়লি ফুকনে’ ‘চাৰ্টিফিকেট অৱ মেৰিট’ লাভ কৰে। ছবিখনত পৰৱৰ্তী কালৰ দুগৰাকী প্ৰতিভাৱান শিল্পীৰ প্ৰৱেশ ঘটে। তেওঁলোক হ’ল ইভা আচাও আৰু শিশু শিল্পী নিপন গোস্বামী। ১৯৫৫ চনত যেতিয়া সত্যজিত ৰায়ে ‘পথেৰ পাঁচালী’ তৈয়াৰ কৰি আলোড়ন সৃষ্টি কৰিছিল তেতিয়াই অসমীয়া চলচিত্ৰ জগততো নিপ বৰুৱাই ‘স্মৃতিৰ পৰশ’ ছবিৰ যোগেদি পৰিচালক হিচাপে আত্ম প্ৰকাশ কৰে। সেই কথাছবিখনতেই নিপ বৰুৱাৰ ভাতৃ ব্ৰজেন বৰুৱাই প্ৰথমবাৰৰ বাবে সংগীত পৰিচালনা কৰে। দেশৰ ভিতৰতে কম বয়সীয়া পৰিচালক আনোৱাৰ হুছেইনৰ প্ৰথমখন ছবি ‘সৰাপাত’ (১৯৫৫)। ব্ৰজেন বৰুৱাই প্ৰযোজনা আৰু সংগীত পৰিচালনা কৰা নিপ বৰুৱাৰ কাহিনী, চিত্ৰনাট্য আৰু পৰিচালনাৰে

নির্মিত 'মাক আৰু মৰম' (১৯৫৭) ছবিখনে ৰাষ্ট্ৰপতিৰ 'চাৰ্টিফিকেট অৱ মেৰিট' লাভ কৰে। নিপ বৰুৱাৰ আন ছবিবোৰ আছিল পুলিচ (১৯৫৮), ভক্ত প্ৰহ্লাদ (১৯৫৮), আমাৰ ঘৰ (১৯৫৯), নৰকাসুৰ (১৯৬১), বৰুৱাৰ সংসাৰ (১৯৭০), সোণতৰা (১৯৭৩), আজলী নবৌ (১৯৮০),ককাদেউতা, হাতী আৰু নাতি (১৯৮৩), শকুন্তলা শংকৰ যোচেফ আলি (১৯৮৪), এণ্টনী মোৰ নাম (১৯৮৬) আৰু আই মোৰ জনমে জনমে (১৯৮৮)। বৰুৱা পৰিয়ালৰ ব্ৰজেন বৰুৱা সংগীত পৰিচালক হিচাপেহে আত্মপ্ৰকাশ কৰিছিল যদিও, তেওঁ ইটো সিটো বহুতো (১৯৬৩) ৰ যোগেদি পৰিচালকৰো ভূমিকা পালন কৰে। ব্ৰজেন বৰুৱাৰ ডাঃ বেজবৰুৱা (১৯৬৯), মুকুতা (১৯৭০), ললিতা (১৯৭২), ওপজা সোণৰ মাটি (১৯৭২) আদি ছবিয়ে বহুল সঁহাৰি পায়। দ্বিবন বৰুৱাৰ যোগ-বিয়োগ (১৯৭১), তৰামাই (১৯৭৫), ৰজা হৰিচন্দ্ৰ (১৯৮০), মন আৰু মৰম (১৯৮০) উত্তৰ শূন্য (১৯৮১) আৰু অজলা ককাই (১৯৮৯) আদিয়ে অসমীয়া বোলছবি জগতখনক সবল কৰি তোলে। ড° ভূপেন হাজৰিকাৰ কাহিনী, সংগীত, প্ৰযোজনা, পৰিচালনা আৰু গীত ৰচনাৰে প্ৰথমখন ছবি এৰাবাটৰ সুৰ (১৯৫৬) নামৰ ছবিখনে অসমীয়া কথাছবি জগতলৈ ৰোমাণ্টিক ভাৱৰ এটি নতুন ধাৰা কঢ়িয়াই আনে। ড° ভূপেন হাজৰিকাৰ দ্বিতীয়খন ছবি শকুন্তলা (১৯৬১) ৰ যোগেদিয়েসই শিশুশিল্পী হিচাপে বিদ্যা ৰাৱে ছবি জগতত প্ৰৱেশ কৰে। পিচত ড° হাজৰিকাৰ প্ৰতিধ্বনি (১৯৬৪) ছবিখনতো বিদ্যা ৰাৱে অভিনয় কৰে যদিও নায়িকা হয় ড° হাজৰিকাৰ লটিঘটি (১৯৬৬) ছবিখনত। ওপৰোক্ত তিনিখন ছবিয়েই ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছিল। অসমীয়া ছবিজগতলৈ অৱদান যোগোৱা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত আব্দুল মজিদ, আনোৱাৰ হুছেইন, শিৱপ্ৰসাদ ঠাকুৰ, দাৰা আহমেদ, পুলক গগৈ আদি উল্লেখযোগ্য। আনোৱাৰ হুছেইনৰ সৰাপাত (১৯৫৫), নতুন পৃথিৱী (১৯৫৮), তেজীমলা (১৯৬৩), পাপ আৰু প্ৰায়শ্চিত্ত (১৯৭৭), আব্দুল মজিদৰ মৰম তৃষ্ণা (১৯৬৯), চামেলি মেমচাব (১৯৭৫), বনহংস (১৯৭৭), বনজুই (১৯৭৮), পোণাকন (১৯৮১), উত্তৰকাল (১৯৯০) আদি ছবি অসমীয়া ছবিজগতলৈ বহুমূলীয়া দান। আন এজন পৰিচালক পুলক গগৈয়ে খোজ (১৯৭৫) শ্ৰীমতী মহিমাময়ী (১৯৭৯) সাদৰী (১৯৮২), সেন্দুৰ (১৯৮৪), সূৰুয (১৯৮৫) আদি ছবি নিৰ্মাণ কৰে। ১৯৯৩ চনত তেওঁ নিৰ্মাণ কৰে 'ৰেলৰ আলিৰ দুবৰি বন' য'ত প্ৰথাগত বৰ্ণনামূলক শৈলী পৰিহাৰ কৰি বাৰ্ট্ৰল ব্ৰেখটৰ এলিয়েনচন পদ্ধতি প্ৰয়োগ কৰা দেখা যায়। শিৱ প্ৰসাদ ঠাকুৰৰ ফাগুনী (১৯৭৮), বোৱাৰী(১৯৮২), ঘৰ সংসাৰ (১৯৮৩), সোণ মইনা (১৯৮৪), মন মন্দিৰ (১৯৮৫), ময়ুৰী (১৯৮৬), এই দেশ মোৰ দেশ (১৯৮৬), শেৱালী (১৯৮৯) আৰু অশান্ত প্ৰহৰ (১৯৯৪) আদি উল্লেখযোগ্য। দাৰা আহমেদৰ দেৱী (১৯৮৪), পূজা (১৯৮৫), মধুচন্দা (১৯৮৬), প্ৰতিদান (১৯৮৭), বৰদৈচিলা (১৯৮৯), ধ্ৰুৱতৰা (১৯৯০), যখিনী (১৯৯৪), ৰিক্সাৱালা (১৯৯৩) আৰু উৰ্বশী (১৯৯৫) আদি ছবিয়ে অসমীয়া কথাছবি উদ্যোগক জীয়াই ৰাখিছে। চেন্সৰৰ 'এ' চাৰ্টিফিকেট লাভ কৰা চিত্ৰগৃহত প্ৰদৰ্শিত প্ৰথমখন ছবি আছিল হোমেন বৰগোহাঞিৰ কাহিনীৰে গৌৰী বৰ্মনে পৰিচালনা কৰা হৃদয়ৰ প্ৰয়োজন (১৯৭২)। অৱশ্যে সেই বছৰৰ শেষলৈ মুক্তি লভা অমূল্য মান্না পৰিচালিত 'মৰীচিকা'ইহে প্ৰথমে 'এ' চাৰ্টিফিকেট লাভ কৰে। অসমৰ ছবিলৈ প্ৰথমটো ৰাষ্ট্ৰীয় বঁটা আহিছিল শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ড° ভূপেন হাজৰিকাৰ জৰিয়তে 'চামেলী মেমচাব' কথাছবিত। অসমীয়া চলচিত্ৰ জগতৰ আন দুজন উল্লেখযোগ্য ব্যক্তি হ'ল মুনীন বৰুৱা আৰু জনচ মহলীয়া যি দুজনে কথাছবিৰ উদ্যোগটো অসমত জীয়াই ৰখাত বহুখিনি সহায় কৰিছে। বহুচৰ্চিত স্বাধীন অসমৰ পটভূমিত নিৰ্মাণ কৰা দিনেশ গগৈৰ 'সূৰ্য তেজৰ অন্য নাম' (১৯৯০), অগ্নি (১৯৯২) আদিতো বিষয়বস্তুৰ পৰিৱৰ্তন লক্ষ্যণীয়। প্ৰায়বোৰ অসমীয়া কথাছবিতে গাওঁ আৰু চহৰৰ কৃত্ৰিম বিভাজন দেখা যায়। গাঁৱৰ কষ্টৰে ডাঙৰ হোৱা ল'ৰা চহৰত পঢ়িবলৈ আহি বেয়া হয়। প্ৰায় ছবিৰেই বিষয়বস্তু সংগ্ৰাম, বিপ্লৱ, আদি আৰু নায়কেই সকলো সমস্যা সমাধান কৰে। সেইদৰে পৰিয়াল একোটাৰ সকলো দ্বন্দ, সংঘাতৰ মূলতে নতুনকৈ অহা বোৱাৰী কেইজনী। জনপ্ৰিয় হিন্দী ছবিৰ পৰা অহা বোৱাৰী কেইজনী। জনপ্ৰিয় হিন্দীছবিৰ পৰা অহা এনেবোৰ উপাদানে অসমীয়া কথাছবি শিল্পটোক ছিন্নমূল কৰিছে। স্বাধীনতাৰ অৰ্ধশতাব্দীৰ পাছত অসমীয়া ছবিৰ মন্থৰতা আঁতৰাবলৈ বহুতো দিশ মন কৰিব লাগিব। ১৯৬১ চনত তেতিয়াৰ ৰাজধানী শ্বিলং ফিল্ম ছছাইটি' আৰু ১৯৬৫ চনত 'গুৱাহাটী চিনে ক্লাব'ৰ প্ৰতিষ্ঠা অসমৰ চলচিত্ৰ জগতৰ এক মাইলৰ খুটি। সেই সময়ৰ নতুন প্ৰজন্মই এই দুটা সংস্থাৰ জৰিয়তে দেশী বিদেশী বহুতো ছবিৰ লগত পৰিচিত হয় আৰু সেই প্ৰচেষ্টাই ন পুৰুৰক ভাল ছবি নিৰ্মাণ, শিল্পটোৰ ওপৰত চৰ্চা কৰাৰ বাবে আগ্ৰহী কৰি তোলে। 'শ্বিলং ফিল্ম ছছাইটি'ৰ অন্যতম প্ৰতিষ্ঠাপক পদুম বৰুৱাই 'গঙা চিলনীৰ পাখি'ৰ দৰে অগতানুগতিক কথাছবি দৰ্শকলৈ উপহাৰ দিয়ে। 'গঙা চিলনীৰ পাখি'য়ে অসমীয়া ছবিৰ ইতিহাসত এক নতুন পথ দেখুৱালে। অসমৰ সাহিত্যৰ জগতত বহুলভাৱে প্ৰচলিত ড° ভবেন্দ্ৰ নাথ শইকীয়াই সন্ধ্যাৰাগ (১৯৭৬) ৰ যোগেদি চিত্ৰ পৰিচালকৰ ৰূপত আত্মপ্ৰকাশ কৰে। ড° শইকীয়াৰ ঘাই উপজীব্য হ'ল নাৰী। অগ্নিস্নান (১৯৮৬) ৰ যোগেদি দেখা যায় ত্ৰিশৰ দশকৰ এগৰাকী অসমীয়া বোৱাৰীৰ ওপৰত কৰা যৌন নিষ্পেষণৰ প্ৰতিবাদ। নিম্ন মধ্যবিত্ত শ্ৰেণীৰ এগৰাকী নাৰীৰ কাহিনীৰে তেওঁ নিৰ্মাণ কৰিছে কোলাহল (১৯৮৮)। 'আৱৰ্তনে' (১৯৯৩) এগৰাকী ভ্ৰাম্যমান অভিনেত্ৰীৰ জীৱনক দাঙি ধৰিছে। ড° শইকীয়াৰ শেহতীয়া কথাছবি ইতিহাসৰ(১৯৯৫) মূল বিষয়বস্তু নাৰীক লৈয়ে কেন্দ্ৰীত হৈছে। শইকীয়াৰ আন দুখন ছবি অনিৰ্বাণ (১৯৮১) আৰু সাৰথি (১৯৯১)ত নিম্ন মধ্যবিত্ত পৰিয়াল একোটাৰ দ্বন্দ, সংঘাতময় জীৱন চিত্ৰিত কৰা হৈছে। শইকীয়াৰ ছবি সমূহত 'সাহিত্যৰ চাটুবৃত্তি'ৰ প্ৰভাৱ বিৰাজমান।

চাহ বাগিছাৰ এগৰাকী 'মেম চাহিবা'ৰ ওপৰত তৈয়াৰ কৰা 'অপৰূপা' (১৯৮২) নামৰ কথাছবিখনেৰে জাহ্নু বৰুৱাই অসমীয়া চলচিত্ৰ উদ্যোগত প্ৰৱেশ কৰে। পাপৰি (১৯৮৪)ত জাহ্নু বৰুৱাই অসম আন্দোলনত জৰ্জৰিত এগৰাকী নাৰীৰ স্থিতিক চিত্ৰিত কৰা

হৈছে। ঔপন্যাসিক হোমেন বৰগোহাঞিৰ কাহিনীৰে বৰুৱাই নিৰ্মাণ কৰি উলিয়ায় 'হালধীয়া চৰায়ে বাওধান খায়' (১৯৮৮)। এই ছবিখনে লকাৰ্ণ চলচিত্ৰ মহোৎসৱত ৰূপালী পদক লাভ কৰাৰ উপৰিও শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে। ছবিখনে অসমীয়া গ্ৰাম্য সমাজৰ অৰ্থনৈতিক শোষণক দাঙি ধৰিছে আৰু সামন্তীয় মনোভাৱৰ পৰ্য্যালোচনাৰ লগতে আমোলাতন্ত্ৰৰ স্বৰূপ উদঙাই দিছে।

আন এজন প্ৰতিভাসম্পন্ন মুখে অসমীয়া চিনেমা শিল্পত ভুমুকি মাৰে। সেই নতুন মুখখন হৈছে সঞ্জীৱ হাজৰিকা যাৰ প্ৰথম ছবি হলধৰে (১৯৯২) অসমীয়া দৰ্শকক চিন্তাৰ খোৰাক দিয়ে। 'হলধৰ'ত নাঙলৰ জৰিয়তে গ্ৰাম্য সমাজৰ অৰ্থনৈতিক শোষণৰ উৎকৃষ্ট ছবি দাঙি ধৰা হৈছে। ধীৰু ভূঞাৰ প্ৰথম ৰাগিনী (১৯৮৭), মৃদুল গুপ্তাৰ সূত্ৰপাত (১৯৮৭) দুখন উল্লেখযোগ্য ছবি। হেমেন দাসৰ যুঁজ (১৯৯০) আৰু গৰখীয়া (১৯৯৩)ত অসমীয়া গ্ৰাম্য সমাজৰ কথা আচল কৰা হৈছে। সমসাময়িকভাৱে দুজন প্ৰতিশ্ৰুতিসম্পন্ন পৰিচালকে দুটা প্ৰান্তীয় ভাগত ছবি নিৰ্মাণ কৰি অসমীয়া চলচিত্ৰৰ ভঁৰাল চহকী কৰিছে। এজন হ'ল গৌতম বৰা যিয়ে 'ৰশ্ব বিপো' (১৯৮৯) ৰ জৰিয়তে জনজাতীয় অৰ্থনীতিৰ চিত্ৰ অংকন কৰিছে। আন এজন হৈছে বড়োছা যিয়ে 'আলায়াৰণ' (১৯৮৬) ত বড়ো সমাজৰ আৰ্থ সামাজিক সচেতনতাক আলোকিত কৰিছে। Rape in the virgin forest বড়োছাৰ শেহতীয়া ছবি। সান্ত্বনা বৰদলৈয়ে মামনি ৰয়চম গোস্বামীৰ উপন্যাসৰ কাহিনীৰ আধাৰত তৈয়াৰ কৰা অদাহ্য (১৯৯৬) ছবিখনে বহুতো সন্মানেৰে সন্মানিত হৈছে যদিও ৰাজহুৱাকৈ প্ৰদৰ্শন নকৰা বাবে মতামত দিয়া অসম্ভৱ।

অসমীয়া কথাছবিৰ সুদীৰ্ঘ জীৱনত তথ্যচিত্ৰৰ প্ৰসংগ নিশ্চয় প্ৰয়োজন। গৌতম বৰাৰ চন্চ অৱ আবাতানি', 'দা মিছিং', টেল অৱ এ ৰিভাৰ' পদুম বৰুৱাৰ 'বতৰৰ গীত', ৰঞ্জীত দাসৰ "অল এলন ইফ নীড বি' আৰু প্ৰবীন হাজৰিকাৰ 'হস্তীৰ কন্যা'ৰ কথা উল্লেখ কৰিব পাৰি।

চলচিত্ৰৰ নিৰ্মাণৰ ক্ষেত্ৰত সুস্পষ্ট আদৰ্শ তথা নীতি নথকা কাৰণে অসমৰ ছবিজগতত এক স্থবিৰতাই সদায়ে আতঙ্কিত কৰি আহিছে। জাতীয় জীৱনৰ প্ৰশ্নত, চলচিত্ৰ শিল্পক সৰ্বাঙ্গ সুন্দৰ কৰাৰ স্বাৰ্থত অসমীয়া চলচিত্ৰকাৰসকলৰ এক সুস্পষ্ট দৃষ্টিকোণৰ অতীৱ প্ৰয়োজন। আন এটা লক্ষণীয় বিষয় হ'ল দৰ্শক আৰু চলচিত্ৰৰ মাজত যি সম্পৰ্ক সি প্ৰায়েই ব্যাহত হয়। ইয়াৰ বাবে প্ৰয়োজন এক শক্তিশালী আন্দোলন যিয়ে প্ৰস্তুত কৰিব পাৰে কথাছবিৰ বাবে এক ধনাত্মক দিশ। চলচিত্ৰ সম্পৰ্কীয় লিখনি সমূহে এই ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব পাৰে। অসমীয়া চলচিত্ৰ সম্পৰ্কে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰবন্ধ দুটাক চলচিত্ৰ চৰ্চাৰ বাটকটীয়া বুলিব পাৰি। চলচিত্ৰ ব্যাকৰণৰ আভাস পোৱা যায় অমৰ পাঠক ৰচিত 'চলচিত্ৰ' নামৰ গ্ৰন্থত। পৰিচালক পদুম বৰুৱাৰ 'চলচিত্ৰ প্ৰসংগ' আৰু উৎপল দত্ত সম্পাদিত 'চলচিত্ৰ কথা' শীৰ্ষক পুথি দুখনে চলচিত্ৰৰ নান্দনিক দিশৰ লগত পাঠকক পৰিচয় কৰাই দিয়ে। কিন্তু এতিয়াও চলচিত্ৰ সম্পৰ্কে লিখনী পৰ্যাপ্ত নহয়। এনে অভাবে চলচিত্ৰ শিল্পৰ উন্নতিৰ পথত হেঙাৰ হিচাপে দেখা দিছে। অসমৰ চলচিত্ৰ উদ্যোগৰ উত্তৰোত্তৰ চিন্তা চৰ্চাবোৰে এতিয়াও চালুকীয়া হৈ আছে।

অসমীয়া দৰ্শকৰ বুকুৰ আশা, উদ্যোগৰ স্থবিৰতা আদিৰে অসমীয়া কথাছবি শিল্প আজি আশংকাৰ আলিদোমোজাত থিয় দিছেহি, বিভিন্ন প্ৰতিকূলতাৰ মাজেদি আগবঢ়া অসমীয়া কথাছবি জগতত আজি কলা মেঘে দেখা দিছে। অসম চৰকাৰৰ শিল্পটোৰ প্ৰতি দায়বদ্ধতাৰ অভাৱ, দৰ্শকৰ মাজত আত্মসচেতনতাৰ অভাৱ, চলচিত্ৰ সংস্থাৰ অভাৱ, বিশ্ববিদ্যালয়ত চলচিত্ৰ পাঠ্যক্ৰম নথকা আদিৰ দৰে বিভিন্ন সমস্যাই কথাছবি শিল্পটোক স্থবিৰ কৰি তুলিছে। এই স্থবিৰতা আঁতৰাই গতিশীলতা আনিবলৈ অসমীয়া ৰাইজৰ কৰণীয় বহুখিনি আছে। অৱশ্যে ৰাইজৰ আগ্ৰহলৈ প্ৰত্যক্ষ কৰি চিত্ৰ পৰিচালক সকলৰো কৰিবলগীয়া যথেষ্ট আছে। কলা কুশলী, চিত্ৰ পৰিচালক, প্ৰযোজক তথা অসমীয়া দৰ্শকৰ উমৈহতীয়া প্ৰচেষ্টাত বোলছবি উদ্যোগটোৱে পুনৰ ঠন ধৰি উঠিব।

---

*বিপুল মেধি স্নাতক প্ৰথম বৰ্ষ (ইংৰাজী)ৰ ছাত্ৰ।*

*অসমত আটাইতকৈ প্ৰতিভাবান ডেকাবোৰ আৰু আটাইতকৈ সুন্দৰী গাভৰুবোৰ কটন কলেজত পঢ়িবলৈ যায়। দিনত তেওঁলোকে কলেজত চাহাব প্ৰফেচাৰৰ পৰা সাহিত্য আৰু দৰ্শন শিকে; ৰাতি তেওঁলোকে হোষ্টেলত সুন্দৰী সহপাঠীসকলৰ ৰূপ ধ্যান কৰি কৰি ঘনে ঘনে দীৰ্ঘশ্বাস পেলায় অথবা ইংৰাজী কবিতাৰ উদ্ধৃতি দি প্ৰেম-পত্ৰ লিখে। পৃথিৱীত যদি ক'ৰবাত স্বৰ্গ আছে তেন্তে কটন কলেজেই সেই স্বৰ্গ নহয়নে?*

**হোমেন বৰগোহাঞি,** সাউদৰ পুতেকে নাও মেলি যায়।

সাহিত্য

# ওমৰৰ 'ৰুবায়ট' আৰু যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ'

❐ দ্বীপজ্যোতি ডেকা

অসমীয়া কাব্য জগতৰ এটি পৰিচিত নাম যতীন্দ্ৰনাথ দুৱৰা। কবিতাই যাৰ পৰিচয়। বিশেষকৈ ৰোমাণ্টিক কাব্য জগতৰ এটি উজ্জ্বল প্ৰতিভাৰ আকাৰ স্বৰূপ আছিল কবি যতীন্দ্ৰনাথ দুৱৰা। সম্পূৰ্ণ ৰোমাণ্টিক ভাৱাপন্নৰে কৱিতা ৰচনা কৰি বিশেষকৈ বাহিৰা জগতৰ চিন্তা ভাৱনাৰ লগত যিয়ে আমাক পৰিচয় কৰাইছে সেইজনা কবিৰে আন ৰচনা সংস্কাৰৰ লগতে বিখ্যাত পাৰস্যৰ কবি ওমৰ খায়ামৰ 'ৰুবায়ট' ভাঙনি কৰি অসমীয়া কাব্য সাহিত্যত সংযোজন কৰিলে 'ওমৰ তীৰ্থ'। ওমৰ খায়ামৰ 'ৰুবায়ট' ৰোমাণ্টিক যুগত পৃথিৱীৰ বহুতৰে আকৰ্ষণ আছিল। সেয়েহে পৃথিৱীৰ বিভিন্ন ভাষালৈ ইয়াৰ অনুবাদ হৈছে। কবি দুৱৰাই সকলো কাব্য জগতত‌েই ভূমুকি মাৰিছে। কেতিয়াবা কৰবাৰ পৰা নিজৰ অনুভূতিৰ লগত মিল থকা কিছু ভাৱ দেখি সেইবোৰক নিজৰ প্ৰাণেৰে ৰহণ বুলাই অসমীয়া কাব্য জগতত প্ৰবেশ কৰাইছে। 'ওমৰ খায়াম'ৰ ভাৱ ৰাজ্যলৈ প্ৰবেশ কৰি ওমৰৰ 'সুৰাৰ পিয়লাই' আমাৰ দুৱাৰৰ মনো ৰাগিয়াল কৰি তুলিছে। আৰু সেই ৰাগিৰ ফলশ্ৰুতি হিচাপে দুৱৰা দেৱে আমালৈ আগবঢ়াইছে 'ওমৰ তীৰ্থ'। দুৱৰাই কেৱল ওমৰৰ কবিতা পঢ়িয়েই ক্ষান্ত নাথাকি তেওঁৰ দৰ্শনৰ মাজত প্ৰৱেশ কৰিছে আৰু লগতে 'ওমৰ তীৰ্থ'ৰ ইংৰাজী অনুবাদ তেওঁ অধ্যয়ন কৰিছে। সেয়েহে 'ওমৰ তীৰ্থ' পঢ়িলে আমাৰ এনে লাগে যেন 'ওমৰ খায়াম' দুৱৰাৰ মন মন্দিৰত প্ৰৱেশ কৰি দুৱৰাৰ কাপৰ মাজেৰে অসমীয়া 'ওমৰ খায়াম' হৈ ওলাইছে।

'ওমৰ খায়াম' কবিতাৰ মাজেৰে মানৱ সমাজৰ এটি তত্ত্বমূলক প্ৰশ্ন, যি প্ৰশ্নই অনাদি কালৰ পৰা বৰ্তমানলৈ মানুহৰ মনত দেখা দি আহিছে। সেই প্ৰশ্ন হ'ল আমি ক'ৰ পৰা আহিছো আৰু ক'লৈ যাম? এই প্ৰশ্নৰ সমিধান বিচাৰিয়েই পৃথিৱীত সকলো মানৱে যুগ যুগ ধৰি ক্ৰমান্বয়ে গভীৰ ৰহস্যৰ মাজত প্ৰবেশ কৰিছে। 'ওমৰ খায়ামে'ও সেই ভাৱ ৰাজ্যত প্ৰবেশ কৰি মানৱ জীৱনৰ অতিকে কৰুণ দিশটিৰ প্ৰতি তেওঁৰ কবিতা সমূহৰ মাজেদি প্ৰকাশ কৰিছে। মানুহে যেতিয়া সংসাৰৰ চক্ৰত পৰি সংসাৰৰ নদীত সাতুৰি 'মানুহৰ জীৱন সমস্যা' এই গভীৰ প্ৰশ্নটি পাহৰি যায়, কিন্তু পাহৰি গ'লেও হিয়াৰ গোপন কক্ষত ই সোমাই থাকি আকৌ এদিন ভূমুকি মাৰিবই ক'ৰ পৰা আহিছো? ক'লৈ যাম? কিছুমানে কৱ বিচাৰে তেওঁলোক ঈশ্বৰৰ পৰা আহিছে আৰু এই অনৃত্য সংসাৰৰ সকলো মায়ামোহ এৰি শেষত ঈশ্বৰতেই বিলীন হৈ যাব। আকৌ কিছুমানে ভাৱে জীৱনটো হ'ল এটা আকস্মিক ঘটনা হঠাৎ স্বাভাৱিক গতিত তেওঁলোক আহিছে আৰু ঠিক সেইদৰে এদিন মৰিব। জীৱনত কৰিব লগা সাৰ ভাগ একোৱেঁই নাই। যিয়েই যি নকওক কিয়; এটা কথা ধ্ৰুৱ সত্য মৃত্যুৰ গ্ৰাসৰ পৰা কোনেও ৰক্ষা নাপায়, মৃত্যু অনিবাৰ্য্য। কিন্তু মুক্তি? ইয়াক লৈয়েই মানৱৰ য'ত মানে দুখ-সুখ। এই দুখ-সুখৰ মাজেদিয়েই কিছুমানে দেখা পাইছে সত্য, আৰু মধুৰৰ বিকাশ। কবি ওমৰ খায়ামৰো এই দুখ সুখত হিয়া ব্যাকুল হৈছে। তেওঁ অস্থিৰ এই দুখ সুখৰ প্ৰাণ স্পৰ্শী সাধনাই হ'ল ওমৰৰ কবিতা ওমৰৰ দৰ্শন। তেওঁৰ কবিতাৰ মাজেদি আমাক দি থৈ গ'ল এপিয়লা সুৰা, যি সুৰাৰ ৰাগিনীত নিহিত হৈ আছে, ভগৱৎ প্ৰেমৰ মধুৰ ৰাগি। তেওঁৰ গোটেই 'ৰুবায়ট' খিনি সংসাৰ সূতাত গথা মানুহৰ সুখ দুখ ফুলেৰে গথা এধাৰি মণি! আৰু এই মণি ধাৰি যিয়ে ধাৰণ কৰিব সি সংসাৰৰ পাকচক্ৰৰ মাজতো



যেন স্থিৰ হৈ থাকিব পাৰিব 'ওমৰ তীৰ্থ' বহুটি স্তৱকৰে পূৰ্ণ এখনি কবিতা পুথি। প্ৰতিটো স্তৱকৰ মাজেদি কবিয়ে মানৱ জীৱনৰ দুখ সুখ আশা নিৰাশা কৱলৈ বিচাৰিছে। ওমৰৰ মতে প্ৰকৃততে ভগৱানহে সত্য আৰু সঁচা, তাত বাদে পৃথিৱীৰ সকলো বস্তু মিছা এটি অলৌকিক কল্পনা। ভাৰতীয় দৰ্শনৰ মূল তত্ত্ব কবি ওমৰ খায়ামৰ ৰুবায়টৰ মাজেৰে প্ৰতি-ধ্বনিত হৈছে। তেওঁৰ মাজেদি ফুটি উঠিছে দৈৱ বল এক মহীয়ান শক্তি। এই বিশ্বত তেওঁ এটি সুৰ শুনিবলৈ পাইছে, যি সুৰত নিহিত হৈ আছে মানৱ জীৱনৰ প্ৰাণস্পৰ্শী তীব্ৰ কৰুণ সুৰ। কবিয়ে শুনিব পাইছে তেওঁৰ বুকুৰ মাজত ধ্বনিত হৈছে বিশ্ব জগতৰ সেই মহান সুৰ। দুদিনীয়া আলহী

হে মানুহ এই পৃথিবীলৈ আহিছে! এই পৃথিৱীত থকা কেইদিন নানা ধেমালিৰ মাজেৰে জীৱন অতিবাহিত হয়। এদিন কালচক্ৰই এই বিনন্দীয়া ধৰণীৰ পৰা আঁতৰাই নিব। দুনাই আৰু তাক পোৱা টান। কবিয়ে উল্লেখ কৰিছে মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা কোনো হাত সাৰিব নোৱাৰে। ৰজাই হওক কিম্বা প্ৰজাই হওক। ধৰাত থকা কেইদিন ইজনে সিজনৰ বহুভেদ যেতিয়া ইয়াৰ পৰা আঁতৰি সেই নেদেখা লোকলৈ গতি কৰিব তাত জানো ৰজা প্ৰজাৰ ভেদ আছে? কবিয়ে ভগৱানৰ ওচৰত খাটনি ধৰিছে। প্ৰাণ পিয়লাই যেন তেওঁৰ হৃদয় ভৰাই তোলে। এই জীৱনৰ সুখ-দুখ সকলো পাহৰাই নিবলৈ তেওঁ ভগৱানক মিনতি জনাইছে। কবিয়ে ভৱিষ্যতক বিশ্বাস কৰা নাই। তেওঁ বৰ্তমানৰ ওপৰতেই সকলো এৰি দিব বিচাৰিছে। কাৰণ ভৱিষ্যত এটি বিৰাট অন্ধকাৰ। এটি বিৰাট প্ৰশ্ন। সেয়েহে কবিয়ে বৰ্তমানৰ ওপৰত বিশ্বাস কৰি কৈছে–

আজিয়েই দিয়া কালিলৈ কিয়  
কোনে জানে মোৰ কালি কি হ'ব?  
হাজাৰ হাজাৰ বছৰ বিয়পা  
হয়তো অতীতে সামৰি থ'ব।

কবিয়ে আশা কৰিছে তেওঁৰ সেই স্পৃত প্ৰিয়তমাৰ লগত মিলি বিধাতাৰ সৈতে মন্ত্ৰণা কৰি এখন নতুন জগত ৰচনা কৰিব পাৰিলেহেঁতেন, তেতিয়া হ'লে ধৰণীৰ বুকুত শান্তিৰ শীতল বতাহ বলিলেহেঁতেন আৰু ঝঙ্কাৰিত হ'লহেঁতেন মহামুক্তিৰ সেই সুৰ; যি সুৰে পৃথিৱীক শান্তি আৰু নিকা কৰিলেহেঁতেন। এনে ধৰণেই গোটেই কবিতা পুথিখন পঢ়িলে প্ৰথম স্তৱকৰ পৰা অন্তিম স্তৱকলৈকে এটি ভাবে ক্ৰিয়া কৰা দেখা যায়। প্ৰতিটো স্তৱকৰ মাজেৰে ফুটি উঠিছে, এই অনিত্য সংসাৰত মানৱৰ অন্তৰৰ প্ৰকাশিত হা-হুমুনিয়াহ আনহাতে দেখা যায় প্ৰতিটো স্তৱকেই যেন স্বয়ং সম্পূৰ্ণ। ওমৰৰ মনৰ অনুভূতিৰ একোটি একোটি টুকুৰা স্তৱক।

অসমীয়া কাব্য সাহিত্যলৈ অনুদিত কাব্য বহু কেইজন কবিয়ে আগবঢ়াইছে। কিন্তু দুৱৰা দেৱে যেনেদৰে আনৰ হৈও আমাৰ নিজা নিজা ভাৱ এটি যেনে ধৰণে কবিতাৰ মাজেৰে আমাক দিলে আনে সেইটো পৰা নাই। তেখেতৰ অনুবাদ ৰীতিৰ বিষয়ে আন সমালোচকে কি মন্তব্য দিছে তালৈ দৃষ্টি কৰাৰ আগতেই দুৱৰা দেৱে নিজেই কৈ যোৱা কথাখিনি অতি মূল্যবান। অসম সাহিত্য সভাৰ চতুৰ্বিংশতি অধিবেশনৰ সভাপতিৰ ভাষণত তেওঁ এনে ধৰণে কৈছে– "বাহিৰৰ জগতৰ চিন্তাক আমাৰ কবিতাত ঠাই দিয়াত আমাৰ কোনো আপত্তি নাই। কাৰণ সেইটো যুদি পাপ হয় সেই পাপত ময়ো বৰ বেছিকৈ পাপী হ'ব লাগিব। বনগীতৰ পৰা শ্বেলীলৈকে, ওমৰ খায়ামৰ পৰা জাৰ্মান কবি হাইনে লৈকে সকলোৰে ফুলনিত মই বিচৰণ কৰিছো। কিন্তু যদি কৰবাৰ পৰা এটি তল সৰা ফুল আনিছো তাক মোৰ প্ৰাণেৰে ৰহনাই তুলিবৰ কাৰণে যত্ন কৰিছো।"

ওপৰত উল্লেখ কৰা মন্তব্যখিনি তেওঁৰ ৰুবায়ট ভাঙনিৰ ক্ষেত্ৰত সম্পূৰ্ণ প্ৰযোজ্য বুলি নিঃসন্দেহে ক'ব পাৰি। কোনো এজন ব্যক্তিয়ে যদি ওমৰ খায়ামৰ ৰুবায়টৰ কথা মনলৈ নানি ওমৰ তীৰ্থ অধ্যয়ন কৰে তেতিয়া হ'লে তেওঁ ক'ব নোৱাৰিব এইখন অনুবাদ পুথি। তেওঁৰ অনুবাদত মূলৰ কঠিন আৱৰণ হেৰাই গ'লেও তাৰ প্ৰাণ নেহেৰুৱায়। ওমৰৰ দৰ্শনৰ লগত কবিৰ যে সম্পূৰ্ণ পৰিচয় ঘটিছিল আৰু তাত তেওঁ যে সম্পূৰ্ণ অনুপ্ৰাণিত হৈছিল এই কথা পুথিখনিৰ নিবেদনত কবিয়ে লিখিছে-- "বৈজ্ঞানিক বিশ্লেষণ প্ৰথা, ভাবুকৰ সামঞ্জস্য কৰণ প্ৰথা, কবিৰ গভীৰ দৃষ্টি, দাৰ্শনিকৰ জ্ঞান, সকলো গোটাই লৈ সৃষ্টি তথ্যৰ গভীৰতম প্ৰদেশলৈ ওমৰে চাই দেখিলে যে তাৰ আদি আৰু অন্ত দুয়ো আন্ধাৰ, গভীৰ আন্ধাৰ, মানৱ মনৰ অসীমৰ প্ৰতি ব্যৰ্থ অভিযান, এই ওমৰ আৰু ওমৰৰ অভিযানৰ ব্যৰ্থতাৰ কাৰুণ্যই তেওঁৰ মানৱ জাতিৰ প্ৰতি শ্ৰেষ্ঠ দান।"

ওমৰ তীৰ্থৰ এটি প্ৰধান বিশেষত্ব হ'ল ই অনুবাদ মূলক কবিতা হ'লেও ইয়াক পঢ়িলে আমাৰ ধাৰণা হয় ই যেন অনুবাদ নহৈ কৰি দুৱৰাৰ মৌলিক চিন্তাধাৰাৰ ফলপ্ৰসু। ৰুবায়টৰ প্ৰতিটো স্তৱক অসমীয়ালৈ ভাঙনি কৰোতে কবিজনাই সহায় হিচাপে লৈছিল ৰুবায়টৰ ইংৰাজী ভাঙনি, সেয়েহে কিছু যদি ছাঁ আছে সেই ছাঁ ইংৰাজী ভাঙনিৰহে পৰিছে। শব্দ প্ৰয়োগৰ ক্ষেত্ৰত দুৱৰাদেৱে ওমৰ তীৰ্থত অতি সচেতন হোৱা লক্ষ্য কৰা দেখা যায়। আন ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰ্মত লিপ্ত হোৱাজনৰ শব্দৰ জ্ঞান যথেষ্ট থকাটো দৰকাৰ। শব্দ প্ৰয়োগৰ সাৱধানতা অৱলম্বন নকৰিলে মূলৰ ভাৱাৰ্থৰ স্খলন ঘটাৰ ভয় থাকে। আৰু কেতিয়াবা কোনো শব্দ প্ৰতিশব্দ বিচাৰি কবিয়ে হাবাথুৰি খাব লগাত পৰে। দুৱৰাদেৱ এই ক্ষেত্ৰত এজন উত্তীৰ্ণ কৰি। ৰুবায়টৰ ভাঙনিৰ সময়ত তেওঁ আক্ষৰিক অনুবাদত অধিক গুৰুত্ব নিদি দৰ্শনটোৰ ওপৰতহে অধিক গুৰুত্ব দিছিল। ওমৰ খায়ামৰ যিটো দৰ্শন সেই দৰ্শন ভাৰতীয় মানুহৰ কাৰণে কোনো নতুন দৰ্শন নহয়। আমাৰ সমাজতো সেই দৰ্শনক লৈ বহুতো লোকসংগীতৰ প্ৰচলন আদিৰে পৰা আছিল। সেয়েহে অনুভৱ হয় দুৱৰা দেৱে অনুবাদৰ ক্ষেত্ৰত সেই লোক সংগীতৰ শব্দ আৰু সুৰ আগত ৰাখিছিল। সেয়ে আমি প্ৰতিটো স্তৱকতে অসমৰ মাটিৰ গোন্ধ অনুভৱ কৰো। কবিৰ অন্তৰ যেনে ধৰণৰ কোমল আছিল ঠিক তেনে ধৰণেই তেওঁৰ অন্তৰৰ পৰাও অতি কোমল শব্দ ওলাইছিল। অকল ইমানেই নহয়, তেওঁৰ আন কবিতা সমূহতো দুৰ্বোধ্য শব্দ কিম্বা তত্বগধুৰ শব্দ প্ৰয়োগ নকৰি সাধাৰণতে মানুহৰ মাজত প্ৰচলিত ঘৰুৱা শব্দৰেই কবিতা সমূহ সজাইছে। 'ওমৰ তীৰ্থ'ৰ সমূহ কবিতাৰ মাজত তৎসম অৰ্দ্ধতৎসম আদি শব্দৰ প্ৰয়োগ কাৎসিতহে দেখা যায়; প্ৰায় ভাগ শব্দ জনসাধাৰণৰ ঘৰুৱা মাত-কথাৰ আৰ্হিতেই প্ৰয়োগ কৰিছে। দুই এটি অৰশ্যে পাৰ্চী শব্দ প্ৰয়োগ নোহোৱাও নহয়। 'ওমৰ তীৰ্থ'ৰ ছন্দ সজ্জাৰ ক্ষেত্ৰত সেই সময়ত ৰোমান্টিক কবিসকলে যি ছন্দ সজ্জাৰ আৰ্হি লৈছিল সেই একে ছন্দ সজ্জাৰে স্তৱকসমূহ সজাই তুলিছে। ৰোমান্টিক কবিসকলে যদিও পুৰণি ছন্দ সজ্জাৰ কঠোৰ বান্ধৰ পৰা মুক্তি লভিছিল, তথাপিও পুৰণি ছন্দ সজ্জাৰ মোহে তেওঁলোকক আকৃষ্ট কৰি ৰাখিছিল। পুৰণি পয়াৰ, ছবি, ত্ৰিপদী, আদি ছন্দক কিছু দীৰ্ঘ আৰু হ্ৰস্ব কৰি তেওঁলোকে কবিতাত ব্যৱহাৰ কৰিছিল। 'ওমৰ তীৰ্থ'ৰ প্ৰতিটো স্তৱকত উক্ত ছন্দ সজ্জাৰ আৰ্হি দেখা যায়।

অসমীয়া কাব্য সাহিত্যত বিশেষকৈ অনুবাদমূলক কাব্যৰ ক্ষেত্ৰত দুৱৰাৰ 'ওমৰ তীৰ্থ' আৰু ওমৰ খায়াম আন কবিৰ কাৰণে অনুপ্ৰেৰণা আৰু অনুকৰণৰ স্থুল স্বৰূপ। সেয়েহে সমালোচক সকলে এই পুথিক অসমীয়া কাব্য জগতৰ মাইলৰ খুটি বুলি অভিহিত কৰিছে। সঁচাকৈয়ে অসমীয়া কাব্যৰ ধাৰাবাহিকতাত উক্ত পুথিখনে এটি সময়ৰ চূড়ান্ত নিদৰ্শন ৰূপে চিহ্নিত হৈ আছে।

*দ্বীপজ্যোতি ডেকা স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (অসমীয়া) ৰ ছাত্ৰ*

আন্তঃ ৰাষ্ট্ৰীয়

# বিচ্ছিন্নতাবাদ, জিঘাংসা, আধিপত্যৰ স্বপ্ন আৰু আমেৰিকা

❑ চন্দন ভূঞা

সাম্প্ৰতিক সময়ত পৃথিৱীৰ চৌদিশে বিচ্ছিন্নতাবাদ, জিঘাংসা আৰু আধিপাত্য বিস্তাৰৰ সপোনে খুব সৰলভাৱে গা কৰি উঠিছে। এই দশকৰ আৰম্ভণিতে পৃথিৱীৰ দ্বিতীয় বৃহত্তম শক্তি তথা আমেৰিকাৰ বাবে একমাত্ৰ প্ৰত্যাহ্বান স্বৰূপ ছোভিয়েট ৰাছিয়াৰ পতনৰ পৰা আৰম্ভ কৰি শেহতীয়াকৈ তালিবানৰ কাবুল দখললৈকে এই সময়ছোৱাৰ ভিতৰতে উত্থাপিত হৈছে বিচ্ছিন্নতাবাদ তথা সন্ত্ৰাসবাদ আৰু জিঘাংসা মনোবৃত্তিৰ এক জোৰদাৰ স্থিতি। ইৰাকৰ কুৱেইট দখলক লৈ সূত্ৰপাত হোৱা উপকূলীয় যুদ্ধও চলিত দশকৰ এক অন্যতম উল্লেখনীয় বিষয়। ইয়াৰ উপৰিও পেলেষ্টাইন আৰু ইজৰাইলৰ মাজত গাজা ভূখণ্ডক লৈ চলা অৰিয়াঅঁৰি, চেচনিয়া, বছনিয়াৰ উত্তপ্ত পৰিস্থিতি, চোমালিয়াৰ দুৰ্ভিক্ষৰ মাজতো জিঘাংসাৰ উলংগ প্ৰদৰ্শন, ইণ্ডোনেছিয়াত ত্ৰিশ বছৰীয়া যন্ত্ৰণা দায়ক সামৰিক প্ৰশাসনৰ অন্ত পেলাই গণতান্ত্ৰিক চৰকাৰ গঠনৰ বাবে মেগাৱটিৰ নেতৃত্বত হোৱা আন্দোলনত হোৱা হতাহতি, চীনৰ টাৱাইনৰ ওপৰত আধিপাত্য বিস্তাৰৰ প্ৰচেষ্টা, শ্ৰীলংকাত পৃথিৱীৰ বৃহত্তম উগ্ৰবাদী সংগঠন এল.টি.টি.ই. আৰু চৰকাৰী পক্ষৰ যুঁজত হোৱা ৰক্তাৰক্তিয়ে পৃথিৱীৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক বাতাৱৰণৰও পৰত যথেষ্ট প্ৰভাৱ পেলাইছে। ভাৰততো আজি ইটোৰ পিছত সিটোকৈ বিচ্ছিন্নতাবাদী সংগঠনৰ জন্ম হবই লাগিছে। জে. কে. এল. এফ, আল-ফাৰান, আলফা. এন. এচ, চি. এন আদি বিচ্ছিন্নতাবাদী সংগঠন সমূহৰ জন্ম লগ্ন কেইবা বছৰ পুৰণি যদিও এই সংগঠন সমূহৰ স্থিতি বৰ্তমান সময়ত অতি সৰল আৰু এই সমূহ বৰ্তমান দিল্লীস্থ ভাৰতৰ কেন্দ্ৰৰ বাবে এক মূৰৰ কামোৰণি স্বৰূপ। এফালে এই বিচ্ছিন্নতাবাদী সংগঠন সমূহৰ দপদপনি আৰু আনফালে এই সংগঠন সমূহক দমন কৰিবৰ বাবে কেন্দ্ৰই চলোৱা সেনাৰ সন্ত্ৰাসত আজি জনসাধাৰণ থৰহবি কম্পমান অৰ্থাৎ দুই মহৰ যুঁজত বিৰিণাৰ মৰণ।

> পৃথিৱীৰ বিভিন্ন ঠাইত অশান্তি বিয়পাই নিজৰ সাম্ৰাজ্যবাদী নীতিৰ বাস্তৱৰূপ দিয়াৰ বাবে আমেৰিকাই চলোৱা চেষ্টাই বিশ্বৰ অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰক বিশেষ ভাৱে প্ৰভাৱান্বিত কৰিব আৰু কৰি আহিছে। আমেৰিকাৰ এটা মূল লক্ষ্য হৈছে পৃথিৱীৰ পৰা সমাজবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰি পুঁজিবাদী অৰ্থনীতিৰ প্ৰচলন কৰা।

ভাৰত বিভিন্ন ঠাই (বিশেষকৈ জন্মু-কাশ্মীৰ আৰু শেহতীয়াকৈ উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্য সমূহৰ পৰা আৰম্ভ কৰি আফগানিস্থানত তালিবানৰ কাবুল দখললৈকে পৃথিৱীৰ বিভিন্ন ঠাইত সন্ত্ৰাসবাদৰ জন্ম দিয়াৰ ক্ষেত্ৰত পাকিস্থানৰ পূৰ্ণসমৰ্থন আৰু সহযোগৰ কথা ইতিমধ্যে বিভিন্ন তথ্যত প্ৰকাশ পাইছে। কিন্তু অতি হাস্যকৰ আৰু আমোদজনক কথা যে সন্ত্ৰাস বিয়পাই বিশ্বত এক অস্থিৰ পৰিবেশ সৃষ্টি কৰা পাকিস্থানতেই আজি সন্ত্ৰাসবাদ গা কৰি উঠিছে। ইয়াৰ উপৰিও পাকিস্থানৰ ৰাজনৈতিক বাতাবৰণতো এক অস্থিৰতাই দেখা দিছে। ক্ষমতাৰ খকত ৰাজনৈতিক মুখিয়াল সকলৰ মাজত আৰম্ভ হৈছে হতাহতি এসময়ৰ জনপ্ৰিয় ক্ৰিকেট তাৰকা ইমৰাণ খানৰ সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰি বিৰোধী সকলৰ প্ৰতি কৰা কটুক্তি আৰু আনহাতে বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফ আৰু ভূতপূৰ্ব প্ৰধান মন্ত্ৰী বেনজিৰ ভুট্টোৰ কথৰ কট'কটিয়ে এক আমোদজনক পৰিস্থিতি পাইছেগৈ। মোহাজীৰ কোৱামি মুভমেণ্টেও পাকিস্থানত এক অস্থিৰতাৰ সৃষ্টি কৰি আহিছে, বহু সময়ত ৰক্তাৰক্তিও হৈ গৈছে। ছিয়া আৰু চুন্নীৰ মাজত চলি থকা সাম্প্ৰদায়িক সংঘৰ্ষই পাকিস্থানত এক ভয়ংকৰ ৰূপ লৈছে।

পৃথিৱীৰ বিভিন্ন অঞ্চলত চলি থকা এই বিচ্ছিন্নতাবাদ তথা সন্ত্ৰাসবাদ, জিঘাংসা আৰু আধিপাত্য বিস্তাৰৰ অস্থিৰ পৰিস্থিতিত বৰ্তমান বিশ্বৰ বৃহত্তম শক্তি আমেৰিকাই লৈ অহা ভূমিকা অকল সন্দেহ জনকেই নহয়, সাম্ৰাজ্যবাদী মনোভাৱৰ স্পষ্ট নিদৰ্শনো। আমেৰিকাৰ একমাত্ৰ প্ৰতিদ্বন্দ্বীস্বৰূপ ছোভিয়েট ৰাছিয়াৰ এই দশকৰ আৰম্ভণিতে পতন হ'ল। এসময়ৰ বৃহৎ ৰাছিয়া এতিয়া চূৰ্ণ-বিচূৰ্ণ হৈ বিভিন্ন সৰু সৰু দেশ হ'ল। ছোভিয়েট ৰাছিয়াৰ এই পতনৰ আঁৰত আমেৰিকাৰ এক গোপন ষড়যন্ত্ৰ থকা বুলি বহুতেই কয়। পতনৰ প্ৰাক মুহূৰ্তত ৰাছিয়া আৰু আমেৰিকাৰ মিত্ৰতাৰ চিনস্বৰূপে তেতিয়াৰ ৰাছিয়াৰ ৰাষ্ট্ৰপতি মিখাইল গৰ্বাচভে গ্ৰহণ কৰা আমেৰিকাৰ পুঁজিবাদী অৰ্থনীতিৰ উপহাৰ স্বৰূপ পেৰেষ্ট্ৰইকা আৰু গ্লাষ্টনষ্টভ নীতিয়েই ছোভিয়েট ৰাছিয়াৰ পতনৰ এক অন্যতম কাৰণ বুলি গণ্য কৰা হয়। ইয়াৰ উপৰিও চলিত দশকতে হৈ যোৱা উপকূলীয় যুদ্ধখনো প্ৰকৃততে ইৰাক আৰু আমেৰিকাৰ যুদ্ধ বুলিবই পাৰি। ইৰাকৰ

কুৱেইট দখলৰ প্ৰচেষ্টাক প্ৰত্যাহ্বান জনাই কুৱেইটক পূৰ্ণ সমৰ্থন আৰু সহযোগ আগবঢ়াই আমেৰিকাই নিজৰ বহতীয়া কৰে। আকৌ আমেৰিকাৰ আধিপত্য মানি নোলোৱাৰ কাৰণেই ইৰাণ, ইৰাক আৰু লিবিয়া আমেৰিকাৰ ৰোষৰ বলি হ'ল, অৰ্থনৈতিক নিষেধাজ্ঞা আৰোপিত হ'ল। লিবিয়াৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ বাবেই তুৰস্কও আমেৰিকাৰ কোপদৃষ্টিত পৰিল। আকৌ তালিবানৰ কাবুল দখলৰ অন্তৰালত পাকিস্থানৰ সৈতে আমেৰিকাৰ হাত আছে বুলি বিভিন্ন তথ্যাভিজ্ঞ মহলে কয়। তালিবানলৈ সমৰাস্ত্ৰ আগবঢ়াই আমেৰিকাই নিজৰ আধিপাত্য বিস্তাৰৰ প্ৰয়াস চলাইছে অন্যথা আফগানিস্থানৰ ওপৰত আমেৰিকাৰ প্ৰভাৱ লেখত লবলগীয়া নহয়। মুঠৰ ওপৰত আমেৰিকাৰ সাম্ৰাজ্যবাদী নীতিসমূহ এক প্ৰকাৰ সফলমণ্ডিত হোৱা বুলিয়েই ক'ব পাৰি। ইয়াৰ প্ৰমাণ আজি কিছুদিন আগতে হৈ যোৱা চি.টি. বি.টি. (C.T. B.T - Comprehensive Test Ban Treaty) ৰ ভোটদানৰ সময়তেই পোৱা গৈছে। এই বিতৰ্কিত চুক্তিখন আসোঁৱাহপূৰ্ণ বুলি জানিও আৰু আমেৰিকাৰ একনায়কত্ববাদ প্ৰতিস্থাৰ এক সৱল পদক্ষেপ বুলি জানিও ভোটদান কৰা ১৬১ খন দেশৰ মাত্ৰ তিনিখন দেশে ভাৰতৰ স্থিতিক সমৰ্থন জনাই ইয়াৰ বিৰুদ্ধে ভোটদান কৰে কিন্তু বাকী আটাইবিলাক দেশেই আমেৰিকাৰ সুৰতেই সুৰ মিলায়। এতেকে আমেৰিকাৰ একছত্ৰী সম্ৰাট হোৱাৰ বা আধিপত্য বিস্তাৰৰ স্বপ্ন বহুলাংশে বাস্তবায়িত হোৱা বুলিব পাৰি। অৱশ্যে বৰ্তমান সময়ত ভাৰত আমেৰিকাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। চি.টি বি.টি. ৰ প্ৰতি ভাৰতে লোৱা স্থিতিয়ে আমেৰিকাক বাৰুকৈয়ে বিপাঙত পেলাইছে। ভাৰতৰ স্থিতিক সলনি কৰিবলৈ আমেৰিকাই বিভিন্ন সময়ত বিভিন্ন ধৰণে হেঁচা প্ৰয়োগ কৰি আছে আৰু পৰোক্ষভাৱে দুই এটা সঁকীয়নিও দিছে। ভাৰতৰ প্ৰতি আমেৰিকাৰ ক্ষোভ বহুদিনৰ পৰাই পুঞ্জিভূত হৈছে কিন্তু এই ক্ষোভ প্ৰকাশ কৰাৰ সুযোগ আমেৰিকাই এতিয়াও পোৱা নাই। কাশ্মীৰ সমস্যাৰ প্ৰতি আমেৰিকাই যদিও নিজৰ মনোভাৱ নিৰপেক্ষ বুলি জাহিৰ কৰিব বিচাৰে কিন্তু আমেৰিকাৰ কাৰ্য্যকলাপে পাকিস্থানৰ প্ৰতি থকা ইয়াৰ সমৰ্থনৰ কথাই প্ৰকাশ কৰে। ভাৰত পাকিস্থানৰ যুদ্ধৰ সময়ত আমেৰিকাই পাকিস্থানৰ প্ৰতি দেখুওৱা দৰদৰ কথা সৰ্বজন বিদিত আৰু পাকিস্থান যে আমেৰিকাৰ সম্পূৰ্ণ বহতীয়া এই কথাও গোপন নহয়।

*আমেৰিকাই যেতিয়ালৈকে নিজৰ অঘোষিত সাম্ৰাজ্যবাদী নীতি পৰিহাৰ নকৰিব তেতিয়ালৈকে পৃথিৱীত শান্তি স্থাপন হোৱাটো অতিশয় দুৰূহ, কাৰণ আমেৰিকাৰ এই একনায়কত্ববাদৰ বিৰুদ্ধে একগোট হৈ থিয় দিবলৈ আজি পৃথিৱীৰ দেশ সমূহৰ মাজত একতাৰ অভাৱ। ইখন দেশৰ সিখন দেশৰ লগত থকা মতানৈক্য, খিয়লা-খিয়লি আৰু চুবুৰীয়া দেশসমূহৰ মাজত থকা সীমা বিবাদেই ইয়াক অসম্ভৱ কৰি তুলিছে আৰু এই ব্যৱস্থাও দুৰদৰ্শী আমেৰিকায়েই নিজৰ সুৰক্ষাৰ বাবে কৰি থৈছে।*

পৃথিৱীৰ বিভিন্ন ঠাইত অশান্তি বিয়পাই নিজৰ সাম্ৰাজ্যবাদী নীতিৰ বাস্তৱৰূপ দিয়াৰ বাবে আমেৰিকাই চলোৱা চেষ্টাই বিশ্বৰ অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰক বিশেষ ভাৱে প্ৰভাৱান্বিত কৰিব আৰু কৰি আহিছে। আমেৰিকাৰ এটা মূল লক্ষ্য হৈছে পৃথিৱীৰ পৰা সমাজবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰি পুঁজিবাদী অৰ্থনীতিৰ প্ৰচলন কৰা। এই ক্ষেত্ৰত ছোভিয়েট ৰাছিয়াৰ পতনৰ পাছত আমেৰিকাৰ এক প্ৰধান প্ৰতিদ্বন্দ্বিৰ অৱসান ঘটিল। অৱশ্যে চীন এতিয়াও এই ক্ষেত্ৰত আমেৰিকাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ প্ৰত্যুত্তৰ দিবলৈ আমেৰিকাই টাৱাইনক নিজৰ আহিলা স্বৰূপে গ্ৰহণ কৰিছে। চীন টাৱাইন এক হৈ যোৱাত আমেৰিকা এক অন্তৰায় হিচাপে দেখা দি চীনৰ বিৰুদ্ধে নিজৰ স্থিতি সাব্যস্ত কৰিছে। আমেৰিকা স্পষ্ট পুঁজিবাদী নীতিৰ প্ৰচলন হ'বলৈ হলে তৃতীয় বিশ্বৰ দেশ সমূহ নিশ্চিহ্ন হৈ যোৱাৰ উপক্ৰম হ'ব। এসময়ৰ ৰাছিয়া আছিল ধনে-জনে জাতিষ্কাৰ কিন্তু আজিৰ ৰাছিয়াৰ ৰাজ আলিত ভিক্ষাৰীৰ ভিৰত বিৰ দি বাট নোপোৱা অৱস্থা এটা হৈছেগৈ, এইয়া বাৰু কিহৰ ফল? আমেৰিকাৰ অৰ্থনৈতিক লেনদেন আৰু আন আন সাহায্য বন্ধ কৰাৰ ভাবুকি আৰু কূটনৈতিক ভীতপ্ৰদৰ্শনে বিশ্বৰ সৰু সৰু দেশ সমূহক আজি আমেৰিকাৰ বহতীয়া হৈ থাকিবলৈ বাধ্য কৰাইছে ; যদিও আমেৰিকাৰ একনায়কত্ববাদে এই দেশবিলাকক ক্ষুণ্ণ কৰিছে।

গতিকে আমেৰিকাই যেতিয়ালৈকে নিজৰ অঘোষিত সাম্ৰাজ্যবাদী নীতি পৰিহাৰ নকৰিব তেতিয়ালৈকে পৃথিৱীত শান্তি স্থাপন হোৱাটো অতিশয় দুৰূহ, কাৰণ আমেৰিকাৰ এই একনায়কত্ববাদৰ বিৰুদ্ধে একগোট হৈ থিয় দিবলৈ আজি পৃথিৱীৰ দেশ সমূহৰ মাজত একতাৰ অভাৱ। ইখন দেশৰ সিখন দেশৰ লগত থকা মতানৈক্য, খিয়লা-খিয়লি আৰু চুবুৰীয়া দেশসমূহৰ মাজত থকা সীমা বিবাদেই ইয়াক অসম্ভৱ কৰি তুলিছে আৰু এই ব্যৱস্থাও দুৰদৰ্শী আমেৰিকায়েই নিজৰ সুৰক্ষাৰ বাবে কৰি থৈছে। ইয়াৰো প্ৰমাণ চি.টি. বি.টি. য়েই দিয়ে, এই আসোঁৱাহপূৰ্ণ চুক্তিখনৰ বিৰুদ্ধে মাত মাতোতে তথা বিল ক্লিণ্টনৰ বিৰুদ্ধে মাত মতা ভাৰত ক'ব গ'লে নিঠৰুৱা হৈয়ে ৰ'ল। গতিকে আমেৰিকাই স্বইচ্ছাই বিশ্ব শান্তিৰ বাবে আগবাঢ়ি আহিব লাগিব আৰু অহা উচিত। আজি যি শক্তি আৰু সময় যুক্তৰাষ্ট্ৰই পৃথিৱীৰ চৌদিশে অশান্তি বিয়পাই নিজৰ ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধিৰ বাবে অপচয় কৰিছে সেই শক্তি আৰু সময় পৃথিৱীৰ সৰ্বাংগীন উন্নতিৰ বাবে ব্যৱহাৰ কৰা হওঁক ; অনুন্নত দেশ সমূহলৈ আৰ্থিক আৰু কাৰিকৰী সাহায্য আগবঢ়াই একৈশ শতিকাৰ দুৱাৰ দলিত উপনীত হোৱাত সহায় কৰা হওক আৰু একৈশ শতিকাৰ বিশ্বলৈ শান্তিৰ বাতাবৰণ ঘূৰাই অনাৰ ব্যৱস্থা লোৱা হওক।। ❐

---

*চন্দন ভূঞা স্নাতক তৃতীয় বৰ্ষ (অৰ্থনীতি)ৰ ছাত্ৰ। তেওঁ এজন ভাল আবৃত্তিকাৰ।*

গ্ৰন্থ-জগত

# গ্ৰন্থৰ অস্তিত্বৰ সংকট

□ প্ৰণৱজ্যোতি নেওগ

বৰ্তমান পৃথিৱীৰ সমাজ অতীতৰ যিকোনো যুগতকৈ উন্নত। ক্ৰমবিকাশৰ মাপকাঠীত আদিম মানৱ জীৱন ধাবিত হৈছে অন্য এক বিৱৰ্তনৰ পথত। মানৱীয় প্ৰমূল্যসমূহৰ নতুন মূল্যায়ণৰ প্ৰচেষ্টাৰে সম্প্ৰতি সমগ্ৰ পৃথিৱীৰে সামাজিক স্বৰূপটোৱে এক ভিন্ন ব্যক্তিত্ব লাভৰ পথত অগ্ৰসৰ হৈছে। মানৱ জাতিৰ এই উন্নয়ন প্ৰক্ৰিয়াত খুউব বেছি পৰিমাণে অৰিহণা যোগাইছে কিতাপে। কিতাপ হ'ল মানুহৰ জ্ঞান-চৰ্চাৰ, জ্ঞান-বিস্তাৰৰ প্ৰাচীনতম আৰু বিশ্বস্ততম সুহৃদ। কিন্তু একবিংশ শতিকাৰ দুৱাৰদলি গৰকিব খোজা মানৱ সমাজ আজি সন্মুখীন হৈছে এটা ভয়ঙ্কৰ প্ৰশ্নৰ– গ্ৰন্থৰ ভৱিষ্যত কি? জ্ঞান-বিস্তাৰৰ ক্ষেত্ৰত থকা ইয়াৰ কৃতিত্ব অটুত ৰাখিবলৈ গ্ৰন্থ জানো সক্ষম হ'ব?

কিতাপ বুলিলে পোনতে কাগজ আৰু কাগজৰ ওপৰত ছপা হোৱা আখৰৰ সমষ্টিৰ কথাকেই মনলৈ আহে যদিও প্ৰকৃতপক্ষে কিতাপৰ পৰিধি সেইখিনিতেই সীমাবদ্ধ নহয়। কিতাপৰ পৰিধি আকাশচুম্বী, প্ৰভাৱ অসীম। কিতাপ একোখনত এজন বা বহুজনৰ আশা-নিৰাশা আৰু অভিজ্ঞতাৰ লেখ বিজড়িত হৈ থাকে। আচৰিত কথা যে, কিতাপৰ নীৰস পাতকেইটাৰ ওপৰত চকু ফুৰায়েই মানুহে হাঁহে, কান্দে, উৎসাহ-উদ্দীপনা পায় আৰু হতাশাতো ভোগে। কিতাপ একোখনে একোখন সমাজ জোকাৰি যায়। উদাহৰণ স্বৰূপে, কাৰ্ল মাৰ্ক্সৰ 'ডাচ কেপিটেল' পুথিখনে এই শতিকাটোৰ আৰম্ভণিৰ পৰাই বিশ্বজুৰি আলোড়নৰ সৃষ্টি কৰি আহিছে। সেইদৰে আজি মাত্ৰ কিছুবছৰ আগত প্ৰকাশ পোৱা ষ্টিফেন হকিঙৰ 'এ ব্ৰিফ হিষ্ট্ৰী অৱ টাইম'ৰ কথাও ক'ব পাৰি। কিন্তু কিতাপে যিদৰে মানুহক সুপথেদি লৈ যায় তেনেদৰে কেতবোৰ কিতাপে ধ্বংসৰ পথলৈ লৈ যোৱাও দেখা যায়। গতিকে যিকোনো কিতাপ অধ্যয়ন কৰিলেই প্ৰকৃত জ্ঞান পোৱা নাযাবও পাৰে।

গ্ৰন্থৰ ভৱিষ্যত সম্পৰ্কে আজি বিশ্বৰ গ্ৰন্থপ্ৰেমীসকলৰ মাজত এক আশংকাই দেখা দিছে। আনকি গ্ৰন্থৰ অস্তিত্ব সম্পৰ্কেও গ্ৰন্থপ্ৰেমীসকল উদ্বিগ্ন হৈ পৰিছে। ইয়াৰ কাৰণ বহুতো আছে। এইবোৰৰ ভিতৰত আটাইতকৈ উল্লেখনীয় কাৰণটো হৈছে– বিজ্ঞানৰ অকল্পনীয় অগ্ৰগতিৰ ফলত আমি পোৱা বিভিন্ন ইলেকট্ৰনিক মাধ্যমসমূহ। এই অত্যাধুনিক মাধ্যমসমূহৰ বাবে মানুহে এতিয়া কিতাপ নপঢ়ে। কেইবছৰমানৰ আগতে এখন অসমীয়া দৈনিকত এজন লেখকে লিখিছিল– "টেলিভিশ্বন, ভিডিঅ', মাইক্ৰ'ফিল্ম আদিৰ যুগত কিতাপ পঢ়াৰ বিমল আনন্দৰ পৰা গ্ৰন্থপ্ৰেমীসকলক নিষ্ঠুৰভাৱে বঞ্চিত কৰাৰ এক প্ৰচেষ্টা চলিছে। এতিয়া আৰু মানুহে ৰামায়ণ, ওডিছী, হেমলেট, ওৱাৰ এণ্ড পিছ আদি নপঢ়ে। বৰং মানুহে সেই কালজয়ী ৰচনাসমূহ চকুৰে চাব আৰু কাণেৰে শুনিব। বিত্তবান গ্ৰন্থপ্ৰেমীসকলে একৈশ শতিকাত নিজা গ্ৰন্থাগাৰত সংগৃহীত কিতাপৰ সলনি ভিডিঅ' কেছেটৰ সংগ্ৰহক লৈ গৰ্ববোধ কৰিব।"

একবিংশ শতিকাৰ দুৱাৰ দলিত থিয় দি আজিৰ সমাজ ব্যৱস্থাক ফঁহিয়াই চালে প্ৰত্যেকজন সচেতন ব্যক্তিৰে প্ৰশ্ন হয় যে, আজিৰ সমাজ ব্যৱস্থাই প্ৰকৃততে আমাক কিমান উধাই নিছে? বিজ্ঞানৰ অত্যাধুনিক সা-সৰঞ্জামে গোটেই পৃথিৱীখনক ওচৰ-চপাই অনাৰ লগতে নিজৰ শোৱনি কোঠাতে বিশ্বৰ নানান ঘটনাৰাজি দেখাৰ সুবিধা দিয়াৰ বিপৰীতে এই ব্যৱস্থাৰ পৰা সমাজ ব্যৱস্থালৈ বিকিৰণ হোৱা অন্ধকাৰ ৰশ্মিবোৰৰ ভয়াবহতা গমিপিতি চোৱাৰ সময় হ'ল। নহ'লে অদূৰ ভৱিষ্যতে মানৱীয় আৰু নৈতিকপ্ৰমূল্যহীন এখন সমাজ যে আমি নিজৰ বাবে গঢ়ি তুলিম তাত কোনো সন্দেহ নাই।

*বিজ্ঞানৰ অকল্পনীয় অগ্ৰগতিৰ ফলত আমি পোৱা অত্যাধুনিক মাধ্যমসমূহৰ বাবে মানুহে এতিয়াকিতাপ নপঢ়ে। কেইবছৰমানৰ আগতে এখন অসমীয়া দৈনিকত এজন লিখকে লিখিছিল– "টেলিভিশ্বন, ভিডিঅ', মাইক্ৰ'ফিল্ম আদিৰ যুগত কিতাপ পঢ়াৰ বিমল আনন্দৰ পৰা গ্ৰন্থপ্ৰেমীসকলক নিষ্ঠুৰভাৱে বঞ্চিত কৰাৰ এক প্ৰচেষ্টা চলিছে। এতিয়া আৰু মানুহে ৰামায়ণ, ওডিছী, হেমলেট, ওৱাৰ এণ্ড পিছ আদি নপঢ়ে। বৰং মানুহে সেই কালজয়ী ৰচনাসমূহ চকুৰে চাব আৰু কাণেৰে শুনিব। বিত্তবান গ্ৰন্থপ্ৰেমীসকলে একৈশ শতিকাত নিজা গ্ৰন্থাগাৰত সংগৃহীত কিতাপৰ সলনি ভিডিঅ' কেছেটৰ সংগ্ৰহলৈ গৰ্ববোধ কৰিব।"*

টি-ভিকে ধৰি বিভিন্ন দৃশ্য-শ্ৰাব্য মাধ্যমসমূহে গ্ৰন্থৰ জগতখনৰ অশেষ ক্ষতিসাধন কৰিছে। ইয়াৰ পৰা ক্ষতিগ্ৰস্ত হৈছে গ্ৰন্থপ্ৰেমীসকলো। টি-ভি প্ৰেমীৰ সংখ্যাৰ দ্ৰুতবৃদ্ধিলৈ চায়েই অনুমান কৰিব পাৰি যে, গ্ৰন্থপ্ৰেমীসকলৰ অস্তিত্ব এক বিৰাট সঙ্কটৰ সন্মুখীন হৈছে। ড্ৰাগ এডিক্চন বা নিচাসক্তিৰ দৰেই টি-ভি এডিক্চন বা টি-ভি আসক্তিয়েও মানুহৰ মন, মগজু, চেতনা আদি পংগু কৰি আনিছে। ঘণ্টাৰ পিছত ঘণ্টা টি-ভিৰ অনুষ্ঠান চাই থকা এজন দৰ্শকৰ সৈতে এজন নিচাসক্ত ব্যক্তিৰ কোনো পাৰ্থক্য নাই। নিচাই যিদৰে সমগ্ৰ দেহ-মন অৱশ কৰি দিয়ে, সেইদৰে টি-ভিৰ মনোৰঞ্জনকাৰী অনুষ্ঠানবোৰেও এজন মানুহৰ সমগ্ৰ অনুভূতিক, চিন্তাশক্তিক ক্ৰমান্বয়ে নিঃশেষ কৰি আনে। 'ইডিঅ'ট বক্স্' হিচাপে অভিহিত টি-ভি নামৰ এই বাকচটোৱে সম্ভৱ মানৱ সমাজক

এক ক্ষয়িষ্ণু আৰু গোপন মৃত্যুৰ পথলৈ ঠেলি নি আছে।

টি-ভিৰ বিভিন্ন অনুষ্ঠান চাই কিমান মূল্যবান সময় অপব্যয় কৰা হয়, সেই বিষয়ে নিউইয়ৰ্ক বিশ্ববিদালয়ৰ মেডিয়া ইক'লজী বিভাগৰ অধ্যাপক ড° নীল পোষ্টমেনে সতৰ্কবাণী শুনাই কৈছিল– "১৯৮৩ চনৰ নীলচনৰ টেলিভিচন সম্পৰ্কে দিয়া প্ৰতিবেদন অনুসৰি শতকৰা ৯৮ ভাগ আমেৰিকানৰ ঘৰতে টেলিভিছনৰ ছেট আছে। ইয়াৰে ৫১ ভাগৰ ঘৰত দুটা বা ততোধিক ছেট আছে। শতকৰা ৭৫ ভাগৰ ৰঙীন টেলিভিছন ছেট আছে। প্ৰতিঘৰে দিনে গড় হিচাপত সাত ঘণ্টাকৈ টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰে। প্ৰতিটো আমেৰিকান শিশুৱে স্কুললৈ যাব পৰা হোৱাৰ আগতেই পাঁচহাজাৰ ঘণ্টা ইয়াৰ কাৰ্য্যসূচী চায়। হাইস্কুলৰ শিক্ষা সমাপ্ত হোৱালৈকে এই সংখ্যা বাঢ়ি হয়গৈ যোল্ল হাজাৰ ঘণ্টা। .... চল্লিশ বছৰ হোৱালৈকে এজন আমেৰিকানে এক নিযুত ঘণ্টা টি-ভিৰ ধাৰাবাহিক চোৱাতে নষ্ট কৰে।" ১৯৮৪ চনতে ড° পোষ্টমেনে দাঙি ধৰা পৰিসংখ্যাৰে অকল আমেৰিকবাসীকে নহয় সমগ্ৰ বিশ্ববাসীকে সতৰ্ক কৰি দিছিল। টি-ভিৰ লগত ঘণ্টাৰ পিছত ঘণ্টা কটোৱা এজন ব্যক্তিয়ে দিনটোৰ কেইঘণ্টা বাৰু এখন কিতাপৰ সৈতে কটায়?

পশ্চিমীয়া দেশবোৰৰ লোকসকলৰ এটা অতি ভাল গুণ আছে যে, তেওঁলোকে কিবা এটা বেয়া বা অপকাৰী বুলি জানিলে তাক লগে লগে ত্যাগ কৰিবলৈ চেষ্টা কৰে। ড° পোষ্টমেনৰ প্ৰতিবেদন আৰু সমসাময়িকভাবে প্ৰকাশ পোৱা বহু সতৰ্কতামূলক লেখনীৰ ফলত আমেৰিকাবাসীয়ে টি-ভিৰ কবলৰ পৰা হাত সাৰিবলৈ ব্যৱস্থা লৈছিল। আৰু সেইবাবেই হয়তো আমেৰিকাৰ 'ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়'ৰ গণিত বিভাগৰ অধ্যাপক আৰু অসমীয়া সাহিত্যৰ চিনাকি নাম ড° দিলীপ কুমাৰ দত্তই দুবছৰমানৰ আগতে অসমলৈ আহোঁতে ঘৰে ঘৰে টি-ভি দেখি অতি দুখেৰে মাকক কৈছিল– "অসমত ঘৰে ঘৰে টেলিভিছন সোমাইছে যেতিয়া দেশৰ ভৱিষ্যত বৰ বেয়া।" যিকেইজন ল'ৰাই তেখেতক দেখিলে আনন্দত জপিয়াই উঠে, যিসকল ব্যক্তিয়ে তেখেত ঘৰলৈ গ'লে অতি সাদৰেৰে আথে-বেথে বহিবলৈ দি সোধপোছ কৰে, সেইসকলৰ ঘৰলৈ গ'লে আজিকালি টি-ভিৰ পৰা মূৰ নোতোলাকৈয়ে সোধে– "কোন?" কোন ক'লে কয়– "বহা, টি, ভি, চোৱা।" এইবোৰ দেখি তেওঁ 'খোঁচা বিন্ধা বুৰঞ্জী'ত লিখিছে– "আমেৰিকাত থাকোঁ যদিও আৰু নিজৰ সামৰ্থ্য আছে যদিও আমাৰ ৰঙীন টি-ভি নাই; পুৰণি ক'লা-বগা টি,ভি, এটা আছে যদিও সেইটো আমি মাহেকে পষেকে কেতিয়াবাহে চাওঁ। আমেৰিকাত আমাৰ নিচিনাকৈ ৰঙীন টি,ভি, বা আন ধৰণৰ টি, ভি, নথকা মানুহ বহুত আছে। সেইদৰে আমাৰ দৰে কেতিয়াবা কাচিতহে টি, ভি, চোৱা মানুহৰ সংখ্যাও বহুত। ইয়াৰ প্ৰধান কাৰণ হ'ল টি,ভি, এটা পৰিয়ালৰ কাৰণে বৰ অনিষ্টকাৰী। বিশেষকৈ কণ-কণ ল'ৰা-ছোৱালীৰ ওপৰত আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত টি-ভি-ৰ প্ৰভাৱ সাধাৰণতে বৰ বেয়া।"

কিতাপক ইমানদিনে জ্ঞানৰ প্ৰসাৰ আৰু বিস্তাৰৰ একমাত্ৰ আহিলা বুলি গণ্য কৰা হৈ আহিছিল যদিও বিজ্ঞানৰ অভূতপূৰ্ব সাফল্যৰ ফলত আৱিষ্কৃত নিত্য নতুন সঁজুলি তথা আহিলাসমূহে কিতাপক তাৰ অদ্বিতীয় শ্ৰেষ্ঠত্ব বজাই ৰাখিবলৈ দিয়া নাই। আজিৰ যুগত এটা পি, চি, বা 'পাৰ্চনেল কম্পিউটাৰে' জ্ঞানৰ বিস্তাৰত এখন কিতাপতকৈ অধিক কাৰ্যাকৰী ভূমিকা গ্ৰহণ কৰিব পাৰে। জ্ঞান আহৰণৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত সামগ্ৰীসমূহ যেনে, কিতাপ, ব্লেকবোৰ্ড, ডাষ্টাৰ, চক, শ্ৰেণীকোঠা আনকি শিক্ষকো অপৰিহাৰ্য্য হৈ থকা নাই। নিজৰ বিচনাতে বহি এতিয়া এটা শিশুৱে কম্পিউটাৰৰ জৰিয়তে দ্ৰুতগতিৰে জ্ঞান আহৰণ কৰিব পাৰে। ইণ্টাৰনেট আৰু ই-মেইল প্ৰচলন হোৱাৰ পাছৰে পৰা আজি-কালি অত্যন্ত প্ৰয়োজনীয় বুলি ভৰা তথ্যপাতিবোৰো আমি সংৰক্ষণ কৰিবলৈ এৰি দিছো।




মানুহক কিতাপ পঢ়াৰ বিমল আনন্দৰ পৰা টি, ভি, এ অতি নিৰ্দয়ভাৱে বঞ্চিত কৰিছে। মহাভাৰত, ৰামায়ণৰ দৰে মহাকাব্যৰ পৰা আৰম্ভ কৰি বিভিন্ন ধ্ৰুপদী আৰু কালজয়ী সাহিত্যৰ অৱলম্বনত নিৰ্মিত টি,ভিৰ ধাৰাবাহিকবোৰে মানুহক মূল গ্ৰন্থ পঢ়ি চাবলৈ আগ্ৰহী কৰি নোতোলে। "গোটেইখন যেতিয়া দেখিলোৱেই, পঢ়িনো কি লাভ? সময় নষ্টহে।" –এই মনোভাৱ গ্ৰহণ কৰা ব্যক্তিয়ে টি, ভিৰ কেমেৰাই ঢুকি নোপোৱা আৰু অতি সাৰ্থক অভিনয়েও ফুটাই তুলিব নোৱাৰা লেখকৰ দৃষ্টিৰ মাজত নিহিত হৈ থকা জীৱন সৌৰভ কেতিয়াবা উপলব্ধি কৰিব পাৰে জানো? লেখনীৰ মাজেৰে প্ৰকাশ হোৱা এই সৌৰভ কেৱল পাঠকেহে উপলব্ধি কৰিব পাৰে। হাজাৰ হাজাৰ দৰ্শকৰ মাজত এখন ধাৰাবাহিকে সঞ্চাৰ কৰা অনুভূতিৰ সৈতে এজন পাঠকৰ মনোজগতত সৃষ্টি হোৱা অনুভূতিৰ আকাশ-পাতল প্ৰভেদ। তদুপৰি গ্ৰন্থ অধ্যয়নে পাঠক আৰু লেখকৰ মাজত এক সুমধুৰ সম্বন্ধ গঢ়ি তোলে।

সৃষ্টিশীল ৰচনাই মানুহক সৃষ্টিৰ প্ৰতিও অনুপ্ৰাণিত কৰি তুলিব পাৰে। সাৰ্থক সৃষ্টিৰ কৃতিত্ব হ'ল মানুহৰ সুপ্ত সৃজনী প্ৰতিভাক জাগৃত কৰিব পৰাটো। গ্ৰন্থই অনায়াসে এই কৃতিত্ব দাবী কৰিব পাৰে। কিন্তু টি, ভি-য়ে পাৰেনে? টি, ভি, সৰ্বোচ্চ হৈ পৰা প্ৰত্যেকে নিজকে এই প্ৰশ্ন কৰি চোৱা উচিত।

এসময়ত সন্ধিয়া হ'লেই কীৰ্তন বা নামঘোষাখন মেলি লৈ ঈশ্বৰৰ নাম গাই ভক্তি জনোৱা গাঁৱৰ বুঢ়াজনো আজিকালি সন্ধিয়া হ'লেই টি, ভি,ৰ সন্মুখত। নিজৰ ঘৰত নাথাকিলেও আনৰ ঘৰত গৈ হ'লেও টি, ভি, নামৰ বাকচটোৰ ওচৰত নয়ন সাৰ্থক কৰেগৈ।

আজিৰ পৰত কিতাপখন মেলি লোৱাৰ অভ্যাস থকা মানুহজনে এতিয়া কিতাপৰ ওচৰলৈ নাযায়। টি, ভি,ৰ আগতহে তেওঁ আজৰি সময়কণ কটাই ভাল পোৱা হ'ল। মানুহৰ কিতাপ পঢ়াৰ অভ্যাসটো ক্ৰমাৎ নাইকিয়া কৰাৰ গুৰিতে হ'ল এই টি,ভি, নামৰ ভয়ঙ্কৰ বাকচটো। এটা পৰিসংখ্যা উলিয়ালে দেখা যাব যে, ঘৰে ঘৰে টি, ভি, হোৱাৰ আগতে কণ কণ ল'ৰা-ছোৱালীকেইটা কমিক্‌চ বুলিলে যিমান পাগল আছিল আজিকালি কিন্তু তেনে নহয়। টি, ভি-য়ে আমাৰ, বিশেষকৈ, শিশুৰ

মনবোৰ কেনেদৰে বিষাক্ত কৰি তুলিছে তাক এতিয়া নহ'লেও আৰু দহ বছৰৰ পাছত অনুমান কৰিব বুলি সচেতন মহলে কয়।

আমি মানি লৈছো যে, সমাজ ব্যৱস্থাৰ উত্তৰণত, মানুহৰ জীৱন যাত্ৰাৰ উন্নয়নত, জ্ঞান-বিদ্যা-বুদ্ধিৰ বিস্তাৰত, টি,ভি,-ৰ 'পজিটিভ কনট্ৰিবিউচন' সন্দেহৰ উৰ্দ্ধত। তথাপিও ইয়াৰ 'নেগেটিভ কনট্ৰিবিউচন'বোৰৰ বিষয়েও সচেতন হোৱা উচিত। আন আন সমাজত টি, ভি, কালচাৰে কেনে প্ৰভাৱ পেলাইছে— সেয়া ক'বলৈ যোৱা নাই। কিন্তু আমাৰ সমাজত ই বিষবৃক্ষৰ ভূমিকা লোৱাটোহে দেখা গৈছে। সেয়ে সময়ৰ অগ্ৰগতিৰ লগে লগে একবিংশ শতিকাত খোজ দিয়াৰ এই মহেন্দ্ৰক্ষণত "টি,ভি, কালচাৰ"টো অলপ গমিপিতি চোৱাৰ সময় উপস্থিত হৈছে। অন্যথাই বিজ্ঞানে দিয়া অমৃত যে গৰলত পৰিণত হ'ব সি ধ্ৰুৱপ।

কোনো এখন গ্ৰন্থৰ কাহিনী এটা টি, ভি.ত চাই 'গ্ৰন্থৰ প্ৰয়োজনীয়তাখিনি চোন টি,ভি,তে পালো, গতিকে কিতাপ পঢ়াৰ আৱশ্যক কি' বুলি ভবাটো ভুল। প্ৰকৃততে ইলেকট্ৰনিক মাধ্যমসমূহ কিতাপৰ পৰিপূৰকহে, বিকল্প নহয়। দুঘণ্টাতেই চিনেমা অথবা টি,ভি,ৰ পৰ্দাত উপভোগ কৰিব পৰা কাহিনীটো চাৰিখণ্ডৰ সুবিশাল 'এণ্ড কোৱাইট ফ্লজ দি ডন' উপন্যাসখনি পঢ়ি সময় অপব্যয় কৰাৰ প্ৰয়োজন কি বুলি ভাবিব নালাগে। ছবি চোৱা আৰু কাহিনীটোৰ বৰ্ণনা কিতাপত পঢ়াৰ সন্দৰ্ভত আমি বিতৰ্কলৈ যাব খোজা নাই। কিন্তু, আচলতে, উপন্যাসখনিৰ দুঘণ্টীয়া কাহিনী চেলুলয়ডত ৰূপদানৰ জৰিয়তে উল্লেখিত গ্ৰন্থৰ মাহাত্ম্যহে প্ৰকাশ কৰা হ'ল। সেয়ে কাহিনীটো চাই তাতেই সন্তুষ্ট নাথাকি মূল গ্ৰন্থখনো পঢ়িলেহে আচল ৰস পোৱা যাব।

গ্ৰন্থৰ শিক্ষায়তনিক উপযোগিতাৰ কথা বাদ দি মানবায়তনিক উপযোগিতাৰ দিশো প্ৰচণ্ড প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। মানৱীয় মূল্যবোধৰ আমূল পৰিবৰ্তনেও গ্ৰন্থৰ ভৱিষ্যত সম্পৰ্কে গ্ৰন্থপ্ৰেমীসকলৰ মনত শংকাৰ সৃষ্টি কৰিছে। মূল্যবোধৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ ৰুচিবোধ, জীৱনধাৰণৰ প্ৰণালী, জীৱনৰ আনন্দ উপভোগ কৰাৰ বিভিন্ন উপায় আদিৰ বিস্তৰ পৰিবৰ্তন ঘটিছে। যোৱা দুটা দশকতে কিতাপৰ প্ৰধান পৃষ্ঠপোষক মধ্যবিত্ত শ্ৰেণীটোৰ জীৱন ধাৰণৰ মানদণ্ডৰ অকল্পনীয়ভাৱে পৰিবৰ্তন ঘটিছে। কনজিউমাৰ-ইজিমৰ বিস্ফোৰণৰ ফলত মধ্যবিত্ত শ্ৰেণীটোৱে বৈষয়িকভাৱে যিমান সমৃদ্ধি লাভ কৰিছে, তাৰ তুলনাত অধ্যয়নশীলতা, সুৰুচিসম্পন্ন জীৱন যাপনৰ স্পৃহা আদিৰ ক্ষেত্ৰত সিমান আগবাঢ়িব পৰা নাই। অৱশ্যে জ্ঞান-বিদ্যাত পিছপৰি থকা বুলি কোৱা নাই। যোৱা দুটা দশকত নতুন উপভোক্তা সামগ্ৰীয়ে (কনজিউমাৰ গুডছ) যিদৰে বজাৰ উপচি পৰিছে তাৰ তুলনাত কিতাপৰ সংখ্যা যথেষ্ট কম। যিকেইখন কিতাপ ওলায়, তাৰ ভিতৰতো চিৰিয়াচ কিতাপৰ সলনি কমিক্‌চ, ৰংচঙীয়া আলোচনী (গ্লেচী মেগাজিন) আদিয়েই বজাৰ ছানি ধৰিছে। অলপ ভাবিলেই আমি দেখো যে, চাঞ্চল্যৰ সৃষ্টিকাৰী বাতৰি-কাকত আৰু গুজৱ সৃষ্টিকাৰী ৰংচঙীয়া আলোচনীবোৰৰ বাহিৰে আমি কি পঢ়ো? কমিক্‌চৰ বাহিৰে আমাৰ ল'ৰা-ছোৱালীক পঢ়িবলৈ কি আনি দিছো? বাতৰি কাকতৰ বাহিৰে আমি পাঠ্য বহিৰ্ভূত কিবা পঢ়োনে? বাতৰি সৰ্বোচ্চ হৈ পৰা জীৱনত সাহিত্যৰ সুধা পান কৰাৰ অৱকাশ থাকেনে? ই মধ্যবিত্ত শ্ৰেণীটোৰ তৰল আৰু সস্তীয়া ৰুচিবোধৰ লগতে মানসিক দৈন্যতাৰো পৰিচয় দাঙি ধৰে। বৈষয়িকভাৱে অভূতপূৰ্ব সমৃদ্ধি লাভ কৰা কুৰি শতিকাৰ মানৱ সমাজ অতি তৰল আৰু কোনোধৰণৰ জীৱনবোধৰ উপলব্ধি নথকা এটা অতি দৰিদ্ৰ মানসিকতাৰে একবিংশ শতিকাত প্ৰৱেশ কৰিবলৈ উদ্যত হৈছে। কমিক্‌চ আৰু গ্লেচী মেগাজিনেৰে মন মগজু সমৃদ্ধ কৰা এই শতিকাৰ মানৱ সমাজ আৰু তাৰ উত্তৰসূৰীসকলৰ পৰা যে কেতিয়াবা কালজয়ী সাহিত্যৰ সৃষ্টি হ'ব তাৰ আশা কৰোঁ কেনেকৈ?

গ্ৰন্থ প্ৰকাশক ভদ্ৰলোকৰ ব্যৱসায় বুলি গণ্য কৰা হৈছে যদিও ই আজি আৰু এটা লাভজনক ব্যৱসায় হৈ থকা নাই। সেয়েহে অন্যান্য ব্যৱসায়ৰ তুলনাত ইয়াত বিনিয়োগৰ পৰিমাণো কম। লাভালাভৰ প্ৰতি সদাসচেতন মধ্যবিত্ত শ্ৰেণীটোৱে মিছনেৰী আদৰ্শ লৈ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত আগবাঢ়ি আহিব বুলি আশা কৰাটো ভুল। বিনিয়োগ বাঢ়িবলৈ হ'লে বজাৰ বাঢ়িব লাগিব। অৱশ্যে কিতাপৰ ক্ষেত্ৰত অন্যান্য উপভোক্তা সামগ্ৰীত গ্ৰহণ কৰা ব্যৱসায়ৰ নীতি গ্ৰহণ কৰিলে বিপদৰ সম্ভাৱনা আছে। কাৰণ কিতাপ হ'ল মানুহৰ বৌদ্ধিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ প্ৰধান আহিলা।

---

*প্ৰণৱজ্যোতি নেওগ অৰ্থনীতি বিভাগৰ তৃতীয় বৰ্ষৰ ছাত্ৰ আৰু ১৯৯৬-৯৭ বৰ্ষৰ কটন কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক।*

মই গ্ৰন্থজগতত 'অহৰহ' বিচৰণ নকৰোঁ, যেতিয়া সময় পাওঁ তেতিয়াহে কৰোঁ। মোৰ ক্ষেত্ৰত এই পাঠাভ্যাসৰ ফলত বিশেষ এলানি অনুভূতিয়ে গঢ় লৈ উঠিছে বুলিও মই ক'ব নোৱাৰোঁ। প্ৰতিখন সাৰ্থক গ্ৰন্থৰ প্ৰতিখিলা পাতেই প্ৰতিটো বাক্যই উদ্ৰেক কৰিব পাৰে একোটা বা একাধিক অনুভূতি। বহুতো গ্ৰন্থৰ সাৰ্থকতা হৈছে অনুভূতিক বিশেষভাৱে উদ্ৰেক নকৰি এক অৰ্থত এক স্থিৰ মননক জীপাল কৰি তোলা। অৱশ্যে সাধাৰণভাৱে ইয়াকে ক'ব পাৰোঁ যে মহৎ গ্ৰন্থৰ অধ্যয়নে প্ৰায়েই মোৰ মনত বিশালতাবোধৰ এক অনুভূতিক জাগ্ৰত কৰে।

— প্ৰদীপ খাটনিয়াৰ

প্ৰৱক্তা, দৰ্শন বিভাগ, কটন কলেজ

বিজ্ঞান

# বিংশ শতিকাৰ বিজ্ঞানৰ জয়যাত্ৰা

❒ ডিজিত শইকীয়া

আদিমানৱে যিদিনাই শিলে-শিলে ঠেকা খুৱাই জুইৰ ফিৰিঙতিৰ সৃষ্টি কৰি সভ্যতাৰ পাতনি মেলিছিল সেইদিনাৰ পৰা নানা উত্থাপনৰ মাজেদি আহি আজি আমি একবিংশ শতিকাৰ দুৱাৰ দলিত উপস্থিত হৈছোহি। বিংশ শতিকাৰ বিজ্ঞানৰ অভূতপূৰ্ব সাফল্যই আজি আমাক এনে এক অৱস্থালৈ আগুৱাই আনিছে য'ৰ পৰা আমি পৰমাণুৰ ভিতৰৰ ক্ষুদ্ৰতি ক্ষুদ্ৰ জগতখনৰ ভিতৰলৈও জুমি চাব পৰা হৈছো। বিংশতিকাত বিজ্ঞানৰ জগতখনৰ অভূতপূৰ্ব সাফল্যৰ এক চমু আভাস দিয়াৰ বাবেই এই প্ৰৱন্ধৰ অৱতাৰনা।

কুৰি শতিকাৰ শ্ৰেষ্ঠ বিজ্ঞানী আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ সূত্ৰই বিজ্ঞানৰ নানা ধৰণৰ ধাৰণা সমূহক ওলট পালট কৰি এক নতুন যুগৰ সূচনা কৰে। আগতে কৰাৰ দৰে পৃথিৱীখনযে ত্ৰিমাত্ৰিক (Three dimensonal) নহয় সেই কথাষাৰ এই সূত্ৰই প্ৰমাণ কৰে আৰু এক চতুৰ্থ মাত্ৰা, কালৰ অস্তিত্ব পৃথিৱীবাসীৰ আগত উপচাই দিলে। ইয়াৰোপৰি জ্যোতিৰ্বিদ্যা তথা নিউপ্লিয়াৰ বিজ্ঞানতো ই এক নতুন যুগৰ সূচনা কৰে। আনহাতেদি এই সময়তে কৃষ্ণবস্তু (Black body) ৰ ৰশ্মিৰ বিকিৰণ সম্পৰ্কে চিত্ৰকৰ তত্ত্বৰ গাণিতিক প্ৰকাশ কৰিবলৈ গৈ মেক্স প্লাককে বিখ্যাত কোৱাণ্টাম তত্ত্বৰ আৱিষ্কাৰ কৰে। এই সূত্ৰই কৃষ্ণবস্তুৰ দ্বাৰা বিকিৰিত পোহৰ ৰশ্মিক শক্তিৰ বিচ্ছিন্ন ধাৰা বুলিহে প্ৰকাশ কৰে যি পোহৰ ৰশ্মি সম্পৰ্কে পূৰ্বপ্ৰকাশিত ধাৰনা সমূহ ভুল বুলি প্ৰমাণিত কৰে। এই বিকিৰিত পোহৰ ৰশ্মিবোৰক বহুতো ক্ষুদ্ৰ কণাৰ সমষ্টি বুলি কোৱা হ'ল আৰু এই কণাবোৰৰ নাম দিলে ফ'টন। ফ'টন কণাবোৰৰ শক্তিৰ সম্পৰ্কে সত্যেন্দ্ৰনাথ বসুৰ সংখ্যায়নক আদৰ্শ। গছৰ বাবে প্ৰয়োগ কৰি আইনষ্টাইনে কোস সংখ্যায়ন প্ৰকাশ কৰে। সেই সময়তে আন এজন বিজ্ঞানী অভিনুজাৰে তেওঁৰ বিখ্যাত তৰংগ বলবিদ্যা (Wave mechanics) ৰ সূত্ৰটি আগবঢ়ায়। এইসময়তে বিজ্ঞানৰ জগতত আলোড়নৰ সৃষ্টি কৰে হেইলবাৰ্গৰ অনিশ্চয়তা নীতি (Heialberg's uncontainents principle) য়ে। এই সূত্ৰ অনুযায়ী কোনো গতিশীল বস্তুৰ অৱস্থান আগৰ ভৰবেগ এক নিৰ্দিষ্ট স্থানত সম্পূৰ্ণ শুদ্ধকৈ নিৰ্ণয় কৰা সম্ভ নহয়।

এইখিনিতে পৰমানুৰ ভিতৰৰ জগতখনৰ বিষয়ে জানিবলৈ বিজ্ঞানীসকল আগ্ৰহী হৈ পৰে। ৰাডাৰফৰ্ডে পোণপ্ৰথমবাৰৰ বাবে পৰমানুৰ ভিতৰখনক সৌৰজগতৰ লগত তুলনা কৰিলে। তেওঁৰ মতে ইয়াত ইলেকট্ৰনবোৰ নিউক্লীয়াছৰ চাৰিওফালে প্ৰদক্ষিণ কৰে। আকৌ নিউক্লীয়াছত থাকে প্ৰটন আৰু নিউট্ৰন। এইখিনিতে ৰাউলিয়ে বিকিৰণৰ ফলত একপ্ৰকাৰৰ আধানহীন অতি পাতল কনা নিউট্ৰিনোৰ অস্তিত্ব ঘোষনা কৰিলে। নিউক্লিয়াছৰ ভিতৰখনৰ কথা অধিক জানিবলৈ নিউক্লিয়াছৰ বিভাজনৰ কথা ভাবিবলৈ ললে বৈজ্ঞানীক সকলে আৰু তাৰ ফলস্বৰূপে প্ৰথমবাৰৰ বাবে জন্ কক্ৰফ্ট আৰু এচ ৱাল্টনে লিথিয়ামৰ নিউক্লিয়াচ ভাঙিবলৈ সক্ষম হ'ল। লগে লগে স্থাপন কৰা হ'ল "ছাইক্লোট্ৰন", যাৰ সহায়ত নিউক্লিয়াছৰ বিভাজন কৰা সম্ভৱ। ইয়াৰ কিছুপাছতে ফিনমেনে কোৱান্টাম ইলেকট্ৰ ডাইনেমিক্স তত্ত্বৰ আৱিস্কাৰ কৰে সি ফোটন ইলেকট্ৰনৰ ক্ৰিয়া বিক্ৰিয়াৰ নিয়ম কানুন সমূহ উদঙাই দিলে।

এইখিনিতেই জ্যোতিৰ্বিজ্ঞানেও যথেষ্ট উন্নতি কৰে। গেলিলিওৰ টেলিস্ক'পৰ পৰা আৰম্ভ কৰি 'হাব্বল' টেলিস্কোপেও পৃথিৱীবাসীক মহাবিশ্বৰ সম্পৰ্কে নানা তথ্যৰ যোগান ধৰিলে। অপেনহেইমাৰে Grastational Callapse নীতি আগবঢ়ালে যে বয়সৰ লগে লগে তৰাবোৰ শক্তিহীন হৈ নিঃশেষ হৈ যায়। আনহাতেদি মহাবিশ্বৰ যে প্ৰসাৰণ মহাবিস্ফোৰন (Big kaag)ৰ ফলত এটা বিন্দুৰ পৰা মহাবিন্দুৰ সৃষ্টি হৈছে সেই সত্যও উদঘাটন হয়। আনহাতেদি কৃষ্ণ তাৰকাৰ ৰহস্যও (Black hole) এই সময়তে পোহৰলৈ আহে। ঘনত্ব বৃদ্ধি হৈ এটা সময়ত তৰাবোৰৰ সংকুচিত হৈ পৰে আৰু যি অতিমাত্ৰা উত্তপ্ত হৈ পৰে সেয়ে Black hole বা কৃষ্ণতাৰকা। কৃষ্ণতাৰকাৰ ভিতৰত কোনো কনা সোমালে ওলাব নোৱাৰে বুলি ভবা হৈছিল যদিও পাছত হকিঙে এইদৰে ব্যাখ্যা কৰে যে যদি কনাটোৰ বেগ পোহৰবেগৰ সমান হয় আৰু কৃষ্ণতাৰকাটো অতি সৰু হয় তেন্তে সি যদিও কৃষ্ণতাৰকাৰে মাজেৰে পাৰ হব তথাপিও তাৰ গতি পাব।

এই আৱিস্কাৰ সমূহৰ পাছতো আজিৰ বিজ্ঞানে কম্পিউটাৰ, ইন্টাৰনেট আদিৰ দৰে সূমতি সূক্ষ্ম যাত্ৰাৰ আৱিস্কাৰ কৰিছে যাৰ কাৰ্যপ্ৰণালীয়ে আজিৰ পৃথিৱীখনক আন এক কল্পনানগৰীলৈ ৰূপান্তৰিত কৰিছে। সঁচাই বিজ্ঞান সঁচাকৈয়ে অবিস্মৰণীয়।

---

*ডিজিত শইকীয়া উ.মা. প্ৰথম বাৰ্ষিক (বিজ্ঞান) ৰ ছাত্ৰ।*

সম্পাদকলৈ চিঠি

# কটন কলেজৰ সাধাৰণ নিৰ্বাচন

প্ৰিয় সম্পাদক,

আজি কিছুদিনৰ পৰা কটন কলেজৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক কলংকই লগ দিয়া বুলি আমাৰ সমাজখনত যিদৰে চিন্তা-চৰ্চা হব লাগিছে, তাৰ পৰিণতি কেৱল যে কটনিয়ানসকলৰ বাবেই ভয়াবহ এনে নহয়, বৰং সমগ্ৰ অসমীয়া জাতিটোৰ বাবেই ই এটা ব্যাধি ৰূপে দেখা দিছে। কিয়নো বিগত কটন কলেজৰ নিৰ্বাচনত আমি যি দেখিছো বা শুনিবলৈ পাইছো সেইবোৰ দেখি আমাৰ এই ভাৱ হৈছে যেন আমি এই নিৰ্বাচনৰ সময়ত নিৰপেক্ষ ভূমিকা অৱলম্বন কৰাৰ বাহিৰে আন উপায় নাই। সম্প্ৰতি এনে এটা সময় আহি পৰিছে যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'ৰাজনীতি' নামৰ শব্দটোৱে খুব বেয়াকৈ প্ৰভাৱ পেলাইছে।

আচলতে এনে হব নালাগিছিল। অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাবে কটন কলেজলৈ কেৱল উচ্চ মেধা বুদ্ধিবৃত্তি গুণ সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলেহে পঢ়িবলৈ আহে। এইসকলৰ মাজতে লুকাই আছে আমাৰ অসম তথা অসমীয়াৰ ভৱিষ্যত! এইসকলেই ভৱিষ্যতে বুদ্ধিজীৱী-ৰাজনীতিবিদ, দেশনেতা হৈ আমাৰ সমাজখনক প্ৰতিনিধিত্ব কৰিব। কিন্তু আজিকেইবছৰমানৰ পৰা কটন কলেজত দিছপুৰীয়া ৰাজনীতিয়ে এনেদৰে শিপাইছে যেন ইয়াৰ পাকচক্ৰত সোমাই আমাৰ ছাত্ৰ-ছাত্ৰীসকলে একো উৱাদিহ পোৱা নাই। অৱশ্যে ইয়াৰ মাজতো কিছুসংখ্যক ভাল কটনিয়ান আছে যিসকলে কোনোদিনে এই দিছপুৰীয়া ৰাজনীতিক পছন্দ নকৰে আৰু তেওঁলোকেই উন্নতিৰ পথত অগ্ৰসৰ হৈ জীৱনৰ চৰম লক্ষ্যত উপনীত হয়।

আমি এই কথা কব খুজিছো যে কলেজৰ বিগত সাধাৰণ নিৰ্বাচনত দিছপুৰীয়া ৰাজনীতিয়ে খুব বেয়াকৈ শিপাইছিল, তাৰ জ্বলন্ত উদাহৰণ আমি দুবছৰমানৰ আগৰ কেইটামান নিৰ্বাচনত দেখিবলৈ পাইছো। শাসনাধীস্থ চৰকাৰখনৰ এটাই উদ্দেশ্য আছিল তেওঁলোকৰ দলৰ দ্বাৰা সমৰ্থিত প্ৰাৰ্থী এগৰাকী কলেজৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত থিয় কৰোৱা। তাৰ বাবে সেই চৰকাৰে তেনে এজন প্ৰাৰ্থীক টকা-পইচা, গাড়ী-মটৰ আদি দিও সহায় কৰিছিল। ইয়াৰ পৰিণতি স্বৰূপেই কটনিয়ানসকলৰ মাজত দলীয় মনোভাৱে গা কৰি উঠিছিল। আৰু অচিৰেই বিভেদৰ সৃষ্টি হৈছিল।

যিখন কলেজত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে যি ভাৱে, সেইখন দেশেও তাকে ভাবিব বুলি আশা কৰা হৈছিল সি এক প্ৰহসনত পৰিণত হৈছিল। কলেজৰ সাধাৰণ নিৰ্বাচনত এনেদৰে ৰাজনীতিৰ জাল খেলি দিয়া কথাটো সমগ্ৰ অসমৰ শিক্ষাজগতৰ বাবেই কলঙ্ক স্বৰূপ। যিটো সময়ত ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত পথৰ সন্ধান দিয়াৰ প্ৰয়োজন হৈ পৰিছিল, সেই সময়ত এনেদৰে ছাত্ৰ শক্তিৰ বিৰুদ্ধে এনে পদক্ষেপ লোৱাটো আমাৰ বাবে চৰম পৰিতাপৰ বিষয়। তেনেকুৱা মনোভাৱে বৰ্তমানৰ সাধাৰণ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ মাজতো শিপাইছে আৰু বৰ্ত্তমান কটন কলেজৰ নিৰ্বাচন বিধানসভাৰ নিৰ্বাচনতকৈ কোনো গুণে কম নহয়।

গতিকে আমি যাতে তেনেদৰে বাহিৰা ৰাজনীতিৰ পাক-চক্ৰান্তত ঘূৰিবলগা নহয়, তাৰ বাবে আমি কটনিয়ানসকল আগবাঢ়ি আহিব লাগিব। তাৰ পৰিবৰ্ত্তে আমি আত্ম-সমালোচনা কৰা উচিত, আমাক এখন শুদ্ধ কটন লাগে। আমি ঐক্যবদ্ধ হৈ আমি আমাৰ কৰ্ত্তব্য কৰি যোৱাটোৱেই আমাৰ চৰম লক্ষ্য হোৱা উচিত। আমি মাথো নিজকে শুদ্ধ পথেৰে পৰিচালিত কৰাৰ বাহিৰে আন একো কৰিব নোৱাৰো। কটনিয়ানৰ পাতত আমি আমাৰ মত প্ৰকাশ কৰিছো আৰু এই কটনিয়ানৰ যোগেদিয়েই এখন শুদ্ধ কটনৰ কামনা কৰিছো, য'ত ছাত্ৰ-ছাত্ৰীসকলে সমস্বৰে কব পাৰে 'একবিংশ শতিকাৰ প্ৰাক্‌মুহূৰ্তত আমি এখন নতুন অসমৰ সন্ধানত—!' কটনিয়ানৰ পাতত আমি সেই আশাকে কামনা কৰিছো। ধন্যবাদ–

–চুচেন্দ্ৰ কুমাৰ শইকীয়া
স্নাতক ৩য় বৰ্ষ, ইংৰাজী

*১৯১৮ চনত পোন প্ৰথমবাৰৰ বাবে এজন খাচ উপত্যকাবাসীক স্থায়ীভাৱে অধ্যাপক পদত নিযুক্তি দিয়া হৈছিল। তেওঁ আছিল ইংৰাজী বিভাগৰ ড' সূৰ্য্য কুমাৰ ভূঞা। আন এটি বিশেষ উল্লেখযোগ্য ঘটনা আছিল ১৯২৯ চনত এজনী ছাত্ৰীৰ নাম ভৰ্তিকৰণেৰে অসমত মহিলা উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন দিগন্তৰ পাতনি মেলাটো।*

**মুখামুখি**

# ঐতিহ্যৰ অনুৰণন আৰু...

*(প্ৰস্তাৱনা ঃ 'কটন কলেজৰ শতবৰ্ষ মানেই অসমৰ মাটিত কলেজীয়া শিক্ষাৰ শুভাৰম্ভৰ শতবৰ্ষ'। 'কটন কলেজৰ শতবাৰ্ষিকী মানে সমগ্ৰ অসম (অবিভাজিত) ৰ শিক্ষা জগতখনৰ আৰু ইয়াৰ প্ৰভাৱত হোৱা সামাজিক আলোড়নৰ ইতিহাস'। 'কটন কলেজৰ শতবৰ্ষৰ ইতিহাস আলোড়নৰ ইতিহাস'। 'কটন কলেজৰ শতবৰ্ষ উদ্‌যাপনেৰে, আহক-এশবছৰীয়া ইতিহাসৰ পাত লুটিয়াই চাওঁ'।.... স্ব-মহিমাৰে ঐতিহ্যমণ্ডিত এই মহান শিক্ষানুষ্ঠানটিৰ সমাগত শতবৰ্ষৰ ওপৰত ভিত্তি কৰি আমি পৰিকল্পনা কৰিছিলো অন্তৰঙ্গ ভাৱ-বিনিময়ৰ এটি সাক্ষাৎকাৰ শিতানৰ। তাৰেই ফলশ্ৰুতি এই ঐতিহ্যৰ অনুৰণন আৰু..............। সাক্ষাৎ গ্ৰহণ কৰিছে কুশল দত্ত আৰু শৈলেন বৰকাকতিয়ে —সম্পাদক।)*

## প্ৰথম খণ্ড ঃ প্ৰাক্তন কটনিয়ানৰ প্ৰতি

*আমাৰ প্ৰশ্ন ঃ*

১। এগৰাকী প্ৰাক্তন কটনিয়ান হিচাপে কটন কলেজৰ শতবৰ্ষ অনুষ্ঠানটি কিদৰে উদ্‌যাপিত হোৱাটো আপুনি কামনা কৰে?

২। সেই সময়ৰ কটনৰ সাহিত্য/শিল্প/ক্ৰীড়া/সংগীত/নাট্য চৰ্চাৰ পৰিৱেশ কেনে আছিল?

৩। আপোনাৰ সমগ্ৰ পৰৱৰ্ত্তী জীৱনটোক প্ৰভাৱান্বিত কৰাকৈ কটনৰ কি দুটা বিশেষ ঘটনাই আপোনাক আশান্বিত আৰু হতাশ কৰে? যি সপোন বুকুত বান্ধি এসময়ত আপুনি কটনত ভৰ্ত্তি হৈছিল তাক কটনে বাস্তৱ ৰূপ দিব পাৰিছেনে? বা আপুনি কটনৰ পৰা আপোনাৰ প্ৰাপ্যখিনি লোৱাত/পোৱাত সফল হোৱা বুলি অনুভৱ কৰেনে?

৪। বৰ্ত্তমান আমাৰ সমাজব্যৱস্থাৰ চূড়ান্ত নৈতিক, বৌদ্ধিক অৱক্ষয়ৰ পটভূমিত এগৰাকী সাহিত্যিক/ক্ৰীড়াবিদ/নাট্যকাৰ/শিল্পী/চিন্তাবিদ হিচাপে অসমৰ ক্ৰীড়া/নাট্য/সংগীত/সাহিত্য/শিল্প জগতৰ ভৱিষ্যত সম্বন্ধে আপোনাৰ ধাৰণা?

৫। বৰ্ত্তমানৰ কটনিয়ান সকল কেনে হোৱাটো বিচাৰে? কটন কলেজক সমগ্ৰ অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ বুলি আপুনি গণ্য কৰেনে? যদি গণ্য নকৰে উত্তৰ কালত কটন কলেজ সমগ্ৰ অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ হ'ব পৰাকৈ আপোনাৰ পৰামৰ্শ কি?

*প্ৰাক্তন কটনিয়ান ঃ*

১। লক্ষ্যধৰ চৌধুৰী (লেখক, অভিনেতা, প্ৰবীণ সমাজ কৰ্মী ও ৰাজনীতিবিদ)

২। নৱকান্ত বৰুৱা (কবি, ঔপন্যাসিক)

৩। অজিত বৰুৱা (লেখক)

৪। চন্দ্ৰপ্ৰসাদ শইকীয়া (লেখক, সম্পাদক- গৰীয়সী)

৫। ড০ লক্ষ্যহীৰা দাস (কবি, শিল্পী ও শিক্ষাবিদ)

৬। নিৰুপমা বৰগোহাঞি (লেখিকা)

৭। হোমেন বৰগোহাঞি (লেখক, সম্পাদক- 'আমাৰ অসম' আৰু The North-East Times)

৮। নীলমণি ফুকন (কবি, কলাবিদ)

৯। পুষ্প গগৈ (টাই সংস্কৃতিৰ গৱেষক, কলাবিদ, অধ্যাপক- উদ্ভিদ বিদ্যা বিভাগ, ধেমাজি কলেজ)

১০। হেমেন গগৈ (গল্পকাৰ, অধ্যক্ষ, লক্ষীমপুৰ কলেজ)

১১। ৰঞ্জিত কুমাৰ দেৱ গোস্বামী (লেখক, প্ৰাধ্যাপক, ইংৰাজী বিভাগ— গুৱাহাটী বিশ্ববিদ্যালয়)

১২। বিপুলজ্যোতি শইকীয়া (কবি, বৈজ্ঞানিক- চেণ্টাৰ অৱ প্লাজমা ফিজিক্স)

১৩। দিগন্ত কুমাৰ কাকতি (সাংবাদিক)

**—লক্ষ্যধৰ চৌধুৰী**

১। কটন কলেজৰ ঐতিহ্য সম্পূৰ্ণ ৰূপে বজাই ৰাখি অনাড়ম্বৰ আৰু শিক্ষা সম্পৰ্কৰ সকলো দিশ সামৰি সুন্দৰ ৰূপে পালন কৰাটো আমি বিচাৰো। অৱশ্যে এই প্ৰশ্নৰ উত্তৰত-উদ্‌যাপন সমিতিয়ে পাতিব খোজা থূলমূল খচৰা প্ৰস্তাৱখন পোৱা হ'লে মতামত দিয়াত সহজ হ'লহেঁতেন।

২। প্ৰশ্নটোত কৰা 'সেই সময়ৰ' অৰ্থ কি? কোন সময়ৰ? প্ৰশ্নটি পুনৰ সজাব লাগে, তেতিয়া হয়তো উত্তৰ দিয়াত সহজ হ'ব। তেতিয়া ১৯০১ চনত আমাৰ জন্ম হোৱাই নাছিল।

আকৌ, মই পঢ়া কালত ভাল আছিল। অনুশীলনতাৰ পয়োভৰ আছিল। খেলত সুনাম অৰ্জন কৰিছিল। স্থানীয় ভাৱেতো কৰিছিলেই, আনকি ভাৰতৰ অন্য ঠাইতো - কোঁচ বিহাৰ, ৰাজস্থান, ঢাকা আদি ঠাইতো খেলি কটনে সুনাম কঢ়িয়াই অনাৰ কথা আজিও মনত পৰে। সাহিত্য চৰ্চাৰ কাৰণে A.S.L. Club আছিল। কিন্তু সেইটো এতিয়া নিশ্চয় নাই।

৩। তেতিয়া অসম উপত্যকাত কটন কলেজ আৰু সুৰমা উপত্যকাত গুৰুচৰণ কলেজ আছিল। এতেকে কটন কলেজত ভৰ্ত্তি হ'বলৈ অৰ্হতা পোৱাৰ কাৰণে নিশ্চয় আনন্দ লাগিছিল।

বিদ্যাৰ সীমা নাই। সেয়ে মোৰ শক্তি অনুযায়ী কটন কলেজৰ পৰা পাবলগীয়া আৰু আহৰণ কৰিবলগীয়া বহুখিনি প্ৰাপ্য পোৱা বুলি অনুভৱ হয়।

৪। এই ক্ষেত্ৰত অৱক্ষয় আৰম্ভ হৈছে। সেয়ে কটনিয়ান সকলৰ ওপৰত ইয়াক ৰখাৰ গধুৰ দায়িত্ব পৰিছে। তাক ৰখাৰ ভাৰ কটনিয়ান সকলৰ ওপৰতে।

৫। টো তুলি প্ৰচেষ্টা এৰি দিয়াটো অন্যায় হ'ব। প্ৰচেষ্টা আৰু সাধনাৰ দৰকাৰ আছে। ইয়াক পুনৰ সঞ্জীৱিত কৰিবা।

বাতৰি কাকতত কটনৰ কাৰ্যৰ ওপৰত কটু সমালোচনা পঢ়িলে বৰ হতাশ হওঁ। তেনেকৈ সাফল্যৰ কথা প্ৰকাশ পালে বৰ আনন্দ পাওঁ। তাৰ বেছি আৰু কি ক'ব পাৰোঁ? আজি বিভিন্ন ঠাইত কলেজ প্ৰতিষ্ঠা হৈছে। কম সুবিধাৰে এনে কলেজৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে ভাল ফল অৰ্জন কৰা দেখিলে তাতো আনন্দ পাওঁ। নিজৰ বুলি কটনেই যে সৰ্বশ্ৰেষ্ঠ হৈ থাকিব লাগিব এইটো নিশ্চয় নহয়।



**—নৰকান্ত বৰুৱা**

১। শতবৰ্ষ বা আনধৰণৰ বৰ্ষপূৰ্তি উদ্‌যাপন কৰাটো আজিকালিৰহে ৰীতি-নীতি। ইয়াৰ আগতে আমি ইউৰোপীয় প্ৰথামতেই সোণালী জয়ন্তী আৰু হীৰক জয়ন্তী পাতিছিলোঁ ৫০ বছৰ আৰু ৬০ বছৰ হওঁতে। ২৫ বছৰত যে ৰূপালী জয়ন্তী পাতিব লাগিছিল সেই সময়ত কাৰো মনতে নপৰিল। ৭৫ বছৰত Platinum Jubilee হ'লনে নাই মোৰ মনত নাই। কটন কলেজৰ নথি-পত্ৰত ইয়াক চাই ল'বা। মোৰ স্মৃতিক বৰকৈ বিশ্বাস নকৰিবা। কিন্তু মই উৎসৱৰ বিৰোধী নহয়। এসময়ৰ মোৰ আদৰ্শ স্বৰূপ জৱাহৰলাল নেহৰুও উৎসৱ বিৰোধী নাছিল। কটন কলেজত এবছৰ পঢ়ি পিছত গৈ শিক্ষা লাভ কৰা ৰবীন্দ্ৰ নাথৰ বিশ্বভাৰতীত প্ৰায় সকলোবোৰেই উৎসৱ। বসন্ত আহিলে বসন্ত উৎসৱ। শ্ৰীনিকেতনৰ কৃষিপামত প্ৰথম নাঙল জোৰাৰ দিনা হলকৰ্ষণ উৎসৱ; বাৰিষা তাৰ শুকান ক্ষেত্ৰত গছ-পুলি ৰোৱাতো এটা উৎসৱেৰেই আৰম্ভ কৰা হয়। সেইটোৰ নাম বৃক্ষৰোপন উৎসৱ। গতিকে মই যে উৎসৱ বিৰোধী নহয় সেইটো আকৌ দোহাৰিব খুজিছো। জৱাহৰলালে কৈছিল - দুখীয়া মানুহেও উৎসৱ আদি পাতি আনন্দ কৰা আৰু ইষ্ট -কুটুম্বক মাতি আনি উৎসৱ কৰাটো প্ৰয়োজনীয়। কাৰণ, উৎসৱে দৈনন্দিন একেৰহীয়া জীৱন যাত্ৰাৰ মাজত কিছু বিৰতি দিয়ে। প্ৰকৃত উৎসৱত দুটা বস্তু থাকে— সেইয়া হৈছে 'আনন্দবোধ' আৰু 'পৰিমিতি বোধ'। উৎসৱৰ নামত অপব্যয় আৰু অমিতাচাৰে উৎসৱৰ অৰ্থই নোহোৱা কৰে। ইমান দীঘল পাতনিৰ পৰাই বুজিছা যে মই কটন কলেজৰ শতবৰ্ষ অনুষ্ঠানটো প্ৰকৃত আনন্দ আৰু পৰিমিতি বোধেৰে পালন কৰাটো বিচাৰোঁ।

মই আখৰৰ কাৰবাৰী। গতিকে এনেধৰণৰ উৎসৱত আখৰেৰে কিবা চিন থৈ যোৱাটো প্ৰয়োজনীয় বুলি ভাবোঁ। আমাৰ সোণালী আৰু হীৰক জয়ন্তীত সেই কামটো হৈছিল। প্ৰকৃত শতবৰ্ষ হ'বলৈ এতিয়াও মাজত চাৰি বছৰ বাকী। গতিকে, এখন উপযুক্ত 'স্মৰণিকা', (আকৌ দোহাৰিছো 'উপযুক্ত' শব্দটোত) সংকলন আৰু সম্পাদনা কৰি প্ৰকাশ কৰিব পৰা যায়। য'ত কটন কলেজৰ এশ বছৰৰ হৰ্ষ-বিষাদৰ নিৰ্মোহ খতিয়ান থকাৰ উপৰিও কটন কলেজৰ ছাত্ৰ-শিক্ষক সকলৰ কৰ্ম আৰু কৃতিত্বৰ সাধাৰণ পৰিচয় সন্নিবিষ্ট থাকিব।

২। কটন কলেজত মই এবছৰ মানহে পঢ়িছিলোঁ। পিছত দিহিঙে-দিপাঙে ফুৰি কটন কলেজলৈ আহি ৩০ বছৰ কাল শিক্ষকত' কৰিলোঁ। যি বছৰ মই কটনত নাম লগাওঁ সেই বছৰ (১৯৪১ চনত) এই পিছৰ যুগত অসমীয়া সাহিত্য-সংস্কৃতিত নাম কৰা কেইবা জনকো সতীৰ্থ হিচাপে পাইছিলোঁ। তাৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, অমূল্য বৰুৱা, আব্দুছ ছাত্তাৰ, অজিত কুমাৰ শৰ্মা আদিক। তাৰ পিছত শিক্ষক সতীৰ্থ হিচাপে আছিল মহেন্দ্ৰ বৰা, দিলীপ বৰুৱা আদি কবি সকল। ছাত্ৰ হিচাপে পোৱা নীলমণি ফুকন, হীৰেন্দ্ৰ নাথ দত্ত, দীনেশ গোস্বামী, দেৱেন দত্ত, অমৰজ্যোতি চৌধুৰী, ৰত্ন ওজা আদি লেখক সকল মোৰ বাবে মূল্যবান সম্পদ। আৰু তোমালোকে যদি পম খেদা মন কৰিবা আমাৰ আগে-পিছে শিক্ষা, সংস্কৃতি আৰু বিজ্ঞানত বহুতো আগশাৰীৰ মানুহ কটন কলেজৰ লগতে জড়িত। নামৰ তালিকা দিবলৈ বেয়া লাগিছে, এতিয়া যি মনলৈ আহিছে তাকে লিখিছো। এইটোতো প্ৰবন্ধ নহয়, সাক্ষাৎকাৰহে ! সেই তালিকাখন প্ৰস্তুত কৰাৰ দায়িত্ব তোমালোকক দিলোঁ। হোমেন বৰগোহাঞি, বীৰেশ্বৰ বৰুৱা, ৰাম গগৈ মই কটনত সোমোৱাৰ সময়তেই B.A. পৰীক্ষা দি আছিল। তেওঁলোক মোৰ সহমৰ্মী আৰু সাহিত্য ক্ষেত্ৰত সহকৰ্মী। তেওঁলোকৰ কোনো কোনোৱে মোক মৰমতে 'চাৰ' বুলি মাতে। মই মোৰ চাকৰি কালত পোৱা ইংৰাজী বিভাগৰ ব্যক্তি স্থানীয় এজন শিক্ষকৰ কথা সকলো সহকৰ্মী আৰু ছাত্ৰই নিশ্চয় মনত ৰাখিব। তেওঁ হৈছে অধ্যাপক বসন্ত কুমাৰ বৰুৱা। সকলোৰে 'মণিপুৰী' চাৰ।

৩। বিশেষ দুটা ঘটনা বাছি ল'বলৈ মোৰ বাবে টান। কাৰণ প্ৰত্যেকটো ঘটনাৰ লগতে ছাঁ আৰু পোহৰ মিহলি হৈ থাকে। ক'ব নোৱাৰোঁ পৰীক্ষাত কটন কলেজৰ ছাত্ৰৰ ফলাফলৰ বিষয়ে যেতিয়া প্ৰথম শ্ৰেণী পোৱা শতকৰা ব-হু-ত ভাগ আদি খবৰবোৰ কৈ গৌৰৱ কৰা হয় - তেতিয়া মোৰ মনলৈ' আহে— প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি অহা ল'ৰাও আমাৰ কলেজতে তৃতীয় বিভাগতো উত্তীৰ্ণ নহয়! তাৰো সংখ্যা বৰ কম নহয়। ক'ব নোৱাৰো নিজৰেই গৌৰৱ বোধৰ কাৰণেই নেকি— মোৰ শিক্ষকতাৰ কালত মই হতাশ হ'বলগীয়া কোনো ঘটনা বা দুৰ্ঘটনা সম্প্ৰতি মোৰ মনলৈ' অহা নাই। ছাত্ৰ আৰু শিক্ষক দুটা পৰিপূৰক শব্দ। তাত অলপ স্বাভাৱিক বিৰোধাভাসো থাকিব পাৰে। কিন্তু সেই সকলোবোৰ ছাত্ৰ সকলে আৰু শিক্ষকে জীৱন যাত্ৰাত সহজেই ল'ব পাৰে। কটন কলেজৰ ছাত্ৰ সকলে মোক কিমান ভাল পাইছিল মই নাজানো, কিন্তু শিক্ষক হিচাপে ছাত্ৰসকলক মই সদায়েই ভাল পাইছিলো। আনকি আমনিদায়ক পৰিস্থিতিতো শিক্ষকতাৰ পৰা অৱসৰ লোৱাৰ পিছত মাত্ৰ এটা ঘটনাই মোক চিন্তিত কৰি তুলিছিল আৰু তাৰো Geometrical Progression দেখি শংকিত হৈছো। কটন কলেজৰ নৰ্দমাত হেনো 'বন্দুক' নে 'বন্দুকৰ গুলি' পোৱা গৈছিল! আমি বন্দুক বিৰোধী মানুহ। গান্ধীজীৰ কথাতো নালাগেই জৱাহৰলালেও আমাক সৰুতে কৈছিল, 'হাতত বন্দুক লোৱা মানেই শক্তিশালী হোৱা নহয়।' আমাৰ কটন কলেজৰ ছাত্ৰ সকল যদি গণতন্ত্ৰত বিশ্বাসী হৈ বিভীষিকা-তন্ত্ৰৰ ফালে আগনাবাঢ়ে মই তেতিয়া অত্যন্ত সুখী হ'ম।

কটন কলেজৰ ছাত্ৰ হিচাপে সেই কণ সময়তে মোৰ গছ-লতাৰ ৰহস্যৰ প্ৰতি আকৰ্ষণ জন্মিছিল। তেতিয়াৰ Botany ৰ অধ্যাপক অতুল চন্দ্ৰ দত্ত দেৱৰ আকৰ্ষণীয় শিক্ষণ প্ৰণালীৰ বাবে কটন কলেজৰ এই দানটোৰ বিষয়ে মই পাহৰিব নোৱাৰো। যদিও মই কলা বিভাগৰ ছাত্ৰ আছিলো—তেতিয়াৰ দিনত এনেধৰণৰ মিশ্ৰিত বিষয় অসাধাৰণ একো নাছিল। মই "Elementary of Civics" এৰি Botany লৈছিলো।

কটন কলেজত অধ্যাপনা নকৰা হ'লে সম্ভৱতঃ মোৰ জীৱনৰ গতি পথেই হয়তো সলনি হৈ গ'লহেঁতেন। মই যিহেতু চোকা মানুহ নাছিলো শিক্ষক হিচাপে সেয়ে ভাল শিক্ষক আছিলো নে নাই ক'ব নোৱাৰো; কিন্তু মই ছাত্ৰ সকলৰ শুভাশুভৰ প্ৰতি সদায় অনুৰাগী আছিলো। তাতোকৈ ডাঙৰ কথা মই ছাত্ৰ-ছাত্ৰীকে ধৰি অনুজ সকলৰ পৰা এতিয়াও ন ন বহুত কথা শিকিয়েই আছো। তৰুণৰ মনৰ কথা জানিবলৈ যত্ন কৰাটো -তাৰ ভিতৰত আটাইতকৈ ডাঙৰ কথা।

৪। অতীত বিগত আৰু ভৱিষ্যত অনাগত। তাৰ মাজৰ মুহূৰ্ত খিনিয়েই বৰ্ত্তমানৰ সাহিত্য সৃষ্টিৰ মুহূৰ্ত্ত। গতিকে মই সীমাৰেখা ডাল টানিবলৈ' টান পাইছো। অসমীয়া সাহিত্যৰ গতি প্ৰকৃতিত মই বিশেষ একো পাৰ্থক্য লক্ষ্য কৰা নাই। কোনো এটা বিশেষ আগ্ৰহো মই সমাজত দেখা নাই। সেই বুলি আগ্ৰহশীল সকলে নিজৰ কাম কৰি নোযোৱাকৈয়ো থকা নাই। অসমত লিখি খোৱা মানুহ তেনেকৈ নাই। সাহিত্য অতি কম মানুহৰহে জীৱিকা। প্ৰায়বোৰ ক্ষেত্ৰতে সি উপ-জীৱিকা। কিন্তু সাহিত্যক পণ্য সামগ্ৰী হিচাপে গণ্য কৰাৰ প্ৰৱণতা এটা দেখা গৈছে। সিও হয়তো আধুনিক Consumer culture ৰে এটা পৰিণতি হ'ব পাৰে। অৱশ্যে পণ্য সামগ্ৰী মানেই নকলী বা তথাকথিত বস্তু নহয়। গতিকে আমাৰ সৎ আৰু সু লেখক দুয়ো বিধেই আছে আৰু লেখক হিচাপে মই সৎ আৰু সংবেদনশীল পাঠক পাবলৈ আশাকৰি থাকিম। গতিকে, আশা কৰিবৰ মন যায়, কিন্তু..........

৫। অসমৰ শিক্ষা জগতত কটন কলেজে বাট দেখুৱাই আহিছে। এইটো ঐতিহাসিক ভাৱে সত্য। কিন্তু সেইটোক লৈ আত্মপ্ৰসাদ লাভ কৰাটোত কোনো সাৰ্থকতা নাই। অসমৰ ভালেকেইখন কলেজ কটন কলেজৰ পৰ্যায়ৰে বুলিয়েই মানুহে ভাৱে। চৰকাৰী কলেজ হিচাপে থকা এসময়ৰ মৰ্যদা কমি যোৱাত ইয়াক 'Institute of Excellence বুলি চিহ্নিত কৰি মান ৰক্ষাৰ চেষ্টা এটা কৰা হৈছে। কিন্তু ১৯০১ চনৰ কটন কলেজৰ শিক্ষাৰ যি তুলনামূলক মান আছিল এতিয়া 'Institute of Excellence হিচাপে তেনেকুৱা এখন আঁচনি হাতত লোৱা দেখা নাই। কিন্তু ছাত্ৰ সকলে আধুনিক জীৱনত প্ৰয়োজনীয় বহুতো বিষয় অন্তৰ্ভুক্ত কৰি ইয়াক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। এইটো বৰ সুখৰ কথা। কিন্তু, ইতিহাসৰ পৰিহাস যি সকলে এইবোৰ চিন্তা-চৰ্চা বা আন্দোলন কৰে তেওঁলোকে তাৰ ফল ভোগ কৰিবলৈ নাপায়। কিন্তু শিক্ষাৰ অৰ্থ যে কেৱল কোনো বিষয়ৰ শিক্ষা-সেইটো নহয়। শিক্ষা জীৱন হ'ল এটা সামাজিক পাৰস্পৰিক বিধান। নৈতিক আদৰ্শ নহ'লে কোনো শিক্ষাৰেই মূল্য নাই। কেৱল জীৱিকাৰ আহিলা হিচাপে শিক্ষা বিকলাঙ্গ শিক্ষা। সামাজিক দায়িত্ব বোধ নহ'লে কোনো শিক্ষা পূৰ্ণাঙ্গ নহয়। এই কথাটো প্ৰতিজন কটনিয়ানে মনত ৰাখে যেন। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ল কুশল কৰ্ম। তাৰ লক্ষ্য হ'ল কুশল কামনা আৰু কুশলতা দান। এইটো কথাও যেন প্ৰতিজন ছাত্ৰই মনত ৰাখে।

**—অজি বৰুৱা**



১। কটন কলেজৰ ঐতিহ্যৰ লগত সংগতি ৰাখি।

২। মই ১৯৪৩-৪৭ চনত কটন কলেজৰ ছাত্ৰ আছিলো। সেই সময়ছোৱাৰ বেছি ভাগেই দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ ভিতৰৰ। সেই কাৰণে, নিজাববীয়াকৈ কটন কলেজৰ সাহিত্য, সংগীত, নাট্য, ক্ৰীড়া সকলোতে ক্ৰিয়া-কলাপ স্তিমিত আছিল। কলেজৰ ঘৰবিলাক (দুটাৰ বাহিৰে) সকলো মিলিটাৰীৰ দখলত আছিল। কলেজৰ নিজাকৈ খেল-পথাৰ কোনোদিনেই নাছিল। সেই সময়ত গুৱাহাটীৰ সকলো খেল-পথাৰ, মঞ্চ, সভাকক্ষও মিলিটাৰীৰ দখলত আছিল। মই ফ্ৰেণ্ডছ ইউনিয়ন ক্লাবৰ সভ্য আছিলো। এই ক্লাবে লতাশিল খেল পথাৰৰ একোণত মিলিটাৰী ছাউনিৰ মাজতে ভলি বল খেলিছিল। তাৰ বাহিৰে, পাঠ্যক্ৰম বহিৰ্বৰ্তী সকলো ক্ৰিয়া কলাপ কেৰকম বন্ধ আছিল। ১৯৪৬ চনৰ গৰমৰ বন্ধৰ পাছত যৎসামান্য ভাৱে কিছু ক্ৰিয়া-কলাপ আৰম্ভ হয়।

৩। ঘটনা বুলিলে মোৰ মনত ঐচ্ছিক ক্ৰিয়া আৰু, বা গতিৰ অনুষঙ্গ আহে। এতেকে, তাৰ সলনি মই মোক আশাব্যঞ্জকভাৱে প্ৰভাবিত কৰা সংঘটনটো আছিল কেইজনমান অতি শ্ৰদ্ধাৰ্হ শিক্ষকৰ পৰা শিক্ষা লাভ ঃ বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, হৰ্ষনাথ সেন, অতুল চন্দ্ৰ দত্ত ইত্যাদি। সেই সময়ৰ কোনো সংঘটন, অথবা ঘটনাই মোক পাছলৈ

হতাশাব্যঞ্জকভাবে প্ৰভাৱিত কৰা বুলি মনত নপৰে। মই বাস্তববাদী। সেয়ে, কোনো "সপোন বুকুত বন্ধা" নাছিলো। '৪৫ ৰ পৰা '৪৭ লৈ যথাসাধ্য চেষ্টা কৰি পঢ়া-শুনা কৰিছিলো। তাৰ পাছত, মোৰ ভাগ্য, সাধ্য, বৌদ্ধিক সামৰ্থ্য অনুসাৰে জীৱনত পাব লগাখিনি পাইছো। ১৯৪৫ ৰ পৰা '৪৭ চনলৈ কটন কলেজে মোক সকলো দিছে। মথুৰা নাথ গোস্বামী, সুৰেশ চন্দ্ৰ ৰাজখোৱা, হেৰম্বকান্ত বৰপূজাৰীৰ দৰে শিক্ষক ; বাণীকান্ত কাকতিৰ তত্ত্বাবধানত সমৃদ্ধ লাইব্ৰেৰী, ইত্যাদি সকলোকে দিছিল। মোৰ প্ৰাপ্যখিনি মই পাইছিলো।

৪। মোৰ জীৱনৰ অভিজ্ঞতাই মোক এতিয়া আৰু ভৱিষ্যতৰ বিষয়ে একো নাভাবিবলৈ শিকাইছে। ৰুছ বিপ্লৱ আৰু ভাৰতীয় স্বাধীনতাৰ যিবিলাক সুফল হ'ব বুলি ভাবিছিলো, সেইবিলাক একোৱেই নহ'ল। মোৰ প্ৰিয় ফৰাচী উপন্যাসলেখক ফ্লবেৰ (Flaubert) ৰ এষাৰ কথাই মোক বৰ আমোদ দিয়ে। তেওঁ কৈছিল যে বুৰ্জোৱা এটা আৰ্থিক শ্ৰেণীয়েই নহয়, এটা মনোবৃত্তিও। এই মনোবৃত্তিসম্পন্ন লোকে সদায় ভৱিষ্যতত বাস কৰে।

৫। সৎ, কৰ্তব্যনিষ্ঠ, আৰু , মহাপণ্ডিত আনন্দ ৰাম বৰুৱাই কোৱাৰ দৰে, "জ্ঞানৰ কাৰণেই জ্ঞানৰ সন্ধানী।"

পূৰ্ব-প্ৰদত্ত নিৰূপক আৰু মান-গণনা পদ্ধতি নাথাকিলে বৌদ্ধিক ক্ষেত্ৰৰ শ্ৰেষ্ঠত্ব সম্পৰ্কে মতামত দিয়া সম্ভৱপৰ নহয়। এই প্ৰেক্ষিতত উপ-প্ৰশ্নটো নুঠে।

**—চন্দ্ৰপ্ৰসাদ শইকীয়া**

১। দেশপ্ৰেম, জীৱনৰ সততা আৰু সাহিত্য সংস্কৃতিৰ পুনৰুত্থানৰ প্ৰতিশ্ৰুতিৰে।।

২। সাহিত্য-সৃষ্টিৰ পৰিৱেশ আছিল পৰম উৎকৃষ্ট। স্বাধীনতাৰ ঠিক পিছতে মানুহৰ মনত যি স্বপ্ন, প্ৰতিশ্ৰুতি, আশা-আনন্দৰ সৃষ্টি হৈছিল, তাৰ অপূৰ্ব প্ৰতিফলন ঘটিছিল কটনৰ কেইগৰাকীমান নবীন লিখকৰ ৰচনাত। তেওঁলোকৰ ভিতৰত ভবেন্দ্ৰনাথ শইকীয়া, যোগেশ দাস, সৌৰভকুমাৰ চলিহা, মহেন্দ্ৰ বৰা, মহম্মদ পিয়াৰ, অজিৎ বৰুৱা আছিল প্ৰধান।

৩। অসমীয়া জাতীয় জীৱনৰ যিখিনি শ্ৰেষ্ঠ, যিখিনি অবিনশ্বৰ, যিখিনি বৰণীয় আৰু স্মৰণীয়, সেইখিনি কটন কলেজত প্ৰতিফলিত আৰু প্ৰতিবিম্বিত হৈছিল। সামাজিক আৰু ৰাজনৈতিক জীৱনৰ অন্তহীন বিভ্ৰান্তি, মূল্যবোধহীনতা, মহালুণ্ঠনৰ সৰ্বব্যাপী প্ৰভাৱ কটন কলেজ লৈ সম্প্ৰসাৰিত হোৱাটো স্বাভাৱিক। কিন্তু কটনৰ যেনেকৈ আছিল এক ঐশ্বৰ্যমণ্ডিত অতীত, তেনেকৈ কটনৰ সমুজ্জ্বল ভৱিষ্যতৰ ওপৰতো মোৰ বিশ্বাস সুদৃঢ়।

৪। সাহিত্যৰ সত্য এক স্বয়ং সম্পূৰ্ণ, অনন্য আৰু একক সত্য। সাহিত্যৰ সত্য নিহিত হৈ থাকে শব্দৰ শক্তিৰ মাজত। সেই শব্দই কোনো সত্যৰ ইঙ্গিত নিদিয়ে, কাৰণ সেই শব্দ নিজেই হ'ল এক অব্যয় সত্য। আমাৰ যি স্মৃতি চাৰিওফালৰ অন্তহীন অন্তৰায় আৰু প্ৰদূষণৰ মাজত লোপ পাইছিল, সেই স্মৃতি শব্দ-শক্তিৰ মাজেৰে আমি ঘূৰাই পাওঁ। সেই শব্দই হ'ল মানৱজীৱনৰ এক ধ্ৰুপদী সম্পদ। অসমীয়া ভাষা-সাহিত্যত আজি সেই চিৰন্তন শব্দৰ মহিমাৰ বিলুপ্তি ঘটিবলৈ ধৰিছে। সেই শব্দৰ পুনৰুত্থান আৰু পুনৰাৱিষ্কাৰ কৰাৰ ক্ষমতাৰ ওপৰত অসমীয়া সাহিত্যৰ ভৱিষৎ নিৰ্ভৰ কৰিছে। সাহিত্য জগতত 'অবিৰত' নামৰ এটা শব্দ আছে। অবিৰত সাধনাৰ দ্বাৰা অসমীয়া সাহিত্যক জীৱনীশক্তি দান কৰিবলৈ লিখক লিখিকা সকল অক্লান্ত হোৱাৰ এয়া সময়।

৫। জীৱনৰ যিখিনি পৰমোৎকৃষ্ট অথবা excellence সেইখিনিৰ অধিকাৰী কটনিয়ান হোৱাটো মই বিচাৰো। পৰীক্ষাত ছৰ্টকাট আছে, কিন্তু জীৱনত নাই। ড° বাণীকান্ত কাকতিয়ে তেতিয়াই আমাৰ কটনিয়ানসকলক সতৰ্ক কৰি দিছিল এই বুলি ঃ তোমালোক মানুহ ৰূপে বিখ্যাত হ'ব নোৱাৰিলে আন একো ৰূপে জীৱনত বিখ্যাত হ'ব নোৱাৰিবা।

অনেকৰ মতে, আজি কটন কলেজ প্ৰখ্যাত এই কলেজৰ উজ্জ্বল অতীতৰ বাবে আৰু বিখ্যাত এই কলেজ এতিয়া কি হ'ব পাৰিলেহেঁতেন সেই প্ৰতুল সম্ভাৱনাৰ বাবে।

কটন কলেজৰ শতবৰ্ষৰ আনন্দৰ দিনত এই কলেজৰ গৌৰৱোজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

**—ড° লক্ষ্যহীৰা দাস**

১। সকলোৰে সহযোগিতাৰে। প্ৰবীণ, নবীন ছাত্ৰৰ সম্মিলিত প্ৰচেষ্টাৰে উদ্‌যাপিত হ'বলগীয়া এই শতবৰ্ষ অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীৰ মাজেদি অসমৰ শিক্ষা, সাহিত্য, কলা, সংস্কৃতিৰ ক্ষেত্ৰত কটনিয়ানে লোৱা ঐতিহাসিক ভূমিকা প্ৰতিফলিত হোৱাটো মই বিচাৰিম এই কলেজৰ এগৰাকী প্ৰাক্তন ছাত্ৰী আৰু শিক্ষয়িত্ৰী হিচাপে। লগতে অহা শতিকাত কটনিয়ানে ল'বলগীয়া বলিষ্ঠ ভূমিকা সম্পৰ্কেও তাত ইঙ্গিত আৰু পৰামৰ্শ থাকিব লাগিব।

২। আমি কটন কলেজত পঢ়ি থাকোতে সাহিত্য, ক্ৰীড়া, সঙ্গীত, নাট্য চৰ্চাৰ পৰিবেশ বৰ সুন্দৰ আৰু প্ৰেৰণাদায়ক আছিল।

৩। কটন কলেজত পঢ়ি থকা সময়তে হোৱা এক আশাব্যঞ্জক ঘটনা হ'ল শিক্ষাৰ্থীৰ পৰিচয়ৰ লগতে মই গীতিকাৰ, সুৰকাৰ আৰু কণ্ঠশিল্পী ৰূপে নৱপ্ৰতিষ্ঠিত (১৯৪৮) আকাশবাণীৰ স্বীকৃতি পালো। লগতে অসমৰ ঐতিহাসিক সাহিত্যালোচনী 'ৰামধেনু' ত মোৰ দুটি কবিতা প্ৰকাশ পালে। সেই ঘটনা মোৰ বাবে অবিস্মৰণীয়। হতাশা জাগ্ৰত কৰা ঘটনাটো হ'ল প্ৰয়োজনীয় নিৰ্দেশনাৰ অভাৱৰ বাবে বিদ্যায়তনিক বিষয় নিৰ্বাচনত কিছু ত্ৰুটি ৰৈ যোৱা ঘটনাটো. এই কথাই এতিয়াও মোক আমনি দিয়ে। যি সপোন বুকুত বান্ধি এদিন কটন কলেজৰ চৌহদত সোমাইছিলো সেই সপোন পৰিপূৰ্ণ ভাৱে নহ'লেও বহুলাংশে বাস্তৱত ৰূপায়িত হৈছিল। এই ক্ষেত্ৰত সফল হোৱা বুলিয়ে ধৰিব পৰা যায়।

৪। ভৱিষ্যতৰ কোনো আশাপ্ৰদ ছবি মই দেখা নাপাওঁ। কেউফালে কেৱল নৈতিক অৱক্ষয়, বৌদ্ধিক স্খলন, মানবীয়তাৰ চৰম

দুৰ্দশা আৰু অভাৱনীয় যন্ত্ৰণা। তথাপি মই এবেলাৰেই নিৰাশাত ভাগি নপৰোঁ। মই জানো সুদিন আকৌ উভতি আহিব। সৃষ্টি কৰ্মৰ লগত জড়িত এগৰাকী সচেতন নাগৰিক/শিল্পী হিচাপে মই বিশ্বাস কৰোঁ মানুহৰ শুভবুদ্ধি আকৌ উদয় হ'ব। শান্তি আকৌ উভতি আহিব।

৫। কটনিয়ান সকলে সকলো ক্ষেত্ৰতে অতীতৰ নিচিনাকৈ অসমক নেতৃত্ব দিব পৰা হ'ব লাগে। সমগ্ৰ অসমৰ বৌদ্ধিক ক্ষেত্ৰত কটন কলেজৰ ছাত্ৰ-ছাত্ৰী সকলক শ্ৰেষ্ঠ প্ৰতিভূ বুলি ভবাৰ থল আছে। সমাজৰ সেই আশা-আকাঙ্খাক বাস্তৱ ৰূপ দিবৰ বাবে কটনিয়ান সকলে সৰ্বতোপ্ৰকাৰে নিজকে সাজু কৰি তুলিব লাগিব। দেশৰ মাটিত খোপনি ৰাখি তেওঁলোকে উত্তৰণৰ পথেদি আগবাঢ়ি যাব লাগিব সাম্প্ৰতিকৰ এই তুমুল প্ৰতিযোগিতাৰ যুগত।

**— নিৰুপমা বৰগোহাঞি**

১। যিকোনো অনুষ্ঠানৰে উদ্‌যাপন উৎসৱ ঘাইকৈ বাহ্যিক, কিন্তু এই উৎসৱবোৰ যদি সুশৃংখলভাবে, গাম্ভীৰ্যপূৰ্ণভাৱে পাতিব পৰা যায় তেন্তে তাত সেই অনুষ্ঠানটোৰ মৰ্যাদা আৰু গুৰুত্ব প্ৰকাশ পায়। মই কটন কলেজৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাবে ইয়াৰ শতবৰ্ষ পালনৰ উৎসৱটো এনেকৈয়ে বাহ্যিক আড়ম্বৰত বেছি গুৰুত্ব নিদি অতি সুচাৰুৰূপে, নিয়মানুবৰ্তিতাৰে পালন কৰাটো বিচাৰোঁ। নিৰ্দ্ধাৰিত সময়ত যাতে সকলো কাৰ্যসূচী আৰম্ভ আৰু সমাপ্ত হয় তালৈ বিশেষ মনোযোগ দিয়াটোও বিচাৰোঁ।

২। কটন কলেজত বৰ্তমান কি সাংস্কৃতিক পৰিৱেশ বিৰাজ কৰিছে নাজানো যদিও শুনিবলৈ পাওঁ যে আমাৰ দিনৰ দৰে আজিৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য-সংস্কৃতিৰ বাৰ্ষিক অনুষ্ঠানবোৰৰ প্ৰতি বিশেষ আগ্ৰহ নাই। হয়তো এই কথা সঁচা, নহ'লে আজিকোপতি কটন কলেজৰ পৰা কিয় কোনো লেখত লবলগীয়া সাহিত্যিক তেনে গৌৰৱোজ্জ্বল ভাৱে ওলাই আহিব পৰা নাই? আমাৰ সময়ৰ বেছি ভাগ সাহিত্যিকেই কটন কলেজতে পঢ়াশুনা কৰিছিল। সকলোৱে বেচ উৎসাহ উদ্দীপনাৰে কলেজৰ বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠানবোৰত অংশগ্ৰহণ কৰিছিল। নিজৰ কথাকে কওঁ, কলেজ সপ্তাহৰ সাহিত্যৰ প্ৰায় সকলো বিভাগতে (কবিতা বাদ দি) অংশ গ্ৰহণ কৰিছিলোঁ, সকলো প্ৰতিযোগিতাৰ অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আদিত প্ৰায় নিয়মীয়াকৈ উপস্থিত আছিলোঁ।

৩। মোৰ পৰৱৰ্তী সমগ্ৰ জীৱনটোতে ছাপ পেলাব পৰাকৈ কটন কলেজত পঢ়ি থকা কালত এনে কোনো ঘটনা ঘটা নাছিল যি মোক আশান্বিত বা হতাশ কৰে – তথাপি দুটা বিশেষ ঘটনাৰ উল্লেখ কৰিব পাৰোঁ –অধ্যক্ষ শ্ৰী শ্ৰীনাথ চক্ৰৱৰ্তীৰ আমোলত কটনৰ ল'ৰা-ছোৱালীবোৰে মাছুল বৃদ্ধি কৰাৰ প্ৰতিবাদত তীব্ৰ আন্দোলন গঢ়ি তুলিছিল যাৰ নেতৃত্ব দিছিল কটনৰ তদানীন্তন মেধাৰী ছাত্ৰ প্ৰয়াত ড° মহেন্দ্ৰ বৰা, দুলাল খাউণ্ড, ড° দেৱপ্ৰসাদ বৰুৱা আদিয়ে। এওঁলোক আটায়ে বৃত্তি পোৱা ছাত্ৰ বাবে নিজে কিন্তু মাছুল দিব লগা নহৈছিল। বহুত দিন আন্দোলন চলাৰ পিছত অধ্যক্ষই তাৰ মেৰুদণ্ড ভাঙিবলৈ সক্ষম হৈছিল, ছাত্ৰ-ছাত্ৰীবোৰে অনশন ধৰ্মঘট কৰাৰ পিছতো শেষত নতি স্বীকাৰ কৰি ক্লাছত যোগদান কৰিছিল। বাকী থাকিছিল মাত্ৰ আন্দোলনটোৰ নেতা জাতীয় ছাত্ৰ কেইজন (ছাত্ৰীৰ ভিতৰত ময়ে একমাত্ৰ ক্লাছত যোগ দিয়া নাছিলোঁ – কোৱা বাহুল্য মোৰো বৃত্তি আছিল বাবে মাছুল দিব লগীয়া নহৈছিল)। অধ্যক্ষই জনাইছিল যে আমি আমাৰ 'Gross indiscipline' অৰ বাবে লিখিত ভাবে ক্ষমা নুখুজিলে আমাক কটনৰ পৰা উলিয়াই দিয়া হ'ব। আমাৰ মাজত আলোচনা হ'ল আৰু ঠিক হ'ল যে আমি ক্ষমা খুজিম, আমাক একপ্ৰকাৰ 'বিট্ৰে' কৰা ল'ৰা-ছোৱালীবোৰৰ বাবে আমি কিয় নিজৰ কেৰিয়াৰ ধ্বংস কৰিম। কিন্তু সেই সময়তে ক'ৰ পৰা জানো ল'ৰা এজন (নেতাসকলৰ মাজৰ পৰা নহয়) আগবাঢ়ি আহি দৃঢ় ভাবে ক'লে যে তেওঁ কিন্তু ক্ষমা নোখোজে, এটা নীতিৰ বাবে তেওঁ আন্দোলন কৰিছিল, সেই নীতি ভুল বুলিতো পতিয়ন যোৱা নাই। আমি তেতিয়া তেওঁক 'বিট্ৰে' নকৰিবলৈ সিদ্ধান্ত লৈ কোনেও ক্ষমা নুখুজিলোঁ। পিছত অৱশ্যে অধ্যক্ষই আমাক এনেয়ে ক্ষমা কৰি দিছিল।

মোৰ অনুভূতিপ্ৰৱণ মনটোক সেই নৈতিক সাহসত বলীয়ান অখ্যাত-অজ্ঞাত ছাত্ৰজনে ইমানেই অনুপ্ৰাণিত আৰু অভিবৃত কৰিছিল যে মই সেই ঘটনাটো পৰৱৰ্তী জীৱনত কেতিয়াও পাহৰিব পৰা নাছিল আৰু তাৰ ভেটিতে 'গানৰ নিচিনা দিন' নামৰ উপন্যাস এখনকে লিখি উলিয়াইছিলোঁ।

আনটো ঘটনা হ'ল – কটন কলেজত এবাৰ ইলেক্‌চন খেলিছিলোঁ – য'ত আমি তিনিজনী ছাত্ৰী প্ৰতিদ্বন্দ্বী হৈছিলোঁ। মই, ৰেণুকা দেৱী বৰকটকী আৰু নিবেদিতা কৰ নামৰ তিনি ছাত্ৰীৰ মাজত হোৱা সেই ইলেক্‌চনত নিবেদিতা জয়ী হৈছিল। হাৰ-জিতটো ডাঙৰ কথা নহয়, কিন্তু মোক হতাশ কৰা ঘটনাটো হ'ল মোক ভোট দিয়া বুলি মোৰ পৰা চাহ মিঠাই আদায় কৰা বন্ধু কেইজনমানৰ বিশ্বাস ঘাতকতা। কাৰণ পিছত বিশ্বস্ত সূত্ৰৰ পৰা তেওঁলোকে 'বিট্ৰে' কৰা কথাটো গম পাইছিলোঁ। তেতিয়া আছিল কম বয়স - চকুত আছিল সততা, মানৱতা, সাহস আদি মহৎ গুণেৰে বলীয়ান হৈ অশুভ পৃথিৱীখনক সলনি কৰাৰ স্বপ্ন। কিন্তু সেই ঘটনাটোৱে মোক উজুটি খুৱাইছিল, বন্ধুৱে তেন্তে সামান্য লোভৰ বশৱৰ্তী হৈ বিবেকৰ অলপো দংশন অনুভৱ নকৰাকৈ এনেকৈ বিশ্বাসঘাতকতা কৰিব পাৰে আৰু তাৰ পিছতো এনেকৈ অম্লান বদনে চাহ-মিঠাই গলাধঃকৰণ কৰিব পাৰে? ইয়াতকৈ হতাশাজনক ঘটনা আৰু কি হ'ব পাৰে?

৪। মোৰ দৰে এগৰাকী সামান্য লেখিকাই জগতৰ ভৱিষ্যৎ সম্পৰ্কে কিবা কোৱাৰ স্পৰ্দ্ধা নকৰোঁ। কিন্তু পৃথিৱীলৈ অন্ধকাৰ যুগ অহাৰ পিছতো আকৌ 'তোৰে-মোৰে' সকলোৱে 'আলোক যাত্ৰা'ই সেই অন্ধকাৰ অমানিশা আঁতৰোৱাৰ কথাও ইতিহাসত পঢ়িবলৈ পাওঁ। পিছে মই ভাবোঁ যে এতিয়া পৃথিৱীৰ ভৱিষ্যৎ অনিশ্চিত, বিজ্ঞানৰ অগ্ৰগতিয়ে মানুহক ৰোবটতে পৰিণত কৰি অল্ডুছ হাক্সলীয়ে বৰ্ণনা কৰা 'ব্ৰেভ নিউ ওৱাৰ্ল্ড'এখনৰ সৃষ্টি কৰে নেকি। সি পিছে বৰ ভয়ংকৰ ভৱিষ্যতৰ কথা হ'ব।

৫। বৰ্তমানৰ কিয়, সকলো সময়ৰ কটনিয়ানেই হ'ব লাগে নিজৰ কৰ্তব্য, অৰ্থাৎ পঢ়াশুনাত একান্ত মনোযোগী, শিক্ষক আৰু অভিভাৱকৰ বাধ্য, সৎ, নিষ্ঠাবান আৰু কষ্ট সহিষ্ণু। কটন কলেজক অসমৰ বৌদ্ধিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ বুলি গণ্য কৰিব লগা হয়

এইবাবেই যে মেট্ৰিক পাছ কৰাৰ পাছত গৰিষ্ঠ সংখ্যক মেধাৱী ছাত্ৰ-ছাত্ৰী ইয়ালৈকে পঢ়িবলৈ আহে। পিছে কটন কলেজনো কি কাৰণত অমসৰ বৌদ্ধিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ হ'ব লাগে? তাৰ কোনো যুক্তি নাই।

**— হোমেন বৰগোহাঞি**



কটন কলেজৰ শতবাৰ্ষিকী উৎসৱ কেনেকৈ উদ্‌যাপন কৰা উচিত সেই বিষয়ে মোৰ পৰামৰ্শ দুবছৰ মানৰ আগতেই মই 'অসম বাণীত' প্ৰকাশ কৰিছিলোঁ। কটন কলেজক বাদ দি আধুনিক অসমৰ ৰূপ কল্পনা কৰিব নোৱাৰি। আধুনিক অসম বহুলাংশে কটন কলেজৰ সৃষ্টি। সেই কাৰণে কটন কলেজৰ শতবাৰ্ষিকীক এটা জাতীয় উৎসৱ হিচাপে পালন কৰা উচিত। এনে এটা জাতীয় উৎসৱ পালন কৰিবলৈ এতিয়াৰ পৰাই উদ্যোগ ল'লে বৰ্তমানৰ হতাশা-গ্ৰস্ত পৰিৱেশত সি নতুন উৎসাহ-উদ্দীপনাৰ সঞ্চাৰ কৰিব আৰু উৎসৱটোকো উদ্দেশ্যপূৰ্ণ কৰি তোলাটো সম্ভৱ হ'ব। মই ভাবোঁ, যে অসমৰ মুখ্যমন্ত্ৰীক সভাপতি আৰু কটন কলেজৰ উীনক কাৰ্য্যকৰী সভাপতি হিচাপে লৈ এতিয়াই এখন শক্তিশালী 'শতবাৰ্ষিকী উদ্‌যাপন সমিতি' গঠন কৰা উচিত। এই সমিতিত শতাধিক সদস্য থাকিব পাৰে। সমিতিয়ে বিভিন্ন দায়িত্ব পালন কৰিবলৈ কেবাখনো উপ-সমিতি গঠন কৰি দিব পাৰে।

কটন কলেজৰ শতবাৰ্ষিকী উপলক্ষে যিবোৰ স্থায়ী কাম কৰাটো উচিত বুলি মই নিজে ভাবোঁ সেইবোৰ কাম ভালদৰে কৰিবলৈ হ'লে অকণো পলম নকৰি উদ্‌যাপন সমিতি আৰু তাত শাখা সমিতিবোৰ এতিয়াই গঠন কৰা উচিত। মই মনতে ভাবি থকা কেইটামান স্থায়ী কাম নমুনা হিচাপে তলত উল্লেখ কৰিলোঁ।

(১) কটন কলেজৰ শতবাৰ্ষিকী উৎসৱৰ স্মৃতি যুগমীয়া কৰিবলৈ এটা নতুন গ্ৰন্থাগাৰ ভৱন নিৰ্মাণ কৰিব লাগে — য'ত আধুনিক গ্ৰন্থাগাৰৰ সকলো প্ৰকাৰৰ সা-সুবিধা থাকিব লাগিব। শতবাৰ্ষিকী উৎসৱ চলি থকাৰ সময়তে সেই ভৱনটোৰো দুৱাৰ মুকলি কৰিব লাগিব।

(২) কটন কলেজৰ এখন পূৰ্ণাঙ্গ ইতিহাস প্ৰণয়ণ কৰিব লাগে — যিটো কাম এতিয়াৰ পৰা আৰম্ভ কৰিলেহে শতবাৰ্ষিকী উৎসৱৰ সময়ত সেইখন উন্মোচন কৰাটো সম্ভৱ হ'ব।

(৩) যিসকল কটনিয়ান (জীৱিত সকলক বাদ দি) অসমৰ সাহিত্য-সংস্কৃতি আৰু জ্ঞান-চৰ্চালৈ যুগমীয়া অৱদান আগবঢ়াই আধুনিক অসমৰ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল তেওঁলোকৰ সচিত্ৰ জীৱনী আৰু তেওঁলোকৰ কৰ্মৰাজিৰ পৰিচয়-জ্ঞাপক প্ৰবন্ধ সন্নিবিষ্ট কৰি এখন কিতাপ প্ৰকাশ কৰিব লাগে।

এইকেইটা স্থায়ী কামৰ উপৰিও উৎসৱৰ অঙ্গ হিচাপে এক বিৰাট সাংস্কৃতিক মহোৎসৱৰ আয়োজন কৰিব লাগে— যাৰ কাৰণে প্ৰস্তুতি এতিয়াৰ পৰাই আৰম্ভ কৰিব লাগিব। এই মহোৎসৱত অসমৰ প্ৰত্যেকখন জিলা আৰু প্ৰত্যেকটো জনগোষ্ঠীৰ প্ৰতিনিধি-স্থানীয় শিল্পীসকলে অংশ লৈ ইয়াক মিলনৰ মহোৎসৱত পৰিণত কৰিব পাৰিব লাগিব।

জীৱিত আটাইবোৰ কটনিয়ানক একেঠাইতে সমবেত কৰি তাকো এটা মিলনৰ উৎসৱত পৰিণত কৰিব লাগিব। কেইজনমান বছা বছা কটনিয়ানে তাত তেওঁলোকৰ ছাত্ৰ জীৱনৰ স্মৃতিচাৰণ কৰিব।

এখন বা একাধিক আলোচনা-চক্ৰৰ আয়োজন কৰিব পাৰি। আলোচনাৰ বিষয়-বস্তু এবছৰৰ আগতে ঠিক কৰি কেইজনমান বছা বছা মানুহক বক্তৃতা লিখিবলৈ অনুৰোধ কৰিব লাগে— যাতে বক্তৃতাবোৰ কিতাপ আকাৰে প্ৰকাশ কৰিব পাৰি। এইমাত্ৰ মোৰ মনলৈ অহা তেনেকুৱা দুটা বিষয়-বস্তু হ'ল (১) কুৰি শতিকাৰ অসম,(২) একবিংশ শতিকাৰ অসম।

আমি কটন কলেজত সোমোৱাৰ এবছৰমানৰ পিছতে 'ৰামধেনু' নামৰ আলোচনীক কেন্দ্ৰ কৰি আৰম্ভ হৈছিল অসমীয়া সাহিত্যৰ বিখ্যাত ৰামধেনু যুগ। 'জোনাকী যুগ' যেনেকৈ সম্ভৱ কৰি তুলিছিল সেইসময়ত কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে, 'আৱাহন যুগ' সম্ভৱ কৰি তুলিছিল কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে, ঠিক তেনেকৈ ৰামধেনু যুগো সম্ভৱ কৰি তুলিছিল সেই সময়ৰ কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে। সেইসকলৰ ভিতৰত কটন কলেজৰ ছাত্ৰই আছিল বেছি। আমি কটন কলেজৰ ছাত্ৰ হৈ থকা সময়ত কলেজখনৰ সাহিত্য-চৰ্চা আৰু সংস্কৃতি-চৰ্চাৰ পৰিৱেশ কেনে আছিল সেই কথা বুজাবলৈ ইয়াতকৈ বেছি কথা কোৱাত প্ৰয়োজন নাই বুলি ভাবোঁ। গুৱাহাটী-কেন্দ্ৰিক সাহিত্য-চৰ্চাৰ তেনে এটা সৃষ্টিশীল মাদকতাময় পৰিৱেশ ইয়াৰ আগতে বা পিছতো হৈছিল বুলি মোৰ বিশ্বাস নহয়।

**— নীলমণি ফুকন**



১। অনাড়ম্বৰ ভাবে, কিন্তু গাম্ভীৰ্যপূৰ্ণতাৰে; চিত্তাকৰ্ষক স্বৰূপে।

২। কটন কলেজতেই মোৰ সৃজনশীল জীৱনে এটা নতুন মোৰ লয়। মোৰ মানসিক গঠনত কলেজৰ বিদ্যায়তনিক পৰিৱেশ, শিক্ষক মণ্ডলী, বন্ধু-বান্ধৱ সহপাঠী, নিউ বিল্ডিঙৰ সমুখত থকা দেৱদাৰু দুজোপা আৰু বিশেষকৈ লাইব্ৰেৰীটোৰ প্ৰভাৱ ব্যাপক আৰু সঁচাকৈয়ে গভীৰ। বিভিন্ন বিষয়ৰ ইমানবোৰ কিতাপ ইয়াৰ আগতে মই দেখা নাছিলোঁ, যদিও এবাৰ মই যোৰহাটৰ দেবেন বেজবৰুৱাৰ লাইব্ৰেৰীটো চাইছিলোগৈ। কটনলৈ অহাৰ পিছৰেপৰাই জ্ঞানৰ বিভিন্ন বিষয়ৰ প্ৰতি মোৰ আগ্ৰহ হয় আৰু সেই আগ্ৰহ অনুৰাগত পৰিণত হয় আৰু সেইদৰে মোৰ বিভিন্ন বিষয়ৰ পঢ়াশুনাও ক্ৰমাৎ বাঢ়ি যাবলৈ ধৰে। প্ৰাচীন ভাৰতীয় শিল্প-সাহিত্য-সংস্কৃতি, চীনা-সাহিত্য, আধুনিক চিত্ৰকলা আৰু ভাস্কৰ্যৰ প্ৰতি মোৰ আগ্ৰহ বাঢ়ি যায়।

সেই সময়ৰ কটন কলেজত সৃজনশীল চিন্তা-চৰ্চাৰ, আত্মপ্ৰকাশৰ কাৰণে প্ৰয়োজনীয় এটা পৰিৱেশ আছিল। হোমেন বৰগোহাঞি, নিৰোদ চৌধুৰী, বীৰেশ্বৰ বৰুৱা, প্ৰফুল্ল ভূঞা, দীনেশ গোস্বামী, বসন্ত শইকীয়া, সুশীল শৰ্মা, নিত্যা দত্ত প্ৰমুখ্যে আজিৰ কেইবাগৰাকীও প্ৰখ্যাত-অখ্যাত লেখকে তেতিয়া 'ৰামধেনু' ত

লিখবলৈ লৈছিল। বৰগোহাঞিৰ 'ৰাতি','অৰণ্য' আদি কবিতা, কটন কলেজ বাৰ্ষিকত প্ৰথম পুৰস্কাৰ পোৱা 'এপিটাফ' নামৰ গল্পটো আৰু 'জনদিয়েক আধুনিক অসমীয়া কবি' নামৰ ৰচনাখনে আমাৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। মহেন্দ্ৰ বৰা, নৱকান্ত বৰুৱা কটন কলেজলৈ অহ'ব পিছত তেওঁলোকৰ সান্নিধ্য আৰু স্নেহস্পৰ্শ পাই আমি তৰুণসকল ন ন ভাব কল্পনাৰে উদ্দীপ্ত হৈ উঠিছিলোঁ।

তেতিয়া কটনৰ কলেজ বাৰ্ষিকীৰ সাংস্কৃতিক সন্ধিয়াটো সকলো ছাত্ৰ-ছাত্ৰী, আনকি আন মানুহৰ কাৰণেও অতিশয় আকৰ্ষণীয় অনুষ্ঠান আছিল। ভূপেন হাজৰিকাই তেওঁৰ এসময়ৰ বিখ্যাত গান 'ভাঙ ভাঙ শিল ভাঙোতা', 'বৰ বৰ মানুহৰ দোলা' 'পানেইৰ পোনাকণ' সম্ভৱতঃ কটনৰ এই সাংস্কৃতিক সন্ধিয়াতেই প্ৰথমে গাইছিল। মোৰ মনত আছে, সেই সন্ধিয়া তেওঁ এযোৰ ক'লা পোছাক পিন্ধি আহিছিল। ব্ৰজেন বৰুৱাই সেই অনুষ্ঠানতে 'ওৱাৰ-এণ্ড-পীচ' নামেৰে এটা অৰ্কেষ্ট্ৰা পৰিবেশন কৰিছিল। 'ওৱাৰ-এণ্ড-পীচ' ৰ মূল ভাৱটো ভৱানন্দ দত্তই শ্ৰোতাক কৈ দিছিল। চিত্ৰ প্ৰদৰ্শনী আৰু চিত্ৰাঙ্কন প্ৰতিযোগিতা বাৰ্ষিকীৰ আন এটা উল্লেখযোগ্য কাৰ্যসূচী আছিল। চিত্ৰাঙ্কন প্ৰতিযোগিতাত মই আৰু নিৰোদ কুমাৰ বৰুৱাই দুটা পুৰস্কাৰ পাইছিলোঁ। প্ৰদৰ্শিত ছাত্ৰ-ছাত্ৰীৰ ছবিৰ ভিতৰত অঞ্জলী বৰুৱাই পানী ৰঙত অঁকা 'ৰাতি' নামৰ ছবিখনলৈ এতিয়াও কেতিয়াবা মনত পৰে। সহপাঠী বন্ধু-বান্ধৱ সকলৰ ভিতৰত কেইবাজনো সাহিত্য-সংস্কৃতিৰ অনুৰাগী আৰু কবি-সাহিত্যিক, খেলুৱৈ আছিল। নতুন কবিতা লিখিলেই নিত্যা দত্তই মুখস্থ মাতি শুনাইছিল, মইও নতুন কিবা লিখিলে তেওঁক পঢ়ি শুনাইছিলোঁ। মোৰ প্ৰকাশিত-অপ্ৰকাশিত বহুত কবিতা তেওঁৰ মুখস্থ আছিল। তেওঁৰ মৃত্যুৱে মোক এটা মৰণান্তিক বেজাৰ দি গ'ল।

(সাক্ষাৎ গ্ৰহণকাৰীৰ টোকাঃ শ্ৰদ্ধেয় শ্ৰীযুত ফুকন দেৱৰ বিশেষ ব্যক্তিগত অসুবিধাৰ হেতু তেখেতে এই সাক্ষাৎটি সম্পূৰ্ণকৈ দিব নোৱাৰিলে। তেখেতৰ অনুমতি সাপেক্ষে ইয়াত সন্নিবিষ্ট দ্বিতীয় প্ৰশ্নটিৰ উত্তৰ কবিৰ স্ব-প্ৰণীত আৰু ড° হীৰেন গোঁহাই দেৱৰ দ্বাৰা সম্পাদিত 'সাগৰ তলিৰ শঙ্খ' শীৰ্ষক পুথিৰ ১৮৬ নং পৃষ্ঠাৰ পৰা উদ্ধৃত কৰা হ'ল। কু.দ.)

**– পুষ্প গগৈ**



কটন কলেজখন এক ঐতিহ্যময় শিক্ষাৰ অনুষ্ঠান। এই মহাবিদ্যালয়ে অসমৰ অলেখ শিক্ষিত ব্যক্তিৰ জীৱনৰ কাহিনী ইয়াৰ বুকুত বহন কৰি ৰাখিছে। ক'ত কাহিনী, ক'ত গল্প, ক'ত প্ৰবন্ধৰ সমল জন্ম দিছে। কটন কলেজ ! এনে ঐতিহ্যময় প্ৰাচীন কলেজ এখনৰ ঐতিহ্য সুৰক্ষিত কৰি ৰখাটো কটন কলেজ তথা অসম চৰকাৰৰ প্ৰধান কৰ্তব্য। ইতিমধ্যে এই ঐতিহ্য বহুখিনি ম্লান পৰিছেই। কটন কলেজৰ ঘৰ সমূহৰ স্থাপত্যৰীতি ভিক্টোৰিয়ান যুগৰ ব্ৰিটিছ তথা অসমৰ স্থাপত্যৰ নিদৰ্শন। এই স্থাপত্যৰ ঐতিহ্য মিউজিয়ামৰ দৰে সংৰক্ষিত কৰাৰ প্ৰয়োজন আছিল। এতিয়াও যি দুই এক পুৰণি ঘৰ আছে তাকে সুন্দৰকৈ সংৰক্ষণ কৰি তাৰ চাৰিওকাষে নতুন ভৱন নিৰ্মাণ কৰিব পাৰে। কটনৰ এক স্বয়ং সম্পূৰ্ণ মিউজিয়াম নিৰ্মাণৰ প্ৰয়োজন। বৰ্তমান এই স্থানকে ইয়াৰ অভাৱ পূৰা নোহোৱাৰ বাবে নতুন স্থানত কটন কলেজৰ এক অংশ সৰ্বাধুনিক ভাৱে নিৰ্মাণ কৰাৰ প্ৰয়োজন। এনে এখন কলেজৰ এশবছৰীয়া জয়ন্তীত ইয়াৰ বুৰঞ্জীত কলেজৰ সম্পূৰ্ণ অতীত বৰ্তমানৰ কথা উল্লেখ কৰি তিনিখনমান গ্ৰন্থ প্ৰকাশ, চৌহদ সৰ্বাংগসুন্দৰ তথা লাইব্ৰেৰীটো সুউন্নতকৰণ, হোষ্টেল চৌহদত বৃক্ষ ৰোপন, পৰিৱেশৰ প্ৰদূষণ নিৰ্মূলকৰণ চৌহদৰ চৌদিশত বৃক্ষৰোপন, ছাত্ৰ-ছাত্ৰীয়ে জিৰনী লব পৰাকৈ সৰু সৰু জিৰণি চ'ৰা আদি নিৰ্মাণ কৰা উচিত। অনুষ্ঠানটো অনুষ্ঠিত কৰি ব্যয় কৰাতকৈ স্থায়ী ভাবে কিবা এটা কৰি যোৱা কাম কৰাটো অতি বেছি প্ৰয়োজন বুলি ভাবো। যাতে ঐতিহ্যময় কলেজখন অসম তথা উত্তৰ পূৰ্বাঞ্চলত জাকত জিলিকা হৈ থাকে। তাৰ বাবে বিশেষজ্ঞসকলৰ পৰামৰ্শ লৈ বিদেশৰ দৰে সুন্দৰকৈ সকলো দিশত স্বয়ং সম্পূৰ্ণ হোৱাকৈ কলেজখন গঢ় দিয়াৰ প্ৰয়োজন অনুভৱ কৰোঁ।

**– হেমেন গগৈ**



১। কটন কলেজৰ শতবৰ্ষৰ ইতিহাস মানেই অসমীয়া জাতীয় জীৱনৰ এশ বছৰীয়া ইতিহাস। এই বিংশ শতাব্দীটোত আমাৰ জাতীয় জীৱনৰ হাঁহি-কান্দোন, জয়-পৰাজয় অৰ্থ-অনৰ্থ সকলো কটন কলেজৰ লগতে সাঙোৰ খাই আছে। শতবৰ্ষৰ অনুষ্ঠানটি অত্যন্ত জাক-জমকেৰে পালন কৰাৰ লগতে শতবৰ্ষৰ সাংস্কৃতিক ইতিহাস এখন প্ৰস্তুত কৰিব পাৰিলে সোণত সুৱগা চৰিব। মই সদায় ভাবো শিক্ষানুষ্ঠান সমূহ একো-একোটা সাংস্কৃতিক অনুষ্ঠান মাত্ৰ।

২। সেই সময় মানে নিশ্চয় আমি কটন কলেজত পঢ়ি থকা সময়ৰ কথা কোৱা হৈছে। কটন কলেজত ১৯৫৮ চনৰ পৰা ১৯৬২ চনলৈকে পঢ়িছিলোঁ – আৰু বিজ্ঞান শাখাৰ ছাত্ৰ আছিলোঁ। ৰসায়ন বিজ্ঞান বিষয়টো উচ্চমান বিষয় হিচাবে লৈ B.Sc. পঢ়িছিলোঁ। কটন কলেজৰ চিন্তা-চৰ্চাই মোৰ মনোজগত ইমান-বেছিকৈ আবৃত হৈ আছিল যে আমাৰ ঢকুৱাখানাৰ পৰা কটনত পঢ়িবলৈ যোৱা মোৰ অগ্ৰজ/জ্যেষ্ঠসকল যেনে - ঁসতীশ গগৈ, দুলাল বৰুৱা, ঁযোগানন্দ বৰগোহাঞি, ঁমানিক চমুৱা, পবিত্ৰ বৰা, ক্ষীৰোদ গগৈ, হোমেন বৰগোহাঞি, লেখন বৰগোহাঞি, ঁযোগেন গগৈ, পদ্মবিকাশ বৰগোহাঞি, সুৰেণ গগৈ, মোৰ ককাইদেউ কটন কলেজৰ অৱসৰ প্ৰাপ্ত অধ্যাপক পূৰ্ণানন্দ গগৈ আদিৰ কথা-বতৰা, ঢকুৱাখানাত বন্ধৰ বতৰত তেওঁলোকে গৈ কৰা ক্ৰিয়া কাণ্ডৰ পৰা কটন কলেজৰ বুদ্ধিদীপ্ত সমাজখনৰ কথা/বৌদ্ধিক পৰিৱেশৰ সম্যক ধাৰণা এটা বহুত আগৰে পৰাই লৈ লৈছিলো। কটন কলেজৰ পৰা ওলাই অহাৰ পাচতো মোৰ সহপাঠী বন্ধুসকল, তাৰে বহুকেইজন এতিয়া কটন কলেজৰ অধ্যাপক বা বিভাগীয় মুৰব্বী হিচাবে আছে – তেওঁলোকৰ

পৰা বা কটন কলেজত পঢ়া আমাৰ নিজৰ ল'ৰা-ছোৱালীৰ মুখে এতিয়ালৈকে কটনৰ বিষয়ে সকলো খবৰ পাই আছোঁ। গতিকে আমাৰ সময়ৰ কটন কলেজ বুলিলে আমাৰ আগৰ কেবছৰমান আৰু পিচৰো কেইবছৰমান লব পাৰোঁ।

পঞ্চাচৰ দশক আৰু ষাঠিৰ দশকৰো শেষভাগ পৰ্য্যন্ত এই সময় চোৱা কটন কলেজৰ সাহিত্য/ক্ৰীড়া/সংগীত/নাট্যচৰ্চ্চাৰ ক্ষেত্ৰত সোণালী সময় বুলি কব পাৰি। সেই সোণালী দিনৰ এজন কটনিয়ান হিচাবে আজিও গৌৰৱত বুকু উফন্দি উঠে। অসমীয়া সাহিত্যৰ বিভিন্ন দিশত যেনে নাটক, গল্প, উপন্যাস, কবিতা ৰচনা আদিত আমাৰ সমসাময়িক কটনিয়ান সকলেই আজিও নিত্য-নতুন সৃষ্টিৰে অবিৰতভাৱে চৰ্চ্চা চলাই আছে। চাইদুল ইচলাম, মামনি গোস্বামী বিজয়কৃষ্ণ শৰ্ম্মা, অপূৰ্ব শৰ্ম্মা, গৌতম বৰুৱা, হৰেকৃষ্ণ ডেকা, শিৱনাথ বৰ্ম্মন, কুলেন্দু পাঠক, পৰমা মহন্ত, পবিত্ৰ বৰগোহাঞি দেৱেন দত্ত, ক্ষীৰেণ ৰায়, শ্যামা প্ৰসাদ শৰ্ম্মা, বিনোদ শৰ্ম্মা, নগেন ঠাকুৰ, দেৱেন্দ্ৰপতি গোস্বামী, মোহন কৃষ্ণ মিশ্ৰ আদি মুধাফুটা অসমীয়া সাহিত্যিক সকলক আজি অসমৰ সকলো মানুহেই জানে। খেলা-ধূলাৰ কথা কলেও তেতিয়া কেৱল কটন কলেজৰ কথাহে কব পাৰি। অসমৰ সন্তোষ ট্ৰফী ফুটবল টীমত ভালেকেইজন কটনিয়ানে অংশ গ্ৰহণ কৰিছিল - তাৰ ভিতৰত উল্লেখযোগ্য আছিল সুজিৎ গোহাঁই, অখিল ডেকা, ইন্দ্ৰজিৎ নামচুং, এথেলেটিকচত ঘন গগৈ, অৱনী পাইট, প্ৰতাপ সোনোৱাল, অন্যান্য টেনিচ আদি খেলত উৎপল ভড়ালী, চিত্ত ভৰালী আদিয়ে দেশৰ ভিতৰতে সুনাম অৰ্জ্জন কৰিছিল।



গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ সংগীত আৰু নাটক প্ৰতিযোগীতাত বহু বছৰ ধৰি কটন কলেজ শ্ৰেষ্ঠ দল হিচাবেই গণ্য হৈ আহিছিল। দীপালী, বৰঠাকুৰ, নিভা-চৌধুৰী, তুলিকা দাস, অপূৰ্ব দাস, দ্বিজেন শৰ্ম্মা(জিতু), চিৰ ভৰালী আদিক আজি অসমৰ কোনে নেজানে। সেই সময়ৰ কলেজ সপ্তাহ, আন্তঃ কলেজ প্ৰতিযোগীতাৰ বাবে আখৰা, শ্ৰীমন্ত শঙ্কৰদেৱ তিথি উদ্‌যাপন, হোষ্টেল সমূহৰ নবাগত আদৰণি সভা - এইবোৰেই সাহিত্য, সংগীত, ক্ৰীড়া-নৈপুণ্য প্ৰকাশ বা বিকাশৰ মুখ্য অনুষ্ঠান আছিল। তেতিয়া কটনৰ নাট্য-চৰ্চ্চাৰ পৰিবেশো আছিল অত্যন্ত সুন্দৰ। ছাত্ৰ শিক্ষকৰ উমৈহতীয়া প্ৰচেষ্টাত বাৰ্নাৰ্ড শ্ব/ইবচেন/চেকভৰ কেবাখনো নাটক মঞ্চস্থ হৈছিল। তেতিয়াৰ অধ্যাপক ধীৰেন বেজবৰুৱা, অধ্যাপক চম্পক গগৈ, অধ্যাপক দিলীপ বৰুৱা, অধ্যাপক আনন্দেশ্বৰ শৰ্ম্মা, অধ্যাপক মহেন্দ্ৰ বৰা, অধ্যাপক বসন্ত বৰুৱা চাৰ সকলৰ উদ্যোগত এই নাটকবোৰ হৈছিল। সংগীত নাটকৰ সকলোবোৰ অনুষ্ঠানতে সকলো সময়তে নেৰা নেপেৰাকৈ লাগি আছিল অধ্যাপক বিনয়ভূষণ চৌধুৰী চাৰ। লিলি বৰদলৈ, প্ৰদীপ বৰুৱা, অখিল ডেকা, ঈশান বৰুৱা, গৌতম বৰুৱা আদিয়ে, English Dramatic Society ৰ উদ্যোগত এই নাটকবোৰ চুড়মাৰ্চন হলত কৰাইছিল। আজিৰ অসমৰ মঞ্চজগতৰ আটাইতকৈ নামী অভিনেতা, অভিনেত্ৰী সকলে তেতিয়াই কটনিয়ান হিচাবে কটনৰ মঞ্চ শুৱনি কৰিছিল। সেই সকলৰ ভিতৰত বীৰেন দাস, দেৱা দাস, প্ৰবীন দাস, প্ৰদীপ বৰুৱা, অখিল ডেকা, ঈশান বৰুৱা, ধীৰু ভুঞা, দুলাল ৰয়, হৰেন দাস, থানেশ্বৰ শৰ্ম্মা, বসন্ত দুৱৰা, শান্তনু দাস, প্ৰভাত গগৈ, বাণী চক্ৰবৰ্ত্তী, বিভা শৰ্ম্মা (গোস্বামী) আদি কেইগৰাকী মানৰ নামহে উল্লেখ কৰিছোঁ। অধ্যাপক মহেন্দ্ৰ বৰা, অধ্যাপক তফজ্জুল আলি, যোগেন চেতিয়া, দুৰ্গেশ্বৰ বৰঠাকুৰ, দেৱাদাস, দেৱকুমাৰ শইকীয়া আৰু ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ নাটক সমূহ কটনত অভিনীত হৈছিল। ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ বিখ্যাত নাটক “এজাক জোনাকীৰ জিলমিল” প্ৰথম বাৰৰ বাবে কটনৰ মঞ্চত তেতিয়াৰ অসমৰ আটাইতকৈ সুদক্ষ অভিনেতা, অভিনেত্ৰী সকলে মঞ্চস্থ কৰিছিল - শিল্পী সকল আছিল – সত্যপ্ৰসাদ বৰুৱা, তচদ্দুক ইউচুফ অশোক বৰঠাকুৰ , নীলু চক্ৰবৰ্ত্তী, ইভা আচাও আৰু বীনাদাস মান্না।

৩। কটন কলেজত I.sc. class ৰ A section ত সোমাই Physics, Mathematics, Chemistry, English, Assamese ৰ প্ৰথম class বোৰ হোৱাৰ দিনাৰ পৰা মনত পৰাত কোনো এটা class বাতিল হোৱা নাছিল। কোনোবা বিভাগৰ নিৰ্দ্দিষ্ট শিক্ষক গৰাকী নেথাকিলেও অন্য এগৰাকীয়ে class টো বাতিল নোহোৱাকৈ চলাই দিছিল। এনেকুৱা English class এটা এদিন আমাৰ চন্দ্ৰ কলিতা চাৰে লৈ আহিছিল। তেতিয়াৰ কটনৰ শিক্ষক সকলৰ নিষ্ঠা আৰু ছাত্ৰৰ প্ৰতি অকৃত্ৰিম চেনেহ আছিল মোৰ জীৱনত প্ৰভাৱ পেলোৱা আটাইতকৈ আশাব্যঞ্জক ঘটনা - আৰু ইয়াৰ বাবেই হয়তো পৰৱৰ্ত্তী সময়ত শিক্ষকতাকেই জীৱনৰ ব্ৰত হিচাবে ললোঁ।

হতাশা আনি দিয়া ঘটনা তেনেদৰে ঘটা নাছিল। ১৯৬০ চনৰ জুলাই মাহৰ ভাষা আন্দোলনৰ প্ৰথম আঘাত পৰিছিল কটনৰ ২য় ছাত্ৰাবাসৰ ওপৰত। সেই ছাত্ৰাবাসৰ আবাসী হিচাবে প্ৰত্যক্ষ কৰিছিলো

বহুতো অভাৱনীয় দুখজনক ক্ৰিয়া কাণ্ড। অভাৱ হৈছে আন্দোলনৰ বলি হল লগৰে আত্মঘাতী বঞ্জিত বৰপূজাৰী। বঞ্জিতে বৰ সুন্দৰ বেহেলা বজাইছিল। নিৰীহ-নিষ্পাপ ফুল এপাহ কোবাই মোহাৰি পেলোৱাৰ দৰে লাগিছিল। সেইবাবেই কটনিয়ানৰ বেটুপাতত বক্তাক্ত কটনৰ ছবি আঁকিছিল বেণু মিশ্ৰই। এই ঘটনাৰ বাবেই কটনৰ হীৰক জয়ন্তী দুবছৰ পিচুৱাই গৈছিল।

৪। যুগে যুগে সমাজ ব্যৱস্থাত নৈতিক বা বৌদ্ধিক অৱক্ষয় এটা স্বভাৱজাত ঘটনা। কিন্তু এতিয়াই সি চূড়ান্ত পৰ্যায় পাইছে বুলি মই নেভাবোঁ। মই এতিয়াও আশাবাদী যে আমাৰ ভালদিনবোৰ আকৌ আহিব, আমাৰ সাহিত্য/সংগীত/ক্ৰীড়াৰ জগতখন আকৌ সুন্দৰ হ'ব। গোটেই ব্যৱস্থাটো অথলে গ'ল বুলি ধৰি ললেও তাৰ মাজতে ক'ৰবাত সম্ভাৱনাৰ ৰূপালী ৰেখা এতিয়াও দেখিবলৈ পোৱা যায়। সৈনিক, শিল্পী সাহিত্যিক, শিক্ষক চৰকাৰী-বেচৰকাৰী কৰ্ম্মচাৰী, নেতা-পালিনেতা ছাত্ৰ-ছাত্ৰী সকলোৰে সামাজিক দায়বদ্ধতা বুলি কথা এটা থাকিব লাগে। সেইটো এতিয়া কাৰোৰে নাই। অসমৰ বাবে আটাইতকৈ দুখলগা কথাটো হ'ল — কাম কৰাৰ মনোবৃত্তি কাৰোৰে নাই — আৰু সেইবাবে ধোদ মানুহবোৰে কাণ্ডজ্ঞানহীন কামবোৰ কৰি ফুৰে। যোৱা ২৫ বছৰত গোটেই অসমৰ মানুহবোৰ, আবাল বৃদ্ধ বনিতা লেতেৰা দলীয় ৰাজনীতিৰ বোকাত এনেদৰে লুতুৰি-পুতুৰি হ'ল যে - এতিয়া আটাইতকৈ বেছি লেতেৰা মানুহবোৰেই ৰাজ্যখনৰ সকলো ক্ষেত্ৰতে কৰ্ণধাৰ হৈছে। সমাজৰ পৰিশীলিত ব্যৱস্থাটোৰ লগত যাৰ তিলমানো পৰিচয় নাই তেনে মানুহৰ দ্বাৰা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ আশা কৰিব নোৱাৰি, শিল্পী, সাহিত্যিক নাট্যকাৰ, ক্ৰীড়াবিদ, ৰাজনীতি কৰা মানুহ সকলোৰে ক্ষেত্ৰতে ই প্ৰযোজ্য। অসমৰ গ্ৰাম্য-সামাজিক ব্যৱস্থাৰ লগত যাৰ নিবিড় পৰিচয় আছে বা ব্যৱস্থাটোৰ সাৰ-পানীৰে যি পুষ্ট হৈছে আৰু যিজন অসমীয়া ভাষা-শব্দেৰে চহকী, তেনেজনৰ পৰা আমাৰ শিল্প সাহিত্যই বহু আশা কৰিব পাৰে। তেনেলোক এতিয়াও আমাৰ আছে।

৫। এতিয়াৰ কটন কলেজক সমগ্ৰ অসমৰ বৌদ্ধিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ বুলি ভাবিলেও সৰ্ব্বশ্ৰেষ্ঠ বুলি নেভাবোঁ। কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে - এখন বহল ক্ষেত্ৰ পায়। যিটো অসমৰ অন্যান্য কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে নাপায়। সুন্দৰ লাইব্ৰেৰী, পৰীক্ষাগাৰ আদিৰে সা-সুবিধাখিনি কটন কলেজতে ভালকৈ পোৱা যায়। অসমৰ বহুতো নামজ্বলা শিক্ষক কটন কলেজতে আছে। কটন কলেজে দিয়া এই গোটেই খিনি সা-সুবিধা উচিতভাৱে ছাত্ৰ ছাত্ৰীয়ে লব পাৰিলে মই ভাবো কটনিয়ান সকল সকলোতেএতে অগ্ৰৱৰ্তী থাকিব পাৰিব।

— ৰঞ্জিত কুমাৰ দেৱগোস্বামী

কটন কলেজ মোৰ বাবে ঘাইকৈ প্ৰথম অৰ্দ্ধশতিকাৰ সোণৰুলীৰে সৈতে ইয়াৰ পুথিভড়ালটো। বহু মূল্যবান সম্পদৰ আকৰ স্বৰূপ এই পুথিভড়ালটোৰ কেতবোৰ অংশ এতিয়াও মোটামুটিকৈ অব্যৱহৃত অৱস্থাত পৰি আছে সংৰক্ষণৰ বিজ্ঞানসন্মত ব্যৱস্থাৰ অভাৱত। Mind ৰ লেখীয়া পত্ৰিকাৰ ঊনবিংশ শতিকাৰ ভালেখিনি সংখ্যাকে ধৰি কেতবোৰ অতি দুৰ্লভ গ্ৰন্থ বা পত্ৰিকা এই পুথিভড়ালৰ বৈশিষ্ট্য। অতি কেইবছৰমানৰ আগলৈকে আৰবী-ফাৰ্চী ভাষা-সাহিত্যৰো বৃহৎ পৰিমাণৰ গ্ৰন্থৰ আলমাৰী এটা অস্পৃশ্য হৈয়ে পৰি থকা অৱস্থাত দেখিছিলোঁ। ঠাইৰ অভাৱত কোনোফালে একো এটা কৰিব নোৱাৰা অৱস্থা। থকা কিতাপখিনিৰ প্ৰতি সুবিচাৰ কৰিব পৰা নতুন ভৱন এটা নিৰ্মাণ কৰি পুথিভড়ালটো পুনৰ্গঠন কৰিব পৰাতেই শতবাৰ্ষিকী উদযাপনৰ সাৰ্থকতা বিচাৰি পোৱা যাব।

আৰু এটা কথা। কটন কলেজকে কেন্দ্ৰ কৰি কুৰি শতিকাৰ অসম সমাজ-জীৱনৰ বিভিন্ন দিশ সামৰি এখন উচ্চমানৰ ইংৰাজী স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰিব লাগিব। ড° হেৰম্বকান্ত বৰপূজাৰী সম্পাদিত সোণালী জয়ন্তী স্মাৰক গ্ৰন্থ খনে কিছুদূৰলৈ বাট দেখুৱাব পাৰে, কিন্তু শতবৰ্ষ উদযাপনৰ উপলক্ষত উলিয়াবলৈ লোৱা স্মৃতিগ্ৰন্থৰ পৰিসৰ স্বাভাৱিক ভাবে অধিক ব্যাপক হ'ব লাগিব।

-বিপুলজ্যোতি শইকীয়া



১। কটন কলেজখন জাকজমককৈ সজাই ৰজা-মন্ত্ৰী আনি সভা পাতিলে মোৰ ভাল নালাগিব। দেশৰ বিশিষ্ট পণ্ডিত সকলৰ আলোচনা-চক্ৰ, সংগীতজ্ঞ সকলৰ সংগীতানুষ্ঠান ......... এনে কিছুমান অনুষ্ঠান হ'লে ভাল লাগিব। ভাল লাগিব প্ৰাক্তন কটনিয়ানসকলৰ এখন মহাসন্মিলন।

মেধাৱী আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব পৰা এটা পুঁজি গঠন কৰিলে ভাল লাগিব। ছাত্ৰাবাস/ছাত্ৰীনিবাসবোৰ ভালদৰে সাজিব পাৰিলে ভাল আছিল। আৰু পুথি ভঁৰালটো? এশ বছৰৰ পিছতো কটন কলেজৰ পুথিভঁৰালটো তেনেকৈয়ে থাকিবনে?

২। "সেই সময়ৰ" মানে? মই কটন কলেজ এৰি থৈ অহা পাঁচ নে ছবছৰহে হৈছে। মই "এই সময়ৰ" কটনিয়ানহে। কটনৰ এতিয়াৰ পৰিৱেশতে মই ডাঙৰ হৈছিলোঁ। সেই পৰিৱেশ কি, বোধহয় বহলাই ক'ব নালাগে। আৰু সাহিত্য/ক্ৰীড়া/সংগীত/নাট্যচৰ্চাৰ বাবে কি ধৰণৰ পৰিৱেশ লাগে, এই বিষয়েও মই বৰ ভালকৈ নাজানো; এইবোৰতো মোটামুটি ব্যক্তিগত প্ৰতিভা আৰু উদ্যমৰ সৈতে জড়িত।

৩। কটনলৈ মই ব্যক্তিগতভাৱে বিশেষ কিবা সপোন লৈ আহিছিলোঁ বুলি নাভাবোঁ, বিজ্ঞান বিষয়ত প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ পঢ়া শুনাৰ বাবেহে আহিছিলোঁ। পঢ়া-শুনাও, more or less, ব্যক্তিগত প্ৰতিভা আৰু উদ্যমৰ ওপৰতে নিৰ্ভৰ কৰে। ভাল শিক্ষক, ভাল সুবিধা, ভাল পাঠ্যক্ৰমে নিশ্চয় কিছু পৰিমাণে সহায় কৰে। শিক্ষকসকলৰ কথা ক'বলৈ গ'লে নিজৰত ডাঙৰ লাগিব পাৰে — নকওঁ; আন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত কটনিয়ানসকলে পোৱা "সুবিধা" যথেষ্ট ভালেই বুলিব পাৰি ; কিন্তু পাঠক্ৰম একেই, সুকীয়া এটা পাঠ্যক্ৰম থাকিলে কটনিয়ানসকলে কি কৰিব পাৰিলেহেঁতেন সেই কথা অনুমান নিৰ্ভৰহে। মই মোৰ নিজৰ জোখাৰে যি পাইছো সেই

লৈ বৰ বেছি অসুখী নহয়। পখীসৱ উৰয় যেন পখা অনুসাৰে।

৪। মই সকলো দিশতে ভাঙোন আৰু অৱক্ষয়হে দেখিছোঁ। যাৰ বৰ্তমানৰেই থান-থিত নাই, তাৰ আকৌ ভৱিষ্যৎ!

৫। ভাল মানুহ আৰু ভাল ছাত্ৰ হোৱাটো বিচাৰোঁ।

পৰীক্ষাৰ মাৰ্কছিট কেইখনকে যিহেতু মই বৌদ্ধিক ক্ষেত্ৰৰ শ্ৰেষ্ঠতাৰ মাপকাঠি বুলি ভাবিব নোৱাৰোঁ, গতিকে এই কথা মানি লোৱাটো মোৰ কাৰণে সম্ভৱ নহয়। আনকি পৰীক্ষাৰ ক্ষেত্ৰতে, সৰ্বভাৰতীয় পৰীক্ষাসমূহত যোৱা কেই বছৰত কটনিয়ানসকলৰ ফলাফল কি?

**— দিগন্ত কুমাৰ কাকতি**



১। এজন প্ৰাক্তন কটনিয়ান হিচাপে কটন কলেজৰ শতবাৰ্ষিকী অনুষ্ঠান গতানুগতিক ভাবে পতাতকৈ কিছু অৰ্থবহভাবে পতাটো মই বিচাৰো। বিশেষকৈ বিভিন্ন দিশ সামৰা কটন কলেজ প্ৰতিষ্ঠাৰ প্ৰামাণিক ইতিহাস সম্বলিত এখন স্মৰণিকা প্ৰকাশ কৰাৰ উপৰিও কলেজখনৰ অগ্ৰগতিৰ মূল্যায়ণৰ লগতে ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষানুষ্ঠানখনৰ প্ৰয়োজনীয় ভিত্তি আৰু শিক্ষা পাঠ্যক্ৰম সমূহ আৰম্ভ কৰাৰ প্ৰশ্নাসৰ চিন্তাৰে এই অনুষ্ঠান পাতিব ললেহে উপযুক্ত হ'ব বুলি মই ভাবো।

২। অসমৰ উচ্চ শিক্ষা, বৌদ্ধিক জগত, সাহিত্য-কলা-সংস্কৃতি, খেলাধূলা আদিত কটন কলেজে ইয়াৰ জন্ম লগ্নৰেপৰা বাটকটীয়া হিচাপে আগভাগ লৈ আহিছে। আমি পঢ়ি থকা দিনতো সাহিত্য চৰ্চাৰ এক সুস্থ পৰিৱেশ কটন কলেজত আছিল আৰু ভালেকেইজন প্ৰতিভাসম্পন্ন কবি সাহিত্যিকে সাহিত্যৰ ক্ষেত্ৰখন সমৃদ্ধিশালী কৰি তুলিছিল। এই সকলৰ ভিতৰত আগৰণুৱা আছিল বিপুল জোতি শইকীয়া, এম কামালুদ্দিন আহমেদ, দিলীপ চন্দন, ৰয়েল আহ্‌মেদ, অতনু ভট্টাচাৰ্য্য, ভূৱনেশ্বৰ ডেকা, হেমচন্দ্ৰ দলে, জয়ন্ত কুমাৰ মান্তা, বিভাস শৰ্মা, বীৰেণ শইকীয়া, চালিম আলিম আহমেদ, স্বোমিম নাচৰিণ মিলন, ৰাজীৱ ভূষণ কোঁৱৰ নবীন কামান, লক্ষজ্যোতি গগৈ, অচ্যুৎ কুমাৰ পাটোৱাৰী, বিপুল কলিতা, কাজল শইকীয়া, ধ্ৰুৱজ্যোতি মহন্ত এন ফজলুল হক, আকাশীতৰা শইকীয়া আদি অলেখজন!

সেই সময়ত অসম সাহিত্য সভাৰ কটন কলেজ গোট, কটন কলেজ সাহিত্য-আলোচনা চক্ৰ আদিৰ যোগেৰেও এচাম কটনিয়ানে সাহিত্যৰ পৰিবেশ সজীৱ কৰি ৰাখিছিল।

তাৰোপৰি প্ৰত্যেকটো ছাত্ৰাবাসতে থকা প্ৰাচীৰ পত্ৰিকাবোৰৰ নিৰ্বাচিত সংকলন এটিও আন্তঃ আবাস সমন্বয়ৰক্ষী সমিতিৰ দ্বাৰা প্ৰকাশ কৰা হৈছিল। ইয়াৰে দ্বিতীয় সংখ্যাটোৰ (১৯৮৬) সম্পাদনাৰ দায়িত্ব লৈছিলো মই আৰু লক্ষজ্যোতি গগৈয়ে। উপদেষ্টা আছিল বিপুলজ্যোতি শইকীয়া।

## দ্বিতীয় খণ্ড ঃ শুভাকাঙ্খীৰ প্ৰতি

*আমাৰ প্ৰশ্ন ঃ*

১। এগৰাকী শুভাকাঙ্খী চিন্তানায়ক হিচাপে কটন কলেজৰ শতবৰ্ষ অনুষ্ঠানটি কিদৰে উদ্‌যাপিত হোৱাটো আপুনি কামনা কৰে?

২। কটন কলেজে আপোনাক কিদৰে আকৰ্ষিত কৰে?

৩। বৰ্ত্তমানৰ কটনিয়ান সকল কেনে হোৱাটো বিচাৰে? কটন কলেজক সমগ্ৰ অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ বলি আপুনি গণ্য কৰেনে? যদি নকৰে উত্তৰকালত কটন কলেজ সমগ্ৰ অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ হ'ব পৰাকৈ আপোনাৰ পৰামৰ্শ কি?

*শুভাকাংক্ষী ঃ*

১। কেশৱ মহন্ত ; (কবি, গীতিকাৰ)
২। ভোগেশ্বৰ দত্ত, (প্ৰবীণ সমাজকৰ্মী)
৩। সমীৰ তাঁতী (কবি, বিষয়া, পৰ্যটন বিভাগ, অসম)
৪। অৰ্চনা পূজাৰী (কবি,অধ্যাপিকা, অসমীয়া বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়)।
৫। সৌৰভ শইকীয়া (কবি)

**—কেশৱ মহন্ত**

১। কটন কলেজৰ শতবাৰ্ষিকী মানে সমগ্ৰ অসম (অবিভাজিত) ৰ শিক্ষা-জগতখনৰ আৰু ইয়াৰ প্ৰভাৱত হোৱা সামাজিক আলোড়নৰ ইতিহাস। সেয়ে এই শতবাৰ্ষিকী উদ্‌যাপনৰ কালছোৱাত নিম্নোক্ত কথাখিনিয়েই মোৰ মনলৈ আহিছে।

(i) এটা শতাব্দীৰ ইতিহাস প্ৰণয়ন। ইতিহাস, কেৱল ঘটনা ক্ৰম নহয়। ইয়াত এই বাটকটীয়া শিক্ষা-প্ৰতিষ্ঠানটোৰ গৰ্ভ-ধাৰণ, জন্ম, বিকাশ, বিকাশমানতা আৰু পৰিপ্ৰেক্ষিত (অদূৰ ভৱিষ্যতৰ ছবি) এই ইতিহাসৰ বিষয় বস্তু হব লাগে।

(ii) এইখন কলেজৰ পৰা ওলোৱা অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক তথা সাংস্কৃতিক জীৱনত সাঁচ থৈ যোৱা নেতৃত্বৰ প্ৰেৰণাদায়ক স্মৃতি-কথা। ইয়াৰ অধ্যক্ষ সকলৰ, অধ্যাপকসকলৰ আদৰ্শস্থানীয় কামবোৰ, শিক্ষক ছাত্ৰৰ সম্পৰ্কৰ মধুৰতা আদিৰ স্মৃতি চাৰণ।

(iii) কটন কলেজ গ্ৰন্থাগাৰৰ ইতিবৃত্ত। অসমৰ এটা আগ-শাৰীৰ গ্ৰন্থাগাৰ ৰূপে ইয়াৰ প্ৰভাৱ আৰু ভূমিকা, ইয়াৰ লালন-পালন, বিদ্যায়তনিক তথা সমাজ-মানস গঢ় দিয়াত ইয়াৰ প্ৰভাৱ, ইয়াৰ বৰ্ত্তমান আৰু ভৱিষ্যৎ গ্ৰন্থাগাৰত থকা বিৰল গ্ৰন্থৰ প্ৰদৰ্শনী।

(iv) প্ৰদৰ্শনী। (কটন কলেজ প্ৰতিষ্ঠাতা সকলৰ ছবি থাকিলে অতি উপাদেয় হব।)

(v) এই প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰা, প্ৰাতঃ স্মৰণীয় নিৰ্ব্বাচিত কলাকাৰ আৰু ধীমান (intellectual) সকলৰ প্ৰতিমূৰ্ত্তি স্থাপন।

(vi) আলোচনা-চক্ৰ।

(vii) এই প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰা বিভিন্ন জনজাতীয় জনগোষ্ঠীৰ লোকসকলে জ্ঞানৰ বিভিন্ন শাখাত ৰাখি থোৱা স্বাক্ষৰৰ স্মৃতি-চাৰণ।

(viii) স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত কটন কলেজৰ ভূমিকা। ইয়াত শিক্ষিতা মহিলাৰ জীৱন আৰু কৃতিৰ ওপৰত আলোকপাত।

(ix) সমগ্ৰ অসমত উচ্চ-শিক্ষাৰ যিবোৰ প্ৰতিষ্ঠান কটন কলেজ প্ৰতিষ্ঠিত হোৱাৰ পৰৱৰ্ত্তী কালত গঢ়ি উঠিছিল – তাত এই অগ্ৰগামী শিক্ষা-নিকেতনটোৰ কিবা প্ৰভাৱ পৰিছিল নে কি তাৰ বিচাৰ কৰি, উক্ত প্ৰতিষ্ঠানবোৰৰ জীৱিত গুৰিয়ালসকলৰ মুখৰ পৰা সেই সম্বন্ধে শুনি তাক লিপিবদ্ধ কৰা আৰু সম্ভৱস্থলত তেনে ব্যক্তিক আমন্ত্ৰণ কৰি ভাষণ দিওৱা।

(x) সাংস্কৃতিক সমাৰোহ (carnival)।

(xi) অসম তথা উত্তৰপূৱ ভাৰতৰ আঞ্চলিক বৈশিষ্ট্যপূৰ্ণ কাৰুশিল্পজাত ভাৱনাৰ ভিত্তিত শতবাৰ্ষিকী উদ্‌যাপনৰ মনোৰঞ্জনকাৰী সাজ-সজ্জা।

(xii) আমাৰ জনজাতীয় জনগোষ্ঠীসমূহৰ সাংস্কৃতিক পৰিচয় বহনকাৰী অনুষ্ঠান। তেওঁলোকৰ কলাকাৰ আৰু ধীমানসকললৈ বিশেষ আমন্ত্ৰণ।

(xiii) বিভিন্ন ক্ৰীড়া-প্ৰদৰ্শন আৰু অসম তথা ভাৰতৰ ক্ৰীড়া জগতত কটনৰ ছাত্ৰৰ কিবা দান থাকিলে তাৰ প্ৰদৰ্শন। ইত্যাদি

২। গাৱঁৰ স্কুলত পঢ়ি থকা কালতে কটন কলেজৰ ভাৱমূৰ্ত্তিয়ে হৃদয়ত এক স্বপ্ন ৰচনা কৰিছিল। কিন্তু এই স্বপ্নলৈ চাই কেৱল হুমুনিয়াহেই মোৰ সাৰ হৈছিল। কাৰণ, কটন-কলেজৰ কথা দূৰৈত যাওক, কলেজত পঢ়াটোৱেই মোৰ স্বপ্নৰ আগোচৰ আছিল। কাৰণ, মোৰ লক্ষ্য আৰু সাধনা আছিল মেট্ৰিক পাছ কৰা।

কিন্তু ঘটনাৰ চৌৱে আনি এদিন কটন-কলেজৰ পাৰত পেলাই দিলেহি। সেই আনন্দ অনিৰ্ব্বচনীয়। দাৰিদ্ৰ্যৰ বিৰুদ্ধে যুঁজি যুঁজি মোৰ কটন-কলেজৰ জীৱন। কিন্তু আহিয়েই অনেক বন্ধু লগ পালোঁহি-বিশেষকৈ দুই বন্ধু মানিক শৰ্মা আৰু উপেন শৰ্মা। এই দুয়োজনাৰেই বিয়োগ হ'ল। এওঁলোকৰ উৎসাহ আৰু সহযোগিতাতেই শিক্ষা সাহিত্য, কৃষ্টি চৰ্চা আদি অনুসৃত হৈছিল।

পঢ়াৰ লগে লগে আমি তেতিয়া প্ৰৱৰ্ত্তিত সুকুমাৰ কলা পৰিপ্ৰেক্ষিতত ভাগ লৈ পুৰস্কৃত হৈছিলো। প্ৰতিযোগীসকলৰ ভিতৰত আছিল কবি অজিৎ বৰুৱা, কথা-শিল্পী যোগেশ দাস আৰু অনেক। তাৰ পিছত ইয়াতেই লগ পাইছিলো এটা গোষ্ঠী - যাৰ নাম আছিল হেল'জেন গ্ৰুপ। এই গোষ্ঠীটোত আছিল কবি অজিৎ বৰুৱা, শিল্পী প্ৰয়াত ব্ৰজেন বৰুৱা, ছাত্ৰ-নেতা সদা মৰল, প্ৰয়াত যতীন দেৱ আদি। লোক এই গোষ্ঠীটোৱে বৰকৈ আকৰ্ষণ কৰিছিল। কাৰণ, এওঁলোকক নীৰৱ সাধক যেন লাগিছিল। বোম্বাইত অনুষ্ঠিত হোৱা ছাত্ৰ ফেডাৰেছনৰ ৰাষ্ট্ৰীয় অধিৱেশনলৈ যাবলৈ ধন-সংগ্ৰহৰ এটা উপায় উলিয়াইছিলোহক .... এখন সঙ্গীতালেখ্যৰ পৰিৱেশন। সঙ্গীতালেখ্যখন মোকেই ৰচনা কৰিবলৈ দিয়া হৈছিল। নাম দিছিলো "কটন কলেজ ঃ ১৯৩৬-১৯৪৬ "। ইয়াৰ গীতাংশত সুৰাৰোপ কৰিছিল প্ৰয়াত ব্ৰজেন বৰুৱাই, ছায়া নাটৰ অংশটো পৰিচালনা কৰিছিল প্ৰয়াত শিল্পী মণি বৰাই। বীনু বৰদলৈ বোলা এগৰাকী আগৰণুৱা ছাত্ৰীয়ে "পদুমৰ পাহি ফালি সংস্কৃতিৰ নৱজন্ম" নামৰ মোৰ এখন নৃত্য-আলেখ্যত অংশ গ্ৰহণ কৰিছিল। শ্ৰীমতী লক্ষ্যহীৰা বৈশ্য সাউদে (এতিয়া ড° লক্ষ্যহীৰা দাস) আলেখ্যখনৰ এটি গীত পৰিৱেশন কৰিছিল।

এনে এটা সাংস্কৃতিক পৰিৱেশত আমাৰ অন্তৰত কটন কলেজখন মোৰ বুকুৰ কাষ চাপি আহিছিল।

শিক্ষাগুৰুসকলে সাগৰ, সম্ভৱত ভক্তি, শ্ৰদ্ধা আন নালাগে প্ৰীতিৰো উদ্ৰেক কৰিছিল। আমি পোৱা শিক্ষাগুৰুসকলৰ ভিতৰত আছিল প্ৰয়াত (সকল) ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° মথুৰা মোহন গোস্বামী, ড° প্ৰফুল্ল দত্ত গোস্বামী, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, ড° অতুল চন্দ্ৰ হাজৰিকা, ড° টমাছ, ড° কমলা ৰায় আদি।

কটন কলেজৰ ছাত্ৰনেতাসকলৰ ভিতৰত আছিল প্ৰয়াত (সকল) কেদাৰ গোস্বামী, বিশ্ব গোস্বামী, ছত্ৰ সিং, শ্ৰী (সকল) ফনী বৰা, তৰুন সেন ডেকা তেতিয়া প্ৰাক-স্বাধীনতাৰ কালপৰ্ব্ব। গতিকে, দেশাত্মবোধক প্ৰেৰণা ছাত্ৰ-ছাত্ৰী সম আৰু হৃদয় জুৰি আছিল। তেতিয়া ছাত্ৰ-সংগঠন একাধিক আছিল সঁচা, কিন্তু মতান্তৰ থাকিলেও কোনো মুহূৰ্ত্ততে মনান্তৰ নাছিল। এতিয়া সি ধাৰণাৰ বাহিৰত। একোটা

বিষয় (issue) ত ভিন্ন মতাৱলম্বী ছাত্র সংগঠনবোৰ একত্রিত হৈছিল। এবাৰ ৫০০ টিন ভেজাল মিঠাতেল ধৰা পেলাই চলা আন্দোলনে সমগ্র অসম কঁপাই তুলিছিল। আদালতত চলা মোকৰ্দ্দমাত চোৰাং বেপাৰীৰ পক্ষ সমর্থনকাৰী বৰ বৰ উকীলক বাধা দিবলৈ আমি আদালতৰ খটখটীত শুই দিছিলোঁ। উপায়ন্তৰ হৈ এই মোকৰ্দ্দমা কলিকতালৈ স্থানান্তৰিত কৰা হৈছিল আৰু আমাক সকলোকে আচৰিত কৰি আদালতত সেয়া "ভেজাল মিঠাতেল নাছিল, তিছি তেল হে আছিল" বুলি প্রমাণিত হৈছিল।

মোৰ মনত আছে, আনুপাতিক ভোটদানেৰে প্রার্থী নির্বাচন কৰাৰ পদ্ধতিটো ছাত্র-ফেডাৰেছনে প্রবর্ত্তন কৰাৰ চেষ্টা কৰিছিল। এই আনুপাতিক নির্বাচনৰ পদ্ধতি (modality) সম্বন্ধে ছাত্র-ফেডাৰেছনৰ নেতা শ্রী ফনী বৰাই নিউ আৰ্টছ বিল্ডিঙৰ এটা কোণত ব্যাখ্যা কৰিছিল ব্লেক বৰ্ডৰ সহায়ত। সেই ব্যাখ্যাৰ আলোচনাত ছাত্রৰ উপৰিও ভালে কেইগৰাকী আগ্রহী শিক্ষা গুৰুও শ্রোতা আছিল। এনেবোৰ ঘটনাই এটা গণতন্ত্রৰ পৰিৱেশ ৰচনা কৰিছিল, ছাত্রৰ মাজত সত্যনিষ্ঠা, বস্তুনিষ্ঠতা, সাধনা আৰু সংগ্রামৰ প্রতি সমগ্র বিদ্যা-শিকোৰাটোৰ দৃষ্টি আকর্ষণ কৰিছিল আৰু কলেজৰ মৰ্য্যাদা বৃদ্ধি কৰিছিল।

শিক্ষাগুৰু সকল ইমান প্রাঞ্জল আৰু নিষ্ঠাৱান আছিল যে তেখেত সকলক দেখিলে অলীলাক্রমে ছাত্রসমাজৰ শিৰ দোঁ খাইছিল। শ্রেণীৰ অধ্যাপনা এনে পথ-প্রদর্শক আছিল যে পঢ়োৱা বিষয়বোৰ বাৰদিয়েক অনুশীলন কৰিয়েই হৈ গৈছিল। বিশেষকৈ মোৰ দৰে কিতাপ-পত্র যোগাৰ কৰি পঢ়া ছাত্রৰ ক্ষেত্রত ই আৰু বাস্তৱ আছিল। ঘৰুৱা শিক্ষা লৈ পঢ়া ছাত্র কৰবাত থাকিলেও আমি উমান পোৱা নাছিলো। কাৰণ, বুজাত আসোঁৱাহ থকা বিষয়বোৰ বুজিবলৈ ছাৰসকলৰ ওচৰলৈ গলেই হৈছিল। ধন-পইচাৰ কথা নাই। ছাৰসকলৰ শিক্ষাদানৰ আগ্রহৰ কথা ভাবিলে এতিয়া বিস্ময়াভিভূত হব লাগে।

তেতিয়া দ্বিতীয় বিশ্বযুদ্ধৰ শেষৰ কাল। আমাৰ কলেজ সেনাৰ দখলত। আমি ডাঙৰ ছালিৰ তলত, চুডমাৰ্চেন হলত, কাৰ্জ্জন (এতিয়া নবীন বৰদলৈ) হলত ক্লাছ কৰিছিলো।

এদিনৰ এটা স্মৰণীয় ঘটনাৰ কথা। তেতিয়া অসমীয়াত অনাৰ্ছ (এতিয়া মে'জৰ) নাছিল। অনাৰ্ছ-প্রয়াসী ছাত্রই ছেকেণ্ড লেঙ্গুৱেজ' পঢ়িছিল। আমি শ্রেণীটোত ২০ জনমান ছাত্র আছিলো। এদিন মই ছাত্র আন্দোলনৰ কাণ্ডত বি. এম. দে' ৰ দোকানৰ ওচৰৰ চাৰি আলিটোত চুঙা ফুৰাই সেইদিনাৰ যাত্রাত ৰাইজক দলে দলে যোগদান দিবলৈ চিঞঁৰি আছো। ইতিমধ্যে হঠাৎ দেখিলো, আমাৰ ছাৰ আগবাঢ়ি গৈছে আমি পঢ়া কোঠাটোৰ ফালে। মোৰ চিৰিং কৈ মাৰিলে "ক্লাছ আছিল নহয় এতিয়া?" দে'ৰ দোকানৰ নিৰূপিত স্থানতে চুঙাটো থৈ ঢাপলি মেলিলো। গৈ "সোমাব পাৰোঁনে" বুলি সুধিলত ছাৰে ক'লে, "আহাঁ।" মোৰ সহপাঠীহঁতে এক বিদ্রূপাত্মক ধ্বনি সম্বলিত হাঁহিৰ ৰোল তুলিলে। মই পিছৰ বেঞ্চিতে বহিলো। ছাৰে কাৰো ফালে নোচোৱাকৈ কবলৈ ধৰিলে, (ছাৰৰ মাতটো সৰু সৰু গুমগুমীয়া আছিল) "জ্ঞান দুবিধ। এবিধৰ শিক্ষা লব পাৰি এজন শিক্ষকৰ অধীনত একে ঠাইতে গোট খাই। আৰু এবিধ জ্ঞান চুঙা ফুঁকি, মেল-মিটিং কৰিও লাভ কৰিব পাৰি, এতিয়া কথা, যাৰ যিবিধত ৰাপ তাকে কৰিব লাগে।" মই জাবমাৰ দিলোঁ। সহপাঠীসকলে ডেস্কত ঢকিয়াই ছাৰক সমর্থন আৰু মোক কদৰ্থনা কৰিলে।

৪টা বছৰত এনেকুৱা বহু ঘটনা আছে। কিছুমান ৰ'দালিৰে ভৰা, কিছুমানত আউসীৰ আন্ধাৰ।

আজি কিমান কাল হ'ল। ১৯৪৮ চনতে কলেজ এৰিলো। কিন্তু তাৰ স্মৃতিবোৰ এতিয়াও কেচা হৈয়েই আছে।

৩। এতিয়া স্বৰাজোত্তৰ কাল। দেশৰ সমাজৰ সমস্যা বেলেগ আৰু আগতকৈ জটিল। এতিয়া তীব্র প্রতিযোগিতাৰ যুগ - বিশেষকৈ পাঠ-অধ্যয়নৰ ক্ষেত্রত। গতিকে, এতিয়াৰ ছাত্র-সমাজৰ মান নিৰূপক মাধ্যম হ'ল — পৰীক্ষাতে সৰ্বাধিক নম্বৰ আহৰণ কৰা। গতিকে অধ্যয়নৰ ক্ষেত্রত তীক্ষ্ণধী হোৱাটোৱেই এতিয়া ছাত্রসকলৰ সাধনা। নহলে জীৱনত তিষ্ঠা টান। গতিকে আমাৰ দৰে পঢ়া-শুনাত মজলীয়া আৰু পাঠ্যক্রম বহিৰ্ভূত কামত মতলীয়া মানুহে এতিয়াৰ ছাত্র-সমাজৰ বিষয়েনো কি ক'ম, আমাক তীক্ষ্ণধী ব্যক্তিৰ অতি প্রয়োজন। গতিকে, কটন-কলেজৰ ছাত্র-সমাজৰ সাধনাক লঘু কৰাৰ সাহস মোৰ নাই।

কিন্তু মোৰ এটা ধাৰণা বদ্ধমূল যে দেশাত্মবোধ বিহীন শিক্ষা কৃত্রিম আৰু একমাত্র জীৱিকামুখী। যি শিক্ষাই আমাক প্রাত্যহিকতাৰ পৰা উৰ্দ্ধলৈ তুলি সমগ্র জীৱনবোধৰ পটত আগুৱাবলৈ প্রেৰণা দিব নোৱাৰে, সি একদেশদর্শী হবলৈ বাধ্য। দর্শন-বিহীন বিজ্ঞানে যেনেকৈ মানুহক জীৱন-বিধ্বংসী কাৰ্য্যৰ ক্ষেত্রত হৃদয়হীন কৰি তুলিছে, সেই ক্ষেত্রত আমি যদি বিজ্ঞান-প্রযুক্তিবিদ্যাৰ অধ্যয়নৰ বেলিকা 'মানৱ বিদ্যা'কো পঠনীয় বিষয় কৰি লব নোৱাৰোঁ, যদি আমাৰ সম্পদ আৰু মানুহ সম্বন্ধে আমি জ্ঞান লাভ কৰিব নোৱাৰোঁ তেন্তে আমাৰ ধীমত্তা আৰু প্রজ্ঞাৰ কেনেকৈ জন্ম হব ভাবি উলিয়াব নোৱাৰোচোন।

শিক্ষাই যদি চিন্তাৰ স্বাধীনতা দিব.নোৱাৰে, নিজৰ সম্পদ আৰু মানুহৰ লগত অন্তৰৰ পৰিচয় স্থায়ী কৰিব নোৱাৰে, তেন্তে আহৃত সকলো জ্ঞান প্রয়োগৰ বেলিকা বন্ধ্যা হব বুলিয়েই মোৰ বিশ্বাস।

আৰু নো কি কম?

**— ভোগেশ্বৰ দত্ত**



১। কটন কলেজৰ শতবৰ্ষ মানেই অসমৰ মাটিত কলেজীয়া শিক্ষাৰ শুভাৰম্ভৰ শতবৰ্ষ।

ইয়াৰ আগতে অসমৰ সামাজিক, আর্থিক, বৌদ্ধিক সম্পদৰ দিশত অগ্রসৰ পৰিয়ালৰ এমুঠি ছাত্রই কলিকতা, বেনাৰস, আলিগড়ত কলেজীয়া শিক্ষা আহৰণ কৰিছিল। কটন কলেজ প্রতিষ্ঠা হ'ল। অসমৰ জন জীৱনৰ মধ্যস্তৰৰ অনেক ছাত্রই গুৱাহাটীতে কলেজ পঢ়াৰ সুযোগ পালে।

সেয়ে কটন কলেজ আধুনিক অসমৰ কলা, শিল্প সাহিত্য, শিক্ষা, সংস্কৃতি, অর্থনীতি, দর্শন, বিজ্ঞান, ৰাজনীতি, প্রশাসনীয় ক্ষেত্রৰ বৌদ্ধিক উৎকৰ্ষতা অনুশীলনৰ বাটকটীয়া শিক্ষানুষ্ঠান। অসমৰ সমাজ জীৱনত কটন কলেজৰ অৱদান অবিস্মৰণীয়।

গতিকে, শতবৰ্ষৰ অনুষ্ঠানত পাৰ হোৱা এশ বছৰৰ কটন কলেজৰ বহুমুখী অৰিহণাৰ পৰ্য্যালোচনা হওক। সফলতা বিফলতাৰ উপাদানবোৰ বিচাৰ বিশ্লেষণ হওক। এই কামে অসমৰ জাতীয় জীৱনক নতুন সাঁচত গঢ়াৰ অনুভৱ আৰু উপলব্ধি দিব। নতুন শতিকাত কটন কলেজে উত্তৰোত্তৰ উৎকৰ্ষতা লাভ কৰি দেশৰ ভিতৰতে অন্যতম বৌদ্ধিক অনুষ্ঠান হিচাবে পৰিগণিত হওক। এইয়ে আমাৰ কামনা।

২। কটন কলেজত প্ৰতিভাসম্পন্ন অধ্যাপক আছে। উত্তৰ-পূব ভাৰতৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকল এই কলেজত ভৰ্ত্তি হয়। ছাত্ৰ-ছাত্ৰীসকলৰ পাৰস্পৰিক আদান প্ৰদানে মানসিক ভাৱে প্ৰেৰণাময় পৰিৱেশ সৃষ্টি কৰে। পাঠদানৰ যথোপযুক্ত আহিলাপাতি আছে। পুথি ভঁড়ালত দুষ্প্ৰাপ্য মূল্যবান গ্ৰন্থও আছে। এই কলেজত পাঠ্যক্ৰম বহিৰ্ভূত চিন্তাচৰ্চাৰ ক্ষেত্ৰখনো বহল।

গতিকে, কটন কলেজত ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন, অনুশীলন আৰু ভৱিষ্যতৰ জীৱনক দক্ষতাপূৰ্ণ কৰি তোলাৰ পৰিৱেশেই কটন কলেজৰ বিশেষ বৈশিষ্ট্য। এনে দিশবোৰে সকলোৰে মনোযোগ আকৰ্ষণ কৰে।

৩। মানুহৰ জীৱনক দুটা ধাৰাবাহিক খণ্ডত ভগাব পাৰি। প্ৰথম খণ্ডটো অধ্যয়ন, বুদ্ধি-জ্ঞান কৰ্ষণ আৰু সঞ্চয়ৰ যুগ,– ছাত্ৰ জীৱন পিছৰ স্তৰটো কৰ্ম্মময় জীৱনৰ দক্ষতা প্ৰমাণৰ বা বিস্তাৰৰ যুগ।

গতিকে কটন কলেজৰ উদীয়মান ছাত্ৰ-ছাত্ৰীসকল আত্মসজাগ, সামাজিকভাৱে দায়বদ্ধ আৰু বহুমুখী প্ৰতিভা বিকাশৰ সাধনাত লিপ্ত থকাটো আমি কামনা কৰো।

অৱশ্যে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মনোগত উপাদান (subjective elements) বিলাক সতেজ আৰু প্ৰেৰণাময় কৰি তুলিবলৈ বাহ্যিক পৰিৱেশ (objective atmosphere) সামাজিকভাৱে শান্ত,আৰ্থিক আৰু ৰাজনৈতিকভাৱে সুস্থিৰ হ'বই লাগিব।



**সমীৰ তাঁতী**

১। অসমৰ শিক্ষাৰ নক্ষত্ৰ জগত নামেৰে জনাজাত কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপন অসমৰ বাবে এক ঐতিহাসিক ঘটনা, এক পাহৰিব নোৱাৰা স্মৃতি হৈ ৰ'ব লাগে। সেইবাবে প্ৰস্তুতি চলাওঁতে যাতে কোনো কথা বাদ পৰি নাযায় তাৰ বাবে সততে সাৱধান হোৱা প্ৰয়োজন। বিভিন্ন আলোচনা চক্ৰ, কৰ্মশালা, কবি সন্মিলন, প্ৰতিযোগিতা আদিৰো আয়োজন কৰি পাৰি। এশবছৰৰ কটনৰ কবিতা, গল্প, উপন্যাস আৰু প্ৰবন্ধৰ নিৰ্বাচিত একোটা সংকলন প্ৰকাশ কৰিলে ভাল হয়। লগতে প্ৰাচীৰ পত্ৰিকাৰ সংকলন এটাও কৰিব পাৰি। এশবছৰৰ কটনিয়ানৰ পৰাই এই কাম কৰিব পৰা যায়। অকালতে বিদায় লোৱা আৰু প্ৰথিতযশা কটনিয়ান সকলৰ এখন আটক ধুনীয়া ফটো এলবামো কৰিব পাৰি। লগতে থাকিব তেওঁলোকৰ সময়ৰ অসম আৰু গুৱাহাটীৰ স্মৃতিকথা। বিশেষকৈ শৈক্ষিক জগত আৰু পৰিৱেশৰ বিষয়ে। এই ছেগতে চাৰ হেনৰী কটন, চুডমাৰ্চন, বাণীকান্ত কাকতিকে আদি কৰি স্বনামধন্য শিক্ষক সকলৰ বিষয়ে এখন গ্ৰন্থ প্ৰকাশ কৰাটো অত্যন্ত জৰুৰী বুলি ভাবোঁ।

২। কটন কলেজ বুলিলে মনলৈ এক বিস্ময়ৰ ভাৱ আহে, ৰোমাঞ্চিত হওঁ, এক গৌৰৱ অনুভৱ কৰোঁ। বোধকৰোঁ এইবাবেই যে অসমৰ আটাইতকৈ পুৰণি, ঐতিহ্যমণ্ডিত কলেজ এইখনেই। এইখন কলেজৰ পৰাই অসমৰ বিভিন্ন জগতৰ কীৰ্তিমান পুৰুষ আৰু নাৰী ওলাই আহিছে, আমাৰ চিন্তা-চেতনাক আলোড়িত কৰিছে। আমাৰ নেতৃত্বৰ মূলতো এইখন কলেজৰে অৱদান আটাইতকৈ বেছি বুলি ভাবোঁ।

৩। বৰ্ত্তমানৰ কটনিয়ান সকলে কেৱল কেৰিয়াৰৰ কথা নাভাবি আমাৰ সমাজৰ উৎকৰ্ষৰ কথাও চিন্তা কৰিব লাগ। কাৰণ অসমৰ চিন্তা-চৰ্চাৰ বহল ক্ষেত্ৰ বুলিলে কটন কলেজৰ কথাই মনলৈ আহে। তেনে অৱস্থাত কটনিয়ান সকলৰ দায়িত্বও অধিক। সেইবাবে তেওঁলোকে ছাত্ৰ ৰাজনীতিৰ চাকনৈয়াত নোসোমাই অসমৰ সৰ্বাঙ্গীন বিকাশৰ বাবে নিজকে নিয়োজিত কৰিব লাগে। মন কৰিবলগীয়া যে সমগ্ৰ অসমে এতিয়াও কটন কলেজৰ ফালে চাই আছে। অসমৰ বৌদ্ধিক সাংস্কৃতিক ক্ষেত্ৰৰ একমাত্ৰ অনুষ্ঠান কটন কলেজে সেইবাবে নিজৰ ঐতিহ্যৰ কথা পাহৰি যাব নালাগিব।



**–অৰ্চনা পূজাৰী**

১। কটন কলেজৰ শতবৰ্ষ উদ্‌যাপনেৰে, আহক এশবছৰীয়া ইতিহাসৰ পাত লুটিয়াই চোৱা যাওঁক। বিভিন্ন আনুষ্ঠানিকতাৰ লগতে কটনিয়ানসকল সংকল্পিত হওঁক – এসময়ৰ সাহিত্য সংস্কৃতি তথা বৌদ্ধিক পৰিৱেশৰ সেউজ ভূমি এই কটন কলেজ কোনো দিনেই সন্ত্ৰাসৰ বধ্যভূমি নহয়।

২। বীৰ প্ৰসৱিনী নাৰীৰ প্ৰতি থকা আন্তৰিক শ্ৰদ্ধা আৰু আকৰ্ষণৰ দৰেই কটন কলেজৰ প্ৰতি মোৰ আকৰ্ষণ আজিও অটুত আছে।

৩। আজিও যিহেতু অসমৰ বছা-বছা ছাত্ৰ-ছাত্ৰীসকলে আহি কটন কলেজত একগোট হৈছেহি, সেয়ে কটনিয়ানসকলে নিজৰ প্ৰতিভাৰ অপচয় নঘটাই তাৰ সদ্ব্যৱহাৰ কৰে যেন।

আজি সকলোৱে একেমুখে স্বীকাৰ কৰিব কটন কলেজৰ গৌৰৱোজ্জ্বল ইতহাস ম্লান পৰি আহিছে। কিন্তু আমি আশা ৰাখিছো, আজিৰ কটনিয়ান নিজৰ কৰ্তব্যৰ প্ৰতি নিষ্ঠাৱান হ'লে অদূৰ ভৱিষ্যতে কটন কলেজৰ বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰ পুনৰ সঞ্জীৱিত হৈ উঠিব।



**– সৌৰভ শইকীয়া**

এগৰাকী শুভাকাঙ্খী হিচাপে মই আশা কৰিম – কটনৰ শতবৰ্ষ অনুষ্ঠানত এশটা তৰা জ্বলক। এশজন উজ্জ্বল তৰুণে এশটা নতুন স্বপ্নক ৰূপ দিয়ক। জীৱনৰ সপক্ষে সংকল্প লওক। নতুন উদ্দীপনা নতুন দৃষ্টিৰে পৰিৱেশত প্ৰাণৰ সঞ্চাৰ কৰক। শতবৰ্ষ মানে কেৱল সোঁৱৰণি নহয়। যোৱা নিৰানৈটা বছৰত কটনে কি কৰিলে, কটনিয়ানসকল কিয়, ক'ত, কেনেকৈ - - এই অতীত প্ৰশ্নমালাতকৈ অধিক প্ৰাসংগিক হ'ব কটন আৰু

কটনিয়ানৰ ভৱিষ্যত। দ্বিতীয় শতবৰ্ষৰ সিপাৰলৈ ভাবিব পৰাকৈ কটন কলেজ এটি আদৰ্শ হওক, অন্য মাত্ৰা যোগ হওক ইয়াৰ ব্যক্তিত্বত।

কটন কলেজৰ এক জ্যামিতি আছে। ইউক্লেডীয় জ্যামিতি নহয়, ই হ'ল জিজ্ঞাসাৰ জ্যামিতি। সেই জ্যামিতিৰ বাবেই কটন কলেজ বিখ্যাত। কটনে নিশ্চয় মোক আকৰ্ষণ কৰে। আমাৰ আড্ডা আৰু ধেমালি ৰাজ্যত যাৰ নাম হ'লগৈ কপাহ মহাবিদ্যালয়। Cotton College belongs to........ আৰু কটনৰ প্ৰজ্ঞাবোৰ? টেলেন্ট নহয় যেন একোপাহি কপাহ ফুল। যেতিয়া গুটিবোৰ ফাটে বিজনীয়া বতাহে চৌদিশে তুলাবোৰ উৰুৱাই দিয়ে। কটনৰ তুলা উৰে। কি বাণিজ্য কি অৰ্থনীতি ....... অভিযন্তা, চিকিৎসক, চিন্তাবিদ সাহিত্য-শিল্পৰ পথাৰে পথাৰে কটনৰ তুলা উৰে। উত্তৰ পূৰ্বাঞ্চলৰ স্নায়ুকেন্দ্ৰত স্থিত এই প্ৰাচীন ঐতিহ্যময় শিক্ষানুষ্ঠানটিয়ে তাৰ বিস্ফোৰক ৰিজাল্ট আৰু বিদ্যায়তনিক বাতাবৰণেৰে সকলোৰে মনোযোগ আকৰ্ষণ কৰি আহিছে।

কটনিয়ানসকল প্ৰকৃত আধুনিক মনৰ গৰাকী হোৱাটো কামনা কৰোঁ। কিন্তু এতিয়াৰ কটন কলেজক সমগ্ৰ অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ শ্ৰেষ্ঠ প্ৰতিভূ বুলি গণ্য নকৰোঁ। অতীততহে জীৱন্ত কটনৰ। কি সংস্কৃতি নিৰ্মাণ হৈছে এতিয়া? কটনে কি প্ৰডাকশ্বন কৰিছে অসমৰ ৰাইজে খবৰ কাগজ মেলিলেই পাব।

**সাক্ষাৎকাৰীৰ টোকা ঃ** *কটন কলেজৰ শতবৰ্ষ অনুষ্ঠানৰ প্ৰাক্ মুহূৰ্ত্তত আমি অসমৰ বহু কেইগৰাকী স্বনামধন্য, বৰেণ্য, পুৰোধা কটনিয়ান আৰু শুভাকাংক্ষী চিন্তানায়কৰ কাষ চাপিছিলোঁ। তাৰে অনেক কেইগৰাকীয়ে বিভিন্ন অসুবিধা আৰু ব্যস্ততাৰ হেতু আমাৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলে। যি কেইগৰাকী ব্যক্তিয়ে এই সজ প্ৰচেষ্টাটিত সহযোগিতাৰে আমাৰ অনুৰোধ আন্তৰিকাৰে ৰক্ষা কৰিলে সেই সকলোলৈ 'কটনিয়ান'ৰ তৰফৰ পৰা সহৃদয় কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।* – **কুশল দত্ত, শৈলেন বৰকাকতি ।**



Infinity

ছাত্ৰৰ দৃষ্টিৰে

# কটন কলেজৰ শতবাৰ্ষিকী ঃ কিদৰে উদ্‌যাপিত হোৱা উচিত

কটন কলেজ। লুইতৰ পাৰৰ চিৰযৌৱনা কটন কলেজ। "অসমৰ আটাইতকৈ প্ৰতিভাৱান ডেকা-গাভৰুবোৰেহে কটন কলেজলৈ পঢ়িবলৈ আহে। পৃথিৱীত যদি ক'ৰবাত স্বৰ্গ আছে সেয়া কটন কলেজেই নহয়নে?" (হোমেন বৰগোহাঞি/সাউদৰ পুতেকে নাও মেলি যায়) হয়, কাৰোবাৰ মতে, কটন কলেজ চিৰযৌৱনা। কোনোৰ মতে স্বৰ্গ। ইয়াতেই ৰচিত হৈছে অসমৰ বহু ইতিহাস। বৌদ্ধিক, সাংস্কৃতিক আৰু বিদ্যায়তনিক দিশত কটন কলেজে বহন কৰিছে জাতীয় জীৱনৰ গৌৰৱ ধ্বজা। ১৯০১ চনত স্থাপিত হোৱা কটন কলেজে সময়ৰ বিভিন্ন স্তৰেদি উত্তৰণৰ পথ বগাই শতবৰ্ষৰ দুৱাৰদলিত উপস্থিত হৈছেহি।

**অলপ উভতি চাওঁ ঃ** অলপ উভতি চাব খুজিছো। মেলি চাব খুজিছো কটনৰ ইতিহাস। ১৯০১ চনত স্থাপিত হোৱা কটন কলেজে অসমৰ শৈক্ষিক আৰু বৌদ্ধিক জগতলৈ আনিলে যুগান্তৰকাৰী পৰিবৰ্তন। কটন কলেজে প্ৰতিনিধিত্ব কৰিলে অসমৰ জাতীয় জীৱনক। কটন কলেজ হ'ল জাতীয় অনুষ্ঠান।

**প্ৰবাদ প্ৰচলিত হ'ল ঃ** আজিৰ কটনিয়ানে যি ভাৱে কাইলৈৰ অসমে তাকেই ভাবিব। ইয়াৰ পৰাই গুৰি ধৰা হ'ল অসমীয়া ভাষা আন্দোলনৰ। শ্বহীদ ৰঞ্জিত বৰপূজাৰীৰ দৰে প্ৰতিভাৱান আৰু তৰুণ কটনিয়ানে কটনৰ চোতালত তেজ দিলে। সৌ সিদিনা ৰাষ্ট্ৰপতিয়ে আহি কটন কলেজক ঘোষণা কৰি গ'ল পূৰ্ণ পৰ্যায়ৰ স্নাতকোত্তৰ প্ৰতিষ্ঠান হিচাপে— উৎকৰ্ষতাৰ কেন্দ্ৰস্থল।

প্ৰায়ে শুনা যায় কটন কলেজত শৈক্ষিক পৰিবেশৰ অৱনতি ঘটিছে। কিন্তু ইয়াৰ বাবে প্ৰকৃততে দায়ী কোন আমাক জবাবদিহি কৰিবৰ সময় হ'ল। কটন কলেজত আজি এশ এবুৰি সমস্যা। ছাত্ৰাবাসত পানী যোগান নাই, প্ৰয়োজনীয় শ্ৰেণীকোঠা নাই, বিজ্ঞানৰ পৰীক্ষাগাৰৰ দ্ৰব্য-পাতি, সঁজুলি নাই, পুথিভঁৰালত কিতাপ অধ্যয়ণৰ পৰিবেশ নাই, ছাত্ৰী নিবাসত আসন নাই মুঠতে সমস্যা আৰু সমস্যা। 'আজিৰ কটনিয়ানে যি ভাবিব কাইলৈৰ অসমে তাকেই ভাবিব' বুলি কবলৈ অসমে আজিকালি ইতঃস্তত বোধ কৰে। ছাত্ৰ নামধাৰী একাংশ বজৰুৱা যুৱকৰ অতপালিয়ে কটন কলেজক জাতীয় অনুষ্ঠান কৰি ৰাখিবনে?

**শতবাৰ্ষিকী চিন্তা ঃ** এই বছৰৰ পৰা কটন কলেজৰ শতবৰ্ষৰ বাবে প্ৰস্তুতি পৰ্বৰ আনুষ্ঠানিক আৰম্ভণি হৈ গৈছে। গতিকে শতবৰ্ষৰ প্ৰাক্ মুহূৰ্তত আমি কিছুমান কথা বিশ্লেষণ কৰা প্ৰয়োজন হৈ পৰিছে। প্ৰায়ে শুনা যায় কটন কলেজত শৈক্ষিক পৰিবেশৰ অৱনতি ঘটিছে। কিন্তু ইয়াৰ বাবে প্ৰকৃততে দায়ী কোন আমাক জবাবদিহি কৰিবৰ সময় হ'ল। কটন কলেজত আজি এশ এবুৰি সমস্যা। ছাত্ৰাবাসত পানী যোগান নাই, প্ৰয়োজনীয় শ্ৰেণীকোঠা নাই, বিজ্ঞানৰ পৰীক্ষাগাৰৰ দ্ৰব্য-পাতি, সঁজুলি নাই, পুথিভঁৰালত কিতাপ অধ্যয়নৰ পৰিবেশ নাই, ছাত্ৰী নিবাসত আসন নাই, মুঠতে সমস্যা আৰু সমস্যা। 'আজিৰ কটনিয়ানে যি ভাবিব কাইলৈৰ অসমে তাকেই ভাবিব' বুলি কবলৈ অসমে আজিকালি ইতঃস্ততঃ বোধ কৰে। ছাত্ৰ নামধাৰী একাংশ বজৰুৱা যুৱকৰ অতপালিয়ে কটন কলেজক জাতীয় অনুষ্ঠান কৰি ৰাখিবনে?

তাৰ মাজতে আমি পাইছো ক্ষণিক সকাহ। ৰেগিঙৰ দৰে এটা মহা ব্যাধিক ছাত্ৰাবাসৰ আবাসী সকলে মিলি প্ৰতিৰোধ কৰিলে। কটন কলেজত ষাঠি শতাংশ শ্ৰেণীত উপস্থিতি থকাটো বাধ্যতামূলক হ'ল। মাত্ৰ দুটি বছৰৰ আগলৈকে কটনৰ আকাশ বতাহ কলুষিত কৰি থকা ৰাজনীতিও লাহে লাহে পশ্চাদগামী হ'ব ধৰিছে কটন কলেজৰপৰা। সমূহ কটনিয়ানৰ ঐকান্তিক প্ৰচেষ্টাৰ দ্বাৰা সম্ভৱ হোৱা এই কাম কটন কলেজৰ বাবে নিশ্চয় মঙ্গলজনক। কিন্তু এই শুভ সংবাদ স্থায়ী হ'বনে?? শতবৰ্ষৰ দুৱাৰদলিত কটনিয়ানে এই প্ৰশ্নবোৰ বিশ্লেষণ কৰিবৰ হ'ল। নহ'লে শতবাৰ্ষিকী উৎসৱ কেৱল 'আনুষ্ঠানিকতাৰ পৰ্য্যায়'তহে ৰ'বগৈ।

**শতবাৰ্ষিকী পৰিকল্পনা ঃ** লেখনীৰ পূৰ্বতে উল্লেখ কৰা হৈছে যে কটন কলেজ এটি জাতীয় অনুষ্ঠান। গতিকে কটন কলেজৰ শতবাৰ্ষিকী উৎসৱেও জাতীয় জীৱনক প্ৰতিনিধিত্ব কৰিব লাগিব। এই অনুষ্ঠানৰ অংশীদাৰ হওক অসমৰ প্ৰতিজন সচেতন অভিভাৱক আৰু বিশিষ্ট নাগৰিক। অসমৰ প্ৰতিখন মহাবিদ্যালয়ৰ অধ্যক্ষ, অভিভাৱক তথা বিশিষ্ট নাগৰিকৰ এখন সভা আহ্বান কৰি উদ্‌যাপন সমিতি গঠন কৰা হওক। ইতিমধ্যে শতবাৰ্ষিকী উৎসৱৰ প্ৰস্তুতি আৰম্ভ হৈছে। মূল উৎসৱ এসপ্তাহ ধৰি চলিব লাগে। এই সপ্তাহৰ নাম হওক "শতবাৰ্ষিকী সপ্তাহ"। শতবাৰ্ষিকী সপ্তাহৰ প্ৰথম দিনাই গুৱাহাটীৰ ৰাজপথত এক সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হওক। এই শোভাযাত্ৰাত অসমৰ জাতীয় জীৱনক প্ৰতিফলিত কৰা সমূহ জনগোষ্ঠীৰ স্বকীয় সংস্কৃতিসমূহ

পৰিবেশন কৰা হওক। কটন কলেজৰ ৰাষ্ট্ৰীয় পৰ্য্যায়তো এটা সুনাম আছে। সেয়েহে ৰাষ্ট্ৰীয় পৰ্য্যায়ত শতবাৰ্ষিকী উৎসৱৰ লগত সঙ্গতি ৰাখি কুইজ প্ৰতিযোগিতা আৰু তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰিব পাৰি। এই প্ৰতিযোগিতা দুখনি কটন কলেজৰ প্ৰাণ প্ৰতিষ্ঠা কৰা দুজন নমস্য ব্যক্তিৰ নামত উৎসৰ্গ কৰিব লাগে। এই সপ্তাহৰ লগত সংগতি ৰাখিয়ে আয়োজন কৰা হওক ন-পুৰণি সতীৰ্থ সন্মিলন। এই সতীৰ্থ সন্মিলনলৈ পুৰণি ছাত্ৰসকলক— যিসকল আজি সাহিত্য, সংস্কৃতি, ৰাজনৈতিক বা প্ৰশাসনীয় আদি দিশত বিশেষ স্থান অধিকাৰ কৰিছে বা যিসকল অতীতৰ গৰ্ভত লীন হৈছে সেইসকলক আমন্ত্ৰণ কৰি তাহানিৰ কটন কলেজ আৰু আজিৰ কটন কলেজৰ তফাৎখিনি অনুভৱ কৰা যায়। কটন কলেজৰ শতবাৰ্ষিকী সপ্তাহত ল'ব পৰা আন এটা কাৰ্য্যসূচী হ'ল বৃক্ষৰোপণ কাৰ্য্যসূচী। যান্ত্ৰিক সভ্যতাই প্ৰদূষিত কৰা চহৰখনক সেউজীয়া কৰি ৰখাটো কটনিয়ানৰ দায়িত্ব আৰু কৰ্তব্য। সেয়েহে শতবাৰ্ষিকী উৎসৱৰ লগত সঙ্গতি ৰাখি সমগ্ৰ গুৱাহাটী চহৰত বৃক্ষৰোপণ কৰিব পাৰি।



The Number of Non-Collegiated and dis-collegiated of our college is increasing day by day.

কটন কলেজৰ শতবাৰ্ষিকী উৎসৱৰ মূল আকৰ্ষণ হ'ব মুকলি অধিবেশন। এই মঞ্চলৈ আমন্ত্ৰিত হ'ব বিশিষ্ট অতিথিসকল। গতানুগতিকতাৰ পৰিসৰ ভাঙি এই মঞ্চলৈ ৰাজনৈতিক নেতাৰ ভিৰতকৈ বিশ্বৰ বৰেণ্য ব্যক্তি কিছুমানৰ লগত যোগাযোগ কৰিব পাৰি। আন এজন শান্তিৰ নোবেল বঁটা বিজয়ী ম্যানমাৰৰ সাহসী নাৰী আং ছান চ্যুকিক আমন্ত্ৰণ কৰিবলৈ নিশ্চয় যুৱশক্তিয়ে প্ৰেৰণা পাব। কটন কলেজৰ শতবৰ্ষ পালনৰ প্ৰাক্‌মুহূৰ্তত আমি সংবাদপত্ৰসমূহকো আমাৰ লগত সাঙুৰি ল'ব লাগিব। সংবাদপত্ৰসমূহেই জনমত গঠনত যথেষ্ট পৰিমাণে সহায় কৰিব। সংবাদপত্ৰসমূহৰ সমূহ সম্পাদকক আমন্ত্ৰণ কৰি তেওঁলোকৰ পৰামৰ্শ গ্ৰহণ কৰাটো বাঞ্চনীয়। তাৰোপৰি সম্পাদকসকলক তেওঁলোকৰ নিজ নিজ কাকতত একোটাকৈ কলম শতবাৰ্ষিকী উদ্‌যাপন সম্পৰ্কে ৰাইজৰ মতামতৰ বাবে আছুতীয়া কৰি ৰাখিবলৈ অনুৰোধ জনাব লাগে।

গুৱাহাটীৰ মহানগৰীৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ একতা সভাৰ সভাসমূহেও সক্ৰিয় সহযোগ আগবঢ়োৱাটো প্ৰয়োজন। সেয়েহে কটন কলেজ ছাত্ৰ একতা সভাই সমূহ মহাবিদ্যালয় প্ৰতিনিধিক নিমন্ত্ৰণ কৰি এখন সমন্বয়ৰক্ষী কমিটি গঠন কৰা উচিত।

কটন কলেজৰ শতবাৰ্ষিকী অনুষ্ঠানক প্ৰতিফলিত কৰিব স্মৰণিকাখনে। এইখন হ'ব ১০০ বছৰীয়া কটন কলেজৰ ঐতিহাসিক দলিল। যিসকল বৰেণ্য ব্যক্তিয়ে কটন কলেজ প্ৰতিষ্ঠাত আগভাগ লৈছিল সেইসকল ব্যক্তিৰ জীৱনী সংগ্ৰহ কৰি স্মৰণিকা প্ৰকাশ হোৱাটো বাঞ্চনীয়। তাৰোপৰি কটন কলেজৰ বাবে আবাস সমূহে এক সুকীয়া অনুভূতি বহন কৰিছে। যিসকল বৰেণ্য ব্যক্তিৰ নামেৰে এই আবাসসমূহ নামাংকিত সেইসকল ব্যক্তিলৈও আমি শতবাৰ্ষিকী অনুষ্ঠানতে শ্ৰদ্ধা নিবেদন কৰিম।

**কটনিয়ানেই শতবৰ্ষৰ সাফল্যৰ চাবিকাঠি ঃ** কটন কলেজৰ শতবৰ্ষৰ সাফল্যৰ বাবে বহু পৰিকল্পনাই কৰিব পাৰি। এই পৰিকল্পনাসমূহ সফল ৰূপ দিব লাগিব কটন কলেজৰ বিশাল পৰিয়ালটোৱে। বাহিৰৰ পৰা নিশ্চয় আহিব অকুণ্ঠ সঁহাৰি। কিন্তু কটন পৰিয়ালেই এইসকলক আগবঢ়াই আনিব লাগিব।

শতবাৰ্ষিকী উৎসৱৰ প্ৰাক্‌মুহূৰ্তত এই উৎসৱৰ সঁচা অৰ্থত সাফল্য লাভ কৰিবৰ বাবে আমি আমাৰ স্থিতি স্পষ্ট কৰিব লাগিব। আমাৰ ভুলসমূহ আজিতেই শুধৰাই লোৱা প্ৰয়োজন যাতে এই জাতীয় অনুষ্ঠানটোৰ গাত কোনো চেকা নপৰে। সাম্প্ৰতিক সামাজিক পটভূমিত কটনিয়ানৰ ভূমিকা কি হ'ব কটনিয়ানে পুনৰ বিবেচনা কৰাৰ সময় হৈছে। কটনিয়ানে কেৱল কেৰিয়াৰৰ পিছতেই দৌৰিব নে কেৰিয়াৰৰ লগে লগে কটনিয়ানৰ মেধাবোৰ সমাজৰ কল্যাণৰ বাবেও ব্যৱহৃত হ'ব। ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ কটন কলেজ সম্পৰ্কত কৰা মন্তব্যৰ কিছু উদ্ধৃতি দিছো। ড০ শইকীয়াই কৈছিল— "গোটেই ৰাজ্যখনৰ সৰহ নম্বৰ পোৱা বাছকবনীয়া ছাত্ৰ সকল কটন কলেজলৈ আহে। পৰীক্ষাৰ জৰিয়তে যিসকল শীৰ্ষস্থানীয় বুলি ধৰা হয়, তেওঁলোকৰ মেধা আৰু প্ৰতিভাৰ ওপৰত ৰাজ্যখনৰ মানুহে একেধৰণৰ আস্থা স্থাপন কৰেই। বছৰৰ পাছত বছৰ যদি এইখন কলেজলৈ অসমৰ শীৰ্ষস্থানীয় মেধাৱী ছাত্ৰ-ছাত্ৰীসকল আহি থাকে, তেনেহ'লে এখন ৰাজ্য বা এখন দেশৰ হকে ছাত্ৰ-ছাত্ৰীৰ মেধাই যি কাম কৰা উচিত তাৰ অধিকাংশতো কটন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে কৰা উচিত। মানুহৰ, সমাজৰ, জীৱ জগতৰ আৰু প্ৰকৃতিৰ বাবে কল্যাণ আহৰণৰ প্ৰত্যেকটো কামৰ লগত মেধাৰ সম্পৰ্ক স্থাপন কৰিব পাৰি। সাম্প্ৰতিক সামাজিক পটভূমিত মেধাসম্পন্ন বুলি স্বীকৃত কটনিয়ানৰ পৰা এক বিশেষ ধৰণৰ বৰঙণি সমাজে আশা কৰে।"

শতবৰ্ষৰ প্ৰাক্‌মুহূৰ্তত আমাৰ সামাজিক দায়বদ্ধতা সম্পৰ্কে কটনিয়ান ঐক্যবদ্ধ হোৱা প্ৰয়োজন। এই প্ৰতিশ্ৰুতিয়ে হ'ব শতবৰ্ষৰ প্ৰাক্‌মুহূৰ্তত অসমৰ ৰাইজলৈ কটনিয়ানৰ সৰ্বোত্তম উপহাৰ।

**ৰাজেন দাস**
স্নাতক দ্বিতীয় বৰ্ষ (দৰ্শন)

অসমৰ গৌৰৱৰ স্থল, উচ্চ-শিক্ষাৰ প্ৰাণকেন্দ্ৰ, অসমৰ নন্দনকানন কটন কলেজে আৰু কেইদিনমান পিছত এশ বছৰ পূৰ্ণ কৰিব আৰু লগে লগে ইয়াৰ শতবৰ্ষ উদ্‌যাপন কৰা হ'ব। কেনে এক সুখবৰ! কটন কলেজৰ কৰিডৰত থকা ছাৰ হেনৰী জনষ্টীডমেন কটনৰ প্ৰতিমূৰ্তিত থকা ৰংসমূহ নাইকীয়া হৈ গৈছে যদিও আমি আজিও তেওঁৰ জলজল-পট-পট প্ৰতিমূৰ্তিক সগৌৰৱেৰে আত্মসমৰ্পণ কৰো। যিগৰাকী মহান ব্যক্তিৰ কঠোৰ চেষ্টাত কটন কলেজ প্ৰতিষ্ঠা হ'ল আৰু যাৰ অধ্যক্ষতাত কটন

কলেজৰ শ্ৰেণীসমূহ ১৯০১ চনৰ পৰা চালুকীয়া হ'ল সেইজন ব্যক্তিক আমি আজি হেৰুৱাইছো, কিন্তু তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিবৰ বাবে আমি আজি সোণালী সুযোগ পাইছো। প্ৰায় ৯৮ টা বসন্ত গচকি কটনে বৰ্তমানৰ এই সোণালী মঞ্চত উপস্থিত হৈছে, যদিও আগৰ সেই কটনিয়ান আৰু বৰ্তমানৰ কটনিয়ানৰ মাজত এক আকাশ-পাতাল প্ৰভেদ দেখা যায়। তথাপি এই অনুষ্ঠান আমাৰ শ্ৰদ্ধাৰ, অতিকৈ আপোন। দেশৰ প্ৰায়সকল মুধাফুটা ব্যক্তিক এই অনুষ্ঠানে জন্ম দিছে। প্ৰাক স্বাধীনোত্তৰ কলতো এই অনুষ্ঠানৰ আছিল এক অনবদ্য অৱিহণা; সেই সময়ত যি সাম্যবাদী আন্দোলনে ৰাজ্যত গা কৰি উঠিছিল, তাত কটনিয়ানসকলে যথেষ্ট পৰিশ্ৰম দান কৰিছিল আৰু সেই উজ্বল-ইতিহাসক বুকুত বান্ধি লৈয়েই বৰ্তমান আমি শতবৰ্ষ উদ্‌যাপনৰ দুৱাৰদলিত উপনীত হৈছো। কেৱল অধ্যয়নৰে পৰিসৰ হৈ নাথাকি কটন কলেজ হৈ পৰিছে খেলা-ধূলা, সাহিত্য-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। অসমৰ দ্বিতীয় শুক্ৰা, কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰাকমুহূৰ্তত এই অনুষ্ঠানটোনো কেনেদৰে শতবাৰ্ষিকী উদ্‌যাপিত হ'ব তাক চালি জাৰি চোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

সম্প্ৰতি মহাবিদ্যালয়খনে শতবাৰ্ষিকী উদ্‌যাপনৰ দিশত আগবাঢ়ি গৈছে আৰু ২০০১ চনত এই মহাবিদ্যালয়ৰ শতবাৰ্ষিকী উদ্‌যাপন কৰা হ'ব। এই অনুষ্ঠানৰ এশ বছৰীয়া গৌৰবোজ্বল ইতিহাস আৰু ঐতিহ্যৰ বাবেই ১৯৯২ চনত প্ৰাক্তন ৰাষ্ট্ৰপতি ড° শংকৰদয়াল শৰ্মাই এই অনুষ্ঠানক 'উৎকৃষ্টতাৰ কেন্দ্ৰ' হিচাপে ঘোষণা কৰে। প্ৰায় ৫০০০ ছাত্ৰ আৰু ২৫০ গৰাকী শিক্ষকেৰে এই মহাবিদ্যালয় নিজেই এক বৃহৎ শৈক্ষিক আৰু বিদ্যায়তনিক অনুষ্ঠান হৈ পৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ উপৰিও ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা মুধাফুটা ব্যক্তিসকল এই মহাবিদ্যালয়ৰে ছাত্ৰ আছিল। অসমৰ প্ৰায়বোৰ বুদ্ধিজীৱিয়েই এসময়ত কটন কলেজৰ মুধাফুটা ছাত্ৰ কিম্বা শিক্ষক আছিল। সেই পৰম্পৰা এতিয়াও বৰ্তি আছে, কিন্তু পৰিবৰ্তিত পৰিস্থিতিত, সি ৰাজনৈতিকেই হওক, সামাজিকেই হওক, আমি নিস্পৃহ সমালোচনা কৰা যুগুত বুলি ভাৱো। এতিয়া আমাৰ আটাইতকৈ প্ৰয়োজন আত্মসমালোচনাৰ। শতবৰ্ষ উদ্‌যাপনৰ আধাৰতেই প্ৰত্যেকগৰাকী কটনিয়ানে নিজক শুদ্ধ পথলৈ অনাৰ চেষ্টা কৰক। কেৱল পাঠ্যপুথিৰ জ্ঞানেৰেই চহকী হোৱাৰ পৰিবৰ্তে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হ'বলৈ প্ৰত্যেকগৰাকী কটনিয়ানে আগবাঢ়ি অহা উচিত। কাৰণ এসময়ত যদিও বিশ্বাস কৰা হৈছিল যে 'আজিৰ কটনিয়ানে যি ভাবে কাইলৈৰ অসমে তাকে ভাৱিব' তাক আজি কোনেও মানি নলয়। কাৰণ বৰ্তমান কটনিয়ানৰ মানসিকতা বাহিৰৰ প্ৰত্যেকগৰাকী মানুহে এতিয়া আৰু নুবুজাকৈ থকা নাই। কটনিয়ানে নিজস্বতা হেৰুৱাইছে। পশ্চিমীয়া সংস্কৃতিৰ অবাধ আক্ৰমনত কটনিয়ানসকলে পাহৰি গৈছে নিজৰ দায়িত্ব আৰু কৰ্তব্যবোধক, নিজৰ দেশৰ প্ৰতি থকা সমাজ-সচেতনতাক। কটনিয়ান সকলৰ আত্মসমালোচনা খুবেই প্ৰয়োজন বুলি আমি অনুভৱ কৰো। আমাক বিচাৰ লাগে। ভালে কেইগৰাকী শুদ্ধ আৰু বিবেকৰুচি সম্পন্ন কটনিয়ানক আমি মাজবাটতে হেৰুৱাবলগীয়া হৈছো। কোনে হত্যা কৰিছে এইসকল কটনিয়ান বন্ধুক তাৰ যেন কোনো বাচ-বিচাৰেই নাই। যোৱাবছৰত নিহত হ'ল সাংস্কৃতিক সম্পাদক গৌতম বৰুৱা। এচাম দুবৃত্ত কটনিয়ানৰ পাকচক্ৰত অকালতে জীৱন দান কৰি গ'ল এই অমায়িক, শিল্পী ছাত্ৰ-কটনিয়ানজনে, তাৰ আজি কোনো বিচাৰ নাই তদন্ত নাই! এনেদৰেই চলি আছে কটনিয়ানৰ প্ৰশাসন যন্ত্ৰ। তাৰোপৰি এই অনুষ্ঠানৰে প্ৰাক্তন ছাত্ৰ বিপ্লৱী বীৰ সাংবাদিক পৰাগ কুমাৰ দাসক ৰাজপথত গুলিয়াই কুকুৰৰ দৰে হত্যা কৰা হ'ল। তাৰো আজিলৈকে কোনো অনুসন্ধান নহ'ল। কটন কলেজ কৰ্তৃপক্ষও এই বিষয়ত সম্পূৰ্ণৰূপে নিমাত। গতিকে শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰাকমুহূৰ্তত আমি কৰ্তৃপক্ষৰ ওচৰত এইটোও অনুৰোধ জনাও যে বিগত কালছোৱাত যিসকল কটনিয়ান বন্ধুই কোনো অচিনাকী দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুৱালে, সেইসকলক আমি শ্ৰদ্ধাৰে সোঁৱৰা উচিত আৰু হত্যাকাৰীসকলক যিকোনো উপায়েৰে কৰায়ত্ত কৰি শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগে।

শিক্ষাৰে শিক্ষিত হ'বলৈ প্ৰত্যেকগৰাকী কটনিয়ানে আগবাঢ়ি অহা উচিত। কাৰণ এসময়ত যদিও বিশ্বাস কৰা হৈছিল যে 'আজিৰ কটনিয়ানে যি ভাবে কাইলৈৰ অসমে তাকে ভাৱিব' তাক আজি কোনেও মানি নলয়। কাৰণ বৰ্তমান কটনিয়ানৰ মানসিকতা বাহিৰৰ প্ৰত্যেকগৰাকী মানুহে এতিয়া আৰু নুবুজাকৈ থকা নাই। কটনিয়ানে নিজস্বতা হেৰুৱাইছে। পশ্চিমীয়া সংস্কৃতিৰ অবাধ আক্ৰমণত কটনিয়ানসকলে পাহৰি গৈছে নিজৰ দায়িত্ব আৰু কৰ্তব্যবোধক, নিজৰ দেশৰ প্ৰতি থকা সমাজ-সচেতনতাক। কটনিয়ান সকলৰ আত্মসমালোচনা খুবেই প্ৰয়োজন বুলি আমি অনুভৱ কৰো। আমাক বিচাৰ লাগে। ভালে কেইগৰাকী শুদ্ধ আৰু বিবেকৰুচি সম্পন্ন কটনিয়ানক আমি মাজবাটতে হেৰুৱাবলগীয়া হৈছো। কোনে হত্যা কৰিছে এইসকল কটনিয়ান বন্ধুক তাৰ যেন কোনো বাচ-বিচাৰেই নাই। যোৱাবছৰত নিহত হ'ল সাংস্কৃতিক সম্পাদক গৌতম বৰুৱা। এচাম দুৰ্বৃত্ত কটনিয়ানৰ পাকচক্ৰত অকালতে জীৱন দান কৰি গ'ল এই অমায়িক, শিল্পী ছাত্ৰ-কটনিয়ানজনে, তাৰ আজি কোনো বিচাৰ নাই, তদন্ত নাই! এনেদৰেই চলি আছে কটনিয়ানৰ প্ৰশাসন যন্ত্ৰ।

কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপন হোৱাটো আমি সকলোৱে একেমুখে স্বীকাৰ কৰো। কিন্তু, প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰা যিটো প্ৰক্ৰিয়াৰে ধন সংগ্ৰহৰ ব্যৱস্থা হাতত লোৱা হৈছে, তাক আমি মুঠেই পছন্দ নকৰো। কাৰণ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাবে কটন কলেজলৈ যে অকল মধ্যবিত্ত সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীবোৰেহে পঢ়িবলৈ আহে, এনে নহয়, বৰং দুখীয়া পৰিয়ালৰ নিম্ন আয়ৰ লোকৰ ল'ৰা-ছোৱালীও কটনত পঢ়িবলৈ আহে। যিটো সময়ত সম্পূৰ্ণ কিতাপ যোগাৰ কৰি পঢ়াশুনা কৰাটোও তেওঁলোকৰ বাবে সামৰ্থ্যৰ পৰিসীমাৰ নহয়, সেই সময়ত এনেদৰে এশ টকাকৈ দিবলৈ তেওঁলোকৰ বাবে সামৰ্থই ক'ত? গতিকে আমি কলেজ কৰ্তৃপক্ষই ধন সংগ্ৰহৰ এনে ব্যৱস্থাটো উঠাই লোৱাটো বিচাৰো। কটন কলেজ যিহেতু বেচৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান নহয়, গতিকে এই অনুষ্ঠানৰ বাবে চৰকাৰী অনুদানৰো অভাৱ হোৱা নাই। সেয়েহে প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰা ধন-সংগ্ৰহ কৰি জাক-জমকতাৰে শতবৰ্ষ উদ্‌যাপন কৰাটো আমি মুঠেই

পছন্দ নকৰো।

কটন কলেজ অধ্যয়নৰ পৰিসৰৰ ক্ষেত্ৰত এতিয়াও ভালেখিনি পিছপৰি আছে। শিক্ষা সম্পৰ্কে কোঠাৰি আয়োগে কৈছিল যে ভাৰতবৰ্ষৰ ভৱিষ্যত শ্ৰেণীকোঠাই নিৰ্ণয় কৰিব। কিন্তু পাঠ্যক্ৰম শিক্ষাৰ পৰিসৰ অতিক্ৰম কৰি অধ্যয়নৰ বহল আৰু গভীৰ সীমাস্পৰ্শ কৰিব নোৱাৰিলে এই সুদূৰপ্ৰসাৰী নীতিয়ে সুকীয়া মাত্ৰা লাভ কৰিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰম বৰ্হিভূত কিতাপ পত্ৰ অধ্যয়ন কৰে যদিও, সেইসকলৰ বহুতেই 'কেৰিয়াৰ' গঠনত সহায় কৰিব পৰা আলোচনী আদিতেই অধ্যয়ন সীমিত কৰে। আনহাতে, বুদ্ধিৰ বিকাশ বা জ্ঞান আহৰণৰ বাবে পৰিবেশ অনুকূল হৈ নুঠে। যান্ত্ৰিক ব্যক্তিকেন্দ্ৰীকতাৰ পৰা মুক্তি পাবলৈ যি অধ্যয়নৰ পৰিসৰ নিৰ্দেশ কৰা হয়, সিও ব্যক্তিকেন্দ্ৰিকতাতেই আবদ্ধ হৈ পৰে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আজি কোনেও তথ্যগধূৰ সম্বলিত গ্ৰন্থ অধ্যয়নৰ প্ৰতি আদৰ্শ নেদেখুৱায়। সেই একেটা কাৰণতে আমাৰ বৌদ্ধিক জগতখনো শূন্যতাই আগুৰি ধৰে আৰু এইদৰেই আমাৰ নৈতিকতাত ব্যাঘাত জন্মে। হয়তো বৰ্তমান কটন কলেজত নৈতিক-উশৃংখলতাই দেখা দিয়াৰ সিও এক অন্যতম কাৰণ। গতিকে কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰাকমুহূৰ্তত আমি নৈতিকতাৰ সতে জীৱন সংগ্ৰামত নামি পৰা উচিত।

পুথিভঁৰালৰ শোচনীয় অৱস্থাই বহুসময়ত আমাক আলি-দোমোজাৰ ক্ৰুছলৈ লৈ যায়। যিখন গ্ৰন্থ বা কিতাপ বিচাৰি আমি গ্ৰন্থাগাৰিকৰ সন্মুখত উপস্থিত হওঁ সেইসময়ত গ্ৰন্থখন দিবলৈ অপাৰগ হয়, ইয়াৰ বাবে এজন ছাত্ৰ বা ছাত্ৰীৰ অধ্যয়নৰ ক্ষেত্ৰত ব্যাঘাত নজন্মেনে বাৰু? তাৰোপৰি কিতাপ ৰাখিবৰ বাবে এটা যথোপযুক্ত ঘৰ নিৰ্মাণ নোহোৱাত বহুত কিতাপ আমি উঁই-চিৰিঙা, নিগনি পোক আদিৰ হাতত এৰি দিব লগা হৈছে। এনেদৰেই আমাৰ মাজৰ পৰা অনেক মূল্যবান গ্ৰন্থ কালৰ সোঁতত উটি গৈছে। তালৈ কৰ্তৃপক্ষৰ কোনো ভ্ৰূক্ষেপেই নাই। তথাপি আমি এই কথা ক'ব খোজো যে ঘৰৰ আকাৰ বা কম্পিউটাৰ আদিয়ে পুথিভঁৰালৰ সেৱাৰ মান নিৰূপণ নকৰে। কৰে সেই সেৱাৰ দ্বাৰা উপকৃত পঢ়ুৱৈ আৰু নিয়মিত ব্যৱহাৰ হোৱা কিতাপৰ পৰিসংখ্যাই। কিন্তু সেইফালৰপৰাও তেওঁলোক যেন আগবাঢ়িব পৰা। সময় গতিশীল হোৱাৰ লগতে আমি উন্নত মানৰ গ্ৰন্থাগাৰ সেৱা আৰু শিক্ষা পদ্ধতিৰ যোগেদি দেশৰ নাগৰিকসকলৰ মান বঢ়াব লাগিব।

ৰসায়ন বিজ্ঞান বিভাগত ব্যৱহাৰিক যন্ত্ৰপাতিৰ অভাৱ আৰু এটা ব্যৱহাৰিক শাখাৰ গৃহ নিৰ্মাণৰ অভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ দিশত এক অপূৰ্ব প্ৰভাব পেলায়। তাৰ পৰা বহুতো প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বিদ্যায়তনিক দিশত আগবাঢ়ি যাব অসুবিধা বোধ কৰে। সেয়েহে আমি কৰ্তৃপক্ষৰ ওচৰত এই দাবী জনাও যে কৰ্তৃপক্ষই কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপনৰ আগতেই এটা Science building তৈয়াৰ কৰি উলিয়াওক। অন্যথা জাকজমকতাৰে শতবাৰ্ষিকী উদ্‌যাপনৰ কোনো যুক্তিযুক্ততা নাথাকে।

আজি কিছুদিনৰ পৰা কলেজখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীক কোনো বিশেষ ৰাজনৈতিক চক্ৰ এটাই গিলি পেলাইছে। ৰাজনীতিৰ বলি হ'ব লগা হৈছে কটনিয়ানসকল। নিজৰ জীৱনৰ বাটত কাইট হৈ থিয় দিছে দলীয় ৰাজনীতিৰ পৰম্পৰাই। কটন কলেজত অনুষ্ঠিত হোৱা সাম্প্ৰতিক নিৰ্বাচন সমূহে তাকে নুসূচায় জানো? বৰ্তমান কটন কলেজৰ নিৰ্বাচন বিধানসভাৰ নিৰ্বাচনতকৈ কোনো গুণে কম নহয় বুলি আমি ক'ব খোজো। সেইবুলি আমি ছাত্ৰ-ছাত্ৰীসকলে ৰাজনৈতিক চিন্তাধাৰাৰ পৰা আঁতৰি আহক সেই কথা ক'ব খোজা নাই। অশুভ ৰাজনীতিৰ সৰ্বময় প্ৰভাৱক ভেটা দিবলৈকে ৰাজনীতিৰ এটা নীতি আদৰ্শভিত্তিক ধাৰা লৈ তেওঁলোক আগুৱাই যোৱাটো বেছি প্ৰয়োজনীয়।

তথাপি কটন কলেজৰ পৰা ভাল প্ৰতিভা এতিয়াও আঁতৰি যোৱা নাই। যিটো সমস্যা লৈ বাতৰি কাকতবোৰে কটনৰ ইতিহাসত চেকা লগাইছিল সেই ভয়ংকৰ 'ৰেগিং' নামৰ ব্যাধিটো কটন কলেজৰ আবাসসমূহৰ পৰা আঁতৰি গ'ল। শৈক্ষিক জগতত কেনে এক জ্বলন্ত উদাহৰণ। তাৰোপৰি সাহিত্য-সংস্কৃতিৰ দিশতো কটনিয়ান সকল এতিয়া পিছ পৰি থকা নাই। প্ৰত্যেক বছৰে ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু সেইবোৰত প্ৰায় সংখ্যক কটনিয়ানেই অংশ গ্ৰহণ কৰে।

আমি মাথো এটি কথা ক'ব খুজিছো শতবৰ্ষ উদ্‌যাপনৰ প্ৰাক মুহূৰ্তত কলেজ কৰ্তৃপক্ষই কলেজখনৰ পকা দানবৰূপী ব্যাধিবোৰক দূৰ কৰাৰ চেষ্টা আৰু অভাব-অভিযোগ পূৰণ কৰি, শাসন ব্যৱস্থা কঠোৰ কৰি কলেজখনলৈ এটা সুস্থ পৰিবেশ উভতাই আনক। তেতিয়া দেখা যাব যে কটন কলেজ আকৌ আগৰ অৱস্থালৈ ঘূৰি গৈছে। সেই সময়ত এটা কথাই মনলৈ আহিব যে আজিৰ কটনিয়ানে যিভাৱে কাইলৈৰ অসমে তাকে ভাৱে।' আমি তাকেই কামনা কৰো। কটন কলেজে সুস্থিৰতাৰে শতবাৰ্ষিকী উদ্‌যাপন কৰক, তালৈ আমাৰ শুভেচ্ছা থাকিল আৰু লগতে সেই অনুষ্ঠান সফল হওঁক, তাৰেই কামনাৰে। জয়তু কটন কলেজ! জয়তু কটন কলেজ শতবৰ্ষ উদ্‌যাপন সমিতি।

কটন কলেজৰ প্ৰশাসনীয় ভৱনৰ প্ৰবেশদ্বাৰত ছাৰ হেনৰী ষ্টেডমেন কটনৰ যিটো প্ৰতিমূৰ্তি আছে সেইটোৰ বেছিভাগ অংশই প্ৰকৃত ৰং হেৰুৱাইছে, অথচ প্ৰতিমূৰ্তিৰ চকুকেইটাত সুকুমাৰ খনিকৰৰ হাতৰ পৰশৰ বাবেই হয়তো এতিয়াও যেন অশেষ আশা আছে তেনে লাগে। কটনৰ আটাইকেইটা ভৱন, ছাত্ৰাবাস, প্ৰেক্ষাগৃহ পুৰণা হৈ গৈছে, ক'ৰবাত খহিছে অথচ সেইবোৰৰ ভিতৰত এতিয়াও অহা-যোৱা কৰি আছে হাজাৰ সম্ভাৱনা। কটনৰ পুথিভঁৰাল বাহ্যিক অৱস্থা যিমান দুখলগা, ভিতৰত এতিয়াও সিমানেই ভাল-দৰকাৰী কিতাপ আছে যদিও আৰু বেছি থকাৰ প্ৰয়োজন। কটনৰ বৌদ্ধিক সফলতাৰ যিমান যশস্যা আছে তেনেদৰে সাংস্কৃতিক অৱক্ষয়ত কুযশ আছে। এনে কিছুমান আছে আৰু নাই লৈয়ে কটন কলেজে ১৯০১ চনৰ পৰা আহি আহি আজি ইয়াৰ জন্মৰ এশবছৰীয়া জয়ন্তী উদ্‌যাপনৰ প্ৰাকমুহূৰ্তত। কাগজে কলমে, মনে-প্ৰাণে এই জয়ন্তী উদ্‌যাপনৰ আয়োজন চলিছে। এই আয়োজনৰ আঁৰত আছে ভাল-বেয়াৰে সংমিশ্ৰিত আমাৰ অতীত আৰু আয়োজন সম্পূৰ্ণ হোৱাৰ পাছত আমাৰ লগত থাকিব কি? সেই একেই অতীতনে নতুন কিবা?

কটনৰ বৌদ্ধিক, সাংস্কৃতিক আৰু শৈক্ষিক যি গৌৰবোজ্বল ঐতিহ্য তাক সাৰথি কৰিয়ে আজি ই এশবছৰত ভৰি দিবলৈ যো-জা কৰিছে। অসম তথা সমগ্ৰ দেশতে কটনৰ যি সুনাম, সেয়া অতুলনীয়। হয়তো সেই সুনামৰ কোনোবাখিনিত কেৰোণ লাগিছে। তথাপি আজিও কটনৰ প্ৰতি মানুহৰ এক অজান ভালপোৱা। আমাৰ আগন্তুক উদ্‌যাপন সেয়ে হ'ব লাগে অতীতৰ আধাৰত অন্য এক ইতিহাস; প্ৰতিজন শুভাকাংক্ষীৰ ইচ্ছা আৰু ভালপোৱাৰ প্ৰতি থাকিব লাগে গভীৰ শ্ৰদ্ধা।

কটনক লাগে ইতিহাস সচেতনতা। পৰাধীনতাৰ যি পটভূমিত ইয়াৰ জন্ম, সেয়া পাৰ হৈ আহি এদিন ই স্বাধীনতাৰ দিন পাৰ কৰিলে। আৰু স্বাধীনতাৰ চল্লিছবো অধিক বছৰৰ পাছত ইয়াৰ অৱস্থান ক'ত? সেয়ে শতবাৰ্ষিকীৰ গয়নাত আমি ইতিহাস ৰোমন্থন কৰিব লাগে। কটন কলেজ মানে কটনৰ মহান অতীত, কটনিয়ান সমগ্ৰ কটন পৰিয়াল নে কটনৰ ওখ

ওখ ভৱনবোৰ শতবাৰ্ষিকী উদ্‌যাপন কালত আমি সেয়া ভাবিব লাগে।

আমাৰ আত্মসমালোচনা সেয়ে এই উদ্‌যাপনৰ অন্যতম আধাৰ হওক ঃ স্নাতকোত্তৰ পূৰ্ণতাপ্ৰাপ্ত এই শিক্ষানুষ্ঠানৰ প্ৰশাসনিক পৰিকাঠামো সম্পৰ্কে বিস্তৃতৰূপত জনমত গ্ৰহণ কৰা হওঁক শতবৰ্ষৰ জৰিয়তে। শতবাৰ্ষিকী উদ্‌যাপনৰ নামত দুৰ্গোৎসৱৰ জাকজমকতা আমাক নালাগে। স্তৱকৰ দৰে কটনক লৈ একেবোৰ কথাকে পাগুলি-পাগুলি, ডাঙৰ ৰভাঘৰৰ তলত উৎকৃষ্টতাৰ সন্মান আমি কাঢ়ি লোৱাৰ প্ৰয়োজন নাই। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আহি ঘোষণা কৰিলেই আমি উৎকৃষ্ট হ'ব নোৱাৰো। আমাৰ বিদ্যায়তনিক সফলতা, সামাজিক দায়বদ্ধতা, বুদ্ধিদীপ্ততা আৰু চিন্তা-চেষ্টাৰ উৎকৃষ্টতাইহে আমাক উৎকৰ্ষতাৰ বাবে সহায় কৰিব পাৰিব। কটন কলেজকে ধৰি সমগ্ৰ অসমৰ পাৰিপাৰ্শ্বিকতা ইমান ভয়াবহ যে স্ব-ঐতিহ্য আৰু সংস্কৃতিৰ পুনৰুদ্ধাৰৰ বাহিৰে গত্যন্তৰ নাই।

জন্মশতবাৰ্ষিকী উদ্‌যাপনত সংকল্প লোৱা হওক— গৌতম বৰুৱাই যেন অমানুহৰ হাতত মৃত্যু হোৱা শেষজন কটনিয়ান হয়। কটনত যদি কোনোবা ছাত্ৰ নেতাই সন্মানত আঘাত হানিব পৰাকৈ কু-কাৰ্য্য কৰিছে তেন্তে সংকল্প লোৱা হওঁক— সমগ্ৰ ছাত্ৰসমাজৰ বাবে এয়া শেষ কলংক হওঁক। কোনোবা শিক্ষক যদি ধন আত্মসাতৰ দৰে দুস্কাৰ্য্যত লিপ্ত হৈছে তেন্তে ইয়ে সমগ্ৰ শিক্ষক সমাজৰ বাবে শেষ অপমান হওঁক।

চিনাকি হোৱাৰ নামত যাতে কটনৰ আবাসত নৱাগতৰ মৃত্যু নহয়, মহাবিদ্যালয়ৰ নিৰ্বাচনত টকা আৰু বন্দুকৰ ভূমিকাৰ খবৰে যাতে আমাৰ উৎকৃষ্টতাৰ ঠিকনা হেৰুৱাই নেপেলায় জন্মশতবাৰ্ষিকী উদ্‌যাপনৰ জৰিয়তে তাৰ ব্যৱস্থা লোৱা হওক। জন্মশতবাৰ্ষিকীৰ নামত আমাক এনে এখন সাংস্কৃতিক সন্ধিয়া নালাগে যত মাইকেল জেকচন বা তেওঁৰ শিষ্যই আহি ৰাম্বা নৃত্য দিব আৰু আমি কিৰিলি পাৰিম। কাৰণ উদ্‌যাপনৰ সকলো শ্ৰম সেই কিৰিলিৰ মাজত হেৰাই যাবলৈ দিব নোৱাৰি। আমাক লাগে তেনেকুৱা গীত সুৰ কবিতা আৰু অভিনয়ৰ এটা সন্ধিয়া য'ত কটনৰ ঐতিহ্য, সংস্কৃতি আৰু আমাৰ আগৰ চাম পুৰুষৰ শ্ৰম আৰু সাধনাৰ মৰ্য্যদা আছে। য'ত আমাৰ এশবছৰীয়া ইতিহাসৰ উন্মাদনা আছে।

মুঠ কথাত দিয়া অথবা জন্মউৎসৱৰ দৰে এটা অনুষ্ঠান পাতি অনৰ্থক এসোপা ধন ব্যয় কৰাটো নিস্প্ৰয়োজন। শতবাৰ্ষিকীৰ বাবে যিবোৰ ধন প্ৰত্যেক ছাত্ৰৰে পৰা প্ৰতি বছৰে সংগ্ৰহ কৰা হৈছে সেইবোৰ কৰ্তৃপক্ষই গঠনমূলক কামত খৰচ কৰক। আত্ম সমালোচনাৰ বাবে আমাক সমাবেশৰ বিশালতা নালাগে। সেইবোৰ ধন সেয়ে বিজ্ঞানাগাৰ, তাৰ দ্ৰব্য আৰু লাইব্ৰেৰীৰ কিতাপ আৰু ভৱন নিৰ্মাণত ব্যয় কৰাটোৱে বুদ্ধিমানৰ কাম হ'ব। শতবাৰ্ষিকীৰ গয়না লৈ চিন্তা-চৰ্চা কৰা হওঁক কিয় কটনত ইনড'ৰ ষ্টেডিয়াম, অতিথিশালাৰ দৰে ব্যৱহাৰিক বস্তুবোৰ সম্পূৰ্ণ হৈ উঠা নাই। কিয় ছাত্ৰী নিবাসৰ ভৱন পৰ্য্যাপ্ত পৰিমাণে নাই। মহাবিদ্যালয়ৰ বিদ্যুতৰ বিল সমূহ অনাদায়ৰ ইতিহাসো যেন কলংক নহয় তাৰ বাবে হাতে কামে লাগিব (ব্যৱহাৰিক ভাৱে) সংশ্লিষ্ট প্ৰতিজন ব্যক্তি। কেৱল সভা পাতি চিন্তা-চৰ্চা কৰিলেই নহ'ব, ব্যৱহাৰিকভাবে আগবাঢ়িব লাগিব। এইবোৰৰ অবিহনে শতবাৰ্ষিকী উদ্‌যাপন অৰ্থহীন হৈ ৰ'ব।

শতবাৰ্ষিকীৰ আধাৰত শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক মধুৰৰ পৰা মধুৰতৰ হোৱা উচিত। এই উদ্‌যাপন হওক এক সংমিশ্ৰণ। পুনৰুদ্ধাৰ, সংকল্প আৰু ভাব বিমোহনৰ অনুষ্ঠান। মহাবিদ্যালয়ক যদি এটা সুস্থ শৈক্ষিক পৰিবেশ লাগে তাৰ বাবে শিক্ষক ছাত্ৰৰ সমন্বয়েই হ'ব প্ৰথম প্ৰয়োজনীয় চৰ্ত।

স্বাধীনতাৰ আগৰ তথা পিছৰ কালত স্বাধীনতা সংগ্ৰাম, সাম্যবাদী আন্দোলন আৰু শেহতীয়াভাৱে ছাত্ৰ আন্দোলনত কটনৰ ছাত্ৰৰ অসাধাৰণ তথা নেতৃস্থানীয় ভূমিকা আছিল। সেয়ে সকলোৱে ছাত্ৰৰ আন্দোলন কামী মনোভাৱক নেতিবাচক বুলি ধৰি লোৱাতকৈ, পৰিবৰ্তনকামী বুলি ভাবিব পাৰিলেহে ইয়াৰ ইতিবাচক গুৰুত্ব বুজি পোৱা যাব।

মনোযোগ্য যে কটন পৰিয়ালৰ বাবে শতবাৰ্ষিকী আতচ-বাজী আৰু গান বাজনাৰ উৎসৱ হৈ আহিলে, ইয়াৰ আয়োজনৰ শ্ৰম আৰু সাৰ্থকতা আতচ-বাজীৰ শব্দতে বিলুপ পাব। ই আহক আমাৰ ঐতিহ্য, মৰ্য্যদা আৰু স্ব-সংস্কৃতিৰ পুনৰুদ্ধাৰৰ উৎসৱ হৈ। আমাক লাগে কটনিয়ানৰ প্ৰকৃত গৌৰৱত মুৰ দাঙি থিয় হৈ থাকিব পৰা এটা অৱস্থা— প্ৰাক্তন কটনিয়ান হৈ কটনৰ কু-যশত লজ্জিত হোৱাৰ এটা অৱস্থা সকলোৰে অকাম্য।

কটনত সাহিত্য প্ৰতিযোগিতা, সাংস্কৃতিক প্ৰতিযোগিতাত আজি প্ৰতিযোগীৰ অভাৱ। কটনিয়ানখন মাহে মাহে নোলায় আৰু বহু সময়তে সম্পাদকেও লেখা বিচাৰি হাবাথুৰি খাব লগা হয়। এই অৱক্ষয়ৰ কথাবোৰ চিন্তা নকৰিলে শতবাৰ্ষিকী পাতি কাৰ লাভ হ'ব? সেয়ে কটনক এটা সাংস্কৃতিক পৰিক্ৰমাৰ প্ৰয়োজন। যিবোৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান কলেজত আছে, সেইবোৰৰ সু-বিকাশৰ বাবে শতবাৰ্ষিকী উদ্‌যাপন কালত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

এককথাত কটন কলেজ প্ৰত্যেকজন কটনিয়ানৰ আৰু বহল অসমীয়াৰ বাবে গৌৰৱ। কটন কলেজ এক প্ৰচুৰ সম্ভাৱনাৰ নাম। যাৰ গৰ্ভত লুকাই আছে প্ৰচুৰ সম্ভাৱনা, বহু উজ্বল ভৱিষ্যত। কটনৰ অতীত আৰু ঐতিহ্যৰ ৰোমন্থনত ইয়াৰ ভৱিষ্যতৰ পথ বিচাৰি পোৱা যাব। আগন্তুক শতবাৰ্ষিকী উদ্‌যাপনৰ উদ্দেশ্য এই পথ উদ্ধাৰৰ প্ৰচেষ্টা। সাগৰ তলিৰ সংখ্যাৰ দৰে কেনেকৈ এই সম্ভাৱনাবোৰক সমাজৰ সৰ্বাংগীন বিকাশত লগাব পৰা যায় তাৰ বাবে ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য ৰাখি চিন্তা চৰ্চা কৰা হওক এইবোৰ চিৰ প্ৰয়োজনীয় কথা ভাবিবলৈ। আত্মসমালোচনা কৰিবলৈ আমাক লাগে সংস্কৃত মানসিকতা, চৰ্চা, তৰ্ক-আলোচনা আৰু কথাশুনা মানুহৰ সভা। তাৰ বাবে বিবাহ উৎসৱৰ দৰে হাজাৰ বিজাৰ মানুহৰ সমাবেশৰ প্ৰয়োজন নাই। তেনে উদ্‌যাপনৰ কোনো অৰ্থ নাই। অৰ্থ থাকিব তেতিয়াহে যেতিয়া কটন আৰু কটনিয়ানৰ প্ৰতিভা, বুদ্ধিদীপ্ততা আৰু উৎকৰ্ষতাৰ উচ্চতা দেখি কটনৰ সতে জড়িত প্ৰতিজন ব্যক্তি, অভিভাৱকে নিজে এখন সমাবেশৰ আয়োজন কৰিব আমাক অভিনন্দন জনোৱাৰ বাবে। সেয়ে আগন্তক শতবাৰ্ষিকী উদ্‌যাপন সংকল্প আৰু পুনৰুদ্ধাৰৰ উদ্দেশ্যৰে অনাড়ম্বৰ ভাৱে দীৰ্ঘম্যাদী পৰ্য্যায়ত অনুষ্ঠিত হওক। আমাক লাগে চিন্তা আৰু কৰ্মৰ ব্যাপ্তি। ভাষণৰ ফুলজাৰি নালাগে। কটন কলেজৰ ভৱনৰ ক্ষত অংশ পুনৰ নিৰ্মাণ কৰিব পৰা কিছু নৈতিক আৰু সাংস্কৃতিক তথা বৌদ্ধিক অৱক্ষয় ইটাবালিৰ দৰে গঢ়িব নোৱাৰি। এই কেউটি দিশতে প্ৰচুৰ আশা আৰু সম্ভাৱনাৰ পথ যদিহে কটনৰ শতবাৰ্ষিকী উদ্‌যাপনে মুকলি কৰিব পাৰে তেন্তে কটন তথা সমগ্ৰ কটন পৰিয়ালৰ বাবে এক গভীৰ শ্ৰম আৰু মৰ্যদাৰ সাৰ্থকতা আহিব। এই আশা আৰু সম্ভাৱনাৰ কটন কলেজ কবিয়ে কোৱাৰ দৰে সদায় চিৰযৌৱনা হৈ থাকক— "তুমি অসমৰ দীপ্ত প্ৰাণৰ প্ৰদীপ্ত মেজি জুই

তোমাৰ নাচৰ ছেঁৱে ছেঁৱে ফুলে আশাৰ পাপৰিবোৰ
উঠি অহা ডেকাদলৰ চকুত ফিৰিঙতি সানি দিয়া
লুইত পাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ"

জয়তু কটন কলেজ! কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপন চিৰ-সফল হওঁক।

**বিপুল কলিতা**
স্নাতক ৩য় বৰ্ষ (ইংৰাজী)

# কটন কলেজৰ শতবাৰ্ষিকী ঃ
# প্ৰাক্তন সাধাৰণ সম্পাদকৰ মতামত

অহা ২০০১ চনত কটন কলেজ স্থাপনৰ এশবছৰ পূৰ্ণ হ'ব। অসম তথা সমগ্ৰ উত্তৰ- পূৰ্বাঞ্চলৰ ঐতিহ্যপূৰ্ণ এই শিক্ষা-সংস্কৃতিৰ কেন্দ্ৰটোৰ অতীত আৰু বৰ্তমানৰ অভিলেখৰ লগতে ভৱিষ্যতৰ আঁচনিৰ বিষয়ে এখন তথ্য সমৃদ্ধ পুস্তক ইংৰাজী আৰু অসমীয়া ভাষাত প্ৰকাশ কৰিলে ভাল হ'ব বুলি ভাবোঁ। এই শিক্ষানুষ্ঠানটিৰ লগত জড়িত বিশিষ্ট অধ্যক্ষ, অধ্যাপক তথা ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশলৈ আগবঢ়োৱা অবদানৰ চমু বিৱৰণ উক্ত পুথিত সন্নিবিষ্ট কৰিব পাৰে। তাৰবাবে এতিয়াৰ পৰা কটনিয়ানৰ পৰিপূৰিকা যেনেকৈ হেৰাই যাব খোজা তথ্য আদি প্ৰকাশ কৰি থাকিলে মূল গ্ৰন্থখন যুগুত কৰাত সহায়ক হ'ব। পুথিখন প্ৰকাশৰ বাবে আৰু অন্যান্য স্মাৰক অনুষ্ঠান বা স্থায়ী আঁচনিৰ বাবে দেশ বিদেশত থকা প্ৰাক্তন কটনিয়ান সকলৰ লগত এতিয়াৰ পৰা যোগাযোগ কৰিলে আৱশ্যকীয় ধনৰ অভাৱ নহ'ব যেন লাগে।

দ্বিতীয়তে, বৰ্তমানৰ ছাত্ৰাবাসবোৰে আবৰি ৰখা মাটিৰ বৃহত্তৰ অংশ মুকলি কৰাই খেল-ধেমালিৰ ব্যাপক সা-সুবিধাৰ থল উলিয়াব পাৰি। বিকল্প হিচাপে বহুমূলীয়া নতুন গৃহনিৰ্মাণেৰে ছাত্ৰাবাস নিৰ্মাণ কৰিব পাৰিলে দুয়োটা সমস্যাৰ সমাধান সম্ভৱ হ'ব পাৰে। ছাত্ৰী আবাস এটাও বৰ্তমানৰ 'কলেজ কমপ্লেক্স'ৰ লগতে নিৰ্মাণ কৰাৰ বিষয়ে চিন্তা কৰাৰ থলো নথকা নহয়। তদুপৰি বৃত্তিমুখী আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ লগত জড়িত নতুন পাঠ্যক্ৰম কেইটামানৰ প্ৰৱৰ্তন কৰিব পাৰিলে ভাল হ'ব।

এই বিলাক কাম আৰু আজিৰ দীৰ্ঘম্যাদী আঁচনিৰে কটন কলেজক আধুনিক দৃষ্টিৰে নতুন গঢ় দিবলৈ সমগ্ৰ ব্যৱস্থাটোক এটা পৰিকল্পিত স্বায়ত্বশাসিত ন্যাসৰ দ্বাৰা পৰিচালিত কৰিব পাৰিনেকি- এইবিষয়ে এতিয়াৰ পৰা মুকলি আলোচনা, জনমতৰ সমীক্ষা আৰু চিন্তাবিদ, শিক্ষাবিদসকলৰ মতামত সংগ্ৰহৰ অৰ্থে বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যমৰ লগত সংযোগ কৰিলে ভাল হ'ব। সময় আমাৰ হাতত বেছি নাই; চাওঁতে চাওঁতে তিনি চাৰি বছৰ পাৰ হৈ যাব।

এসময়ৰ 'কটনিয়ান' বুলি গৌৰৱ কৰা আৰু তেতিয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা ইউনিয়নৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হৈ সেৱা কৰাৰ সুযোগ পোৱা এজন সাধাৰণ কৰ্মী হিচাপে এইখিনি ক'বলৈ সুযোগ দিয়া বাবে সম্পাদক শ্ৰীবৰকাকতিক ধন্যবাদ জনালোঁ।

**ফণী তালুকদাৰ**

১) শতবাৰ্ষিকী উপলক্ষে কটন কলেজৰ শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা প্ৰাক্তন শিক্ষক, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ৰচিত বা প্ৰকাশিত গ্ৰন্থ সমূহৰ এখনি প্ৰদৰ্শনী আয়োজন কৰাটো যুক্তি সংগত হ'ব।

২) এই উপলক্ষে ডাক-টিকট উলিওৱাৰ ব্যৱস্থা কৰিলে ভাল হব। এই বিষয়ে ইতিমধ্যে এক জনমত গঢ়ি উঠিছে।

৩) শতবাৰ্ষিকী উপলক্ষে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ এটি অনুষ্ঠান গঢ়ি তোলা মতৰ প্ৰতি ময়ো একমত।

**প্ৰণৱ কুমাৰ চৌধুৰী**

*পৃথিৱীত যেতিয়াই হয়তো থাবলৈ নোপোৱাবোৰে খাবলৈ বিচাৰিছে তেতিয়াই হয়তো তথাকথিত পলিটিক্সৰ জন্ম হৈছে। আমাৰ বৰ্তমান চৰকাৰেও এদিন পলিটিক্স কৰিছিল বৃটিচৰ শাসনৰ তলত, তেতিয়া বৃটিচ চৰকাৰে দেশৰ সেৱা কৰিছিল। স্বাধীনতাৰ পিচত আজিৰ চৰকাৰে দেশৰ সেৱা কৰিছে, পলিটিক্স কৰা নাই, কিন্তু এতিয়াও এটা দলে খাবলৈ বিচাৰি চিএঞৰিছে, আশ্ৰয় বিচাৰি কান্দিছে, ইয়াতেই বিসকল আগবাঢ়ি গৈছে, প্ৰতিবাদ দাঙি ধৰিছে, তেওঁলোকে পলিটিক্স কৰিছে। তেওঁলোক ৰাজনৈতিক দলৰ মানুহ।*

—নবীন বৰুৱা, কটন কলেজ

ভিন্ন-ছন্দ

# মহাকাশত নিসংগ উল্কা

❏ উমেশ দেৱ শৰ্মা

.... মাথো কেইটিমান মুহূৰ্ত। মানুহজন আহিছিল। গ'লগৈ। বেছিভাগেই কথাটো গমেই নাপালে। অৱশ্যে গম নাপাবৰেই কথা। গম পাবলগা কামেই বা তেওঁ কি কৰিছিল? চিনাকিয়েই বা আছিল কিমানজনৰ সতে! যিকেইজনে তেওঁক জানিছিল সেইকেইজনো গ'লগৈ অন্যফালে। মানুহজন অলপ ব্যতিক্ৰম। সদায় যাব খোজে সোঁতৰ বিপৰীতে। কিন্তু নোৱাৰে। তেওঁৰ বিশ্বাস তেওঁ পাৰিবই।

.... এ বেডুইন। ল'নলি আইলেণ্ড। চি অৱ হিউমেন। ঠিকনাটো বৰ আচৰিত লাগিছিল। নিৰ্বোধৰ দৰে তেওঁৰ ওচৰ চাপিছিলো। তেওঁ হেনো অকলশৰীয়া। অকলশৰীয়া? (!) শব্দটো শুনি মোৰ হাঁহি উঠি গ'ল। ছশ-কোটি মানুহৰ এই পৃথিবীত তেওঁ অকলশৰীয়া? কি ? মানুহজন পাগল নেকি? মানুজনে প্ৰায়ে ওপৰৰ ফালে চাই থাকে। ওপৰলৈ অৰ্থাৎ ওখলৈ মানে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে শীৰ্ষত আৰোহণ কৰিব খোজে তেওঁ। এতিয়ালৈ পিচে তেওঁৰ সফলতা একেবাৰে নাই। কিন্তু তেওঁ বিশ্বাস কৰে তেওঁ হেনো পাৰিবই। নিজকে শিল্পী বুলি পৰিচয় দি ভাল পায়। সুধিছিলো- সহশিল্পীনো কোন? কাণে কাণে ক'লে সংগ্ৰাম। কথা শুনি বেবেৰিবাঙ লাগিলো। বহুদিন পিছত বুজিছিলো তেওঁৰ ঠিকনাৰ তাৎপৰ্য। ........

মানুহজন যেতিয়া ইয়ালৈ আহিছিল, অকলে অহা নাছিল। অকলে আহিবলৈ হেনো ভয় কৰিছিল। বহুত কিবা কিবি লৈ আহিছিল আৰু কাৰোবাৰ সতে। তেওঁ যিবোৰ সামগ্ৰী আনিছিল তাৰ ভিতৰত আটাইতকৈ মূল্য দিব পৰা বিধৰ আছিল আশা। হয়, তেওঁৰ বোলে বহুত আশা আছিল। লৈ আহিছিল লক্ষ্য। যিয়ে তেওঁক ইয়াত থকা দিন কেইটা ধৈৰ্য ধৰিবলৈ আৰু কষ্ট কৰিবলৈ প্ৰেৰণা যোগাইছিল। তেওঁ আছিল মৰম আকলুৱা। পৃথিবীৰ সকলো প্ৰাণীকে তেওঁ মৰম দিব বিচাৰে আৰু প্ৰত্যেকৰে পৰাই বিচাৰে মৰম। সেয়ে তেওঁ প্ৰেয়সীৰ স্মৃতিয়ে সদায় বেদনাহে কঢ়িয়াই আনে। মৰমৰ স্মৃতিৰ বেদনা সহ্য কৰি তেওঁ ভাল পাইছিল। তেওঁৰ ৰোমাঞ্চৰ সংগী আছিল স্মৃতি আৰু নীৰৱতা। .......

.......মানুহজন ইয়ালৈ আহিবৰ দিনাখন যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়েই মুখামুখি হৈছিল সহস্ৰ যৌৱনৰ। কিছুমান দিক্‌ভ্ৰান্ত হতাশ আৰু কিছুমান উচ্ছাস আৰু উলাহৰে ভৰা, নিজৰ দিশত ধাৱমান। তেওঁৰ বাৰে বাৰে মনত পৰিছিল চৈধ্য বছৰীয়া এনৰ "অন্তৰৰ গভীৰত যৌৱন বাৰ্ধক্যতকৈও অকলশৰীয়া" কথাষাৰিলৈ। তেওঁ নিজৰ অজ্ঞাতেই' অজস্ৰ ভাষা। তেওঁ সকলো ভাষা বুজি পোৱা নাছিল। তাই কিছুমান পাইছিল। মাথো কেইদিন মানৰ বাবে দুয়ো কিছুমান সুন্দৰ সপোন দেখিছিল। সপোন দেখি ভাল লাগিছিল। সিহঁতে সপোন দেখিবলৈ বিচাৰিছিল। হৃদয়ৰ গোপন কোনটো যাক উদঙাই দেখুৱাবলৈ মন যায় তেওঁক লৈ সপোন দেখাটো যে কিমান



আনন্দময়। কিন্তু সময়ে এদিন ঠিক কৰি দিছিল সিহঁতৰ কক্ষপথ। .....

মানুহজন নিজৰ কামত ব্যস্ত হৈ পৰিছিল। অথচ তেওঁ বুজি পোৱা নাছিল সেইয়া তেওঁৰ কৰণীয় হয় নে নহয়। তেওঁ ইয়ালৈ আহিছিল কেইটিমান পৰীক্ষা দিবলৈ। কব পাৰি জীৱন পৰীক্ষাত অৱতীৰ্ণ হবৰ বাবে বাছনি পৰীক্ষা দিবলৈ। আচলতে ইয়ালৈ অহাটো তেওঁৰ এটা সপোনেই আছিল। ইয়াৰ বিষয়ে তেওঁ কি ভাবিছিল বা ইয়ালৈ আহি তেওঁ কেনে পাইছিল সেইবোৰ তেওঁ মোক জনোৱা নাছিল, ইয়ালৈ অহা প্ৰত্যেকেই হেনো সেইবোৰ জানেই। ইয়ালৈ আহি তেওঁ কোনো দিনে নুশুনা শব্দ এটাৰ লগত অনিচ্ছা সত্বেও মুখামুখি হৈছিল। কেৰিয়াৰ। শুনি মোৰ হাঁহি উঠিছিল। যিটো শব্দক লৈ ইয়ালৈ অহা প্ৰত্যেকেই ব্যস্ত, যাক গঢ় দিয়াটোৱেই সকলোৰেই লক্ষ্য, সেই শব্দটোৰ বিষয়ে তেওঁ একে৷ জনাই নাছিল! মোৰ আকৌ আচৰিত হোৱাৰ পাল। তেওঁক হেনো কেৰিয়াৰ নালাগে। মানৱ জাতিৰ উপকাৰ কৰি শান্তিৰে, সুখেৰে নূন্যতম প্ৰয়োজন পূৰাই জীয়াই থকাটোৱেই হেনো তেওঁৰ কাম্য। মানৱ জাতিৰ উপকাৰ, নূন্যতম প্ৰয়োজন - শব্দবোৰ মোৰ হজম হোৱা নাছিল। বুজাই কঠিন. হৈ পৰিছিল। ময়োতো মানৱ। পৃথিৱীত থকা ইমান মানুহৰ উপকাৰ অকল এজন মানুহে কৰিব পাৰি নেকি! নূন্যতম প্ৰয়োজন— এৰা মোক লগা প্ৰত্যেকটো বস্তুৱেইতো মোৰ বাবে প্ৰয়োজন। তাত আকৌ নূন্যতম উচ্চতমৰ কি কথা আছে? মই সচাঁকৈয়ে বুজা নাছিলো।

মানুহজনে কষ্ট কৰিছিল। এজন ছাত্ৰ হিচাপে তেওঁ পৰীক্ষাবোৰত ভাল ফলাফল পাবলৈ যত্ন কৰিছিল। কিন্তু তেওঁৰ পৰীক্ষাৰ ফলাফল খুউব এটা ভাল হোৱা নাছিল। তেওঁ আকৌ এবাৰ ব্যৰ্থ হৈছিল। বহুতেই তেওঁৰ খবৰ সুধিছিল। তেওঁৰ ব্যৰ্থতাত বহুতেই

হাঁহিছিল। হাঁহিবোৰত লুকাই আছিল এক ভাব — তেওঁৰ মৃৰত একো নাই কিজানি। তেওঁ আচৰিত হৈছিল — মানুহৰ ব্যৰ্থতাত মানুহে সন্তুষ্টিৰ হাঁহি মাৰে? কিছুমানে তেওঁৰ ব্যৰ্থতাৰ কাৰণ জানিবলৈ (যি কাৰণতে নহওক) ইচ্ছুক হৈ পৰিছিল। তেওঁ উত্তৰ বিচাৰি পোৱা নাছিল। তেওঁ পৰীক্ষাৰ ফলাফলত খুউব গুৰুত্ব দিয়া নাছিল। জ্ঞানহে তেওঁ বিচাৰিছিল। তেওঁ কৰবাত শুনিছিল কৃতকাৰ্য্যতাৰ উচ্চতম শিখৰত আৰোহণ কৰাটো এক প্ৰকাৰ গ্লেমাৰহে। তেওঁ নিজে একো ধৰিব পৰা নাছিল। কিন্তু তেওঁ গ্লেমাৰ নিবিচাৰিছিল। গ্লেমাৰ বোৰ যে কিমান ক্ষন্তেকীয়া ! অথচ ইয়াৰ পিছত আমি যে কিমান দৌৰিছো। কথাবোৰ ভাবি উৱাদিহ তেওঁ পোৱা নাছিল। তেওঁ নিজকে খুব সৰল বুলি দাবী কৰিছিল। তেওঁৰ বাবে হেনো কেৰিয়াৰ, গ্লেমাৰ আদি শব্দবোৰ বৰ দুৰ্বোধ্য আছিল।

........ ইয়াত থকা দিন কেইটাত তেওঁ যিবোৰ মানুহৰ সংস্পৰ্শলৈ আহিছিল সেইবোৰৰ চৰিত্ৰ আছিল ভিন্ন। মানুহজনে যেতিয়া কৈছিল এজন ছাত্ৰ হিচাপে ইয়ালৈ অহা বুলি তেওঁৰ চৰিত্ৰৰ দুৰ্বোধ্যতাত মই হতবাক হৈছিলো। তেওঁ আহিছিল কটন কলেজত পঢ়িবলৈ। সেইবাবেই নেকি, তেওঁ ইয়ালৈ আহি লগ পোৱা চৰিত্ৰবোৰ শিক্ষাৰ লগত যথেষ্ট সম্পৰ্ক আছিল। তেওঁৰ মতে কটন কলেজ হেনো বৈচিত্ৰতাৰে পূৰ্ণ। তেওঁ কটনৰ গুণ গাইছিল মোৰ আগত। তেওঁলৈ একেথৰে চাই ভাবিছিলো - যি কটন কলেজৰ সূৰ্য্য অস্তগামী সেই কটনৰ সূৰ্য্য এওঁৰ দৃষ্টিত পূব দিগন্তত - এওঁ কেনে ধৰণৰ।

... সময় আহিছিল মানুহজনক নিবলৈ। তেওঁ গ'লগৈ। লৈ গ'ল বহুতো স্মৃতি যিবোৰে তেওঁক আমনি কৰিব চিৰদিন। সদায় তেওঁৰ মনত পৰিব মৰমৰ কটন কলেজলৈ। যদিও তেওঁ প্ৰতিযোগিতাৰ দৌৰত পিছ পৰিছিল তথাপিও তেওঁ আকৌ আহিব দৌৰিবলৈ। যোৱাৰ আগমুহূৰ্তত তেওঁ বুজি পালে জীৱন কিমান প্ৰতিযোগিতাপূৰ্ণ। তেওঁৰ উপলব্ধিত ধৰা পৰিল জীৱন যে মহাকাশত ঢপলিয়াই ফুৰা এটি প্ৰতিযোগী নিঃসংগ উল্কা।

*উমেশ দেৱশৰ্মা উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)ৰ ছাত্ৰ*



*পেইন্টিং ঃ হেনৰি মাটিছ্*

ভিন্ন ছন্দ

# চহৰ আৰু নৈ বিষয়ক

❒ সুৰেশ ৰঞ্জন গদুকা

### এক (ক) ঃ

সহস্ৰ মানুহ যেতিয়া নিদ্ৰামগ্ন, এখন চহৰ তেতিয়াৰ সাৰে আছে।

ওৰেটো ৰাতি নিঃশব্দে সৰিছে গছৰ পাতবোৰ। ওখ অট্টালিকাবোৰৰ আঁৰে আঁৰে উন্মোচিত হৈছে অচিনাক্ত পদাংকবোৰ। বহল বাটবোৰৰ নিঃস্ব উজ্জ্বলতাক আচ্ছন্ন কৰি ৰাখিছে কাইলৈৰ সম্ভাব্য দুৰ্ঘটনাবোৰৰ হিচাপ নিকাচে। দিনটোৰ আধৰুৱা কথাবোৰ এতিয়াও নাচি আছে নৈখনৰ উতনুৱা ঢৌবোৰত ; নৈ – যাৰ পাৰত আছে অতন্দ্ৰ চহৰ এখন।

মানুহ নাথাকে ৰাতিৰ বাটবোৰত। মানুহৰ ইচ্ছাবোৰ বগা মোনা একোটাত বন্ধ হৈ ওলমি আছে চিমেন্ট-স্তম্ভবোৰত। নিহঃপালি দিয়া মগজুৰ পৰা ওলাই অহা তথ্যবোৰ অবাধে ঘূৰি ফুৰিছে অলিয়ে-গলিয়ে। ক'তো অকণো শব্দ নাই। শব্দ নাই চকাৰ, বেলৰ উকিৰ। আছে ৰাতিৰ পোকবোৰৰ ভুনভুননি।

নিলগৰ ভগা জুপৰীকেইখনৰ অন্ধকাৰে তোমাক ক'ব নোৱাৰিব কেনে আছিল চহৰৰ দিনটো। ওৰেটো দিন কিনা-বেচা হোৱা অজস্ৰ লটাৰী, চিনেমাৰ টিকট, বীমা পলিছী, পাছবুক, ব্লু-প্ৰিন্ট শুকান পাতৰ দৰে পৰি আছে ফুটপাথবোৰত। যন্ত্ৰৰ ছাঁয়াত কেঁকো-জেকোকৈ থকা দিনৰ মানুহবোৰ কেনি গুচি গ'ল এই ৰাতিখন — ক'ব নোৱাৰিব - নৈখনেও। যিবোৰ বাটেদি যাত্ৰা কৰি মানুহ ভাগৰে দিনৰ দিনটো, এতিয়া ভাগৰি পৰিছে সেই সমস্ত বাটবোৰ।

### এক (খ) ঃ

বাহিৰত তেতিয়াও ৰাতিৰ অন্ধকাৰ। আমি ভৰিকেইখন সামৰি ল'লো আঁঠুলৈকে। ওৰেটো ৰাতি আমি দেখিলো ঃ মুকলি ঠাইবোৰত গা কৰি উঠিছে দালানবোৰ, চহৰৰ পৰা অধিক নিলগলৈ যাব খুজিছে নিজম নৈখন, আমাৰ সপোনবোৰ আৰু বাসনাবোৰৰ চাংখন আমি ঢুকি নোপোৱা হৈছো, সুলভ হৈ পৰিছে আৰ্তনাদ আৰু আত্মহত্যাবোৰ।

জোনবাই অ', তুমি জুখি চাব পাৰা এই মুহূৰ্তত এই চহৰখন বিয়পি আছে ক'লৈকে। মানুহবোৰৰ বুকু আৰু হাঁওফাওঁত জমা হোৱা ছাঁইখিনিৰ ওজন আৰু এই চহৰখনৰ আয়তন সমান-সমান, – তুমি জুখি চাব পাৰা। নিয়নৰ পোহৰক নেওচি তুমি দেখা পাবা যে প্ৰাচীন আঘাতবোৰৰ পৰা বৈ অহা তেজৰ ৰঙে ক্ৰমশঃ ভেজাল কৰি পেলাইছে এখন নৈ।

আকাশ, এইখন কেনেকুৱা আকাশ! ইমান ৰাতি আৰু ইমান অন্ধকাৰতো নাই কোনো স্মৃতি।............ এনেকৈয়ে আমি অকলশৰীয়া হৈ পৰিলো। নাই-নাই, সেয়াতো আমাৰ হাঁহি নাছিল। সেয়া আছিল বুকুৰ পৰা ওলাই অহা ফোঁপোলা মাতহে মাথোঁ।

### দুই ঃ

বসন্তৰ ফুল ক'ত সৰে? ক'ত সৰে বসন্তৰ ফুল? মই বিচাৰি-বিচাৰি উমানন্দৰ পৰা কামাখ্যালৈকে উভতি আহোঁ। ভিৰ, কেৱল ভিৰ। জুলি থকা তীখাৰ বাটবোৰত লৰি থকা চলি থকা দৌৰি থকা অনন্ত ভিৰ। এয়াই এটা সময় – সিহঁত অট্টালিকাবোৰত হেৰাই যোৱাৰ আগতে, সিহঁতে টাইপ-ৰাইটাৰবোৰৰ সেতে খেল আৰম্ভ কৰাৰ আগতে, তুমি সিহঁতৰ হাতত খামোচ মাৰি ধৰা আৰু সোধা যে ক'ত সৰে বসন্তৰ ফুল।

### তিনি ঃ

এটা অন্ধকাৰ গৰ্ভৰ পৰা বেলিটোৰ দৰে উদয় হৈ মই এই চহৰখনলৈ আহিম – আকৌ এবাৰ। শুনাচোন মোৰ সতীৰ্থসকল, মোক অলপ আগতীয়া খবৰ দিয়া। গাড়ীবোৰ ঠিকে-ঠাকে চলিছে হবলা, যন্ত্ৰবোৰত নিশ্চয়েই মামৰে ধৰা নাই, ঠিকে-ঠাকে আছে হবলা ফ্লাই-অভাৰ, বেলৰে ক্ৰছিং আদিবোৰ। ধ্যানমগ্ন ঋষিৰ দৰে উলম্ব হৈ আছে হবলা পুৰণি ঘৰবোৰ। সন্ধিয়াপৰৰ চাকিবোৰে গিলি থাকেনে বাৰু নিজৰেই ধোঁৱা? অক'মান শব্দতে সৰু সৰু ল'ৰা-ছোৱালীজাক ওলাই আহেনে বাৰু ঘৰৰ পদুলিলৈকে?

এটা দিন আহিব ঃ মই চহৰখনৰ গতিটোক খামোচ মাৰি ধৰিম। আৰু ? এদিন মই হৈ পৰিম বৃদ্ধ। সকলোৰে দৰে মোৰ জীৱনটোও হ'ব নিঃস্ব। নাতি-পুতিৰে সৈতে পৰিয়ালৰ ছবিখনত থিয় হৈ জীৱন সংগ্ৰামৰ সাধু শুনাম।

হয়, সময়ে ৰং সলাব এনেদৰে যে আমি নিজৰেই প্ৰতিবিম্বৰে সৈতে কথা হ'ম; বজাৰৰ পৰা ঘৰলৈ উভতি আহোঁতে হতাশ আৰু বিমৰ্ষ হ'ম। লাহে লাহে আমিবোৰ বাওনা হৈ আহিম। আমন্ত্ৰণ কৰিম জীৱনৰ সলিল সমাধি। নৈখন হ'ব মাথোঁ এটি উপকৰণ। তথাপি দূৰণিবটীয়া গাঁৱত থকা আমাৰ বন্ধুসকলে আমালৈ বাট চাই ৰ'ব।

*সুৰেশ ৰঞ্জন গদুকা স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (পৰিসংখ্যা বিজ্ঞান)ৰ ছাত্ৰ।*

ৰম্যৰচনা

# লোকেল

❑ ৰিম্‌ঝিম বৰা

আজিকালি চাকৰিৰ বজাৰৰ পৰা আৰম্ভ কৰি মাছৰ বজাৰলৈকে সকলোতে লোকেলৰ পয়োভৰ। আপুনি পুৱা উঠি বাতৰি কাকতখন মেলিলে লোকেল নিউজ চাবলৈ উদ্বাউল হয়। লোকেল নিউজ পঢ়ি থাকোতেই আপোনাৰ আনফালৰ লোকেল বাঁহেৰে তৈয়াৰ কৰা জপনাখনৰ ওচৰৰ পৰা অহা চাইকেলৰ বেলৰ তীব্ৰ খোচে আপোনাৰ কাণৰ পৰ্দাত বৰ্ষাৰ দৰে নহ'লেও বেজীৰ খোচ বহুৱাব। লগে লগে আহিব এটা চিঞৰ- "দাদা মাছ ল'ব নেকি? লোকেলও আছে।" যি চিঞৰে পাকঘৰত আপোনাৰ শ্ৰীমতীৰ হাৰ্ট বিট বঢ়াই মুকলি বতাহ খাবলৈ বাধ্য কৰাই দিয়ে। সেই সুযোগতে আপোনাক সলাব নোৱাৰি লোকেল মাছৰ লোভ আপোনাৰ শ্ৰীমতীক দেখুৱাব। আপোনাৰ শ্ৰীমতীয়ে কাষৰ শইকীয়ানী নতুবা বৰুৱানীয়ে শুনাকৈ আপোনাক এক কেজি লোকেল মাছ লবলৈ কামুৰিব (গেলা হ'লেও)। আপুনিও শ্ৰীমতীৰ কথাত লোকেল নিউজ একাষৰীয়াকৈ থৈ বেপাৰীৰ পৰা এপোৱা অন্ধ্ৰৰ বৰফীয়া মাছ লৈ শ্ৰীমতীৰ হাতত দিব। সেই মুহূৰ্তত আপোনাৰ শ্ৰীমতীৰ মুখৰ সন্তুষ্টিৰ ৰেখাডাল চাইছেনে? দেখিব, শ্ৰীমতীৰ মুখত সন্তুষ্টিৰ ৰেখাডাল এনেকৈ জকমকাই উঠিছে যে আপুনি যেন প্ৰতিদিনে ভাতৰ পাতত খোৱা শ্ৰীমতীৰ কেটেৰাবোৰ পাহৰি শ্ৰীমতীৰ লিপিষ্টিকে ক'লা কৰা ওঁঠ দুটাত চুমা আঁকি দিব।

এনেকৈয়ে 'লোকেল'ৰ সৈতে আপোনাৰ পুৱা আৰম্ভ হ'ব। তাৰ পিছত আপুনি অফিচলৈ যাব। ধৰি লওঁক আপোনাৰ ঘৰ আ...ৰ চাকৰিৰ স্থানৰ পৰা কমেও বিশ কিলোমিটাৰমান দূৰত হ'ব। তাৰমানে আপুনি লোকেল নহয়-। অফিচত আপুনি ১১ বজাত গৈ দেখিব লোকেল কিজনৰ এজনো নাই। বাৰ বজাত আপোনাৰ 'কলিগ' বৰাই (লোকেলৰ) আহি ক'ব,- "বুজিছে মেধি, লোকেল হ'লে এইটোৱে সুবিধা, যেতিয়াই ইচ্ছা কৰে তেতিয়াই অফিচলৈ আহিব পাৰে কওঁতা নাই-"

আপুনি যদি লোকেল তেন্তে আপোনাৰ অৰ্হতাৰ অবিহনেও আপোনাৰ লোকেল কলেজখনত নতুবা লোকেল অফিচটোত খালি হোৱা পোষ্টটো পাবলৈ দাবী কৰিব পাৰে।

আপুনি আপোনাৰ অফিচত বহি থাকোতেই দেখাপাব কেইটামান ক্ষীনমিন হাৰকিউলিচ সোমাই আহি চিধাই আপোনাৰ বচৰ ৰুমলৈ গৈছে, সিহঁতৰ সূতা ওলোৱা চুঙাৰ নিচিনা পেন্ট আৰু জকমকীয়া চোলাতে আপুনি ক'ব পাৰিব সিহঁত লোকেল। আপুনি লাহেকৈ আপোনাৰ চকীখন এৰি বচৰ ৰুমৰ দুৱাৰখনত কাণ লগাই দিয়ক। শুনিব-

"আমি লোকেল ল'ৰা, আমি কাম কিয় নাপাম? চাব কথা বেয়া হৈ যাব।"

সিহঁতে কেতিয়াবা আহি সিহঁতৰ বিনা কামৰ বিলখন পাচকৰাৰ বাবে আপোনাক ক'ব (মানে দম দিব)। আপুনিও Local must be grant মন্ত্ৰফাঁকি সাৰোগত কৰি সিহঁতক তৈল্যমৰ্দনত ব্যস্ত হৈ পৰিব।

লোকেলৰ বিপৰীত ফাৰ্ম। আপোনাৰ ঘৰলৈ ধৰি লওঁক আপোনাৰ মাহী বা পেহীৰ গাভৰু ছোৱালীজনী আহিছে। আপুনি তাইক আপোনাৰ থকা ঠাইখন দেখুৱাবলৈ নিব, তেতিয়াই আপোনাৰ ভাৰা ঘৰৰ পৰা এক ফাৰ্লং মান দূৰৰ চাৰি আলিটোৰ কোনো দোকানৰ চুকৰ পৰা নতুবা আপোনাৰ ঘৰৰ সন্মুখত থকা পানীৰ পুলটোৰ পকী ষ্টেপত বহি চুৰটৰ শৰাধ কৰা সেই অঞ্চলৰ ভব্যগব্য দুলাল কেইটাই বিকৃত ধৰণে আটাহ পাৰিব- "অই, ফাৰ্মৰ বে??"

পেহী বা মাহীৰ ছোৱালীজনীৰ বাবে বজাৰৰ পৰা আপুনি ফাৰ্মৰ কুকুৰা কিনি নানে? তাইক আপুনি লোকেল কণী, লোকেল মাছহে খুৱাব।

গতিকে দেখিছেনে যদিও সিদিনা ল'ৰা কেইটাই লোকেল বুলি আপোনাক দম দিওঁতে আপুনি ভিতৰি ভিতৰি বেয়া পাইছিল কিন্তু তথাপিও আপুনি আপোনাৰ অজ্ঞাতসাৰে লোকেলক প্ৰাধান্য দিয়ে থাকিব।

অৰ্থাৎ লোকেলে ভগবানৰ দৰেই সকলোৰে মনোজগতক শিপাই পেলাইছে।

তাহানিৰ কলেজীয়া হোষ্টেল জীৱন বাৰু আপোনাৰ মনত আছেনে? আপোনাৰ হোষ্টেলৰ দিবাকৰদাই যে আপোনালোকক কৈছিলে-

(অশ্লীল) তহঁতে লোকেল ছোৱালীৰ পাল্লাত নপৰিবি, সিহঁত (অশ্লীল) বম চালু।

তাৰ পিছৰ বছৰত যেতিয়া লোকেল অৰ্পনাই এটা বৃহৎ লাঠেৰে আপোনাৰ হৃদয় চূৰ্ণ বিচূৰ্ণ কৰিছিল- তেতিয়াই ফটিকা এটুপি ধৰি আপুনি চিঞৰিছিল- "মা কছম বে, (অশ্লীল), লোকেলবোৰক এটা এটাকৈ ঠেং ভাঙি দিব লাগে।"

গতিকে ভাবক লোকেলৰ কিমান মহিমা।

"লোকেল মাথো এটি শব্দই নহয়,
অসমীয়া জাতিৰ ই মান, ই অসমীয়াৰ প্ৰাণ।"

স্ব-অস্তিত্ব নিৰ্দ্ধাৰণৰ বাবে ই গুৰুত্বপূৰ্ণ সম্পদ। গতিকে চৰকাৰে অসমৰ প্ৰত্যেকখন টাউন বা চহৰৰ স্থায়ী বাসিন্দাৰ বাবে একোখন লোকেল কাৰ্ড প্ৰচলন কৰিব লাগে। আৰু প্ৰত্যেকখন টাউনতে Inner town permit দিব লাগে। যি সকল ছাত্ৰই পৰীক্ষাহলত নকল কৰিবলৈ গৈ বন্দ হয় নতুবা LBW (Looking blankly in the wall) হৈ থাকে তেওঁলোকে ইয়াৰ বাবে এটা ছাত্ৰ আন্দোলন হৈ থাকে। তাৰ বাবে সকলো ফাৰ্মৰ পৰা এই আন্দোলনৰ বাবে মোটা ধন দাবী কৰিব পাৰে। ফাৰ্মৰ বোৰে চান্দা নিদিলে তেওঁলোকৰ পৰা চান্দা সংগ্ৰহৰ বাবে এটা সশস্ত্ৰ বিদ্ৰোহী বাহিনীও থাকিব লাগে। এই আন্দোলনৰ তীব্ৰতৰৰ বাবে স্কুল কলেজ বন্ধ দি সকলোকে ছোৱালী জোকোৱা, মদ, ভাঙ খোৱাৰ সুবিধা কৰি দিব লাগে। তাৰ ফলত আন্দোলনকাৰীয়ে লাভ কৰিব তীব্ৰজনমত। এইদৰে অসম আকৌ উন্নতিৰ পথেৰে ধাৱিত হ'ব, সোণৰ অসমৰ সপোন বাস্তৱায়িত হ'ব।

শেষত, জয়তু অসম, জয়তু লোকেল।

---

*ৰিমঝিম বৰা স্নাতক দ্বিতীয় বৰ্ষ (গণিত)ৰ ছাত্ৰ।*

**কবিতা**

## কথা এটাৰ উপাখ্যান

❒ প্ৰাণজিৎ বৰা
স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (ইংৰাজী)



*হয়নে বাৰু কথাটো সঁচা?
ছেঃ, এই মাজনিশা কাকেইবা সুধিবা।*

*নৈপাৰৰ গছবোৰক?
ওঁহো, সিহঁতক ক'লেই কথাটো সিহঁতে
ডালৰ চৰাইবোৰক কৈ দিব,
চৰাইবোৰে বতাহবোৰক কৈ দিব,
চৰাইবোৰে বতাহৰ স'তে তাকে উৰাই নি
চোতালৰ ধান আৰু ৰ'দক ক'বগৈ,
ধান আৰু ৰ'দে........
ওঁহো..........*

*হাবিয়লীয়া জোনাককো ক'ব নোৱাৰি।
বৰ উচল-পাচল সিহঁতৰ কঁহকঁহীয়া মন,
ক'লেই সিহঁতে কৈ দিব সোণ-বৰিয়ালবোৰক,
সোণ-বৰিয়ালবোৰে ক'ব আকৌ চৰাইবোৰক,
চৰাইবোৰে.......
ওঁহো........*

*নিশাফুলা ফুলবোৰকো জানো কোৱা যায়।
ক'লেই পুৱালৈ তাকে গুণ-গুণাই ফুৰিব
মৌ-মাখিবোৰে, ভোমোৰাবোৰে.........*

*ঠিক আছে
ঠিক আছে
নদীকে তেন্তে সুধি অহা যাওক
সেই কথা........*

*শুনিয়েই নদীয়ে সঁচা বুলি ক'লে কথাটো
বৈ-বৰলী হৈ মিচিকিয়ালে
কলহটোত একলহ পানী ভৰাই দিলে*

*তাকে লৈ
ৰহদৈ হৈ উলটিল
জবাৰ মাক।
ঘৰলৈ..........*

*বাৰান্দাত তেতিয়াও কুচিমুচিকৈ বহি আছিল জবা
গৈয়েই মাকে ক'লে - আইজনী অ', মোৰ সাদৰী তৰা,
অলপ আগেয়ে নৈয়েও ক'লে কথাটো সঁচা
এতিয়া এবাৰ মোলৈ চকু তুলি চা না.............*

*তলমুৱাকৈয়ে জবাই মাকক ইংগিত এটা দিলে
তেতিয়াহে মাকে ভুলটো ক'ত ধৰিব পাৰিলে
কলহৰ ভিতৰত তেতিয়াও মিচিকিয়াই থকা নৈখনে
ওৰে বাটটো কথাটো ৰজনজনাই আহিলে*

*একবাৰে পোনতে দিহিঙীয়া গছবোৰে শুনিলে
লগে লগে চৰাইজাকে বতাহক ক'লে
বতাহে চুমা এটা খাই কথাটো ক'লে জোনাকক
জোনাকে ফুলবোৰক
ফুলবোৰে.........*

*মনে মনে নৈক কওঁতেই
কথাটো এতিয়া চাৰিওপিনে তালফাল*

*কথাটোও ভাল
আজি জবাৰ কন্যাকাল। ❒ ❒*

## অন্য এক যুদ্ধৰ সপক্ষে

❒ বিপুল কলিতা
স্নাতক তৃতীয় বৰ্ষ (ইংৰাজী)

*তুমি যদিও তুমি, আচলতে তুমি বিশাল সম্ভাৱনাময় নাৰী
নাৰী বাবেই তুমি নদী, ফুল, গান। স্ৰোত, নিৰৱধি প্ৰস্ফুটিত,
শ্বাশ্বত যন্ত্ৰণাৰ শেষত সম্ভাৱনাৰ আৰম্ভণি।
ভৰিৰ আঙুলিলৈকে নমা তোমাৰ চকুৰ নীলাখিনি প্ৰেম
সংসাৰৰ বিচিত্ৰতাত ব্যাপ্ত তোমাৰ অনিন্দ্য আত্মাত প্ৰেমৰ
শংখধ্বনি পাৰাপাৰহীন।
প্ৰেম পবিত্ৰ, পাৰ্থিৱ কিন্তু স্বৰ্গীয়। জীৱনৰ ক্ৰান্তিকালৰ দুৰ্জ্জেয় সতীৰ্থ।
সি তোমাৰ অন্তপ্ৰজ্ঞাৰ শিপা, তুমি পৃথিৱীৰ দীৰ্ঘতম কাব্য।
কবিতা মোৰ জীৱনৰ সমস্ত আয়োজন, মোৰ কল্পনা বৈভৱত
তাৰ অসহজ বিৰৰণ।
অন্য অৰ্থত তোমাৰ। প্ৰেমেৰে সম্ভৱ সকলো যুদ্ধ মহাযুদ্ধৰ সপক্ষে,
কবিতাই যুদ্ধ ঘোষণা কৰে ;
মৃত্যুহীন তেনে যুদ্ধলৈ
তুমিও ওলাই আহিব পাৰা নিঃসন্দেহে। সৰ্বকালৰ সকলো মানুহে।
য'ত তোমাৰ স'তে একাকীত্ব গঢ়াত প্ৰচেষ্টাও এক আত্মযুদ্ধ
তুমিয়ে তোমাৰ বন্ধু আৰু শত্ৰু। ইপক্ষৰ পাণ্ডৱ, সি পক্ষৰ কৌৰৱ।
বাসুদেৱ-পাৰ্থ। যুদ্ধকালত প্ৰয়োজনত তুমি মোৰ দেহে বৈভৱে বগাবা
আত্মাৰ সৰোবৰত হৃদয় পখালিবা।
প্ৰেমেৰে সম্ভৱ যুদ্ধ মহাযুদ্ধলৈ প্ৰয়োজন, স্ৰোত, নিৰৱধি প্ৰস্ফুটিত
তোমাৰ দেহ, মন, আত্মাৰ সমস্ত সম্ভাৱনা, পাৰ্থিৱ চকুৰ নীলাখিনি
অনিন্দ্য আত্মাৰ পৰা সংসাৰৰ বিচিত্ৰতা জুৰি,
ব্যাপ্তি যাৰ পাৰাপাৰহীন। ❒ ❒*



## 'চিনাকি মাটিৰ গোন্ধ'

❒ বিৰাজ কুমাৰ নাথ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

*চৰাইৰ কলৰৱত পুওৱা ৰাতিপুৱা,
আজন্ম চিনাকি মোৰ আদিগন্ত সেউজীয়া
আৰু প্ৰকৃতিয়ে গোৱা জীয়াই থকাৰ গান।
জীৱন সতেজতাৰে ভৰা ক্ষণ, পল, দিন,
জোনাকত ওপঙা সুৰৰ কিবা লগা ভাব,
বৰষুণত সেমেকা ওপজা মাটিৰ গোন্ধ,
জীৱনৰ, সপোনৰ, অনুভৱৰ দিন।
নষ্টালজিয়া, মাথো নষ্টালজিয়া
এই চিনাকি মাটিৰ গোন্ধ। ❒ ❒*

কবিতা

## স্মৃতিৰ প্ৰশস্তি

❒ দেৱজিত বৰা

(১)

*দোকমোকালিতে এৰি থৈ আহিলো*
*পকা আমৰ মলমলীয়া গোন্ধেৰে মোৰ কৈশোৰ*
*এতিয়া পুৰা কোন বনৰীয়া কাঁইটে বুলাই যায়*
*নিলাজী বনৰ দৰে স্পৰ্শকাতৰ মোৰ যৌৱন।*

(২)

*স্মৃতিৰ তেজ বীজ কঢ়িয়ায়েই মানুহৰ যাত্ৰা*
*কাহানিবাই এৰি অহা পুৰণি সুৰ এটা শুনি*
*কিমান গভীৰলৈ বহি যাব পাৰে আদহীয়া বঠা।*





## শুকুলা কামিজ

*(ফ্ৰয়েদৰ নামত উৎসৰ্গিত)*

❒ মনোজ কুমাৰ দত্ত

*ৰং থাককেই বা নাথাকক*
*ফুল ফুলে ৰাবেই সপোনৰ সুগন্ধ*

*কেতিয়াবা এন্ধাৰ নিজানত*
*ৰঙা-পদুম গুখুৰী পাৰৰ*
*হিম সনা কোমল ঘাঁহনিত*
*অকলশৰে খোজ কাঢ়ি ফুৰোঁ মই*

*মন-মগজুত কোন তই ৰূপৱতী সতী?*

*নিজান ছয়ামযাৰ ছলনাময়ী ৰাতি।*
*ওৰেটো অভিসাৰী মায়াময় ৰাতি।*

*পুৰা গধূলিৰ মূৰত ধূলিকণা পোহৰত*
*নিয়ৰৰ নদীত সাঁতুৰি-নাদুৰি*
*সদ্যস্নাতা সেই শঙ্খিনী-কামিনী*

*আচস্বিতে এজাক ধুমুহাই আনি দিলে*
*ধক্ ধক্ কৰে শুকুলা-কামিজ এটা*
*পনিয়ল পাতেৰে সৰকি*
*পুৰ্ণিমাৰ সৰু ভৰিৰ ডালত*
*ওমলি আছিল ৰ'দালি।*



## দুটি কবিতা

❒ অবিনাশ ভট্টাচাৰ্য্য

### স্বপ্ন ভঙ্গ

*মোৰ বুকুৰ পঁজালৈ*
*জিৰ্ জিৰ্কৈ নামি আহে*
*তোমাৰ শূন্যতা .....*
*... আৰু মই আকুল হৈ ....*
*মোৰ মাজতেই খেদি ফুৰোঁ*
*একান্ত নিৰ্জন স্নিগ্ধতা।*

### অম্লমধুৰ

*বিৰ দিয়া ধাননি ফালি ছিৰি*
*মই যেতিয়া বিচাৰি ফুৰোঁ*
*তোমাৰ ঠিকনা .....*
*বুকুৰ একাঁচলি মঙহ ছিঙি লৈ*
*ভটিয়াই যায় মূৰৰ ওপৰৰ বেলি*
*মনৰ পথাৰ জুৰি বৈ যায় মাথো*
*মলমলীয়া বতাহৰ কেৰ্মেৰণি*
*বাঁহীৰ বা-ৰিব্ৰিব্ মাতৰ দৰে .......*

কবিতা

## প্ৰেমিক চহৰত অনুৰাধা

❐ ৰাজেন দাস
স্নাতক ২য় বাৰ্ষিক (দৰ্শন)

*প্ৰেমিক চহৰত অনুৰাধা মোৰ বুকুৰ বৰঘৰত*
*গোপনে মলঙিছে তোমাৰ পদুলিৰ সেউজীয়া*
*তোমাৰ খিৰিকিৰ শ্যামলিমা মুখ উশাহৰ জটিল ভূগোল*
*আহিলে চাব পাৰা দুখৰ ধাননি স্বপ্ন বিবাদ ঘৰ*

*অনুৰাধা, তুমি য'ত আছা ভোগালী-উৎসৱ*
*সুখৰ অমল মহাকাব্য।*
*মেটেকা পুখুৰীৰ জীৰ্ণ দলঙত আজিও মূৰ্চ্ছা যায়*
*অভিমানৰ প্ৰেমিক গধূলি*
*বাৰে বাৰে খেপিয়াই চায় পোণাদাৰ সৰীসৃপ হাত*
*অশ্লীল হৈ পৰে উতনুৱা ডেকাৰ সুৰ গোলাপী জামুৰ বাট*
*তোমাৰ শস্য জীপাল আঙুলিত চম্পাৱতী প্ৰেম ঃ কোৱা*
*কাৰ প্ৰেমিক চোতালত আলফুলে জিৰায় সখিয়তি বাজানা*
*মই জানো তথাপি বাৰে বাৰে আকুলতাৰে*
*মোৰ ভোকৰ শিতানত নিজানে শুবলৈ দিওঁ প্ৰেমিক চৰাই।*

*অনুৰাধা, তোমাৰ বাদামী চুলিত ৰহস্যৰ শিলালিপি*
*কহুৱা কেকুঁৰীৰ সেই প্ৰাচীন শেলুৰৈ শিলত*
*ডুলীয়াজানৰ পৰা আকৌ আহেহি ফণীন্দ্ৰ দেৱ চৌধুৰী*
*ওঁঠত ওঁঠ লগাই পান কৰে মাতাল শৈশৱ*
*আৰু মই খিৰিকিৰ ভূগোলেৰে চাই ৰও*
*অনুৰাধাৰ দেশৰ প্ৰেমিক চহৰ ।।*

*অনুৰাধা। মোকো তোমাৰ প্ৰেমিক কৰি লোৱা*
*ভোকৰ কামিজত নিজাৰ পৰক সাগৰতলিৰ প্ৰেম*
*তুমি যাৰ বাবে সাঁচিছা দোৰোণ ফুলৰ গোন্ধ*
*তেওঁতেই তুলি দিয়া সাৰেং ৰাতিৰ কুমাৰী আচল*
*দুখৰ ভৰত দোৰোল খাই পৰক*
*নিলাজ প্ৰেমিকৰ অষৰী ঠিকনা*

*অনুৰাধা, তোমাৰ চহৰতো বিপ্লৱ আহে, আহে বিপ্লৱী*
*তুমি প্ৰেমৰ কথা কোৱা, কোৱা ঈদিপাছৰ কথা*
*ফাৰলভাঙাৰ যুঁৱলীত কান্দি মৰে দেৱচৌধুৰী*
*তেওঁ যে হব নোৱাৰে ক'লেৰিজ কুণ্ডেৰা*
*পাইছানে তুমি পাইছানে ইয়াকুবৰ তেজীৰঙা ঠিকনা*
*কচাইখানাত দেখিছানে তালিবান*
*আকৌ ফাঁচি দিয়ে জাক জাক নাজিবুল্লা*

*অনুৰাধা তোমাৰ পদুলিৰ কলপতীয়া উৎসৱ*
*উন্মাদ কৰা প্ৰেমিক চহৰ নাচিব দিয়া ফুটুকী ঘৰ*
*মোৰ হেঁপাহৰ পথাৰ তাতেই থোৰ  মেলিব জোনাক*
*মেখেলাৰ খচমচনিত যৰলৈ উভতিব বিয়েট্ৰিছ এজাক*
*আৰু মই বোবা হৈ, কোঙা হৈ, নিঃশব্দে পান কৰিম*
*লাজত ফাটি পৰা তোমাৰ হালধীয়া সাজ*

*আহা অনুৰাধা, আমি আকালৰ ধানৰ পিকনিক খাম*
*সিপাৰৰ অৰণ্যত ৰমণ কৰিম 'দশ টকাৰ তসলিমা'*
*দিয়াচোন গুজি দিয়াচোন মোৰ ভোকৰ কামিজত*
*অনুৰাধাৰ দেশৰ ঠিকনা ।।*

*বাদামী চুলিৰ অনুৰাধা*
*প্ৰেমিক চহৰত তুমি কুশলে থাকা।। ❐ ❐*



## দুটা কবিতা

### এজাক বৰষুণৰ বাবে

❐ কুশল দত্ত
স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (দৰ্শন)

*এজাক বৰষুণৰ বাবে উন্মুখ হৈ থাকে চহৰখন*

*ধোঁৱা-ধূলিয়ৰি বাটৰ হালধীয়া সৰাপাতবোৰ*
*সদাব্যস্ত ৰাজপথৰ দ্ৰুতগামী খোজবোৰ*
*চহৰৰ মাজ মজিয়াৰ তৰাং পুখুৰীবোৰ*
*লঠঙা পাহাৰবোৰৰ ৰঙা ৰঙা চূড়াবোৰ*

*শুকান গছবোৰ শুকান ঘৰবোৰ শুকান আকাশ শুকান বতাহ*

*বৰষুণ নহ'লে চহৰখনত যেন জুইহে জ্বলে*
*কাতিৰ ৰাতিৰ দৰে দিনবোৰ নাযায়-নুপুৱায়*
*বিষাক্ত হয় বতাহ চৰাইবোৰ হয় পগলা*
*পাহাৰৰ সিপাৰত বেলিটো লুকালে'*
*সিহঁতে হেৰুৱায় নিজৰ ঠিকনা*

*বৰষুণ নহ'লে ফাগুনৰ জুই-ফুলবোৰ জঁই পৰি যায়*
*বেদনাতে পলাশ শিমলু মদাৰে উদাস গীত এটা গায়*
*গোলাপ তগৰ পাৰিজাত কিম্বা বকুল নাহৰ দেৱদাৰু*
*কোনোৱে নাপাতে কথা। এজাক বৰষুণৰ বাবে*
*খিৰিকি খুলি বাটলৈ' চাই ৰৈ থাকে কলিজাৰ গান এটা*

*বলিয়া ধুমুহা এজাকৰ কোলাত নাচি থাকে চহৰখন*





### আজি নিশা বৰষুণ অহাৰ কথা

*ক'লা-চানেকীয়া এচমকা ডাৱৰ উত্তৰৰ পৰা অহা*
*কজলা এজাক বতাহ কলিজা জোঁকাৰি যোৱা*

*লুকা-ভাকু খেলি খেলি আজলী জোন*
*সেন্দুৰীয়া ওৰণি এখনৰ আঁৰে আঁৰে এটা সপোন*

*আটায়ে কথা পাতে মুষলধাৰে*
*সন্ধ্যাচলৰ টিঙত বহি কঁপি কঁপি*

*আজি নিশা এজাক বৰষুণ অহাৰ কথা.............. ❐❐*

**কবিতা**

# সাগৰলৈ বহুদূৰ

❐ প্ৰণৱ কুমাৰ বৰ্মন
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া)



*পোৱাল দিহিঙীয়া।
দুখৰ ডাকঘৰ তোমাৰ হৃদয় চুবুৰীতে,
ইমান ঘনে ঘনে আহে চিঠিবোৰ
শামুক হৈ পৰি থাকে বালিচৰত ভাগৰ
দুহাতত জিৰায়হি বঠাৰ ভাটিয়ালী গান
শীতত ফুলে মেটেকাৰ আকাশ।*

*তোমাক কোনে চিনে পোৱাল দিহিঙীয়া
পাঁচোটা শীতত কামিজহীন উদং গাৰে
তুমি চিৰাচিৰ কৰা নদীৰ লাস্যময়ী পোছাক
ৰ'দৰ চুমাত শাওনৰ আকাশৰ দৰে তোমাৰ ক'লা চাল
আৰু ভোকৰ উৎসৱৰ বাদে তুমি নাভাবা
অইন কোনো উৎসৱৰ কথা*

*দিহিঙয়ৰ পাৰৰে পোৱাল দিহিঙীয়া
লাওখোলাত নহয়, তোমাৰ দুহাতৰ মুঠিত ভৰাই থোৱা ভাগ্য
কোনে শুনে বৰফ হৈ গোটমৰা তোমাৰ মাংসপেশীৰ গান
বাঁহীত লুকাই থাকে বাঁহতলৰ স্মৃতি
জীৱনৰ খুচুৰা গান, ভঙনীয়া মন, শেতেলীত অপ্ৰেম
সুতুলী বজাই আহে প্ৰত্যুষ*

*পোৱাল দিহিঙীয়া
দাৱাইৰ অভাৱত এটা ল'ৰা তোমাৰ হাইজাত মৰিল
নাও ডুবি বানত উটিল সুমনৰ দেউতাক
মিলিটাৰী মৰমত কোঙা মাজিউটো
চহৰত পঢ়িবলৈ গৈ বিবেক বন্ধকত থৈ বৰমানুহ বোলোৱা হেমন্ত
তোমাৰ সৰুজন ল'ৰা
চৰাইপুঙৰ ৰাতি চিৎকাৰত চিপ ললে বৰজনী বোৱাৰী
মাউৰা বেচেৰা সুমন
বানে বাৰে বাৰে ধৰ্ষণ কৰে তোমাৰ বুকুৰ পথাৰ
যাৰ বাবে তুমি ঘোষণা কৰা জীৱন মানে ঃ বিপ্ৰায়
কাৰ পুখুৰী পাৰত কোনে বজায় থাকে উদাস সুৰৰ বাঁহী
পোৱাল তোমাৰ মৰমৰ জনী.................
মহাজনী সুদত যাৰ গৰ্ভ বাঢ়িল তিলতিল
যাৰ কলিজা কাটি নি অশ্লীল চিনেমাবোৰ বনোৱা হ'ল
যাৰ ভোকেৰে দিছপুৰৰ আবহাৱা ৰঙীন কৰা হ'ল
যাৰ সমগ্ৰ পোছাকেৰে ৰাজনীতি সভাৰ মণ্ডপ সজোৱা হ'ল
তেওঁৰ স্তন দুৰ্ভিক্ষৰ ডাঙৰি দুটা*

*পোৱাল দিহিঙীয়া, তুমি বঠাৰে বজোৱা নদীৰ গীটাৰ
তুমি বুজি নোপোৱা আই, এম, ডি, টি ৰ অৰ্থ, চালাকি অথবা ধুৰন্ধৰ নেতাক
যেতিয়া হেঙুলীয়া ডুবি মৰে দিহিঙত
তুমি উভতি আহা গৰখীয়া খোজত
এইবাৰ উৰুখা কাতিৰে সোমাই আহিছে কাঙাল নামৰ বৃদ্ধজন
খেৰৰ উৰুখা চালেৰে বৰষুণৰ টোপালবোৰ
তোমাৰ শয্যাত শুবলৈ আহে
তৰাবোৰে নুশুৱে তোমাৰ স'তে কথাপতাৰ লোভত
তুমি উৰুখা মনেৰে চাইছা উৰুখা চাল
তোমাৰ নাতিকণে ৰাতিটোক মাতাল কৰে লোৰ্কাৰ কবিতাৰে
যি এদিন সুধিছিল তোমাক - সাগৰলৈ কিমান দূৰ?
(লোৰ্কাৰ ঘোঁৰা। তুমি পোৱাল দিহিঙীয়াৰ দৰে কবিতা শুনিছানে
চপ্ চপ্ বঠা পানীৰ প্ৰেমত উঠি আহে জলকুঁৱৰী কবিতা)
আজিৰাতি নাওবাই আহিলে সুধিব পাৰে সি
চি টি বি টি, তালিবান, বোমা এটি দলিয়াবলৈ আমেৰিকা কিমান দূৰ............*

*দিহিঙৰ পাৰত ঠিকাদাৰী গাড়ীৰ খলকনি
ভৰিৰ গাঠিত সখিয়তী মেলপতা খলিহনা পলায়
কাঠ কঢ়িয়াই গান গায় শ্ৰমিকবোৰে
তোমাৰ বুকুত যেন হাতুৰীৰ কোববোৰ
মোৰ নদীত মোৰ হৃদয় গুচাই কোনে আজি দলং সজায়
(দহবছৰৰ আগতে দলং থকা হ'লে নমৰিলহেঁতেন সুমনৰ দেউতাক,
তুমিও নহ'লাহেঁতেন নটকীয়া নাৱৰীয়া)*

*কেবল্‌ত ভাঁহে লাফিং থেৰাপিৰ জয়ধ্বনি
তোমাৰ সুখৰ সৈনিক বিলাকক ফায়াৰিং স্কোয়াদত দিয়ে
আতংকবাদী দুখৰ দলে
পোৱাল, কোনে পঢ়িব তোমাৰ ভোকৰ ভূগোল
সকলোৱে চিনি পায় যিবোৰ চিহ্ন আৰু আঁক-বাক
ক'ত, কি, কিবোৰ যে নাই - আখলত জুই, পথাৰত শইচ
ভঁৰালত ধান, বাৰীত তামোল-পাণ
(অ' দহিকতৰা, তোমাৰ ঠোঁট দুটি পোৱালক দিয়া
দুখবোৰ বতাহৰ গান হওঁক।)
তুমি নাবাবা নাও, নামাৰিবা বঠা
হাঁহিব আজিৰ মানুহে
হাতত কুঠাৰ লৈ কাটি নেপেলাবা নাতিল'ৰাৰ দলং
বৰষুণৰ এটি সন্ধ্যা তুমি বিচাৰি নাপাবা তাক
দিহিঙৰ দলঙেৰে পাৰ হৈ যাব হেজাৰ তীৰ্থযাত্ৰীৰ জাক
তুমি শুই নপৰিবা বেংছটাৰ তলত
তোমাৰ শ্ৰমৰ আঙুলিত জিৰাবহি পথাৰ। পোৱাল দিহিঙীয়া।।* ❐❐

**কবিতা**

## অনুভৱ ঃ তুমি যোৱাৰ পিছত

❐ নৱজ্যোতি পাঠক
স্নাতক দ্বিতীয় বৰ্ষ (অৰ্থনীতি)

(১)
*মনত আছেনে তোমাৰ ; গাখীৰতী জোনাকৰ*
*আঘোণ মহীয়া গধূলিটো। তোমাৰ চুলিত যে*
*লাগি ধৰিছিল একাঁজলি কজলা ডাৱৰ আৰু*
*মোৰ বুকুৰ সেউজীয়া ঘাঁহনি ডৰা। য'ত*
*তুমি নিতৌ চৰাইছিলা এজাক সুগন্ধি ভালপোৱা*

(২)
*মই এতিয়াও তাতেই থাকো। নৈ-খনৰ দাঁতিত। য'ত*
*ভোমোৰা পুৱাতে বেলিটোৰে ডুব মাৰি*
*চিকুণ হয় দিনটোলৈ। প্ৰেয়সীক বিচাৰি*
*ঘূৰি ফুৰে প্ৰেমিক মাছবোৰ..........তাতেই। এয়াই*
*মোৰ ঠিকনা। আহিবা কেতিয়াবা। আহিবানে? আহিবাই হা।*

(৩)
*জানা, বৰষুণ জাক আহিলে; গাভৰু নৈ-খনে*
*তিতিবুৰি গা-ধোৱে। আকাশে চাই থাকে*
*তাইৰ নৰ্তকী শৰীৰ। মইও চাই থাকো,*
*মুদৈ পখিলাবোৰ আৰু প্ৰেমিক চৰাইবোৰ।*
*ইফালৰ পৰা সিফালে যায়*

(৪)
*ঠিকনা পাইও তুমি নাহিলা। বাৰিষা লহিয়াই*
*খৰালি পালেহি। তৰাং হ'ল নৰ্তকী নৈ-খনৰ*
*বাংময় শৰীৰ। এতিয়া তাইৰ ডিঙিত সাৰটি*
*কান্দে কেহৰাজ বৰণীয়া নিসংগ সময়। এ-আকাশ*
*দুখত তিতি থাকে মোৰ বুকুৰ ঘাঁহনি ডৰা........... ❐ ❐*



## নদী আৰু মই

❐ উৎপল চন্দ্ৰ বড়া
স্নাতক ৩য় বৰ্ষ (ইংৰাজী)

*জীৱনৰ নিঃসংগতাবোৰ মধুৰ হয়*
*যেতিয়া দিহিংখন হয় মোৰ শ্ৰোতা*
*মই হওঁ দিহিঙৰ বক্তা*
*আৰু সাক্ষী হৈ ৰয়*
*দিহিঙৰ বুকুৰ  শিল, মাছ, ঢৌ আৰু বহতো*
*(জীৱনৰ নিঃসংগতাবোৰ মধুৰ হয় সিমানেই)*
*যিমানেই কণ কণ মাছৰ জাকবোৰে জাক পাতি*
*ৰং সনা মনটোৰ*
*ৰংবোৰ একৰাই দিয়াৰ চেষ্টা কৰে।*
*(জীৱনৰ নিঃসংগতাবোৰ বৰ মধুৰ হয়)*
*যেতিয়া——*
*শিলৰ ফাঁকত ঠেকা খাই সৃষ্টি হোৱা ঢৌবোৰে*
*মোক  পালখন সামৰি বঠাডাল হাতত লবলৈ কয়*
*(মোৰ নিঃসংগতাবোৰ তাতোতকৈও মধুৰ হয়)*
*যেতিয়া পানীৰ সতে খেলা শিলবোৰে*
*মনৰ দুখবোৰ*
*আখৰেৰে ধৰি ৰাখিব খোজে নিজৰ বুকুত।*
*ক্ৰমশ্বেয়ে এই নিঃসংগতাখিনি হেৰাই যায় এটি এটিকৈ*
*দিহিঙৰ অনন্ত গভীৰতাত। ❐❐*



## তুমি অহাৰ সময়ত

❐ আবেদুৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ (ইংৰাজী)

*ৰাতিবোৰ গাভৰু হোৱাৰ সময়ত*
*তুমি আহা*
*এপিয়লা সুৰা হৈ*
*মই পান কৰো*
*আৰু মাতাল হওঁ*
*হৃদয়ৰ বন্ধ দুৱাৰ -খিৰিকীবোৰ খুলি দিওঁ*
*এলান্ধুৰে আৱৰা হৃদয়খন*
*সাৰি -পুছি ছাফা কৰোঁ*
*অ'ৰ ত'ৰ সিচৰিত প্ৰেমবোৰ*
*এক গোট কৰো*
.......................
*তাতে তুমি বহা*
*কথা পাতা*
*মই লৰ্কা নেকন্দাৰ কথা ক'লে*
*তুমি বাৰিষাৰ কথা কোৱা*
*তামবৰণীয়া মানুহৰ কথা*
*মই বছনিয়া-ছোমালিয়াৰ কথা ক'লে*
*উকখা ছালেৰে তুমি তৰাবোৰৰ সৈতে চুপতি মাৰা*
....................................



*তুমি অহাৰ সময়ত*
*আততায়ী সময়ৰ গুলী খোৱা সুৰুযটো*
*একাঠু বোকাত পৰি মৰি থাকে*
*পথৰুৱা আলিৰ কাষত।*
....................................
*গাভৰু ৰাতিবোৰ মাতাল হৈ পৰাৰ সময়তে*
*তুমি একাঁজলি প্ৰেম বিচৰা*
*জোনাকে শেতা হাঁহি মাৰে*
*প্ৰেম আজলি হাত পাতি ললে*
*তৰাবোৰে মেঘৰ বুকুত মুখ গুজি উচুপে*
*আৰু এ-আকাশ শূণ্যতাৰে ভৰি পৰে*
*মোৰ হৃদয়।। ❐ ❐*

**কবিতা**

## শেলুক

❐ যোগেন বৰা,
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ (ইংৰাজী)

*সেই যে ল'ৰালিতে জামুবোৰ পাৰিছিলো*
*তাৰ দাগ্ মাৰ নৌযাওঁতেই*
*তেওঁৰ দুচকুৰ জামুবোৰ মোৰ জিভাৰ পৰা কলিজালৈকে*
*তেওঁৰ হালধীয়াৰ পৰা সেউজীয়া জুৰি মই আছিলো*
*তেওঁৰ গাত হালিপৰা নিৰ্জনতাত মই আছিলো*
*ব'দ-চিকুণ দুপৰীয়া এটা*
*তেওঁ যেতিয়া ফাগুণ মোৰ ধূলি হৈ উৰাৰ আমা*
*তেওঁৰ স্পৰ্শৰ ৰূপালী হ্ৰদত নাচি আছিল*
*মোৰ নাজল নাথল ল'ৰালিৰ দুখৰ দেওদৰিকণা*

*দুটা পদুমণি ডুবিৰ উশাহৰ পিছতেই আছিল*
*তেওঁৰ ওঁঠৰ সুৱাগমণি পথাৰ*
*জেতুলীপকা এটা জিভাত দি চাওঁতেই*
*মোৰ ওঁঠত জখিনী থুই*

*হঠাৎ এদিন তেওঁৰ দুচকুত আমে মলিয়াইছিল*
*তাৰ পিছৰ পৰাই তেওঁ নদী*
*বাটি বাটি আকৌ নবঢ়া এখন নদীৰ ঢল*

*মই এতিয়া তেওঁৰ বুকুৰ ভেট চিঙিবলৈ যাওঁ*
*আৰু দুহাতত দুটা শেলুক লৈ সদায় উভতি আহোঁ। ❐ ❐*



## দিবানে মোক এমুঠি আকাশ?

❐ সংগীতা গগৈ
স্নাতক প্ৰথম বৰ্ষ (ইংৰাজী)

*হে নীলিম আকাশ*
*ভাল পাওঁ মই তোমাৰ বিশালতা*
*তুমি যেন এটি সুমধুৰ কবিতা*
*যাৰ প্ৰতিটো শব্দই দিয়ে*
*নিৰ্মল প্ৰেম আৰু আশাৰ বতৰা*
*কিন্তু এই অৰণ্যত সভ্যতাৰ পাখি লগাই*
*অহৰহ ঘূৰি ফুৰে জাক জাক চিকাৰী চৰাই*
*কেঁচা মঙহৰ সন্ধানত*
*মঙহৰ প্ৰতি সিহঁতৰ ইমান যে হেঁপাহ।*
*নিষ্পাপ পখীবোৰ সিহঁতৰ বাবে*
*যেন প্ৰাণহীন মঙহৰ টুকুৰা*
*সিহঁতৰ লোভাবিষ্ট দৃষ্টি মই নোৱাৰো সহিব*
*কিন্তু আজি মই দায়িত্বশীলতাৰ নিৰ্জন চেতনত বন্দী*
*মই জানো এই বন্দীত্ব অনিবাৰ্য্য*
*তথাপি মন পখীয়ে কোনো সীমনা নামানে*
*যাব খোজে পাখি মেলি তোমাৰ কাষলৈ'*
*দিবানে মোক এমুঠি আকাশ?*
*যদি আছে কোনোবা প্ৰেয়সী তোমাৰ*
*তেন্তে তুমি তাইক দিবা জনাই*
*তোমাৰ প্ৰেমিক হৃদয় কাঢ়ি লোৱাৰ*
*বাসনা মোৰ নাই*
*দিয়া যেন মাথোঁ অলপ বিশালতা*
*য'ত নিষিদ্ধ হ'ব মঙহৰ হৃদয়হীন বেহা*
*পাতিম তাতে আমি মনৰ মেলা*
*নাম দিম যাৰ মানৱতা। ❐ ❐*

## কটনত এটা আবেলি

❐ কৌশিক কুমাৰ গগৈ
স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (পদাৰ্থ বিজ্ঞান)

*অলপ অলপ বুৰঞ্জীৰ গোন্ধ থকা এটা কোমল আবেলি।*
*কোনোবা সপোনালী, কোনোবা সৌৰভৰ কাষত বিভোৰ—*
*হৃদয়ৰ সংজ্ঞা বিচাৰি।*
*কোনোবা ল'ৰাহঁতৰ হাতত একো একো কাপ চাহৰ মিঠা আমেজ লৈ,*
*সন্ধিয়াৰ খ' চোৱাৰ আঁচনি।*
*কোনোবাই ৰুমটোৰ বেৰত লগোৱা*
*চে গুৱেভাৰা আৰু মাও চে টুঙৰ ছবিলৈ চাই আছে—*
*কাঁইটীয়া সপোনৰ বাটত খোজ কাঢ়ি ফুৰি।*
*কোনোবা শ্বেতলানাই বান্ধৱীবোৰক কৈছে, তাইৰ ৰাজেশৰ কথা—*
*কিমান ধুনীয়া চাকৰি আৰু কেইখন গাড়ী।*
*কোনোবাৰ মনটো গধুৰ হৈ আছে,*
*বানপানীয়ে গৰকা সিহঁতৰ পথাৰখনলৈ মনত পৰি।*
*"ডাষ্টবিন আৰু ভিক্ষাৰীৰ হ'লিগ'লি—*
*মাজনিশা ৰাজপথত, জোনটোৰ সাক্ষাতত।"*
*কোনোবা উদীয়মান গল্পকাৰে মানসপটত আঁকি আছে,*
*এটা নতুন গল্পৰ প্লট।*
*আৰু ; "সময়ৰ মৰুভূমিত তোমাৰ পদ চিহ্নই আমাৰ সাৰথি,*
*হে ভৱিষ্যৎ, তুমি যেন আমাক পোহৰৰ দেশলৈ লৈ যোৱা।*
*জ্ঞানৰ বিশালতাৰ সৈতে আমিও প্ৰেম কৰিব খোজো।"*
*--কোনোবাই প্ৰেম কৰি আছে জ্ঞানৰ বিশালতাৰ সৈতে।*

*কিন্তু - মোৰ দৰে কোনোবা নীৰস কবিয়ে অকলশৰে চাই আছে*
*বহুতো যৌৱনৰ সাক্ষী বুঢ়া ছাত্ৰাবাসৰ চাঁদটোলৈ—*
*সঁচাকৈয়ে এটা আবেলিয়েই ইমানবোৰ অনুভৱৰ সমষ্টি। ❐ ❐*



# যদি তুমি অনন্যা

❐ লাচিত বর্মন
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

*পৃথিৱীৰ সকলো সেউজীয়া আকোৱালি তুমি অনন্যা*
*স্বৰ্ণালী দুহাতেৰে উলিয়াই আনিছিলা তোমাৰে হৃদয়ৰ সমস্ত সত্ত্বা*
*তাতেই তুমি হ'লা অনন্যা*
*চকুৰ দুটি তৰা হৈ প্ৰহৰে প্ৰহৰে পাৰ কৰিছিলা ৰাতিৰ আন্ধাৰ*
*মনৰ ভেঁটফুলীয়া শোক।*
*পৰাধীনতাৰ ছাই ক'লা পোছাক খুলি এটি ফেৰেঁটুৱাৰে*
*ক'লৈ গৈছিলা ৰামধেনুৰ বলয় সাজি*
*'মেমচাহাব পৃথিৱী'–*
*কলৈ গৈছিলা দুহাতেৰে চিঙিবলে' সেউজীয়া বাগানৰ জেতুকা পাত*

*যেতিয়া তুমি অনন্যা হাতত বন্দুকেৰে–*
*মোৰ কপালত এটা দুখৰ ঋতুই উজাই-ভটিয়াই সৰাফুলৰ নাওখন হৈ*
*তুমি বাৰু বহাগ হব পাৰিবানে*
*নতুবা গোলাপৰ আকুল উতলা বতাহ*
*তুমি বাৰু খোৱাঙৰ নদীত  ফালানে চাদৰৰ আঁচল*
*পদুম পুখুৰীত বুকু তিয়াই উতনুৱা কৰানে প্ৰেম সেউজীয়া*
*আঁকি দিব পাৰানে যোল্লজনী অনামিকা ধৰ্ষিতাৰ বুকুত*
*প্ৰেমিক কবি কলেৰিজৰ হিয়া*
*যদি তুমি অনন্যা*
*জানিব লাগিব তোমাৰ ভৰি তলুৱা কিমান মিহি হ'লে*
*বঙাইগাঁৱত দৃঢ় হব ভাতৃত্ববোধৰ শব্দ*
*কাবুলৰ ফুটপাথত তোমাৰ ভৰি চুই পাৰ হ'ব লাগিব সাপ*
*নতুবা নাজিবুল্লাই কিমান ৰাতি সহবাস কৰিব ষ্ট্ৰীট লাইটৰ আশাত*
*সেইটো তুমি জানিব লাগিব।*

*যদি তুমি অনন্যা হোৱা*
*বিপ্লৱী হিকমতৰ পৰা আনিবাতো সঠিক প্ৰেমৰ বাজেট*
*তুলসী তলত মাটিৰ চাকিটো হৈ হাত বাউলি মাতিবাতো*
*ভূটানত ছাই হোৱা প্ৰেমিক বজাৰৰ পৰা কোকৰাঝাৰৰ চেৰাশালীলৈ*

*এবুকু মাথো হেপাহৰ থুপিতৰাৰ বাবে*
*আৰু তুমি যাবানে সূৰ্য শায়িত ঘোঁৰাটো হৈ বতাহৰ আগত*
*অনুবাদ কৰিবলে' – আং ছাং চুকি ........।*
*বাতৰি কাকতৰ বক্স নিউজত শান্তি চুক্তিত আত্মসমৰ্পণৰ খবৰ লৈ*
*আহিবানে তোমাৰ দুচকুত বন্দী কৰি এজাক আশাৰ সাৰেং।* ❐ ❐



# প্ৰেমৰ মৃত্যুত

❐ ত্ৰিদীপ কুমাৰ গোস্বামী
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ (ইংৰাজী)

*ভ্ৰূণটোৱে যেতিয়া*
*কিৰিলি পাৰি উঠিল*
*মই তেতিয়া গম পালো*
*ই বয়স্ক হ'ল।*
*নাম থলো- প্ৰেম,*
*থুনুক থানাক মাতেৰে*
*বোকাপানী খচকা তাৰ ভৰি*
*'অলিভ অইল' নসনা তাৰ শৰীৰ*
*পকী মজিয়াত পৰে,*
*কে.......ত কৈ চিএৱৰ এটা মাৰে*
*আকৌ উঠে, খোজ কাঢ়ে..............*

*এদিন ডেকা হয়,*
*খোপনি ৰাখে খোজত*
*হঠাৎ চিৰন্তন সত্য এটা পায় সি,*
*ক'ত পায়?*
*অগ্ৰজ কাৰোবাৰ ডায়েৰীৰ পাতত*
*'প্ৰকাশ কৰিলে পাহৰিবলে' সহজ*
*অন্যথা দেহ গহ্বৰত তেজৰ দগ্‌মগনি।"*
*সি বুঢ়া হয়*
*চুলি পকে ডাঢ়ি পকে*
*অথচ তাৰ মন নপকে,*
*কথা পাতে অকলে অকলে*
*হৃদয়ৰ স'তে।*
*লাখুটি এডাল লৈ*
*খোপনি ৰাখি আগবাঢ়ে।*

*তাৰ পিছত প্ৰচ্ছদ পৰিবৰ্ত্তন হয়*
*ৰঙ্গমঞ্চত প্ৰেম পৰি থাকে*
*এটা সঁচা প্ৰেমিক সত্ত্বাৰ মৃত্যুত*
*এটা সমদল উলিওৱা হয়।* ❐ ❐



## সময়ৰ স'তে

❐ কমলিনী দাস
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ

*হোৱালীজনী নামি পৰিল*
*নৈৰ বুকুত*
*পানীত মাছবোৰ উটি গৈ আছে*
*চাৰিওফালৰ দুচকুত নীৰৱতা ঃ*
*তাই হোনো সাঁতুৰিব নাজানে*

*হঠাৎ,*
*এদিনাখন*
*জোনবাইজনী ওলালেহি*
*তাই চকুদুটা পানীত গুজি দি*
*শুই পৰিল জোনবাইৰ স'তে*

*গভীৰ নিশা*
*তাই সাৰ পালে*
*আৰু মুহূৰ্ততে*
*আকৌ নামি গ'ল নৈৰ বুকুলৈ*

*পিছদিনা ৰাতিপুৱা*
*দুহাতৰ ফানেৰে তাই সাঁতুৰিব ধৰিলে*
*পানীৰ লগত এতিয়া তাইৰ সম্বন্ধ অতি নিবিড়। ❐ ❐*

## ঢাকি থওঁ অথবা উদঙাই থওঁ এটা হৃৎপিণ্ড

❐ দুলুমণি গগৈ

*এখন ঠাইৰ পৰা আন এখন ঠাইলৈ আহোঁতে*
*পিন্ধি লৈছো এযোৰ পোছাক*
*এতিয়া, ইয়াত উশাহ ল'বলৈও ভয়*
*বুকুৰ ভিতৰত হুৰহুৰাই উঠে বিষ যন্ত্ৰণা*
*ইয়াত হৃদ্‌ৰোগত প্ৰতিদিনে আক্ৰান্ত হয় মানুহ*
*সূৰ্য্যময় ব্যস্ততাৰে বাগৰি যায় সময়*
*পুৱাৰ খবৰ কাগজত কেচা তেজৰ দাগ*

*এখন ঠাইৰ পৰা আন এখন ঠাইলৈ আহোঁতে*
*পিন্ধি লৈছো এযোৰ পোছাক*
*ধূলিয়ৰী বাটত প্ৰতিখোজত গছকি গৈছো*
*প্ৰতিটো দিনৰ সপোন*
*পথৰ ট্ৰেফিক জামত প্ৰতিদিনে হেৰুৱাইপেলাইছো*
*মোৰ বন্ধু-বান্ধৱ, আত্মীয়*

*এখন ঠাইৰ পৰা আন এখন ঠাইলৈ আঁহোতে*
*পিন্ধি লৈছো এযোৰ পোছাক*
*দিনবোৰ, ৰাতিবোৰ দুভাগ কৰি ৰাখিছো*
*মোৰ কেলেণ্ডাৰখনত, ৰাতিৰ আন্ধাৰত*
*সদায় খুলি দিছো বুকুৰ বুটাম*
*লিৰিকি বিদাৰি আন্ধাৰতে বিচাৰি চাইছো*
*অপৰাহ্ন সময়ে হত্যা কৰা মৃতদেহ*
*পোছাকযোৰ পিন্ধি ঢাকি থওঁ কলিজাটো*
*ৰাজপথত এৰি দিওঁ এখোজ, দুখোজ, হাজাৰ খোজ*
*পোছাক যোৰ খুলি বিচাৰি চাওঁ*
*মোৰ কলিজাৰ স্থিতি*
*এনেকৈয়ে*
*ঢাকি থওঁ অথবা উভতাই থওঁ এটা হৃৎপিণ্ড। ❐ ❐*



## একাত্মতাৰ গান

❐ শিৱ প্ৰসাদ বড়া
উ.মা. ২য় বৰ্ষ (কলা)

*সিদিনা তাক লগ পাইছিলো*
*শুকান নৰাৰে ভৰা পথাৰখনত*
*গৰখীয়া বাঁহী এটা সি বজাই আছিল*
*নিজকে উদং কৰি সুৰেৰে বোৱাই দিছিল সি*
*নিৰ্ঝৰ জোনাকৰ ধাৰা এটি*

*.... তাৰ স'তে, বাঁহীটোৰ স'তে একাত্ম হৈ পাৰিছিলো মই*
*আৰু স্মৃতিৰ নিৰ্জন নদীয়েদি উজাই গৈছিলো*
*বহুদিনৰ মূৰত যেন লগ পাইছিলো মোৰ আইক*
*মোৰ কপালত ভুৰুণীয়া আইৰ কোমল হাত দুখন*

*কিহৰ তাড়নাত যে মই সেইদিনা তাৰ কাষৰ পৰা*
*গুচি আহিছিলো আৰু সৰাপাতবোৰ আঁতৰাই*
*উলিয়াই লৈছিলো ধূসৰ বাট এটা*

*একান্ত নিজৰ বাবে সাজি উলিওৱা বাটটোৰে গৈ*
*গুণগুণাই বৈ থকা নৈ এখন পাইছিলো*
*আৰু পাৰৰ শিলনিত বহি মই ফেঁকুৰি উঠিছিলো,*
*দুহাত মেলি অকাতৰে খুজিছিলো আকাশৰপৰা*
*এজাক বৰষুণ। ❐ ❐*

# প্ৰাচীৰৰ ৰেঙনি

## মাটিৰ মানুহ, শইচৰ প্ৰেম

❒ নৱজ্যোতি পাঠক
স্নাতক ২য় বাৰ্ষিক (অৰ্থনীতি)



*এয়া সপোন ভঙাৰ সময়*
*নিদ্ৰাক জগাই এজাক বৰষুণ অনাৰ*
*যোৱাৰাতি এজাক বৰষুণ গ'ল*
*পথাৰত চিপচিপীয়া পানী*
*এয়া সপোন গঢ়াৰ সময়*
*বাৰিষাৰ বোকাপানীত ধান ৰোৱাৰ*
*মাটিৰ মানুহ, পথাৰলৈ সপোন দেখে*
*সেউজীয়া শইচৰ*
*পথাৰলৈ গ'লে উলটি নাহে*
*হালোৱা, ৰোৱনি*
*ধান চপালে, এইবাৰেই বিয়াখনো পাতিম*
*সাচতীয়া প্ৰেম ভাঙি*
*আহা সেউজীয়া*
*হাতত হাত থৈ অলপ প্ৰেমালাপ কৰোঁ...*

### বীক্ষণ

**ফিল'চফিকেল ফ'ৰাম**
**সম্পাদক : শৈলেন বৰকাকতি**

## সকলোৰে মূলতে 'প্ৰাণ'

❒ কমল কুমাৰ মেধি
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া)



হাকুটি লগাই জোকাৰিলেই সপোন নমৰে
যদিহে অৰণ্যই সাঁচি ৰাখিব নোৱাৰে সপোনৰ থোক
হৃদয়ত তেজৰ স্পন্দন কোবাল হ'লেও
বোৱাব নোৱাৰি প্ৰেম
যদিহে মৰমৰ আখলত সেকি ল'ব নোৱাৰি উদাস হৃদয়

অথবা বিষন্নতাত ডুব গৈ থাকে প্ৰেমময়ী আবেলি
শব্দৰ বোকোছাত পাটি পাৰি লৈও
শুৱাই থ'ব নোৱাৰি নিচুক কবিতা
যদিহে বেজাৰে থাকে ভাবৰ শৃংখল
হেঁপাহ থাকিলেই জকমকীয়া হৈ নুঠে আশাৰ বাগিছা
যদিহে বুকুত গোটাই থ'ব নোৱাৰি ভাবনাৰ শইচ
তুমি পলম্বা কৰিলেও মনৰ পথাৰ
গজাব নোৱাৰা সপোন যদিহে বন্ধ্যা হৈ থাকে সময়
কেৱল শৰীৰটোৱে সকলো নহয়
যদিহে বুকুত নাথাকে ধুক ধুক শব্দ
(চকু ঘোলা হৈ পৰিলে সুস্মিতা, ঐশ্চৰ্য্যৰ
কবৰৰ প্ৰেমিকা)
আচলতে সকলোৰে মূলতে প্ৰাণ
প্ৰাণ অবিহনে খোলাটো অৰ্থহীন
দুৰ্গন্ধ খাদ্য নাইবা ডাষ্টবিনৰ শোৱনী ঘৰ

### ফেঁহুজালি

**কটন কলেজ 'নবীন' গোট**
**সম্পাদক : ৰাজেন দাস**

চুটিগল্প

# নিৰালম্ব

❒ মৈত্রেয়ী বৰ তামূলী
স্নাতক দ্বিতীয় বৰ্ষ (অৰ্থনীতি)

মোৰ এই চকীখন কাঠৰ। যথেষ্ট পুৰণি। কুৰুক-কুৰুককৈ শব্দটো আকৌ মোৰ কাণত লাগিল, চকীখন পোকে খাইছে। ইফালে সিফালে চাইও ঠাইডোখৰ উদ্ভাৱন কৰিব নোৱাৰিলো— ক'ত পোকে খাইছে। অনুভৱ হ'ল মোৰ আচবাব-পত্ৰবোৰো যেন মোৰ লগত নিবিড় সম্বন্ধ। ভালেমান দিনৰে পৰা মোৰ মূৰটোৰ ভিতৰত কুৰুক কুৰুককৈ ক'ৰবাত এটা পোকে খুচৰি আছে। চকীখনৰ পোকটো বিচাৰি নোপোৱাৰ দৰেই মই ধৰিব পৰা নাই — মূৰটোৰ ঠিক কোনখিনিত পোকটোৱে কামুৰি আছে। এই টেবুলখন, খিৰিকিৰ কাঠবোৰ, টিনপাতবোৰো যেন উৱলি গৈছে — মোৰ উৱলি যোৱা সমগ্ৰ সত্তাৰ দৰেই। লাহেকৈ চকীখন থেকেচা এটা মাৰি দিলো। শব্দটো একমিনিট মানৰ বাবে বন্ধ হৈ আকৌ অৰম্ভ হ'ল -- কুৰুক - কুৰুক -- । আকৌ যত্ন নকৰিলো বন্ধ কৰিবলৈ। কিবা এক উন্মাদনাৰে কলমটো হাতত তুলি ল'লো।

এই বন্ধুমখাৰ অভিযোগ -

ঃ "প্ৰবাল, তই কিয় এনেকুৱা হৈছ? কলেজত থাকোতেতো ভাল লিখিছিলি।"

ঃ "কি, এতিয়া এৰি দিছ? কিয়?" ভাৰ্গবে কয় —

ঃ "এই সংখ্যাৰ মোৰ আলোচনীত তোৰ গল্প এটা দিবলৈ পাবই লাগিব।" — ইত্যাদি। নহয়, কোনেও নাপায় মোৰ লিখা পঢ়িবলৈ।

আজিও হাতত কলমটো লৈ খিৰিকিৰে বাহিৰলৈ চাই পঠিয়ালো। আবেলিৰ ৰঙা বেলিটো সিদিনা হঠাতে দূৰৰ পৰা দেখা 'মায়া'ৰ কপালৰ ৰঙা ফোঁটটো যেন লাগিল। ছেঃ আকৌ মায়া.........। মনটোলৈ খং উঠিল। বৰ অবাধ্য ই। মায়াৰ সান্নিধ্যত কটোৱা — পাঁচটা বছৰনো ই পাহৰিব নোৱাৰেনে! সিদিনা মৃন্ময় আছিল নেকি বাৰু তাইৰ কাষত — খুউব কাষত! বৰ সুখী চাগে তাই !!! বিয়াৰ সাদিনৰ আগততো তাই লিখিছিল —

ঃ "মই সময়ৰ দাস। মোক তুমি ক্ষমা নকৰিবা প্ৰবাল। জীৱনত কেতিয়াও সুখী হৈ নাপাবলৈ অভিশাপ দিয়া মোক।"

নাই। মইতো তাইক অভিশাপ দিব নোৱাৰিলো। সুখী! সুখীয়েই চাগে তাই।

ঃ "কি? মায়াই এনেকুৱা কৰিলে?" — প্ৰচণ্ড অভিযোগত গুজৰি উঠে ভাৰ্গবে — অনিৰ্বানে। নাই। মোৰ কিন্তু কোনো অভিযোগ নাই।

মাত্ৰ বুজে মোৰ মায়ে। মায়াৰ ওপৰত অভিযোগ কৰিলে মই দুখ পাওঁ — জানে। মায়ে বুজে ভালপোৱাত প্ৰতিদান, আক্ষেপ, অভিযোগ — এইবোৰ অনাৱশ্যকীয়। মাত্ৰ কেতিয়াবা ৰাতি বেছি দেৰীলৈকে বাৰাণ্ডাত বহি থকা দেখিলে মায়ে আহি কয়হি।

ঃ "বাবা, বিচনা পাৰি থৈছে মিলিয়ে। বহুত দেৰী হ'ল।" মই শোৱা বিচনাৰ বেৰখনৰ সিপাৰে 'মা' শোৱে। ৰাতি প্ৰায়েই শুনো - - মই বিচনাত পৰি যিমান দেৰীলৈকে বাগৰ সলাওঁ ঠিক সিমান ৰাতিলৈকে মায়েও বাগৰ সলাইছে - যিমান পাৰি কমকৈ শব্দ হোৱাকৈ। তেনেকৈয়ে সেইখন বিচনাতেই — মা লাহে লাহে শুই পৰিল, প্ৰায় এবছৰমান শুই শুই মা এদিন আগফালৰ চোতালত বগা কাপোৰ এখনৰ তলত শুই গ'ল। 'মা'ৰ 'কেন্সাৰ' হৈছিল — দুৰাৰোগ্য 'কেন্সাৰ'। মিলি কান্দি কান্দি অচেতন হৈ গ'ল। আৰু মই! মই মনে মনে হাঁহিলো - - ধেৎ আকৰী, কান্দিব নাপায়। কান্দিলে মায়ে বেয়া পায়। ৰঙা জুইকুৰা হাতত লৈ 'মা'ৰ দেহাটো জ্বলাই দিলো। মেৰ মেৰকৈ শব্দ কৰি খৰিবোৰ জ্বলি গ'ল। মাৰ দেহাটো — কণমানি দুখন হাতেৰে বহুদিন সাৱতি ধৰি থকা মাৰ দেহাটো.......................।

মূৰৰ কুৰুক কুৰুক কামোৰটো যেন এবাৰ আহি বুকুৰ ক'ৰবাত পালেহি। হাত দি চালো। নাই। এতিয়াও ধৰিব পৰা নাই পোকটো ক'ত। উৎকট কামোৰণি

কলমটো হাতত লোৱা ভালেমান সময় হ'ল, কি লিখো! মাৰ কথা......! দেউতা ...! দেউতাকতো মই পাহৰিয়েই গলো। দেউতা ঢুকুৱাৰ দিনা মই হেনো আগফালৰ 'নঙলা' এডালত ওলমি চিঞৰি আছিলো....."আমাৰ দেউতা মৰি গ'ল। আমাৰ দেউতা ......।" নিৰ্দ্দিষ্ট সুৰ এটাত।

মোৰ একমাত্ৰ ভনী 'মিলি'। ধেৎ তাইও বাৰু হেৰাই যাব লাগেনে! মাত্ৰ তাইলৈহে মোৰ অভিযোগ-- বহুত অভিযোগ। এক্স্কাৰছনটো', ...............সাগৰখন....................

ঃ "ঋতু, টৌতো আহোতেই - ঠিক টৌটো আহোতেই তুলিবা ফ'টো কপি।" — তাই হেনো সাগৰখনলৈ পিঠি দি পিছলৈ গৈ আছিল। হয়, ঠিক টৌটো আহোতেই ঋতুৱে ফ'টোকপি তুলিলে। সেই মুহূৰ্ততেই হাঁহি হাঁহি তাই টৌটোৰ লগত হেৰাই গ'ল। বৰ মৰম সাগৰলৈ তাইৰ-- তাইহে বৰ ফাঁকি দিলে মোক। নকলে। সাগৰখনৰ লগত গুচি যাব বুলি এবাৰো নকলে তাই মোক। তাই গুচি গ'ল।

আমাৰ ঘৰটোলৈ চাই মানুহবোৰে ভয় কৰে — বৰ অভিশপ্ত হেনো পৰিয়ালটো।

বুকুৰ পৰা পোকটোৰ প্ৰচণ্ড কামোৰণিটো আকৌ মূৰ পালেগৈ নেকি! কপালত হাত দি চালো--- জানুৱাৰী মাহৰ এই ঠাণ্ডাত মই ঘামি আছো! বতৰটো, শৰীৰটো — সকলোৱে বিদ্ৰোহ কৰিছে একেলগে। বিদ্ৰোহ! দাবী! সকলোৱে কৰে! মোৰ স্কুলখনৰ সৰু সৰু লৰা-ছোৱালীবোৰেও। ২৬ জানুৱাৰীৰ পতাকা উত্তোলনৰ পিছত সিহঁতক 'তাৰকাগৃহ' দেখুৱাবলৈ নিব লাগে। এই দাবী মোৰ ভাল লাগে। এই 'দাবী' ত মই নিজক পাহৰি যাওঁ —। দৈনন্দিনৰ নতুনত্ব মোৰ ভাল লাগে।

হঠাতে মন কৰিলো— চকীখনৰ পোকটোৰ কুৰুক কুৰুক শব্দটো দেখোন নাইকিয়া হৈ গ'ল। ভাগৰিছে চাগে সি। পোকটোৰো ভাগৰ লাগে। মাত্ৰ ভাগৰ নালাগে মোৰ মূৰৰ পোকটোৰ।

এই চকীখনত বহিলেই, এই কলমটো হাতত ললেই - মা-, মিলি — মায়া — সকলোৱে আগুৰি ধৰি মোক বোবা কৰি পেলায়।

ছেঃ, খং উঠিল। মোৰ মূৰৰ বিৰামহীন পোকটোলৈ খং উঠিল। প্ৰথমবাৰৰ বাবে প্ৰচণ্ড অভিযোগেৰে বগা কাগজ এখন টানি আনিলো। তাৰ ওপৰত কলমটোৱে নীলা - গভীৰ নীলাআখৰেৰে এটা গল্পৰ প্ৰথমশাৰী বাক্য লিখি পেলালো - "মই নিৰালম্ব।"

ভালেমান সময় বিৰতিৰ মূৰত কাঠৰ চকীখনৰ পোকটোৱেও আকৌ আৰম্ভ কৰিলে - কুৰুক — কুৰুক----।

উত্তৰণ
স্বহীদ কনকলতা ছাত্ৰীনিবাস

চিন্তাশিল্প

# অনুভৱ আৰু উপলব্ধিৰ এক আন্তৰিক উপত্যকাত

❒ জয়দীপ বৰুৱা

Read not to contradict and confute nor to believe and take for granted, nor to find talk and discourse, but to weigh and consider."

Francis Bacon (1561-1626)

শব্দইও কেতিয়াবা বোৱাই আনিব পাৰে অনুভৱৰ উষ্ণতা অথবা আৰ্দ্ৰতা। শব্দৰ সাঁকোৰেদিও সম্প্ৰসাৰিত হ'ব পাৰে অনুভূতিৰ সুতীব্ৰ নতুবা সুকোমল উত্তাপ-হৃদয়ৰপৰা হৃদয়লৈ। মন আৰু মগজুৰ বিচিত্ৰ অভিজ্ঞতা সঞ্চিত হৈ ৰ'ব পাৰে চিৰদিনৰ বাবে - শব্দৰ বুকুত।

অসমীয়া পাঠকক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ সৈতে নতুনকৈ চিনাকি কৰাই দিয়াৰ প্ৰয়োজন নাই। আশীৰ দশকতে দেৱচৌধুৰীয়ে যেতিয়া অসমীয়া পাঠকক আঙুলিত ধৰি 'অনুৰাধৰ দেশ'ৰ পৰিভ্ৰমণ কৰোৱাইছিল, তেতিয়াই সেই দেশৰ বিশ্বাস যোগ্যতাত সকলো মুগ্ধ হৈছিল- দেৱচৌধুৰীক অন্তঃকৰণেৰে আঁকোৱালি লৈছিল। তাৰ পাছৰ যোৱা প্ৰায় দহোটা বছৰ তেওঁ পাঠকৰ সৈতে একেলগে আছে। সময়ে সময়ে সুখ আৰু দুখৰ অনুভূতিৰ সোৱাদ যাঁচিবলৈকো পাহৰা নাই। সুখ আৰু দুখৰ এনে কিছু নিবিড় মুহূৰ্তৰেই উমান আছে তেওঁৰ লেখাত- তেওঁৰ 'মৃত্যুৰ লেখা প্ৰেমৰ লেখা'ত।

প্ৰত্যেক লেখাই একাধিক অৰ্থত হয়তো লেখকৰ আপোন জীৱনচৰ্যাৰ অকপট স্বীকাৰোক্তি। কিন্তু ব্যক্তিগত জীৱনৰ পৰীক্ষালব্ধ সত্যক হাজাৰজনৰ জীৱন পটত নিৰ্মোহভাৱে বিশ্লেষণ কৰি চাব পৰাতেই সিবোৰৰ মহত্ব। দেৱচৌধুৰীৰ লেখাত এই মহত্ব আছে - লগতে আছে চুম্বকত্বও।

'মৃত্যুৰ লেখা প্ৰেমৰ লেখা'ত আছে সাতোটি লেখা - যাক হয়তো ঔপন্যাসিকা আৰু গল্পৰ পৰিধিৰে সামৰি থব পাৰি। ইয়াৰ পোণৰ তিনিটা লেখাত যদি আছে আধুনিক জীৱনৰ প্ৰতি ভ্ৰূকুটি তেনেহ'লে শেষৰ চাৰিটা লেখাত আছে জীৱনৰ কিছু মৌলিক প্ৰশ্ন আৰু প্ৰমূল্যৰ আন্তৰিক অন্বেষণ। থোৰতে, 'মৃত্যুৰ লেখা প্ৰেমৰ লেখা'ত বিবৃত হৈছে অৱৰুদ্ধ আধুনিক জীৱন প্ৰৱাহৰ দুৰ্বিসহ যন্ত্ৰণা। অনুভৱ আৰু উপলব্ধিৰ স্বাভাৱিক স্বচ্ছতা আৰু সততাৰে তেওঁ জনাই দিছে - ছিন্নমূল আধুনিক মানুহ কিমান নিঃস্ব, কিমান অসহায়। সভ্যতাৰ দৌৰত অংশ লোৱা সকলোৰে প্ৰতি তেওঁৰ আছে এটি ভয়ংকৰ প্ৰশ্ন - "সঁচাকৈয়ে পৃথিৱীত মানুহ মানুহ হৈয়েই জীয়াই থাকিবনে (মৃত্যু)?" মানৱীয় অনুভৱৰ আশাতীত আৰু অভাৱনীয় পৰিৱৰ্ত্তনে আনি দিছে এই ধাৰণা আমি যেন সকলোবোৰৰপৰা বিচ্ছিন্ন হৈ গৈছোঁ। Rootless। শূণ্যতে ওপঙি আছো। ভাৰসাম্য ৰাখিব পৰা নাই। (সুগন্ধি পখিলাৰ পৃথিৱী)। এই বিচ্ছিন্নতাবোধৰ বিষাদ সকলোতকৈ গভীৰ, তীব্ৰতম।

দেৱচৌধুৰীৰ লেখা সহানুভূতি আৰু সংবেদনশীলতাৰে সংপৃক্ত। এই সংবেদনশীলতাই পাঠকৰ অনুভূতিৰ দ্বাৰত টুকুৰিয়াই যায়। এই একীকৃত অনুভৱ হয়তো উপলব্ধিৰ সাৰ্বজনীনতাৰেই ফলশ্ৰুতি। ই অনুভৱ আৰু উপলব্ধিৰ এক আন্তৰিক উপত্যকা। আৰু এই উপত্যকাৰ সুদীৰ্ঘ পৰিক্ৰমাৰ অন্তত অনুভৱ হয়, দেৱচৌধুৰীয়ে এখন বিশ্বাসৰ পৃথিৱী বিচাৰে। বিশ্বাস আৰু আস্থাহীনতা, প্ৰেমৰ সংকট আৰু বিপন্ন সময়ৰ হতাশাই তেওঁলৈ আনি দিয়ে এক গভীৰ যন্ত্ৰণাবোধ - যি তেওঁৰ লেখাৰ অভ্যন্তৰলৈকো সংক্ৰমিত। এই দুখ আৰু যন্ত্ৰণাই মানুহক প্ৰেমৰ একেবাৰে কাষলৈ লৈ যায়। উমান কৰাত অসুবিধা নহয়, এক অজান সকৰুণ অনুভৱ তেওঁৰ লেখাৰ অন্তৰালত চিৰপ্ৰৱাহমান। সেয়ে তেওঁৰ লেখাৰ পঠনৰ অন্তত সমবেদনাৰ চকুলোৰে উজাৰি দিবৰ মন যায় হৃদয়ৰ সকলো শৃংখলিত আবেগ আৰু অনুভৱৰ ঐশ্বৰ্য। কিন্তু এই সকৰুণতাৰ সকলো উপলব্ধি থমকি থাকেগৈ সেই এটা বিন্দুত - য'ত নিহিত থাকে গভীৰ প্ৰত্যাশাৰ দগমগ্ সূৰুয। সেয়ে, তেওঁ আন্তৰিকতাৰে বিচাৰে "তুমি মোক ৰ'দৰ দেশলৈ লৈ যাব পাৰা অথবা ঠেলি দিব পাৰা অন্ধকাৰৰ গৰ্ভত। অন্ধকাৰে মোক টানি লৈ যাব খোজে, কিন্তু মই যাব বিচাৰোঁ ৰ'দৰ ওচৰলৈ। মোক ৰ'দ দিয়া ; মই তোমাক প্ৰেম আৰু বিশ্বাস দিম (মোক ৰ'দ দিয়া)।"

ইয়াৰ পিছত সকলো সংবেদনশীল পাঠকে ক'বলৈ বাধ্য ঃ তথাস্তু।

আনন্দৰাম বৰুৱা ছাত্ৰাবাস

সম্পাদক ঃ মহেশ ৰবিদাস

---

লিমাৰিক--

*কটনৰ ল'ৰা অ.ম.ৰ জনা-শুনা ছাত্ৰ,*
*পঢ়াত নাই মন পিছে দেখাতহে মাত্ৰ;*
*য়ামাহাৰ প্ৰেমত পৰি*
*জুলিয়েটৰ পিছত ঘূৰি*
*এনুৱেলতে মাৰি ফেল হ'ল হাঁহিয়াতৰ পাত্ৰ।*

*আজি কালিৰ ল'ৰাবোৰৰ ক্লাছত নাই মন,*
*'দিন' আকৌ উন্নতিলৈ জীৱন কৰিছে পণ;*
*শিক্ষক-ছাত্ৰৰ নাই বাপ্*
*টিউচনৰ মাত্ৰা আপ্*
*'বাছনি' নৌহওতেই পিছে ক্লাছকম পৰিল চুন।*

–দ্বিপেন চন্দ্ৰ কলিতা

## সম্পাদকীয়

একোটা পৰিয়ালৰে নহয়, একোটা অঞ্চলৰ আশা আকাংক্ষাক প্রতিনিধিত্ব কৰি ৰাজ্যৰ উপৰিও দেশৰ বিভিন্ন প্রান্তৰ পৰা অসমৰ উৎকৰ্ষতাৰ কেন্দ্র কটন কলেজলৈ অধ্যয়ন কৰিবলৈ অহা প্রতিজন সচেতন কটনিয়ানেই তেওঁৰ অঞ্চলৰ প্রতি এক দায়বদ্ধতা অনুভৱ কৰে। সংশ্লিষ্ট অঞ্চলৰ শান্তি-পূর্ণ বাতাবৰণে এই কটনিয়ানসকলক অধ্যয়নৰ উপৰি কলা-কৃষ্টিৰ পথাৰতো সফলতা আৰ্জিবলৈ অপাৰ উৎসাহ অনুপ্রেৰণা যোগায়। তেতিয়া তেওঁ তেওঁৰ সফলতাৰ যোগেদি সেই অঞ্চলটৌলৈ অনেক সুনাম কঢ়িয়াই আনিবলৈ যত্নপৰ হয়। বহুক্ষেত্রত এই কটনিয়ানসকল সফলো হয়। কিন্তু আজি সেইদিন বাৰু আছেনে? আজি বিভিন্ন আৰ্থসামাজিক আৰু ৰাজনৈতিক কাৰণত ৰাজ্যত দেখা দিয়া সাম্প্রদায়িক সংঘর্ষ, হত্যালীলা আনকি একে জনগোষ্ঠীৰ ভাই-ভাইৰ মাজতো হৈ থকা সংঘাতৰ ফলস্বৰূপে কেতবোৰ জনগোষ্ঠী বিলুপ্তিৰ পথত আগবাঢ়িছে। সেই অশান্ত অঞ্চলৰপৰা অহা কটনিয়ানসকলে সেয়ে ভাবি হতাশ হৈছে - তেওঁলোকে কোনটো পৰিয়াল কিম্বা কোনখন সমাজৰ উন্নতিৰ বাবে ইয়াত উজাগৰী নিশা কটাই নশ্বৰৰ সংগ্রাম কৰিবলগীয়া হৈছে। ৰাতিপুৱাৰ সতেজতাত যেতিয়া তেনে কটনিয়ান এজনে দৈনিক বাতৰিখন হাতত তুলি লয় প্রবল উৎকণ্ঠাত, তেওঁৰ চকুহালে বিচাৰি ফুৰে তেওঁৰ এলেকাত যোৱা দিনা কাৰ ধন লুট হ'ল, উগ্রপন্থীয়ে তেওঁৰ পৰিয়ালৰ কাৰোবাক গুলীয়ালে নেকি নতুবা যোৱা নিশা উগ্রপন্থী বিচাৰি গৈ সেনাই কাৰ মাক-ভনীয়েকক বেইজ্জতি কৰিলে। এনেকৈ তেওঁৰ পৰিয়াল আৰু কিমান দিন নিৰাপদ? তেওঁৰ চেকাৰে অভিশপ্ত প্রথম পৃষ্ঠাটো পঢ়াৰ পাছত কাকত খনৰ বাকীকেইটা পৃষ্ঠা তেওঁৰ বাবে নিৰস হৈ পৰে, মৃত্যুৰ পিছৰ জীৱনটৌলৈ তেওঁৰ লালসা নোহোৱা হয়। আমাৰ কিছুমানৰ অঞ্চলৰ তেনে হত্যা সংঘৰ্ষ এতিয়াও হোৱা নাই বুলিয়েই আমি যদি ভুক্তভোগীসকলৰ দুখ-দুৰ্দশাবোৰ দেখিও নেদেখাৰ ভাও জুৰি থাকোঁ আৰু তাৰ প্রতিকাৰৰ একো ব্যৱস্থা নকৰো তেন্তে এই সোঁচৰা হত্যা-সংঘৰ্ষৰ জুয়ে শেষত আমাৰ ফালেও চোঁচা ল'ব, তেতিয়া কিন্তু আমাৰ অৱস্থা চাবলৈ আনকি কোনো বাঁচি নেথাকিব। ❒

## কথা কবিতা

### পৃথিৱীৰ প্রেমত

❒ বিপুল মেধি
স্নাতক প্রথম বর্ষ (ইংৰাজী)

পূর্ণিমাৰ নিশা। জোনাকখিনি থুপ খাই বহি আছে আলিদোমোজাত। কল্লোলিনী নৈৰ শৱদে খুন্দা মাৰে ঘৰৰ আলপনা। আগচোতালত এখন সাঙী গঢ়াৰ প্রস্তুতি। মোৰ শৱদেহ পৰি আছে মজিয়াতে। ককাদেউতাই ৰুই যোৱা কামিনী কাঞ্চনজোপাৰ পৰা নামিছে অশ্রুবন্যা। চকুলো টুকিছে একুৰিয়ামৰ চেলমনটোৱেও।

পদূলিমুখৰ আলিয়েদি সূহুৰিয়াই আগবাঢ়ে মোৰ যৌৱন। কৈশোৰ পাৰ হৈ পাইছিলো এক সুন্দৰ ফুলনি। লাহে লাহে মোৰ ওৰণি গুচিল। প্রেমাসিক্ত হৈ পৰিছিল দেহ মন মোৰ। চুমাত পাইছিলোঁ কুমাৰী পৃথিৱীৰ প্রেম। উজ্জীৱিত কৰিলো মাটিক স্পর্শ কৰা সেউজ শইচৰ ৰসাল স্তন। কিন্তু হায়! মোৰ সেউজ উপত্যকাত এতিয়া জুই। আশাবোৰ হ'ল ছাই। সাধনাৰ ডাৱৰ গলায়ো নাপালো আকাংক্ষিত নগৰ।

এতিয়া শৱদেহটো সাঙীত। শুভাকাঙ্খীসকলৰ চকুত শেষ বাৰিষাৰ বান। ইতিহাসৰ ঠেক পথেৰে মোৰ শৱযাত্রা। চাৰিখন কান্ধৰ পৰা শুনোঁ মানুহৰ হিয়াৰ বিলাপ।

অশান্তিৰ বীজবোৰ অংকুৰিত হৈছিল মূৰত। সকলো হেৰুৱাই মই হৈছিলো শিলৰ মানুহ। জীৱনৰ সতে যুঁজি যুঁজি শেষ হৈছিল সাতাম পুৰুষীয়া চকুপানী।

বালিচৰত মোৰ শৱদেহ পোৰাৰ ব্যৱস্থা। মোৰ কাণত বাজি উঠিল মিশ্রিত সুৰৰ মৌনধ্বনি। আধৰুৱা হৈ আছে মোৰ জীৱন ইতিহাসৰ গধুৰ বোজা। এনেতে আহিল বালিৰ ধুমুহা। শৱযাত্রীবোৰ ক্রমশঃ ধূসৰ হৈ আহিল। মই নিঃশব্দে সাঙীখন পৰিত্যাগ কৰিলোঁ! ❒

**ৰ'দালি**
সীতানাথ ব্রহ্মচৌধুৰী ছাত্রাবাস
সম্পাদক ঃ শৈলেন বৰকাকতি

আনন্দৰাম বৰুৱা ছাত্রাবাস
সম্পাদকঃ মহেশ ৰবি দাস

**লিমাৰিক**

*ৰাষ্টাৰ কাষৰ হোষ্টেলবোৰৰ*
*কিনো চাবা ৰূপ*
*বিজুলী আইৰ কৃপাত*
*নিতেই হয় অন্ধকূপ;*
*বাথৰুমত নাই পানী*
*চুপাৰবো ঘাটি মানী*
*সকলো দেখি ৰুমৰ ফেনো*
*হই যায় চুপ্।*

–দ্বিপেন চন্দ্র কলিতা

চিন্তাশিল্প

# অমৰত্ব অভিলাষী মানুহ

❑ অৰিন্দম বৰকটকী

## প্ৰস্তাৱনা ঃ

কল্পনা কৰক আৰু পঞ্চাছ বছৰৰ পিছৰ পৃথিৱীখন। আপুনি যিখন চহৰত বাস কৰিছে, সেইখন চহৰত নীলা আকাশ দেখা নাযাব। অথচ আপোনাৰ ঘৰটোৱেই হয়তো চহৰখনৰ ভিতৰতেই আকাশচুম্বী। নিয়ৰসনা ঘাঁহনি, তলসৰা বকুল অথবা শেৱালিৰ সৌৰভ............. সেইবোৰতো তেতিয়া আপোনাৰ বাবে এটা পাৰ হৈ যোৱা সপোন। আপুনি হয়তো একেই আছে, স্মৃতিৰ সৈতে খেলিছে, সমস্যাবিহীন মসৃণ পথটোত জীৱনটো আগুৱাই নিছে। এজন সুখী আধুনিক মানুহ হোৱাৰ সকলোখিনি যোগ্যতাই আপোনাৰ আছে। কিন্তু আপুনি ক'ব নোৱাৰাকৈয়ে ইতিমধ্যে মৃত্যু হৈছে আপোনাৰ ভিতৰৰ অমৰত্ব অভিলাষী মানুহজনৰ।

## বাস্তৱ এটা বিস্ফোৰণ ঃ

চমক লগোৱা কথা কোৱাৰ ক্ষেত্ৰত বাৰ্নাৰ্ড শ্ব বিখ্যাত। দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ খবৰ শুনি তেওঁ মন্তব্য দিছিল ঃ "ভৱিষ্যতৰ পৃথিৱীৰ বাবে হয়তো বুৰঞ্জী বোলা কথাষাৰৰ প্ৰয়োজনীয়তা নাইকিয়া হ'ব। মানুহে বাস কৰিব এখন বুৰঞ্জীবিহীন পৃথিৱীত।" এই কথাষাৰৰ সত্যতা প্ৰথম বিশ্বৰ দেশসমূহত কেতিয়াবাই প্ৰতীয়মান হ'ল আৰু ইয়াৰ সমাধানৰ বাবেও তেওঁলোকৰ সামাজিক সচেতনতা গঢ়ি উঠিল। কিন্তু আমাৰ দেশত জীৱন-বোধহীন সময়সাপেক্ষে পৰিস্থিতিৰ হাতত মানবীয়তাৰ পৰাজয়ৰ প্ৰথম পৰ্য্যায়টোহে আৰম্ভ হৈছে। পৃথিৱীৰ প্ৰতিজন মানুহেই যিদৰে এটা বিৰাট সম্ভাৱনীয়তা কঢ়িয়ায় সেই একেদৰে সেইজন মানুহেই এটা প্ৰচণ্ড বিস্ফোৰণৰো কাৰণ হ'ব পাৰে। এই অনিশ্চয়তাৰ হেনো ভৱিষ্যত নাথাকে। আমি এতিয়া এনে এখন সমাজত বাস কৰিছো য'ত আমাৰ সকলো আশা– সম্ভাৱনা মুহূৰ্ততে যন্ত্ৰণালৈ ৰূপান্তৰিত হ'ব পাৰে। ব্যক্তিকেন্দ্ৰিক স্বাৰ্থান্বেষিতাই আমাক এনেদৰে পংগু কৰি পেলাইছে যে আজি আমাৰ বাবে সকলো ধৰণৰ সহৃদয়তাৰ অৰ্থ দুৰ্বলতা। আমি ভৱিষ্যতৰ কথা ভাবি বৰ্তমানত বাস কৰো। হয়তো জীৱনক ভালপোৱাৰ অধিকাৰ, উপভোগৰ অধিকাৰৰ প্ৰতি সচেতন বাবেই আমি কাইলৈৰ দিনটোৰ কথা ভাবিব পাৰো, কিন্তু এই 'ভালপোৱাৰ' অৰ্থটো 'ধৰ্ষণ' বা 'উপভোগৰ' অৰ্থটো 'শোষণ' কোনোদিনেই হ'ব নোৱাৰে। এতিয়া আমাৰ নিজৰ মুখা-মুখি হোৱাৰ সাহস নাই। আমি বাস কৰিছো নীৎসেৰ পৃথিৱীত। উশৃংখলতা আমাৰ বাবে আধুনিকতা, যান্ত্ৰিকতা আমাৰ বাবে নতুন জীৱনবোধ। ইমানবোৰ বেমেজালিৰ মাজতো আমি ভাবো কাইলৈৰ কথা। মঙল গ্ৰহত আন এখন পৃথিৱী গঢ়াৰ সপোন দেখো। চৰম সত্যক অস্বীকাৰ কৰি টেষ্টটিউবত শিশুৰ জন্ম দিওঁ। আমাৰ চৌদিশে আমি নিজে সজা প্ৰচণ্ড গতিময়তাত আমি বাস কৰো। আমাৰ চকুত ঘড়ীবোৰেই আটাইতকৈ ধীৰ গতিৰ যন্ত্ৰ। অথচ আধুনিক বুলি, জীৱশ্ৰেষ্ঠ বুলি আত্মসন্তুষ্টি লভা আমি জানো ধীৰগতিৰ সেই ঘড়ীটোক পৰাস্ত কৰিব পাৰিছো? আমিতো সময়ক পৰাজিত কৰিব পৰা নাই। তেনেহ'লে এই প্ৰচণ্ড ভয়ংকৰী আধুনিক নামধাৰী গতিক আমি সময়ৰ লগত খাপ খুৱাই সৃজনীশীল তথা মানৱমুখী কৰি তুলিবলৈ আমি কিয় চেষ্টা কৰা নাই? আমি এনে এখন পৃথিৱীত বাস কৰিছো য'ত এই মুহূৰ্তত জন্ম লাভ কৰা কেঁচুৱাটোৰ কান্দোন কান্দোন নহৈ এটা আৰ্তনাদ হ'ব পাৰে অথবা গোটেই প্ৰক্ৰিয়াটোৱেই এটা ভয়ংকৰ বিস্ফোৰণ।

## অধিবাস্তৱ ঃ একুৱিয়ামত বন্দী মাছ ঃ

আজি আমাৰ অৱস্থা হৈ পৰিছে একুৱিয়ামত বন্দী ৰঙা-নীলা মাছবোৰৰ দৰে। অনুভূতি যিসময়ত আত্মকেন্দ্ৰিকতাৰ নামান্তৰ হয় সেইসময়ত সৃষ্টিশীল বুলি কিবা এটা থাকিব পাৰে যে সন্দেহ। এনেকুৱা সময়বোৰত আন এজন ৰবীন্দ্ৰনাথ জ্যোতিপ্ৰসাদ বা টলষ্টয়ৰ জন্ম হ'বনে নহয় নাজানো কিন্তু। এনে সময়ত প্ৰতিজন সৃষ্টিশীল সচেতন ব্যক্তিয়েই হৈ পৰে চূড়ান্তভাৱে নিঃসঙ্গ আত্মা। নিসঙ্গ আত্মাৰ পৃথিৱীত সৃষ্টিশীলতা যেন আত্মপ্ৰবঞ্চনাৰ নামান্তৰহে মাথো।

তেনেহ'লে পৃথিৱীৰ আটাইতকৈ শক্তিশালী শাসকগোষ্ঠী লিখকশ্ৰেণীটোৱে মানৱতাৰ আৰু অৱসান ঘটিবলৈ দিব নেকি? নিদিয়ে। হ'ব পাৰে আজিৰ পৃথিৱীয়ে এজন পিকাছো, শ্যেক্‌স্পীয়েৰ বা এজন বিথোফেন্ জন্ম দিব পৰা নাই। কিন্তু তেওঁলোকৰ অভাৱেই দেখোন তেওঁলোকক আমাৰ চকুত অধিক মহীয়ান কৰি তুলিছে। এই 'অভাৱ' আচলতে এটা অনুভৱ তাক বুজি পাবলৈ এতিয়াও পৃথিৱীত অজস্ৰ অনুভৱী ব্যক্তি আছে। কিন্তু আৰু পঞ্চাছ বছৰৰ পাছত পৃথিৱীখনত জীৱনক প্ৰকিফলন কৰিবলৈ বুলি সাহিত্যৰ একো নাথাকিবগৈ, সেই সময়ত এজন ব্যক্তিৰ মানসিক উত্তৰণ ঘটিবগৈ সাহিত্যৰ পৰা সাহিত্যলৈ, জীৱনৰ পৰা সাহিত্যলৈ নহয়। গতিকে অত্যন্ত স্বাভাৱিকভাৱে সাহিত্যত গঢ় লব আন এক 'কলাকৈবল্যবাদী' চিন্তাই। কাৰণ মহত্বৰ সাহিত্য সৃষ্টিৰ বাবে মহৎ বিষয়-বস্তুৰ প্ৰয়োজন, যাক আহৰণ কৰিব পাৰি কেৱল সমাজৰ পৰা। আৰু সেই সময়ত আমাৰ সমাজখন এটা একুৱিয়াম আৰু আমিবোৰ যন্ত্ৰণাকাতৰ কেতবোৰ ৰঙা-নীলা মাছ।

## তথাপিতো আশা ঃ

আৰু পঞ্চাছ বছৰৰ পিছত আপুনি এনে এখন চহৰত বাস কৰিব যিখন চহৰত এখন নীলা আকাশ কিমান বিশাল হ'ব পাৰে সেই কথা আপোনাৰ পিছৰ প্ৰজন্মই কেতিয়াও অনুমান কৰিব নোৱাৰিব। কিন্তু সেই ভাবি মানুহৰ ওপৰত বিশ্বাস হেৰুৱাটোও পাপ। মোৰ সেয়েহে সন্দেহ হয় আপোনাৰ দৰে মানুহ এতিয়াও এই পৃথিৱীত অনেক থাকোতে পৃথিৱীখন সঁচাকৈয়ে বাৰু ইমান সলনি হ'বগৈনে? আপুনি দিবনে বাৰু এই পৰিৱৰ্তনৰ বাবে সন্মতি? কাৰণ আপুনিওতো এজন অমৰত্ব অভিলাষী মানুহ..........।

**সৌৰভ**

**সম্পাদক ঃ ধীৰাজ কুমাৰ শৰ্মা**

**শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস**

হাস্য ব্যংগ

# হেৰা, যাবা ক'লৈ .....

❑ প্ৰণৱজ্যোতি নেওগ

উত্তৰ লক্ষীমপুৰ নগৰৰ বাছ-আস্থানত নাৰায়ণপুৰলৈ যাব লগা এখন বাছত বহি আছো। মোৰ ঠিক সোঁফালৰ দুজনীয়া আসনখনত বহি আছে দুগৰাকী গাভৰু আৰু তেওঁলোকৰ ঠিক পিছৰ আসনত দুজন কলেজীয়া ল'ৰা। ল'ৰা দুজন কথা পতাত ব্যস্ত। বাছ এৰিবলৈ তেতিয়াও কিছুমসয় বাকী। ল'ৰা দুজনৰ এজনে কৈছে, – 'ইস্‌ৰাম ! ইমান দেৰি কৰিছে। ধেমাজি পাওঁতে চাগে সন্ধিয়া লাগিব।' আনজনে কৈছে - 'হয় পায়। ইয়াতেই ইমান দেৰি - ধেমাজিৰ ৰাস্তাও বৰ ভাল নহয় .আকৌ।'

ল'ৰাদুজনৰ মুখত ধেমাজি শব্দটো শুনি ছোৱালীজনীৰ কাণ থিয় হ'ল। দুয়োজনীয়ে নিজৰ ভিতৰতে গুণগুণাই কথা পাতি ইফালে-সিফালে চাই মোক সুধিলে, – 'বাছখন নাৰায়ণপুৰলৈ নাযাব জানো?'

'হয়, ময়ো যাম।' –মই উত্তৰ দিলো।

নিশ্চিত হৈ ছোৱালীদুজনী আকৌ বহি পৰিল। ল'ৰা দুজনে কিন্তু একান্ত মনে কথা পাতিয়েই আছে – 'ঐ, গোগামুখৰ এ, এছ, টি, চি, বাছষ্টেণ্ডত মানুহ এজনক লগ পাব লগা আছে। তই মনত পেলাই দিবি দেই।' আনজনে ক'লে - 'হ'ব বাৰু। আচ্ছা তই ধেমাজিৰ পৰা আৰু কঁৰবালৈ যাবি নেকি?

ছোৱালীদুজনী আকৌ সন্ত্ৰস্ত হৈ উঠিল। কণ্ডাক্টৰ ক সুধি আহি এজনী ছোৱালীয়ে ল'ৰা-দুজনক ক'লে - 'হেৰা, বাছখন নাৰায়ণপুৰলৈহে যাব। তোমালোক যাবা ক'লৈ?' '............আমি নাৰায়ণপুৰলৈ যাম' - - এজনে ক'লে।

'তেন্তে ইমানপৰেচোন ধেমাজিৰ কথাহে পাতি আছা?'

'ইয়ে ৰাম। নাৰায়ণপুৰৰ বাছত যে ধেমাজিৰ কথা পাতিব নোৱাৰি আমি গমেই পোৱা নাছিলো' – ল'ৰা দুজনে ইটোলৈ চাই ক'লে।

**ৰ'দকাঁচলি**

সম্পাদক ঃ কৃষ্ণকান্ত দাস

শ্বহীদ ৰঞ্জিৎ বৰপূজাৰী ছাত্ৰাবাস।



পেইন্টিং ঃ পল চেজ্যা

**কথা কবিতা**

# তুমি, অসীম আকাশ আৰু এজাক মলয়া

❏ জ্যোতিৰ্ময় গগৈ

কোন সময়ৰ স'তে আঁতৰি গ'ল মোৰ স্পন্দিত জীৱনৰ ছন্দোচ্চাৰিত গতি। দিঠকে-সপোনে, ফুলে কাঁইটে মাথো মোৰ স্মৃতিলব্ধ অন্বেষণ আৰু অনুভূত হয় মোৰ, চেতনাৰ এক কৰুণ প্ৰবাহ, তুমি!

মানসী, চৌপাশে ইমান আন্ধাৰ! নিশাবোৰ যেন শুই আছে আন্ধাৰৰ গাত আঁউজি। মই সাৰে আছো আৰু সাৰে থাকি শুনিছো, নদীৰ দুই পাৰ খহিছে। বিৰিণাৰ আঁৰে আঁৰে বাঁহ বান্ধি থকা চৰাইবোৰে চিঞৰি চিঞৰি কান্দিছে। মই সাৰে আছো আৰু সাৰে থাকি শুনিছো মোৰ বুকুৰ ভিতৰত কোনো এক মহাযুদ্ধৰ এক পৰাজিত সৈনিকৰ আকুল চিঞৰ।

এনে এক ভয়াবহতাৰ সতেই মোৰ গোপন আলাপ। বিষয়, তোমাৰ। মোৰ হৃদয়ৰ চোতালত দেও দি নাচা তুমি। মোৰ কাণত বাজি থকা তোমাৰ মুখৰ প্ৰতিটো শব্দই যেন একোটা গান। তোমাৰ সান্নিধ্যতেই ফুলি উঠে খিলখিলাই হাঁহি হাঁহি ফুলনিৰ হাজাৰপাহ ৰঙা গোলাপ। মোৰ কলিজাৰ তেজৰ স'তে ইয়াৰ ৰঙটোৰ কি যে মিল!

এনেকৈয়ে তুমি বৰ গভীৰ ভাৱে অনুভৱ হোৱা। সময়ৰ বুকুৰে মই অতীত আৰু বৰ্তমানৰ সংগমস্থলত তোমাৰ সন্ধান কৰো। তেনে এক মুহূৰ্ততে-

দৃষ্টিৰেখাৰ চৌপাশ আন্ধাৰে আৱৰি ধৰে। ডাৱৰে আৱৰি ধৰে জোনাকভৰা শাৰদী আকাশ। মোৰ স্মৃতিৰ আমেজত হিয়াৰ বাতৰি দি নামি আহে তোমাৰ চুলিটাৰিযেন, ক'লা কিছুমান সন্ধ্যা আৰু দুচকুত সপোন সানিবলৈ নামি আহা তুমি। হঠাৎ তোমালৈ মনত পৰে মানসী।

যেনেকৈ সৰি পৰে হেমন্তৰ এখিলা হালধীয়া পাত, ঠিক তেনেকৈয়ে মোৰ সেউজীয়া সপোনবোৰ হালধীয়া অৱশেষ যেন হৈ সপোনতে হেৰাই গ'ল। মই চকু তুলি চাই দেখো সেমেকা পথৰ বুকুত ভৰিৰ সাঁচ পেলাই তুমি আঁতৰি যোৱাৰ এতিয়া বহুতদিন হ'ল।

সেই পথৰ বুকুত ভৰি থলেই সৰি পৰে মোৰ দুচকুৰ অশ্ৰু আৰু ক্ৰমশঃ সৃষ্টি হয় বন্যা, বিষাদৰ। সেই বন্যাতে উটি-ভাঁহি ফুৰে মোৰ বৰ্তমানৰ প্ৰতিটো ক্ষণ। বন্যাই ডাৱৰৰ বিষয় আনে। সেয়েহে নেকি মোৰ চকুৰ সোঁমাজত অৱস্থান কৰে তোমাৰ আকাশৰ ডাৱৰে। ডাৱৰ কটিয়াই অনা প্ৰতিজাক ধুমুহাই মোক তোমাৰ কথা কয়। মনত পৰে ... এদিনযে ভাবিছিলো... মোৰ দুচকু হব স্বপ্নময় পৃথিৱীৰ আঁকৰ আৰু তুমি হ'বা, এচাটি মলয়াৰ দৰে জোনাকত প্ৰাণ পোৱা উদ্দীপ্ত জীৱনৰ প্ৰাণোচ্ছল খবৰ।

ঠিক এনেকৈয়ে, মানসী। আপোন অতীতৰ সুমধুৰ ক্ষণবোৰ মোৰ বুকুত সিঁচি দিয়ে- সাহস, অনুভৱ আৰু প্ৰেৰণাৰ এমুঠি বীজ।

পৰেনে মনত মানসী তোমাৰ, এদিন আমি ভবা কথাবোৰ। আমি যে ভাবিছিলো, ভৰা লুইতৰ বুকুৰে নাও চলাই যাম আৰু লুইতৰ চাপৰিত আমি শইচ চপাম, মুখ্যতঃ সংঘাত-উপসংঘাতৰ প্ৰতিটো উপলক্ষৰ সময় আমি দুয়ো একেলগেই কটাম।

ঠিক এনেকৈয়ে মানসী। তোমাৰ স্মৃতিৰ সুমধুৰ আমেজে মোৰ বাবে এতিয়াও কঢ়িয়াই আনে জীয়াই থকাৰ সুবাস। এপাহ ফুলৰ দৰে।

মোৰ বুকুৰ পলসুৱা অৱস্থানত এতিয়া এপাহ ফুল ফুলে। মাথোন এইপাহেই ফুল, চিৰদিন ফুলি ৰ'ব। মোৰ অশ্ৰুসিক্ত মাটিত বিৰহৰ বীজ পৰি চেতনাৰ ঋতুত অংকুৰিত হোৱা এপাহ গোলাপ অথবা ৰজনীগন্ধাৰ দৰে এপাহ ফুল। মোৰ হিয়াৰ মাজত তুমি তেনেকৈয়ে ৰৈ গ'লা। বসন্ত অথবা হেমন্তৰ বতৰতো অংকুৰিত হোৱা আৰু বছৰৰ বাৰমাহেই ফুলি থকা, মনোমোহা পাহিৰে আৱৰা মনোৰম সুবাসেৰে ভৰা ফুলপাহৰ দৰে, মোৰ হিয়াৰ মাজত তুমি ৰৈ গ'লা।

সেয়েহে তাহানিতে মই ভালপোৱা কবিতাৰ পংক্তিটোকে আজিও বাৰে বাৰে আওৰাওঁ

"এটি বাঁহীৰ সুৰৰ দৰে  
তুমি মোৰ বুকুৰ গভীৰৰ  পৰা গভীৰতলৈ  
ক্ৰমশঃ  
তেজত সাঁতুৰি বিয়পি আছা  
কলিজা আৰু শিৰাই-উপশিৰাই।"

---

জ্যোতিৰ্ময় গগৈ স্নাতক তৃতীয় বাৰ্ষিক (অৰ্থনীতি)ৰ ছাত্ৰ

**অনুবাদ কবিতা**

## ব্যাহত ৰাতিপুৱাৰ অন্ধকাৰ

**মূল ঃ** কৈলাশ বাজপেয়ী (হিন্দী)

*যেতিয়াই মই শৰীৰটোৰ কথা ভাবোঁ*
*ঘৃণাবোধত সেউজীয়া হৈ পৰোঁ*

*বুধিয়ক হোৱাৰ বাবে মোৰ*
*অকণো ইচ্ছা নাই*
*দৰাচলতে মই পৃথিৱীখনৰ পৰা*
*নিৰুদ্দেশ হ'ব খোজোঁ*

*কিমান আচৰিত সময়*
*এজনো মানুহ*
*আদৰৰ পাত্ৰ নহয়*

*সকলোবোৰ পুৰণি, বাহী, পেলনীয়া*
*নতুন একো উপভোগ্য নহয়*

*নাজানো মই*
*একনায়ক নহ'লো কিয়*
*ফুল বোৱাৰ সলনি*

*পুতিলোহেঁতেন*
*লপ্‌থপীয়া বোকা (সাগৰ)*
*কাটিলোহেঁতেন ঘাঁহ*

*হয়তো মই*
*ভাল পশু*
*হ'ব পাৰিলোহেঁতেন*
*মোৰ সেই সপোনটোত মষিমূৰ কৰিলে লোকে*
*দৰাচলতে মই গছ হৈ যাব খোজোঁ*

*নাজানো মই আন কিবা নহ'লো কিয়*
*সূৰ্য-বুৰ্য পুত্ৰ*
*মৌ-মাখিয়ে অন্ততঃ*
*কৰগুনত বিন্ধিলেহেঁতেন।*
*পোছাক এৰি সন্যাস*
*কোনে লয়*
*মই ইচ্ছুক নহওঁ*
*নিজৰ অথবা দ্বিতীয়ৰ অথবা কোনো তৃতীয় মূৰ্খৰ*
*নিৰ্বাণত*
*দৰাচলতে মই ভাপ হৈ যাব খোজোঁ।*
*এইটো কৈ কৈয়ে*
*ভাগৰি পৰিছো*
*যে ভাগৰি পৰিছো*

*মই নাজানো কবৰ*
*ক'ত থাকে ইশ্বৰৰ*

*অন্যথাই নিজৰ ছাল বখলিয়াই*
*তেজ জাপি দিলোহেঁতেন মই*
*তাৰ কংকালত*

*আৰু ক'লোহেঁতেন চোৱা*
*নিজৰ কৰ্মৰ ফল*
*পিছে এতিয়া পলম হৈ গ'ল*
*দৰাচলতে মই.........।*❐



## মোৰ ইতিহাসৰ এটা চৰিত্ৰ- লেনিনৰ নামত

**মূল ঃ** অমৃতা প্ৰীতম (পাঞ্জাবী)

*তুমি মোৰ ইতিহাসৰ কেনেকুৱা চৰিত্ৰ?*

*মোৰ বেৰৰ কেলেণ্ডাৰৰ পৰা ওলাই*
*নিতৌ তুমি তাৰ তাৰিখ সলোৱা*
*আৰু মোক*
*এটা নতুন দিনৰ দৰে লগ পোৱা*

*কেলেণ্ডাৰৰ পৰা বাহিৰলৈ ওলাই*
*তুমি বাটত খোজ কাঢ়া*
*তেতিয়া এচেৰেঙা ৰ'দ ওলায়*
*আৰু য'ত অকণ কোমলতা থাকে*
*ৰ'দে সেউজীয়া পাতৰ দৰে হাঁহি*
*আৰু য'ত কিবা মলিয়ন যেন দেখে*
*ৰ'দে লজ্জাবোধ কৰে*

*পিছে এয়া- যি তোমাৰ স্বাভাৱিক কৰ্ম*

*ইতিহাসে এটা সুখৰ উশাহ লয়*
*যেতিয়া সি অতীত কালত বহে*
*আৰু বৰ বেছি ক্লান্ত হয়*
*যেতিয়া সি বৰ্তমানৰ পৰা নিবৃত্ত হয়*

*সেয়ে এইখন ইতিহাসৰ বাবেই*
*মই তোমাক কেলেণ্ডাৰত বন্দী কৰিছো*
*আৰু ওপৰত দেশকালৰ মোহৰ মাৰিছো*
*আৰু ওপৰত কেবাযুগৰ গজাল ঠুকিছো*

*পিছে তুমি*
*মোৰ বেৰৰ কেলেণ্ডাৰৰ পৰা ওলাই*
*আকৌ তাৰ তাৰিখ সলোৱা*
*আৰু নতুন চিন্তা, নতুন মুক্তি, হাতত লৈ*
*তুমি মোক এটা নতুন দিনৰ দৰে লগ পোৱা*

*তোমাৰ- এটা নতুন দিনৰ - কৃতিত্ব*
*যে মোৰ অস্তিত্বৰ এটা সঘন অংশই*
*তোমাৰ ৰ'দৰ এটা মাত শুনিলে*
*আৰু যি ইতিহাসৰ অস্বাভাৱিক কৰ্ম*
*আৰু তোমাৰ স্বাভাৱিক*
*সেয়া মোৰ স্বাভাৱিক হৈ পৰিল।*❐

# বাগিচা

**মূলঃ সীতাকান্ত মহাপাত্র** (উড়িয়া)

*সাগৰ শুচি যায় দ্বীপৰ সন্ধানত*
*আকাশে সন্ধান কৰে পাহাৰৰ শিখৰ*
*মই ইয়াত বাগিচাত বহি তোমালৈ বাট চাওঁ*
*জানো তুমি আহি আছা, ফাইভ-ডাউন অথবা বাছ এখনত*
*নিমিষতে আহি পাবাহি খোজেৰে*
*অথবা ৰিক্সাৰ টিলিঙা টিংটিঙাই*
*ৰিক্সা আহি ৰ'বহি দুৱাৰমুখত*
*আৰু তোমাৰ মাত বাজি উঠি, ভালেই আছা চাগৈ সীতাকান্ত*
*কিমান দিনৰ পাছত সাক্ষাৎকাৰ*
*হে মোৰ অতিথি, মোৰ অনন্য বিশাল যন্ত্ৰণা, মোৰ প্ৰাণ-সখা*

*ইয়াত নিজৰ বাগিচাত বহি থাকিম*
*চাৰিওপিনে বাঁহনি আৰু ফুলনিৰ জোৱাৰ*
*সৰু সৰু সুৰক্ষা, সৰু-সৰু প্ৰতিশ্ৰুতি*
*সৰু সৰু মাটিৰ চপৰাত বিক্ষিপ্ত সপোন*
*চকুলো আৰু গভীৰ উশাহ দুৱাৰমুখত ওলমি আছে তলাটো*

*মই ইয়াত কফি খাম*
*ৰেডিঅ' বজাম, বাতৰি-কাকত পঢ়িম*
*সাগৰ আৰু আকাশে বিচাৰি পাব*
*নিজৰ দ্বীপ আৰু নিজৰ পাহাৰ*
*তুমি এতিয়ালৈকে পোৱাহি নাই*
*সময় বিৰক্ত হৈছে প্ৰতীক্ষাত, সন্ধিয়াটো মৰি আহিছে*
*পানীতকৈও কোমল আৰু গোহৰতকৈও পাতল*
*তোমাৰ অনুপস্থিতি ইয়াত সিঁচৰতি হৈ পৰিছে*
*বগা ফুল আৰু জোনাক ৰাতিৰ দৰে*
*ই মোক, বুৰাই পেলায়*
*মই দুৰ্কপলীয়া, মৰি অহা শিপাৰ দৰে*
*শুকান পাত আৰু সৰু ফুলেৰে জোখোঁ*
*নিজৰ তিতা চকুৰ বেদনা*
*গোলাপৰ পাহিবোৰত বাজি থাকে*
*শিপাই শিপাক খোৱা চুমাৰ ভিজাবোৰ*
*গছৰ ভৰা ডালবোৰ আৰু মোৰ মৃত হাড়বোৰত*
*এই পানী উফৰি ফুৰিব বিচাৰে*
*মুহূৰ্তবোৰৰ সেউজীয়া আৰু সপোনবোৰৰ নীলা পৃথিৱীলৈকে*
*সেয়া নীৰৱ স্মৃতি মাথোঁ, অলপ হাঁহি, অলপ কান্দোন*
*এই বিৰাট শূন্যৰ অসফল বিস্তাৰত আছে*
*দুই-এক গৰ্ভৱতী মুহূৰ্তৰ চনদ*
*যেন বন্ধ পথাৰৰ কাষতে নাচি থকা পানী কাউৰীজনীয়ে*
*এই মুহূৰ্তত চেষ্টা কৰিছে*
*মোৰ অস্তিত্বৰ আকাশৰঙী কলহটো ভৰাবলৈ*
*সেয়া স্বয়ং কাৰিকৰ, কুমাৰ, চিত্ৰকৰ*
*সেয়া স্বয়ং আমৰ ডালি, নাৰিকল, চন্দন, সেন্দুৰ-*

*বাটেদি উজতি যাওঁতে সকলোৱে জুমি চায়*
*ছাগলী, গৰু, ভেড়া আৰু দুষ্ট ল'ৰাবোৰ*
*পথাৰৰ সেউজীয়া নেওচি সিহঁতৰ চকুৰে*
*বাগিচাত প্ৰৱেশ কৰে; চুই চায় পাত, ঘাঁহ, ফুল আৰু ফল*
*ফুলি উঠা আৰু হাঁহি উঠাৰ দুখত চলচলীয়া হয় চকু*
*তাত শেষ হয় বাট, য'ৰ পৰা বাগিচাখন আৰম্ভ হয়*
*মই বহুবাৰ দেখিছো বাটৰ লপলপীয়া জিভাখন*
*নিমজ কৰি থ'ব সহস্ৰ ফুল, ফল আৰু পাত*
*বাগিচাৰ সজাৰ পৰা গছ আৰু লতাবোৰক মুক্ত কৰি দিব*
*আৰু সিহঁতক মেলি থ'ব বিৰাট উকা কাপোৰ এখনত*
*মই জানো সৰু ল'ৰাবোৰে থানবান কৰি দিব ডাল আৰু পাতবোৰ*
*পাহিবোৰ আঁজুৰি আনি ছেদেলি-ভেদেলি কৰিব*
*গৰুবোৰ পাগুলি মুক্ত কৰি দিব ঘাঁহ*

*আৰু দেশৰ অন্তহীন সীমান্তত*
*চুবুৰী আৰু অঞ্চলবোৰ হেৰাই যাব*

*চাৰিওপিনে শূন্য বিয়পি পৰিব*
*সাগৰ যাওক নিজৰ দ্বীপৰ সন্ধানত*
*আকাশেও সন্ধান কৰক পাহাৰ আৰু শিখৰবোৰ*
*অথচ মই তোমালৈ বাট চাই বহি থাকিম*
*হয়তো তুমি শেষ সময়ত আহিয়েই আছা*
*ৰেলৰ তৃতীয় শ্ৰেণীত অথবা বাছেৰে*
*মোৰ ঠিকনাটো নিজৰ জেপত যতনে লৈ*
*ইজনক বা সিজনক সুধি সুধি*
*সেয়ে মই চকীখনৰ পৰা উঠি নাযাওঁ*
*বাট চাই বহি থাকিম*
*হয়তো তুমি আহি পাবাহি সন্ধিয়া ডুব যোৱাৰ, ৰাতি হোৱাৰ পাছত ।* ❏

অনুবাদ ঃ সুৰেশ ৰঞ্জন গড়ুকা



# কঁাইট

**মূলঃ সুনীল গংগোপাধ্যায় (বঙালী)**

তোমাৰ ভৰিত কাঁইটে বিন্ধিছিল। টিটলাগড়ৰ পথাৰৰ মাজৰ আলিত। তেতিয়া সন্ধিয়াটো উবুৰি খাই পৰিছেহি। তুমি "উস্" বুলি কোৱাৰ লগে লগে ক'লো-- "লৰচৰ নকৰিবা, স্থিৰ হৈ থাকা"। তোমাৰ লাজ-মই তোমাৰ ভৰিত হাত দিম! লাজনো কিহৰ? তোমাৰ ভৰিখনতো ফটা নহয়! তোমাৰ ভৰিখনতো কোৰৰ দৰে বহল নহয়। নৰম, আৰু যিমানখিনি সৰু হ'লে ধুনীয়া দেখায়। জাপানী ছোৱালীৰ দৰে বৰ সৰু, বৰ নৰম নহয় (অৱশ্যে কোনো জাপানী ছোৱালীৰ ভৰি মই এতিয়ালৈ চুই পোৱা নাই যদিও)।

মই মাটিত বহো, মোৰ দুহাতত তোমাৰ ভৰি। তুমি অলপ বেকাকৈ থিয় হ'লা, দেহৰ ভাজটো প্ৰশ্নবোধক চিনৰ দৰে। তোমাৰ ছেণ্ডেলযোৰ টিক্‌টিকিয়া বগা, ভৰিৰ পতাও বাঙলী।

ক'ত দুখ পালা?
কঁইটডালে য'তে বিন্ধিছে।
কাঁইট ক'ত?
ক'ব নোৱাৰো।
এৰা, তোমাৰ কথা মইহে জনা উচিত।
তোমাৰ ভৰিত আলফুলে হাত বুলালো।
উস্, কহিটডাল বিচাৰা!
বিচাৰিয়েইতো আছো।

সচাঁকৈয়ে বিচাৰিছিলো। নৰম, যিমানখিনি সৰু হ'লে ধুনীয়া দেখায় সিমান সৰু তোমাৰ ভৰিখন দুহাতৰ মাজত লৈ টিটলাগড়ৰ সেই অবনত সন্ধিয়াত মই গভীৰভাৱে বিচাৰিছিলো। কিন্তু কহিট চকুত নপৰিল, চকুত পৰিল গোলাপী সৌন্দৰ্য। কিন্তু কাঁইটডাল বিচাৰিতো উলিয়াবই লাগিব। নহ'লে যে বিযাব তোমাৰ ভৰিখন। এইয়া, ইয়াত, ইমান সৰু, চকুতেই নপৰে। ইমান সৰু কাঁইট হাতেৰে উভালিব নোৱাৰি। মই তোমাৰ ভৰিৰ পতাত চুমা দিলো কহিটডাল ওঁঠেৰে তুলিবলৈ। তুমি "এই অসভ্য" বুলি মোৰ মূৰত হাত থ'লা, দেৱীৰ মূৰ্তিৰ দৰে ভংগীত।

তুমি এতিয়া স্বাধীন সুস্থ ভৰিৰে অইন এখন পৃথিৱীত খোজ কাঢ়া। মই আৰু তোমাক দেখা নাপাওঁ। তুমিও নিবিচাৰা মই তোমাক দেখাটো। নাজানো, তোমাৰ ভৰিৰ পতা এতিয়াও গুলপীয়া হৈ আছে নে নাই। কিন্তু সেই সূক্ষ্ম কহিটডাল মই থৈ দিলো,লুকুৱাই,খুব গোপনে, বুকুৰ একেবাৰে ভিতৰত। প্ৰায়ে অনুভৱ কৰো। ❏

**অনুবাদ ঃ** জোনালী চৌধুৰী

গল্প

# মৃত্যুৰ্মা অমৃতং গময়



❐ কৌশিক ডেকা

দীঘলীয়া প্ৰতীক্ষাৰ অন্ত পেলাই অৱশেষত ৰেলখন আহি ষ্টেচনটোত ৰ'লহি। নিতান্তই যন্ত্ৰচালিতৰ দৰে (কাৰণ দীৰ্ঘদিনৰ গৃহসুখ ভোগৰ পিচত হোষ্টেললৈ যাবলৈ মানসিকভাৱে একেবাৰে প্ৰস্তুত নাছিলো) শেষৰ পিনৰ ডবা এটাত উঠি ললো। ভাগ্য সুপ্ৰসন্ন আছিল, শৈশৱৰপৰা বহু আকাংক্ষিত খিৰিকিৰ কাষৰ আসনখনেই পালো। অতীতৰ স্মৃতি আৰু ভৱিষ্যতৰ সম্ভাৱনাক লৈ এনেভাৱে আচ্ছন্ন আছিলো যে ডবাটোত থকা অন্য যাত্ৰীবোৰৰ অস্তিত্বই মোৰ মগজুত বিন্দুমাত্ৰ কৌতূহলৰ উদ্ৰেক কৰিব নোৱাৰিলে। ফলত তেওঁলোকে মোৰ বিহংগম দৃষ্টি এটিৰপৰাও বঞ্চিত হৈ ৰ'ল।

ইতিমধ্যে ৰেলখন চলিবলৈ ধৰিলে। অতীত আৰু ভৱিষ্যতৰ টনা-আজোৰাত অতিষ্ঠ হৈ দৃষ্টি এৰি দিলো সুদূৰৰ পিনে। চিনেমাৰ পৰ্দাৰ দৰে দৃশ্যপটত ভাঁহি উঠিল বিভিন্ন দৃশ্য - উলংগ পথাৰ, সোণালী জুৰি অথবা ক'ৰবাত দুঠেঙীয়া প্ৰাণীৰ সমাগম। লাহে লাহে মোৰ চেতনাই বাহ্যিক জগতত বিচৰণ কৰিবলৈ ধৰিলে আৰু এটা সময়ত ডবাটোত মোৰ দৈহিক অস্তিত্বহে বাকী ৰ'ল।

"নিউজপেপাৰ, নিউজপেপাৰ" — হকাৰটোৰ বিশেষ ধৰণৰ বাণিজ্যিক চিএঞৰটোত ডবাটোৰ ভিতৰত মোৰ সত্বাক পুনৰ আৱিস্কাৰ কৰিলো। বিগত দিনটোত মানৱ সভ্যতাৰ কি কি পৰিৱৰ্তন হ'ল তাৰ খতিয়ান লোৱাটো প্ৰত্যেকৰে কৰ্তব্য বুলি মই গণ্য কৰো আৰু সেয়েহে 'জ্ঞান' হোৱাৰ দিনৰেপৰা নিউজ পেপাৰ পঢ়াত যতি পৰিব দিয়া নাই। আজিও তাৰ ব্যতিক্ৰম কৰাটো উচিত নহ'ব বুলি পেপাৰখন কিনিবলৈ ওলাইছো। ঠিক সেই মুহূৰ্ততে ঘটি গ'ল ঘটনাটো। ঘটনা বুলি ক'লে আচলতে শব্দৰ অপব্যৱহাৰ হ'ব। হকাৰটোৰ পৰা পেপাৰখন আনিবলৈ লওতে মোৰ দৃষ্টিয়ে সমুখৰ আসনত বহি থকা যাত্ৰীকেইজনৰ প্ৰত্যেককে স্পৰ্শ কৰি গৈছিল, কিন্তু হকাৰটো মোৰ দুচকুত প্ৰতিভাত হোৱাৰ আগতে মই উজুতি খালো। মোৰ সমুখৰ আসনখনৰ বিপৰীত মূৰত বহি আছিল এগৰাকী নাৰী। জনাকীৰ্ণ ৰেল এখনত এগৰাকী নাৰী দৃষ্টিগোচৰ হোৱাটো অস্বাভাৱিক নহয়, কিন্তু সেই নাৰীগৰাকীয়ে নিজৰ অস্তিত্বত যিকোনো অবেদাৰ সমল হ'ব পৰাকৈ অস্বাভাৱিকতা বহন কৰিছিল। নাৰী পুৰুষ নিৰ্বিশেষে প্ৰত্যেক মানৱসত্তাৰ পৰা সেই নাৰীয়ে দ্বিতীয় দৃষ্টি দাবী কৰিব পাৰে। নাৰীগৰাকীৰ কপালত বৈবাহিক জীৱনৰ স্বীকৃতি নাই। পিন্ধনত বগা চাদৰ মেখেলা, অথচ নাৰীদেহত থাকিবলগীয়া প্ৰতিটো অংগতে বিৰাজ কৰিছে স্বৰ্ণ অলংকাৰ - এক কনট্ৰাডিক্সন। বেচ কিছু মসয়ৰ বাবে মোৰ দৃষ্টি নিবদ্ধ হৈ ৰ'ল সেই বিধৱাৰ (যিহেতু বিধৱা নাৰীৰ বৈশিষ্ট্য বিৰাজমান) ওপৰত। নাৰীগৰাকীৰ দুচকুত ৰহস্যময় নিৰ্লিপ্ততা, দৃষ্টি বহিৰ্জগতত আৱদ্ধ।

'দাদা পেপাৰ' - হকাৰটোৰ মাতত পুনৰ সম্বিত ঘূৰাই পালো। ততাতৈয়াকৈ পেপাৰখন কিনি দুচকুৰ আগত দীঘলকৈ মেলি ললো। লাহে লাহে পেপাৰৰ আখৰবোৰ অস্পষ্ট হৈ যাবলৈ ধৰিলে আৰু কল্পচকুত ভাহি উঠিল সেই ৰহস্যময়ী নাৰীৰ মুখ। কি জানো এক অপ্ৰতিৰোধ্য আবেদন আছিল নাৰীগৰকীৰ মুখমণ্ডলত। পেপাৰখনৰ আৰলৈ পুনৰ দৃষ্টি নিক্ষেপ কৰিলো নাৰী গৰাকীৰ ওপৰত। প্ৰসাধনকৃত সুগঠিত মুখ, বহল চকু, নাকটো সামান্য চেপেটা, সৰু ওঁঠ, ওঁঠৰ ওপৰত সামান্য নোম, টৌ খেলোৱা কেশৰাশি উন্মুক্ত, বয়স আনুমানিক ৩০ৰপৰা ৩৫ ৰ ভিতৰত। ক্ৰমশঃ মোৰ দৃষ্টি অধোমুখী হৈ নাৰীগৰাকীৰ বক্ষদেহত আশ্ৰয় ললে। এয়া ঐচ্ছিক নে অনৈচ্ছিক কাৰ্য্য আছিল সেয়া মোৰ স্বজ্ঞা বহিৰ্ভূত। কিন্তু জন্মৰ মুহূৰ্তৰপৰা যিবোৰ সংস্কাৰৰ মাজত লালিত পালিত হৈছো সেইবোৰে মোক বাধা কৰিলে দৃষ্টি আঁতৰাই আনিবলৈ। খিৰিকিৰে অহা বতাহৰ আক্ৰমণত উকা চাদৰে তেওঁৰ বক্ষদেহ লোকচক্ষুৰ পৰা আঁতৰত ৰখাত বাৰুকৈয়ে ব্যৰ্থ হৈছিল আৰু অন্তৰ্বাসৰ অভাৱত ব'দত জিলিকি থকা বগা ব্লাউজৰ মাজেৰে উন্মুক্ত হৈছে তেওঁৰ স্তনাগ্ৰ! কিন্তু সামাজিক সংস্কাৰে যিমানেই আমাৰ আচৰণ নিয়ন্ত্ৰণ কৰিবলৈ প্ৰয়াস কৰে সিমানেই আমাৰ মনটোৱে সংস্কাৰৰ গণ্ডীৰপৰা মুক্ত হ'বলৈ আপ্ৰাণ চেষ্টা চলায় আৰু এই প্ৰচেষ্টাত আৰোপ কৰা হয় স্বসৃষ্ট যৌক্তিকতা

আৰু এই যৌক্তিকতাই মোৰ দৃষ্টিক পুনৰ স্থাপিত কৰিলে সেই নাৰীৰ অশালীন বক্ষত। ইতিমধ্যে মোৰ দুচকুৰপৰা পেপাৰখন অজ্ঞাত-সাৰেই নোহোৱা হৈছিল। কিমান সময় জানো সেই অশ্লীল দৃশ্য (শ্লীলতাৰ সংজ্ঞাই বা কি?) উপভোগ কৰি আছিলো। হঠাতে নাৰীগৰাকী সপ্রতিভ হৈ পৰিল আৰু সৰলাৰ্থত চাৰি চকুৰ মিলন ঘটিল। নকল কৰি হাতে লোটে ধৰা পৰা ছাত্ৰই যেনেদৰে শিক্ষকলৈ ভেবা লাগি চাই থাকে ময়ো অনিমেষ দৃষ্টিৰে তেওঁলৈ চায়ে থাকিলো। এনে এক অৱস্থাত সংস্কাৰহীন পুৰুষৰ প্ৰতি থকা ঘৃণাসূচক অভিব্যক্তিবোৰ তেওঁৰ চকুৰে-মুখে বিস্ফোৰিত হোৱাটোকে মই আশা কৰিছিলো। কিন্তু তাৰ পৰিৱৰ্তে তেওঁৰ দুচকুৱে বহন কৰিছিল মোৰ প্ৰতি সহানুভূতিৰ স্বাক্ষৰ আৰু সেই সহানুভূতিয়ে তেওঁৰ ওঁঠত এক সৌজন্যসূচক হাঁহিৰ আকৃতি পাইছিল। তাতোকৈ আচৰিত কথা নাৰীগৰাকীয়ে নিজৰ অশালীন বক্ষৰ শালীনতা ঘূৰাই আনিবলৈ অকণো প্ৰয়াস নকৰিলে।

'ক'লৈ যাব" - মোৰ প্ৰতি তেওঁৰ এক সাধাৰণ প্ৰশ্ন।

'গুৱাহাটীলৈ। আপুনি?' উত্তৰ তথা প্ৰতিপ্ৰশ্ন।

'লক্ষ্যস্থানলৈ, আপোনাৰ সহযাত্ৰী' - তেওঁৰ বক্ৰোক্তি।

'অনুগ্ৰহ কৰি পেপাৰখন পঢ়িবলৈ দিব নেকি?' -- বাহ্যিকাকতখন খোজাতকৈ নাৰীগৰাকীৰ কণ্ঠত আন্তৰিকতা গঢ়াৰ প্ৰয়াস সুস্পষ্ট হৈ উঠিছিল। আনহাতে এক প্ৰচণ্ড অপৰাধে মোৰ অন্তৰাত্মাত ক্ৰিয়া কৰি আছিল। সেয়েহে যিকোনো উপায়ে তেওঁক ভালৰি লগোৱা মোৰ প্ৰাথমিক উদ্দেশ্য আছিল। বিনাবাক্যব্যয়ে পেপাৰখন দি দিলোঁ।

মোৰ পৰা পেপাৰখন লৈ তেওঁ দেশ-বিদেশৰ খবৰবোৰৰ মাজত বুৰ গ'ল। আৰু মই বুৰ গলো তেওঁৰ ধ্যানত।

এটা দীঘলীয়া উকি মাৰি ৰেলখনে যাত্ৰাৰ অন্ত পেলালে। ৰেলখন স্থবিৰ হোৱাৰ লগে লগে ইমান সময়ে স্থবিৰ হৈ থকা যাত্ৰীবোৰ গতিশীল হৈ উঠিল। স্থবিৰতাৰ প্ৰতি সকলোৰে বিৰক্তি, সেয়েহে কালবিলম্ব নকৰাকৈয়ে ৰেলখনৰ পৰা নামি পৰিবলৈ সকলোৱে লৰা-ঢপৰা লগালে।

"এয়া লওক আপোনাৰ কাগজখন। অকণমান সহায় কৰি দিবনে বস্তুখিনি নমাওঁতে?" ক্ষণিকৰ মনোৰঞ্জনৰ বিনিময়ত নাৰীগৰাকীৰ মোৰ ওচৰত সহায়ৰ দাবী।

মানবীয়তাৰ কথা বাদ দিলেও তেওঁৰ প্ৰতি অনুভৱ কৰা আকৰ্ষণৰ বাবেই মই তেনেধৰণৰ সহায় আগবঢ়াবলৈ সুযোগৰ অপেক্ষাত আছিলো। সৰলাৰ্থত তেওঁৰ সৈতে অন্তৰংগতা স্থাপন কৰাত এক দুৰ্বাৰ বাসনাই অহৰহ ক্ৰিয়া কৰি আছিল। নিঃসন্দেহে এইকণ সহায়ে তেওঁৰ ওচৰ পোৱাৰ প্ৰথম পদক্ষেপ। ৰেলখনৰ পৰা তেওঁৰ টোপোলাকেইটা নমাই দি কুলি এজন মাতিলো। ভিন্নাকৃতিৰ টোপোলাবোৰ কুলিটোৰ দেহৰ বিভিন্ন অংগ যেনে ঃ মূৰ, হাত, কান্ধ আদিত আশ্ৰয় ললে আৰু তাৰ লগে লগে ষ্টেচনৰ বাহিৰলৈ খোজ ললো।

"আপুনি গুৱাহাটীৰ ক'ত থাকে?"

"মই গুৱাহাটীৰ স্থায়ী বাসিন্দা নহয়। ইয়াৰ কটন কলেজত ডিগ্ৰী পঢ়ি আছো। হোষ্টেলত থাকো।"

"প্ৰথম দেখাতেই ছাত্ৰ বুলি অনুমান কৰিছিলো। তথাপি নিশ্চিত হোৱা নাছিলো। বেয়া নোপোৱা যদি তোমাক তুমি বুলিয়েই মাতিম।"

"বেয়া পোৱাৰ প্ৰশ্নই নুঠে।"

"তোমাৰ মেজৰ কি বিষয়ত আছে?"

"ইংৰাজীত।"

উত্তৰটো শুনিয়েই মানুহগৰাকীৰ চকু-মুখ উজ্বলি উঠিল।

"ময়ো ইংৰাজীতেই M.A. পাছ কৰিছো। কলেজ এখনত সোমাইছিলো, কিন্তু বিয়াৰ পিচত চাকৰি বাদ দিলো। দৰাচলতে অৰ্থনৈতিক দিশৰ পৰা চাকৰি কোনো প্ৰয়োজনেই নাছিল। কিন্তু এতিয়া নিঃসংগ জীৱনত মোৰ বাবে চাকৰি এটাই সৰ্বাধিক প্ৰয়োজনীয়।"

"নিঃসংগ মানে?" ক'ব নোৱাৰাকৈয়ে মই প্ৰশ্নটো কৰি পেলালো। সাময়িক চিনাকী মহিলা এগৰাকীৰ ব্যক্তিগত জীৱন সম্পৰ্কে এনেদৰে কৌতূহল প্ৰকাশ কৰাত মই মনে মনে লজ্জিত হ'লো।

"মোৰ স্বামী অমল ভূঞা তোমালোকৰ কলেজৰ ফিজিক্সৰ অধ্যাপক আছিল। দুবছৰৰ আগতে এক দুৰ্ঘটনাত তেখেতৰ মৃত্যু হয়। চোৱাচোন, তেখেতক সৰ্বক্ষণে সংগ দিয়াৰ বাবে মই চাকৰি বাদ দিলোঁ, অথচ তেৱেঁই মোক অকলশৰীয়া কৰি এৰি থৈ গ'ল।"

প্ৰত্যুত্তৰ কি কম ভাৱিয়েই নাপালো। কিছু সময় মৌনতা।

ইতিমধ্যে আমি ৰেল ষ্টেচনৰ পৰা ওলাই আহি মুক্ত আকাশৰ তলত ভৰি দিছো। নিৰ্দেশানুসাৰে কুলিজনে ষ্টেচনৰ বাহিৰত থকা অটো এখনত তেওঁৰ বেগ দুটা উঠাই দিলে।

"অশেষ ধন্যবাদ দেই। অ' ইমানপৰে তোমাৰ নামটো সোধাই নাই নহয়, ইয়াত তোমাৰ নাম আৰু ঠিকনা লিখি দিয়াচোন।" তেওঁ সৰু বহী এখন আগবঢ়াই দিলে; লিখি দিলো।

"চিনাকীতো হলোৱেই; এটা কাম কৰা, অহা সোমবাৰে তুমি মোৰ ঘৰলৈ আহিবা। ভালদৰে কথা-বতৰা হ'ম। সোমবাৰে মোৰ জন্মদিন। নাহিলে কিন্তু বেয়া পাম। এয়া লোৱা মোৰ ভিজিটিং কাৰ্ড।" তিৰোতাগৰাকীয়ে কথাখিনি এনেভাৱে ক'লে যেন আমি দুয়ো বহুদিনৰ চিনাকী।

"আপোনাৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিম।" নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰাৰ আধুনিক কূটনৈতিক কৌশল প্ৰয়োগ কৰিলো।

ইতিমধ্যে অটোখন চলিবলৈ আৰম্ভ কৰিলে। মই ভিজিটিং কাৰ্ডখন পঢ়ি চালো।

Mrs. Minakshi Bhuyan
Jonali Path, Zoo Road
Guwahati

ঠিকনাটো চিনাকী। সোমবাৰে যোৱাটো উচিত হ'বনে নহয় ঠিৰাং কৰিব নোৱাৰিলো। প্ৰথমে হোষ্টেললৈ যাওঁ, তাৰ পিছত চিন্তা কৰিম।

কিছুদূৰ গৈয়ে হঠাতে অটোখন ৰৈ গ'ল। মহিলাগৰাকী অটোখনৰপৰা নামি মোৰ ফালে খোজ ললে। মোৰ চিন্তা যন্ত্ৰ সক্ৰিয় হৈ উঠিল। এইবাৰ আকৌ কি হ'ল?

"শুনাচোন এটা কথা কওঁ"–

মই আগবাঢ়ি গলো।

"এটা কাম কৰা যাওক। সোমবাৰে তোমাক নিবলৈ মোৰ গাড়ীখন পঠাই দিম। তুমি সন্ধিয়া ৬ বজাত হোষ্টেলত ৰেডি থাকিবা। আৰু এটা কথা - সেইদিনা ৰাতি তুমি মোৰ ৰুমত থাকিব লাগিব। আপত্তি নাই নিশ্চয়।"

তিৰোতাগৰাকীৰ সম্মোহিনী শক্তিয়ে ইতিমধ্যে মোক মুক বধিৰ কৰি দিলে। আপত্তি কৰিবলৈ শক্তিয়েই বিচাৰি নাপালো।

মাজত মাথো দুটা দিন। শনিবাৰ আৰু ৰবিবাৰ। দুটা দিনৰ পিছত সেই ৰহস্যময়ী নাৰীৰ নিকট সান্নিধ্য লাভ কৰিম। কিন্তু..............

মাত্ৰ কিছুসময়ৰ চিনাকীতেই এগৰাকী অচিনাকী নাৰীৰ নিমন্ত্ৰণ ৰক্ষা কৰাটো উচিত হ'ব জানো? তদুপৰি তিৰোতাগৰাকীয়ে মোৰ সৈতে অন্তৰংগতা স্থাপন কৰিব বিচাৰিছে কিয়? ইয়াৰ অন্তৰালত কি ৰহস্য আছে? ৰেলততো মই তেওঁৰ ওচৰত হাতে-লোটে ধৰা পৰিছিলো। সংস্কাৰবিহীন বুলি জনাৰ পিছতো মোৰ প্ৰতি ইমান আগ্ৰহ কিয়? নিঃসংগতা ; নিশ্চয় এয়া নিঃসংগতা দূৰীকৰণৰ প্ৰয়াস। সাময়িক প্ৰেক্ষাপটত এগৰাকী অচিনাকী ( স্বামীৰ পৰিচয়ে প্ৰকৃত চিনাকী বহন নকৰে, যেনে - ফুলনদেৱী) তিৰোতাৰ নিমন্ত্ৰণ ৰক্ষা কৰাটো সৰ্বদিশৰ পৰাই বিপদজনক হ'লেও তেওঁৰ প্ৰতি অনুভৱ কৰা দুৰ্নিবাৰ আকৰ্ষণে মনৰ সকলো সংশয় একাশৰীয়াকৈ থলে।

অপেক্ষাৰত হৈ ৰলো সোমবাৰলৈ ...

প্ৰকাণ্ড লোহাৰ গেটখন খুলি ভিতৰ সোমাই গ'লো। এটি দুমহলীয়া ঘৰ। কোনোবা সৌন্দৰ্য্যবিলাসী মানুহৰ অপৰূপ সৃষ্টি। ঘৰৰ সন্মুখত এখন মনোমোহা ফুলনি। গেটখনৰ লগত সংলগ্ন দেৱালবোৰৰ দাঁতিত শাৰী শাৰী গছ। চাৰিওফালে নিস্তব্ধতা। নগৰৰ মাজত প্ৰকৃতিৰ দৃষ্টি আকৰ্ষক অৱস্থান। মহিলা গৰাকীয়ে বাৰান্দাতে বহি মোৰ বাবে অপেক্ষা কৰি আছিল। পিন্ধনত ৰঙীন শাৰী।

"Happy birthday to you" - জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি উপহাৰস্বৰূপে অনা কাৰ্ডখন আগবঢ়াই দিলো।

"Thank you. বহা।"

বাৰান্দাতে থকা চকীখনত বহি পৰিলো।

"মহাভাৰত পঢ়িছা? হিন্দুৰ সেই বিখ্যাত মহাকাব্য?" প্ৰশ্নটো সুধিবলৈ তেওঁ যেন বহু আগৰেপৰাই প্ৰস্তুত আছিল। তাৰোপৰি প্ৰশ্ন সোধাৰ ভংগীত স্পষ্টভাৱে ধৰা পৰিছিল এক ব্যংগাত্মক সুৰ।

"চক্ৰৱৰ্তী ৰাজা গোপালাচাৰীৰ 'কথা মহাভাৰত' পঢ়িছো। মূল মহাভাৰত পঢ়া নাই।"

"Sufficient, এক মিনিট বহা।" – এই বুলি কৈ তিৰোতাগৰাকী ভিতৰলৈ গ'ল।

চাৰিওফালে চকু ফুৰাই চালো। সমুখৰ বাগিছাখনত বিভিন্ন ফুলে শোভাবৰ্দ্ধন কৰিছিল। প্ৰায়ভাগ ফুলেই জীৱনত প্ৰথমবাৰ দেখিছো। এনেতে ভিতৰৰ পৰা টেপৰেকৰ্ডাৰিত জগজিৎ সিঙৰ গজলৰ সুৰ ভাঁহি আহিল। তেওঁ ভিতৰৰপৰা আহি পুনৰ মোৰ কাষত বহিলে।

"এই প্ৰকাণ্ড ঘৰটোত আপুনি অকলে থাকে?"

"অকলে নাথাকো, এজনী কাম কৰা তিৰোতা, বাগিছাখন চোৱা-চিতা কৰা এগৰাকী মালিনী আৰু তাইৰ গিৰিয়েক ড্ৰাইভাৰ জনৰ সৈতে চাৰিজনীয়া পৰিয়াল।"

"জন্মদিন উপলক্ষে নিমন্ত্ৰিত অতিথিসকল কেতিয়া আহিব?"

"অতিথি নিষ্প্ৰয়োজন। আচলতে কি জানা, মাতৃগৰ্ভ ত্যাগ কৰাৰ পৰা আমৃত্যু প্ৰতি মুহূৰ্ততে আমি জন্ম গ্ৰহণ কৰিয়েই থাকো? গতিকে অতিথি আপ্যায়ন কৰি জন্মদিন পতাৰ কথাটো মোৰ বাবে গ্ৰহণযোগ্য নহয়। তুমি মোৰ জন্মদিনৰ একমাত্ৰ আৰু প্ৰথম অতিথি।"

মই চকখাই উঠিলো। তেওঁৰ জন্মদিনৰ মই একমাত্ৰ অতিথি-আচৰিত, কি কাৰণে নিশাটো কটাবলৈ ইমান আথে-বেথে মোক নিমন্ত্ৰণ কৰি আনিছে? এজন অচিনাকী যুৱকৰ সৈতে এটি নিশা অকলে কটোৱাটো যে একেটা গুহাত বাঘৰ লগত সহবাস কৰাতকৈও অধিক বিপজ্জনক সেই কথা বুজিবলৈ নিশ্চয় তেওঁৰ জ্ঞানৰ অভাৱ নহ'ব। আনহাতে সামাজিক দৃষ্টিত এয়া নিতান্তই গৰিহণাযোগ্য। মোৰ বাবেও, তেওঁৰ বাবেও। তেন্তে কিয় এই নিমন্ত্ৰণ?

মোৰ মনোভাৱ হয়তো তেওঁ বুজিব পাৰিছিল। "কি হ'ল, ইমান চিন্তান্বিত হ'ব নালাগে। অকলে থাকি ব'ৰ হওঁ বাবেই তোমাক এনেদৰে মাতি আনিছো। তোমালাকৰ দৰে ডেকাল'ৰাৰ লগত কথাপাতি বৰ ভাল লাগে। তোমালোকে সদায় সপোনৰ কথা কোৱা। আমাৰ বয়সৰ বোৰে সপোন দেখিবলৈ পাহৰিলোৱেই।"

দুই-এটা সৰু সুৱা কথা-বতৰাৰ পিছত তেওঁ মোক ডাইনিং ৰুমলৈ লৈ গ'ল। দুয়ো দুখন চকী টানি উলিয়াই ডাইনিং টেবুলৰ সমুখত বহিলো। কাম কৰা তিৰোতাজনীক কি কি খাদ্য পৰিবেশন কৰিব লাগিব এই সম্পৰ্কে কিবাকিবি নিৰ্দেশ দি তেওঁ মূৰটো ওপৰফালে কৰি চকু দুটা মুদি গোটেই দেহটো চকীখনত এৰি দি একেবাৰে ৰিলেক্স্‌ড হৈ বহি ললে। বহুসময় তেওঁ নিমাতে থাকিল।

কিছুসময় পিছত কাম কৰা তিৰোতাজনীয়ে খোৱা বস্তু লৈ আহিল। তেওঁ তৎক্ষণাৎ বহাৰপৰা উঠিল আৰু খাদ্য পৰিবেশনত ব্যস্ত হৈ পৰিল। খাদ্যগ্ৰহণ পৰ্বৰ সমাপ্তিৰ পিছত তেওঁ মোক নিজৰ শোৱনি কোঠালৈ লৈ গ'ল। তেজৰ সম্পৰ্কৰহিত এগৰাকী মহিলাৰ শোৱা-কোঠাত প্ৰৱেশ কৰাৰ প্ৰাকমুহূৰ্তত মোৰ বিবেকত ঔচিত্য অনুচিত্য বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হৈ গ'ল। বিবেকৰপৰা Final verdict অহালৈকে মই দুৱাৰ মুখতে ৰৈ থাকিলো। কিন্তু তিৰোতাগৰাকীৰ প্ৰতি মই এনেভাৱে মোহাবিষ্ট হৈছিলো যে মুহূৰ্তৰ ভিতৰতে মোৰ বিবেক অসাৰ হৈ পৰিল আৰু তেওঁ মোক হাতত ধৰি টানি ভিতৰলৈ লৈ গ'ল। এয়া পূৰ্বাভাসেই আছিল।

মোক তেওঁ বিচনাৰ কাষতে থকা চকীখনত বহিবলৈ দি কোঠাটোৰ পৰা ওলাই গ'ল। কিছুসময় পিচত তেওঁ যিটো ৰূপত কোঠাটোত প্ৰৱেশ কৰিলে তাকে দেখি মোৰ মূৰ্চ্ছিত হোৱাৰ উপক্ৰম। কোঠাটোত সোমায়ে তেওঁ দৰ্জাখন বন্ধ কৰি দিলে। সেই সময়ত তেওঁ যেন শীতান্তৰ প্ৰকৃতি।

"ইমানপৰে তোমাৰ মগজুৱে নিশ্চয় যথেষ্ট কচৰৎ কৰিলে। এগৰাকী পূৰ্ণ যৌৱনা বিধৱা মহিলাই ক্ষণিকৰ চিনাকী এজন যুৱকৰ সৈতে একেটা কোঠাত আবদ্ধ হৈ থকাটো সঁচাকৈয়ে এক

আশ্চৰ্য্যজনক পৰিঘটনা। কোঠাটোৰ বাহিৰত থকা প্ৰতিজন মানুহ এতিয়া নিশ্চিত আমি দুয়ো শৃঙ্গাৰ ৰসত নিমজ্জিত। কিন্তু এটা বন্ধ কোঠাত এজন পুৰুষ আৰু মহিলা যৌন মিলনৰ বাহিৰে আন কোনো উদ্দেশ্যেৰেই মিলিত হ'ব নোৱাৰে নেকি?"

ইতিমধ্যে মোৰ চিন্তাশক্তি সম্পূৰ্ণ অসাৰ হৈ গৈছিল। মোৰ ওচৰত কোনো উত্তৰ নাছিল।

"নোৱাৰে।" – উত্তৰটো তেৱেঁই দিলে।

"বিবাহিত স্বামী-স্ত্ৰী বন্ধ কোঠাত আৱদ্ধ থাকিলে কোনেও চকু থিয় নকৰে। অথচ তেজৰ সম্পৰ্কৰহিত যিকোনো পুৰুষ-নাৰী একেটা কোঠাত আৱদ্ধ হৈ থকাটো সামাজিক দৃষ্টিত অশ্লীলতা অৰ্থাৎ বিবাহ যৌন জীৱন যাপনৰ স্বীকৃতি। মোৰো বিয়া হৈছিল; এতিয়া মোৰ স্বামী মৃত। সামাজিক নীতি অনুসৰি মোৰ যৌন জীৱন নিষিদ্ধ। কিন্তু সমাজে মোৰ স্বাভাৱিক প্ৰবৃত্তি অৰ্থাৎ আহাৰ, নিদ্ৰা আৰু মৈথুনৰ প্ৰতি থকা তাড়না নাশ কৰিব পাৰিবনে? নিশ্চয় নোৱাৰে। কাৰণ সমাজে মোৰ দেহৰ ৰসায়ন নিয়ন্ত্ৰণ কৰিব নোৱাৰে। ক্ষুধা নিবাৰণৰ আৰু নিদ্ৰামগ্ন হোৱাৰ সামাজিক স্বীকৃতিলব্ধ অধিকাৰ মোৰ আছে; তেন্তে তৃতীয়টো প্ৰবৃত্তিৰ ওপৰত নিয়ন্ত্ৰণ কিয়? তুমিয়েই কোৱাচোন এই ক্ষেত্ৰত মই কি কৰা উচিত?" শীতান্তৰ প্ৰকৃতিৰ প্ৰথমজাক ধুমুহাৰ সম্ভাৱনাৰ ইংগিতত মই আতংকিত হৈ উঠিলো।

"উত্তৰটো ময়েই দিছো, তুমি যদি নীতিবাগীশ হোৱা তেন্তে তুমি মোক সংযমী হবলৈ ক'বা আৰু তুমি যদি উদাৰমনৰ হোৱা তেন্তে মোক পুনৰ বিবাহত বহিবালৈ দিবা। কিন্তু তোমাৰ প্ৰথমটো পৰামৰ্শ মোৰ বাবে সম্ভৱপৰ নহয়। আনহাতে দ্বিতীয় বিবাহো মোৰ বাবে গ্ৰহণযোগ্য নহয়। প্ৰথম কথা বিবাহৰ জৰিয়তে সামাজিক স্বীকৃতি মোক নালাগে। দ্বিতীয়তে, মোৰ হৃদয় অমলতেই সমৰ্পিত। তেওঁৰ লগত মই আত্মিকভাৱে অভিন্ন। গতিকে, অইন এজনক বিবাহ কৰাটো মোৰ বাবে অসম্ভৱ। হৃদয়ৰ বিনিময় সম্পন্ন নোহোৱাকৈ সুস্থ বৈবাহিক জীৱন সম্ভৱ নহয়।"

ইতিমধ্যে মোৰ অজ্ঞাতেই ধুমুহাজাকে মোৰ মগজুত প্ৰৱেশ কৰি দিলে।

"মহাভাৰত পঢ়িছা নহয়? সেই বিখ্যাত কাব্যৰ কেইটামান কাহিনী কওঁ শুনা।"

কিবা এক অশ্ৰুত শুনাৰ আশাত মই উৎকৰ্ণ হৈ ৰলো। সৰুতে আইতাৰ সাধু শুনিবলৈও ইমান উৎকণ্ঠা হোৱা নাছিল।

"পৰাশৰ মুনিৰ সাময়িক কামনাৰ বলি হৈছিল সত্যৱতী। অথচ সেই বলাৎকাৰৰ ঘটনাক ভিন্নৰূপ প্ৰদান কৰিলে ভাৰতীয় কবিয়ে। পৰাশৰ আৰু সত্যৱতীৰ অবৈধ সন্তান ব্যাস প্ৰাতঃ স্মৰণীয় ব্যক্তি। আনহাতে একৈশ শতিকাৰ দুৱাৰদলিত অবৈধ সন্তানক ভাৰতীয় সমাজে কি চকুৰে চায় তুমি জানাই। সেই ব্যাসে ভায়েকৰ মৃত্যুৰ সুযোগ লৈ ভ্ৰাতৃবধুৰ লগতে সহবাস কৰিছিল। জন্ম হ'ল তিনিটা অবৈধ শিশুৰ।" ভাৰতীয় কবিৰ শাব্দিক যাদুৰ কথা ভাবি মোৰ বুকুখন তিনি ইঞ্চি প্ৰসাৰিত হ'ল। সম্ভৱতঃ পাশ্চাত্যত এনে কবি জন্মা নাই।

"এইবাৰ আহো ব্যাসৰ অবৈধ সন্তান পাণ্ডুৰ ওচৰলৈ। পাণ্ডুৱে মুনিৰ শাপত স্ত্ৰী সম্ভোগৰ পৰা বিৰত থাকিব লগীয়া হৈছিল। পাণ্ডুৰ অসামৰ্থতাৰ সুযোগ লৈ কুন্তী আৰু মাদ্ৰী পৰপুৰুষৰ সৈতে সহবাসত লিপ্ত হয়। পৰিনতিত জন্ম হয় পাঁচটা অবৈধ শিশুৰ। অথচ ভাৰতীয় কবিয়ে এনে যাদু কৰিলে যে তেওঁলোকৰ সৃষ্ট কাহিনীৰ শ্ৰৱণ-কীৰ্ত্তন মোক্ষলাভৰ উপায় হিচাপে পৰিগণিত হ'ল। যি দ্ৰৌপদী বেশ্যাৰূপে নিন্দিত হ'ব লাগিছিল। সেই দ্ৰৌপদী সতীৰূপে বন্দিত হয়। ব্যভিচাৰী কাব্যই নাম ল'লে মহাকাব্যৰ।"

দীঘলীয়া ভাষণৰ অন্তত তেওঁ ভাগৰি পৰিছিল। কপালত বিন্দু বিন্দু ঘাম বিৰিঙিছিল। তেওঁৰ গৰম লাগিছিল। ফেনৰ চুইচ থকা বৰ্ডখন মই বহি থকা চকীখনৰ ঠিক ওপৰতেই আছিল। গতিকে বৰ্ডখনৰ উপস্থিতি মোৰ দৃষ্টিজ্ঞান বহিৰ্ভূত আছিল। তেওঁ আগবাঢ়ি আহি মোৰ চকীখনৰ সন্মুখত থিয় হ'ল আৰু অতি মন্থৰ গতিৰে ফেনৰ চুইচটো অন কৰিবলৈ চুইচবৰ্ডৰ ফালে হালি গ'ল। তেওঁ যিমানেই হালিবলৈ ধৰিলে তেওঁৰ বক্ষদেহ সিমানেই মোৰ মুখমণ্ডলৰ ফালে আগবাঢ়ি আহিব ধৰিলে। এই আকস্মিক আক্ৰমণৰপৰা নিজকে ৰক্ষা কৰাৰ আগতেই তেওঁৰ স্তনযুগলে মোৰ মুখমণ্ডলত আশ্ৰয় ল'লে। বৰদৈচিলা মাকৰ ঘৰলৈ যোৱাৰ বাতৰি মোৰ সত্বাই ধাৰণ কৰিলে।

এক উগ্ৰ সুবাসে মোৰ ঘ্ৰাণ যন্ত্ৰত আঘাত কৰিলে। এটা চুইচ অন কৰোতে যিমান সময় লাগে তাতোকৈ বেছি সময় মোৰ দুচকু পোহৰৰ পৰা বঞ্চিত হৈ ৰ'ল। কিন্তু তাতোকৈ আচৰিত কথা বৰদৈচিলা অহাৰ আগতে মোৰ হৃদয়ৰ ফিৰিঙতি নুমাই গৈছিল। মগজুত হোৱা প্ৰচণ্ড ঘূৰ্ণীবতাহত মই জীৱৰ পৰা জড় হলো। গতিকে পট পৰিবৰ্তনৰ ভাৰ তেওঁৰ ওপৰতে দি মই নিষ্ক্ৰিয় হৈ বহি থাকিলো। এক দীঘলীয়া মুহূৰ্ত ফেনৰ চুইচটো অন কৰাত ব্যয় কৰিও মোৰ পৰা আশাকৃত সঁহাৰি নাপাই অৱশেষত তেওঁ মোক সুবাসিত অক্সিজেন সেৱনৰ শাস্তিৰপৰা মুক্তি দিলে। ইয়াৰ পিছৰ কেইটামান মুহূৰ্ত তেওঁ মোক নিৰীক্ষণ কৰাত ব্যয় কৰিলে। দুচকুত তেওঁৰ অপাৰ বিস্ময় যেন অন্যগ্ৰহৰ প্ৰাণী এটিহে তেওঁৰ সন্মুখত বিৰাজমান।

হঠাৎ তেওঁ গাৰপৰা পিন্ধি থকা পাতল দেহাৱৰণটো খুলি দলিয়াই পেলালে আৰু বিচনাত অলসভাৱে বহি পৰিল। কিছু সময় মৌনতাই কোঠাটোক গ্ৰাস কৰিলে। আনহাতে মোৰ অৱস্থা সংকটজনক। মধুমেহ বেমাৰত ভোগা ৰোগীয়ে মিঠাইৰ দোকানলৈ গ'লে যিটো অৱস্থা হয় মোৰ অৱস্থা তাতোকৈ অধিক উন্নত নহয়।

"বাৰু তুমি কোৱাচোন ভোক লাগিলে তুমি কি কৰা? নিশ্চয় আহাৰ গ্ৰহণ কৰা। তেনেদৰে মানৱ জীৱনৰ এক Basic Instinct হ'ল Sex। যেনেদৰে আহাৰ গ্ৰহণ কৰি ক্ষুধা নিবাৰণ কৰাৰ প্ৰত্যেকৰে অধিকাৰ আছে তেনেদৰে দৈহিক ক্ষুধা নিবাৰণৰো প্ৰত্যেকৰে অধিকাৰ থাকিব লাগে। মোৰ স্বামীৰ মৃত্যুৰ লগে লগে তেওঁৰ পেটৰ ক্ষুধা আৰু যৌন ক্ষুধা দুইটাৰে অৱসান ঘটিল, অথচ তেওঁৰ মৃত্যুৰ পাছতো দুবেলা দুমুঠিৰ বাবে মই অহৰহ সংগ্ৰাম কৰি আছো। স্বামীৰ মৃত্যুৰ পাছতো পেটৰ ক্ষুধা অব্যাহত আছে। অৰ্থাৎ পেটৰ ক্ষুধা এক প্ৰাকৃতিক পৰিঘটনা বুলি সমাজে মানি লৈছে। অথচ যৌন ক্ষুধাৰ প্ৰতি সমাজে এতিয়াও বিকৃত দৃষ্টিভংগী পোষণ কৰিয়ে আছে। ইয়াৰ কাৰণ কি? মোৰ দৰে বিধবা নাৰীৰ যৌন ক্ষুধা নিবাৰণৰ প্ৰচেষ্টাৰ অশুদ্ধতা ক'ত?" — তেওঁ পুনৰ আৰম্ভ কৰিলে। হাৰ মানিবলৈ তেওঁ কোনোপধ্যে প্ৰস্তুত নহয়।

শব্দৰ যাদু আৰু সংস্কাৰৰ মাজত হোৱা যুঁজত মই বাকৰুদ্ধ হৈ পৰিছিলোঁ।

হঠাৎ তেওঁ বহাৰপৰা উঠিল আৰু অৱশিষ্ট অন্তৰ্বাস খিনি খুলি পেলালে। এইবাৰ মোৰ সন্মুখত ফাগুনৰ বলিয়া প্ৰকৃতি।

"ইমানদিনে নাৰীদেহৰ যিবোৰ অংগৰ দৰ্শন কৰিবলৈ কল্পনা, পৰ্ণগ্ৰাফী অথবা ব্লুফিল্মৰ আশ্ৰয় লৈছিলা সেই পৰম আকাংক্ষিত অংগবোৰ এতিয়া তোমাৰপৰা হাতেৰে চুকি পোৱা দূৰত্বত। তুমি সেই অংগবোৰৰ ৰস পান কৰিবলৈ সম্পূৰ্ণ স্বাধীন।" অৱশেষত বিস্ফোৰণ হ'ল।

এগৰাকী বিবসনা নাৰী মোৰ সন্মুখত আত্মসমৰ্পনৰ ভংগীত থিয় হৈ আছে। নাৰীদেহৰ যি দুই গোপন অংগৰ ধ্যানত মোৰ কৈশোৰ অতিবাহিত হৈছিল সেই দুই অংগ আজি মোৰপৰা হাতেৰে চুকি পোৱা দূৰত্বত। ইচ্ছা কৰিলেই মই চুই চাব পাৰো। স্কুলীয়া জীৱনত আৰম্ভণিতেই পুৰুষ-নাৰীৰ দৈহিক মিলনৰ গোপন ৰহস্য আৰু সেই সম্পৰ্কে স্কুলীয়া বন্ধু-বৰ্গৰ বিকৃত বৰ্ণনাই মোৰ মনত জন্ম দিছিল যৌনবিষয়ক নিষিদ্ধ জ্ঞানৰ প্ৰতি এক গভীৰ আগ্ৰহ। হাইস্কুলীয়া শিক্ষাৰ দেওনা পাৰ হৈ কলেজত যেতিয়া পোন প্ৰথমবাৰৰ বাবে ছোৱালীৰ লগত একেলগে পঢ়িবলৈ পালো তেতিয়া ইতিপূৰ্বে লাভ কৰা তাত্বিক জ্ঞানৰ ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰাৰ এক দুৰ্বাৰ আকাংক্ষাই মোক পীড়িত কৰিবলৈ ধৰিলে। সেই আকাংক্ষা আজি পূৰ্ণ হোৱাৰ পথত। পৃথিৱীৰ কোনেও নাজানিব মোৰ এই নিষিদ্ধ অভিজ্ঞতাৰ কথা, আনকি মোৰ মা আৰু প্ৰেয়সীয়েও। মোৰ চৰিত্ৰতো কোনো কলংক নপৰিব। অথচ এই সুযোগ এৰাৰ হেতুবালে দুনাই নাহিবও পাৰে। কিন্তু তেতিয়াও মগজুটো সম্পূৰ্ণ অসাৰ হোৱা নাছিল। কোনোমতে সেপ ঢুকি উচ্চাৰণ কৰিলো — "এয়া পাপ ; অসামাজিক।"

মোৰ কথা শুনি তিৰোতাগৰাকীয়ে উচ্চস্বৰে হাঁহিবলৈ ধৰিলে।

"তুমি মোক বাৰুকৈয়ে হহঁৱালা। যৌনতা এক ঈশ্বৰপ্ৰদত্ত অনুভূতি। ইয়াত কি পাপ আছে? আচলতে এই সকলোবোৰ আদিম সমাজৰ ধাৰণা। যেতিয়া দৈহিক মিলনৰ ফলত নৱতম সৃষ্টিৰ সম্ভাৱনা আছিল তেতিয়াই মানুহে যৌনতাৰ ওপৰত পাপৰ ধাৰণা আৰোপ কৰিলে। মানুহ অতি ধুৰন্ধৰ প্ৰাণী। নৱতম সৃষ্টি মানে সৃষ্টিৰ দায়িত্ব বহনৰ সমস্যা। এই সমস্যাৰপৰা হাত সাৰিবলৈ মানুহে পুৰুষ-নাৰীৰ যৌন মিলনৰ ওপৰত আৰোপ কৰিলে অলেখ প্ৰতিবন্ধক। কিন্তু আধুনিক কনট্ৰাচেপটিভৰ দিনত এইবোৰৰ চিন্তা কিহৰ? ইয়াত পাপৰ প্ৰশ্ন ক'ত?" এইবুলি কৈয়ে সেই নগ্ননাৰী মোৰ ওপৰত জপিয়াই পৰিল আৰু উন্মাদৰ দৰে মোৰ সমগ্ৰ দেহ চুমাৰে ওপচাই পেলালে। মই লাহে লাহে স্বগতোক্তি কৰিলো, "আপুনি ঠিকেই কৈছে। ইয়াত পাপৰ প্ৰশ্ন উঠিবই নোৱাৰে। দৰাচলতে পাপৰ ধাৰণাটোৱেই আপেক্ষিক।"

ইতিমধ্যে মোৰ মগজুত হোৱা ঔচিত্য-অনৌচিত্যৰ যুঁজৰ ফলাফল বিবেকে ঘোষণা কৰিছিল। স্বাভাৱিকতেই মোৰ কণ্ঠস্বৰ তিৰোতাজনীয়ে নিবিচৰা ধৰণে পুৰুষোচিত হৈছিল। "কিন্তু আপোনাৰ আৰু মোৰ দৈহিক মিলন অসম্ভৱ। মই মানুহ। আপুনি ঠিকেই কৈছিলে ভোক লাগিলে মই আহাৰ গ্ৰহণ কৰি ক্ষুধা নিবাৰণ কৰো। কিন্তু প্ৰবৃত্তিৰ নিবৃত্তি এক জান্তৱ তত্ব। প্ৰবৃত্তিৰ পৰা নিবৃত্তি মানৱৰ মহত্ব। আপুনিতো মানবী নহয়, আপুনি এটি মৃতাত্মাবাহী জীৱদেহ!"

এই বুলি কৈয়েই তেওঁক ঠেলা মাৰি দি তৎক্ষণাৎ দুৱাৰখন খুলি কোঠাটোৰপৰা দৌৰি ওলাই আহিলো। কোন মুহূৰ্তত আহি আলিবাট পালোহি তলকিবই নোৱাৰিলো। ঘড়ীটোলৈ চালো, ১২ বাজিছে। সেই সময়ত গুৱাহাটী নিদ্ৰাৰ কোলাত। জনশূন্য ৰাস্তাটোত মই অকলে। আকাশত তৰাবোৰে তিৰবিৰাই আছে। মোক আদৰিবলৈ সিহঁতৰ লৰা-ঢপৰা লাগিছে। নিজকে পৃথিৱীৰ অধীশ্বৰ যেন লাগিল। সঁচাকৈয়ে মনুষ্যত্বৰ বিজয়ত মই গৌৰবান্বিত।

---

*কৌশিক ডেকা স্নাতক প্ৰথম বাৰ্ষিকৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ।*



***Rock in the Valley of joy***

গল্প

# এটা বান্দৰৰ দৰে

❒ জ্যোতিৰ্ময় গগৈ

মোক এটা বান্দৰৰ দৰে সজাই পেলালে, তাৰ পাচত দুজনমান মানুহে চিঞৰিলে, 'আহক ৰাইজ আহক। এটা নতুন বান্দৰৰ নাচ চাওকহি।" মোৰ কাষত বহুত মানুহ গোট খালেহি। হঠাৎ মানুহকেইজনে মোক ইংগিত দি নাচিবলৈ কলে আৰু মই এটা মানুহ হৈও, এটা বান্দৰৰ দৰে সাজি-কাচি নাচিব ধৰিলো। মোৰ তাৰ বাদে অন্য একো উপায় নাছিল।

কাঠৰ দলংখন পাৰ হৈ সোঁফালৰ দুই নম্বৰ ঘৰটো নম্ৰতাহঁতৰ ঘৰ। মই যিমান পাৰো জোৰেৰে চাইকেলখন চলাব ধৰিলো। কাৰণ নম্ৰতাই যদি মোক কেনেবাকৈ দেখা পাই সৰ্বনাশ হ'ব। সঁচা কথা, এটা পলৰীয়াৰ দৰে মই নম্ৰতাৰ পৰা পলাই ফুৰিবলৈ লৈছো। মোৰ এনে লাগে যেন, নম্ৰতাৰ সামান্য এটি দৃষ্টিৰে মোৰ সৰ্বশৰীৰ পুৰি শেষ হৈ যাব, সামান্য এটি প্ৰশ্নই মোক চিৰদিনৰ বাবে বোবা কৰি পেলাব। এই ভয়তে মই তাইৰপৰা যিমান পাৰো আঁতৰি ফুৰিব বিচাৰো। কেতিয়াবা কিছুমান কথা মনত পৰিলে মই বিস্বাদৰ হাঁহি এটা মাৰো। মোৰ মনত পৰে আৰু হাঁহি উঠে, এইজনী নম্ৰতাক এবাৰ লগ পাবৰ বাবেইতো এসময়ত কিমান চেলু উলিয়াই ঘৰৰ পৰা বাহিৰ হৈছিলো, কলেজত আনকি মেজৰৰ ক্লাচকে বাদ দিছিলো। কিন্তু আজিকালি মই নম্ৰতাৰ পৰা ইমানেই পলাই ফুৰিবলৈ ল'লো যে, তাই তাইৰ চিঠিখনো আনকি নিজহাতে মোক দিব নোৱাৰিলে যিখনত তাই লিখিছিল- "বুজিছা, মই আৰু ঘৰত কথা শুনি শুনি ভাগৰি পৰিছো। ডাঙৰ ককাইদেউলৈ বৰ ভয় লাগে। তুমি সোনকালে কিবা এটা চাকৰি বাকৰি বিচাৰি লোৱা। তেতিয়া আমি অন্তত ঘৰত কব পাৰিম যে...।"

আহি আহি মই আমাৰ ক্লাবটোৰ ওচৰ পালোহি। এইটোৱেই আমাৰ ক্লাৱ, য'ত আমি জীয়াই থাকিবৰ বাবে এটা পৰিবেশ সৃষ্টি কৰিব বিচাৰোঁ। আমি প্ৰত্যেকে অলপ আনন্দত থাকিব বিচাৰো, অন্ততঃ এবাৰ হাঁহিব বিচাৰো। মইও নিয়মীয়াকৈ ইয়ালৈ আহোঁ। প্ৰশান্ত, ৰাজীৱ মানসহঁতো নিয়মীয়াকৈ ইয়ালৈ আহে। প্ৰত্যেক দিনেই আমি ইয়াত নিশা প্ৰায় দহ বজালৈকে আড্ডা দিওঁ। আড্ডা মানে, ইয়াত অন্য একো বিষয় নাথাকে, মাথো হুমুনিয়াহৰ সুৰত আমি ইটোৱে সিটোক কৈ যাওঁ দিনটোত আমি ক'ত কি কৰিলো। অথচ এসময়ত এইটো ক্লাৱত বহি বহিয়েই আমি আলোচনা কৰিছিলো সমাজৰ কথা, দেশৰ কথা। এইটো ক্লাৱত বহিয়েই আমি সিদ্ধান্ত লৈছিলো, চিৰদিন অন্যায়ৰ প্ৰতিবাদ কৰি যাম বুলি আৰু কৰিছিলোও বহুবাৰ। কিযে প্ৰাণবন্ত আছিল সেই দিনবোৰ। সেই সময়ত আমাৰ চকুবোৰ বৰ দীপ্ত আছিল আৰু কণ্ঠও আছিল অত্যন্তই উদ্দীপ্ত। কিন্তু আজিকালি আমি ইয়ালৈ আহোঁ দিনটোৰ ভাগৰ মাৰিবৰ বাবে। মনৰ হতাশাবোৰ ইটোৱে সিটোক বিবৰি কবৰ বাবে আমি ইয়াত আহি বহোঁ। বৰ্তমান আমাৰ একমাত্ৰ চিনাকি বত্ৰিশ বছৰীয়া শিক্ষিত নিবনুৱা হিচাপে। চাৰিটা বিষয়ত লেটাৰ মাৰ্ক লৈ মেট্ৰিক পাছ কৰা মুকুন্দই আজিকালি ইয়ালৈ আহি সি প্ৰথম শ্ৰেণীত ইঞ্জিনিয়াৰিং পাছ কৰা কথা নকয়। সি কব তৃতীয় বিভাগত মেট্ৰিক পাছ কৰা মন্ত্ৰীৰ ভতিজাকে তাক পাচ পেলাই ঠিকাটো পোৱা কথা। একেৰাহে দুবছৰ কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱা ৰাজীৱে আজিকালি সি কলেজখনৰ উন্নতিৰ বাবে হাতত লোৱা আঁচনিবোৰৰ কথা নকয়, সি কয় তাৰ লগতে পঢ়ি তাতকৈ তিনিবছৰৰ পাছত এম.এ. পাছ কৰা সৌৰভে একেখন কলেজৰ লেকচাৰাৰ হিচাপে নিযুক্ত হোৱা কথা। ৰাষ্ট্ৰীয় পুস্কাৰপ্ৰাপ্ত শিক্ষক ৰমেশ বৰুৱাৰ পুতেক মানসে হয়তো কব যে, সি যদি অন্ততঃ দহ হাজাৰমান টকা যোগাৰ কৰিব পাৰিলেহেঁতেন তেনেহলে হয়তো সিয়েই স্কুলৰ চাকৰিটো পালেহেঁতেন। মইও পৰম আগ্ৰহেৰে মুখ খুলি দিওঁ এই আলোচনাত। ইংৰাজী বিষয়ত এম,এ, পাছ কৰি তাৰ পাছত এতিয়ালৈকে যিমানবোৰ ইন্টাৰভিউ দিলো, সেই প্ৰত্যেকটোৰে বিৱৰণ মই পৰম আগ্ৰহেৰে ইহঁতকেইটাৰ আগত কৈছোঁ। মই আমাৰ পাঁচজনীয়া ঘৰখনত আনকি এনে এজন মানুহ নাপাওঁ যাৰ আগত মোৰ অন্তৰৰ কথাবোৰ বুজাই কব পাৰো।

মোৰো এখন ঘৰ আছে। ঘৰত মা-দেউতা আৰু এহাল-ভাইটি-ভণ্টি আছে। মোৰ দেউতা এজন অৱসৰপ্ৰাপ্ত হাইস্কুল শিক্ষক। ভণ্টী বি,এ, পাছ কৰি ঘৰতে আছে আৰু ভাইটিয়ে এইবাৰ বি,এচ, চি ফাইনেলত বহিব। ইমানকেইটা মানুহ আছে যদিও কেতিয়াবা মোৰ এনেকুৱা লাগে যেন, ঘৰত মোৰ বাদে আৰু কোনো নাই। এনে লাগে যেন আমাৰ ঘৰৰ মানুহবোৰে বুৰ্বকৰ দৰে অনবৰত অযথা কথা কিছুমানহে ভাবি থাকিব জানে, আনকি আন্তৰিকতাৰে কথা এষাৰো পাতিব নাজানে। সেয়েহে ঘৰত থকা সময়খিনি মোৰ নাযায় নুপুৱায় যেন লাগে। পুৱা যিমান পাৰো দেৰিকৈ বিচনাৰ পৰা উঠি আহোঁ। তাৰ পাছত হাতত টুথব্ৰাছডাল লৈ বাৰান্দাত বহিঃমুখ ধুবলৈ লওঁ। এসময়ত ভণ্টিয়ে আহি চাহকাপ দি যায়হি। মোৰ চকুৰ আগেদিয়েই দেউতাই চাইকেলখন লৈ ক'ৰবাত ওলাই যায়, ভাইটিয়ে হাতত বহীখন লৈ কলেজলৈ বুলি ওলাই যায় আৰু মোৰ ২৮ বছৰীয়া ভণ্টীয়ে তাঁতৰ শালত তাইৰ লগৰ কাৰোবাৰ ভনীয়েকৰ বিয়াৰ বাবে গামোচা বয়। ইতিমধ্যে মা আখল ঘৰত সোমাই পৰে আৰু মই মনতে ভাবিবলৈ লওঁ মই কি কৰোঁ বুলি। গা ধুবলৈ বুলি বাথৰুমত সোমাই মই বাল্টিৰ পানীখিনিকে লৰাই লৰাই সময়বোৰ পাৰ কৰো আৰু এসময়ত গা-ধুই বাহিৰলৈ ওলাই আহোঁ। মাজে মাজে মোৰ এনে লাগে যেন ঘৰৰ মানুহবোৰে মোৰ আগত অভিনয়হে কৰে।

তেতিয়া ময়ো বিদ্ৰোহী হৈ পৰো। তাৰ পাচত গোমোঠা মুখ এখন লৈ ভাতকাঁহী আগবঢ়াই দিয়া মাক মই কওঁ এটা ইন্টাৰভিউ দিবলৈ যাম বুলি। ঘৰৰপৰা ওলাই আহি চাৰি-আলিটোৰ ওচৰত থমকি ৰওঁ আৰু ভাবিব ধৰো কোনটো পথেৰে গলে এই মানুহবোৰ নাপাম, যিবোৰৰ অৱস্থিতিয়ে এইমাত্ৰ মোৰ বাবে মানসিক যন্ত্ৰণাৰ সৃষ্টি কৰিব পাৰে। সন্মুখৰ পথটোৰে যাব নোৱাৰো, কাৰণ এইফালে দেউতা গৈছে, সোঁফালে যাব নোৱাৰো, ভাইটিৰ কলেজখন আছে, উভতি যাবও নোৱাৰো, মোৰ ঘৰখন আছে। উপায়ন্তৰ হৈ মই অন্য দিনবোৰৰ দৰেই বাওঁফালৰ ক্লাবলৈ যোৱা ৰাষ্টাটোৰেই আগবাঢ়ি যাওঁ। তথাপিও নম্ৰতাহঁতৰ ঘৰৰ আগেৰে বৰ সাৱধানে পাৰ হব লগা হয়। তাৰ পাচত আহি ক্লাবত সোমাই মোৰ বাবে প্ৰায় নিৰ্দিষ্ট হৈ পৰা চকীখনত মই বহি পৰোহি। তাতেই মই নিশা দহবজালৈকে বহি থাকো। এসময়ত আকৌ ঘৰলৈ বুলি উভতি যাওঁ আৰু মোৰ বিচনাৰ কাষত মোৰ বাবে ঢাকি ৰখা ভাত খিনি খাই মই বিচনাত দীঘল দি পৰো আৰু টোপনি আনিবলৈ যত্নপৰ হওঁ। এনেকৈয়ে পাৰ কৰো মোৰ বত্ৰিশ বছৰীয়া জীৱনৰ প্ৰতিটো দিন আৰু প্ৰতিটো নিশা। এই গতানুগতিকতা কেতিয়াবা মোৰ বাবে অসহ্য হৈ পৰে, অথচ এই গতানুগতিকতাৰ অন্ত পেলাবৰ বাবে মই যে খুবেই অসমৰ্থ।



বলেন শইকীয়াৰ ঘৰলৈ বুলি চাইকেলেৰে আহি থাকোতে এনেধৰণৰ বহুত চিন্তাই মোৰ মন খেলিমেলি কৰি তুলিলে। চাইকেলখন চলাবলৈ বৰ কষ্ট হোৱা যেন লাগিছে। বেছিসময় এইখন চলালে মোৰ ভৰিদুটা নিশ্চয় ভালকৈয়ে বিষাব। অথচ এই সময়ত মই মনে মনে কামনা কৰিছো এই পথৰ যেন শেষ নহয়। মই আহি আহি সৰু টাউনখনৰ মাজত সোমাই পৰিলোহি। চৌপাশে বহুত মানুহ। এখন নতুন মটৰ চাইকেলত উঠি খুউব জোৰেৰে পাৰ হৈ গৈছে ভাইটিৰ লগত দুটা ল'ৰা। ভন্টীৰ লগৰ দুজনীমান ছোৱালীয়ে হাঁহিৰ বন্যা বোৱাই গিৰিয়েকৰ লগত খোজকাঢ়ি ঘূৰি ফুৰিছে। নম্ৰতাৰ লগৰ চুমিয়ে গিৰিয়েকৰ নতুন গাড়ীখন নিজে চলাই নিছে আৰু মোৰ মা-দেউতাৰ বয়সৰ দুজনমানে লগত নাতি-নাতিনীয়েকক লৈ যেনিবা ফুৰিবলৈ গৈছে। কিযে উৎসৱ মুখৰ পৰিৱেশ মোৰ চৌপাশে। মানুহবোৰৰ ফালে হঠাৎ মই চালো, আমাৰ পৰিয়ালৰ কাৰোবাক দেখা পোৱাৰ আশাৰে। কিন্তু লগে লগে মই মোৰ মূৰ্খামী বুজিব পাৰিলো। ধেৎ, আমাৰ ঘৰৰ কাৰ সময় আছে এনেদৰে জীৱনটো উপভোগ কৰাৰ! আৰু অলপ আগবাঢ়ি গ'লেই মই বলেন শইকীয়াৰ ঘৰ পামগৈ। হঠাৎ মই বৰ বিব্ৰত হৈ পৰিলো। মোৰ চৌপাশৰ সকলো মানুহে যেন মোলৈকে চাই আছে। এনে অৱস্থাত মোৰ আকৌ যোৱানিশাৰ ঘটনাটো মনলৈ আহিল।

কালি নিশা মই ভাত খাই থাকোতে যেতিয়া দেউতা আহি মোৰ কাষত বহিছিলহি তেতিয়া মই বাৰুকৈয়ে আচৰিত হৈছিলো। মোলৈ এবাৰ চাই চকুদুটা আকৌ ঘূৰাই লৈ দেউতাই কৈছিল-

"কথা কেইটামান কব লগা আছে তোক। তোৰ কি কব লগা আছে কবি।"

মই এবাৰ দেউতালৈ চকু তুলি চালো। চকুৱে চকুৱে বেছিসময় চাই থাকিব নোৱাৰি লগে লগে নমাই আনিলো। দেউতাই মোক সুধিলে- "ডি.চি. অফিচৰ কেৰানী পদৰ বাবে তোৰ পৰীক্ষা আছে নহয়। কি কৰোঁ বুলি ভাবিছ ?"

"কি কৰিম মানে যাম আৰু পৰীক্ষাত বহিমগৈ। যিমান পাৰো পৰীক্ষা ভাল কৰিবলৈ চাম।" কথা সিমানেই। তাকে দেউতাক কলো। অলপ সময় ৰৈ দেউতাই আকৌ ক'লে- "মই জানো। তোৰ যি যোগ্যতা তাক চাই তই সহজেই চাকৰিটো পাব লাগে। কিন্তু তয়ে দেখোন কৱ এইবোৰ কামত হাত দীঘল মানুহে এজন লগত থাকিলে ভাল।"

"মানে দেউতা তুমি কি কব বিচাৰিছা ?"

"চা, তই আৰু এনেকৈ কিমান ইন্টাৰভিউ দি থাকিবি ? এইবাৰ যদি কিবা এটা হয় বৰ ভাল হব। তই এটা কাম কৱ। বলেন শইকীয়াৰ ওচৰলৈকে যা আৰু তেওঁকে কথা এষাৰ কগৈ। মোৰ কথা কবি। সিতো এসময়ত মোৰেই ছাত্ৰ আছিল।"

কথাখিনি কৈ দেউতা কেতিয়া মোৰ কাষৰ পৰা আঁতৰি গৈছিল মই গমকে নাপালো। দেউতাৰ কথাবোৰ মোৰ গাত বজ্ৰপাত পৰাৰ দৰে পৰিল। কোন বলেন শইকীয়াৰ কথা দেউতাই কয়! বান নিয়ন্ত্ৰণ বিভাগৰ অভিযন্তা বলেন শইকীয়া। বলেন শইকীয়া মানে এই যে মানুহজন যি জনৰ বদনাম নোগোৱা মানুহ হয়তো এই

অঞ্চলত এজনো নাই। বলেন শইকীয়া মানে এই যে মানুহজন যিজনৰ অগাধ সম্পত্তি আৰু চৰকাৰী বিভাগবোৰত থকা প্ৰতিপত্তি দেখি কোনেও তেওঁৰ বিৰুদ্ধে একো এটা কব নোৱাৰে বা কৰিবও নোৱাৰে। কিন্তু মোৰ ভালকৈয়ে মনত আছে এই বলেন শইকীয়াৰ বিৰুদ্ধে এসময়ত আমাৰ ক্লাবৰ লৰাকেইটাই অভিযান চলাইছিল। মইও সেই গোটৰ অন্যতম এজন আছিলো। দিমৌৰ মথাউৰিত দিমগৈ বুলি আনি নিজৰ পাচচোতালত গোটাই থোৱা বালিৰ বস্তাবোৰ আমিয়ে উদ্ধাৰ কৰিছিলো, বান আক্ৰান্ত অঞ্চলত সাহায্য দিওঁগৈ বুলি আনি এগাড়ী খাদ্য দ্ৰব্য যেতিয়া ৰতন মহাজনৰ দোকানত জমা দিছিল তেতিয়া আমিয়েই সেইবোৰ উলিয়াই আনিছিলো। কিন্তু বলেন শইকীয়াৰ বল আমাতকৈ বহুত বেছি আছিল। এই ঘটনাৰ কেইদিনমানৰ পাচত আমি কেইটা এই অঞ্চলৰ চৰিত্ৰহীন যুৱক হিচাপে পৰিচিত হৈছিলো। মোৰ ধৈৰ্য্যৰ বান্ধ ছিগি গৈছিল। কোনো কাৰণতে মই বলেন শইকীয়াৰ ঘৰলৈ নাযাওঁ বুলি মনস্থ কৰিছিলো আৰু লাইট্ অফ কৰি শুই পৰিছিলো।

কিন্তু নিশা প্ৰায় একমান বজাত মই চিলাই মেচিনৰ শব্দত সাৰ পাই গ'লো। লাহেকৈ উঠি গৈ চালো আৰু দেখিলো যে, ভণ্টীয়ে একান্তমনে ৰুমাল চিলাই কৰিব লাগিছে। মই দেখিলো মোৰ মায়েও তাইৰ কাষতে বহি চকু মোহাৰি মোহাৰি ৰুমালত ফুল তুলিছে। লাহেকৈ মই পৰ্দাখন এৰি দি আঁতৰি আহিলো। মোৰ কোঠাৰ বিপৰীতফালে থকা কোঠাটোত ভাইটিয়ে পঢ়াশুনা কৰে। তাৰ কোঠাৰ লাইট্ জ্বলি আছে। তাক মনে মনে এবাৰ চাবলৈ মন গল মোৰ। পৰম আগ্ৰহেৰে পঢ়াশুনা কৰি থকা তাৰ সহজ সৰল মুখখন দেখি মোৰ খুউব মৰম লাগিল। কিন্তু হঠাৎ দেখা পোৱা অন্য এক দৃশ্যই মোৰ মনত কেনেকুৱা এক অনুভৱৰ জন্ম দিলে, মই তাক বুজাই কব নোৱাৰিম। মোৰ প্ৰায় পয়ষষ্ঠী বছৰীয়া দেউতাই কিবা কিবি লিখি আছে। বিভিন্ন বেমাৰে জুৰুলা কৰা আৰু উপযুক্ত চিকিৎসাৰ অভাৱত অধিক দুৰ্বল হৈ পৰা দেউতাক অন্ততঃ মই ইমান কষ্ট কৰি থকা দেখা পাম বুলি কামনা নকৰিছিলো। মোৰ মনলৈ আহিল, তাৰমানে আজিকালি দেউতাই বলেন শইকীয়াৰ জীয়েকক টিউশ্যন লয় আৰু এতিয়া নিশা দেৰ বজাত দেউতাই তাইৰ বাবে নোট বনাই আছে। কাৰণ কিবা এটা বুজি, পৰীক্ষাত নিজে লিখি, ৰিজাল্ট ভাল কৰিব পৰা ছোৱালী তাই নহয়। লগে লগে মই বিছনালৈ উভতি আহিলো।

তাৰপাছত মই জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্তটো লবৰ বাবে সাজু হ'লো। এফালে আছে মোৰ আদৰ্শ আৰু আনফালে আছে বলেন শইকীয়া আৰু তেওঁৰ হাতত থকা এটা চাকৰি। কোনটো এই মুহূৰ্তত মোৰ বাবে গ্ৰহণীয় হব! মই সহজে একো ঠিক কৰিব নোৱাৰিলো। কিন্তু যেতিয়া ভণ্টীৰ চিলাই মেচিনৰ শব্দটো মোৰ কাণত পৰিল, চকু মোহাৰি মোহাৰি ফুল তুলি থকা মাৰ চকুহাল মনলৈ আহিল, বৃদ্ধ দেউতাৰ যন্ত্ৰণা আৰু ভাইটিৰ ভৱিষ্যতৰ কথা মনলৈ আহিল তেতিয়া মই সহজেই এটা সিদ্ধান্তত উপনীত হব পাৰিলো। নম্ৰতাৰ কথাও মোৰ মনলৈ আহিল। মোৰ বাবে অপেক্ষা কৰি কৰি ভাগৰি পৰা অথচ এতিয়াও মোৰ ওপৰত বিশ্বাস হেৰুৱাই নেপেলোৱা ছোৱালীজনীৰ কথাও মই বৰ গুৰুত্ব সহকাৰে ভাবিবলৈ ললো। অৱশেষত মই আহি আহি বলেন শইকীয়াৰ পদূলিমুখ পালোহি। তাতে এবাৰ থমকি ৰলো আৰু দেখা পোলো শইকীয়াই ঘৰটোৰ তৃতীয় মহলাৰ কাম ইতিমধ্যেই আৰম্ভ কৰিছে। গেট খুলি আগবাঢ়ি গলো। মোক চকুৰ আগত দেখা পাই শইকীয়াৰ দুচকুত কিবা এক পৰম আনন্দত হাঁহি বিৰিঙি উঠিল। মই সহজেই বুজি পালো, এইয়া বিজয়ৰ হাঁহি। ইমান দিনে বিধিপথালি দি থকা লৰাটোৱে যেতিয়া নিজেই আহি আত্মসমৰ্পণ কৰিছে, এইয়াতো পৰম আনন্দৰ কথা শইকীয়াৰ বাবে। মই কথাবোৰ আৰু নাভাবো বুলি ঠিক কৰিলো আৰু মাত দিলো- "শইকীয়াদা ভালনে আপোনাৰ?"

"এহ, কিনো ভালহে। অৱস্থাই নাই আমাৰ। চব হ'বা, কিন্তু এই ইঞ্জিনিয়াৰ ঠিকাদাৰ নহবা ভাই। মানুহে বহুত টকা থকা দেখে। কিন্তু আমিহে জানো আচল কথা কি।"

"কিবা অসুবিধা হৈছে আপোনাৰ?"

"নকবা আৰু। দেখিছাই যোৱাবাৰ দিখৌৰ মথাউৰিটোত কিমান কাম কৰিব লগা হ'ল। নিজৰ টকাও বহুত সোমাল। ভাবিছিলো ঘূৰাই পাম, কিন্তু এতিয়া দেখোন কাৰো খবৰেই নাই। বাৰু তোমাৰ খবৰ কোৱাচোন।"

"কিনো কৰিম আৰু মই ? ঘৰতে আছো। বাৰু শইকীয়াদা, শুনকচোন— দেউতাই মোক আপোনাৰ ওচৰলৈ পঠাইছিল। মানে মই এই ডি.চি. অফিচৰ কেৰাণীৰ ইন্টাৰভিউটোত বহোঁ বুলি ভাবিছো। আপুনি বেয়া নাপায় যদি মোৰ হৈ কথা এষাৰ কব।"

"অ' বুজিছো। চাৰে খবৰটো দিলে তেন্তে তোমাক। মই আছো, চিন্তা নকৰিবা। ময়েই চাৰক কথাষাৰ কৈছিলো।"

মই স্তম্ভিত হৈ গ'লো। শইকীয়াৰে কিবা এক অভিসন্ধি তেন্তে এইবোৰ। মোৰ অৱস্থাক পুতৌ কৰি মোৰ সহজ সৰল দেউতাক শইকীয়াই তেন্তে নিজে এই কথাষাৰ কৈছিল। শইকীয়াই এইবাৰ নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়াব। মোক চাকৰি পোৱাত সহায় কৰি তেন্তে তেওঁ নিৰ্বাচনী অভিযানৰে আৰম্ভ কৰিছে। সকলো কথাই মোৰ মনত এক বুজাব নোৱাৰা অৱস্থাৰ সৃষ্টি কৰিলে। মই ওলাই আহি আকৌ পদূলিমুখ পালোহি।

কিন্তু অকস্মাৎ এক নতুন বিপদে গা-দাঙি উঠিল। মই যিটো ৰাস্তাৰে আহিছিলো, সেইটো ৰাস্তাৰে উভতি যাবলৈ মোৰ খুউব ভয় লাগিল।

কাৰণ এইটো পথেৰে গলেই মই আমাৰ ক্লাবটো পাম আৰু তাত মুকুন্দ, ৰাজীৱহঁতে মোক সুধিব, "তই কলৈ গৈছিলি?" মই নগৰৰ মাজত। মোৰ চৌপাশে বহুত মানুহ। অথচ মোৰ নিজকে বৰ অসহায় যেন লাগিল।

... এটা বান্দৰৰ দৰে মই নাচিবলৈ ললো। মোক ইংগিত দিয়া হ'ল নাচি থাকিবলৈ। মই নাচি আছো, নাচি আছো। তেতিয়ালৈকে মই নাচি থাকিব লাগিব, যেতিয়ালৈকে মানুহকেইজনে অন্য এটা বান্দৰ ধৰি আনিব নোৱাৰে.. ▮ ▮

গল্প

# সুনয়না

❑ দীপজ্যোতি দাস

সকলো ব্যস্ত। বিশৃঙ্খল হাঁহি খিকিন্দালি। দুই এজনৰ নিৰ্দেশ , 'ঐ অমুকটো দেচোন..................। মিচিকিয়া হাঁহিৰে আদৰ সম্ভাষণ – 'আহক, বহক, ইচ্ আপুনি ইমান দেৰি কৰিলে...............।' বাৰান্দাৰ চুকটোৰ চকীখনত বহি সুনয়নাই এইবোৰকে অনুমান কৰি আছে।

মাইনীৰ বিয়ালৈ নাহিব বুলি ভাবিলেও মাকে তাইক একপ্ৰকাৰ জোৰ কৰিয়ে বিয়ালৈ লৈ আহিল। সুনয়নাই জানে বিয়াত তাই কোনো কাম কৰিব নোৱাৰে। কিনো কৰিব তাই। গতিকে মিছামিছি আনক দিগদাবি দি থকাতকৈ ঘৰত থকাই ভাল। অৱশ্যে বিয়ালৈ নাহিলে মাইনীয়ে তাইক বৰ বেয়া পালেহেঁতেন। বিয়ালৈ মাতিব যাওঁতে তাই সুনয়নাক কৈছিল —"যদি তই বিয়ালৈ নাহ নহয় তেনেহ'লে তোক আৰু মই কেতিয়াও নামাতো।" সুনয়নাই খুব মৰম কৰে মাইনীক। গতিকে মাইনীৰ কথা তাই অমান্য কৰিব নোৱাৰে। তাই মাইনীক আঘাত দিয়া কাম কৰিব নোৱাৰে।

দুপৰীয়া বিয়া ঘৰৰ মানুহবিলাকৰ ব্যস্ততা বাঢ়ি গৈছে। আলহীক বহিব দিয়া, খোৱা-লোৱাৰ ব্যৱস্থা কৰা সকলোবোৰ তৎপৰতাৰে কৰিবলৈ সকলোৱে যত্ন কৰিছে। আয়তীসকলৰ বিয়ানামে ৰজন-জনাই আছে গোটেই ৰভাতলি। পানী তুলিবৰ সময় হ'ল। গাভৰু-বোৱাৰী আৰু আইতাহঁতে বিয়ানাম গাই বাটচ'ৰা পালেহি। সুনয়নাইতো তিৰোতাবিলাকৰ লগত গৈ নৈৰ তিনিটা ঘাটৰ পানী তুলিবলৈ নোৱাৰে।

ক'ব নোৱাৰাকৈয়ে তাই থিয় হ'ল। তাই চোতালখনলৈ খোজটো আগবঢ়াইছিলহে মাত্ৰ, বিমলা মাহীয়েকে তাইক মাত লগালে— ঃ "সু তই ক'লৈ যাব! সিহঁতৰ লগত গৈ তইনো কি কৰিবি !!"

সুনয়না বহিল চকীখনত। তাই পাহৰিয়ে গৈছিল তাইৰ অস্তিত্বৰ কথা। তাইৰ যে নিজস্ব একো নাই তাই পাহৰিয়ে গৈছিল। বিয়ানাম আৰু বেণ্ড-পাৰ্টিৰ পেঁপাৰ মাত ক্ৰমে সৰু হৈ নাইকিয়া হৈ পৰিল। ৰভাঘৰত বাজি থাকিল পুৰুষ কণ্ঠবোৰ।

মাইনী তাইৰ জেঠায়েকৰ ছোৱালী। তাই যেতিয়া ১৫-১৬ বছৰীয়া গাভৰু তেতিয়াই তাই মাইনীক ভালদৰে লগ পাইছিল। মাইনীৰ বয়স তেতিয়া ৬/৭ বছৰমান। সেই তেতিয়া লগ পোৱা মাইনীয়ে তাইক যে কিমান দিগদাৰী দিছিল। ঘৰত সকলোৱে সুনয়নাক 'সু' বুলিয়ে মাতে। মাইনীয়েও তাইক মাতিছিল 'সু' বা বুলি। মাকৰ অবিহনে নিসংগ পৃথিৱীত সুনয়নাই যেতিয়া মাইনীৰ মুখত 'সু'বা মাতটো শুনিছিল তেতিয়া তাইৰ কিবা এটা ভাল লাগিছিল।

মাইনীৰ সৰু মাতৰ কথাবোৰ শুনি তাইৰ ভাল লাগিছিল। তাইক প্ৰশ্ন সুধি সুধি ব্যতিব্যস্ত কৰিছিল–

ঃ " 'সু' বা, আকাশ কিয় নীলা? ফুলবোৰ কিয় ইমান ধুনীয়া? বৰনদী ক'লৈ বৈ গৈছে?.................



সুনয়নাই হুমুনিয়াহ এৰি মাথো কৈছিল, "জানো" ......................। সেইদিনা ৰাতি সুনয়নাই কান্দিছিল। ভগৱানে বাৰু তাইক কিয় ইমান কষ্ট দিছে! আন এদিন সিহঁত ঘৰৰ আগ চোতালত বহি আছিল। জোনাক ৰাতি গোটেই পৃথিৱী ৰূপালী পোহৰ পাই ৰাতি ফুলা ফুলবোৰ ফুলিছিল। সুনয়নাৰ ভাল লাগিছিল হাচনাহানাৰতীব্ৰ গোন্ধ। তাই বুকু ভৰি উশাহ লৈ মাইনীক কৈছিল-

ঃ ক'ৰবাত হাচ্নাহানা ফুলিছে।

ঃ অ' 'সু' বা ইমান ধুনীয়া গোন্ধ! মোক দিবিচোন এই ফুলজুপি। বাৰু 'সু' বা জোনবাই কিয় ইমান ধুনীয়া? তইও কিন্তু জোনবাইৰ দৰেই ধুনীয়া................

ঃ ধেৎ, মই ধুনীয়া বুলি তোক কোনে ক'লে? মোৰ দৰে কুৎসিত এই পৃথিৱীত এজনো নাই।

ঃ নহয়, তই সকলোতকৈ ধুনীয়া। তোৰ কথাবিলাক ইমান ভাল। তই সঁচাকৈয়ে ধুনীয়া।

সুনয়নাই মাইনীক বুকুত সাৱটি লৈছিল।

সেই পখিলা খেদি ফুৰা মাইনী ডাঙৰ হ'ল। এসময়ত সুনয়নাৰ দৰেই তাইৰ দেহতো যৌৱনে ভুমুকি মাৰিলেহি. সুনয়নাই কিন্তু তাইৰ দেহৰ পৰিৱৰ্তনৰ কথা পাহৰিয়ে গৈছিল। সেয়া যে পাই হেৰুওৱাৰ ক্ষোভ! হায়াৰ চেকেণ্ডাৰী পৰীক্ষা দিয়েই মাইনী সুনয়নাহঁতৰ ঘৰলৈ আহিছিল। সেইদিনা সুনয়নাই আনন্দতে গুণগুণাইছিল বহুত দিনৰ মূৰত মাইনীক লগ পাই। জোনাক ৰাতি ঘৰৰ আগচোতালত বহি দুয়ো কথা পাতিছিল। কিমান যে কথা! সুনয়নাই গতানুগতিকতাৰে সুধিছিল তাইৰ পৰীক্ষাৰ কথা, ঘৰৰ কথা। তাইৰ মন গৈছিল তাইক যেন তাই আৰু বহুত কথা ক'ব, সুধিব। তেতিয়াৰ পখিলা খেদা মাইনীক তাই যি কথা সুধিবপৰা নাছিল সেইদিনা কিন্তু তাই সেইকথা সুধিম সুধিম বুলিও থমকি ৰৈছিল। মাইনীৰ কথা-বতৰাত তাই বুজি উঠিছিল মাইনী সঁচাকৈয়ে গাভৰু হ'ল। তাইৰ হাঁহিত চঞ্চলতাত সেইদিনা তাই হেৰাই গৈছিল। সুনয়নাৰ সেই হাঁহি সময়ত কেতিয়াবাই লীন হৈ গ'ল। কিছু সময় দুয়ো নীৰৱে থকাৰ মাজতে মাইনীয়ে তাইক এবাৰ কৈছিল—

ঃ 'সু' বা

ঃ হো!

ঃ তোক এটা কথা কওঁ, বেয়া পাবি নেকি?

ঃ ধেৎ, কিয় বেয়া পাম। ক আকৌ........

ঃ নাই মানে মোৰ যদি কাৰোবাক ভাল লাগে...............

পানী তুলিবলৈ যোৱা আয়তীসকল বিয়ানাম গাই গাই ৰভাতল পালে। দুজনীমান ছোৱালী আহি সুনয়না বহি থকা চকীখনৰ ওচৰতে বহিল। বিভিন্ন কণ্ঠেৰে মুখৰিত হৈ থকা ৰভাতলিৰ গুণগুণনিৰ মাজতো তাই শুনিলে সিহঁতৰ প্ৰেমৰ কথা-বতৰাবোৰ। হঠাতে কিবা এটা কথাত ছোৱালীজাকে খিলখিলাই হাঁহি দিলে। সুনয়নাই উচপ খাই উঠিল। তাইৰ যে কেতিয়াবাই হেৰাই গ'ল সেই চঞ্চলময় সময়।

সুনয়নাই আজিকালি পাহৰিবলৈ চেষ্টা কৰে যে তাই নাৰী। তাইৰ যে কিবা আশা-আকাঙ্খাও থাকিব পাৰে তাই নাভাবে। কি হ'ব তাইৰ সপোনৰ! তাইৰ ল'ৰালিৰ কালতো কোনো সংগী নাছিল। যৌৱনৰ আগলি বতৰাত তাইৰ মনটো মাজে মাজে উদাস হৈ পৰিছিল। আগতে নভবা কিছুমান কথা ভাবি তাই উচপ খাইছিল। যৌৱনৰ মাদকতাময় দিনত তাই বেছি নিঃসংগ অনুভৱ কৰিছিল। হাচনাহানাৰ গোন্ধত মতলীয়া জোনাক ৰাতিবোৰ তাই আগচোতালত বহি বহি অকলে পাৰ কৰিছিল। এদিন তেনেকৈ বহি থাকোতেই চন্দ্ৰ আহিছিল।

ঃ 'সুনয়না' কি কৰিছ! –চন্দ্ৰই সুধিছিল।

ঃ কোন! চন্দ্ৰ দা!

ঃ অ' কি কৰিছ অকলে?

ঃ নাই এনেয়ে বহি আছো।

ঃ এনেয়ে বহি থাকেনে?

সুনয়না নীৰৱে ৰৈছিল। কোনে বুজিব তাইৰ মনোবেদনা। লাহে লাহে প্ৰতিনিশাই নিৰ্দিষ্ট ঠাই টুকুৰাত চন্দ্ৰই তাইক লগ কৰিছিল। কলেজীয়া ডেকা চন্দ্ৰৰ উপস্থিতিত নিজকে পাহৰি গৈছিল সুনয়নাই। তাই চাগে তাৰ মৰমৰ কাৰণে আকুল হৈ পৰিছিল। তাই বিচাৰিছিল চন্দ্ৰই তাইক এবাৰ মৰম কৰক। তাইক জীয়াই থকাৰ প্ৰেৰণা দিয়ক।

ঃ 'সু' বা ভাত খাওঁ বল।

খাৰুৰ ঝনঝননিৰ মাজত তাই মাইনীৰ মাত শুনি উচপ খাই উঠিল। আজি মাইনীৰ বিয়া, অথচ তাই সুনয়নাৰ ইমান খবৰ ৰাখিছে। মাইনীয়ে সুনয়নাক হাতত ধৰি খোৱা ঠাইলৈ লৈ গ'ল। মাইনীক যদি তাই এবাৰ দেখা পালেহেঁতেন! মাইনীৰ মৰমত তাইৰ দুচকু চলচলীয়া হ'ল। আজিৰপৰা আৰু মাইনীৰ মৰম তাই কেতিয়াও নাপায়। পখিলা খেদা মাইনী আজি গুচি যাব বহু দূৰলৈ................

সন্ধিয়া সময়ত মাকে সুনয়নাক ভিতৰলৈ লৈ গ'ল কাপোৰ সলাবলৈ। তাই আপত্তি কৰিছিল।

ঃ এই কাপোৰযোৰ কি বেয়া। এইযোৰেই হ'ব দে।

ঃ গোটেই দিনটোচোন এইযোৰকে পিন্ধি আছ। এইযোৰ সলাই ৰগা কাপোৰযোৰ পিন্ধচোন।

বগা সাজ। সুনয়নাই হাঁহিলে। তাই নাজানে বগা, ক'লা, ৰঙা বা এজাৰ ৰঙৰ পাৰ্থক্য। তাইৰ কাৰণে মাথো এটা ৰঙেই ভাল লাগে। সেয়া হৈছে ক'লা। তথাপিও তাই বগা সাজযোৰ পিন্ধিলে। এই সাজযোৰৰ প্ৰতি তাইৰ এক অহৈতুক মৰম ওপজে। জোনাক বিটোত নিশাবোৰ বহুদিন তাই চন্দ্ৰলৈ অপেক্ষা কৰিছিল। এদিন চন্দ্ৰই তাইক দুবাহুত সাৱটি লৈ সৰু সৰু কৈ তাইৰ কাণৰ ওচৰত কৈছিল—

"এই বগা সাজযোৰত তোক অপেশ্বৰী যেন লাগে।" সেইদিনা তাই চন্দ্ৰৰ প্ৰশংসাসূচক চকুলৈ মূৰ তুলি চাইছিল। কিন্তু তাইৰ দুচকুত ধৰা পৰিছিল সীমাহীন ক'লা ৰঙৰ এখন পৰ্দা।

দৰাঘৰীয়া আহি পোৱাৰ আধাঘন্টামান আগতে তাই মাইনীৰ ওচৰত বহিলগৈ। গোটেই কোঠালীটো এক মধুৰ সুবাসেৰে ভৰি আছে। মাইনীৰ ৰূপটো কল্পনা কৰি সুনয়নাই হাঁহিলে।

ঃ 'সু' বা ওচৰলৈ আহচোন! সুনয়নাই মাইনীৰ গাত গা-লগাই বহিল। মাইনীৰ খাৰুবোৰ ৰণজনাই উঠিল। 'সু' বা লৈ তাইৰ বৰ বেয়া লাগে। ইমান ধুনীয়া মৰমীয়াল বা জনীৰ কিয় এনেকুৱা হ'ল! সুনয়নাই ক'লে– "মায়ে কৈছে ল'ৰাজন হেনো খুউব ভাল। তোৰ লগত বেছ মিলিব। তই সুখী হ'ব পাৰিবি। মাইনী, তই আকৌ মোক পাহৰি নাযাবি!!"

ঃ 'তোক মই কেনেকৈ পাহৰিম 'সু'বা !! মাইনীয়ে সুনয়নাক সাৱটি ধৰিলে। সুনয়নাৰ মসৃণ গালখনত বাগৰি পৰিল মাইনীৰ দুটোপাল চকুলো।

'দৰা আহিল'। কোনোবাই শব্দকেইটা উচ্চাৰণ কৰিলেহে, সকলো বাটচ'ৰালৈ দৌৰ দিলে দৰা আদৰিবলৈ। মাইনীয়ে সুনয়নাৰ হাতত ধৰি ক'লে– "মোৰ বৰ ভয় লাগিছে 'সু' বা।"

- ভয় কৰে নেকি! মই আছো নহয়।

সুনয়নাই এই পৃথিৱীত ভয় কৰে মাথো সময়ক। সমস্ত পৃথিৱীৰ মুখামুখি হ'ব পাৰিলেও সময়ৰ মুখামুখি তাই হ'ব নোৱাৰে। তাই যে সেইবাৰেই প্ৰতি খোজতে পৰাজিত।

কইনা বভাতলিলৈ নিবৰ সময়ত মাইনীয়ে হুৰাওৱাকৈ কান্দিলে। সুনয়নাই চকুপানী টুকি নীৰৱে বাৰান্দাৰ চকীখনত বহিল। তাইৰ ওচৰত কোনো নাই। কোনোবা তাইৰ ওচৰলৈ আহিলেও তাইৰ দুচকুলৈ চাই আকৌ আঁতৰি গৈছে। অলপ দূৰৈৰ চকী দুখনত এহাল ডেকা-গাভৰু নিজৰ কথাত মগ্ন। ইমানবোৰ বাস্ত মানুহৰ মাজত থাকিও সুনয়না অকলশৰীয়া। তাই যেন হাজাৰ হাজাৰ তৰাৰ মাজত থাকিও আকাশৰ পৰা খহি পৰা এটা পপীয়া তৰা।

হোমৰ ধোঁৱাই সকলোকে আমনি কৰিছে। সুনয়নাই ভাবিলে চন্দ্ৰৰ বিয়াৰ দিনাখনো চাগে তাক, কইনা জনীক আৰু বভাতলিৰ মানুহবিলাকক হোমৰ ওচৰত তাইৰ ভিতৰৰ সুনয়নাজনী আঁচলৰ তলত বহি আছিল। তাই জানে চন্দ্ৰৰ স্মৃতিত তাই কলঙ্ক হৈ নাথাকিলেও চন্দ্ৰ সদায় তাইৰেই।

কইনা যাবলৈ ওলাল। মাইনী কান্দি কান্দি বাউলি হৈ পৰিছে। সুনয়নাইও কান্দিছে। তাই নাজানে তাইৰ চকুপানীত নিজৰ ক্ষোভ, বেদনাবোৰৰ নে মাইনীৰ প্ৰতি থকা ভালপোৱাৰ তীব্ৰতা আছে। তাই মাথো কান্দিছে। গোটেই বিয়াঘৰৰ মানুহে ই কিন্তু তাইৰ দুচকুলৈ নাচালে। তাইৰ উচুপনি শুনিবলৈ তেতিয়া ন তাইৰ ওচৰত কোনো নাই। তাই যে এজনী অশ্ৰু ছোৱালী!

*দীপজ্যোতি দাস স্নাতক দ্বিতীয় বৰ্ষ (দৰ্শন)ৰ ছাত্ৰ।*



*Life it in its Screnity*

গল্প

# আৰোহন

❒ নয়ন কুমাৰ পাঠক



"আচলতে কি জান, অনিশ্চয়তাৰ মাজত থকাটোৰো এটা বেলেগ মজা আছে। তই বাৰু কেতিয়াবা ফিল কৰিছনে ?" চিগাৰেটৰ ধোঁৱাখিনি উৰুৱাই দি অনলে কৈছিল। মই একো মতা নাছিলো। আনকি তাৰ মুখৰ ফালেও চোৱা নাছিলো। কেৱল তাৰ খোজৰ লগত খোজ মিলাই গৈ আছিলো।

নৈৰ পাৰৰ পোন ৰাস্তাটোত মানুহ বিশেষ নাছিল। নৈৰ ইটো পাৰত থকা লানি লানি ঘৰবোৰৰ বাৰাণ্ডাতো কোনো মানুহ নাছিল, আবেলিৰ সূৰ্যাস্ত উপভোগ কৰিবলৈ। হয়তো টিভিত দেওবাৰৰ হিন্দী চিনেমা এখন চলি আছিল। খুউব অলসভাৱে আমি দুটাই খোজ পেলাইছিলো।

"ইয়াত লাইট্ এণ্ড চাউণ্ড শ্বো ক'ত হয় বাৰু?" অনলৰ কথাটো এৰাবলৈকে মই সুধিছিলো।

"সিটো পাৰত" অনলৰ চুটি উত্তৰ।

"তই চাইছ, নেকি?"

"নাই চোৱা, কিন্তু শুনিছো বৰ ধুনীয়া হেনো"

কথাকেইটা কওঁতে অনলৰ সৰু চকুদুটা উজলি উঠিছিল।

আমাৰ কাষেৰে তীব্ৰ গতিত বিদেশী গাড়ী দুখন পাৰ হৈ গৈছিল। হয়তো ৰাস্তাটো য'ত শেষ হৈছে, তাত থকা সম্ভ্ৰান্ত হোটেলখনলৈ যায়। সেইখন হোটেলতে অনলহঁতৰ কোম্পানীটোৰ পাৰ্টি এটা হৈছিল দুমাহ মানৰ আগতে। তাত সিহঁতৰ উচ্চপদস্থ বিষয়া এজনে মদ খাই মহিলা এগৰাকীক অভদ্ৰ ব্যৱহাৰ কৰিছিল বুলি অনলে কৈছিল, মোৰ মনত পৰিল।

"হায়াৰ চেকেণ্ডাৰীত পঢ়োতে আমি যে সদায় এইফালে ফুৰিবলৈ আহিছিলো!" অনলে নিজকে নিজে কৈছিল।

"ওঁ"

"আগতকৈ ঠাইখিনি বহুত লেতেৰা হ'ল।"

মই নীৰৱে খোজ পেলাইছিলো। নৈৰ পাৰৰ এইটো অংশত বহুত নতুন নতুন জুপুৰী ঘৰ থিয় দিছে। বহুতদিন হ'ল এইফালে অহা নাছিলো। আজি আবেলিতে অনল বাইকখন লৈ আহি ওলাইছিল। মই কাম কৰা জেৰক্স দোকানখন দেওবাৰে বন্ধ থাকে অনলে জানিছিল। অনলে বহুত জোৰ কৰাত তাৰ লগত খোজ কাঢ়িবলৈ ওলাই আহিছিলো।

"তোৰ দৰ্মহা বাঢ়িল নে আগৰটোৰেই আছে" অনলে এইবাৰ মোৰ মুখৰ পিনে চাই সুধিলে।

"আগৰটোৰেই"

আকৌ কিছু সময়ৰ নীৰৱতা। অনলে যিটো কথা কব খুজিছে কব পৰা নাই, মই গম পাইছিলো। কিছু সময়লৈ আমাৰ জোতাৰ খট্ খট্ শব্দৰ বাহিৰে একো শব্দই ওলোৱা নাছিল।

"তোৰ 'ল' ৰ পৰীক্ষা কেতিয়া?"

"জানুৱাৰীত"

"পঢ়িছনে?"

মই একো কোৱা নাছিলো। অনলে সুধিব খোজা প্ৰশ্নটোও সেইটো নাছিল। সি মোক বুজাব খুজিছিল, পৰা নাছিল। সি জানিছিল, মোৰ ঘৰৰ সকলো কথাই সি জানিছিল। মোৰ বাৰ বছৰ বয়সত দেউতা ঢুকাইছিল, কলেজত পঢ়ি থকা দাদাই গীতাৰ শ্লোক মাতি সান্ত্বনা দিছিল 'বাসাংসি জিৰ্ণানি যথা বিহায়...। অনলে জানিছিল।

ৰাস্তাৰ কাষৰ গুমটি এখনৰ সন্মুখত থমকি ৰ'ল অনল। চিগাৰেট এপেকেট লৈ তাৰে এটা মুখত গুজি জ্বলাই লৈছিল "কিবা খাবি?"

মই মূৰ জোকাৰিছিলো।

অমি আকৌ লাহে লাহে খোজ কঢ়া আৰম্ভ কৰিছিলো। ইতিমধ্যে ৰাস্তাৰ কাষৰ লাইটবোৰ জ্বলি উঠিছিল। কাষৰ নদীৰ ওপৰত নবেম্বৰ মাহৰ শেষৰ কুঁৱলীবোৰ এখন চাদৰৰ দৰে পৰি আছিল।

"আচলতে পোৱা নোপোৱাৰ মাজত থকাৰ আনন্দকণেই বেলেগ। পোৱাৰ লগে লগেতো চব শেষেই" অনলে পুনৰ আগৰ কথাটোলৈ ঘূৰি গৈছিল। মই একো কোৱা নাছিলো। সি কাবেৰীৰ কথা কব খুজিছিল, মই গম পাইছিলো। একেখিনি কথাকে সি আগতেও কেবাবাৰো কৈছিল।

বাস্তাটো সেইখিনিৰ পৰা ওপৰলৈ উঠি গৈছিল পাহাৰ এটাৰ দাঁতিয়েদি। যথেষ্ট উৎসাহেৰে অনলে কাবেৰীৰ কথা আৰম্ভ কৰিছিল। কাবেৰী নামৰ সেই ছোৱালীজনী সিহঁতৰ কলেজতে পঢ়িছিল। অনলৰ এবাৰ এক্‌সিডেন্ট হওঁতে আগতে চিনাকি নথকা সেই ছোৱালীজনী তাৰ খবৰ লবলৈ নাৰ্চি হোমলৈ আহিছিল। সিহঁতৰ মাজত প্ৰেম জাতীয় একো অৱশ্যে হোৱা নাছিল, অনলৰ মতে তাৰ সাহসৰ অভাবৰ কাৰণেই। গ্ৰেজুৱেচন লোৱাৰ পাছত ছোৱালীজনী অসমৰ বাহিৰৰ নগৰ এখনলৈ গৈছিল টুৰিজিম আৰু ট্ৰেভেলচ্‌ৰ ডিপ্লোমা কৰিবলৈ। তাৰ পাছতো অনল আৰু তাইৰ মাজত মাজে মাজে কাৰ্ড আদিৰ আদান প্ৰদান ঘটিছিল। কাইলৈ যে কাবেৰীক সি ষ্টেচনৰ পৰা আনিবলৈ যাব, সেই খবৰটোও অনলে দিছিল। কথাবোৰ কওঁতে অনলক যথেষ্ট উৎফুল্লিত দেখা গৈছিল। নীলা কোট এটাৰে সৈতে অনলক একেবাৰে ৰাজকুমাৰ এজনৰ নিচিনা লাগিছিল। শেষৰফালে অনলে স্বপ্নবিভোৰ মানুহ এজনৰ দৰে কথা কৈছিল। মোৰ বিৰক্তি লাগি আহিছিল যদিও নীৰৱে তাৰ কথাবোৰ শুনি গৈছিলো।

এটা সময়ত আমি পাহাৰটোৰ কাষৰ ৰাস্তাটোৰ একেবাৰে ওপৰ অংশ পাইছিলো। তাৰ পৰা নৈৰ সিটো পাৰৰ নাওঁবোৰৰ পোহৰবোৰ জিপচী কেম্পৰ দৰে লাগিছিল। সৰু ল'ৰা এটাৰ দৰে অনলে কিবা গুণ গুণাইছিল। নদীৰ ওপৰৰ চাদৰখন চাই অনল বিভোৰ হৈ পৰিছিল, "হাও বিউটিফুল! আমাৰ ঘৰটো যদি ইয়াত হ'লহেঁতেন!"

কিছু সময়ৰ নীৰৱতা। মই জানিছিলো, অনল স্বপ্নৰ ৰাজ্য এখনলৈ গুচি গৈছে। মই নীৰৱে আছিলো। তাক আমনি দিয়াৰ ইচ্ছা মোৰ নাছিল। অনলে দীঘলকৈ উশাহ লৈছিল, চিঞৰিছিল, হীৰেন ভট্টাচাৰ্য্যৰ কবিতা মাতিবলৈ চেষ্টা কৰিছিল। "মোৰ কি ভাব হৈছে জান? প্ৰত্যেকজন মানুহৰ মাজতে একোজন প্ৰেমিক কবি সোমাই থাকে।" ভাবগধুৰ মাত এটাৰে সি কৈছিল।

"ওঁ, যেনেকৈ প্ৰত্যেকজন পুৰুষৰ মাজত হ'ম' চেক্‌চুৱেল মানুহ একোজন সোমাই থাকে।" নৈ খনৰ ফালে চাই মই লাহেকৈ কৈছিলো।

মই গম পাইছিলো, অনলে মোৰ মুখৰ ফালে চাই বৈছিল।

আমি যেতিয়া ঘূৰি আহিছিলো, তেতিয়া গোটেই বাটটো আন্ধাৰে ঢাকি পেলাইছিল। নৈৰ পৰা অহা শীতল বতাহ একোছাটিয়ে আমাৰ দেহবোৰ কঁপাইছিল। এটাৰ পাছত আনটো চিগাৰেট হুপি অনলে খোজ পেলাইছিল। বাটত আমি কোনোৱে এটা শব্দও উচ্চাৰণ কৰা নাছিলো। নৈৰ পাৰৰ পৰা অহা ভেকেটা ভেকেট গোন্ধ এটাই গোটেই বাটটো আমাক আমনি কৰিছিল।

এটা সময়ত আমি মই ভাড়া থকা ৰুমটো আহি পাইছিলো। অনল মোৰ ৰুমত সোমোৱা নাছিল। বাহিৰতে থৈ যোৱা তাৰ বাইকখন ষ্টাৰ্ট কৰি সি মাথো কৈছিল "যাওঁ" প্ৰচণ্ড গতিত অনল গুচি গৈছিল তাৰ স্বপ্ন অথবা স্বপ্নৰ টুকুৰাবোৰৰ স'তে।

অনল যোৱাৰ পাছত তলাটো খুলি মই মোৰ ৰুমটোত সোমাইছিলো। অসহ্য ভোক এটাই মোক আমনি কৰিছিল। লাইটটো জ্বলাই মই চকীখনত বহি আলুৰ বাকলি গুচাবলৈ আৰম্ভ কৰিলো ৰাতিৰ সাজৰ বাবে। এনেতে টেবুলত থকা খাকী এনভেলপটোত চকু পৰিল। পৰহিলৈ বেংকৰ পৰীক্ষা এটা আছে। মই হাতৰ থালখন থৈ দিলো। অলপ প্ৰেকটিচ কৰা যাওঁক।

টেবুলত বহি গাইড বুকখন মেলি ল'লো। অংক, ইংৰাজী আৰু ৰিজনিং অৰ পৰীক্ষা। এই ৰিজনিংটোৱেই অলপ টান। কিবাকিবি বৃত্ত, ত্ৰিভূজ, চতুৰ্ভূজ ৰেখা, বিন্দু আদিৰ খেলিমেলি কিছুমান। মিলাব লাগে। ঠিক, ৰিজ্‌নিঙকেই প্ৰেকটিচ কৰা যাওঁক।

মই বৃত্ত, চতুৰ্ভূজ, বিন্দু আদিৰ খেলি মেলি কিছুমানৰ মাজত সোমাই পৰিলো।

পিছদিনাখন ৰাতিপুৱা অন্য দিনাতকৈ অলপ সোনকালেই দোকান পাইছিলো। ইতিমধ্যে দোকানখনত মোৰ লগত কাম কৰা কৃষ্ণা নামৰ বঙালী ছোৱালীজনী আৰু দোকানৰ মালিকনী, আমি আণ্টি বুলি মতা মিচেচ দাসগুপ্তা আহি গৈছিল। মোৰ শ্বিফট পুৱা দহটাৰ পৰা সন্ধিয়া সাতটালৈ, কৃষ্ণৰ পুৱা সাতটাৰ পৰা আবেলি পাঁচটালৈ, মাজতে ডেৰ ঘণ্টা লান্স ব্ৰেক।

মই জেৰক্স মেচিনটোৰ চিনাকি শব্দ আৰু চিয়াঁহীৰ তীক্ষ্ণ গোন্ধটোৰ মাজত সোমাই পৰিলো।

দুপৰীয়া ভাত খোৱাৰ পাছৰ সময়খিনি মোৰ বাবে বৰ বিৰক্তিদায়ক। দোকানত কাম নাথাকেই, কলেজবোৰো ছুটী হয়। কৃষ্ণাও খুব কম কথা কোৱা ছোৱালী। ভাত খাই তিনি বজাত দোকান সোমোৱাৰ লগে লগে কৃষ্ণই তাইৰ লাজ লাজকৈ মৰা হাঁহিটো মাৰিলে। 'ভাল' এনেয়ে মূৰটো জোকাৰিলো। "তোমাৰ লগত কথা এটা আছে" মই অলপ আচৰিত হ'লো "কোৱাচোন"–

তাই বেগৰ পৰা চিঠি এখন উলিয়াই মোৰ হাতত দি ক'লে "মোৰ বিয়া"–

লাজ লাজকৈ তাই সকলোখিনি কৈ গ'ল। ল'ৰাটোৱে মিউনিচিপালিটীৰ ঠিকাৰ কাম কৰে। ঘৰৰ অৱস্থা ভাল। নাই, তাই

নিজে ঠিক কৰা নাই। ঘৰৰ পৰাই ঠিক কৰিছে। বিয়াৰ পাছত এইটো চাকৰি এৰি দিব নেকি, নাই, নাই, কৰি থাকিব। তাইৰ নিজৰ ইনকাম এটাতো লাগিব।

অসংখ্য স্বপ্ন আহি কৃষ্ণাৰ চকু-মুখত ভৰ কৰিছেহি, মই ধৰিব প ৰিলো।

আবেলি পাঁচ বজাত কৃষ্ণা গুচি যোৱাৰ পাচত একেবাৰে অকলশৰীয়া হৈ পৰিলো। আন্টি চাৰে ছয় মানতহে আহিব হিচাপ লবলৈ। নতুনকৈ অনা মেচিনটোৰ কাষতে থকা আন্টি বহা টেবুলখনত চকু পৰিল। কিবা ইংৰাজী মেগাজিন এখন পৰি আছে। মই মেগাজিনখন লৈ এনেয়ে পাত লুটিয়ালো। দুটামান ৰাজনৈতিক নিবন্ধ, ফেশ্বন, চিনেমা- মই পাত লুটিয়াই গ'লো। এটা পৃষ্ঠাত কোনোবা শিল্পীৰ অইল পেইন্টিং এখন ছপা হৈছে, বিয়া এখন হৈ যোৱাৰ পাছদিনাৰ বিশৃংখল ৰভাতলৰ ছবি সেইখন- লেৰেলি যোৱা কল্পপুলি, অ'ত ত'ত পৰি থকা ঘট, সিঁচৰতি হৈ থকা ফুল, কোনোবাই ভৰিৰে গচকা আম্লনা, চিপজৰী লোৱা মানুহৰ দৰে ওলমি থকা কাগজৰ মালা- যেন ৰঙীন স্বপ্ন কিছুমানৰ টুকুৰা বিশৃংখলভাৱে পৰি আছে। ছবিখনৰ তলৰ শিৰোনামা- ৰাজা কী আয়েগী বাৰাত।

কি দুৰন্ত আশা! সৰু চহৰখনত থকা মা আৰু দাদাক ডিগ্ৰী পৰীক্ষা দি উঠি কৈছিলো- এতিয়াৰ পৰা মোলৈ পইচা পঠিয়াব নালাগে। মই নিজে কিবা এটা কৰিম। তেওঁলোকৰ স্বপ্নৰ তীব্ৰতা বাৰু এই শিল্পীজনতকৈও বেছি নেকি বাৰু!

আন্টিক কেছৰ হিচাপখিনি দি দোকান বন্ধ কৰাৰ আগে আগে ক'লো- "কাইলৈ মই আহিব নোৱাৰিম, পৰীক্ষা এটা আছে।" তেওঁ মুখৰ ভিতৰতে কিবা ভোৰভোৰালে- চাকৰিটো এৰি দিলেই হয় দেখোন- তেনে জাতীয় কিবা এটা।

দোকানৰ পৰা ঘৰলৈ গোটেই বাটটো মোক ছবিখনে আমনি কৰি গ'ল- 'ৰাজা কী আয়েগী বাৰাত।' বিধিবস্ত ৰভাতল এখনতো কোনোবাই তাৰ মানে স্বপ্ন দেখে দোলা লৈ ৰাজকুমাৰ আহিব বুলি!

পৰীক্ষাৰ ৰাতিপুৱা মই সাতমান বজাতে বাহিৰ ওলালো। মোৰ পৰীক্ষা ন বজাৰ পৰা। কিন্তু যিখন কলেজত মোৰ চেন্টাৰ সেইটো লাইনত চিটি বাছ বহুত কম। অলপ আগধৰি গৈ থকাই ভাল।

এগাড়ী মানুহ লৈ বাছখনে কাছাৰীৰ পৰা লাহে লাহে গতি কৰিলে। বাছখনত বহুকেইজন কেণ্ডিডেটো উঠিছে, জেপত থকা খাকী এনভেলপবোৰ দেখিয়েই ধৰিব পাৰিলো। বেছ টাফ কম্পিটিচন হব!

এইটো পৰীক্ষাত অলপ ভাল কৰিব পাৰিলে! এইটো চাকৰি হলেতো আৰু....! .... মই অলপ স্বপ্নাতুৰ হৈছো নেকি...! .... অংক আৰু ইংৰাজীখিনি সহজেই- এই ৰিজনিং মানে, বৃত্ত, চতুৰ্ভূজ, বিন্দু আদিৰ খেলিমেলিবোৰে ঠিকমতে কৰিব পাৰিলে... অৱশ্যে এইটো পৰীক্ষা পাছ কৰিব পাৰিলেও ভাইভা আছে, তাত বা আকৌ কি চলে...। বাছখনে টাৰ্নিং এটা ল'লে। মূৰটো উলিয়াই বাহিৰলৈ চালো, পল্টন বজাৰ নেপালী মন্দিৰ ষ্টপেজ। এইখন চিটি বাছ যদিও ইয়াত বাছখন এক মিনিট নালাগে দহমিনিটৰ কম নহয়। মানুহবিলাকো অৱশ্যে অভ্যস্ত হৈ গৈছে। বেছিভাগ মানুহেই কিন্তু বাছখন ৰোৱাৰ দুই মিনিটমান পাছৰ পৰাই বাছৰ বডিত চকিয়াবলৈ আৰম্ভ কৰে। এনেয়ে, অভ্যাসৰশতঃ। সকলোৱে জানে, বাছখন দহমিনিট ৰোৱাৰ আগতে নাযায়।

আমাৰ বাছখন আহি ৰাস্তাৰ কাষত ৰৈ গ'ল। দুজনমানে চকিওৱা আৰম্ভ কৰিলেই। কোনোবাই চিঞৰিলে, "পৰীক্ষা আছে, যাব দিয়ক।" মোৰ হাঁহি উঠিল। বাছৰ ষ্টাৰ্ট তেতিয়াও বন্ধ হোৱা নাছিল। ড্ৰাইভাৰটোৱে ষ্টাৰ্ট বন্ধ কৰি ৰাস্তাৰ ইপাৰৰ চাহৰ দোকানখনলৈ খোজ ল'লে। চকিওৱা আৰু চিঞৰ পূৰ্ণ গতিত চলি থাকিল।

দুদিনমানৰ পাছত এদিন সন্ধিয়া দোকান বন্ধ কৰিবলৈ ওলাইছিলো। আন্টিক পইচাৰ হিচাপ খিনি দিয়াৰ সময়ত তেওঁ সুধিছিল, "তুমি কিবা চাকৰিৰ পৰীক্ষা এটা দিছিলা নহয়, কেনে হ'ল?" "ভালেই হৈছে। ভাইভালৈ মাতিব লাগে দেখোন" মই নিম্নস্বৰত কৈছিলো।

"ৰিজাল্ট কেতিয়ামানে দিব বাৰু!" চচমাযোৰৰ ফাঁকেৰে দৃষ্টি নিক্ষেপ কৰি মিচেচ দাসগুপ্তাই সুধিছিল।

"নাই, দেৰী হব। তিনিমাহমান লাগিব।"

"অ মই আকৌ ভাবিছিলো, তুমি সোনকালে চাকৰিটো পালে তোমাৰেই ভাল দিয়াচোন। আৰু এটা কথা... কওঁৱেই দিয়া। মই কৃষ্ণাকো কথাটো কৈছো। গণেশগুৰিত আমাৰ নতুনকৈ বিউটী পাৰ্লাৰ এখন খুলিছে নহয়। মই তাতেই বহিব লাগিব। গতিকে আমাৰ এই জেৰক্স মেচিনকেইটা বেচিয়েই দিওঁ নেকি?"

মই নীৰৱে শুনি গৈছিলো।

"তোমাৰ দাদাৰ কিহৰ দোকান থকা বুলি কৈছিলা?"

মিচেচ দাসগুপ্তাই সুধিছিল।

"কিতাপৰ দোকান।"

"তুমি ঘৰলৈ গৈ দাদাৰ লগতে বিজনেচ নকৰানো কেলেই? আৰু নহলে তুমি গুৱাহাটীতে কৰবাত বেলেগ কাম এটা নাপাবানে? পাবা।"

মই দোকান বন্ধ কৰি যেতিয়া ভাড়াঘৰৰ ফালে খোজ লৈছিলো তেতিয়া ৰাস্তাত মানুহ দুনুহ নাইকীয়াই হৈছিল। দীঘলী পুখুৰীৰ পাৰৰ কেঁকুৰীটো ঘূৰোতেই স্কুটাৰ এখন আহি কাষত ৰৈছিল। স্কুটাৰৰ আৰোহীজনে এখন হাতেৰে চকু এটাত ধৰি আছিল। "এক্স্কিউজ মি, মোৰ চকু এটাত পোক এটা সোমাল, উলিয়াই দিব নেকি?"

আৰোহীজনে কৈছিল।

ৰাস্তাৰ কাষৰ লাইট পোষ্টৰ তললৈ মানুহজনক নি চকুৰ পোকটো উলিয়াই দিছিলো।"থেংক ইউ ভেৰী মাচ্চ। কলৈ যাব আপুনি ? ডু ইউ ৱাণ্ট এ লিফট্?"

মানুহজনৰ নিৰ্বুদ্ধিতাত হাঁহি উঠিছিল। কোনে বাৰু মোক লিফট্ দিব স্বপ্নৰ সেই উচ্চতালৈ!

মই মূৰ জোকাৰিছিলো। – ন, থেংকছ।

---

*নয়ন পাঠক ইংৰাজী বিভাগৰ স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষৰ ছাত্ৰ*

**ৰামধেনু**

Bodo Poem

## खौसेथि

लितगिरि
बिबि प्रसाद ब्रह्म
खलब थामथि बोसोर
सानखान्थि बाहागी

आयौ !! संखिखाङो आंनि गोसोया-
गैया गैया गैमारला नामा ?
बड़ोनि गेजेराव खौसेथि,
लाबोनो हानाय गोही गोश ;
मेलेम जिबि सुबुं ।

अ' बड़ोफा ˚उपेन ब्रह्म,
नोंल' मानों दान्दिसे सम
बड़ोनि गेजेराव नुजाब्रबनानै
नों मानो गोमोर लांफिनखो ??
मा सान्दोंमोन नों बड़ोफा —
नाथाय ! मा जालांखो ;
नांमार बाद नामा झाब ;
जोहोलाब दैमालुनि ।

नङा, नङा दाबो जोंहा सम दं,
बिदिन्या दं, जोंखौ जों
'फोसाब फिन्नो - बोथ्रांफिन्नो,
आये खैसेथि लाबोनानै
दोंसे गोथों लामाजों ;
आगान सुरनानै,
मोन्नांगौ फिथापरबौ
जोंनि गेजेराव लाबोनो ।



*Substance of the poem in English :*

## Unity

Where is the unity of Boro's gone?
Is it really lost?
O! Father of Boro's Upen Brahma where have you gone, why did you come only for a short span of time.
What did you think is never happened so far or has the curse of Daimalu Meally hit the whole nation?
No never, we still have the time to make our nation possibly the same as we dreamt long before.

Arabic Poem

: عطية :

জাহাংগীৰ আলম

بنيت كوبرى فى بحر القلبى
بلحن البيتى والقوافى
صنّفت تريخًا بعبارة التى قلت
مغسلت بدموع القلبى لحبيبى
انا بالغ الحواشيها بذكرك
اتركت تريخًا فى صدرك

*অসমীয়াত কবিতাটো ঃ*

## উপহাৰ

মুকুট আহমেদ

মন সাগৰত সাকোঁ বান্ধিছো
মোৰ কবিতাৰ ছন্দেৰে
কলিজাৰ তেজত ধোৱা শব্দেৰে
মই এক ইতিহাস ৰচিছো
মোৰ প্ৰেয়সী লৈ
মই সাকোঁৰে সিপাৰ হ'ম
তোমাৰ গীত গাই গাই
ইতিহাস এৰি থৈ যাম
তোমাৰ হৃদয়ৰ মজিয়াত।



Karbi Poem

## Karlitang
(The Martyrs)

❒ Mohan Teron

Kardom Karlitang! Pini nangliphan
Radet apharman nang Pran-nuni Chepadom,
Kesung-Keboi an pajok Kang abang, nang;
Kardom pini nangliphan !

Longri amumang Mekri Ventekang
Peklar tekang nang longri amumang;
Peham tekang Mekri-meklang
Pini la longri adong.

Longri aphar man chepadom nangpran
Vaisong Thong nokbe ason ben nang man;
Duk-lak apharman chesong pi abang
Pini Kardom nangliphan !

Special dedication to the
Martyr's who had lost their
lives for the sake of their beloved
Mother land.

This poem is written in memory of the Martyrs who had left us for their heavenly abodes for the sake of their beloved Motherland. The poet admires them on their heroic sacrifices with deep enthusiasm by sating that "met me thank you, today, O martyr's ! For you have sacrificed your lives for the sake of your country. You removed the "Tears" form the face of the crying motherland by sacrificing your lives like Vaisong --- a legendary hero of Karbis who saved his community from all sorts of difficulties. You were the ones who fought for the poor and needy people, So, I express my heatfelt thanks and gratitudes to you, today, O martyrs !"



Rabha Poem

## কায়নি জীৱন

❒ হিমজিৎ ৰাভা

একায়ান জগতিনি ৰীতি,
তে পাৰকায় পাৰ
ৰেঙো গাফুং দাগাতে,
তে দগোকায় ৰাংচাংবা
ৰেঙো দুগুতে দুগুতে।
এখেৰেয়ান কায়নি জীৱন
আদৰ তংপেকেছান খেঙে,
ছি দংবে ৰেঙো জামুঙে।
ও গান্দাকায় জীৱনি বাদাং
খাৰা আনানেকে অন্যায়,
নেমকায় ৰামি ৰেঙেমানে
সুখী চাংদঙান কায়।

*অসমীয়াত কবিতাটো*

## মানৱ জীৱন

এয়ে জগতৰ ৰীতি,
আজি ফুলা ফুল,
কালি সৰি পৰিব,
উদিত সূর্য্যও
অস্ত যাব।
এনেকুৱাই মানৱ জীৱন
জীয়াই থাকোতেহে মৰম
মৰিলে যাব পাহৰি।
এনে জীৱনৰ বাবে
কৰিব লাগে কিয় অন্যায়,
সৎ পথত থাকি
সুখী হোৱাটোৱে মানুহ।

Mising Poem

## KOTON AJON

❐ Raimon Pegu

Kampo Kampon a:ng gcnc
Koton ajon,
Kotonbv airu:pc kang kandag
Bcttc:pagnc a:ng kancko,
No: sv:sangc mcng-gabla poritok
Do:nyi Po:lo unkampc unboye,
Rcngam lcga:pc turnam Lcga:pc
Migang gananc ayangko biyc,
Turra du:daksom sv:sa:la du:doscm
Angkir bidla ager gerpc pcsoyok no,
So: mo:pvso rcngam turkolo turmvnpcmvlo
Mimag mopc pcsoyok.
Tibonsc mimagc
Mimagdc jibonc (life)
Ke:dang-ba:me appunpc
vr pongkvrpc,
Singgi gipun appunpc
Lv:ing-lv:jvkpc,
Nci ncngan ngankampc
Ncbir ba:bir mo:yc,
koton ancbv
koton ajonnom.



বঙালী কবিতা

## আহ্বান

❐ প্রণবেশ সাহা

*জ্ঞান্দা শিকারী! তুমি আজ কোথায়?*
*কৌপাতি চিকনমাটি, খারুপেটিয়ায়*
*আর আজ বাঘের উৎপাত নেই*
*নেই শল্যখেতে হাতীড় পদধ্বনি*
*তথাপি তোমার উত্তরাধিকারী*
*নিরাপদ জীবন কেমন করে হারাল*
*বলবে তুমি আমাকে?*

*গ্রামের মানুষ কাঁদে শহরের*
*ভদ্রলোক; নরখাদকের ভয়ে নয়,*
*হাতীর নিষ্ঠুর পদাঘাতেও নয়*
*কাঁদে একদল নরখাদক মানুষের*
*লোভের ইস্পাত কামড়ে।*
*জ্ঞান্দা শিকারী! কোথায় তুমি?*

*নতুন হাতিয়ার নিয়ে তুমি আবার নেমে আসো,*
*তোমার উত্তরাধিকারীর জীবনের*
*পরিত্রাণের জন্য,*
*সব হিংস্রতার শিকারী হয়ে*
*মৃগ মানুষকে রক্ষা কর।*

*শূন্য এই পথে পথে, গ্রামে গ্রামে*
*শহরে শহরে তোমার নম্র উত্তরাধিকারীরা*
*চিৎকার করছে বেদনাহত হৃদয়ে,*
*মাত্র তোমার দুদিনের অনুপস্থিতিতেই*
*আবার নরখাদক এগেছে*
*জ্ঞান্দাশিকারী! তুমি আজ কোথায়?*



हिन्दी कविता

## तमस

**जयनाथ नाथ**
टि. डि. चि. थार्ड ईयर, हिन्दी विभाग

जिगर के करीब आई तु
यौवनागमन के शुरुवात में
सय साहस लेकर
जित की मुसीबते से
उड़ती बादल चान्दे-सितारे
काबु की सेरे को दिल में
खो गया था
स्वप्ने की उछंग में
सिर्फ हम दोनों हैं
तमान्ना था घर बषाना
पर.............
वक्त गुजर गया
तु भी चली किसी अजनबी के साथ
मेरे प्रकाश लेकर
अब रह गया हूँ
तमस की जिन्दगी में ।

## মঞ্চনাট

# নিষিদ্ধ নিষাদ......

(Lit. The Forbidden Octavo)

**ৰচনা ঃ শ্যামা প্ৰসাদ শৰ্মা**

**চৰিত্ৰ সমূহ ঃ**

| | |
|---|---|
| ১। আইতা | ৬০/৬৫ উচ্চ মধ্যবিত্ত ঘৰৰ একমাত্ৰ গৰাকী |
| ২। সুমিত্ৰা | ২৫/২৬ বোৱাৰী ধনীঘৰৰ ছোৱালী- শিক্ষিতা, আত্মসচেতন |
| ৩। ৰুবী | নাতিনী ১৯/২০ |
| ৪। বাসন্তী | বহু বছৰ ধৰি আইতাৰ লাচনি-পাচনি কৰি থকা তিৰোতা ৫০/৫২ |
| ৫। পোনাকণ | ৰুবীৰ দেউতাক ৩০/৩২ |

❑ দৃশ্যসজ্জা ১ ঃ নাৰী ৪ পুৰুষ ১

❑ মঞ্চায়নৰ সময় ঃ ৯০ মিনিট

# নিষিদ্ধ নিষাদ

দৃশ্য ১

*(আইতাৰ আচুতীয়া কোঠা, আহল-বহল। চাৰিওপিনে সুৰুচিৰ চাপ। উচ্চ মধ্যবিত্ত পৰিয়ালৰ ভিতৰ চৰাৰ কোঠা। বাস্তৱ বা সাংকেতিক যি কোনো পদ্ধতিৰেই মঞ্চ সজ্জা কৰিব পাৰিব।*
*আঁৰ-কাপোৰ উঠাৰ লগে লগে দেখা যায় বাসন্তীয়ে কোঠাৰ বয়-বস্তু ঠিক কৰি কৰি তৈলচিত্ৰ দুখন পৰিষ্কাৰ কৰিব ধৰিছে। ৰুবীয়ে সোঁহাতেৰে বোৰ্ড এখনত স্কেচ কৰি কৰি, বাওঁহাতেৰে কোনত কথা পাতি আছে। বাসন্তীয়ে গুণগুণাই গান গাই গাই কাম কৰি আছে যদিও, মাজে মাজে ৰুবীৰ কথা-বতৰাও মন কৰি আছে। ৰুবীয়ে মাজে মাজে বাসন্তীক চাই থকা ধৰা পেলায় আৰু তাইৰ কথা-বতৰাত মন নিদি, নিজৰ কামত মন দিবৰ বাবে ইংগিতেৰে নিৰ্দেশ দিয়ে। বাসন্তীয়ে তাই দেখিলে নিৰ্দেশ মনা যেন দেখুৱায় আৰু তাই মন নকৰিলেই, তাইৰ কথাত মন দিয়ে।)*

ৰুবী : ......ওঁ ..........। ওঁ..........। চিউৰ! .......নাই, নাই কোনো প্ৰব্লেম নাই। .........ক'লৈ? বৰাপানী? ..... ওঁ ..... বেছতো ! বৰ ভাল কথা !! ....... কাবেৰী, হাস্না আৰু অনিমা .......। ল'ৰা কোন কোন ওলাইছে? ওঁ ......! ওঁ......! ওঁ .......! আৰু? ......আৰু নাই? ঠিক আছে, নাই যদি নয়ো নাই। মোক মাইনাচ কৰি থবি ভাই! কি ক'লি? যাব?? তেনেহ'লে মোক মিছা কৈছিলি কিয়?? নাই, একো কৰি থকা নাই! কি হ'ল? সঁচাই ক'ব লাগে? ঠিক আছে, কৈছো ...... মই তাৰেই স্কেচ কৰি আছো .... হাঃ হাঃ হাঃ ......! বাৰু, বাৰু লগ পালে দেখা যাব, কোনে কাক চাউল দিব পাৰে .... আচ্ছা থওঁ দেই ! চি ইউ ..... থেংক ইউ ..... থেংক ইউ....। অ'হ আন্টি! তোমাক কিন্তু মই হাতে-লোটে ধৰা পেলাইছোঁ দেই! তুমি মোৰ ওপৰত স্পাইগিৰি কৰিব ধৰিছা!! ডিচ ইজ টু বেড ......।

বাসন্তী : থ'ৰা, থ'ৰা, তোমাৰ উপৰত চি আইডিগিৰি কৰি কুন্‌বাই পাৰ পাব? মই তাৰ নাম নাজ্‌নো বাপ্পেকে.........!!

ৰুবী : অৱশ্যে সেইটো তুমি ঠিকেই কৈছা। শুনা, এইবাৰ চানডে'ত একদম বৰাপানী! গেট ৰেডি!!

বাসন্তী : .......এস্ মইনো তহঁৰ ছলিমখাৰ লগত গৈ কিডাল কৰিম?

ৰুবী : কি কৰিবা আৰু? আমি যি কৰো তাকেই কৰিবা আকৌ।

বাসন্তী : থউ, থউ, ! তহঁৰ স'তি মই ৰেপ-টেপৰ হাই-হাই-হৈ-হৈ লগাই এই বয়সত চাৰ্কাচৰ জকৰটো হেন হৈ নাইচ্‌লিহি হ'ব ......!

ৰুবী : ......নাচিবা, নাচিবনো তোমাক কোনে মানা কৰিছে? মই আহি খালি আইতা-মাক নক'লেই হ'ল !

বাসন্তী : থউ, থউ! তহঁতৰ সেইবোৰ যেনাইহে নাচ দশ মিনিট নাইচ্‌লি দশ দিনক গেলি গাৰ বিষ যাবাৰ নহয়.............।

ৰুবী : ঠিক আছে বাৰু! নাচিব নালাগে, আমি নাচিম, তুমি চাবা!.... কেৱল তুমি মোক এটা হেল্প কৰিবা! ....... আইতা মাক কৈ পাৰ্মিচনটো লৈ দিবা! বাচ ... আন্টি ! ন' ম'ৰ কোৱেশ্চন প্লিজ! ইউ আৰু চিম্প্‌লি গ্ৰেট আন্টি! চিম্প্‌লি গ্ৰেট....

*(সাৰট মাৰি ধৰি টপ্‌ৰ কৈ চুমা খাই দিয়ে। বাসন্তীয়ে তৰ্কিবই নোৱাৰে। ৰুবীয়ে আনন্দতে গুণগুণাই ভিতৰলৈ সোমাই যায়।)*

বাসন্তী : ...... হাৰামজাদী কম চিয়ানা হৈ উঠা নাই! কাক কেন্‌কে কাবা কইৰ্‌বা লাগে ঠিক জানেই!! মই নেগেলি আইতাকে যাবা নেদব, সেগুনতে মই যাবা লাগে আৰু ..... মই গেলি, স-ব দিহা-পোহা মই কইৰ্‌বা পাৰিম দেখি বাচ্ টপক্‌কে মোক ধৰি......

*(চুমা খোৱা ঠাইত ধৰি ইংগিত দিয়ে।)*

আও! আপীৰ এমানতে এমান .... আৰুতো দিন-কাল আছেই .....!!

*(বয়-বস্তু ঠাক-ঠিক কৰি কৰি)*

নহে' কি হ'ব? কমনো আদাৰ পাইছিনা? না আইতাকৰ আদাৰৰ কথাই কাবু না মোৰ আদাৰৰ কথাই ক'বা? হ'লি কি হ'ব? নাই, আপীটোক মই আৰু শিকাবা নল্‌লিলোঁ। একদম গৎ নাইক্যা! কাপোৰ য'তি সলালক, ত'তি এইল্যাক ... মূৰ য'তি ফইনাব, ত'তি আইনা- ফনী ... না খাৱাৰ ঠিক, না লৱাৰ ঠিক....

*(এনেতে ভিতৰৰপৰা আইতাক সোমাই আহে। হাতত ইংৰাজী বাতৰিকাকত। আইতাকক দেখি বাসন্তীৰ কৃত্ৰিম খঙৰ কোপ আৰু চৰে।)*

বোলো জেঠী! চাৱাতে চাৱাতে আপীক উইলে দিবাৰে বয়স হ'লনি ....। তেইঠেন কি কইৰ্‌ব? বিয়া দি উইলে দিলি, মইতো আৰ বৌতুকত নাযাওঁ। ত'তি তাই কি কৰি চইলব?

আইতা : কিয়? তই নাযাৱ কিয়? মই আকৌ তোক পঠিয়াম বুলিহে ভাবিছোঁ। ইমা-ন বছৰে তইতো তাইক একোই শিকাব নোৱাৰিলি! শহুৰেকৰ ঘৰে তোকহে দোষ দিব। ৰুবীক ডাঙৰ তইহে কৰিছ, মইতো কৰা নাই......।

বাসন্তী : হ'লিও, কওঁতাই ক'ব বোলে আমুকীৰ নাত্‌নী। নাম হ'লিও, আপ্পাৰ, বদনাম হ'লিও আপ্পাৰ।

*(আইতাকৰ হাঁহি উঠে।)*

আইতা : হেৰৌ ! এই আমুকীৰ নাতিনীৰ বদনাম হ'লে, তই কিবা ভাল পাবি নেকি? সেই কাৰণেইতো মই সদায়ে কওঁ, — এতিয়াও সময় আছে, শিকাই-বুজাই তই তাইক ঠিক-ঠাক কৰি ল' যাতে ... ...

বাসন্তী : ...... এয়া চাওক জেঠী! মই নকৈছোঁ? মই মোৰ জীৱন পাত কল্লিও আপী বদলিবাৰ নাই। সেয়া চাওক! তেইখেনে ফোন কৰাওঁতে কাগজ-কলম আনি কিবা লিখ্‌লাক ... খোলা কলম, খোলা পেড এতি এইৰ্‌লাক ... লগতে পিট্‌কা পিট্‌কি কৰি হাতৰ

ঘড়ীটোও থলাক খুলি। .. বা-চ! যি য'ত যি ভাঁজে আছিল, সেই ভাজেই .....

*(বয়-বস্তুবোৰ গং লগাই থয়।)*

অ' জেঠী! .... মই কি কৈছোঁ বুইজ্‌ছি না?

আইতা : কি?

বাসন্তী : আপীক ৰাজাৰ ঘৰত নেদ্‌লি নহা'ব। তাই কি সংসাৰ চলাব? নিজক নিজে চলাওঁতেই ছোঁ আগে-পিছে এক গণ্ডামান কাম কৰা মানুহ লাইগ্‌ব......

*(পেডৰ কাগজখন মন দি চাই, আইতাকৰ কাষলৈ আহে।)*

বাঃ ! বৰ ঠউগা আঁইক্‌ছি তো!! কাক বা আঁইক্‌ছি? এংলাসান লগতে কিবাকিবি লেইখ্‌ছিও। ........ চাকছোন চা'ক জেঠী! কিবা ধইৰ্‌বা পাৰে না চা'ক...........??

আইতা : চাওঁ দেছোন।

*(বাসন্তীয়ে দিয়ে, আইতাকে লৈ চাব ধৰে। বাসন্তীয়ে কোঠাৰ বয়-বস্তুবোৰ ঠিক কৰি কৰি ক'ব ধৰে।)*

বাসন্তী : আপী কাম নকইৰ্‌বা পাৰে, হাতখন কিন্তু ব-ৰ ভাল। বা: !! যেনাই ঠউগা আঁইক্‌ছি ...... ঠিক একদম পিতাকৰ হাতখন পাৱা যেনেই লাগে .....। কি হ'ল জেঠী? আকো চো নক্‌লাক? ধইৰ্‌বা পাৰ্‌ছি না, ক'ৰ ৰাজকুমাৰ আঁইক্‌ছি??

আইতা : ঠিক কৰি ধৰিব পৰা নাই অ' বাসন্তী!.............. কিন্তু মুখখন ........ মুখখন দেখোন বৰ চিনাকি চিনাকি লাগিছে।........ চকুৰ চাৱনিটোও দেখোন .......!

বাসন্তী : অ' জেঠীও ভাল দ্যা। অ' ছবিৰ তলত আপী কি লেইখ্‌ছি মাতি নাচ'ৰা কিয়া? স-ব ওলেই যাব নহয়, বাপ্পেকে!!

আইতা : নামটোতো এটাই লিখা আছে! তাকে বাৰে বাৰে ঘূৰাই পকাঁই বেলেগ বেলেগ ডিজাইনত লিখা আছে, বা-চ! আৰু নো বেলেগ কি আছে?

বাসন্তী : আস্‌সা জেঠী! নাওটো নো কি তাকেই নক'ৰা কিয়া?

*(ভাৱত বিভোৰ হৈ থকাৰপৰা হঠাৎ সচকিত হৈ উঠে আইতা।)*

আইতা : হেঁ? কি ক'লি?? ......... নামটো? অঁ, অঁ নামটো! নামটো লিখিছে ........তো-তো-তোৰ..... অ'-অ' -ভি - ভি .......অভি .......অভি .......অভিজিৎ এয়া চা! কিমান ধুনীয়াকৈ আঁকিছে আৰু কিমান ধুনীয়াকৈ ডিজাইন কৰিছে!!

বাসন্তী : অস্‌স জেঠী!! সেয়াই না, আৰু কিবা আছে?

আইতা : আছে। এয়া চা! ঠায়ে ঠায়ে তাই তাইৰ নিজৰ নামটোও *সমানেই* ধুনীয়া কৰি ডিজাইন কৰিছে, —ৰুবী ....... বা-চ! এই দুটাই নাম, এই দুটাই কথা, ক'তা? বেলেগ কথাতো আৰু একদম একোই নাই.........

বাসন্তী : ওঁ !!......... আৰ্ বেলেগ কথা থাইক্‌বা নাল্‌গে নহয় ....... যেখ্‌নি হ'ছি, সেখ্‌নিয়ে যথেষ্ট

আইতা : তাৰ মানে তই কি .......।

বাসন্তী : অ' মই কওঁ, শুনক জেঠী!

*(কাষলৈ আহি ফুচফুচাই কব ধৰে। তাইৰ মূল বক্তব্য হ'ল, ৰুবী নিশ্চয় এই ল'ৰাজনৰ প্ৰেমত পৰিছে। সোনকালে কথা-বতৰা হৈ, তাইক উলিয়াই দিব লাগে, ইত্যাদি। আইতাকে তাইৰ কথাত ৰস পাইছে, কিন্তু বিশ্বাস কৰা নাই, বা পতিয়ন যোৱা নাই। তাই বাৰে বাৰে পতিয়ন নিয়াবৰ চেষ্টা কৰি আছে। মূক অভিনয়। লাহে লাহে আন্ধাৰ নামি আহে।)*

## দৃশ্য ২

*(দৃশ্যসজ্জা আগৰ দৰেই। আইতাই আৰামী চকীত বহি, গুণগুণাই ধ্ৰুপদী সংগীতৰ ৰাগ আওৰাইছে আৰু উল গুথি আছে। বাসন্তীয়ে কোঠাৰ বয়-বস্তু ঠিক-ঠাক কৰি আছে। মুখত অসমীয়া লোকগীত।)*

বাসন্তী : জেঠী! চুৱেটাৰ কিমান দূৰ?

আইতা : এস্ নাই অ' বাসন্তী ! হাত এখন ভাঙিব ধৰিছোঁহে মাত্ৰ ..........। জানো কেতিয়াকৈ উলিয়াব পাৰোঁ!

বাসন্তী : ৰংটোই কিন্তু আপীক বৰ মানাব।

আইতা : হওক দে! তাই ভাল পালেই হ'ল! এই চাবি, চাবি সাৱধানে .........। জেঠাৰৰ পেইন্টিংখন .........

বাসন্তী : আস্‌সা ! জেঠী !! মই নকৈছোঁ তুমি মুঠেও চিন্তা নকৰ্‌ইবা! জেঠাৰ আৰু দাদাৰ দো'খানেই মই নিৰ্বিঘ্নে চাফা কৰিম........। আও! দাদাৰ ছবিখানত ছোঁ মস্ত একেবাৰে কুমাৰণী বাহা লৈছি .......!! ৰ'ব, তাইৰ বাহটো...........।

আইতা : এই থাক, থাক! নাভাঙিবি .......... কুমাৰণীৰ বাহ ভাঙিব নাপায় নহয়, অমংগল হয়।

বাসন্তী : নাভাঙ্‌লি ছবিখান খাই নেপেল্‌ব?

আইতা : ওঁহো নেপেলায়! তাইৰ পোৱালী জগোৱা হ'লে, তাই নিজে নিজেই গুচি যাব!

বাসন্তী : ঠিক আছে । নাভাঙো তেহেলি..........। জেঠী ! গা ধুবৰ টাইম হ'ল। গৰম পানী বহেই দিওঁ না?

আইতা : দিবি বাৰু। এইখিনি অলপ আগবঢ়াই লওঁ।

*(নেপথ্যবপৰা ৰুবীৰ চিঞৰ)*

ৰুবী : আইতা-মা! আন্টী!! মই আহিলোঁ।

বাসন্তী : ইস্ যাবৰ হ'লেই নে?

আইতা : চাওঁ ৰুবী! অলপ এইফালে আহি...........

*(ৰুবী হন্তদন্ত হৈ সোমাই আহে।)*

ৰুবী : কি হ'ল কোৱা? মোৰ ইপিনে ক্লাচলৈ দেৰীয়ে হৈ গৈছে।

আইতা : চাওঁ । তোৰ জোখটো.......

*(আইতাকে জোখ চায়।)*

ৰুবী : ওঁ লোৱা। সোনকালে কৰা কিন্তু.........

বাসন্তী : টিফিন্‌টো লৈছৱা না?

ৰুবী : অ'হ আন্টি! একদম পাহৰি গ'লো জানা? যোৱা না! তুমিয়েই গাড়ীত দি আহা?

*(বাসন্তী যায়গৈ)*

ওঁ আইতা-মা? হ'ল নে?? ৰঙটো কিন্তু বৰ ধুনীয়া। মোক বেচ সাজিব। নে কি কোৱা?

আইতা : ৰ'ছোন, লৰ-চৰখন কৰি নাথাকিবি ....... জোখ ভুল হৈ গ'লে ............

ৰুবী : কি আৰু হ'ব? একোডাল নহয়। হলৌ মলৌ কিবা এটা হ'ব আৰু কি? বেয়াই হ'ক ভালেই হ'ক, তুমি যে মোৰ বাবে গুথি দিছা বাচ ..... মোৰ বাবে, সেইটোৱেইতো ডাঙৰ কথা! ওঁ হ'বনে?

আইতা : হৈছে যা!

ৰুবী : চাবা কিন্তু .....! এইবাৰৰ বাৰ্থডেত মই মোৰ আইতা মাই গুঠি দিয়া এই চুৰেটাৰটো পিন্ধিব পাবই লাগিব। মনত আছে নহয়? ....... এইবাৰ মই জাষ্ট নাইন্টিন হ'ম। ওঁ আইতা-মা? ন ম'ৰ কিডিং ! এইবাৰৰ জন্মদিনত আই উইল জাষ্ট টাৰ্ণ নাইন্টিন !! অ'হ হাউ এক্‌চাইটিং ....... এতিয়াৰপৰা মই আৰু ন' ম'ৰ এ গাৰ্ল....... জাষ্ট এ ৱ'মেন .....!! বাঃ আইতা-মা ! কি যে মজাৰ হ'ব নহয়....... জাষ্ট নাইন্টিন .......মানে পূৰাপূৰি উনৈশ.......

*(আইতাকক সাবট মাৰি ধৰি চুমা খাই দৌৰ মাৰি ওলাই যায়।)*

আইতা : যা আই! ক্লাচ শেষ হ'লে পোনে পোনে ঘৰলৈ আহিবি। ওঁ জাষ্ট নাইন্টিন পূৰা উনৈশ। চাওঁতে চাওঁতে সময় যে কিদৰে বাগৰি যায়.......!! ভাৱ হয়, সেয়া যেন সৌ সিদিনাৰহে কথা! অথচ, এটা এটাকৈ উনৈশটা বছৰ ....... কেনেকৈ যে চকুৰ পচাৰতে কাটি গ'ল .......... গমেই নাপালোঁ.......

*(আইতা স্মৃতি-ৰোমন্থনত ব্যস্ত হৈ পৰে। নেপথ্যত এটি গীতৰ কলি বাজি উঠে।)*

গীত

সময় নাথাকে ৰৈ
কাৰো বাবে কোনো কাৰণেই
সুখৰ দুখৰ বোজা কঢ়িয়াই
যাৰ যি ভাগত পৰে
দি যায় বিলাই......।
সুখৰ সুৰেৰে যদি
ভৰাই জীৱন
সময়ক সখা যেন লাগে সঁচাৰেই
দুখৰ বোজাৰে যদি
ভৰাই জীৱন
সময় শতৰু সাজে সঁচাই-মিছাই।।

*(গীত শেষ হোৱাৰ লগে লগে আইতা গৈ পোনাকণৰ তৈলচিত্ৰৰ কাষ পায়। একেথৰে চাই থাকি কয়।)*

আইতা : চা পোনাকণ! তো-তো-তোৰ ৰুবীজনী আজি কিমান ডাঙৰ হ'লহি.........। অহা মাহত তাইৰ জন্মদিন! তাই উনৈশত সোমাব। তই, তই বৰ হতভগীয়া অ' ..........! ছোৱালীজনীৰ এটা জন্ম দিনোতো চাই চাব নোৱাৰিলি! কিহৰ যে ইমান ভেম.........? কাৰ ওপৰত যে ইমান অভিমান ?? সেই ভেম আৰু অভিমানেইতো তোক, .......... তোক,

*(নীৰৱে চকুলো মচে। মনৰ পৰ্দাত অতীতৰ খণ্ডচিত্ৰ ভাঁহি উঠে। পোহৰ আৰু সংগীতৰ অনুৰূপ সমাহাৰ। লাহে লাহে বিমৰ্ষ মনে পোনাকণৰ প্ৰৱেশ। ৰুক্ষ-শুষ্কচেহেৰা। কাপোৰ-কানিৰো ঠিক-ঠাক নাই। আহি বিমৰ্ষ মনে চোফাত বহি পৰে। অলপ পিছতে ভিতৰৰপৰা মৰমৰ বকনি দি দি বাসন্তী সোমাই আহে। আইতা ক্ৰমান্বয়ে আন্ধাৰত মিলি যায়।)*

বাসন্তী : নাখাই-নলেই এন্‌কে নিজক কষ্ট দি কি লাভ? মাউন্‌হৰ দেহাহি, কেমান টাইন্‌ব আৰু? শুইন্‌ছি দাদা! পৰাৰ কাৰ্‌ণে এন্‌কে

নিজক কষ্ট দিলি, আত্তাই শাউ দেয়..........।

পোনাকণ : আস্ বাসন্তী!

বাসন্তী : আপ্নি মোক গালি পাইৰ্লিও, মইৰেই মাল্লিও, মোক খেদেই দিলিও মই ক'ম....... আপ্নি যাৱা কথা যাবা দ'ক......... তাই বেটী গোখ্খেই মৰাৰ জীয়াকক ভুলি যা'ক.......

পোনাকণ : ওঁ ! পাহৰিবৰ চেষ্টা তো কৰিছোঁই, কিন্তু পাহৰোঁ বোলোতেইতো আৰু পাহৰি যাব নোৱাৰি। পাৰিলে তো খুবেই ভাল আছিল ....... জীৱন কিজানি ইমান জটিল নহ'লেইহেঁতেন!!

বাসন্তী : আপ্নি মতা মানুহটো হৈ এনুকে ভাঙি পইৰ্লি হ'ব না? কেখেনো নহায়.........। আপ্নি মোৰ কথা নুউশ্নে নাই, জেঠীৰ কথাতো শুনক.....। জেঠীৰ মুখক গেলি চাই তো......... জেঠীৰ কথা শুনক। নিজৰ মায়াকৰ কথা শুনক .......।

পোনাকণ : মাৰ মুখলৈ চাই, মাৰ কথা ভাবিয়েই তো মই ধৈৰ্য্য ধৰি আছো, বাসন্তী! কিন্তু যিমানেই কথাবোৰ পাহৰি যাবৰ চেষ্টা কৰোঁ, প্ৰতিটো মুহূৰ্তৰ স্মৃতিয়েই দেখোন সজীৱ হৈ মোক একো কৰিব নোৱাৰা কৰি তোলে ....... মোক অসাৰ কৰি তোলে......... মোক নিষ্ক্ৰিয় কৰি তোলে। মইতো বাসন্তী! এদিনলৈকে সুমিত্ৰাৰ কোনো জগৰ লগোৱা নাই ........ মইতো জানি-বুজি একো দোষ কৰা নাই, অথচ ......

বাসন্তী : তাই যেনাই তিৰোতা, আপ্নি জগৰ লগাবা নাল্গে নহয়। আপ্নি হ'লাক মাটিৰ মাউনুহ আৰু মাটিৰ মাউনুহ পায়েই, বেটী এমানখিনি কইৰ্বা পাইৰ্লাক.........।

পোনাকণ : যদি ভাল হোৱাটোৱেই দোষ তেনেহ'লে আৰু মোৰ বাচি থকাৰ কি প্ৰয়োজন?

বাসন্তী : দাদা! আপ্নি এংলাসান কি ক'বা ধইৰ্ছি দাদা? মই বাচি থাকাওঁ মানে আপ্নি সেংলাসান বয়া ভাৱ মনক গেলি নাইন্ব দাদা! বধ দিছোঁ দাদা। খোৱা-লোৱা কৰি, ভাল্কে কেইদিনমান বিশ্ৰম কৰি আপ্নি পুনৰ আগৰ মাউনুহটো হৈ পৰক দাদা ! বধ দিছো দাদা।

*(বাসন্তীয়ে ভৰিত ধৰি কাকুতি কৰে। পোনাকণ নিশ্চল। উঠি দিয়ে।)*

পোনাকণ : চাওঁ বাসন্তী গুচ! মোক অকণ অকলে থাকিব দে ........

বাসন্তী : আজি এই অত্তদিন ধৰি আপ্নিতো একলায়েই আছে ....... এনাই অৱস্থাত এনুকে একলাই থাকাটো ভাল নুই দাদা ! আপ্নি মায়াকৰ কথা শুনক ........ ভাবি-চিন্তি মায়াকৰ পস্তাৱত হয়ভৰ দ'ক ... ওৰে জীৱনটো আপ্নাৰ সন্মুখত পৰি আছেই দাদা .........!

পোনাকণ : মাৰ প্ৰস্তাৱত হয়ভৰ দিয়া মানেইতো আৰু এজনী সুমিত্ৰা ....... আৰু এজনী সৰ্পিনী ! নাই, নাই, কোনো পৰিস্থিতিতে কোনোপধ্যেই মই মাৰ কথা মানিব নোৱাৰোঁ । সুমিত্ৰাৰ দৰে প্ৰত্যেকজনী নাৰীয়েইতো একো একোডাল বিষাত সাপৰ দৰে ..... সুবিধা পালেই দংশন কৰি ফেঁট তুলি দূৰলৈ আঁতৰি যাব আৰু ........ মই আকৌ এবাৰ দংশিত হৈ, জীৱনৰ বোকা-মাটিত বাগৰি বাগৰি বিষত ছটফটাই ক্ৰমান্বয়ে আকণ্ঠ নীলা হৈ যাম ....... লাহে লাহে মৃত্যুৰ গাঢ় নীলা চাদৰে মোক তিল্তিলকৈ গিলি আহিব আৰু মই যন্ত্ৰণাত কাতৰ হৈ, ভয়তে পেপুৱা লাগি চিঞৰি থাকিম, — বচোৱা, ! বচোৱা!! —কোন ক'ত আছা, মোক বচোৱা -া -া ......!!!

*(ফোঁপাই-জোপাই ব্যতিব্যস্ত হৈ পৰে। মুখত প্ৰচণ্ড ভয়। এফালৰপৰা সাপৰদৰে ফণা তুলি লয়লাস ভংগীৰে সুমিত্ৰা আগ বাঢ়ি আহে। পোনাকণে ভয়তে ভয়তে নিজকে বচাবৰ বাবে অ'ত ত'ত লুকায় আৰু চিঞৰিব ধৰে। পোনাকণৰ সংলোপখিনি সুমিত্ৰা আৰু পোনাকণৰ জৰিয়তে দৃশ্যাংশত ৰূপায়িত কৰাব। দংশন কৰাৰ পিছত প্ৰতিশোধৰ অট্টহাস্য মাৰি সুমিত্ৰা আকৌ সৰ্পিল গতিৰেই অদৃশ্য হৈ যাব।*

*আইতা আৰু বাসন্তীয়ে পোনাকণক অভয় দি লাহে লাহে ধৰি উঠাবৰ চেষ্টা কৰিব। পোনাকণে মাকৰ কোলাত মুৰ গুজি দি, ভয়াৰ্ত দৃষ্টিৰে ইফালে-সিফালে চাই চিঞৰি থাকিব।)*

আইতা : পো-পো-পোনাকণ !!

বাসন্তী : দা- দা- দাদা-া-া .......!!

আইতা : তো-তো -তোৰ হৈছে কি পোনাকণ? ত-ত-তই এনেখন কৰিছ কিয়? ........চাওঁ, উঠছোন অস্থিৰ নহ'বি...........।

পোনাকণ : মা-া-া ........!! তু-তু তুমি আৰু মোক জোৰ নকৰিবা মা! মই আৰু কেতিয়াও .......। মোক তুমি আৰু কেতিয়াও বিয়া কৰাবলৈ জোৰ নকৰিবা মা! কেতিয়াও জোৰ নকৰিবা...........!!

আইতা : নকৰো দে! চাওঁ উঠছোন! সুস্থিৰ হ।

*(নেপথ্যত কেঁচুৱাৰ কান্দোন)*

বাসন্তী : অ', ৰুবী সাৰি পালাক...........।

*(ৰুবীক আনিবৰ বাবে বাসন্তী দৌৰ মাৰি ভিতৰলৈ যায়। ৰুবীৰ কান্দোন শুনি পোনাকণ আৰু বেছি অতিষ্ঠ হৈ পৰে, অস্থিৰ হৈ পৰে। ৰুবীৰ কান্দোন ক্ৰমে বাঢ়ি কোলাহলত পৰিণত হয়।)*

পোনাকণ : সে-সে -সেইয়া কোনে কান্দে মা? কিয় কান্দে মা??

আইতা : কিয় সেয়া তোৰ ৰুবী নহয়? বাসন্তী! অ' বাসন্তী!!

বাসন্তী : গৈছোঁ জেঠী!

*(নেপথ্যৰপৰাই চিঞৰি আহিব। কোলাত ৰুবী। আহিয়েই দূৰতে ৰৈ যাব। পোনাকণৰ আচৰণ দেখি আগ বাঢ়িব সাহস নকৰিব।)*

পোনাকণ ঃ ৰুবী! কোন ৰুবী??

আইতা ঃ চাওঁ বাসন্তী! তাইক ওচৰলৈ লৈ আহছোন! বাপেকে তাইক চাব খুজিছে। বাপেকৰ কোলা পালে কিজানি জিত হয়েই.......

*(বাসন্তীয়ে ভয়ে ভয়ে ৰুবীক লৈ আগুৱাই আহে। আহি ওচৰ পায়।)*

চা! তোক দেখি তাই কেনেদৰে খিল্‌খিলাই হাঁহিছে। চাছোন চা! কিমান মৰম লগা ছোৱালীজনী ............।

*(সন্দেহ আৰু কৌতূহলেৰে কেঁচুৱাজনীক দূৰৈৰপৰাই চায়। দৃষ্টি ক্ৰমে ভয়াৰ্ত হৈ আহে আৰু জিকাৰ খাই, চিঞৰ মাৰি উঠে।)*

পোনাকণ ঃ ক'- ক' - ক'ত কেচুৱা? সে - সে - সেইডালচোন এডাল সৰু পোৱালী সাপ ....... মা-া-া .........!! মোক বচোৱা মা-া-া মোক বচো-ৱা-া-া .........!!!

*(ভয়তে আত্ৰনি হৈ সাপে খেদা মানুহৰ দৰে দৌৰি নিজৰ কোঠালৈ যায় আৰু দুৱাৰ বন্ধ কৰি সোমাই থাকে। মাক দোমোজাত পৰে। বাসন্তীয়ে কেচুৱাটো আইতাকক দি পিছে পিছে দৌৰি যায়। আইতাকে কি কৰিব কি নকৰিব একো ঠিক কৰিব নোৱাৰে, অস্থিৰ হৈ ইপিনে সিপিনে চাওঁতেই ভিতৰৰপৰা বাসন্তী দৌৰি আহে।)*

বাসন্তী ঃ জেঠী!!

আইতা ঃ বাহিৰলৈ যোৱা নাইতো?

বাসন্তী ঃ নাই। নিজৰ ৰুমত সুমে দুৱাৰত খিলি লগেই দিছি। ...... কাকো যাবা নেদেই । মই কেমান ঢইকালোঁ.........

*(আইতাকে বাসন্তীক কেঁচুৱাটো দিয়ে। বাসন্তীয়ে লয়।)*

আইতা ঃ ........ হুঁ ডাক্তৰক ফোন এটা কৰি আহিবলৈ ক'ছোন!

*(লাহে লাহে গম্ভীৰ খোজেৰে নিজৰ স্থবিৰ অৱস্থান পায়গৈ আৰু আগৰ অৱস্থান লয়। বাসন্তীয়ে কোলাত কেঁচুৱা লৈয়েই ফোন কৰিবৰ বাবে ফোনটো দাঙে। লগে লগে বাসন্তী আন্ধাৰত মিলি যায় আৰু আইতাৰ আগৰ স্থবিৰ অৱস্থান লাহে লাহে আলোকিত হৈ আহে। আইতাই লাহে লাহে ঘূৰি দৰ্শকৰ পিনে মুখ কৰি কয়।)*

এৰা ! দংশনেই তো !! ইমান গভীৰ আৰু ইমান বহল সেই দংশন যে তাৰ জেৰ মই আজিও টানি ফুৰিবলগীয়া হৈছে। আৰু কোনে জানে, আৰু বা কিমান দিন, কিমান বছৰ সেই সৰ্পিনীৰ বিষদংশনৰ জেৰ মই টানি ফুৰিবলগীয়া হয়........।

*(বাহিৰৰ পৰা বাসন্তীৰ প্ৰৱেশ। ৰুবীক টিফিন দি আহিছে।)*

বাসন্তী ঃ কি হ'ল জেঠী? মোক মাতিছিল?

*(আইতাই উচপ খাই উঠে।)*

আইতা ঃ হেঁ ? ক'তা?? নাইতো! তই বাহিৰলৈ ক'লৈ গৈছিলি?

বাসন্তী ঃ কিয় টিফিনৰ বাকচটো দিবলৈ!

আইতা ঃ তাই গ'ল হ'বলা?

বাসন্তী ঃ অ'।

আইতা ঃ অ' সেয়া .....! এতিয়াহে মনত পৰিছে। হেৰৌ বাসন্তী! তোৰ হিচাপ আছে নে নাই? অহা জন্মদিনত তাই বোলে উনৈশত সোমাব! চাছোন চা! তাই মোক মনত পেলাই দি গৈছে। তোৰ আকৌ সিদিনাৰ সেই অকনমাণি ৰুবীজনী আজি বাদে কাইলৈ উনৈশ বছৰীয়া হ'ব আৰু কালি বাদে পৰহিলৈ তাইক এইখন ঘৰৰপৰা..........! হয়দে অ' বাসন্তী! আমাৰ সমাজৰ নিয়মবোৰ সঁচাই বৰ আচৰিত..........।

বাসন্তী ঃ .......আৰু নিষ্ঠুৰো!

আইতা ঃ বাসন্তী! তই দেখোন হঠাতে ইমান গহীন হৈ গ'লি?

*(বাসন্তীৰ মাত থোকাথোকি দিয়ে।)*

বাসন্তী ঃ অ' জেঠী! ........ এই উনৈশটা বছৰ যে কোন বাগে কোহাই দি পাৰ হৈ গেল......! অথচ আৰ দুটা বা তিন্‌টা বছৰৰ পিছাতে ...... তাইক ইয়াৰ পেৰে ........ এইখন ঘৰৰ পেৰে ........ আমাৰ মাজৰ পেৰে.....

আইতা ঃ দুখ নকৰিবি বাসন্তী! সংসাৰৰ নিয়মবোৰেই অদ্ভুত। চাওঁ! এইফালে চাছোন। এইবাৰ, এইবাৰ আমি তাইৰ জন্মদিনটো বৰ ধুমধামেৰে পাতিম দে ........। নাই, নাই ........ অকল এইবাৰেই নহয়, এইবাৰৰপৰা প্ৰত্যেকবাৰতেই আমি তাইৰ জন্মদিনটো ........ মহা ধুমধামেৰে পাতিম। বিয়া, বিয়া দি উলিয়াই দিয়াৰ পিছতো ........ প্ৰতি........... প্ৰতি বছৰেই তাইৰ জন্ম দিনটো.........

*(বাসন্তীয়ে সহ্য কৰিব নোৱাৰে। আইতাৰ কৰঙণত মুৰ থৈ হুকহুকাই কান্দি দিয়ে। তাৰ পিছত ফেকুৰি ফেকুৰি কান্দি থাকে। আইতাকৰো চকুপানী ওলায়। কোনোমতে, ঢাকি ৰাখি তাইক সান্ত্বনা দিয়ে। নেপথ্যত ভায়'লিন আৰু 'বাঁহীত সময় নাথাকে বৈ ' গীতটো বিলম্বিত লয়ত বাজি থাকে। লাহে লাহে আন্ধাৰ নামি আহে।)*

## দৃশ্য ৩

*(টেপত এৰ'বিকসৰ সংগীত বজাই ৰুবীয়ে কছৰত কৰি আছে। এটা সুন্দৰ পৰিৱেশ। আইতাকে এই মাত্ৰ চাহ খাই উঠিছে। এখন ইংৰাজী আলোচনী লুটিয়াই চাই আছে। হঠাৎ ফোনটো বাজি উঠে। ৰুবীয়ে কছৰৎ কৰি কৰিয়েই কয়।)*

ৰুবী ঃ ......... আন্টি! ফোনটো ধৰাহিছোন..........।

*(নেপথ্যৰপৰা বাসন্তীয়ে কয়।)*

বাসন্তী : গেছো ৰ'বা! নাউমান ৰ'বা!!

*(ৰান্ধনিঘৰৰপৰা তাই দৌৰি আহে। বন্ধা-বঢ়াৰ চিন হিচাপে গাত এপ্রন, হাতত এখন কোৰাচ। দৌৰি আহি, কোৰাচখন ৰুবীক চমজাই দিয়ে। ৰুবীয়ে সেইখনকে লৈ কছৰৎ কৰি থাকে। বাসন্তীয়ে ফোন ধৰে।)*

বাসন্তী : হেল'! ওঁহো নহয়, ভুল নম্বৰ। এতি কায়ো চাৰ-টাৰ নাই........ স-ব বাইদেউ, মানে মেডাম......। আস্‌সা কৈছো নহয়, ভুল নম্বৰ........।

ৰুবী : কি হ'ল? থৈ দিলা যে??

*(এৰবিক্সৰ সংগীত বন্ধ কৰে। কছৰৎ শেষ হয়। ব্যায়ামৰ সাজৰ ওপৰতে স্পর্টিং এটা সলাই পিন্ধি লয়।)*

বাসন্তী : ক'লো দেখোন, ভুল নম্বৰ। চাওঁ দিয়া।

*(কোৰাছখন বিচাৰি হাত মেলে। ৰুবীয়ে নিদিয়ে।)*

ৰুবী : ৰ'বাছোন! চোৱানা আন্টি! কোন কেত্তিয়াই ফোন কৰাৰ কথা, আৰু বোলে এত্তিয়ালৈ খবৰেই নাই!! আচ্ছা আন্টি! তুমি ঠিককৈ মন দি শুনিছিলাতো?

বাসন্তী : ওঁ শুইন্‌ছিলোঁ! চাওঁ দিয়া! মোৰ সেবাগে দৈৱাসন তল যায়, চাওঁ দিয়া।

ৰুবী : আস্‌সা! দিম ৰ'বাছোন। চোৱা না আন্টি! চোৱা না আইতা মা! সেই কোন কেতিয়াই ফোন কৰাৰ কথা......! আৰু এত্তিয়ালৈকে নিষ্টাৰ'ৰ খবৰেই নাই। যিবা ফোন বাজিল, তাকো ৰং নাম্বাৰ! কোৱা না আন্টি! মই এতিয়া কি কৰোঁ??

*(বাসন্তীৰ লক্ষ্য কোৰাছ। ৰুবীয়ে জানে কোৰাছখন পালেই, বাসন্তীয়ে বান্ধনিঘৰলৈ দৌৰ মাৰিব। গতিকে তায়ো কোৰাছখন ইহাত-সিহাত কৰি ঘূৰাই ঘূৰাই, বাসন্তীক জব্দ কৰি আছে। আইতাকে এই কাৰুকাৰ্য চাই মনে মনে বৰ ৰস পাইছে।)*

বাসন্তী : ...... চাওঁ দিয়া। আস্‌সা !! ..... আগতে তোমাৰ গোলমালটো কি নক'ৱা কিয়া? জাইনলিহি তোমাক বুধি-ভৰসা দিবা পাৰিম।

ৰুবী : অ'হ্ মাই গড। তাৰ মানে গ'ল। তোমাৰ কি ৰিয়েলি একোই মনত নাইক্যা? আইতা-মা! তোমাৰ পিছে?

আইতা : কিনো কথা? কিনো বতৰা?? মোৰ হ'লে সঁচাই একো মনত নাই অ' আইজনী!

*(ৰুবীক জোকাবৰ বাবে মিছা মাতে।)*

ৰুবী : অ' আইতা-মা। ন' ........! প্লিজ, ধেমালিখন নকৰিবাচোন!

বাসন্তী : আস্‌সা! চাওঁ দিয়া।

*(ৰুবীয়ে কোৰাছখন দিয়ে। বাসন্তীয়ে লয়।)*

ওঁ দিয়া! এইঠেন খোলাকে ক'ৰাছোঁ।

ৰুবী : আজি কি বাৰ?

বাসন্তী : দেওবাৰ। অ' মোৰ সিবাগে চৰু জ্বলি......

*(দৌৰ মাৰি ভিতৰ পায়গৈ)*

ৰুবী : কিমান তাৰিখ?

আইতা : ২৭ নবেম্বৰ।

ৰুবী : আৰু দেওবাৰে দেওবাৰে আমাৰ ড্ৰাইভাৰৰ ছুটী। হয় নে নহয়?

আইতা : হয়তো।

ৰুবী : আজিৰ দেওবাৰটোৰ বাবে মোৰ এটা স্পেচিয়েল পাৰ্মিচন লোৱা আছে। আছেনে নাই?

আইতা : আছে। ...... তই নিজে গাড়ী চলাই গৈ.......

*(উঠি আহি ফোনৰ মেজ-ঢাকনি গুচাই তাই আঁকা অভিজিতৰ ফটোখন দেখুৱাই)*

এই ল'ৰাজনক আমাৰ ঘৰলৈ আনি আমাৰ সৈতে চিনাকি কৰি দিয়াৰ কথাতো?

ৰুবী : বাঃ ! মনত নাই বোলে? ....ফুল ডিটেইল্‌চ যোগাৰ কৰি ৰাখিছা, একেবাৰে ডকুমেন্ট্‌চ পৰ্য্যন্ত.... আৰু ইপিনে একো নজনাৰ ভাও ধৰি, মোৰ টেন্সন বঢ়াইছা নহয়? অ' আইতা-মা ! ইউ আৰ চ' নটী!! তুমি কিন্তু দিনে দিনে বৰ দুষ্ট হৈ যাব ধৰিছা দেই!

*(আইতাকক সাৱট মাৰি ধৰি টপৰ টপৰকৈ চুমা খায়। আইতাকৰ হাতৰপৰা কাগজখন টান মাৰি আনি, নিজেও নিৰীক্ষণ কৰে আৰু আইতাককো দেখুৱায়।)*

ওঁ আইতা! সঁচা ক'বা কিন্তু! কেনে দেখিছা?? মই নিজে স্কেচ কৰা...... এক্‌জাকট ডিটেইল্‌চ অহা নাই ঠিক, – বাট হি লুক্‌চ অলমষ্ট লাইক ডিচ ........। কোৱা না আইতা মা ! কেনে দেখিছা??

*(ভিতৰৰপৰা বাসন্তী দৌৰ মাৰি আহে। থাপ মাৰি স্কেচখন লৈ যাই চাব ধৰে।)*

আইতা : ভাল।

ৰুবী : আস্‌সা ! জাষ্ট 'ভা-ল!' আৰু একো নাই? বাৰু আন্টি! তুমি কেনে দেখিছা কোৱাচোন! একদম আন্‌বায়াচ্‌ড ....... মানে একদম খোলাখুলি ক'বা কিন্তু.........

বাসন্তী : ঠেউগা ....... বে-ঠেউগা আৰু ...

ৰুবী ঃ ......আৰু কি??

বাসন্তী ঃ ..... আৰু .....আৰু ...........তোমাৰ নেচ্‌নাই মোহ লাগা.......

*(ৰুবীয়ে আনন্দতে উত্ৰাৱল হৈ বাসন্তীক সাৱট মাৰি ধৰে আৰু আনন্দতে সুহুৰিয়াই দিয়ে।)*

ৰুবী ঃ অ' আন্টি ! .....ইউ আৰ্ চিম্প্‌লি গ্ৰে-ট।.... অ'হ ডেন আইতা -মা ! গাড়ীৰ চাবিটো??

আইতা ঃ তই নিজে চলাই যাবি?

ৰুবী ঃ অঁতো! কিবা নতুন কথা হ'ল নেকি?

আইতা ঃ ...... না-না নাই ...... মানে .....। দে অ' বাসন্তী! তাইক চাবিটো দে.......।

*(বাসন্তীয়ে দুৱাৰৰ বাওৰ গজালত লগাই থোৱা চাবিটো আনি ৰুবীক দিয়ে।)*

চাবি! সাৱধানে যাবি, আৰু সোনকালে আহিবি।

*(তাই চাবি লৈ পখিলা যোৱাদি যাব ধৰে।)*

আৰু শুন!

*(তাই ৰৈ যায়।)*

ন' স্পীড! নেভাৰ মৰ ডেন ফৰ্টি.......।

ৰুবী ঃ অ'হ ডন্ট ৱৰি, মাই ডিয়েৰ ডিয়েৰ গ্ৰেণ্ডমা! মই জাষ্ট যাম আৰু জাষ্ট আহিম। ... মিষ্টাৰ কিজানি ওলায়েই আছে। ... আৰু আন্টি! ........ সব কিন্তু একদম টিপ-টপ, ঠিক-ঠাক কৰি থ'বা দেই!

*(উলাহতে সুহুৰিয়াই সুহুৰিয়াই গুচি যায়।)*

বাসন্তী ঃ কি হ'ল? জেঠী দেখোন বৰ গহীন হৈ গেলাক? কিবা আগৰ কথা.......??

*(আইতাক ধৰা পৰা যেন হয়। অনুভূতি লুকাবৰ চেষ্টা কৰে। হমুনিয়াহ কাঢ়ি কয়।)*

আইতা ঃ নাই দে! অ' হেৰি নহয়! যাচোন যা! ড্ৰয়িং ৰুমটো ঠিক-ঠাক কৰি থ'গে। নতুন ল'ৰা এটা আহিব যেতিয়া............

বাসন্তী ঃ স-ব গৎ লগাই থৈছোঁ। মোক আৰ্ শিখাবা লাগে না? মই কিবা নাজ্‌নুনা? ইদিকি ফ্ৰিজৰপেই মাংসও উইলে থৈছো, পায়াহৰ গাখীৰ বহেই দিছোঁ, ময়দাও মাৰি কুম্‌লেই থৈছো। বা-চ, আপ্‌নি বহি ধীৰে-সুস্থে কথা হৱেই মানে, একদম গৰম গৰম লুচি ৰেডি ......!! কি হ'ল জেঠী? মনটো চোঁ কেন্‌বা কৰি আছেই? কিবা আগৰ কথা মনত পইৰ্‌ছি হেম্ পাওঁ?

আইতা ঃ না- না- নাই! একো নাই অ' বাসন্তী! হে- হে -হেৰি নহয়, ত-ত -তই কি ভাব?

বাসন্তী ঃ ভাল! ঠউগা.......!! মোহ লগা........!!!

আইতা ঃ নহয় অ' ! মই অভি .... মানে অভিজিতৰ কথা কোৱা নাই অ' ! ... মানে হেৰি........ তোক তাই কেতিয়াবা কিবা কৈছিল নেকি? এই মানে, ধৰচোন ..... অভিজিতৰ বিষয়ে..........

বাসন্তী ঃ না- না- নাইতো! ক'ৱাটোতো মনত নপ্‌ৰে।

আইতা ঃ বাৰু, তই কি ভাব? মানে হেৰি, এই ধৰচোন....... অভিজিৎ তাইৰ কেৱল এনেই বন্ধু নে........?

বাসন্তী ঃ অস্‌স! জেঠীৰো যে আৰ্ কথা!! অ' এনাই বন্ধু হ'লিনো ফট' আইক্‌বা কিয়া যাব? আৰ্ গোট্টাই ফটোখানতেই বা দো'ৰে নাও লিখ্‌বা কিয়া যাব? বন্ধুতো হয়েই দ'কছোন....... মানে .......পথম পথমতো বন্ধু দিয়েই আৰাম্ভ হয় দ'কছোন, কিন্তু হ'লিও কিন্তু আমাৰ আপ্পীৰ পক্ষত বন্ধুতকে' কিন্তু এক আনা হ'লিও বেলেগ কিবা আছে। দ'ক জেঠী! ভালেই হ'ল দ'ক। তাই নিজেই চাইছি যেথান, আপ্পাৰো চিন্তাৰ থল নাইক্যা............

*(আইতাৰ মুখত চিন্তা-দুশ্চিন্তাৰ তোলপাৰ।)*

তাইক ভালে ভালে গটেই দিব পাৰ্‌লি, মোৰো ছুট্টী ........ আপ্‌নাৰো ছুট্টী ......!! দো' লগ লাগি আক্‌বাৰ বিন্দাবন, হৰিদাৰ মাৰি আইহ্‌বা লাইগ্‌ব। না কি কয় দ'ক জেঠী??

*(আইতা চিন্তাত বিভোৰ হৈ গম্ভীৰ হৈ পৰিছে। বাসন্তীয়ে জেঠীয়েকৰ গাম্ভীৰ্য্য দেখি ভয় খায়। কথাৰ সুৰ সলনি কৰে।)*

চাহ খাব না জেঠী? ....... মোৰো খাবা মন গেছি। .... অ' জেঠী! বোলো চাহ খাব না??

*(হঠাৎ সম্বিৎ ঘূৰাই পোৱাৰ দৰে আইতা উচপ খাই উঠে।)*

আইতা ঃ ওঁ ?? চাহ? ... যা, কৰ গৈ যা। ... চাওঁ শুনচোন!

বাসন্তী ঃ কি?

আইতা ঃ সেই আলমাৰীটোৰপৰা একেবাৰে ডাঙৰ এল্‌বামখন দি যাচোন!

বাসন্তী ঃ কোনখন? দাদাৰ বিয়াৰখননে?

আইতা ঃ অ' সেইখনেই।

*(বাসন্তীয়ে আলমাৰী খুলি বিচাৰে।)*

হে ভগৱান! আশীৰ্বাদ কৰা ..........!! ম-ম-মই যিটো ভয় কৰিছো ..... ঠিক ....... সেইটোৱেই যাতে নহয়.......

বাসন্তী ঃ ওঁ লওক।

*(এল্‌বাম দিয়ে। আইতাই ভয়ে ভয়ে লয়।)*

মই এতেনে চাহ কৰি আইনছোঁ।

*(এল্‌বামটো হাতত লৈ এটা দীঘল হুমুনিয়াহ কাঢ়ে। প্ৰথমতে গিৰিয়েকৰ তৈলচিত্ৰৰ কাষ পায়। তাতে অলপ ৰয়। প্ৰাৰ্থনা কৰে। লাহে লাহে পোনাকণৰ তৈলচিত্ৰৰ কাষ পায়।)*

আইতা : পোনাকণ! তোক অকালতে হেৰুৱাই ......ৰুবীৰ মাজতেই মই তোক বিচাৰি পাইছিলোঁ, কিন্তু মোৰ..... মোৰ আজি বৰ ভয় লাগিছে, বাছা! ...... অনভিজ্ঞ, আকৰী ৰুবীজনীয়ে ....... সঁচাসঁচিকৈয়ে মই যিটো ভয় কৰিছোঁ ....... ঠিক তাকেই যদি ...... অলপ পিছতেই সোঁশৰীৰে হাজিৰ কৰায়হি ..ত-ত-তয়েই ক' বাছা! ....... তেতিয়া, তেতিয়া মই বাৰু কি কম? কি কৰিম??

*(লাহে লাহে আহি আৰামী চকীখনত বহি বহি এল্‌বামৰ পাত লুটিয়াই যায়, ওচৰতে ৰুবীয়ে অঁকা স্কেচখন। বিশেষ কাৰোবাৰ ফটো অতি আগ্ৰহেৰে বিচৰাৰদৰে বিচাৰি বিচাৰি ক'তো নাপাই অৱশেষত হতাশ হৈ পৰে আৰু দীঘল ঘন উশাহ লৈ, কাহিল হৈ পৰে।*

*নেপথ্যত বিলম্বিত তালত বিয়াৰ গীত নাম। পোহৰ বিন্যাসেৰে আইতাৰ মনৰ অস্থিৰতা প্ৰকাশ কৰিব। উৰুলি বেণ্ডপাৰ্টি-মংগলধ্বনিৰে সৈতে বিয়া নামৰ সুৰ লগ লাগি এক সুন্দৰ পৰিৱেশ। ক্ৰমে বিয়ানাম তল পৰি আহিব, বতাহৰ সোঁ-সোঁৱনি আৰু গাজনি বাঢ়ি আহিব।*

*এটা কোণত হঠাৎ সুমিত্ৰাক দেখা যায়, সোঁমঞ্চৰ সমুখ ভাগত, ঠিক যেন বাহিৰৰপৰাহে আহিছে।)*

আইতা : ........কোন? কোন সেয়া তাত??

সুমিত্ৰা : মই সুমিত্ৰা। আপোনাৰ এসময়ৰ বোৱাৰী।

আইতা : তই, তই ইয়াত কিয়? কোনে তোক ইয়ালৈ আহিব দিলে?

সুমিত্ৰা : কোনেও দিয়া নাই! মই নিজেই আহিছোঁ। আপুনি মোক বিচাৰি হাবাথুৰি খোৱা দেখি দৌৰি আহিছোঁ।

আইতা : মিছা কথা! তোক মই কেতিয়াও বিচৰা নাই।

সুমিত্ৰা : ...... পুতেকৰ বিয়াৰ এল্‌বামটোত আজি হঠাৎ তেন্তে আপুনি কাক বিচাৰিছে? পুতেকক যে বিচৰা নাই সেইটোতো স্পষ্টই বুজা গৈছে

*( পোনাকণৰ তৈলচিত্ৰখনৰ পিনে আঙুলিয়াই দিয়ে।)*

বাৰু, ৰুবীয়ে কৰা অভিজিতৰ স্কেচখন দেখি আপোনাৰ ইমান সন্দেহ হৈছে কিয়? কি হ'ল? মোৰ মুখখন আপুনি ইমান সোনকালেই পাহৰি গ'লনে?

আইতা : ত-ত-তই তাৰেই উপযুক্ত।

সুমিত্ৰা : তেনেহ'লে আকৌ মনত পেলাবৰ বাবে এল্‌বামৰ পাত লুটিয়াইছে কিয়?

আইতা : তোক মনত পেলোৱাৰ মোৰ কোনো দৰ্কাৰ নাই। তোক মই চিৰকালৰ বাবে পাহৰি গৈছোঁ।

সুমিত্ৰা : ভাল কথা! সেইটোৱেইতো স্বাভাৱিক কথা!! কিন্তু অভিজিতৰ স্কেচখন দেখি হঠাৎ আজি মোলৈ মনত পৰিল কিয়? অভিজিতকতো আপুনি কোনোদিনেই দেখা নাই! তেনেহ'লে তাৰ চাৱনিটো ইমান চিনাকি চিনাকি লাগিল কিয়?? আপোনাৰ সন্দেহ মিছা হ'লে ময়ো ভাল পাম, ময়ো ৰক্ষা পৰিম...... হাজাৰ হওক ৰুবীতো মোৰেই ছোৱালী........।

আইতা : খবৰদাৰ' তই, ৰুবীৰ নাম মুখলৈ নানিবি।

সুমিত্ৰা : ঠিক আছে, নানো বাৰু ! ... কিন্তু আপোনাৰ পুতেকৰ বিয়াৰ এল্‌বামত তো মোৰ এখনো ফটো নাই। ... মই যোৱাৰ পিছত আপোনাৰ পুতেকে দেখোন এখন এখনকৈ স-ব ফটো ফালি মোৰ সকলো চিন দলিয়াই মোক তেওঁৰ অতীতৰপৰা একেবাৰে নাইকিয়া কৰি দিয়াৰ চেষ্টা কৰিছিল। ...... ফটোবোৰ জ্বলাই দিওঁতে, আপুনিতো তেওঁক এবাৰো বাধা দিয়া নাছিল। বাধা দিয়া হ'লে, এল্‌বামৰ ক'ৰবাত এচুকত হ'লেও মোৰ ফটো এখন পালেহেঁতেন আৰু আপুনি আপোনাৰ সন্দেহ সঁচা নে মিছা পৰীক্ষা কৰি চাব পাৰিলেহেঁতেন!

আইতা : সুমিত্ৰা!!

সুমিত্ৰা : খং কৰি লাভ নাই মোৰ প্ৰাক্তন শাহুআই! আপোনাৰ কষ্ট দেখি ৰ'ব নোৱাৰিহে মই আপোনাক সহায় কৰিব আহিছোঁ। এয়া চাওক নিচেই ওচৰৰপৰা, ভালদৰে চাওক আৰু অভিজিতৰ স্কেচটোৰ সৈতে মিলাই চাওক.........।

আইতা : তাৰ মানে...... মই যিটো সন্দেহ কৰিছোঁ, সেইটো সঁচা??

সুমিত্ৰা : সঁচা মিছা আপুনি নিজেই খাটাং নকৰে কিয়? আমি দুয়োইতো আপোনাৰ সমুখতে আছোঁ।

*(আইতাক উঠিবৰ চেষ্টা কৰি উঠিব নোৱাৰে।)*

আইতা : উস্! মোৰ ভৰি দুখন ... ...। চাওঁ, অলপ আগলৈ আহ, ওচৰৰপৰা চাই লওঁ।

*(সুমিত্ৰা অলপ আগুৱাই আহে।)*

ৰহ, ৰহ! আৰু আগুৱাই নাহিবি। তোক, তোক মোৰ বৰ ভয় লাগে! তই, তইতো মানুহ নহয়, ডাইনীহে ..। বাৰু, মোক এটা কথাৰ জবাব দে, য-য-যদি অভিজিত তোৰ ল'ৰা হয় তেতিয়াহ'লে তই কি কৰিবি?

*(বাধা দিয়াৰ লগে লগে সুমিত্ৰা ৰৈ যায়।)*

সুমিত্ৰা : নাই, ইয়াত মোৰ ক'বলগীয়া বা কৰিবলগীয়া একোৱেই নাই। গোটেই সিদ্ধান্তটোইতো নিৰ্ভৰ কৰিছে আপোনাৰ ওপৰত, কাৰণ ৰুবীক মই জন্ম দিলেও, তাইতো......

*(সুমিত্ৰাৰ মুখত আকৌ ৰুবীৰ নাম শুনি, আইতাক খঙতে অতিষ্ঠ হৈ উঠে। হাতত থকা এল্‌বামখনকে সুমিত্ৰালৈ মাৰি পঠিয়াই গালি পাৰিব ধৰে।)*

আইতা : শাল্লী! হাৰামজাদী!! ডাইনী! পিশাচী!! কৈছো নহয় তোৰ মুখত ৰুবীৰ নাম:......

*(আইতাই গালি পাৰি পাৰি কান্দোনত ভাঙি পৰে। অট্টহাস্য কৰি সুমিত্ৰা অদৃশ্য হৈ যায়। অলপ পিছতে, চাহ লৈ বাসন্তী সোমাই আহে।)*

বাসন্তী ঃ কি হ'ল জেঠী? বৰ ডাঙৰ শব্দ হোৱা শুইন্‌লো। কোহাই দি নো কি পৰিল??

*(আইতাই চকুপানী আৰু ভাবাবেগ সামৰি সুস্থিৰ হ'বৰ প্ৰয়াস কৰে।)*

আইতা ঃ না-না-নাই, একো হোৱা নাই যা!

বাসন্তী ঃ এয়া চাহ লওক জেঠী!

*(আইতাই লয়। দুয়ো খাব ধৰে; আইতাই লাহে লাহে ভাবি ভাবি, বাসন্তীয়ে তত্তাতৈয়াকৈ। খাই থাকোতেই পৰি থকা এলবামখনত তাইৰ চকু পৰে।)*

বাসন্তী ঃ আও! এইখননো এতি কেন্‌কে আহিল?

*(উঠি গৈ তোলে আৰু জাৰি -জোকাৰি পৰিষ্কাৰ কৰে।)*

ফটোগিলাসান চাওৱা হ'ল না জেঠী? হ'ল যদি, থৈ দেওঁ না?

আইতা ঃ দে।

*(তাই লৈ যায়। যাওঁতে পাত লুটিয়াই দুই-এখন ফটো চাই যায়। থৈ আহি আকৌ চাহ খাব ধৰে। জেঠীয়েকক কৌতূহলেৰে নিৰীক্ষণ কৰে।)*

বাসন্তী ঃ জেঠীক আজি বৰ অস্থিৰ লাইগ্‌ছি। চাওঁ, গা-মূৰ বয়া নেকি?

*(চাবলৈ গৈ কপালত হাত দিয়ে।)*

আইতা ঃ চাওঁ, গুচ! মোৰ একো হোৱা নাই যা! বাৰে বাৰে কি দিগ্‌দাৰিখন কৰি থাক?

*(বাসন্তীয়ে ভেম কৰি গৈ একাষ পায়গৈ। তাতে বৈ থাকে।)*

বাসন্তী ঃ ঠিক আছে, নকৰো বাৰু!

*(সংগীতেৰে সময় বিৰতি)*

আইতা ঃ চাওঁ, বাসন্তী! এইফালে আহ!

বাসন্তী ঃ তাৰ্‌পেই কওক। ওচৰক গেলি দেখোন খেংখেঙেই উঠে!!

আইতা ঃ বাৰু বাসন্তী! তোৰ তাইক মনত আছে নহয়?

*(বাসন্তীয়ে ভেম কাৰিয়েই উত্তৰ দিয়ে।)*

বাসন্তী ঃ কা-ক??

আইতা ঃ সুমিত্ৰাক

*(বাসন্তীয়ে কওঁ-নকওঁ কৰি কৈ কৈ আগ বাঢ়ি আহে।)*

বাসন্তী ঃ সেই ডাইনীটোৰ নাও নলাওঁ বুলি কিৰা কাইৰ্‌ছিলাক ছোঁ। এঠেন আৰ্ কি হ'ল?

*(কওঁ-নকওঁ কৰি আইতাকে কয়।)*

আইতা ঃ .......অলপ আগতে....... ঠিক সেইখিনিতে .......তাইক....... তাইক দেখা যেন পালোঁ।।

বাসন্তী ঃ বয়া নাপ্‌ব জেঠী! আপ্‌নাৰ নিৰ্ঘাত ভ্ৰম হৈছি। তাই আৰ্ কিবা ঘূৰি আইহ্‌বাক লেগি এই ঘৰ এৰি গেছি না? ...... কিনো কব দাদাৰে দুৰ্ভগ্য দ্যা জেঠী! এনাই তিৰী ঘৰ চপেই লৈছিল! কিন্তু আজি হঠাৎ কিয়ানো তাইক লেগি আপ্নাৰ মনত পৰিল? অ' জেঠী! আজি বহু বছৰৰ মূৰত ঘৰখানত এটা 'শুভকৰ্ম্ম' হৱাৰ 'উপকম' হৈছি; তেনে পন্তত আপ্‌নি আৰ্ নাম ল'বাৰ মাউনুহ বিচ্‌ৰি নাপ্‌লাক??

আইতা ঃ শুভকাজৰ আগমুহূৰ্তত মনত পৰাই তা ভাল হৈছে। ....... নহ'লে একেবাৰে মনত নপৰিলে যে ক'ৰবাৰপৰা কিবাখন হৈ যোৱাৰ ভয় আছিল....। এতিয়া, এতিয়া অন্ততঃ দৰ্কাৰি পৰিলে.....

বাসন্তী ঃ জানো, আপ্‌নি এংলাসান কি ক'বা ধইৰ্‌ছি, মই হ'লি একো তৰ্কিবই পাৰা নাই....... শুনক জেঠী! সেংলাসান বাজে চিন্তা জাৰি-জোক্‌ৰি এঠেন উঠক। আপীৰ আইহ্বাৰে হ'ল হেম্ পাওঁ।

আইতা ঃ ...... তাই আহি পোৱাৰ আগতেই মোক উত্তৰটো লাগে বাসন্তী! এই ছবিখন চা, চকুযুৰি চা, তাৰ চাৱনিটো চা আৰু, আৰু ...... তোৰ মনত আছে যদি ....... সেই ডাইনীজনীক এবাৰ খুউব সাৱধানে মনত পেলাই ...... এই চকুযুৰি আৰু চাৱনি ......, তাইৰ চকুযুৰি আৰু চাৱনিৰ লগত মিলে নে নিমিলে.... মোক খাটাংকৈ ক, স্পষ্টকৈ ক'। মোৰে শপত বাসন্তী! মোক তই সহায় কৰ! মোৰ, মোৰ মগজে একেবাৰেই কাম নকৰা হৈ গৈছে বাসন্তী! তই মোক সহায় কৰ।

*(বাসন্তী আৱেগিক হৈ পৰে। আইতাই আগবঢ়াই ধৰি থকা স্কেচখন হাতত লৈ ভাবিব ধৰে। আইতাই কৌতূহলেৰে তাইৰ মুখলৈ চাই থাকে। লাহে লাহে এই অংশ আন্ধাৰ হৈ আহে। বাহিৰত বিজুলী-ঢেৰেকনি আৰু ধুমুহাৰ শব্দ, অবিৰাম। তাৰ মাজতেই কেঁচুৱা কন্দাৰ চিঞৰ। বিজুলী-ঢেৰেকনিৰ বাবে লাইট যায়। মঞ্চ অলপ সময়ৰ বাবে সম্পূৰ্ণ আন্ধাৰ। বাসন্তী ভিতৰলৈ সোমাই যায়। আইতাই বিছনালৈ গৈ শুই পৰে। বাহিৰত গাড়ীৰ হৰ্ণ বাজে সঘনে।*

*কোঠাৰ দুৱাৰেদি লাহে লাহে ওলাই আহে সুমিত্ৰা। হাতত এটা সৰু চুটকেচ, মূৰে-গায়ে এখন ক'লা শ্ব'ল। সুমিত্ৰাই হাতত সাৰে ভৰিত সাৰে গৈ থাকোতেই আইতাই চিঞৰ ধৰে।)*

আইতা ঃ 'বাসন্তী! অ' বাসন্তী !! বিজুলী ঢেৰেকণিত লাইট কাটি দিছে। কেঁচুৱাজনীয়েও বৰকৈ কান্দিছে। মাকে সাৰ পোৱাহি নাই নেকি? তাই ভয় খাইছে নেকি চাচোন!

*(আইতাই আন্ধাৰতে টৰ্চটো সেপিয়াই থাকে।)*

বাসন্তী : গৈছো ৰ'বা জেঠী!

*(নেপথ্যৰপৰাই চিঞৰে।)*

আইতা : হ'ব জেঠী!

*(আইতাই টৰ্চটো বিচাৰি পায়। তললৈ টৰ্চ জ্বলাই চেণ্ডেল বিচাৰি পিন্ধে আৰু চাৰিওপিনে জ্বলাই চায়। ইতিমধ্যে সুমিত্ৰা আহি ড্ৰয়িংৰুমৰ দুৱাৰৰ কাষ পাইছেহি। আইতাৰ চিঞৰ-বাখৰত কি কৰো কি নকৰো হৈ বৈ গৈছে।*

*এইবাৰ আইতাৰ টৰ্চৰ পোহৰ সুমিত্ৰাৰ ওপৰত পৰে। আইতাই ভালদৰে মণিব নোৱাৰে।)*

আইতা : কোন? ড্ৰয়িংৰুমৰ দুৱাৰ মুখত সেইটো কোন? কোন সেইটো?? নামাত কিয়?? বাসন্তী! বাসন্তী!!

সুমিত্ৰা : মই । সুমিত্ৰা।

আইতা : ....... এই ৰাতিখন ......তই ...... তই তাত কি কৰিছ? কেচুৱাই কান্দি-কাটি তাল-আফালখন লগাইছে, ...... অথচ তোৰ খবৰেই নাই!

সুমিত্ৰা : এতিয়াৰেপৰা তাইৰ খবৰ আপোনালোকেই ৰাখিব।

আইতা : তাৰ মানে?? তোৰ হাতত সেইটো কি??

সুমিত্ৰা : মানে খুবেই স্পষ্ট। চুটকেচটোত মোৰ বয়-বস্তু আছে।

আইতা : কিন্তু হঠাৎ এনেদৰে এই ৰাতিখন??..... তাতে পোনাকণো ঘৰত নাই। অন্ততঃ সি অহালৈকে আৰু দুটা মাহতো ..... বাট চাব পাৰ।

সুমিত্ৰা : সেই ধৈৰ্য্য মোৰ আৰু নাই।

আইতা : তাৰ মানে তই..... ৰুবী, পোনাকণ আৰু মোক সকলোকে এৰি.......?

সুমিত্ৰা : যাব মই কেতিয়াবাই লাগিছিল।

আইতা : তাৰ মানে? বাসন্তী! অ' বাসন্তী !! চাওঁ সোনকালে এইফালে আহ.....

সুমিত্ৰা : মানে আপুনি নাজানিলে নাজানিবও পাৰে; কিন্তু আপোনাৰ পুতেকে খুউব ভালদৰেই জানে ... তথাপি জনাৰ অধিকাৰ আপোনাৰো আছে যেতিয়া আপোনাকো কৈ যাওঁ.......। বাহিৰত এই বতাহ-বৰষুণত বৈ হৰ্ণ বজাই থকা মানুহজনে, মোৰ বিয়াৰ আগৰপৰাই মোৰ কাৰণে অপেক্ষা কৰি আছে। ইতিমধ্যে বছতেই পলম হৈ গৈছে, আৰু নোৱাৰি......

*(কান্দি থকা ৰুবীক নিচুকাই নিচুকাই বাসন্তীৰ প্ৰৱেশ। হাতত এটা লেম্প।)*

বাসন্তী : কি হ'ল জেঠী? হো ল'ৰা ...... তোমাৰ আপীক তুমিহি মানাবা পাইৰ্বা.......। ওঁ ল'ৰা বৌ! ল'ৰা.......

সুমিত্ৰা : আজিৰ পৰা তাইক তয়েই চাবি!

বাসন্তী : বৌ!!

*(বাসন্তীয়ে কান্দি দিয়ে।)*

